চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি.বি.চি.এছ্এন ই পি ২০২০ অনুসৰি)

ষষ্ঠ ষাণ্মাসিক

গ্ৰাম্য আৰু নগৰীয়া সমাজতত্ত্ব

সমাজতত্ত্ব

সূর্য কুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° জ্যোতিপ্রসাদ শইকীয়া, ডিব্রুগড় বিশ্ববিদ্যালয়
ড° নির্মালী গোস্বামী, তেজপুৰ কেন্দ্রীয় বিশ্ববিদ্যালয়

পাঠ্যবিষয়ৰ সমন্বয়ৰক্ষী ঃ ডোলা বৰকটকী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১	ড° ইন্দ্রানী শর্মা (কটন বিশ্ববিদ্যালয়)	১ ইদন চুলতানা আহমেদ,
২	ডোলা বৰকটকী (কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়)	২, ৪, ৬ দীপাঞ্জলী শর্মা
৩, ৪, ৬, ৭	পূজা কটকী (গৱেষক)	৩ অপৰাজিতা শর্মা
৫	ময়ুৰী ভাগৱতী	৫ ময়ুৰী ভাগৱতী,
	ডোলা বৰকটকী (কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়)	৭ চন্দিতা গোস্বামী
৮	ড° উপলা বৰুৱা (কটন বিশ্ববিদ্যালয়)	৮ কমল কিশোৰ হাজৰিকা
৯	ড° ইন্দ্রানী শর্মা (কটন বিশ্ববিদ্যালয়)	৯ তুলিকা দেৰী
		১০, ১৩, ১৪ চন্দিতা গোস্বামী
১০	পূজা কটকী (গৱেষক)	১১ চিত্রাংকনা গায়ন
১১	চিত্রাংকিতা গায়ন (গুৱাহাটী বিশ্ববিদ্যালয়)	১২ অপৰাজিতা শর্মা
১২-১৫	প্রণতি বাগলাৰী (জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়)	১৫ দীপাঞ্জলী শর্মা

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° সম্বিত মল্লিক, আই. আই. টি, গুৱাহাটী
ভাষা সম্পাদনা ঃ ড° স্নিগ্ধা মহন্ত, ধিং মহাবিদ্যালয়
গাঁথনিক সম্পাদনা ঃ ডোলা বৰকটকী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non-Commercial-Share Alike 4.0 License (international) http://creativecommons.org/licenses/by-nc-sa/4.0/

আগষ্ট, ২০২৩ ; মার্চ, ২০২৬

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭

নগৰ চৌহদ ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২

Web : www.kkhsou.ac.in

বিষয়সূচী

অধ্যায়		পৃষ্ঠা নং
অধ্যায় ১ ঃ	**গ্রাম্য সমাজতত্ত্বৰ পৰিচয়** গ্রাম্য সমাজতত্ত্বৰ পৰিসৰ বা বিষয়বস্তু, গ্রাম্য সমাজৰ বৈশিষ্ট্যসমূহ, গাঁও নগৰৰ অবিচ্ছিন্ন সম্বন্ধ।	৭-১৫
অধ্যায় ২ ঃ	**গ্রাম্য সামাজিক সংৰচনা** গ্রাম্য সমাজত জাতি, গ্রাম্য সমাজ ব্যৱস্থাত পৰিয়াল আৰু স্বজন পদ্ধতি।	১৬-২৪
অধ্যায় ৩ ঃ	**গ্রাম্য সামাজিক সংৰচনাৰ পৰিৱৰ্তনৰ ধাৰা** প্রব্রজনৰ প্রকাৰ, প্রব্রজনৰ কাৰকসমূহ, নগৰীকৰণ, নগৰীকৰণৰ কাৰণসমূহ, প্রব্রজন আৰু নগৰীকৰণৰ প্রভাৱ, জাতি শ্রেণীৰ ধাৰাবহিকতা।	২৫-৩২
অধ্যায় ৪ ঃ	**গ্রাম্য অর্থনীতি** ভূ-স্বত্ব পদ্ধতি স্বতন্ত্রতা পূর্ব ভাৰতৰ ভূ-স্বত্ব পদ্ধতিৰ প্রকাৰ, স্বাধীনতাৰ পশ্চাৎ কাল ভূমি সংস্কাৰ ঃ অর্থ আৰু সংজ্ঞা ভূমি সংস্কাৰ ব্যৱস্থাসমূহ, সেউজ বিপ্লৱ আৰু ইয়াৰ প্রভাৱ, সেউজ বিপ্লৱৰ মূল উদ্দেশ্য, সেউজ বিপ্লৱৰ প্রভাৱ, বন্ধিত (Bonded) আৰু প্রব্রজনকাৰী শ্রমিক।	৩৩-৪৫
অধ্যায় ৫ ঃ	**গ্রাম্য অর্থনীতিৰ পৰিৱৰ্তনৰ ধাৰা** স্বাধীনতাৰ পিছত ভাৰতীয় গ্রাম্য অর্থনীতিৰ পৰিৱৰ্তন, কৃষিক্ষেত্রৰ পৰিৱৰ্তন, গাঁথনিমূলক পৰিৱৰ্তন, জীৱিকার্জনৰ পৰা বজাৰ অর্থনীতিলৈ পৰিৱৰ্তন, অন্যান্য পৰিৱৰ্তন, পৰিৱৰ্তনৰ কাৰণ, ভূমি সংস্কাৰৰ প্রভাৱ, সেউজ বিপ্লৱৰ প্রভাৱ, বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ প্রভাৱ, মুক্তকৰণ আৰু গোলকীকৰণৰ প্রভাৱ, গ্রামাঞ্চলৰ দৰিদ্রতা নিবাৰণ।	৪৬-৫৬
অধ্যায় ৬ ঃ	**গ্রাম্য ৰাজনৈতিক সংৰচনা** ভাৰতৰ পৰম্পৰাগত জাতি ব্যৱস্থা, জাতি ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ, জাতি পদ্ধতিৰ বিকাশ, গাঁও পঞ্চায়ত, ভাৰতবর্ষৰ পঞ্চায়তৰাজ ব্যৱস্থা, পঞ্চায়তৰাজ ব্যৱস্থাৰ গুৰুত্বপূর্ণ লক্ষণসমূহ, পঞ্চায়তৰাজ ব্যৱস্থাৰ গঠন আৰু ইয়াৰ কার্য, পঞ্চায়তৰাজ ব্যৱস্থাত নাৰী সৱলীকৰণ।	৫৭-৭১
অধ্যায় ৭ ঃ	**গ্রাম্য অঞ্চলত মহিলা আৰু শিশুৰ বিকাশ** ভাৰতীয় অর্থনীতিত মহিলা, মহিলা আৰু শিশু বিকাশ মন্ত্রালয়, মহিলাৰ বাবে সামাজিক আৰু অর্থনৈতিক বিকাশমূলক আঁচনি, সুসংবদ্ধ শিশু সুৰক্ষামূলক আঁচনি।	৭২-৮২
অধ্যায় ৮ ঃ	**গ্রাম্য ধর্ম** ধর্ম ঃ সংজ্ঞা আৰু অর্থ, সমাজতাত্ত্বিক দৃষ্টিভংগীৰে ধর্মৰ আলোচনা, ধর্মৰ সামাজিক কার্যাৱলী, ভাৰতৰ গ্রাম্যাঞ্চলৰ ধর্ম ঃ এক সংক্ষিপ্ত বিৱৰণ, গ্রাম্য ধর্মৰ অধ্যয়নৰ তাৎপর্য, ভাৰতৰ গ্রাম্য ধর্মৰ বৈশিষ্ট্য, পৰিৱর্তিত দৃশ্যপট, গ্রাম্য ধর্মীয় ব্যৱস্থাৰ প্রধান কার্যসমূহ।	৮৩-৯৪

অধ্যায় ৯ ঃ গ্রাম্য উন্নয়ন ৯৫-১২১

সমাজ উন্নয়ন প্রকল্প, সমাজ উন্নয়ন প্রকল্পৰ কিছু উল্লেখযোগ্য বৈশিষ্ট্য, সমাজ উন্নয়ন প্রকল্পৰ সমালোচনা, জনজাতীয় এলেকাত উন্নয়ন, সংবিধানৰ অন্তর্ভুক্ত বিধান, স্বৰাজোত্তৰ ভাৰতত ভূমি সংস্কাৰৰ আঁচনি, ভূমি সংস্কাৰৰ পদক্ষেপ, সংহত গ্রাম্য উন্নয়ন আঁচনি, সংহত গ্রাম্য উন্নয়ন আঁচনিৰ বিশেষ দিশ, ন্যূনতম প্রয়োজনীয়তাৰ আঁচনি, ৰাষ্ট্রীয় সাধাৰণ ন্যূনতম আঁচনি, গ্রাম্য সমাজত মহিলা আৰু শিশুৰ উন্নয়ন, অঞ্চলভিত্তিক সংপৃক্তকৰণ সেৱা, শিশুৰ যতন কার্যসূচী, ৰাষ্ট্রীয় গ্রামীণ স্বাস্থ্য অভিযান, গ্রাম্য উন্নয়নত স্বেচ্ছাসেৱী সংগঠন আৰু ৰাইজৰ অংশগ্রহণ, গ্রাম্য এলেকাত স্বেচ্ছাসেৱী সংগঠন, গ্রাম্য উন্নয়নত ৰাইজৰ অংশগ্রহণ।

অধ্যায় ১০ ঃ জনজাতীয় বিকাশ ১২২-১৩২

ভাৰতবর্ষৰ জনজাতীয় লোকসমষ্টি, অনুসূচিত জনজাতি আৰু অনুসূচিত জাতি, জনজাতীয় পৰিক্রমা মন্ত্রালয়, অনুসূচিত জনজাতিৰ বিকাশ, জনজাতীয় পৰিক্রমা মন্ত্রালয়ৰ অধীনস্থ বিকাশমূলক আঁচনিসমূহ, শৈক্ষিক বিকাশ, অর্থনৈতিক সবলীকৰণ, সামাজিক সবলীকৰণ।

অধ্যায় ১১ ঃ বিশ্বায়ন আৰু ভাৰতীয় কৃষক ১৩৩-১৪০

বিশ্বায়নৰ সংজ্ঞা, ভাৰতীয় কৃষি বিদ্রোহৰ সংক্ষিপ্ত ইতিহাস, বিশ্বায়ন আৰু কৃষক সমস্যাত ইয়াৰ প্রভাৱ, কৃষক বিদ্রোহৰ পদ্ধতি বিশ্বায়নৰ প্রভাৱ।

অধ্যায় ১২ ঃ নগৰীয়া সমাজতত্ত্বৰ বিকাশ ১৪১-১৪৮

নগৰীয়া সমাজতত্ত্বৰ আৰম্ভণি আৰু পৰিসৰ, গ্রাম্য আৰু নগৰীয় অঞ্চলৰ পার্থক্য, ভাৰতৰ নগৰীয়া সমাজতত্ত্ব।

অধ্যায় ১৩ ঃ নগৰবাদ আৰু নগৰীকৰণ ১৪৯-১৫৮

নগৰীয়া সমাজতত্ত্বৰ ধাৰণাসমূহ, নগৰ, নগৰবাদ আৰু নগৰীকৰণ, জীৱন পৰিক্রমা হিচাপে নগৰবাদ, বৃহৎ মহানগৰী, গোলকীয় মহানগৰী, উপনগৰীকৰণ, পার্শ্বৱর্তী চহৰ, নগৰৰ উপকণ্ঠ অঞ্চল, নগৰীকৰণৰ প্রভাৱ।

অধ্যায় ১৪ ঃ নগৰীয়া সমস্যাসমূহ ১৫৯-১৬৭

ভাৰতবর্ষৰ নগৰীকৰণ সমস্যা, নগৰীয়া পৰিৱেশ আৰু নগৰীকৰণ, নগৰীয়া পৰিবহন আৰু জলযোগান ব্যৱস্থাৰ সমস্যা, প্রদূষণ, বাসস্থান আৰু বস্তী অঞ্চল।

অধ্যায় ১৫ ঃ নগৰীয়া সমাজৰ আলোচ্য বিষয়সমূহ ১৬৮-১৭৮

নগৰীয়া সমাজৰ আলোচ্য বিষয়সমূহ, শ্রেণী, জাতি, সম্প্রদায় আৰু লিংগভিত্তিক স্থান বিভাজন, দৰিদ্রতা, কিশোৰৰ অপৰাধ প্রৱণতা আৰু ভিক্ষাবৃত্তি, সুৰাসক্তি আৰু নিচাসক্তি।

প্রসংগ পুথি ১৭৯-১৮০

পাঠ্য বিষয়ৰ পৰিচয় ঃ গ্ৰাম্য আৰু নগৰীয়া সমাজতত্ত্ব

গ্ৰাম্য আৰু নগৰীয়া সমাজতত্ত্ব পাঠ্য বিষয়টোৰ জৰিয়তে সমাজতত্ত্বৰ এটা বিশেষ ক্ষেত্ৰ গ্ৰাম্য আৰু নগৰীয়া সমাজতত্ত্বৰ বিষয়ে আলোচনা কৰা হৈছে। পাঠ্যবিষয়টিৰ জৰিয়তে শিক্ষার্থীৰ গ্ৰাম্য আৰু নগৰীয়া সমাজ সম্বন্ধে এক প্ৰাথমিক ধাৰণা দিবলৈ চেষ্টা কৰা হৈছে আৰু লগতে ইয়াৰ বিভিন্ন দিশ সম্বন্ধে শিক্ষার্থীক অৱগত কৰিব বিচৰা হৈছে।

এই খণ্ডটিত ১৫টা অধ্যায় আছে। গ্ৰাম্য সমাজৰ বিভিন্ন দিশ আলোচনা কৰা হৈছে। গ্ৰাম্য সমাজ সংৰচনা বা গঠন আৰু গ্ৰাম্য অৰ্থনীতি আৰু ইয়াত বিভিন্ন পৰিৱৰ্তন, গ্ৰাম্য ৰাজনীতি, গ্ৰাম্য জীৱনত মহিলা আৰু শিশুৰ উন্নয়ন, গ্ৰাম্য সমাজৰ ধৰ্মীয় আচৰণ পিছৰ অধ্যায়সমূহত আলোচনা কৰা হৈছে। গ্ৰাম্য আৰু জনজাতীয় উন্নয়নৰ বাবে বিভিন্ন আঁচনি আৰু নীতিৰ বিষয়ে আলোচনা কৰা হৈছে। গ্ৰাম্য কৃষিত গোলকীকৰণৰ প্ৰভাৱ সম্বন্ধে আলোচনা কৰা হৈছে। নগৰীয় সমাজতত্ত্বৰ উৎস আৰু প্ৰসাৰ সম্বন্ধে প্ৰথমেই আলোচনাৰ পিছত শিক্ষার্থীক নগৰীয় সমাজতত্ত্বৰ প্ৰাথমিক ধাৰণাৰ লগত পৰিচিত কৰোৱা হৈছে। তদুপৰি নগৰীয়া সমস্যাসমূহৰ বিষয়েও বহলাই আলোচনা কৰি শিক্ষার্থীৰ মনত সমালোচনাত্মক দৃষ্টিভংগী গঠনৰ চেষ্টা কৰা হৈছে।

খণ্ড পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা স্নাতক পাঠ্যক্ৰমৰ সমাজতত্ত্ববিষয়ৰ ৬ষ্ঠ ষান্মাষিকৰ ‘গ্ৰাম্য আৰু নগৰীয়া সমাজতত্ত্ব’ পাঠ্য বিষয়। এই বিষয়টিৰ জৰিয়তে শিক্ষার্থীক সমাজতত্ত্বৰ এক বিশেষ ক্ষেত্ৰ গ্ৰাম্য সমাজতত্ত্ব সম্বন্ধে প্ৰাথমিকভাৱে জ্ঞাত কৰিবলৈ প্ৰয়াস কৰা হৈছে। এই খণ্ডটি অধ্যয়নৰ ফলত শিক্ষার্থীয়ে গ্ৰাম্য সমাজতত্ত্বৰ বিভিন্ন দিশ সম্বন্ধে জানিব পাৰিব। অধ্যায় ১ নংত গ্ৰাম্য সমাজতত্ত্ব আৰু গ্ৰাম্যসমাজ সম্বন্ধে ব্যাখ্যা কৰা হৈছে। শিক্ষার্থীয়ে গ্ৰাম্য সমাজতত্ত্বৰ বিষয়বস্তু সম্বন্ধে জানিব পাৰিব। অধ্যায় নং ২ত গ্ৰাম্য সমাজৰ সংৰচনা সম্বন্ধে আলোচনা কৰা হৈছে আৰু শ্ৰেণী, জাতি, পৰিয়াল আৰু স্বজন-সমাজ সংৰচনাৰ এই কাৰকসমূহৰ ওপৰত বিশেষ আলোচনাও কৰা হৈছে। অধ্যায় নং ৩-ত গ্ৰাম্য সমাজৰ পৰিৱৰ্তনৰ প্ৰকৃতিসমূহ আলোচনা কৰা হৈছে। প্ৰব্ৰজন আৰু নগৰীকৰণে কেনেদৰে গ্ৰাম্য সমাজত সুদূৰপ্ৰসাৰী পৰিৱৰ্তন আনিছে তাকেই এই অধ্যায়ত আলোচনা কৰা হৈছে। অধ্যায় নং ৪ আৰু ৫ত গ্ৰাম্য অৰ্থনীতিৰ প্ৰকৃতি আৰু ইয়াৰ পৰিৱৰ্তন সম্বন্ধে ব্যাখ্যা কৰা হৈছে। অধ্যায় নং ৬ত গ্ৰাম্য ৰাজনীতিৰ ব্যাখ্যা কৰা হৈছে। ভাৰতবৰ্ষত প্ৰচলিত পঞ্চায়তী ৰাজ ব্যৱস্থাৰ বিষয়ে ইয়াত আলোচনা কৰা হৈছে। অধ্যায় নং ৭ ত ভাৰতবৰ্ষৰ চৰকাৰে নাৰী আৰু আৰু শিশু কল্যাণৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনি সম্বন্ধে আলোচনা কৰা হৈছে। অধ্যায় নং ৮ত ভাৰতীয় গ্ৰাম্য সমাজত প্ৰচলিত ধৰ্ম বিশ্বাস সম্বন্ধে আলোচনা কৰা হৈছে। ৯নং অধ্যায়ত ভাৰতবৰ্ষৰ গ্ৰাম্য উন্নয়নৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনি আৰু নীতি সম্বন্ধে আলোচনা কৰা হৈছে। অধ্যায় নং ১০ত ভাৰত চৰকাৰে জনজাতীয় উন্নয়ন সম্বন্ধে গ্ৰহণ কৰা বিভিন্ন আঁচনি আৰু ইয়াৰ জৰিয়তে জনজাতীয়সকলৰ আৰ্থ-সামাজিক উন্নয়ন প্ৰক্ৰিয়া সম্বন্ধে আলোচনা কৰা হৈছে। অধ্যায় নং ১১ত গোলকীয় অৰ্থনৈতিক পৰিৱৰ্তনৰ পটভূমিত ভাৰতীয় কৃষিখণ্ডত সংঘটিত অস্থিৰতা সম্বন্ধে আলোচনা কৰা হৈছে। অধ্যায় নং ১২ত নগৰীয়া সমাজতত্ত্বৰ আৰম্ভণি, ইয়াৰ পৰিধি আৰু গ্ৰাম্য-নগৰীয়া পাৰ্থক্য আদি সম্বন্ধে আলোচনা কৰা হৈছে। অধ্যায় নং ১৩ত নগৰীয়া সমাজতত্ত্বৰ প্ৰাথমিক ধাৰণাসমূহৰ আলোচনা কৰা হৈছে। ১৪ নং অধ্যায়ত আৰু ১৫ নং অধ্যায়ত শিক্ষার্থীক বিভিন্ন নগৰীয়া আৰ্থ সামাজিক সমস্যা আৰু বিষয় সম্বন্ধে জ্ঞান দিবলৈ বিচৰা হৈছে।

এই খণ্ডটি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব পাৰিব। এইবোৰে আপোনাক মূল পাঠত উল্লেখ কৰা দৰকাৰী ধাৰণাসমূহ সৰল অৰ্থত বুজি পোৱাত সহায় কৰিব। ‘জানি থোৱা ভাল’

বাকচবোৰৰ যোগেদি আপুনি মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ বিষয়ে জ্ঞান লাভ কৰিব । আকৌ 'অগ্রগতি নিৰীক্ষণ যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব । অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ানক্সৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান আৰ্হি প্রশ্ন তুলি দিয়া হৈছে। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথি স্বৰূপ। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব ।

অধ্যায় ১ ঃ গ্রাম্য সমাজতত্ত্বৰ পৰিচয়

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ গ্রাম্য সমাজতত্ত্বৰ পৰিসৰ বা বিষয়বস্তু
১.৪ গ্রাম্য সমাজৰ বৈশিষ্ট্যসমূহ
১.৫ গাওঁ-নগৰৰ অবিচ্ছিন্ন সম্বন্ধ
১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৭ অধিক জানিবলৈ
১.৮ অগ্রগতিৰ খতিয়ান
১.৯ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি-

- গ্রাম্য সমাজৰ সমাজতাত্ত্বিক তাৎপর্য চিনাক্ত কৰিব পাৰিব
- সমাজতত্ত্ববিদসকলে গ্রাম্য সমাজ অধ্যয়নত আগবঢ়োৱা গুৰুত্বপূর্ণ অৱদানৰ এক ধাৰণা কৰিব পাৰিব
- গ্রাম্য সমাজৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব
- গ্রাম্য সমাজত সংঘটিত হোৱা উন্নয়ন আৰু পৰিৱর্তনৰ এক সমালোচনাত্মক জ্ঞান আহৰণ কৰিব পাৰিব।

১.২ পৰিচয়

সাধাৰণতে আমি গ্রাম্য সমাজৰ পৰা আহৰণ কৰা তথ্যৰ ওপৰত ভিত্তি কৰি ভাৰতীয় সামাজিক সংস্থাসমূহৰ বিষয়ে জ্ঞান লাভ কৰো। প্রখ্যাত সমাজ বিজ্ঞানী আৰু নৃতত্ত্ববিদসকলৰ ভাৰতীয় গাঁওসমূহৰ ক্ষেত্রভিত্তিক অধ্যয়ন আৰম্ভ হৈছিল এই শতিকাৰ ১৯৪০ চনত। তাৰ আগতে ভাৰতীয় সমাজ আৰু ইয়াৰ সংস্থাবোৰৰ সাধাৰণ ধাৰণাবোৰ লৈছিল ভাৰতীয় সাহিত্যৰ পৰা। কিছুসংখ্যক সমাজবিজ্ঞানী যিসকলৰ সংস্কৃতৰ জ্ঞান আছিল তেওঁলোকে মহাকাব্যসমূহৰ পৰা হিন্দুধর্মৰ স্বজন পদ্ধতি, বিবাহ, জাতি-প্রথা, সামাজিক নীতি আদিৰ বিষয়ে অধ্যয়ন কৰিছিল। এই অধ্যয়নসমূহ বিশেষভাৱে গ্রন্থভিত্তিক আছিল যি বাস্তৱিক ক্ষেত্রখনৰ পৰা পৃথক আছিল আৰু ভাৱধাৰাৰ লগত সংগতি নাছিল। আনহাতে ভাৰতৰ বিভিন্ন অঞ্চলৰ গাঁওসমূহত কৰা ক্ষেত্রভিত্তিক অধ্যয়নে প্রকৃত সামাজিক ব্যৱস্থাটোক অন্তদৃষ্টিৰে চোৱাৰ সুযোগ দিয়ে। বর্তমান গ্রাম্য সামাজিক সংৰচনা, সংস্থা আৰু সামাজিক পৰিৱর্তনৰ বিভিন্ন দিশৰ ওপৰত তথ্য সম্বলিত গুৰুত্বপূর্ণ ৰচনা পোৱা যায়।

১৮ শ শতিকাত ভূমি অধিগ্রহণৰ এক বিস্তৃত জৰীপৰ দ্বাৰা ভাৰতীয় গ্রাম্য অধ্যয়নৰ ধাৰাৰ আৰম্ভণি হয়। গাঁৱৰ সামাজিক জীৱনৰ ভিত্তিত কৰা পৰীক্ষামূলক বিস্তৃত অধ্যয়নসমূহে বর্তমান শতিকাত যথেষ্ট জনপ্রিয়তা অর্জন কৰিছে। মনৰ' (Munro), মেটকাফে (Metcalfe), মেইন (Maine), মার্ক্স (Marx) আৰু বডেন পাৱেল

(Baden Powell)-এ তেওঁলোকৰ অধ্যয়নত ভাৰতীয় গাঁওসমূহ 'বন্ধ' (Closed) আৰু নিঃসঙ্গ (Isolated) পদ্ধতিৰ বুলি বিবেচনা কৰিছিল। চাৰ চার্লচ মেটকাফে আকৌ ভাৰতীয় গাঁওবোৰত সংহত (Monolithic) আৰু ক্ষুদ্ৰ অসংশোধনীয় সত্তা বিদ্যমান বুলি আখ্যা দিয়ে। মেটকাফে কৈছে 'গ্ৰাম্য সম্প্ৰদায়বোৰ এক ক্ষুদ্ৰ গণতন্ত্ৰ বা প্ৰজাতান্ত্ৰিক সমাজৰ দৰে য'ত তেওঁলোকৰ অভাৱসমূহ পাৰস্পৰিকভাৱে সমাধান কৰে আৰু আন কোনো বহিঃ সম্পৰ্কৰ ওপৰত নিৰ্ভৰশীল নহয়।' এতিয়া প্ৰশ্ন হয়- এখন দৃষ্টান্তমূলক বা ভাৰতীয় গাঁৱৰ এই বৈশিষ্ট্য শুদ্ধ আৰু যথাযোগ্য হয়নে?

যেতিয়াৰ পৰা গাঁওসমূহৰ ক্ষেত্ৰভিত্তিক অধ্যয়নৰ তাৎপৰ্য প্ৰমাণিত হ'ল তেতিয়াৰ পৰাই সেইবোৰক আদৰ্শ স্বৰূপে লৈ সামগ্ৰিকভাৱে ভাৰতীয় সমাজ অধ্যয়নৰ প্ৰৱণতা বৃদ্ধি পাবলৈ ধৰে। এই ক্ষেত্ৰত নগৰাঞ্চলৰ অধ্যয়নৰ প্ৰয়োজনীয়তাৰ পৃষ্ঠপোষকতা কৰে যিয়ে গ্ৰাম্য দৃষ্টিভংগীৰ নিৰীক্ষণত ওপৰঞ্চি সংযোজন ঘটাব পাৰে আৰু ভাৰতীয় সামাজিক অনুষ্ঠানৰ ভাৰসাম্য ৰক্ষা কৰি এক স্থিৰ প্ৰতিচ্ছবি ডাঙি ধৰিব পাৰে। অৱশ্যে একাংশ সমাজবিজ্ঞানীৰ মতে যিহেতু ভাৰতবৰ্ষৰ ৮০ শতাংশ জনগণই গাঁৱত বাস কৰে সেয়ে ভাৰতৰ ক্ষেত্ৰত গ্ৰাম্য আৰু নগৰীয়া সমাজৰ মাজত অনা পাৰ্থক্য অমূলক আৰু সেইবাবেই নগৰ অঞ্চলৰ অধ্যয়নৰ কোনো যুক্তি-যুক্ততা নাই। আনহাতেদি, এইবুলিও যুক্তি প্ৰদৰ্শন কৰা হৈছে যে যদিও গাঁও আৰু নগৰ দুয়োৰে ক্ষেত্ৰত ধৰ্ম, জাতি আৰু স্বজন পদ্ধতিয়ে সামাজিক সংস্থাৰ আধাৰ, তথাপি কাৰ্য ক্ষেত্ৰত দুয়োৰে মাজত তাৎপৰ্যপূৰ্ণ প্ৰভেদ পৰিলক্ষিত হোৱা দেখা যায়। উদাহৰণ স্বৰূপে, জাতি ব্যৱস্থাৰ ক্ষেত্ৰত বৃত্তিৰ লগত জড়িত নীতি-নিয়মসমূহ গাঁৱত কঠোৰভাৱে পালন কৰা দেখা যায়, কিন্তু সেই একে নীতি নগৰ বা চহৰ অঞ্চলত যথেষ্ট শিথিলভাৱে পালন কৰে। নগৰাঞ্চলৰ ক্ষেত্ৰত থকা ধৰ্ম, জাতি আৰু স্বজন পদ্ধতিৰ আনুষ্ঠানিক নিয়ম আৰু নিষেধাজ্ঞাসমূহ গাঁও অঞ্চলৰ দৰে একে নহয়। সেইবাবে গ্ৰাম্য আৰু নগৰীয়া সমাজ সম্পূৰ্ণকৈ অধ্যয়ন কৰিবলৈ হ'লে গ্ৰাম্য আৰু নগৰীয়া প্ৰশাখাক সমাজতত্ত্বৰ এক বিশেষ ক্ষেত্ৰ স্বৰূপে আগবঢ়াই নিব লাগিব। এই পৰিবৰ্দ্ধনে সামাজিক সংৰচনা, সামাজিক স্তৰীকৰণ ব্যৱস্থাৰ লগতে সামাজিক প্ৰক্ৰিয়াক বুজাত সহায় কৰিব যিটো গ্ৰাম্য আৰু নগৰীয়া সমাজত ভিন্ন ৰূপত দেখা যায়।

ই সত্য যে যোৱা কিছু দশকৰ পৰা ভাৰতবৰ্ষৰ নগৰ আৰু চহৰসমূহৰ লোকপিয়লৰ সংজ্ঞাৰ মাজত সাদৃশ্য নাই। ই তাৎক্ষণিকভাৱে নগৰ অঞ্চলৰ উন্নয়নৰে ইংগিত বহন কৰে। নগৰ আৰু চহৰসমূহৰ উন্নয়নৰ হাৰ যথেষ্ট দ্ৰুতগতিত বৃদ্ধি হৈ আছে। তদুপৰি উন্নত যোগাযোগ আৰু যাতায়ত ব্যৱস্থাৰ বাবে নগৰৰ সমীপৱৰ্তী গাঁওসমূহ প্ৰভাৱিত হোৱাতো এক সাধাৰণ পৰিঘটনাত পৰিণত হৈছে। মুঠতে বিকাশৰ গতি যিয়েই নহওক, দেশত নগৰ উন্নয়ন আৰু নগৰীকৰণ গতি ত্বৰান্বিত হোৱা পৰিলক্ষিত হৈছে। এতিয়া মুখ্য প্ৰশ্নটো হৈছে— এই উন্নয়নৰ প্ৰভাৱত ইয়াৰ লগত জড়িত লোকসকলৰ সামাজিক পৰিৱৰ্তন কেনে ধৰণে পৰিছে? গাঁও আৰু নগৰৰ মাজত থকা পাৰ্থক্য আৰু আন্তঃসম্বন্ধসমূহ ভাৰততে কেনেদৰে ব্যাখ্যা কৰিব পাৰি?

এই অধ্যায়টি সমাজতত্ত্বৰ বিশেষ ক্ষেত্ৰ অৰ্থাৎ গ্ৰাম্য সমাজতত্ত্ব প্ৰাথমিক আলোচনাৰ দ্বাৰা আৰম্ভ কৰা হৈছে। এই অধ্যায়টিত আমি বিশেষকৈ এই বিশেষ ক্ষেত্ৰটোৰ স্বৰূপ আৰু পৰিসৰৰ ওপৰত কেন্দ্ৰীভূত কৰিছো। ইয়াৰ উপৰিও, গাঁও আৰু নগৰৰ মাজত যথেষ্ট প্ৰভেদ থকা সত্বেও বিভিন্ন প্ৰয়োজনীয়তা পূৰণৰ বাবে এখন সমাজ আনখন সমাজৰ ওপৰত নিৰ্ভৰশীল কিয়নো গাঁও আৰু নগৰৰ মাজত এক অবিচ্ছিন্ন সম্বন্ধ (rural-urban continum) আছে। এই সকলোবোৰৰ ওপৰত এক প্ৰাথমিক জ্ঞান আহৰণ কৰাৰ পাছত, পৰৱৰ্তী অধ্যায়সমূহত গ্ৰাম্য অৰ্থনীতি, গ্ৰাম্য উন্নয়নৰ বাবে বিভিন্ন আঁচনিৰ লগতে বৰ্তমানৰ পৰিৱেশ ক্ষেত্ৰত উদ্ভৱ হোৱা সামাজিক পৰিৱৰ্তনৰ বিষয়ে আলোচনা কৰাৰ চেষ্টা কৰা হৈছে।

১.৩ গ্রাম্য সমাজতত্ত্বৰ পৰিসৰ বা বিষয়বস্তু

গ্রাম্য সমাজতত্ত্ব হৈছে সমাজতত্ত্বৰ এক বিশেষ শাখা। এই শাখাৰ নিজস্ব বৈশিষ্ট সম্পন্ন প্রণালীবদ্ধ অধ্যয়ন পদ্ধতি আছে। এতিয়া আমি এই বিশেষ শাখাৰ বিষয়ে আলোচনা কৰিম।

গ্রাম্য প্রশাখা সমাজতত্ত্বৰ এক বিশেষ অধ্যয়ন ক্ষেত্র। নামৰ পৰাই অনুমান কৰিব পাৰি যে, এই প্রশাখাই গাঁৱৰ সমাজ জীৱনৰ লগত জড়িত। ই গাঁৱৰ সমাজ বা গ্রাম্য সমাজৰ বিষয়ে বৈজ্ঞানিক পদ্ধতিৰে প্রণালীবদ্ধভাৱে অধ্যয়ন কৰে। সাধাৰণতে গৰিষ্ঠসংখ্যক জনসাধাৰণ গাঁৱত বা গ্রামাঞ্চলত বাস কৰে। তেওঁলোকৰ বৃত্তি তথা জীৱন ধাৰণ পদ্ধতি নগৰীয়া অঞ্চলৰ লোকসকলতকৈ পৃথক। তেওঁলোকৰ ব্যৱহাৰ, ৰীতি-নীতি, জীৱন পদ্ধতি আৰু জনবিশ্বাস পৰিস্থিতিৰ দাস আৰু গভীৰভাৱে গ্রাম্য পৰিৱেশৰ দ্বাৰা প্রভাৱিত হোৱা দেখা যায়। এই সকলোবোৰৰ পৰিপ্রেক্ষিততে সমাজতত্ত্বৰ এই বিশেষ শাখা গ্রাম্য সমাজতত্ত্বৰ উদ্ভাৱন হয়। এ আৰ দেশাইৰ মতে সমাজতত্ত্বৰ গ্রাম্য প্রশাখা হৈছে গ্রাম্য সমাজৰ বিজ্ঞান। ই গ্রাম্য সমাজ উন্নয়নৰ বৈজ্ঞানিক নীতি নির্ধাৰক। আনহাতে এফ ষ্টুৱার্ট ছাপিনে (F. Stuart Chapin) আগবঢ়োৱা সংজ্ঞা অনুযায়ী 'গ্রাম্য জীৱনৰ সমাজতত্ত্ব হৈছে গ্রাম্য সমাজৰ জনসংখ্যা, গ্রাম্য সামাজিক সংস্থা আৰু গ্রাম্য সামাজিক প্রক্রিয়াৰ এক তুলনামূলক অধ্যয়ন।' উপৰুক্ত সংজ্ঞাসমূহৰ পৰা ক'ব পাৰি যে সমাজতত্ত্বৰ গ্রাম্য প্রশাখাই গাঁৱলীয়া সমাজত সংঘটিত সামাজিক আন্তঃক্রিয়া, অনুষ্ঠান, কার্যকলাপ আৰু সামাজিক পৰিৱর্তনৰ বিষয়ে অধ্যয়ন কৰে। ই গ্রাম্য সামাজিক সংস্থা, সংৰচনা আৰু সংগঠনৰ বিষয়েও অধ্যয়ন কৰে। গ্রামোঞ্চলত সংঘটিত হোৱা ঘটনা-পৰিঘটনাসমূহৰ অধ্যয়নে গ্রামাঞ্চলৰ উন্নয়নৰ ক্ষেত্রত যথেষ্ট অৰিহণা যোগায়। ভাৰতৰ দৰে উন্নয়নশীল দেশত গ্রাম্য সমাজতত্ত্বৰ অধ্যয়নৰ যথেষ্ট গুৰুত্ব আছে। নগৰৰ কেন্দ্রসমূহৰ লগত থকা যোগাযোগ, ব্যৱসায়িক সম্বন্ধ আৰু গ্রাম্য সম্প্রদায়ৰ উন্নয়নৰ বাবে প্রচলিত হৈ থকা আঁচনিবোৰৰ বাবে গ্রাম্য সমাজত দ্রুতগতিত পৰিৱর্তন হোৱা দেখা যায়।

এখন গ্রাম্য সমাজৰ সকলো সুবিধা-অসুবিধাৰ অধ্যয়ন সমাজতত্ত্বৰ গ্রাম্য প্রশাখাৰ পৰিসৰ আৰু বিষয়বস্তুৰ অন্তর্ভুক্ত। গ্রাম্য সমাজতত্ত্বৰ প্রধান কামসমূহ হৈছে-

- গ্রাম্য সম্প্রদায় আৰু গাঁৱৰ সমস্যাৱলীসমূহ ঃ গ্রাম্য সম্প্রদায় আৰু তেওঁলোকে গাঁৱত সন্মুখীন হোৱা সমস্যাসমূহৰ স্বৰূপ আৰু বৈশিষ্ট্যবোৰ ইয়াৰ অন্তর্ভুক্ত।
- গ্রাম্য সামাজিক জীৱন ঃ ইয়াত গাঁৱৰ লোকসকলৰ বিভিন্ন দিশ অন্তর্ভুক্ত হৈ আছে।
- গ্রাম্য সামাজিক সংগঠন ঃ গ্রাম্য সমাজৰ পৰিয়াল আৰু বিবাহৰ লগতে গাঁৱৰ সামাজিক সংগঠন আৰু সংস্থাসমূহৰ অধ্যয়ন ই সাঙুৰি লয়।
- গ্রাম্য সামাজিক অনুষ্ঠান আৰু সংৰচনা ঃ ই গ্রাম্য সমাজৰ ৰীতি-নীতি, প্রথা, পৰম্পৰা, প্রমূল্যবোধ, আচাৰ-ব্যৱহাৰ আৰু ৰাজনৈতিক, অর্থনৈতিক, ধর্মীয় আৰু সাংস্কৃতিক ইত্যাদি অনুষ্ঠানসমূহৰ অধ্যয়ন কৰে।
- গ্রাম্য পৰিকল্পনা আৰু পুনৰ নির্মাণ ঃ গ্রাম্য সমাজতত্ত্বৰ এক গুৰুত্বপূর্ণ ব্যৱহাৰিক প্রয়োগ আছে। সেয়ে গ্রাম্য পৰিকল্পনা আৰু পুনৰ নির্মাণ গ্রাম্য সমাজতত্ত্ব অধ্যয়নৰ মূল বিষয়বস্তু হ'ব পাৰে।
- গাঁৱলীয়া সামাজিক পৰিৱেশত সামাজিক নিয়ন্ত্রণ আৰু সামাজিক পৰিৱর্তন ঃ ইয়াত গ্রাম্য জীৱন প্রণালীৰ ওপৰত নগৰৰ প্রভাৱৰ বিষয়ে অধ্যয়ন কৰা হয়। গ্রাম্য সমাজত সামাজিক নিয়ন্ত্রণৰ কৌশলসমূহৰ পৰীক্ষা-নিৰীক্ষাৰ বিষয়েও আলোচনা কৰা হয়।

- গ্রাম্য সমাজত ধর্ম আৰু সংস্কৃতি ঃ গ্রাম্য সমাজত ধর্মই অতি গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। গ্রাম্য সমাজৰ সংস্কৃতিত বিশেষ বিশেষত্ব আছে। এই সকলোবোৰ গ্রাম্য সমাজতত্ত্বৰ অধ্যয়নৰ অন্তর্ভুক্ত।
- গ্রাম্য সামাজিক প্রক্রিয়া ঃ গ্রাম্য সমাজত উদ্ভৱ হোৱা বিভিন্ন সামাজিক প্রক্রিয়া যেনে সহযোগ, প্রতিযোগিতা, সংহতি, বিচ্ছিন্নতা, পার্থক্য আদিৰ বিষয়েও গ্রাম্য সমাজতত্ত্বই অধ্যয়ন কৰে।
- গ্রাম্য আৰু নগৰীয়া সমাজৰ মাজত পার্থক্য ঃ গ্রাম্য আৰু নগৰীয়া সমাজৰ মাজত থকা পার্থক্যও গ্রাম্য সমাজতত্ত্বৰ অধ্যয়নৰ অন্তর্গত।

প্রকৃতার্থত গ্রাম্য সমাজতত্ত্ব হৈছে সমাজতত্ত্বৰ এক বিশেষ প্রয়োগিক শাখা। সেয়ে, এই দৃষ্টিকোণৰ পৰা গ্রাম্য জীৱনশৈলী অধ্যয়ন অতি অত্যাৱশ্যকীয়। যেতিয়াই এজন সমাজতত্ত্ববিদে গ্রাম্য জীৱনৰ বিষয়ে অধ্যয়ন কৰিবলৈ আগবাঢ়ে, তেওঁ গ্রাম্য লোকসকলৰ মানৱীয় সম্বন্ধৰ বিষয়ে আগ্রাহম্বিত হয়। দেখা গৈছে যে আন কোনো সমাজবিজ্ঞানে এই ধৰণৰ মানৱীয় সম্বন্ধৰ বিষয়ে অধ্যয়ন নকৰে। এই ক্ষেত্রত সমাজতত্ত্ব আন সকলো সমাজ বিজ্ঞানৰ পৰা পৃথক। বহল অর্থত, গ্রাম্য সমাজতত্ত্ব হৈছে গ্রাম্য পৰিৱেশত মানুহৰ মাজত থকা সম্বন্ধ বা সম্পর্কৰ এক অধ্যয়ন। এই সংজ্ঞাৰ দ্বাৰা এয়ে পৰিস্ফুট হয় যে সঠিক আৰু প্রকৃততে গ্রাম্য পৰিৱেশত গঢ় লৈ উঠা সামাজিক জীৱনৰ সমাজতত্ত্ব। গ্রাম্য সমাজত থকা সামাজিক সম্বন্ধবোৰ প্রতিফলিত হয় পৰিয়াল, জাতি, সামাজিক শ্রেণী, অর্থনীতি অর্থাৎ কৃষি, ৰাজনীতি, ধর্ম আদিৰ জৰিয়তে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ গ্রাম্য সমাজতত্ত্বৰ গুৰুত্ব কি?

প্রশ্ন নং ২ ঃ খালী ঠাই পূৰণ কৰক-

..... মতে সমাজতত্ত্ব হৈছে গ্রাম্য সমাজৰ বিজ্ঞান।

১.৪ গ্রাম্য সমাজৰ বৈশিষ্ট্যসমূহ

গ্রাম্য সমাজৰ কিছুমান প্রধান বৈশিষ্ট্য—

- গ্রাম্য অঞ্চলৰ লোকসকল সাধাৰণতে কৃষক। তেওঁলোকে তেওঁলোকৰ জীৱিকাৰ সৰহ অংশ কৃষিৰ পৰা আহৰণ কৰে। কৃষকসকলৰ কৃষি ভূমিৰ লগত ওতঃপ্রোতভাৱে জড়িত কিয়নো তেওঁলোকৰ জীৱিকাৰ মূল উৎসটোৱে হৈছে কৃষি।
- প্রকৃতিৰ লগত নিকট সম্বন্ধ থকা বাবে গ্রাম্য সমাজ সাধাৰণতে সহজ সৰল। গ্রাম্যবাসী কৃষিৰ নিত্য নৈমান্তিক কার্যৰ লগত ওতঃপ্রোতভাৱে জড়িত। তেওঁলোকৰ উৎসৱ-পার্বণ, প্রদর্শনী-মেলা, লোক সংগীত, লোক কথা-কাহিনী আদি সকলোতে কৃষি সম্পর্কীয় অৱধাৰণা পৰিস্ফুট হোৱা দেখা যায়। সমগ্র ভাৰতবর্ষতে গ্রাম্য জীৱনৰ ভিত্তিত গঢ় লৈ উঠা লোক সাহিত্য অতি চহকী। ভাৰতবর্ষত গ্রাম্য লোক সাহিত্যক গ্রাম্য পৰম্পৰা আৰু সংস্কৃতিৰ ভড়াল স্বৰূপে জ্ঞান কৰিব পাৰি। জনজাতীয় গাঁওসমূহতো লোকগীত আৰু লোক নৃত্যৰ দ্বাৰা তেওঁলোকৰ ভাব প্রকাশ কৰা দেখা যায়। নৃতত্ত্ববিদ ভেৰিয়াৰ এলউইন (Verrier Elwin)-এ জনজাতীয়সকলৰ ভাব প্রকাশৰ বহুতো উদাহৰণ দাঙি ধৰিছে। জনজাতীয়সকলে গোটেই নিশা উদযাপন কৰা নৃত্য, বাঁহীবাদন আৰু সু�ৰাপান আদি তেওঁলোকৰ গ্রাম্য জীৱনৰ উৎসৱমুখৰ প্রকাশভঙ্গী

মাথোন। এই লোকগীত আৰু লোক নৃত্যসমূহে যদিও আভিজাত্য প্রদর্শন নকৰে কিন্তু পৰিৱেশ কলা (Performing art)-ৰ ই এক উৎকৃষ্ট নিদর্শন। ই গ্রাম্য জীৱন নির্বাহ প্রণালীৰ বৈশিষ্ট্যসমূহ দাঙি ধৰে।

- সাধাৰণতে জনসাধাৰণৰ ওপৰত থকা পুলিচ বাহিনীৰ যি নিয়ন্ত্রণ ভাৰতবর্ষৰ গ্রামাঞ্চলত তাক দেখা নাযায়। বৰং গ্রাম্য সমাজ অনানুষ্ঠানিক পদ্ধতিৰেহে নিয়ন্ত্রণ কৰা দেখা যায়। সৰু-সুৰা ঘটনাসমূহ যেনে- চৌর্য কার্য, গাঁওবাসীৰ মাজত সংঘটিত হোৱা সংঘর্ষ আদি

  অনানুষ্ঠানিক পদ্ধতিৰ দ্বাৰাই মীমাংসা কৰা হয়। গ্রাম্য সমাজখনক শৃংখলাবদ্ধভাৱে পৰিচালিত কৰাৰ মূলতে হৈছে গাঁৱৰ ৰাইজৰ মতামত।
- গ্রাম্য সমাজৰ একোখন ঘৰত সাংস্কৃতিক ৰীতি-নীতিসমূহ অধিক স্পষ্টভাৱে প্রতিফলিত হয়। কিছুমান বিশেষ সামগ্রী যেনে, চাইকেল, মটৰ চাইকেল, বিদ্যুৎ, জলসিঞ্চন মেচিন, ট্রেক্টৰ, মৰণা মৰা মেচিন, পথাৰৰ পৰা ধান কঢ়িয়াবলৈ ঠেলা গাড়ীৰ ব্যৱহাৰে জীৱন ধাৰণৰ মানদণ্ড আৰু সাংস্কৃতিক দিশত অগ্রগতি এই দুয়োটাকে নির্ধাৰণ কৰে। গাঁৱৰ বিভিন্ন ধৰণৰ গৃহ নির্মাণৰ আৰ্হিয়েও সাংস্কৃতিক দিশটোৰ পৰিচয় দিয়ে। উদাহৰণ স্বৰূপে, অসমৰ গাঁওসমূহত সাধাৰণতে বাঁহৰ বেৰৰ ওপৰত বোকা মাটিৰে লেপ দি আৰু ঘৰৰ ওপৰত খেৰ বা টিন দি ঘৰ নির্মাণ কৰা দেখা যায়। সম্প্রতি গাঁৱত পকী ঘৰ নির্মাণো ক্রমান্বয়ে প্রচলিত হোৱা দেখা গৈছে। একোখনকৈ ডাঙৰ চোতাল ঘৰৰ আগফালে আৰু পাচফালে থকাটো এনে ঘৰৰ এক সুকীয়া বৈশিষ্ট্য।
- গ্রাম্য সামাজিক জীৱনৰ এক প্রধান বৈশিষ্ট্য হ'ল গ্রাম্য সম্প্রদায়ত প্রাথমিকসমূহত থকা আন্তঃক্রিয়াক যথেষ্ট গুৰুত্ব আৰোপ কৰা হয়। এইটো অতি বৈচিত্রপূর্ণ যে ভাৰতবর্ষৰ গাঁৱত এজন ব্যক্তিৰ পৰিচয় বা চিনাক্তকৰণ হয় তেওঁ বাস কৰা বিশেষ গাঁওখন আৰু তেওঁৰ জাতিটোৰে। দ্বিতীয়তে তেওঁৰ চিনাক্তকৰণে জাতিটোক বুজায় আৰু এই জাতিয়েই সমাজত সামাজিক সংস্কৰণৰ প্রতিনিধিত্ব কৰে। জাতি প্রথাক প্রধানতঃ চাৰি ভাগত বিভক্ত কৰিব পাৰি যেনে- ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য আৰু শূদ্র। বৃত্তি, বিবাহ, পবিত্রতা-অপবিত্রতা, সূচী-অসূচী, বহিঃবিবাহ ইত্যাদি সকলো ক্ষেত্রতে জাতিৰ প্রতি স্তৰৰ লোকসকলে কিছুমান কঠোৰ নীতি-নিয়মৰ দ্বাৰা পৰিচালিত হয়। বর্তমান জাতিভিত্তিক বৃত্তিসমূহ নিৰপেক্ষভাৱে গ্রহণ কৰা বৃত্তিৰ দ্বাৰা অপসাৰিত হোৱা পৰিলক্ষিত হৈছে। আনকি বৃত্তিৰ লগত জড়িত পবিত্রতা-অপবিত্রতা অৱধাৰণাটোৰো পৰিৱর্তন হ'ব ধৰিছে।

গ্রাম্য জীৱন পদ্ধতিৰ অধ্যয়নৰ সৈতে জড়িত সমাজতত্ত্ববিদসকলে ১৯৫০ চনতে অধ্যয়ন কৰা গ্রাম্য জীৱনৰ বিষয়ে আলোচনা কৰিছিল। তেওঁলোকে গ্রাম্য সমাজৰ একতাক ভাৰতীয় গাঁওসমূহৰ এক বৈশিষ্ট্য স্বৰূপে উল্লেখ কৰিছে। কিন্তু ক্রমাগতভাৱে পাশ্বৱর্তী নগৰ-মহানগৰৰ সংস্পর্শলৈ অহাৰ ফলত বর্তমান গাঁওসমূহত যথেষ্ট পৰিৱর্তন সংঘটিত হৈছে। ক্রমশঃ বর্দ্ধিত জনসংখ্যাৰ বাবে কৃষিভূমিৰ হ্রাস, জীৱিকাৰ পথ সন্ধান আদিৰ বাবে প্রব্রজনৰ হাৰো বৃদ্ধি হোৱা দেখা গৈছে। গাঁৱৰ পৰা লোকসকলে চৰকাৰী চাকৰি কৰাৰ লগতে কিছুমান সৰু-সুৰা ব্যৱসায় যেনে শাক-পাচলিৰ ব্যৱসায়, নির্মাণ কার্য, দোকানী, শ্রমিক আদি হিচাবেও কাম কৰিবলৈ নগৰলৈ আহে। এই সকল লোকৰ একাংশই গাঁৱলৈ দৈনিক অহা-যোৱা কৰাৰ বিপৰীতে আন একাংশই আকৌ নগৰতে প্রতিষ্ঠিত হোৱা দেখা যায় আৰু বিশেষ উৎসৱ-পার্বণতহে গাঁৱৰ পুৰণি ঘৰলৈ যায়। যাতায়ত আৰু যোগাযোগৰ উন্নয়নৰ বাবেই গাঁওসমূহৰ নগৰ আৰু মহানগৰৰ লগত নিকট সম্পর্ক গঢ়ি উঠিছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ খালী ঠাই পূৰণ কৰক—

(ক) গ্রাম্য সমাজ মূলতঃ ..... সমাজ।

(খ) গ্রাম্য সমাজত ..... সামাজিক স্তৰীকৰণৰ প্রধান বৈশিষ্ট্য।

১.৫ গাঁও-নগৰৰ অবিচ্ছিন্ন সম্বন্ধ (RURAL URBAN CONTINUUM)

গ্রাম্য আৰু নগৰীয়া সম্প্রদায়ে মানৱ জাতিৰ উন্নয়নৰ পাৱস্পৰিক নির্ভৰশীলতাৰ অন্তিম যোগসূত্রৰ সৃষ্টি কৰিছে। যদিও নগৰীয়া জীৱন গাঁৱক কেন্দ্র কৰিয়েই উন্নয়নৰ দিশলৈ অগ্রসৰ হৈছে তথাপি জীৱনৰ সকলো দিশতে দুয়োখন সমাজৰ মাজত বৃহৎ পার্থক্য থকা পৰিলক্ষিত হয়। নগৰীয়া সম্প্রদায়সমূহৰ সৃষ্টি হৈছে সমাজত ক্রিয়াত্মক প্রয়োজনীয়তাৰ বাবে, যিয়ে বিভিন্ন গাঁৱৰ পৰা অহা ভিন্ন স্বভাৱ, ৰীতি-নীতিৰ জনসাধাৰণক লৈ গতি হৈছে। সেয়ে, গ্রাম্য-নগৰ পার্থক্য নগৰীয়া সমাজতত্ত্বৰ অধ্যয়নৰ বিষয়বস্তু হিচাবে পৰিগণিত হৈছে। গ্রাম্য নগৰীয়া সমাজৰ পার্থক্যৰ বিস্তৃত বিশ্লেষণে গ্রাম্য আৰু নগৰীয়া সমাজত প্রচলিত থকা আন্তঃক্রিয়াৰ প্রকাৰ, সামাজিক স্তৰীকৰণৰ স্বৰূপ, জনসংখ্যাৰ আকাৰ ইত্যাদিৰ বিষয়ে এক সম্যক জ্ঞান আগবঢ়াই।

গ্রাম্য আৰু নগৰীয়া সমাজৰ মাজত বিভিন্ন পার্থক্য পৰিলক্ষিত হয় যদিও বিভিন্ন প্রয়োজনীয়তাৰ বাবে এখন সমাজ আনখনৰ ওপৰত নির্ভৰশীল। সেয়ে নগৰীয়া জীৱনৰ সকলো দিশত হোৱা উন্নয়নৰ গভীৰ প্রভাৱ গ্রামাঞ্চলতো পৰা দেখা যায় ।

- **প্রব্রজনৰ ভূমিকা** (The role of migration) ঃ গ্রাম্য আৰু নগৰীয়া সমাজে পাৱস্পৰিক সম্পর্কৰ দুই মেৰুত অৱস্থিত আৰু বিভিন্ন প্রকাৰৰ আন্তঃক্রিয়াৰ জৰিয়তে এখন সমাজ আনখনৰ পৰিপূৰক ৰূপে অৱস্থান কৰে। যাতায়ত আৰু যোগাযোগ ব্যৱস্থাৰ দ্রুত উন্নয়নৰ ফলত গাঁও আৰু নগৰৰ মাজৰ সম্পর্ক গঢ় লৈ উঠিছে আৰু সেয়ে প্রব্রজনো বৃদ্ধি পাইছে। নগৰ অঞ্চলত থকা অপৰিসীম সা-সুবিধাৰ বাবেই এক বুজন সংখ্যক লোকৰ গাঁৱৰ পৰা নগৰলৈ প্রব্রজন ঘটিছে। সমাজতাত্বিক দৃষ্টিকোণৰ পৰা গাঁৱৰ পৰা নগৰলৈ হোৱা এই আন্তঃপ্রব্রজনক এক অতি গুৰুত্বপূর্ণ দিশ স্বৰূপে গণ্য কৰা হয়। গাঁওবাসীক নগৰাঞ্চললৈ প্রব্রজিত কৰাৰ বিভিন্ন আকর্ষণীয় আৰু বিকষণীয় কাৰক আছে। সেইসমূহ হ'ল-
- গাঁওবাসীক মূল বাসস্থানৰ পৰা প্রতিৰোধ বা বিকর্ষণ কৰা কাৰকসমূহ হ'ল ঃ দৰিদ্রতা, সুযোগৰ অভাৱ, ভূমিহীনতা, নিম্নমানৰ জীৱন ধাৰণ পদ্ধতি, ইত্যাদি।
- নগৰাঞ্চলৰ আকর্ষিত কাৰকসমূহ হ'ল ঃ নগৰৰ আকর্ষণীয় পোহৰৰ ব্যৱস্থা, বিভিন্ন প্রকাৰৰ সুবিধা যেনে- আবাসগৃহ, শিক্ষা, কর্মসংস্থাপনৰ সুযোগ আদি।

গাঁৱৰ লোকসকলে ভৱিষ্যতে এক উন্নত আর্থ-সামাজিক সম্ভাৱনীয়তা, নগৰৰ ৰংচঙীয়া পোহৰৰ মাজত আমোদ-প্রমোদৰ প্রত্যাশাৰে গাঁৱলীয়া পৰিৱেশৰ পৰা কিছু আঁতৰি থকাৰ বাসনাৰে গ্রামাঞ্চলৰ পৰা নগৰলৈ প্রব্রজন কৰে। ইয়াৰ উপৰিও প্রব্রজনৰ আন এটা মূল কাৰণ হ'ল গ্রামাঞ্চলত হোৱা মানুহ আৰু ভূমিৰ বর্দ্ধিত অনুপাত, যিয়ে দৰিদ্রতা বৃদ্ধি হোৱাত সহায় কৰে।

শিক্ষা সামাজিক পৰিৱর্তনৰ এক মূল উৎস। উচ্চ মানদণ্ড সম্পন্ন শিক্ষা আহৰণৰ বাবে যুৱচাম আৰু ইচ্ছুক গাঁৱৰ লোকসকল নগৰাঞ্চললৈ ওলাই আহে। শৈক্ষিক কৃতকার্যতাই গাঁৱৰ শিক্ষিত যুৱচামৰ মাজত এনে মানসিকতা

আৰু আকাংক্ষা গঢ়ি তুলিছে যে তেওঁলোকে তেওঁলোকৰ মূল বাসস্থানৰ প্ৰতি বিচ্ছিন্ন মনোভাৱ অনুভৱ কৰে। কাৰণ গাঁৱৰ জীৱন ধাৰণ পদ্ধতি তেওঁলোকৰ শিক্ষাৰ সৈতে খাপ খাব নোৱৰা যেন অনুভৱ কৰে। গ্ৰামাঞ্চলৰ যুৱকসকল নগৰমুখী হোৱাৰ ই ও এক অন্যতম কাৰণ বুলি বিবেচনা কৰা হয়।

প্ৰব্ৰজনৰ আন এক আকৰ্ষণীয় কাৰক হ'ল নগৰৰ বৃদ্ধিৰ গতি কাৰণ ই জনসাধাৰণৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলায়। এই প্ৰক্ৰিয়া প্ৰব্ৰজনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। যিদৰে নগৰ উন্নয়নে প্ৰব্ৰজনত উদ্দীপক স্বৰূপে অৰিহনা যোগায় ঠিক সেইদৰে এই প্ৰভাৱে প্ৰব্ৰজনত সহায় কৰে। নগৰাঞ্চললৈ হোৱা প্ৰব্ৰজনৰ ফলতে সৃষ্টি হয় নগৰ উন্নয়ন প্ৰক্ৰিয়া, নগৰীকৰণ, সামাজিক পৰিৱৰ্তন আৰু সামাজিক সংহতি। নগৰ অঞ্চলত ভিন্ন প্ৰকৃতিৰ অধিক সুযোগ সুবিধা, বিশেষকৈ অনাকৃষিভিত্তিক কৰ্ম, উচ্চ হাৰৰ দৰমহাৰ চাকৰি, ব্যৱসায়, বাণিজ্য, উন্নত যোগাযোগৰ সুবিধা আছে। ইয়াৰ উপৰিও এনে অঞ্চলে সু-স্বাস্থ্যৰ ব্যৱস্থা, সামাজিক আমোদ-প্ৰমোদ, পৰিৱেশ, আবাসগৃহ, সংবাদ মাধ্যমৰ সুবিধাৰ লগতে আন বহুতো সুযোগ আগবঢ়ায়। এই সকলোবোৰ সুযোগ সুবিধাকে আকৰ্ষণৰ কাৰক হিচাপে গণ্য কৰা হয় যিটো নগৰীকৰণ আৰু নগৰ উন্নয়নৰ মাত্ৰা অনুযায়ী পৃথক হোৱা দেখা যায়।

গ্ৰামাঞ্চলৰ পৰা এক বুজন সংখ্যক লোকৰ নগৰ অঞ্চললৈ হোৱা প্ৰব্ৰজনে সমাজত নেতিবাচক প্ৰভাৱো পেলোৱা দেখা যায়। উদাহৰণস্বৰূপে অত্যাধিক জনসংখ্যা, পাৰিপাৰ্শ্বিক অৱস্থা, বস্তি অঞ্চলৰ সৃষ্টি, অনাময় আৰু আবাসগৃহৰ অভাৱ আদি।

তথাপিও গাঁৱৰ অঞ্চলসমূহ বিভিন্ন প্ৰকাৰে নগৰ অঞ্চলৰ দ্বাৰা প্ৰভাৱিত হয়। গাঁৱৰ পৰা নগৰলৈ হোৱা প্ৰব্ৰজনে প্ৰব্ৰজিত লোকসকলৰ মূল্যবোধৰ পৰিৱৰ্তন সাধন কৰে যিটো পৰৱৰ্তী কালত তেওঁলোকে গাঁৱত এৰি যোৱা পৰিয়ালসমূহত প্ৰতিফলিত হোৱা পৰিলক্ষিত হয়। প্ৰব্ৰজিত লোকসকলে তেওঁলোকৰ পৰিয়ালৰ লগত ব্যক্তিগত সম্বন্ধ ৰক্ষা কৰি পৰিয়ালৰ পৰম্পৰা অটুট ৰখাৰ চেষ্টা কৰে। যিসকল প্ৰব্ৰজিত লোকে পূৰ্বতে গাঁৱৰ পৰম্পৰা অনুসৰণ কৰিছিল বৰ্তমান সেই লোকসকলে নগৰীয়া পৰম্পৰা আৰু সংস্কৃতিৰ সান্নিধ্যলৈ অহা দেখা গৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত তেওঁলোক নতুন সামাজিক আৰু বস্তুবাদী মূল্যবোধ, নতুন কৌশল, নতুন জীৱনৰ অভিজ্ঞতা, জ্ঞান, সজাগতা আদিক নতুন দৃষ্টিভংগীৰে নিৰীক্ষণ কৰিবলৈ লৈছে। আভ্যন্তৰীণ নগৰীয়া মূল্যবোধসমূহ ইচ্ছাকৃতভাৱে প্ৰচাৰ বা সঞ্চাৰণ কৰা হয় আৰু গাঁৱৰ সম্বন্ধত থকা জনসাধাৰণলৈ অৱধাৰণ হয়। এই পৰিৱৰ্তনসমূহৰ উপৰিও গ্ৰামাঞ্চলত প্ৰব্ৰজনে জনসংখ্যাৰ প্ৰতিচ্ছবিখনো সলনি কৰি পেলাইছে। যেতিয়া গাঁৱৰ প্ৰব্ৰজিত লোকসকল নগৰীয়া পৰিৱেশৰ সান্নিধ্যলৈ আহে তেওঁলোকৰ প্ৰজনন প্ৰক্ৰিয়াৰো পৰিৱৰ্তন হোৱা দেখা যায়। আধুনিক নগৰীয়া পৰিৱেশে পৰিয়ালৰ নতুন প্ৰতিমান, জন্মৰ ক্ষেত্ৰত বিলম্ব, বিবাহৰ সময় সীমা বৃদ্ধি আদি দিশসমূহক গ্ৰহণ কৰিবৰ বাবে উদগনি যোগায়।

✓ ১.৬ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- সমাজতত্ত্বৰ গ্ৰাম্য প্ৰশাখা আৰু নগৰীয়া প্ৰশাখা সমাজতত্ত্ব অধ্যয়নৰ এক বিশেষ ক্ষেত্ৰ। চমুকৈ নগৰীয়া সমাজতত্ত্বই নগৰীয়া জীৱন আৰু বিভিন্ন কাৰ্যকলাপ অধ্যয়ন কৰে আৰু গ্ৰাম্য সমাজতত্ত্বই গ্ৰাম্য সামাজিক সংৰচনাৰ অধ্যয়নত মনোনিৱেশ কৰে।

- গ্রাম্য জীৱনৰ সমাজতত্ত্ব হৈছে গাঁৱৰ জনসংখ্যা, গ্রাম্য সামাজিক সংগঠন আৰু গ্রাম্য সামাজিক প্রক্রিয়াৰ এক অধ্যয়ন। ওপৰত উল্লেখ কৰা সংজ্ঞাৰ পৰা এইটো স্পষ্ট যে সমাজতত্ত্বই গ্রাম্য সমাজৰ সামাজিক আন্তঃক্রিয়া, সংস্থা, কার্যাৱলী আৰু সামাজিক পৰিবর্তনৰ বিষয়ে অধ্যয়ন কৰে। গ্রাম্য সামাজিক সংগঠন, সংৰচনা আৰু সংস্থাপনো এই প্রশাখাৰে অন্তর্গত। এই প্রশাখাই আমাক গ্রাম্য সামাজিক পৰিঘটনাৰ এনে জ্ঞান দিয়ে যিয়ে গ্রাম্য সমাজৰ বিকাশত অৰিহণা যোগোৱাত সহায় কৰে।
- নগৰীয়া আৰু গ্রাম্য সমাজৰ অধ্যয়নে জনসাংখ্যিক আকাৰ আৰু বিতৰণ, জাতি প্রথাৰ নীতি-নিয়ম পালন, সংস্কৃতি, সামাজিক স্তৰীকৰণ, বৃত্তিগত সংৰচনা, পৰিয়াল আৰু বিবাহ, নাৰীৰ প্রস্থিতি, শিক্ষা আদিৰ ক্ষেত্রত থকা গ্রাম্য আৰু নগৰীয়া সমাজৰ পার্থক্যসমূহ প্রতিফলিত কৰে। এই দুয়োখন সমাজৰ লোকসকলৰ জীৱন প্রণালীৰ প্রতি ক্ষেত্রতে পার্থক্য থকা সত্বেও দুয়োখন সমাজৰ মাজত এক অবিচ্ছিন্ন ধাৰাৰ বান্ধোন পৰিলক্ষিত হয়। দুয়োখন সমাজেই নিজৰ বৃদ্ধি আৰু বিকাশৰ লগতে বিভিন্ন প্রয়োজনীয়তা পূৰণৰ বাবে পৰস্পৰে পৰস্পৰৰ ওপৰত নির্ভৰ কৰিব লাগে। উদাহৰণস্বৰূপে শিক্ষা, বৃত্তি, কর্ম আদিৰ বাবে লোকসকল গাঁৱৰ পৰা নগৰলৈ আহিবলগীয়া হয়। এইদৰেই তেওঁলোকে নগৰীয়া সংস্কৃতিলৈ আহে আৰু নগৰীয়া সংস্কৃতি আৰু প্রমূল্যবোধ তেওঁলোকৰ গ্রামাঞ্চললৈ সম্প্রসাৰিত কৰে।

১.৭ অধিক জানিবলৈ

১) Chitambar, J. B. 1993. Introductory Rural Sociology. New Delhi. New Age International (P) Limited.
২) Desai, A. R. 1969. Rural Sociology in India. Bombay. Popular Prakashan.
৩) Doshi, S.L. and P.C. Jain. 1999. Rural Sociology. Jaipur: Rawat Publications.

১.৮ অগ্রগতিৰ খতিয়ান

প্রশ্ন ১ ৰ উত্তৰ ঃ গ্রাম্য সমাজতত্ত্ব সমাজতত্ত্বৰ এক বিশেষ ক্ষেত্র। ই গ্রাম্য সমাজখনৰ জনসংখ্যা, সামাজিক সংগঠন, গ্রাম্য সামাজিক প্রক্রিয়া আদিৰ বিষয়ে অধ্যয়ন কৰে। উপৰোক্ত সংজ্ঞা কেইটাৰ পৰা স্পষ্ট দেখা গ'ল যে গ্রাম্য সমাজতত্ত্বই সামাজিক আন্তঃসম্বন্ধ, সংস্থা আৰু কার্যাৱলী আৰু সামাজিক পৰিৱর্তনৰ লগত জড়িত। তাৰোপৰি গ্রাম্য সমাজৰ সামাজিক সংগঠন, সংৰচনা আৰু সংস্থাপন ব্যৱস্থাও এই ক্ষেত্রৰ অন্তর্ভুক্ত। ই আমাক গ্রাম্য সমাজৰ পৰিঘটনাসমূহৰ এনে জ্ঞান দিয়ে যিয়ে ভৱিষ্যতে গ্রাম্য সমাজ বিকাশত অৰিহণা যোগাব পাৰে। সম্প্রতি ভাৰতৰ দৰে উন্নয়নশীল দেশত সমাজতত্ত্বৰ গ্রাম্য প্রশাখাৰ গুৰুত্ব অপৰিহার্যপূর্ণ। নগৰৰ কেন্দ্র স্থানসমূহৰ বজাৰৰ লগত থকা ব্যৱসায়িক সম্পর্ক আৰু গ্রাম্য সম্প্রদায়ৰ উন্নয়নৰ বাবে যুগুত কৰা আঁচনিবোৰৰ বাবে গ্রাম্য সমাজৰ দ্রুত পৰিৱর্তন ঘটিছে।

প্রশ্ন ২ ৰ উত্তৰ ঃ এ. আৰ. দেশাই।

প্রশ্ন ৩ ৰ উত্তৰ ঃ (ক) কৃষি (খ) জাতি প্রথা।

১.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃচমুটোকা লিখক।

(ক) গাঁও-নগৰৰ অবিচ্ছিন্ন সম্বন্ধ

প্ৰশ্ন ২ ঃনগৰীয়া আৰু গ্ৰাম্য সমাজৰ মাজত থকা পাৰ্থক্যসমূহ লিখক।

প্ৰশ্ন ৩ ঃগ্ৰাম্য আৰু নগৰীয়া জীৱন শৈলীৰ আৰ্হিৰ মাজত থকা পাৰ্থক্যসমূহ লিখক।

প্ৰশ্ন ৪ ঃভাৰতবৰ্ষৰ নগৰ বৃদ্ধিৰ ক্ষেত্ৰত প্ৰব্ৰজনৰ ভূমিকাৰ বিষয়ে এক সমীক্ষা আগবঢ়াওক।

প্ৰশ্ন ৫ ঃগ্ৰাম্য আৰু নগৰীয়া সমাজ অধ্যয়নৰ সমাজতাত্ত্বিক তাৎপৰ্য কি?

*** ***** ***

অধ্যায় ২ ঃ গ্রাম্য সামাজিক সংৰচনা

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ গ্রাম্য সমাজিক সংৰচনা
২.৪ গ্রাম্য সমাজত জাতি প্রথা
২.৫ গ্রাম্য সমাজত শ্রেণী ব্যৱস্থা
২.৬ গ্রাম্য সমাজ ব্যৱস্থাত পৰিয়াল আৰু স্বজন পদ্ধতি
২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৮ অধিক জানিবলৈ
২.৯ অগ্রগতিৰ খতিয়ান
২.১০ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- গ্রাম্য সমাজ এখনৰ সামাজিক সংৰচনাৰ বিষয়ে জানিব পাৰিব
- গ্রাম্য সমাজ এখনত এক সংস্থা হিচাবে জাতি পদ্ধতিৰ ভূমিকা
- গ্রাম্য সমাজত প্রচলিত আৰু প্রৱর্তিত বিভিন্ন শ্রেণীসমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- সামাজিক সংস্থা হিচাবে পৰিয়ালৰ প্রকৃতি আৰু ভূমিকা সম্বন্ধে আলোচনা কৰিব পাৰিব
- গ্রাম্য সমাজত সামাজিক সংস্থা হিচাবে স্বজন পদ্ধতি সম্বন্ধে আলোচনা কৰিব পাৰিব।

২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি গ্রাম্য সমাজৰ আৰম্ভণি, প্রকৃতি আৰু পৰিসৰ সম্বন্ধে আলোচনা কৰিছিলো। এই অধ্যায়ত, ভাৰতীয় পটভূমিত গ্রাম্য সামাজিক সংৰচনা সম্বন্ধে আমি জ্ঞান লাভ কৰিবলৈ চেষ্টা কৰিম। ইয়াকে কৰিবলৈ গৈ আমি প্রধানকৈ জাতি, পৰিয়াল, স্বজন পদ্ধতি আদি সামাজিক সংস্থাসমূহৰ ওপৰত আমাৰ মনোযোগ নিবদ্ধ কৰিম। এই সংস্থাসমূহৰ বিষয়ে উপযুক্ত জ্ঞান আহৰণ অতি আৱশ্যক কিয়নো, এইবোৰৰ ওপৰত ভিত্তি কৰিয়েই মানুহৰ জীৱন-ধাৰণৰ অবয়ব গঠিত হয়। মানুহৰ ব্যৱহাৰ গঠিত হয়। সেয়েহে গ্রাম্য পটভূমিত এই সংস্থাসমূহৰ প্রভাৱ আৰু ভূমিকা সম্বন্ধে পৰীক্ষা আমাৰ বাবে অপৰিহার্য্য।

২.৩ গ্রাম্য সমাজিক সংৰচনা

গ্রাম্য সমাজ এখনে আক্ষৰিক অর্থহে গাঁৰ ওপৰত ভিত্তি কৰি গঠিত হয়। ভাৰতবর্ষৰ সৰহসংখ্যক লোকেই যিহেতু গাঁও অঞ্চলত বাস কৰে, সেয়েহে সমাজতত্ত্বৰ শিক্ষার্থী এগৰাকীয়ে বিশেষকৈ এই গ্রাম্য সামাজিক সংৰচনা

বিষয়ে জ্ঞান লাভ কৰা অতি আৱশ্যক। সামাজিক সংস্থা বা অনুষ্ঠানসমূহে মানুহৰ পাৰস্পৰিক সম্বন্ধ আৰু আন্তঃক্ৰিয়াৰ ৰূপ আৰু ফলস্বৰূপে সামাজিক সংৰচনা গঠন কৰে। সেয়েহে এই সংস্থাসমূহৰ মহত্ব বা গুৰুত্ব সম্বন্ধে জ্ঞান লাভ কৰাটো আমাৰ বাবে আৱশ্যকীয়। গ্ৰাম্য সমাজৰ বিষয়ে জ্ঞান লাভ কৰিব যাওঁতে আমি মন দিয়া উচিত যে ভাৰতীয় গ্ৰাম্য সমাজ সাদৃশ্যপূৰ্ণ বা একধৰ্মী নহয়। প্ৰত্যেক গাঁওৱেই নিজস্ব বৈশিষ্ট্যৰে পূৰ্ণ আৰু আন এখনতকৈ পৃথক। ই জনসংখ্যাৰ আকাৰ, অৰ্থনৈতিক উন্নতি, ভোগলিক সংযোজকতা, জাতিভিত্তিক দৃঢ়তা আদি বহুতো কাৰকে প্ৰতিখন গাঁওকেই আন এখনৰ পৰা পৃথক কৰে। অৱশ্যে, গাঁওসমূহৰ মাজত অসংখ্য বিভিন্নতা থাকিলেও, এইবোৰৰ মাজত থকা উমৈহতীয়া বৈশিষ্ট্যসমূহ হ'ল—

- গাঁও হ'ল- কিছুমান লোকৰ সমষ্টি যিসকলে এক নিৰ্দিষ্ট ভূ-খণ্ড অধিগ্ৰহণ কৰে।
- গাঁৱৰ সকলো সদস্যই এক সমূহীয়া বন্ধন বা 'আমি ভাৱ' (We feeling) পৰস্পৰৰ লগত সম্বন্ধিত হয়।
- প্ৰত্যেক গাঁৱৰে চুবুৰীয়া গাঁওসমূহৰ লগত সামাজিক, ৰাজনৈতিক, ধৰ্মীয় আৰু অৰ্থনৈতিক বন্ধন থাকে।
- এখন নিৰ্দিষ্ট গাঁৱৰ নিজস্ব প্ৰব্ৰজন আৰু সংস্থাপনৰ ইতিহাস থাকে।
- প্ৰত্যেক গাঁওৱেই নিজস্ব ৰীতি, সংস্কৃতি, লোকৰীতিৰ জনৰীতিৰ আধাৰত পৰিচিত হয়।
- গ্ৰাম্য অৰ্থনীতি প্ৰধানকৈ কৃষিভিত্তিক, যদিও মৎস্য পালন, বস্ত্ৰ উৎপাদন আদিৰ দৰে সহযোগী বৃত্তিসমূহো গ্ৰহণ কৰা হয়।
- জাতি ভাৰতীয় গ্ৰাম্য সমাজ ব্যৱস্থাত এক গুৰুত্বপূৰ্ণ নিয়োজনমূলক পদ্ধতি। বিভিন্ন ভাগ আৰু সংমিশ্ৰণত এই জাতি আৰু উপজাতিসমূহ ভাৰতীয় সমাজ ব্যৱস্থাত গঢ় লৈ উঠিছে।
- শ্ৰেণী ব্যৱস্থাও গ্ৰাম্য সমাজত প্ৰচলিত।
- গ্ৰাম্য সমাজত পোষক গ্ৰাহক পদ্ধতি প্ৰচলিত, যাক 'যজমানী পদ্ধতি' নামেও জনা যায়।

ওপৰত উল্লেখ কৰা কথাসমূহে ভাৰতীয় গ্ৰাম্য সমাজৰ যোজনা আৰু বৈশিষ্ট্য সম্বন্ধে এক সংক্ষিপ্ত ধাৰণা গঠনত সহায় কৰে।

২.৪ গ্ৰাম্য সমাজত জাতি প্ৰথা

ভাৰতীয় সমাজৰ জাতি প্ৰথা সম্বন্ধে আমি আগৰ ষান্মাসিকসমূহত অধ্যয়ন কৰি আহিছো। জাতি হ'ল সামাজিক স্তৰীকৰণৰ এক প্ৰকাৰ, যিয়ে এখন সমাজৰ বিভিন্ন সমূহৰ লোকক ভিন্ন ধৰণে সংৰচনা বা স্থান প্ৰদান কৰে। ই গাঁৱলীয়া সমাজৰ বাবে এক অত্যন্ত মহত্বপূৰ্ণ সংস্থা আৰু ইয়াৰ ওপৰত ভিত্তি কৰিয়েই সামাজিক সম্বন্ধ আৰু সামাজিক আন্তঃক্ৰিয়াসমূহ পৰিচালিত হয়। জাতি প্ৰথা বংশানুক্ৰমিক আৰু ই মানুহৰ এক জন্মলব্ধ প্ৰস্থিতি প্ৰদান কৰে। আমি এক বিশেষ জাতিত জন্ম গ্ৰহণ কৰো। অৰ্থাৎ আমি পূৰ্বজৰ আৰু আমাৰ পিতৃ-মাতৃৰ জাতি প্ৰস্থিতি বংশগতভাৱে লাভ কৰোঁ। জাতি ব্যৱস্থা সংস্তৰণযুক্ত, অৰ্থাৎ জাতিবিলাকৰ মাজত উচ্চ- নীচ সামাজিক স্থান আছে। উচ্চসংস্তৰণযুক্ত জাতিৰ ব্যক্তিসকলে সমাজৰ উচ্চস্তৰত অৱস্থান কৰে আৰু সেই সূত্ৰে সমাজত সুযোগ-সুবিধা লাভ কৰিবলৈ সক্ষম হয়। স্বাভাৱিকভাৱেই সমাজৰ নিম্ন সংস্তৰণযুক্ত জাতিৰ লোকসকলৰ সামাজিক অৱস্থান নিম্ন আৰু বিভিন্ন বাধা-নিষেধ আৰু অসমানতা এই জাতিৰ ওপৰত আৰোপিত হ'ল। এই লোকসকলে সামাজিক স্থানত বিভিন্ন বাধা-নিষেধৰ সন্মুখীন হয়, উদাহৰণ স্বৰূপে মন্দিৰৰ প্ৰৱেশৰ ক্ষেত্ৰত, বিভিন্ন ৰাজহুৱা প্ৰৱেশৰ ক্ষেত্ৰত। এই বাধা-নিষেধসমূহ পৰৱৰ্তী সময়ত সাংবিধানিক ব্যৱস্থাৰ দ্বাৰা বিলুপ্তিৰ ফালে নিয়া হৈছে। শিক্ষাৰ

প্রসাৰও এই বাধা-নিষেধৰ বিলুপ্তিৰ এটা কাৰণ। জাতি ব্যৱস্থাৰ মাজত অন্তবিবাহ প্রথা প্রচলিত। অর্থাৎ, প্রতিটো জাতিৰ বিবাহ নিজ জাতিৰ মাজত সম্পন্ন হয়। শেষত, পাৰম্পৰিক প্রথামতে জাতি প্রথাই ব্যক্তি এজনৰ জীৱন-নির্বাহৰ ৰীতি নির্ধাৰণ কৰে, কিন্তু বর্তমান সময়ত এই ব্যৱস্থাত বহু পৰিৱর্তন আহিছে।

ওপৰোক্ত খণ্ডত জাতি পদ্ধতিৰ মুখ্য লক্ষণসমূহ চমুকৈ আলোচনা কৰা হ'ল। জাতি প্রথাৰ এটা বৈশিষ্ট্য হ'ল যে, ই ব্যক্তিক সামাজিক প্রস্থিতি প্রদান কৰে, এই প্রস্থিতি কাৰোবাৰ বাবে সুবিধাযুক্ত আৰু কাৰোবাৰ বাবে বাধা-নিষেধপূর্ণ। এই ব্যৱস্থাই গাঁও অঞ্চলত সামাজিক সম্বন্ধ নির্ধাৰণ কৰে। অর্থাৎ, জাতি ব্যৱস্থাই ব্যক্তি এজনৰ সমাজৰ আন ব্যক্তিৰ লগত সম্বন্ধ নির্দেশ কৰে। জাতি ব্যৱস্থাই খোৱা-বোৱা, সামাজিক চাল-চলনৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰে। পাৰিবাৰিক জীৱনত বিবাহ পদ্ধতিও জাতি প্রথাই নিয়ন্ত্রণ কৰে। জাতি প্রথাই নির্ধাৰণ কৰা ৰীতি-নীতিসমূহ অৱজ্ঞা বা উলংঘন কৰিলে শাস্তিমূলক ব্যৱস্থা হিচাবে জাতি-ভ্রষ্ট কৰা হয়। সেয়েহে খাদ্য গ্রহণ ক্ষেত্রত কোন লোকসকল সহভোজন কাৰণে জাতিগতভাৱে স্বীকার্য্য, এইসকলোবোৰ জাতি প্রথাৰ দ্বাৰা নির্ধাৰণ কৰা হয়। তদুপৰি, জাতি ব্যৱস্থাৰ যোগাত্মক দিশ হিচাবে আমি ক'ব পাৰো যে, ই এক নির্দিষ্ট জাতিগোটৰ সদস্যসমূহৰ মাজত বন্ধন দৃঢ় কৰে। এই গোটসমূহৰ সদস্যসকলৰ মাজত 'আমি ভাৰ' (We feeling) গঢ়ি উঠে। যিটোৱে তেওঁলোকৰ মাজত সম্বন্ধ অধিক কপকপীয়া কৰি গঢ়ি তোলে। ইয়াৰ ফলত পাৰস্পৰিক সহযোগিতা আৰু ভ্রাতৃত্বভাৱা বৃদ্ধি হয়। গাঁও অঞ্চলত গঢ়ি উঠা জাতি পৰিষদসমূহেও এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। এই পৰিষদসমূহে জাতিসমূহৰ অন্তৰ্বর্তী গোট আৰু আন্তঃগোটসমূহৰ মাজত হোৱা মনোমালিন্য বা সংঘাতৰ সমাধান কৰে। গ্রাম্য সমাজ গঠন প্রণালীত জাতি প্রথাৰ গুৰুত্বৰ ক্ষেত্রত দেখা যায় যে ই গাঁও অঞ্চলৰ শ্রম বিভাজনৰ সৃষ্টি কৰিছে। এই শ্রমবিভাজনে আকৌ গোটসমূহৰ মাজত পাৰস্পৰিক নির্ভৰতা বৃদ্ধিত সহায় কৰে। ওপৰত উল্লেখ কৰি আহিছোঁ যে, এজন ব্যক্তিৰ বৃত্তি বা জীৰিকা জাতি অনুযায়ী নির্ধাৰিত হয়। সেয়েহে, পাৰস্পৰিকভাৱে জাতিৰ প্রতিটো গোটৰ সদস্যসমূহৰ জীৰিকাৰ বৃত্তিও পূর্বে নির্ধাৰিত থাকে। পুৰোহিত, কমাৰ, সোণাৰী, চাফাইকর্মী সকলোবোৰ হ'ল পৰম্পৰাগতভাৱে নির্ধাৰিত জীৰিকা ধাৰণকাৰী ব্যক্তি আৰু প্রতিজন ব্যক্তিয়ে পৰস্পৰৰ ওপৰত নির্ভৰশীল। যিহেতু এটা জাতিগোটে অকলে সকলো কাম সম্পাদন কৰিব নোৱাৰে। সেয়ে প্রতিটো গোটে জীৱন-ধাৰণ তথা সমাজ জীৱন সঠিকভাৱে পৰিচালিত কৰিবলৈ আন গোটৰ সহায় ল'ব লগা হয়, যিটোৱে পৰস্পৰ নির্ভৰশীলতাৰ জন্ম দিয়ে। এই পৰস্পৰ নির্ভৰশীলতাই গ্রাম্য সমাজখন মিলা-প্রীতিৰে বান্ধি ৰাখিছে। পাৰস্পৰিক নির্ভৰশীলতাৰ বিষয়ে আলোচনা কৰোতে 'যজমানী' (Jajmani) পদ্ধতিৰ বিষয়ে উল্লেখ কৰাৰ প্রয়োজন আছে। এই 'যজমানী' পদ্ধতিৰ ভাৰতীয় গ্রাম্য অর্থনীতিত উল্লেখযোগ্য ভূমিকা আছে। অস্কাৰ লুইছে যজমানী পদ্ধতিৰ ব্যাখ্যা কৰি কৈছে যে এই ব্যৱস্থাত প্রতিটো গোটৰে সদস্যসমূহৰ জৰিয়তে অন্য জাতিগোটৰ পৰিয়ালক এটা নির্দিষ্ট সেৱা প্রদানৰ চেষ্টা কৰা হয়। আধুনিক সমাজ ব্যৱস্থাত আৰু মুদ্রীকৃত অর্থনৈতিক ব্যৱস্থাত যজমানী ব্যৱস্থা লোপ পাই আহিছে যদিও এসময়ত গ্রাম্য অর্থনীতি আৰু সমাজ ব্যৱস্থাত ইয়াক মেৰুদণ্ড সদৃশ জ্ঞান কৰা হৈছিল। সংস্কৃত শব্দ 'য়জমান'(Yajman) ৰ পৰা 'জজমান' আৰু 'জজমানী' শব্দৰ উদ্ভৱ।

২.৫ গ্রাম্য সমাজত শ্রেণী ব্যৱস্থা

Giddens ৰ মতে, 'শ্রেণী হ'ল অধিক সংখ্যক মানুহৰে গঠিত এক গোট/সমূহ যিয়ে একে ধৰণৰ অর্থনৈতিক সম্পদ ভোগ কৰে আৰু ইয়াৰ প্রভাৱত এক ধর্মী জীৱনশৈলীৰে পৰিচালিত হয়।' অগ্‌বার্ণ আৰু নিম্‌কফে শ্রেণী

সংজ্ঞা দি কয় যে 'শ্রেণী হ'ল এখন সমাজত এটা গোটৰ/সমূহৰ লোকে ভোগ কৰা একধর্মী সমাজক প্রস্থিতি।' অর্থনীতি হৈছে শ্রেণীসমূহ গঠন হোৱাৰ মূল আধাৰ, সেয়েহে ইয়াক অর্থনৈতিক গোট/সমূহ বুলিও ক'ব পাৰি। অর্থনৈতিকভাৱে সদৃশ অৱস্থাৰ লোকসকলক একে শ্রেণীৰ অন্তৱর্তী বুলি গণ্য কৰা হয়। সমাজতত্ত্বত শ্রেণী বুলিলে এটা গোটৰ/সমূহৰ অন্তর্গত সমূহ ব্যক্তিয়ে একে অর্থনৈতিক উৎপাদনৰ স্থানত অৱতৰণ কৰাৰ লগতে একেধৰণৰ অর্থনৈতিক সম্পদ আহৰণ কৰা বুলি গণ্য কৰা হয়। ইয়েই সমাজৰ অন্য গোটৰ পৰা এই গোটটোক পৃথক কৰে। প্রতিটো সামাজিক শ্রেণীৰে নিজস্ব জীৱনশৈলী আছে।

শ্রেণী ব্যৱস্থাৰ বিষয়ে আলোচনা কৰোতে, প্রায়েই উদ্যোগীক শ্রেণী সম্বন্ধে মনলৈ আহে। ভাৰতীয় সমাজত প্রৱর্তিত শ্রেণী বিভাগ প্রাথমিক অৱস্থাত কৃষিভিত্তিক সমাজক কেন্দ্র কৰি গঢ় লৈ উঠিছিল। সামাজিক স্তৰীকৰণৰ ক্ষেত্রত জাতি হ'ল মূল আধাৰ আৰু গ্রাম্য সামাজিক বিন্যাসত ই এক গুৰুত্বপূর্ণ অংগ। তথাপিও এইটোও ওলাই কৰিব নোৱাৰি যে গ্রাম্য সামাজিক বিন্যাসত শ্রেণী বিভাগ বা বিন্যাসৰ ভূমিকাও অতি গুৰুত্বপূর্ণ। এইখিনিতে আমি বিভিন্ন চিন্তাবিদসকলে গ্রাম্য সমাজৰ শ্রেণী বিন্যাস সম্বন্ধে কৰা আলোচনা বুজিবলৈ চেষ্টা কৰো আঁহক।

Daniel Thorner-এ ভাৰতীয় কৃষিভিত্তিক সমাজক তিনিটা শ্রেণীত ভাগ কৰিছিল- বৃহৎ সম্পদৰ মালিকাধীন জমিদাৰসকল, কৃষকসকল আৰু শ্রমিকসকল, যি সকলক Thorner এ মালিক, খেতিয়ক আৰু মজদুৰ বা শ্রমিকসকল। Thorner ৰ মতে, কৃষিভিত্তিক ভাৰতীয় সমাজত বর্তি থকা শ্রেণী বিভাজনৰ প্রকাৰ আৰু প্রকৃতি তিনিটা প্রধান দিশৰ ওপৰত নির্ভৰশীল সেইবোৰ হ'ল—

- ভূমিৰ পৰা লাভ কৰা আয়ৰ প্রকৃতি বা ধৰণ অর্থাৎ, এই আয়ৰ উৎস-সূত্রৰ জৰিয়তে, নে কৃষিজাত উৎপাদনৰ জৰিয়তে নে এই আয় শ্রমৰ বিনিময়ত লাভ কৰা।
- এক নির্দিষ্ট ভূমিৰ পৰা ব্যক্তি এজনে কিধৰণৰ অধিকাৰ লাভ কৰি আহিছে আৰু এই অধিকাৰ তেওঁ কিমান পৰিমাণৰ ভূমিৰ জৰিয়তে লাভ কৰিছে।
- এজন ব্যক্তিয়ে কৃষিভূমিত উৎপাদনৰ কাৰণে প্রয়োজনীয় শ্রম কি ধৰণে প্রদান কৰিব পাৰে, অর্থাৎ তেওঁ নিজে কায়িকভাৱে এই শ্রম প্রদান কৰে নে অন্য ব্যক্তিক নিযুক্ত কৰি তেওঁৰ হৈ কামত লগাইছে।

Thorner এ যুক্তি প্রদর্শন কৰে যে যদিও কৃষিজীৱি সমাজসমূহত সমাজভেদে শ্রেণীসমূহৰ প্রকৃতিও ভিন্ন, তথাপি মালিক, কৃষক আৰু শ্রমিক বা মজদুৰ এই তিনিটা শ্রেণী ভাৰতীয় সমূহ কৃষি প্রধান সমাজৰ বাবে উমৈহতীয়া। মালিক শ্রেণীৰ দ্বাৰা Thorner এ কৃষি ভূমিৰ মালিকীস্বত্বৰ জৰিয়তে লাভ কৰা আয়ৰ গৰাকীসকলক বুজাইছে। মালিকসকলৰ ভূমিৰ ওপৰত মালিকীস্বত্ব ন্যস্ত থাকে আৰু এই মালিকীস্বত্ব বৃহৎ অঞ্চল জুৰি ন্যস্ত থাকে। আয়ৰ বৃহৎ অংশ ভূমিৰ পৰা লাভ কৰে। যদিও মালিকগৰাকীৰ আয়ৰ উৎস হিচাবে অন্য বহু পথ থাকে, তথাপি তেওঁ পৰিয়ালৰ দ্বাৰা অধিকৃত ভূমিৰ পৰা উৎপাদিত শস্যৰ পৰাই তেওঁৰ মূল আয় অর্জন হয়।

কৃষক বা শ্রমজীৱি খেতিয়কসকলক Thorner-এ দ্বিতীয় শ্রেণীত অন্তর্ভুক্ত কৰিছে। এই শ্রেণীটোৰ ভূমি অধিকাৰ আছে যদিও, মালিকসকলৰ তুলনাত তেওঁলোকে বহু কম পৰিমাণে ভূমি সম্পত্তিৰ অধিকাৰ লাভ কৰে। এই লোকসকলে নিজা কৃষিভূমিত শ্রমদান কৰে, কেতিয়াবাহে ভাড়াতীয়া শ্রমিক নিয়োগ কৰে আৰু তাকও খেতিৰ উৎপাদন চপোৱাৰ ব্যস্ততাপূর্ণ দিন কেইটাৰ বাবেহে। নিজৰ কৃষিভূমিত শ্রমদান কৰি তেওঁলোকে আয় কৰে। মালিকসকলৰ নিচিনাকৈ তেওঁলোকে সূত লাভ নকৰে। Thorner-এ পিছত উল্লেখ কৰে যে কৃষকগৰাকীয়ে লাভ কৰা কৃষি আয় তেওঁৰ পৰিয়ালৰ জীৱন-নির্বাহৰ মুঠ ব্যয়তকৈ কম হ'বও পাৰে আৰু সেয়েহে তেওঁ অন্য সময়ত

শ্রমিক হিচাবে মালিকৰ কৃষি ভূমিত নিয়োজিত হ'বও পাৰে। কিন্তু, নিজৰ কৃষিভূমিৰ পৰা লাভ কৰা আয়ৰ পৰিমাণ, অন্য কৃষিভূমিত এজন মজদুৰ হিচাবে কাম কৰি পোৱা আয়তকৈ বেছি হয়। সেইটোৱেই তেওঁক এজন মজদুৰৰ পৰা শ্রেণীগতভাৱে পৃথক কৰে।

Thorner-এ অন্যৰ কৃষিভূমিত শ্রমদান কৰি নিজৰ জীৱিকা উপার্জন কৰা লোকেৰে গঠিত শ্রেণী হিচাবে এই লোকসকলক শ্রমিক বা মজদুৰ বুলি সংজ্ঞা দিছে। এই শ্রেণীভূক্ত লোকসকলৰ নিজাকৈ কৃষিভূমি থাকিব পাৰে যদিও এই ভূমি পৰিমাণ অতি ক্ষুদ্র পৰিসৰৰ থাকে আৰু এই ভূমিৰ পৰা উৎপাদিত আয়ৰ পৰিমাণৰ তুলনাত মজদুৰসকলে অন্যৰ ভূমিত শ্রমিক হিচাপে কাম কৰি অধিক আয় কৰিব পাৰে।

সেয়েহে উৎপাদনত শ্রমৰ প্রকৃত যোগদান আৰু উপাদনৰ অংশ লাভৰ ওপৰত ভিত্তি কৰি Thorner-এ কৃষি ক্ষেত্রত সম্বন্ধীয় তিনি শ্রেণী লোকৰ উল্লেখ কৰে। অর্থনৈতিক ভিন্নতাৰ উপৰিও এই তিনি শ্রেণী লোকৰ মাজত সামাজিক পার্থক্যও আছে। Thorner-এ ভাৰতীয় কৃষিগত সমাজখনৰ শ্রেণী আৰু জাতি বিভাগৰ মাজত থকা সম্বন্ধবোৰ এক আভাষ দিবলৈ চেষ্টা কৰিছে। Thorner-ৰ মতে কৃষিজীৱি সমাজৰ শ্রেণী ব্যৱস্থাত মালিকসকলৰ স্থান শীর্ষত আৰু তেওঁলোক সাধাৰণতে সংখ্যাগত কম থাকে। এই মালিকসকল জাতিত ব্রাহ্মণ বা অন্য উচ্চ জাতিৰ ব্যক্তিৰে গঠিত হয়। এই লোকসকল উচ্চ শ্রেণী প্রস্থিতিসম্পন্ন হোৱা হেতুকে তেওঁলোকৰ জীৱন ধাৰণৰ মানও উচ্চ হয়। তেওঁলোকৰ বাসস্থান, পোচাক-পৰিচ্ছদ, খাদ্যাভাস এই সকলোবোৰেই এই উচ্চ মানদণ্ডকে চিহ্নিত কৰে। এইলোকসকলে নিজৰ সন্তানক উচ্চ মানদণ্ডৰ স্কুললৈ পঠিয়াই, বাতৰি কাকত, ৰেডিঅ', বাইচাইকেল আদি নিজৰ বাবে ক্রয় কৰে আৰু এইবোৰ সামগ্রী ক্রয় ঋণগ্রস্ত কৃষকসকলৰ কাৰণে প্রায়েই দুঃসাধ্য ৰূপে বিবেচিত হয়। কৃষকসকল কৃষিজীৱি আৰু কাৰিকৰ শিল্পকাৰ জাতিৰ হয় আৰু মজদুৰসকল প্রায়েই অনুসুচীত জাতিৰ হয় ।

Daniel Thorner-ৰ কৃষিজীৱি শ্রেণী বিন্যাসত আমি কৃষিজীৱি সমাজৰ জাতি আৰু শ্রেণীৰ মাজৰ সম্বন্ধ লক্ষ্য কৰিব পাৰো। উচ্চ জাতিৰ ব্যক্তিসকল উচ্চ শ্রেণী গোটৰ সদস্য হয় আৰু সমাজৰ বিশেষ সুযোগ-সুবিধা আৰু ভোগ্যকিনি এওঁলোকে লাভ কৰে। নিম্ন শ্রেণীৰ সদস্যসকল আনহাতে নিম্ন জাতিৰ গোটত জন্ম লাভ কৰে আৰু কঠিন পৰিশ্রম তথা সমস্যাৰ মাজেদি জীৱন নির্বাহ কৰে ।

D. N. Dhanagare তেওঁৰ 'The Model of Agrarian Classes' নামৰ গ্রন্থত ভাৰতীয় সমাজ ব্যৱস্থাত প্রচলিত শ্রেণী গঠনৰ সমস্যাসম্বন্ধে আলোচনা কৰিছে। তেওঁৰ মতে, কৃষি প্রধান ভাৰতীয় সমাজৰ গঠন একধর্মী নহয় সামাজিক সম্বন্ধ তথা শ্রেণী গঠনত প্রত্যেক সমাজেই আন এখনৰ পৰা পৃথক, অর্থাৎ, ভিন্ন ধর্মী। ভাৰতীয় সমাজৰ শ্রেণীসমূহক সেয়েহে এক সাধাৰণ বা উমৈহতীয়া লক্ষণ বা প্রকৃতিজাত বুলি গণ্য কৰা দুৰূহ । লগতে লিখকগৰাকীয়ে ভাৰতীয় সমাজ ব্যৱস্থাত শ্রেণী আৰু জাতি ব্যৱস্থাৰ মাজত থকা পাৰস্পৰিক সম্বন্ধৰ বিষয়েও উল্লেখ কৰিছে। উচ্চ জাতিৰ লোকসকল উচ্চ শ্রেণী বিশিষ্টও হয়। উদাহৰণ স্বৰূপে, লিখকগৰাকীয়ে ব্রাহ্মণ, উত্তৰ ভাৰতৰ ঠাকুৰ বা বনিয়া সম্প্রদায়, অন্ধ্রপ্রদেশৰ কামা, ৰেড্ডি সম্প্রদায়ৰ কথা উল্লেখ কৰিছে, যিসকল বৃহৎ পৰিমাণৰ ভু-সম্পত্তিৰ মালিকীস্বত্বৰে উচ্চ শ্রেণীভুক্ত। তেনেদৰে তেওঁ কিছুমান ভূমিহীন শ্রমিক আৰু কৃষক শ্রমিকৰ উদাহৰণ দি কৈছে যে এই লোকসকল উত্তৰ প্রদেশৰ নিম্ন জাতিৰ গোটসমূহৰে গঠিত। ইয়াৰ দ্বাৰা লিখকে কেনেদৰে জাতি ব্যৱস্থা ব্যক্তিৰ শ্রেণী ব্যৱস্থাৰ দ্বাৰা প্রভাৱিত হয় আৰু নির্ধাৰিত হয় তাক দেখুৱাব যত্ন কৰিছে। অৱশ্যে এই ক্ষেত্রত লেখকে ভাৰতীয় সমাজত স্থিত কিছুমান অগতানুগতিকতাও আঙুলিয়াই দিছে। তেওঁৰ মতে, যদিও উচ্চ জাতিৰ সদস্যসকলেই সাধাৰণতে উচ্চ শ্রেণী বিশিষ্ট হয়, তথাপিও সদায় সকলো শ্রেণীৰ ক্ষেত্রতে এইটো প্রযোজ্য নহয়। উচ্চ জাতিৰ সকলো সদস্যই উচ্চ শ্রেণী বিশিষ্ট নহয় । প্রতিটো জাতিৰ অন্তর্গত শ্রেণীসমূহৰ

ক্ষেত্রত 'উলম্ব প্রসাৰ' এই পদ ব্যৱহাৰ কৰা হয়। কিছুমান অগতানুগতিক জাতি শ্রেণী সম্বন্ধৰ ক্ষেত্রত। এটা জাতিৰ সদস্য কিছুমান অর্থনৈতিকভাৱে সবল আৰু বৃহৎ পৰিমাণৰ ভূমি সম্পত্তিৰ অধিকাৰী আৰু একে সময়তে সেই জাতিৰে সদস্য কিছুমান কৃষিভূমিৰ শ্রমিক হ'বও পাৰে। এই উলম্ব প্রসাৰ যদিও নিম্ন জাতিৰ ক্ষেত্রত থাকে, তথাপি ই বেছিভাগ ক্ষেত্রতে উচ্চ জাতিৰ ক্ষেত্রত ঘটে।

Dhanagare -ৰ Agrarian Classes,আৰু Daniel Thorner-ৰ গ্রন্থত কেনেদৰে শ্রেণীবিভাজনৰ মাজত জাতি বিভাগ জড়িত আৰু জাতি আৰু শ্রেণী কেনেদৰে ভাৰতীয় সমাজ গঠনত পাৰস্পৰিকভাৱে সম্বন্ধযুক্ত আৰু সাদৃশ্যযুক্ত তাৰ আলোচনা দেখা যায়।

২.৬ গ্রাম্য সমাজ ব্যৱস্থাত পৰিয়াল আৰু স্বজন পদ্ধতি

পৰিয়াল আৰু স্বজন পদ্ধতিৰ অর্থ আৰু সংজ্ঞা সম্বন্ধে আমি পূর্বতে অধ্যয়ন কৰি আহিছোঁ। পৰিয়াল আৰু স্বজন হ'ল গ্রাম্য সমাজ গাঁঠনিৰ মূল অংগ। সামাজিকৰণ আৰু সামাজিক নিয়ন্ত্রণ ব্যৱস্থাত এইবোৰ একোটা কাৰক স্বৰূপ। এটা পৰিয়ালে ইয়াৰ সদস্যসকলক সামাজিক নীতি-নিয়মসমূহ অনুকৰণ কৰিবলৈ শিকায় আৰু এই নীতি-নিয়মসমূহৰ পালনৰ মাজেৰে পৰিয়ালটোৰ আচাৰ-ব্যৱহাৰ শৃংখলিত হয়। এইবোৰে সমাজ এখন সুশৃংখলিত কৰে আৰু সামাজিক সংৰচনা ব্যৱস্থাও দীর্ঘম্যাদী হয়। সমাজিকীকৰণৰ বাদেও, পৰিয়াল এটাই বিভিন্ন ধর্মীয়, ৰাজনৈতিক আৰু অর্থনৈতিক কার্যক্রমণিকাৰ লগত ও জড়িত হৈ থাকে।

মূলত ঃ দুটা বৈশিষ্ট্যৰে গ্রাম্য পৰিয়াল গঠন চিহ্নিত হয়- (ক) যৌথ পৰিয়াল আৰু (খ) পিতৃ-প্রধান পৰিয়াল ব্যৱস্থা ।

গ্রাম্য সমাজৰ পৰিয়ালসমূহ প্রধানতঃ যৌথ পদ্ধতিৰ। ইৰাৱতী কার্ভেৰ মতে, 'যৌথ পৰিয়াল হ'ল, কিছুমান মানুহৰ সমষ্টি, যিসকলে সাধাৰণতে একেখন ঘৰৰ চালিৰ তলত বাস কৰে আৰু একেটা ৰন্ধনঘৰত ৰন্ধা খাদ্য খায়। যাৰ সম্পত্তিসমূহ উমৈহতীয়া আৰু উমৈহতীয়া পৰিয়ালৰ উপাসনা গৃহত অংশগ্রহণ কৰে । লগতে প্রতিজন সদস্যই আনজনৰ লগত এক বিশেষ আত্মিক সম্বন্ধৰে জড়িত হৈ থাকে। এই পদ্ধতিত পৰিয়ালসমূহত দুটা বা তাতকৈ বেছি পুৰুষ একেলগে এখন ঘৰৰ চালিৰ তলতেই বাস কৰে। তেওঁলোকে এটা পাকঘৰেই ৰন্ধনকার্য্যৰ বাবে ব্যৱহাৰ কৰে আৰু এডোখৰ ঠাইকেই সকলোৰে কাৰণে পূজা-পার্বনৰ বাবে ব্যৱহাৰ কৰে। তদুপৰি পৰিয়ালটোৰ সম্পত্তিও উমৈহতীয়া প্রকৃতিৰ হয়, য'ত পৰিয়ালৰ সদস্যসকলোৰে অধিকাৰ থাকে। অৱশ্যে উদ্যোগীকৰণ আৰু নগৰীকৰণৰ প্রচলনৰ লগে লগে, যৌথ পৰিয়াল ব্যৱস্থাৰ প্রচলনও লাহে লাহে লুপ্ত হৈ আহে।

গ্রাম্য পৰিয়াল ব্যৱস্থাৰ অন্য এক বৈশিষ্ট্য হ'ল যে ই প্রধানকৈ পিতৃতান্ত্রিক প্রকৃতিৰ, য'ত পৰিয়ালটোৰ মূল ব্যক্তিগৰাকী পুৰুষ আৰু সাধাৰণতে দেউতাক গৰাকী হয়। পৰিয়ালটোৰ সকলো সিদ্ধান্তৰ ক্ষেত্রত তেওঁ মতামত মূল বুলি গণ্য কৰা হয়। পৰিয়ালৰ সকলো সিদ্ধান্ত তেওঁ গ্রহণ কৰে বা তেওঁৰ দ্বাৰা সমর্থিত হয়। পৰিয়ালত স্ত্রীসকলক দ্বিতীয় স্থানৰ বুলি গণ্য কৰা হয়। পৰিয়ালৰ সিদ্ধান্ত গ্রহণ ব্যৱস্থাত প্রায়েই তেওঁলোকৰ মতামত গ্রহণ কৰা নহয়।

স্বজন হ'ল অন্য এক সামাজিক সংস্থা। যিটো গ্রাম্য সমাজ গঠনৰ অতি আৱশ্যকীয় অংগ। সৰল ভাষাত, আত্মীয় বা স্বজন শব্দই ব্যক্তি আৰু গোটৰ/সমূহৰ মাজত এক সামাজিক সম্বন্ধ বা বন্ধন বুজায়। ই প্রধানকৈ দুই ধৰণৰ সম্বন্ধ সন্নিৱিষ্ট কৰে- (ক) সগোত্রীয় স্বজন আৰু (খ) বৈবাহিক সম্বন্ধীয় স্বজন।

সগোত্রীয় স্বজন সম্বন্ধই জন্মৰ জৰিয়তে সৃষ্টি হোৱা তেজ-মঙহৰ সম্বন্ধ আৰু বৈবাহিক সম্বন্ধীয় স্বজনে বিবাহৰ জৰিয়তে স্থাপন হয়। ভ্রাতৃ-ভগ্নীসকলৰ মাজত থকা সম্বন্ধ সগোত্রীয় সম্বন্ধ কিয়নো, তেওঁলোক একে পিতৃ-মাতৃৰ সন্তান আৰু তেনেদৰে তেওঁলোকে একে তেজৰ সম্বন্ধৰে সম্বন্ধিত। অন্যহাতে, পত্নী আৰু পতিৰ মাজত সম্বন্ধ বৈবাহিক সম্বন্ধীয় স্বজনৰ অন্তর্ভুক্ত, যিহেতু বিবাহৰ দ্বাৰা তেওঁলোকৰ সম্বন্ধ স্থাপন হৈছে। স্বজন সম্বন্ধ মাথো দুজন ব্যক্তিৰ মাজতেই নহয় বৰং ই এটা গোটৰ/সমূহৰ ব্যক্তিৰ মাজতও হয়। মহিলা এগৰাকীৰ তেওঁৰ শহুৰেকৰ ঘৰৰ লগত, দৰা আৰু কইনাৰ উভয়ৰে পৰিয়ালৰ লগত এই সকলো স্বজন পদ্ধতিৰ দ্বাৰা পৰিচালিত হয়। স্বজন ব্যৱস্থাই ব্যক্তি এজনৰ সামাজিক ব্যৱহাৰ আৰু পাৰস্পৰিক ক্রিয়া প্রভাৱিত কৰে। বোৱাৰী এগৰাকী আৰু তেওঁৰ শহুৰৰ মাজৰ সম্বন্ধ আৰু বোৱাৰী গৰাকী আৰু তেওঁৰ দেৱৰৰ মাজৰ সম্বন্ধৰ মাজত ব্যৱধান আছে। ব্যক্তিসমূহৰ স্বজন সম্বন্ধৰ ভিন্নতা অনুসৰি তেওঁলোকৰ পাৰস্পৰিক ব্যৱহাৰ ও তাৰতম্য ঘটে। কিছুমান সম্বন্ধ হয় অনা আনুষ্ঠানিক, বন্ধুত্বপূর্ণ আৰু কিছুমান সম্বন্ধ হয় আনুষ্ঠানিক। উদাহৰণস্বৰূপে, মহিলা এগৰাকীয়ে তেওঁৰ দেৱৰৰ লগত বন্ধুত্বপূর্ণ আৰু ধেমেলীয়া ব্যংগ ব্যৱহাৰ কৰিব পাৰে। কিন্তু তেওঁৰ শাহুৰ লগত সেই ধৰণৰ লঘু ব্যৱহাৰ কৰিব নোৱাৰে। সেয়েহে ক'ব পাৰি যে, ব্যক্তি এজনৰ আন এজন লোকৰ লগত ব্যৱহাৰ, স্বজনৰ প্রকৃতিৰ দ্বাৰা নির্ধাৰিত হয়। কিছুমান সামাজিক বাধ্য-বাধকতাও কিছুমান বিশেষ সম্বন্ধৰ লগত ইজড়িত কৰে, যিবোৰ অবৈধ বুলি গণ্য কৰা হয় আৰু সমাজে এইবোৰ নিয়ন্ত্রণৰ চেষ্টা কৰে। এই সামাজিক নিষেধাজ্ঞাবোৰক বর্জিত কর্ম বুলি কোৱা হয়। সেয়েহে, ক'ব পাৰি যে স্বজন পদ্ধতিয়ে ব্যক্তি আৰু গোটৰ/সমূহৰ লগত সম্বন্ধ প্রতিষ্ঠিত কৰে যাতে, বহল পৰিসৰৰ সামাজিক সংগঠন গঢ় লয়। এই স্বজন সম্বন্ধসমূহ অঞ্চলভেদে নির্দিষ্ট থাকে। এই স্বজন সম্বন্ধ গোটেই দেশতে কিছুমান বিষয়ত একধর্মী যদিও ইয়াৰ কিছুমান বৈসাদৃশ্যও অঞ্চলভেদে আছে। উদাহৰণস্বৰূপে, দক্ষিণ ভাৰতৰ স্বজন সম্বন্ধৰ উত্তৰ ভাৰতৰ স্বজন সম্বন্ধৰ লগত বৈসাদৃশ্য আছে। যিহেতু অঞ্চলভেদে বিভিন্নতা বিৰাজ কৰে, সেয়ে স্বজন সম্বন্ধও অঞ্চলভেদে বিভিন্ন হোৱাই স্বাভাৱিক। অৱশ্যে এই বিভিন্নতা কেৱল ব্যক্তি আৰু গোটৰ/সমূহৰ মাজত পাৰস্পৰিক ব্যৱহাৰৰ প্রকৃতিৰ মাজেৰেহে পৰিলক্ষিত হয় আৰু এইভাৱেই ব্যক্তি আৰু গোটৰ/সমূহৰ মাজত সম্বন্ধও স্থাপিত হয়। ভাৰতবর্ষ যিহেতু এক বৈচিত্র্যপূর্ণ দেশ ইয়াৰ বিভিন্ন অঞ্চলসমূহত স্বজন পদ্ধতিৰ বিভিন্নতাও পৰিলক্ষিত হয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ যজমানী ব্যৱস্থাৰ সংজ্ঞা দিয়ক।

প্রশ্ন নং ২ ঃ গ্রাম্য পৰিয়াল সংৰচনাৰ দুটা মুখ্য বৈশিষ্ট্য উল্লেখ কৰক।

প্রশ্ন নং ৩ ঃ স্বজন সম্বন্ধৰ দুটা প্রকাৰ উল্লেখ কৰক।

২.৭ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- গ্রাম্য সমাজ মানে আক্ষৰিক অর্থত গাঁওসমূহকেই বুজায়। ভাৰতবর্ষৰ গৰিষ্ঠ সংখ্যক লোকেই গাঁও অঞ্চলত বাস কৰে। সেয়েহে সমাজ বিজ্ঞানৰ ছাত্র এজনৰ বাবে গ্রাম্য সমাজ ব্যৱস্থাৰ বিষয়ে জ্ঞান লাভ কৰাটো অতি আৱশ্যক।
- সামাজিক সংস্থা বা অনুষ্ঠানসমূহে মানুহৰ পাৰস্পৰিক সম্পর্ক আৰু ক্রিয়াৰ স্বৰূপ গঠন কৰে আৰু সেয়েহে আমি এই অনুষ্ঠানসমূহৰ প্রকৃত মহত্বও বুজা উচিত।

- জাতি হ'ল গ্রাম্য সমাজ ব্যৱস্থাৰ এক গুৰুত্বপূর্ণ সামাজিক সংস্থা। জাতি ব্যৱস্থাই ব্যক্তিৰ পাৰস্পৰিক ব্যৱহাৰৰ আৰু ক্রিয়াৰ প্রকৃতি নির্ণয় কৰে। জাতি গ্রহণৰ নিয়মাৱলী, সহভোজনজনিত প্রতিবন্ধকতা, বিবাহ আদি গাঁৱৰ ব্যক্তিসকলৰ সামাজিক আচৰণ নিৰূপিত কৰে। সেয়েহে ক'ব পাৰি সামাজিক আন্তঃক্রিয়া আৰু সামাজিক সম্বন্ধ গ্রাম্য সমাজৰ জাতি প্রথাই বহু পৰিমাণে নিৰূপিত কৰে ।
- জাতি প্রধাৰ গুৰুত্ব বর্তমানৰ আধুনিক সমাজ ব্যৱস্থাত বহু পৰিমাণে স্তিমিত হৈ আহিছে। তথাপিও গ্রাম্য সমাজত বহু পৰিমাণে ই এতিয়াও প্রভাৱ বিস্তাৰ কৰি আছে, বিশেষকৈ বিবাহৰ ক্ষেত্রত জাতি প্রথাৰ গুৰুত্ব হ্রাস পোৱা নাই।
- শ্রেণী ব্যৱস্থাও গ্রাম্য সমাজত প্রচলিত। ভাৰতীয় গ্রাম্য সমাজ ব্যৱস্থাত জাতি আৰু শ্রেণী ব্যৱস্থা উভয়ে সহ-অৱস্থান কৰি আহিছে।
- গ্রাম্য সামাজিকি গঠনত পৰিয়াল আৰু স্বজন ব্যৱস্থা হ'ল মূল অংগ। এইবোৰ হ'ল সামাজিককৰণ আৰু সামাজিক নিয়ন্ত্রণৰ মূল কাৰক। গ্রাম্য পৰিয়াল ব্যৱস্থাৰ মূল দুটা বৈশিষ্ট্য হ'ল- (ক) যৌথ পৰিয়াল আৰু (খ) পিতৃপ্রধান পৰিয়াল।
- স্বজন ব্যৱস্থাই ব্যক্তি আৰু গোটৰ মাজত সম্বন্ধ স্থাপন কৰে আৰু প্রত্যেকেই স্বজন নীতিৰ অধীনত নিজৰ আচৰণ প্রকাশ আৰু নিয়ন্ত্রণ কৰে, যাতে বৃহৎ সামাজিক গঠন প্রক্রিয়া অব্যাহত থাকে।
- অৱশ্যে, স্বজন সম্বন্ধ অঞ্চল কেন্দ্রিক। দেশৰ বিভিন্ন অঞ্চলত স্বজন পদ্ধতিৰ উমৈহতীয়া বৈশিষ্ট্য থাকিলেও, অঞ্চলভেদে বিভিন্নতাও দেখা যায়।

২.৮ অধিক জানিবলৈ

১) Desai, A. R. (1969). Rural Sociology in India. Bombay. Popular Prakashan.

২) Doshi, S.L. & Jain, P. C. (1999). Rural Sociology, New Delhi. Rawat Publications.

৩) Srinivas, M.N. (1962). Caste in Modern India and Other Essays. New York. Asia Publishing House.

৪) Dipankar Gupta (ed.); 2010, Social Stratification, New Delhi. Oxford University Press.

২.৯ অগ্রগতিৰ খতিয়ান

প্রশ্ন ১ ৰ উত্তৰ ঃ যজমানী ব্যৱস্থা হৈছে সেইটো ব্যৱস্থা যিটোত প্রতিটো গোটৰ সদস্যসমূহৰ জৰিয়তে অন্য জাতিগোটৰ পৰিয়ালক এক নির্দিষ্ট সেৱা প্রদান কৰা হয়।

প্রশ্ন ২ ৰ উত্তৰ ঃ যৌথ পৰিয়াল আৰু পিতৃ প্রধান পৰিয়াল ব্যৱস্থা।

প্রশ্ন ৩ ৰ উত্তৰ ঃ সগোত্রীয় স্বজন আৰু বৈবাহিক সম্বন্ধীয় স্বজন।

২.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ভাৰতীয় গাঁওসমূহৰ কেইটামান উমৈহতীয়া বৈশিষ্ট্য উল্লেখ কৰক।

প্রশ্ন ২ ঃ জাতি ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ চমুকৈ বর্ণনা কৰক ।

প্রশ্ন ৩ ঃ গ্রাম্য পৰিয়ালৰ প্রধান বৈশিষ্ট্য দুটা কি কি?

প্রশ্ন ৪ ঃ ভাৰতীয় গ্রাম্য সমাজত প্রচলিত জাতি আৰু শ্রেণী ব্যৱস্থাৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৫ ঃ 'জাতি প্রথাই ব্যক্তিসকলৰ সামাজিক ব্যৱহাৰ আৰু সামাজিক আন্তঃক্রিয়া নিয়ন্ত্রণ কৰে'— ওপৰোক্ত কথাফাঁকি উদাহৰণসহ বহলাই আলোচনা কৰক।

প্রশ্ন ৬ ঃ স্বজন ব্যৱস্থাই সামাজিক সম্বন্ধ কেনেদৰে নিয়ন্ত্রণ কৰে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ গ্রাম্য সামাজিক সংৰচনাৰ পৰিৱৰ্তনৰ ধাৰা

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ প্রব্রজন

৩.৩.১ প্রব্রজনৰ প্রকাৰ

৩.৩.২ প্রব্রজনৰ কাৰকসমূহ

৩.৪ নগৰীকৰণ

৩.৪.১ নগৰীকৰণৰ কাৰণসমূহ

৩.৫ প্রব্রজন আৰু নগৰীকৰণৰ প্রভাৱ

৩.৫.১ জাতি-শ্রেণীৰ ধাৰাবহিকতা

৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৭ অধিক জানিবলৈ

৩.৮ অগ্রগতিৰ খতিয়ান

৩.৯ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- প্রব্রজন আৰু ইয়াৰ কাৰকসমূহ বুজিব পাৰিব
- নগৰীকৰণৰ আৰৰ কাৰকসমূহ বুজিব পাৰিব
- প্রব্রজন আৰু নগৰীকৰণৰ পৰিণামসমূহ আলোচনা কৰিব পাৰিব।

৩.২ পৰিচয়

আমি ইতিমধ্যে জানো যে ভাৰতীয় সমাজ হৈছে প্রধানকৈ গ্রাম্য সমাজ, যদিও দ্রুতগতিত নগৰীকৰণ হৈ আছে। ২০১১ চনৰ লোকপিয়ল অনুসৰি ভাৰতৰ জনসংখ্যাৰ ৬৮.৮৪% লোক গাঁওতে বাস কৰে। যদিও এক বৃহৎ জনসংখ্যা গাঁৱত বাস কৰে তথাপিও স্বাধীনতাৰ পিছৰ পৰা নগৰীকৰণ বৃদ্ধি হৈ আছে। নগৰীকৰণ বৃদ্ধিৰ প্রধান কাৰণসমূহ হৈছে উদ্যোগীকৰণ, নিয়োগৰ সুবিধা, উচ্চমানৰ জীৱন যাপন আৰু উপযুক্ত স্বাস্থ্য সচেতনতাৰ সুবিধা। এনেবোৰ দিশে জনসংখ্যাৰ কর্ম সক্ষম লোকসকলক গাঁৱৰ পৰা নগৰলৈ অনাৰ ক্ষেত্রত সবল ভূমিকা গ্রহণ কৰে। ইয়াৰ ফল স্বৰূপে, এক বৃহৎ সংখ্যক লোকৰ নগৰৰ কেন্দ্রলৈ বা উদ্যোগিক অঞ্চললৈ প্রব্রজন ঘটে আৰু উপযুক্ত নিয়োগৰ সুবিধাই গাঁও অঞ্চলৰ বিকাশ কৰে আৰু ভাল জীৱন ধাৰণৰ মানদণ্ডই বিভিন্ন প্রকাৰৰ প্রব্রজন ঘটায়। বর্তমানৰ অধ্যায়টিত আমি প্রব্রজনৰ বিভিন্ন প্রকাৰসমূহ আৰু গাঁও-নগৰ অঞ্চলত বহু বছৰ ধৰি প্রব্রজনে কৰা পৰিৱর্তনৰ বিষয়ে আলোচনা কৰিম। ইয়াৰ লগতে আমি নগৰীকৰণ প্রক্রিয়া আৰু ইয়াৰ প্রভাৱ সম্পর্কেও আলোচনা কৰিম।

৩.৩ প্রব্রজন

সাধাৰণতে, প্রব্রজন হৈছে এক ভৌগোলিক পৰিভাষা, যিয়ে ব্যক্তি বা ব্যক্তিসমূহৰ থকা ঠাইৰ এটা দূৰত্বত স্থায়ী বা অস্থায়ী পৰিৱর্তনক বুজায়। বর্তমান সময়ত যদি আমি আমাৰ চাৰিওফালৰ দিশ নিৰীক্ষণ কৰো দেখিবলৈ পাম যে বিভিন্ন বয়সৰ, জাতিৰ, বিভিন্ন ভাষীলোক নগৰত আছে। ভাৰতত, এইটো অনুমান কৰা হৈছে যে ১২০ কোটি বা তাতকৈ বেছি লোক নগৰৰ শ্রমিক বজাৰ, উদ্যোগিক অঞ্চললৈ প্রতিদিনৰ আয়ৰ বাবে প্রব্রজন কৰে। যিবোৰ অঞ্চলত বৰষুণৰ পানী কম, অধিক খৰাং আৰু সামাজিক বা ৰাজনৈতিক সংঘর্ষৰ ফলক সমস্যাৰ সৃষ্টি হোৱা আদিৰ লোকসকলৰ বাবে প্রব্রজন প্রয়োজনীয়। স্থানীয় নিয়োগৰ সুবিধা নথকা ঋণ আৰু দৰিদ্রতাৰ বাবে গাঁৱৰ পৰা নগৰলৈ প্রব্রজন ঘটে।

ভাৰতত, বিহাৰ আৰু উত্তৰ প্রদেশৰ পৰা কিছুদশক ধৰি অধিক লোকৰ প্রব্রজন ঘটি আহিছে। অলপতে, উত্তৰ-পূৰ অঞ্চলৰ লগতে উৰিষ্যা, মধ্য প্রদেশৰ পৰা বহু সংখ্যক লোকৰ কেৰেলা, তামিলনাড়ু, মহাৰাষ্ট আৰু গুজৰাটলৈ প্রব্রজন ঘটিছে। ইয়াৰ বেছি সংখ্যক লোক নির্মাণ, বয়ন, পৰিবহন, কয়লাখনি, হস্ত শ্রমিক হিচাবে নিয়োজিত হৈছে।

৩.৩.১ প্রব্রজনৰ প্রকাৰসমূহ

সাধাৰণতে, প্রব্রজন হৈছে এক ভৌগোলিক পৰিভাষা, যিয়ে ব্যক্তি বা ব্যক্তিৰ দলৰ বিভিন্ন কাৰণত থকা ঠাইৰ এৰি আন এটা ঠাইলে যোৱাটো বুজাই।

ইচ্ছা আৰু দূৰত্বৰ ভিত্তিত, প্রব্রজনক অর্থনৈতিক আৰু সামাজিক প্রব্রজনত ভাগ কৰা হৈছে। ই উদ্দেশ্যৰ কাৰক আৰু দূৰত্বৰ ওপৰত নির্ভৰ কৰে। যেতিয়া জনসাধাৰণৰ গতি এখন দেশৰ শাসিত অঞ্চলৰ ভিতৰত থাকে তেতিয়া তাক আন্তঃপ্রব্রজন বোলা হয়। অন্যহাতে যেতিয়া প্রব্রজনকাৰীয়ে আন্তর্জাতিক সীমাৰেখা অতিক্রম কৰে তেতিয়া তাক বাহ্যিক প্রব্রজন বোলা হয়। ভৌগোলিক গতিশীলতাৰ ভিত্তিত আন্ত ঃ প্রব্রজনক চাৰিটা ভাগত ভাগ কৰিব পাৰি- ১) গাঁৱৰ পৰা নগৰলৈ ২) নগৰৰ পৰা নগৰলৈ ৩) গাঁৱৰ পৰা গাঁওলৈ আৰু ৪) নগৰৰ পৰা গাঁওলৈ।

- **গাঁৱৰ পৰা নগৰলৈ ঃ** এনে প্রকাৰৰ প্রব্রজন উন্নয়নশীল দেশবোৰত দেখা যায়। ইয়াৰ কাৰণ হৈছে আকর্ষক আৰু বিকর্ষক। উন্নয়ণশীল দেশবোৰত, য'ত দ্রুতগতিত উদ্যোগিক বিকাশ ঘটিছে তাত একেৰাহে গাওঁ অঞ্চলৰ পৰা নগৰ অঞ্চললৈ শ্রমিক লোকসকলৰ প্রব্রজন ঘটে। গাঁও অঞ্চল বিকর্ষক কাৰক হয় কাৰণ দাৰিদ্রতা, নিবনুৱা সমস্যা, শিক্ষণৰ সুবিধাৰ অভাব, স্বাস্থ্য আৰু অন্য সেৱাৰ অসুবিধাই প্রব্রজনৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা বহন কৰে। একেসময়তে, নগৰ অঞ্চল আকর্ষণ বা টনাৰ কাৰক হয় কাৰণ এই অঞ্চলে উপযুক্ত নিয়োগৰ সুবিধা, নিয়মিত আৰু উচ্চ মজুৰি স্থিৰ কর্ম, জীয়াই থকা সুবিধা আৰু সামাজিক সাংস্কৃতি কার্য্যাৱলীৰ সুবিধা সমূহ প্রদান কৰে। কিন্তু বৃহৎ হাৰত গাঁৱৰ পৰা নগৰলৈ ঘটা অপৰিকল্পিত প্রব্রজনৰ ফলত চহৰত বস্তি এলেকাৰ সৃষ্টি কৰে। বস্তি এলেকা সৃষ্টি হোৱাৰ কাৰণ হৈছে চহৰ সমূহে শ্রমিকসকলৰ জীৱন ধাৰণৰ ন্যুনতম সুবিধাখিনিও প্রদান কৰিব নোৱাৰৰ ফলত তেওঁলোকে নিজৰ গাঁওতকৈও বেয়া পৰিৱেশতে বাস কৰিব লগা হয়। ইয়াৰ এক বিখ্যাত উদাহৰণ হৈছে মুম্বাইৰ ধাৰাজী।
- **চহৰৰ পৰা চহৰলৈ প্রব্রজন ঃ** আন্তঃ নগৰ প্রব্রজন এটা চহৰ কেন্দ্রৰ পৰা আন এটা চহৰ কেন্দ্রৰ ভিতৰত ঘটে। এনে ধৰণৰ প্রব্রজন সাধাৰণতে পৃথিবীৰ ওপৰৰ খাপৰ দেশবোৰত দেখা যায়, উদাহৰণ স্বৰূপে আমেৰিকা, ইংলেণ্ড আদিত এনে প্রব্রজনৰ প্রধান কাৰণ হৈছে নিয়োগৰ সুবিধা বৃদ্ধি আৰু অর্থনৈতিক

লাভ। উদাহৰণ স্বৰূপে, আমেৰিকাৰ ব্ৰ'চটন চহৰৰ পৰা নিউয়র্কলৈ প্ৰব্ৰজন কৰা, চীনত বেইজিঙৰ পৰা হংকংলৈ যোৱা আদিবোৰ হৈছে কিছুমান উদাহৰণ।

- **গাঁৱৰ পৰা গাঁওলৈ প্ৰব্ৰজন ঃ** এই প্ৰকাৰৰ প্ৰব্ৰজন কিছুমান অঞ্চলত দেখা যায় য'ত কিছুমান কাৰ্যৰ বিকাশ ঘটে-যেনে জলসিঞ্চন, পানী সংগ্ৰহ, কৃষিৰ উৎকৰ্ষতা আৰু বিকাশশীল অঞ্চলৰ খেতিৰ মাটিৰ বৃদ্ধি, এনে অঞ্চলৰ জনসাধাৰণে বৃহৎ পৰিমাণত বিকাশশীল কার্য্যত অংশ গ্ৰহণ কৰে ।

এনেবোৰ অঞ্চলে গাঁৱৰ জনসাধাৰণক বেছি জনসংখ্যা থকা আৰু কৃষিৰ উৎপাদন কম হোৱা অঞ্চলৰ পৰা আকৰ্ষণ কৰি বিকাশশীল অঞ্চললৈ আনে। এনে প্ৰব্ৰজনৰ প্ৰধান উদ্দেশ্য আছিল অৰ্থনৈতিক লাভ, যাতে ভৱিষ্যতে স্থায়ীভাবে বন্দোৱস্ত কৰিব পৰা যায়। ভাৰতত, গাঁৱৰ পৰা গাঁওলৈ প্ৰব্ৰজন ঘটায় প্ৰধান সাক্ষী হৈছে অৰুনাচল প্ৰদেশ, য'ত হাইড্ৰো-পাৱাৰ প্ৰকল্প নিৰ্মাণ কৰা হৈছিল। অৰুনাচল প্ৰদেশত যিহেতু শ্ৰমিকৰ অভাৱ সেইবাবে এই নিৰ্মাণ কার্যত বিহাৰ আৰু উত্তৰ প্ৰদেশৰ লোকসকলে দীৰ্ঘদিনৰ বাবে কৰ্ম নিয়োগৰ সুবিধা লাভ কৰে আৰু এই প্ৰকল্পটো শেষ হোৱাৰ পিছতো তেওঁলোকৰ কৰ্ম নিয়োগৰ সুবিধা আছে।

- **নগৰৰ পৰা গাঁওলৈ প্ৰব্ৰজন ঃ** প্ৰব্ৰজনৰ অন্য প্ৰকাৰসমূহৰ তুলনাত এই প্ৰকাৰৰ অতি কম দেখা যায়। এনেধৰণৰ গতিশীলতা নগৰীকৰণৰ প্ৰথম স্তৰত দেখা যায়। বিকাশশীল দেশবোৰত য'ত তেওঁলোকে ইতিমধ্যে নগৰীকৰণৰ উচ্চখাপ পাবলৈ সক্ষম হৈছে, এনে ধৰণৰ দিশবোৰ বেছিকৈ ইউৰোপৰ দেশবোৰত দেখিবলৈ পোৱা যায়।

নগৰৰ পৰা গাঁওলৈ ঘটা প্ৰব্ৰজনে যোগাযোগ আৰু পৰিবহনৰ ক্ষেত্ৰত উপযুক্ত সংযোগ সাধন কৰি তোলে। ইউৰোপৰ প্ৰধান নগৰসমূহত দেখা যায় যে বেছি সংখ্যক কর্মক্ষম জনসংখ্যাই গাঁও অঞ্চলত কাম কৰে আৰু উদ্যোগিক নগৰবোৰত নিয়মিত হাৰত কাম কৰে।

প্ৰব্ৰজন কিয় বছৰ বছৰ ধৰি একেৰাহে ঘটি আছে তাৰ কাৰণ উপযুক্তভাৱে অধ্যয়ন কৰিবলৈ ইয়াৰ কাৰণসমূহ বুজিব লাগিব ।

৩.৩.২ প্ৰব্ৰজনৰ নির্ণায়ক বা কাৰকসমূহ

- **অৰ্থনৈতিক কাৰকসমূহ ঃ** এখন ঠাইৰ পৰা আন এখন ঠাইলৈ মানুহে স্থান পৰিৱৰ্তন কৰাৰ ক্ষেত্ৰত অৰ্থনৈতিক উদ্দেশ্য হৈছে এক অনুঘাটক সদৃশ্য। প্ৰব্ৰজনৰ বিশালতা আৰু নিৰ্দেশনাৰ প্ৰধান কাৰণবোৰ হৈছে সেই অঞ্চলৰ অৰ্থনৈতিক অৱস্থা, ভাল কৃষিৰ মাটিৰ সুবিধা, মাটি অধিগ্ৰহণৰ আকাৰ, নিয়োগৰ সুবিধা বৃদ্ধি ইত্যাদি।

যিবোৰ অঞ্চলৰ অৰ্থনৈতিক অৱস্থা ভাল নহয়, তেনে অঞ্চলত প্ৰব্ৰজনৰ সাধাৰণ প্ৰৱণতা থাকে, আৰু যিবোৰ অঞ্চলৰ অৰ্থনৈতিক অৱস্থা ভাল আৰু নিয়োগৰ সুবিধা থাকে তেনে অঞ্চললৈ প্ৰব্ৰজন ঘটে।

ব্ৰজনৰ বিশালতা আৰু নির্দেশনাৰ ক্ষেত্ৰত শক্তিশালী অৰ্থনৈতিক কাৰক হৈছে ভাল উপযুক্ত কৃষিৰ মাটি। যিবোৰ ঠাইত কৃষিৰ মাটিৰ ওপৰত জনসংখ্যাৰ অত্যাধিক হেচা- থাকে, তেনেবোৰ ঠাইত মানুহৰ আন ঠাইলৈ প্ৰব্ৰজন ঘটে। ভাৰতবর্ষ হৈছে এই ক্ষেত্ৰৰ এক উপযুক্ত উদাহৰণ।

অন্য এক গুৰুত্বপূর্ণ কাৰক হৈছে নিয়োগৰ সুবিধা। যিবোৰ অঞ্চলত বিকাশমূলক কার্য্যবোৰৰ অভিজ্ঞতা থাকে তেওঁলোকে নিয়োগৰ সুবিধা বৃদ্ধি কৰে। নিয়োগৰ সুবিধাৰ বৃদ্ধি, প্ৰব্ৰজনৰ প্ৰৱণতা আদিয়ে পৰিবহন আৰু যোগাযোগৰ বিকাশ ঘটায়।

- **সামাজিক কাৰক ঃ** কিছুমান সামাজিক মানদণ্ড বা নীতি-নিয়ম অনুসৰি যেতিয়া প্ৰব্ৰজন ঘটে, তেতিয়া ই লিংগ বিশেষক হয়। ভাৰতত, মহিলাসকলৰ নিজৰ জন্মস্থানৰ (পিতৃ-মাতৃৰ বাসস্থান) পৰা বিয়াৰ পিছত স্বামী ঘৰৰ ঠাইলৈ প্ৰব্ৰজন ঘটে। এনেধৰণৰ প্ৰব্ৰজনত কোনো অর্থনৈতিক লাভৰ প্ৰশ্ন নুঠে।

ধর্মীয় স্বাধীনতা হৈছে সামাজিক প্ৰব্ৰজনৰ অন্য এক কাৰণ। এনেধৰণৰ প্ৰব্ৰজন অলপতে ম্যানমাৰৰ ৰোহিংগিয়াসকলে সমুখীন হ'ব লগা হৈছে। ম্যানমাৰত সৈন্য বাহিনীৰ কঠোৰ ব্যৱস্থাৰ ফলত ছশহাজাৰতকৈ অধিক ৰোহিংগিয়া মানুহৰ ম্যানমাৰৰ পৰা বাংলাদেশলৈ প্ৰব্ৰজন ঘটিছিল। ভাৰতত, ২০তম্ শতিকাৰ শেষৰ ফালে নিৰাপত্তাজনিত আৰু ভয়ত বহুতো কাশ্মিৰী পণ্ডিতৰ বিভিন্ন চহৰলৈ প্ৰব্ৰজন ঘটিছিল।

সাম্প্ৰতিক কালত, এই পোৱা গৈছে যে উপযুক্ত শিক্ষা, অধিক নিপুন আৰু অর্থনৈতিকভাৱে সবল লোকসকলৰ প্ৰব্ৰজনৰ অধিক সম্ভাৱনীয়তা থাকে, বিশেষকৈ দূৰ অঞ্চললৈ। শিক্ষাৰ জৰিয়তে পোৱা তথ্য, সাংস্কৃতি সংযোগে প্ৰব্ৰজনৰ সম্ভাৱনীয়তা বৃদ্ধি কৰি তোলে। বিস্তৃত তথ্য আৰু সাংস্কৃতিক সংযোগে নিয়োগৰ সুবিধাৰ বৃদ্ধি কৰি তোলে।

- **জনসংখ্যাগত কাৰক ঃ** প্ৰব্ৰজনৰ ক্ষেত্ৰত জনসংখ্যাগত কাৰকে এক গুৰুত্বপূর্ণ ভূমিকা বহন কৰে। সমর্থবান সকলৰ প্ৰব্ৰজনৰ ইচ্ছাৰ ক্ষেত্ৰত বয়সে এক গুৰুত্বপূর্ণ নির্ণায়কৰ ভূমিকা গ্ৰহণ কৰে। অন্য বয়সৰ লোকতকৈ ডেকাসকলৰ এইটো দিশত অধিক প্ৰৱণতা দেখা যায়। জনসংখ্যাৰ আঞ্চলিক বৈষম্য হৈছে প্ৰব্ৰজনৰ অন্য এক কাৰণ। যেতিয়া কিছুমান অঞ্চলত জনসংখ্যাৰ হেঁচাৰ মাত্ৰা অধিক হয় আৰু ইয়াৰ সম্পদবোৰৰ পার্থক্য থাকে বা প্ৰব্ৰজনৰ হেঁচাত কিছুমান ঠাইত অধিক জনসংখ্যা হয়। ভাৰতত, বিহাৰ আৰু উত্তৰ প্ৰদেশৰ বহুত সংখ্যকলোক বহু দশক ধৰি প্ৰব্ৰজন ঘটি আছে।

৩.৪ নগৰীকৰণ

যেতিয়াৰ পৰা মানুহে খাদ্য, কর্ম আৰু অর্থনৈতিক নিৰাপত্তাৰ বাবে এখন ঠাইৰ পৰা আন এখন ঠাইলৈ পৰিভ্ৰমন কৰিব ল'লে তেতিয়াৰ পৰাই পৃথিৱীৰ নগৰসমূহৰ জনসংখ্যা দ্ৰুত গতিত বৃদ্ধি পাবলৈ ধৰিলে। ১৮০০ চনত পৃথিৱীৰ মুঠ জনসংখ্যাৰ মাত্ৰ ২৫% হে নগৰ অঞ্চলত বাস কৰিছিল আৰু ১৯৮০ চনত ৪০% কৈ বেছিলোক নগৰ অঞ্চলত বাস কৰিব লয়। সমাজৰ এনে পৰিবহন প্ৰক্ৰিয়াই দ্ৰুত গতিত বৃদ্ধি পোৱা স্থান সংক্ৰান্তীয় দিশত সমস্যাৰ সৃষ্টি কৰি তুলিছে। তথাপিও আমি ক'ব নোৱাৰো যে এটা অঞ্চলৰ আর্থ সামাজিক বিকাশৰ ক্ষেত্ৰত নগৰীকৰণ এক মাপকাঠি।

ভূতত্ত্ববিধ লেমপার্ড নগৰীকৰণৰ প্ৰক্ৰিয়া ব্যাখ্যা কৰিবলৈ তিনিটা মৌলিক দিশ দেখুৱাইছিল। সেইকেইটা হৈছে ১) আচৰণমূলক, ২) গঠনমূলক আৰু ৩) জনসংখ্যাৰ দিশ। নগৰীকৰণৰ আচৰণমূলক দিশ হৈছে ই সময়ৰ লগত ডাঙৰজনৰ অভিজ্ঞতা চায় আৰু তেওঁলোকৰ পৰিৱর্তন হোৱা আচৰণৰ ধৰণ চায়। এই প্ৰক্ৰিয়াৰ গঠনমূলক দিনে অর্থনৈতিক গঠনৰ পৰিৱর্তন লক্ষ্য কৰে- কেনেকৈ কৃষিক্ষেত্ৰৰ পৰা উদ্যোগিক ক্ষেত্ৰলৈ অর্থনীতিৰ পৰিৱর্তন ঘটিল। জনসংখ্যাৰ দিশলৈ জনসংখ্যাৰ কেন্দ্ৰীভূত হোৱা দিশৰ সৈতে জড়িত।

কেইজনমানেৰে নগৰীকৰৰণৰ ব্যাখ্যা এনেদৰে আগবঢ়াই যে নগৰীকৰণ সম্পূর্ণ প্ৰক্ৰিয়াটো হৈছে পৰিৱর্তন আৰু ইয়াৰ পৰিণতি, কেতিয়া এখন কৃষি প্ৰধান সমাজ পৰা উদ্যোগিক অর্থনীতিলৈ পৰিৱর্তন ঘটিল আৰু সমজাতীয় সমাজৰ পৰা বৃহৎ ভিন্ন মুখী সমাজলৈ পৰিৱর্তন হ'ল। ক্ৰিৱার্থা নগৰীকৰণক এক চক্ৰজনিত প্ৰক্ৰিয়া বুলি কৈছে, যাৰ জৰিয়তে ৰাষ্ট্ৰই কৃষিৰ বিৱর্তন ঘটাই উদ্যোগিক সমাজৰ সৃষ্টি কৰিলে।

যি নহওঁক হেগেটে কয় যে উন্নয়নশীল দেশবোৰৰ নগৰীকৰণ প্রক্রিয়া উন্নত দেশবোৰতকৈ পৃথক কাৰণ উন্নয়নশীল দেশবোৰ উদ্যোগিক দেশ পৰা দুটা দিশত পৃথক। প্রথমতে, উন্নয়নশীল দেশত নগৰীকৰণ প্রক্রিয়া দেৰিকৈ আৰম্ভ হৈছে আৰু দ্রুতভাবে হৈছে। দ্বিতীয়তে, ইউৰোপীয়ান দেশবোৰৰ নগৰীকৰণ প্রক্রিয়া হৈছে নগৰ- গাঁওৰ প্রব্রজনৰ পৰা সৃষ্টি হোৱা আনহাতে উন্নয়নশীল দেশবোৰত গাঁও-নগৰ প্রব্রজন আৰু জনসংখ্যা বিস্ফোৰণ দুয়োটাই থাকে।

এতিয়া, আমি ভাৰতৰ নগৰীকৰণ প্রক্রিয়াৰ কাৰণ আৰু প্রভাৱবোৰ জানিবলৈ চেষ্টা কৰো।

৩.৪.১ নগৰীকৰণৰ কাৰণসমূহ

- **উদ্যোগীকৰণ ঃ** নগৰীকৰণৰ প্রধান কাৰণ হৈছে উদ্যোগীকৰণ । উদ্যোগৰ বিস্তাৰে নগৰত বিভিন্ন ক্ষেত্রত নিয়োগৰ সুবিধা বৃদ্ধি কৰি তুলিছে। নিয়োগৰ সুবিধা বৃদ্ধি ফলত গাঁৱৰ লোকসকলে উচ্চ আয় আৰু উন্নত জীৱন ধাৰণৰ বাবে নগৰলৈ প্রব্রজন কৰে।
- **সামাজিক কাৰকসমূহ ঃ** চহৰবোৰ হৈছে প্রব্রজনকাৰীসকলৰ আকর্ষণৰ কেন্দ্রবিন্দু। ইয়াত উন্নত জীৱন ধাৰণ ভাল শিক্ষাৰ সুবিধা, সামাজিক মানদণ্ড বৃদ্ধিৰ বাবে মানুহে চহৰলৈ প্রব্রজন কৰে।
- **নিয়োগৰ সুবিধাসমূহ ঃ** ভাৰতবর্ষ হৈছে এখন কৃষি প্রধান দেশ আৰু জনসংখ্যাৰ এক বৃহৎ পৰিমাণৰ লোকে কৃষিৰ ওপৰত জীৱন-নির্বাহ কৰে। কৃষিৰ উৎপাদন প্রধানকৈ মৌচুমী বায়ুৰ ওপৰত নির্ভৰশীল কিছুমান খৰাং পৰিৱেশ বা প্রাকৃতিক দুর্যোগৰ বাবে গাঁৱৰ লোকসকল চহৰলৈ উপার্জনৰ পথ বিচাৰি আহে।
- **আধুনীকিকৰণ ঃ** নগৰ অঞ্চলবোৰত উচ্চ প্রযুক্তি থাকে উপযুক্ত আন্তঃগাঁথনি, যোগাযোগ, চিকিৎসাৰ সুবিধা ইত্যাদি। মানুহে অনুভৱ কৰে যে চহৰত মানুহে সুখী জীৱন যাপন কৰিব পাৰে। এনে আশাৰে জনসংখ্যাৰ এক বৃহৎ পৰিমাণৰ লোক নগৰৰ আৰু উদ্যোগিক অঞ্চললৈ প্রব্রজন কৰে।

৩.৫ প্রব্রজন আৰু নগৰীকৰণ প্রভাৱ

- **জনবিস্ফোৰনৰ প্রভাৱ ঃ** জনসংখ্যাৰ কেন্দ্রীভূতকৰণৰ চহৰবোৰ এক প্রধান সমস্যা। ইয়াৰ ফলত থকাৰ অসুবিধা, বস্তি অঞ্চল বৃদ্ধি, অপৰাধজনিত কাৰণবোৰ বৃদ্ধি পায়।
- **যৌথ পৰিয়ালৰ বিভেদ ঃ** চহৰত জীৱন যাপন কৰা খৰচ বেছি বাবে গাঁৱৰ পৰা অহা লোকসকলে নিজৰ পৰিয়ালৰ সদস্যসকল গাঁৱতে থকাটো বিচাৰে আৰু উৎসৱ- পার্বণত তেওঁলোক গাঁৱলৈ গৈ মিলিত হয়।
- **নৈর্ব্যক্তিক সম্পর্ক ঃ** নগৰ সম্পর্কবোৰ বেছি ভাগ পৰোক্ষ চহৰত ওচৰ চুবুৰীয়া, সামাজিক জীৱনৰ ধাৰণা প্রায় নাথাকে। ইয়াৰ ব্যক্তিৰ ওপৰত এক মনোবৈজ্ঞানিক প্রভাৱ পৰে আৰু চহৰত মানুহৰ জীৱন একযোয়ামী হৈ পৰে।
- **পীড়ন ঃ** চহৰীয়া জীৱন কর্মৰ হেঁচা, অর্থনৈতিক সমস্যা, উচ্চমানৰ জীৱন যাত্রা ফলত পীড়িত হয় আৰু ইয়ে পৰিয়ালৰ সম্পর্কত প্রভাৱ পেলায়। বিভিন্ন কাৰণত হোৱা পীড়নে ব্যক্তিৰ স্বাস্থ্যৰ ওপৰত প্রভাৱ পেলাই আৰু শাৰীৰিক আৰু মানসিক ক্ষতি কৰে।
- **প্রদূষণ ঃ** উদ্যোগ থকা চহৰবোৰত প্রদূষণ হৈছে এক ডাঙৰ সমস্যা কাৰণ উদ্যোগবোৰ একেৰাহে চলি থকাৰ ফলত ইয়াৰ পৰা ধোৱা নির্গত হয়, আৰু পেলনীয়া বস্তুবোৰ ওলাই যিবোৰে নদীৰ পানী বেয়া কৰাৰ উপৰিও টস্কিনৰ উৎপন্ন কৰে।

৩.৫.১ জাতি-শ্রেণীৰ ধাৰাবাহিকতা

জাতি-শ্রেণীৰ গতিশীলতাৰ বন্ধনৰ বিষয়ে ভালকৈ বুজাৰ আগতে জাতি আৰু শ্রেণীৰ সংজ্ঞাৰ দিশত গুৰুত্ব দিব লাগিব। শ্রেণী সাধাৰণতে ব্যক্তি দলৰ অর্থনৈতিক পার্থক্যৰ ওপৰত নির্ভৰশীল যিবোৰে স্থান আৰু বৈষয়িক সম্পদৰ নিয়ন্ত্রণ কৰে, আনহাতে জাতি ব্যৱস্থা জন্ম, ধর্ম আৰু পৰম্পৰাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠে।

আমি যদি হাজাৰ বছৰ আগৰ প্রাক্ ঐতিহাসিক যুগলৈ ঘুৰি চাও, দেখিবলৈ পাও যে, জনসংখ্যা বৃদ্ধিৰ দ্বাৰা ব্যক্তিসকলৰ পৰিয়াললৈ বিৱর্তন ঘটিছিল। প্রথম অৱস্থাত শ্রেণী আৰু জাতিৰ মাজত পার্থক্য নাছিল। যেতিয়া সভ্যতাৰ বিৱর্তন ঘটিল, তেতিয়া সমার্থ আৰু সম্ভাৱনীয়তাৰ ভিত্তিত শ্রম বিভাজন ঘটিল।

মানৱ ইতিহাসৰ প্রথমছোৱাত সম্পদৰ অর্থনীতি খাদ্য আৰু জনজাতিসকলৰ নিৰাপত্তাৰ সৈতে জড়িত। যিহেতু ই হৈছে বংশ আৰু সমাজ বর্তি থকাৰ গুৰুত্বপূর্ণ দিশ, যিসকল লোক এনেবোৰ সেৱা সৈতে জড়িত তেওঁলোক সমাজৰ গুৰুত্বপূর্ণ সদস্য হয়। এই সকলোলোক সমাজৰ মৌলিকতা বজাই ৰখাৰ বাবে গুৰুত্বপূর্ণ সেইবাবে তেওঁলোকে সুবিধা পাবলৈ আৰম্ভ কৰে। সম্পদৰ সুবিধাৰ একত্রীকৰণৰ পিছত তেওঁলোকে অন্য সেৱাৰ সৈতে সম্পদৰ বিনিময় ঘটায়। এনেদৰে সামাজিক আৰু অর্থনৈতিক পদমর্যাদাত পার্থক্য আহি পৰে।

নগৰ অঞ্চলৰ গাঁৱৰ পৰা লোকে প্রব্রজন কৰে। জনসংখ্যাৰ প্রব্রজন তেওঁলোকৰ অর্থনৈতিক কার্যক্রম, সামাজিক আৰু সাংস্কৃতিক দিশত ভিত্তি কৰে। গাঁও-নগৰ প্রব্রজন ক্রমান্বয়ে ঘটে। গাঁৱত গুৰুত্বপূর্ণ পৰিচয় হৈছে তেওঁলোকৰ জাতিগত পৰিচয় আৰু তেওঁলোকে নিজৰ মনোযোগ ব্যস্ত কৰিব বিচাৰে। তেওঁলোকে নিজৰ বাসস্থান জাতিৰ ওপৰত ভিত্তি কৰি কৰে আৰু বংশানুক্রমে চলি অহা বৃত্তি অৱলম্বন কৰে। উদাহৰণ স্বৰূপে ব্রাহ্মণ সম্প্রদায়ৰ লোকসকলে মন্দিৰ বা গাঁৱৰ মাজ অংশৰ পানী থকা অঞ্চলত বাস কৰে বৃত্তিত তেওঁলোক পুৰোহিত বা গুৰু হয় আনহাতে তলৰ জাতিৰ লোকসকলে গাঁৱৰ সীমা অঞ্চলত বাস কৰে আৰু তেওঁলোক মুচী বা নাপিত হয়। পৰিয়ালৰ আর্থিক অৱস্থা টনকিয়াল কৰিবলৈ পুৰুষসকলে নগৰ বা উদ্যোগিক অঞ্চললৈ প্রব্রজন কৰে। ইয়াৰ দ্বাৰা তেওঁলোকৰ পৰিয়ালৰ বর্ধিত চাহিদা বৃদ্ধি কৰিব বিচাৰে।

গাঁৱত যিদৰে জাতিগত সমস্যা থাকে, চহৰ বা উদ্যোগিক নগৰবোৰত সেইবোৰ নেথাকে বৰং ব্যক্তিৰ মূল্যবোধৰ ওপৰত ভিত্তি কৰি তাৰ সমার্থ আৰু কামৰ কষ্ট গঢ়ি উঠে। এইটো লক্ষ্য কৰা হয় যে তলৰ জাতিৰ লোকে কোনো অন্ধবিশ্বাস নোহোৱাকৈ যিকোনো বৃত্তি অৱলম্বন কৰে। তেওঁলোকে বাচি থাকিবলৈ যিকোনো পৰিৱেশতে কাম কৰে আৰু অর্থনৈতিক অৱস্থা টনকিয়াল কৰিবলৈ কষ্ট কৰি কাম কৰে। আনহাতে উচ্চজাতিৰ লোক এজনে তেওঁৰ শিক্ষা বা সামাজিক গ্রহণযোগ্যতাকৈ তলৰ খাপৰ কাম কৰিব নিবিচাৰে। এনে ধৰণৰ পৰিৱেশত নিম্নজাতিৰ লোকজনে অধিক উন্নতি দ্বাৰা অর্থনৈতিক অৱস্থা সৱল কৰিব পাৰে। নগৰ অঞ্চলত তেওঁ সামাজিক জখলা সোনকালে অতিক্রম কৰি সমাজৰ গ্রহণযোগ্য স্থান পাবলৈ সক্ষম হয় আৰু তেতিয়া সামাজিক জাতি অপ্রাসংগিক হৈ পৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ প্রব্রজনৰ বিভিন্ন প্রকাৰবোৰ কি কি?

প্রশ্ন নং ২ ঃ আন্তঃপ্রব্রজনৰ বিভিন্ন প্রকাৰবোৰ লিখক?

প্রশ্ন নং ৩ ঃ আকর্ষক আৰু বিকর্ষক দিশ কি?

প্রশ্ন নং ৪ ঃ নগৰীকৰণৰ সংজ্ঞা দিয়ক।

৩.৬ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ২০১১ চনৰ লোকপিয়ল মতে ভাৰতৰ জনসংখ্যাৰ ৬৮.৮৪ শতাংশ লোক গাঁও অঞ্চলত বাস কৰে।
- নগৰৰ জনসংখ্যা বৃদ্ধিৰ প্রধান কাৰণসমূহ হৈছে— উদ্যোগীকৰণ, নিয়োগৰ সুবিধা, উচ্চ মানৰ জীৱন যাপন আৰু উপযুক্ত স্বাস্থ্য সেৱা।
- স্থানীয় নিয়োগৰ সুবিধাৰ অভাৱ, ঋণ আৰু দাৰিদ্রতা আদিবোৰ গাঁৱৰ পৰা নগৰলৈ প্রব্রজন কৰাৰ প্রধান কাৰণ।
- বেছিভাগ প্রব্রজনকাৰীয়ে নির্মাণ কার্য, পৰিবহণ, বস্ত্র উদ্যোগ, কয়লাখনি আৰু হস্ত শ্রমিক স্বৰূপে নিয়োজিত হয়।
- যেতিয়া জনসাধাৰণৰ প্রব্রজনৰ গতি দেশৰ শাসিত অঞ্চলৰ ভিতৰত থাকে তেতিয়া তাক আন্তঃপ্রব্রজন বোলা হয়।
- আন্তর্জাতিক সীমাৰেখা অতিক্রম কৰি কৰা প্রব্রজনক ব্যাহ্যিক প্রব্রজন বোলা হয়।
- উন্নয়নশীল দেশবোৰত গাঁৱৰ পৰা নগৰলৈ প্রব্রজন ঘটা দেখা যায়।
- উচ্চভাৱে নগৰীকৰণ হোৱা ঠাইত নগৰৰ পৰা নগৰলৈ প্রব্রজন ঘটে নিয়োগৰ সুবিধা আৰু উচ্চ অর্থনৈতিক আয়ৰ বাবে।
- গাঁৱৰ পৰা গাঁৱলৈ প্রব্রজন ঘটে জলসিঞ্চনৰ সুবিধা, আধুনিক প্রযুক্তিৰ ব্যৱহাৰ আদিৰ ফলত।
- অতি আগবঢ়া দেশবোৰত নগৰৰ পৰা গাঁৱলৈ প্রব্রজন কৰা দেখা যায়।
- প্রব্রজনৰ বিশালতা আৰু নির্দেশনা প্রধানকৈ নির্ণয় হয় অঞ্চলটোৰ সাধাৰণ অর্থনৈতিক অৱস্থা, ভাল কৃষি মাটি, মাটিৰ আকাৰ আৰু নিয়োগৰ সুবিধা আদিৰ ফলত।
- বিবাহৰ সময়ত মহিলাসকলে সামাজিক প্রব্রজন কৰে।
- বয়স হৈছে জনসংখ্যাৰ এক গুৰুত্বপূর্ণ কাৰক যিয়ে প্রব্রজনকাৰীসকলৰ সামর্থ মাত্রাক নিয়ন্ত্রণ কৰে।
- নগৰীকৰণ প্রক্রিয়াক ব্যাখ্যা কৰিবলৈ তিনিটা স্পষ্ট দিশ আছে। সেইকেইটা হৈছে (ক) আচৰণজনিত (খ) গঠনমূলক আৰু (ঘ) জনসংখ্যাৰ দিশ।
- নগৰীকৰণৰ প্রধান কাৰণবোৰ হৈছে উদ্যোগীকৰণ, নিয়োগৰ সুবিধা আৰু আধুনিকীকৰণ।
- চহৰ বা উদ্যোগিক নগৰবোৰত গাঁৱৰ নিচিনা জাতিৰ পার্থক্য নাথাকে, ইয়াত ব্যক্তিৰ সমর্থ, কষ্ট আৰু মূল্যবোধক প্রাধান্য দিয়া হয়।

৩.৭ অধিক জানিবলৈ

১) Chandna R. C. (2011) "Geography of Population"; Kalyani Publishers, Ludhiana.

৩.৮ অগ্রগতিৰ খতিয়ান

প্রশ্ন ১ ৰ উত্তৰ ঃ ইচ্ছা আৰু দূৰত্বৰ ভিত্তিত প্রব্রজনক অর্থনৈতিক আৰু সামাজিক স্বৰূপে দুটা ভাগত ভাগ কৰা হৈছে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ভৌগোলিক গতিশীলতাৰ ভিত্তিত আন্তঃপ্ৰব্ৰজনক চাৰিটা প্ৰকাৰত ভাগ কৰা হৈছে—

(ক) গাঁৱৰ পৰা নগৰলৈ (খ) নগৰৰ পৰা নগৰলৈ

(গ) গাঁৱৰ পৰা গাঁৱলৈ (ঘ) নগৰৰ পৰা গাঁৱলৈ

৩ নং প্ৰশ্নৰ উত্তৰ ঃ গাঁও অঞ্চলবোৰ বিকৰ্ষক কাৰক হয় কাৰণ দৰিদ্ৰতা, নিবনুৱা, কম মজুৰি, শিক্ষাৰ সুবিধাৰ অভাৱ, স্বাস্থ্য আৰু অন্যান্য সেৱাৰ অসুবিধাই প্ৰব্ৰজনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। একে সময়তে নগৰ অঞ্চল আকৰ্ষণ বা টনাৰ কাৰক গয় কাৰণ এই অঞ্চলে উপযুক্ত নিয়োগৰ সুবিধা, নিয়মিত আৰু উচ্চ মজুৰি, নিৰ্দিষ্ট কৰ্ম সময়, শিক্ষা আৰু জীয়াই থকাৰ সুবিধা আৰু সামাজিক-সাংস্কৃতিক কাৰ্যৱলীৰ সুবিধাসমূহ প্ৰদান কৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নগৰীকৰণ হৈছে এক চক্ৰীয় প্ৰক্ৰিয়া যাৰ জৰিয়তে এখন দেশে কৃষি ক্ষেত্ৰৰ পৰা উদ্যোগিক সমাজলৈ পৰিৱৰ্তন ঘটায়।

?৩.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ কিছুমান অঞ্চলৰ লোকৰ বাবে প্ৰব্ৰজন কিয় প্ৰয়োজনীয়।

প্ৰশ্ন ২ ঃ নগৰীকৰণৰ বিভিন্ন কাৰণবোৰ কি কি? চমুকৈ বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ আন্তঃ আৰু বহিঃ প্ৰব্ৰজনৰ বিভিন্ন কাৰণবোৰ বৰ্ণনা কৰক।

প্ৰশ্ন ৪ ঃ প্ৰব্ৰজনৰ প্ৰধান কাৰকবোৰ কি কি? সেইবোৰ উল্লেখ কৰি বৰ্ণনা কৰক।

প্ৰশ্ন ৫ ঃ নগৰীকৰণৰ প্ৰধান প্ৰভাৱসমূহ কি কি? ব্যাখ্যা কৰক।

প্ৰশ্ন ৬ ঃ ভাৰতৰ গাঁৱৰ পৰা নগৰলৈ প্ৰব্ৰজন হোৱাত পৰিৱৰ্তন হোৱা জাতি ব্যৱস্থাৰ ওপৰত এটা টোকা লিখক।

*** ***** ***

অধ্যায় ৪ ঃ গ্রাম্য অর্থনীতি

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ ভূ-স্বত্ব পদ্ধতি
৪.৩.১ স্বতন্ত্রতা পূর্ব ভাৰতৰ ভূ-স্বত্ব পদ্ধতিৰ প্রকাৰ
৪.৩.২ স্বাধীনতাৰ পশ্চাদৱর্তী সময়ছোৱা
৪.৪ ভূমি সংস্কাৰ ঃ অর্থ আৰু সংজ্ঞা
৪.৪.১ ভূমি সংস্কাৰ ব্যৱস্থাসমূহ
৪.৫ সেউজ বিপ্লৱ আৰু ইয়াৰ প্রভাৱ
৪.৫.১ সেউজ বিপ্লৱৰ মূল উদ্দেশ্য
৪.৫.২ সেউজ বিপ্লৱৰ প্রভাৱ
৪.৬ বন্ধিত (Bonded) আৰু প্রব্রজনকাৰী শ্রমিক
৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৮ অধিক জানিবলৈ
৪.৯ অগ্রগতিৰ খতিয়ান
৪.১০ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ভাৰতত ভূ-স্বত্ব পদ্ধতি আৰু ভূমি সংস্কাৰ সম্পর্কে জানিব পাৰিব
- সেউজ বিপ্লবৰ প্রভাৱ সম্পর্কে বুজিব পাৰিব
- বন্ধিত আৰু প্রব্রজনকাৰী শ্রমিকৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৪.২ পৰিচয়

কৃষিয়ে ভাৰতীয় অর্থনীতিত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। গ্রাম্য জনসাধাৰণৰ ৭০% ই কৃষিৰ ওপৰত নির্ভৰশীল আৰু দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ ১/৩% ই কৃষিজাত। পূর্বৰ সময়ছোৱাত বহুকাল জুৰি ভাৰতীয় গাঁওসমূহ কৃষি উৎপাদনেৰে স্ব-নির্ভৰশীল আছিল আৰু কৃষিভূমিত অপর্যাপ্ত আছিল। মোগল সাম্রাজ্যৰ কালছোৱাত ৰাজহ উৎপাদনৰ এক ঘাই অংশ আহিছিল ভূমিৰ পৰা। বৃটিছ শাসনৰ আৰম্ভণি কালছাৰাত ভূমি ৰাজহ ব্যৱস্থাৰ পৰিৱর্তন সাধন হয় আৰু স্বাধীনতাৰ সময়লৈ ই তেনেদৰেই প্রচলিত হৈ থাকে। ভূমি ৰাজহ সম্পর্ক সম্বন্ধে ভালদৰে বুজিবলৈ প্রথমেই আলোচনা কৰো আহক কেনেদৰে বৃটিছসকলে ভাৰতবর্ষত ভূমি ব্যৱহাৰ কৰিছিল।

৪.৩ ভূ-স্বত্ব পদ্ধতি

সহজ ভাষাত ভূমি স্বত্বই এজন নাগৰিক আৰু চৰকাৰৰ মাজত ভূমি অধিকাৰ সম্পৰ্কীয় চুক্তি (agreement)কে বুজায়। এখন দেশৰ ৰাজনৈতিক পৰিসীমাৰ ভিতৰত ভূমি-ভাগত চৰকাৰৰ সম্পূৰ্ণ স্বত্ব আৰু চৰকাৰে দেশৰ নাগৰিক তথা সম্প্ৰদায়ক ভূমিৰ স্বত্ব বা অধিকাৰ চুক্তিৰ বা নিয়মৰ অধীনত সম্প্ৰদান কৰে। এই মালিকীস্বত্বৰ কাৰণে নাগৰিকেও চৰকাৰক ৰাজহ বা কৰ দিব লাগে।

৪.৩.১ স্বতন্ত্ৰতা পূৰ্ব ভাৰতৰ ভূ-স্বত্ব পদ্ধতিৰ প্ৰকাৰ

স্বতন্ত্ৰতা পূৰ্ব ভাৰতৰ বৃটিছ চৰকাৰৰ অধীনত প্ৰধানকৈ তিনি প্ৰকাৰৰ ভূমি স্বত্ত্ব পদ্ধতি আছিল। সেইবোৰ হ'ল- জমিদাৰী প্ৰথা, মহলৱাৰী প্ৰথা আৰু ৰায়তৰী।

- **জমিদাৰী প্ৰথা ঃ** ১৭৯৩ চনত লৰ্ড কৰ্ণৱালিচে বেংগলত এই প্ৰথাৰ আৰম্ভণি কৰিছিল। এই প্ৰথামতে এখন গাঁও বা একেলগে কেবাখনো গাঁৱৰ ভূমি এজন ব্যক্তি বা তেওঁৰ পৰিয়ালৰ সদস্যসকলৰ অধীনত থাকে। এই ব্যক্তিগৰাকী বা তেওঁৰ পৰিয়ালৰ সদস্যসকল বৃটিছ চৰকাৰক ভূমি ৰাজহ আদায় দিয়াৰ বাবে দায়িত্ববদ্ধ হয়। ব্যক্তিগৰাকীক জমিদাৰ বোলা হয়। জমিদাৰ হ'ল দেশ আৰু খেতিয়কসকলৰ সম্পৰ্কৰ মাধ্যম আহিলা। দেশৰ বিভিন্ন অংশত এই জমিদাৰী প্ৰথা প্ৰৱৰ্তন কৰা হৈছিল।

এই জমিদাৰী প্ৰথা শোষণ নীতিৰ ওপৰত প্ৰতিষ্ঠিত আছিল। বৃটিছ ৰাজৰ অধীনত জমিদাৰজন অসীম ক্ষমতাৰ অধিকাৰী আছিল। এই পদ্ধতিত ভূমি ব্যৱহাৰকাৰী কৃষকজন জমিদাৰে আৰোপ কৰা অত্যাধিক কৰ বা ভূমি ৰাজহৰ দ্বাৰা শোষিত হয়। প্ৰায় এক চতুৰ্থাংশ ভূমি উৎপাদন ৰাজহ স্বৰূপে জমিদাৰসকলে কৃষকৰ পৰা আদায় কৰে। ৰায়তসকলে জমিদাৰৰ ঘৰৰ অনুষ্ঠান যেনে- বিয়া, ধৰ্মীয় অনুষ্ঠান আদিত বিনা মজুৰিৰে শ্ৰম কৰিবলগা হয়। বৃটিছসকলে আৰম্ভ কৰা জমিদাৰী প্ৰথাৰ দুটা উদ্দেশ্য হ'ল (১) জমিদাৰসকলৰ দ্বাৰাই কৃষিকসকলৰ পৰা ভূমি ব্যৱহাৰৰ বিনিময়ত খাজনা বা ৰাজহ সংগ্ৰহ কৰা আৰু (২) দেশত বৃটিছ অনুগত এচাম লোকৰ সৃষ্টি কৰা।

- **মহলৱাৰী প্ৰথা ঃ** এই প্ৰথামতে, গাঁৱৰ সমূহ কৃষিভূমি গাঁৱৰ সম্প্ৰদায় এটাৰ ওচৰত স্বত্বাধীন হৈ থাকে। গাঁৱৰ সমূহ সদস্য যুটীয়াভাৱে ভূমি খাজনা দিয়াৰ বাবে দায়বদ্ধ থাকে। ভূমিস্বত্ব লাভ কৰা সম্প্ৰদায়টোৰ সদস্যসকলে হয়তো সমুহীয়াভাৱে কৃষিকাৰ্য কৰে বা পট্টা ভিত্তিত ভাৰাতীয়া কৃষকৰ হতুৱাই কৰোৱায়। গাঁৱৰ মুখীয়ালগৰাকীয়ে ভূমি ৰাজহ সংগ্ৰহৰ দায়িত্ব গ্ৰহণ কৰে আৰু জমা কৰি ৰাখে। বিনিময়ত তেওঁ ৰাজহৰ শতকৰা ৫ ভাগ লাভ কৰে।
- **ৰায়তৰী প্ৰথা ঃ** চাৰ থমাছ মুনৰোই মাদ্ৰাজ প্ৰদেশত আৰু বম্বেত এই প্ৰথাৰ আৰম্ভণি কৰিছিল। এই প্ৰথাত চৰকাৰ আৰু ৰায়তসকলৰ প্ৰত্যক্ষ যোগাযোগ আছিল। এই ৰায়তসকল হ'ল ভূমি অধিগ্ৰহণকাৰী ব্যক্তি। এই প্ৰথাত ভূমিৰ ৰাজহ আদায় দিয়াৰ দায়িত্ব 'ৰায়ত'ৰ নিজা। চৰকাৰ আৰু ব্যক্তিজন (ৰায়ত)ৰ মাজত কোনো মধ্যৱৰ্তী ব্যক্তি নাথাকে। ৰায়ত বা খেতিয়কজনৰ নিজৰ ভূমিৰ ওপৰত সম্পূৰ্ণ মালিকীস্বত্ব থাকে। মাটিৰ বিক্ৰী, হস্তান্তৰ, অধিকাৰ বা ঠিকা এই সকলোবোৰ ৰায়তে নিজ ইচ্ছা অনুযায়ী কৰিব পাৰে মাথো তেওঁ সময় অনুযায়ী মাটিৰ খাজনা চৰকাৰক পৰিশোধ কৰিব লাগে।

৪.৩.২ স্বাধীনতাৰ পশ্চাদৱৰ্তী সময়ছোৱা

স্বাধীনতাৰ পিছত ভাৰতীয় জাতীয় কংগ্রেছে J. C. Kumarappaৰ নেতৃত্বত কৃষি সংস্কাৰ কমিটি (Agrarian Reformes Committee) গঠন কৰিছিল। এই কমিটিৰ আধীনত পূৰ্ব স্বাধীনতাৰ সময়ছোৱাত কৃষি সম্পৰ্কীয় পৰিস্থিতিৰ বিশদ অধ্যয়ন কৰাৰ লগতে স্বাধীন ভাৰতৰ কৃষি সংস্কাৰ আঁচনিৰ পৰামৰ্শ দিছিল। এই কমিটিয়ে পৰামৰ্শ দিছিল যে ৰাষ্ট্ৰ আৰু কৃষকৰ মাজত থকা মধ্যভোগী ব্যৱস্থা লুপ্ত কৰিব লাগে। কৃষিভূমিত খেতিয়কৰ নিজস্ব স্বত্ব থাকিব লাগে আৰু নিৰ্দিষ্ট চৰ্ত কৃষকসকলৰ ওপৰত আৰোপ কৰা হ'ব লাগে। ৰাজ্যৰ বিধান মণ্ডলৰ দ্বাৰা জমিদাৰী আৰু লগতে অন্যান্য শোষণমূলক ভূমি নীতি বন্ধ কৰিব লাগে। জমিদাৰী আৰু অন্যান্য ভূমি ব্যৱহাৰ আইন লোপ পালে, ২০ লাখতকৈ অধিক কৃষকে ভূমিৰ স্বত্ব লাভ কৰিব অর্থাৎ, ভূমিৰ একচেতীয়া গৰাকী হ'ব পাৰিব।

৪.৪ ভূমি সংস্কাৰ ঃ অর্থ আৰু সংজ্ঞা

কৃষি সংস্কাৰ কমিটিৰ পৰামৰ্শ অনুসৰি প্ৰৱৰ্তন কৰা বিভিন্ন ভূমি সংস্কাৰ আইনৰ বিষয়ে আলোচনা কৰাৰ আগতে ভূমি সংস্কাৰনো কি তাকে জানি থওঁ আহক। বহল অর্থত, ভূমি সংস্কাৰে পূৰ্বে প্ৰচলিত মালিকীস্বত্ব পদ্ধতি, মাটিৰ পৰিচালনা পদ্ধতি, যিবোৰ স্বাধীনতাৰ পূৰ্বে আছিল তাৰ সংস্কাৰ বা শুধৰণিকে বুজায়। মাটিৰ মালিকীস্বত্বৰ পুনৰ্বিতৰণ, অত্যাধিক মাটিৰ গৰাকীৰ মাটিৰ স্বত্ব আঁতৰাই নিদিষ্ট পৰমাণহে তেওঁলোকক দিয়া, অতিৰিক্ত ভূমিভাগ ভূমিহীন আৰু ক্ষুদ্ৰ ভূমিখণ্ডৰ গৰাকী খেতিয়কৰ মাজত বিলাই দিয়া আদি এনে সংস্কাৰৰ অংশ।

ভূমি সংস্কাৰ নীতিয়ে গ্ৰহণ কৰা মুখ্য আৰু গুৰুত্বপূৰ্ণ উপায়সমূহৰ মুখ্য উদ্দেশ্য হ'ল কৃষি ক্ষেত্ৰৰ লগত জড়িত ভূমিহীন আধিয়াৰ বা ভাড়াতীয়া খেতিয়কসকলৰ অর্থনৈতিক অৱস্থাৰ উন্নয়ন। ভূমিৰ পুনৰ বিতৰণ, ভূমি কৰৰ নিয়ন্ত্ৰণ, আধিয়াৰ ভূমিৰ উন্নতি সাধন, যৌথ অনুষ্ঠান আৰু কৃষি শিক্ষা আদি ভূমি সংস্কাৰ নীতিৰ অন্তর্গত।

ভূমি সংস্কাৰৰ মুখ্য উদ্দেশ্য হ'ল—

- কৃষি ক্ষেত্ৰৰ সংৰচনা (Structure) এনেদৰে পৰিৱৰ্তন কৰা যাতে ই কৃষি খণ্ডৰ অনগ্ৰসতাৰ সলনি উন্নয়নহে সাধন কৰিব পাৰে।
- কৃষি খণ্ডৰ পুনগঠনৰ দ্বাৰা এক সমতাবাদী কৃষি সংৰচনাৰ প্ৰাপ্তি।
- কৃষি খণ্ডত শোষণ বিলোপ কৰা।
- গ্ৰাম্য কৃষিজীৱি দুখীয়া শ্ৰেণীৰ আর্থ-সামাজিক অৱস্থাৰ উন্নীতকৰণৰ বাবে তেওঁলোকৰ কৃষিভূমিৰ পৰিসৰ বৃদ্ধি।
- কৃষি উৎপাদন আৰু উৎপাদিকা শক্তিৰ বৃদ্ধি।
- গ্ৰাম্য দুখীয়াসকলৰ বাবে ভুজনিত উন্নয়নৰ সুবিধা
- স্থানীয় অনুষ্ঠানসমূহত সকলো শ্ৰেণীৰ কাৰণে সমপৰিমাণৰ সুবিধা গ্ৰহণৰ সুযোগ।

স্বাধীনতাৰ পিছৰ কালছোৱাত ভূ-স্বত্ব পদ্ধতি সম্বন্ধে লোৱা পদক্ষেপসমূহ হ'ল- (১) মধ্যৱৰ্তী ব্যক্তিৰ বিলুপ্তিকৰণ (২) পট্টাদাৰী ব্যৱস্থাৰ সংশোধন (৩) মাটি অধিগ্ৰহণৰ ক্ষেত্ৰত উর্ধতম সীমা (উর্ধতম সীমা) নির্ধাৰণ

আৰু (৪) অধিগৃহীত অতিৰিক্ত ভূমি ভূমিহীন আৰু নিম্ন পৰিমাণৰ ভূমিযুক্ত খেতিয়কৰ মাজত বিতৰণ। ওপৰোক্ত পদক্ষেপসমূহৰ বাহিৰেও, জনজাতীয় ভূমিৰ হস্তান্তৰকৰণ প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

৪.৪.১ ভূমি সংস্কাৰ ব্যৱস্থাসমূহ

- **মধ্যৱৰ্তী ব্যক্তিৰ বিলুপ্তিকৰণ ঃ** স্বাধীনতাৰ পূৰ্বে ভাৰতীয় গ্ৰাম্য অৰ্থনীতি আৰু ৰাজনীতি কিছু সংখ্যক ভূ-স্বামী (Big land owners) য়ে দমন কৰি আহিছিল। বৃটিছ শাসনকতাক দিয়া সামান্য মাত্ৰ ধনৰ বিনিময়ত তেওঁলোকে মাটিৰ মালিকীস্বত্ব ভোগ কৰি আহিছিল। ইয়াৰ উপৰিও, বৃটিছ শাসকসকলৰ ৰাজহ ব্যৱস্থা পৰিচালনাৰ বাবে কিছুসংখ্যক মধ্যৱৰ্তী ব্যক্তিৰ সৃষ্টি হৈছিল। এই মধ্যৱৰ্তী শ্ৰেণীৰ মাটি বা কৃষিৰ লগত প্ৰত্যক্ষ কোনো সংযোগ নাছিল, তথাপিও তেওঁলোকে মাটিৰ সীমাহীন স্বত্ব ভোগ কৰিছিল। ফলস্বৰূপে, ক্ষুদ্ৰ আৰু প্ৰান্তীয় কৃষকসকল প্ৰায়েই এই মধ্যৱৰ্তী ভূ-স্বামীসকলে শোষণ কৰে আৰু জোৰপূৰ্বক তেওঁলোকৰ কৃষিভূমি নিজৰ অধীনলৈ হস্তগত কৰে।

কুমাৰাপ্পাৰ প্ৰতিবেদনৰ ওপৰত নিৰ্ভৰ কৰি ১৯৫০ চনত ভাৰতীয় ৰাজ্যসমূহত আইন প্ৰণয়নৰ দ্বাৰা মধ্যভোগী ব্যৱস্থাৰ বিলুপ্তিকৰণ কৰা হয়। এই আইন ৰাজ্যভেদে বেলেগ বেলেগ প্ৰকৃতিৰ আৰু ইয়াৰ প্ৰভাৱও ভিন্ন হয়। পশ্চিম বংগ আৰু জম্মু আৰু কাশ্মীৰত মধ্যভোগী বিলুপ্তিকৰণৰ আইন প্ৰণয়নৰ লগে লগে মাটি অধিগ্ৰহণৰ ঊৰ্ধসীমা নিৰ্ধাৰণ আইনও বলবৎ কৰা হয়। অন্য ৰাজ্যসমূহত মধ্যভোগীসকল মাটিৰ অধিকাৰৰ ক্ষেত্ৰত উৰ্ধতন সীমা ধাৰ্য কৰি দিয়া নহৈছিল। ১৯৬০ চনতহে এই ৰাজ্যসমূহত চিলিং আইন বা ঊৰ্ধসীমা নিৰ্ধাৰণ আইন বলবৎ কৰা হয় ।

পিছলৈ মধ্যভোগীসকলৰ অতিৰিক্ত ভূমি চৰকাৰে নিজৰ অধীনলৈ আনে। ক্ষুদ্ৰ মধ্যভোগীসকলক চৰকাৰে মাটি অধিগ্ৰহণৰ বিনিময়ত ক্ষতিপূৰ্ণ দিয়ে ।

মধ্যভোগী ব্যৱস্থা বিলুপ্ত নীতিৰ ফলত আটাইতকৈ তাৎপৰ্যপূৰ্ণ পৰিৱৰ্তন হিচাপে প্ৰায় ২০ লাখ খেতিয়ক প্ৰত্যক্ষভাৱে চৰকাৰৰ লগত সম্পৰ্কিত হৈছিল আৰু গ্ৰাম্য অঞ্চলৰ পৰা কৰ আয় (Tax revenue) অধিক হাৰত লাভ কৰিব পৰা গৈছিল। এনেদৰে অধিক হাৰত লাভ কৰা কৰ আয় মধ্যভোগীসকলৰ ক্ষতিপূৰণৰ বাবে ব্যৱহাৰ হৈছিল আৰু চৰকাৰ এই পদ্ধতিত বিশেষ উপকৃত হৈছিল। কৃষক সকলৰ অৰ্থনৈতিক নিৰাপত্তাও সুৰক্ষা বৃদ্ধি হৈছিল আৰু ইয়াৰ ফলত, উৎপাদন আৰু কৰ্মসস্থানও বৃদ্ধি হৈছিল।

- **ৰায়তীস্বত্বৰ সংশোধন ঃ** ভাৰতীয় কৃষি সংশোধন কমিটিয়ে দৃঢ়ভাৱে অনুভৱ কৰিছিল যে খেতিয়কসকলৰ জীৱিকা নিৰ্বাহৰ সুবিধাৰ সুৰক্ষাই খেতিয়কসকলৰ কল্যাণ আৰু কৃষিৰ উন্নতি বহু পৰিমাণে নিৰ্ণীত কৰে। তদুপৰি এই ৰায়তীস্বত্ব ব্যৱস্থাই স্থানীয় চৰকাৰৰ বাবে লাভদায়ক আৰু সুবিধাজনক হোৱাটোও বাঞ্ছনীয়।

প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাত কৃষি উৎপাদন বৃদ্ধিৰ বাবে সৰ্বাধিক প্ৰাথমিকতা প্ৰদান কৰা হৈছিল। ইয়াত এক সুস্থ কৃষিনীতিৰ জৰিয়তে সম্পদ আৰু আয়ৰ লগত ব্যৱধান হ্ৰাস, শোষণ নাশ কৰি ৰায়তৰ সুৰক্ষা প্ৰদান, শ্ৰমিক আৰু গ্ৰাম্য অন্য দুৰ্বল শ্ৰেণী লোকৰ কামৰ আয়ৰ সুবিধা আদিৰ বাবে গুৰুত্ব প্ৰদান কৰা হৈছিল। পৰিকল্পনা আয়োগৰ পৰামৰ্শৰ ওপৰত ভিত্তি কৰি ৰাজ্য চৰকাৰে কিছুমান উপায় পদ্ধতি যেনে- কৰ অধিনিয়ম, ৰায়তৰ সুৰক্ষা, কৃষিভূমিৰ স্বত্ব প্ৰদান আদি গ্ৰহণ কৰিছিল।

ৰায়তী স্বত্ব সংশোধনৰ ক্ষেত্ৰত বহুবাক্যই চাৰিটা প্ৰধান আৰ্হি বা প্ৰকাৰ অনুশীলন কৰিছিল।

প্ৰথমতে অন্ধ্ৰপ্ৰদেশ (তেলেংগানা অঞ্চলকে ধৰি), বিহাৰ, হিমাচল প্ৰদেশ, কৰ্ণাটক, মধ্য প্ৰদেশ, উত্তৰ

প্রদেশ এই ৰাজ্যসমূহ তৰায়ত আইনৰ অধীনত লিজ (lease) বা আধিয়াৰ চুক্তিৰ ক্ষেত্ৰত প্ৰতিবন্ধ জাৰি কৰা হৈছিল। মাথো অক্ষম শ্ৰেণীৰ মাটিৰ মালিৰেহে এই আধিয়াৰ বা 'লিজ' পদ্ধতিৰ সুবিধা ল'ব পাৰিব। ইয়াৰ ফলত মাটিৰ মালিকীস্বত্ব প্ৰকৃত কৃষকৰ হাততেই নিহিত থকাৰ সুবিধা হৈছিল। দ্বিতীয়তে, কেৰেলা ৰাজাই কৃষিখণ্ডত ৰায়ত প্ৰথাৰ প্ৰতিবন্ধ (bonded) জাৰি কৰিছিল আৰু কোনো অনুদান বা ক্ষতিপূৰণ ৰখা নাছিল। তৃতীয়তে, পঞ্জাৱ হাৰিয়ানা, গুজৰাট আৰু হাৰিয়ানাই ৰায়ত প্ৰথাৰ ওপৰত প্ৰতিবন্ধ জাৰি কৰা নাছিল। কিন্তু ৰায়তে এডোখৰ নিৰ্দিষ্ট কৃষিভূমিত বহুবছৰ খেতি কৰাৰ পিছত সেই ভূমি ইচ্ছা কৰিলে কিনি লবৰ অধিকাৰ আছিল। অৱশ্যে এই ৰাজ্যসমূহত সৰু আৰু ডাঙৰ সকলো কৃষককে 'লিজ'বা আধিয়াৰ দিয়াটো প্ৰচলিত আছিল। চতুৰ্থতে, পশ্চিম বংগ, উৰিষ্যা, তামিলনাড়ু আৰু অন্ধ্ৰপ্ৰদেশে কৃষিভূমিৰ লিজ বা আধিয়াৰ প্ৰথাৰ ক্ষেত্ৰত প্ৰতিবন্ধকতা কৰা নাছিল।

প্ৰায় সকলো ৰাজ্যৰে চৰকাৰসমূহে খাজনা বা ৰাজহৰ ওপৰত আধিনিয়ম জাৰি কৰিছিল, মাথো কেৰেলা ৰাজ্যত লিজ বা বন্ধকী প্ৰথা সম্পূৰ্ণভাৱে বন্ধ কৰা হৈছিল। বিধিৎ (Regulated) বা নিয়মাধীন সূত (fair rent) হিচাপে ভূমি উৎপাদনৰ ১/৪ৰ পৰা ১/৬ লৈ শতাংশ ধাৰ্য কৰা হৈছিল। কিন্তু, প্ৰকৃতপক্ষে আচল সূত সদায় নিয়মাধীন সূততকৈ বেছি আছিল। বহু ঠাইত ক্ষুদ্ৰ আৰু প্ৰান্তীয় কৃষকসকলে ডাঙৰ বা অনুপস্থিত ভূমি স্বামীৰ পৰা মাটি বন্ধকত লৈছিল আৰু এওঁলোক শোষিত হ'ব লগা হৈছিল । ইয়াৰ দ্বাৰা কৃষকসকলে দক্ষতাৰে কৃষিকাৰ্য কৰাত হতাশ হৈছিল।

- **চিলিং বা ভূমি অধিগ্ৰহণৰ উৰ্ধতম সীমা ঃ** 'চিলিং' বা উৰ্ধতম ভূমি অধিগ্ৰহণ সীমাই এজন খেতিয়কে অধিগৃহীত কৰা মাটিৰ ক্ষেত্ৰত ধাৰ্য কৰা আইনকে বুজায়। এই সীমাৰ বাহিৰত কোনো ব্যক্তি বা কৃষিক্ষেত্ৰ (Firm)ই মাটি অধিগ্ৰহণ কৰিব নোৱাৰে। অন্য ভূমি সংস্কাৰ উপায় সমূহৰ নিচিনা চিলিং আইনৰও মূল উদ্দেশ্য হ'ল অৰ্থনৈতিক উন্নতি আৰু সামাজিক ন্যায়। ভাৰতীয় কৃষিনীতি প্ৰণয়নকাৰীসকলে এইটো উপলব্ধি কৰিব পাৰিছিল যে এক নিৰ্দিষ্ট পৰিসীমাৰ পিছত ভাৰতীয় পটভূমিত বহুল ক্ষেত্ৰৰ কৃষি ক্ষেত্ৰ অৰ্থনৈতিকভাৱে আৰু সামাজিক ন্যায়ৰ ক্ষেত্ৰত সমৰ্থন যোগ্য নহয়। ক্ষুদ্ৰ কৃষিপামসমূহ সম্পদৰ অৰ্থনৈতিক ব্যৱহাৰৰ ক্ষেত্ৰত বেছি সক্ষম। এই ক্ষুদ্ৰ পামসমূহৰ যোগেদি সামাজিক সমতা স্থাপন, কৰ্মসংস্থাপন আৰু সম্পদৰ সম বিতৰণ পৰিৱেশ সৃষ্টি কৰে।

১৯৫৯ চনত ভাৰতীয় নেচনেল কংগ্ৰেছে কৃষি বিধি প্ৰণয়নৰ দ্বাৰা সকলো ৰাজ্যতে মাটি অধিগ্ৰহণৰ পৰিমাণ ক্ষেত্ৰত সীমা নিৰ্ধাৰণৰ লক্ষ লয়। ১৯৬০ চনত সকলো ৰাজ্যৰে চৰকাৰে 'চিলিং এক্ট' বা ভূমিৰ অধিগ্ৰহণৰ উৰ্ধসীমা' নীতি গ্ৰহণ কৰে। পশ্চিম বংগ আৰু জম্মু আৰু কাশ্মীৰ ৰাজ্যই ইতিমধ্যে চিলিং নীতি প্ৰয়োগ কৰিছিল। এই ৰাজ্য দুখনে মধ্যভোগী শ্ৰেণীৰ বিলুপ্তিকৰণৰ ক্ষেত্ৰতও আইন প্ৰণয়ন কৰিছিল ১৯৫০ চনতেই অৱশ্যে জমিদাৰী প্ৰথাৰ নিৰ্মূলকৰণৰ সমানুপাতে পশ্চিমবংগ, জম্মু, আৰু কাশ্মীৰৰ বাহিৰে অন্য ৰাজ্যত চিলিং আইন মঞ্জুৰ কৰা হোৱা নাছিল সেয়ে নীতিবহিৰ্ভূতভাৱেও মাটিৰ হস্তান্তৰ ঘটিছিল। ইয়াৰ ফলত চিলিং আইনৰ জৰিয়তে উপলব্ধ অতিৰিক্ত ভূমি উপলব্ধ হোৱা নাছিল। পুনৰ্বিতৰণৰ জৰিয়তে ভূমিহীন কৃষকক এই অতিৰিক্ত মাটিৰ যোগান ধৰাৰ সুবিধাও নাথাকিছিল। যদিও বৃহৎ পৰিমাণৰ ভূমি চিলিং আইনৰ জৰিয়তে বাজেয়াপ্ত কৰা হৈছিল, তথাপিও কিছুমান বিশেষ শ্ৰেণীভুক্ত (Categories) মাটি চিলিং আইনৰ পৰা অব্যাহতি দিয়া হৈছিল। সেইবোৰ হ'ল-

- চাহ, কফি, ৰবৰ, ক'কো আৰু ইলাচী বাগিচাসমূহ
- কুঁহিয়াৰৰ শস্যক্ষেত্ৰ

- যৌথ খণ্ড, কলনী
- মৎস্য উৎপাদন পুখুৰী
- ধর্মীয় অনুষ্ঠান, শিক্ষানুষ্ঠান, দাতব্য (Charitable) অনুষ্ঠান আদিয়ে অধিগ্রহণ কৰা ভূমি
- ৰাজ্য আৰু কেন্দ্রীয় চৰকাৰৰ দ্বাৰা অধিগৃহীত ভূমি ।
- চেনীৰ কাৰখানা
- দেশৰ প্রতি দেখুওৱা বীৰত্বৰ বাবে পুৰস্কৃত ভূমি
- ৰাজহুৱা খণ্ড (Public sector) বা উদ্যোগীক ক্ষেত্র বা ব্যৱসায়িক ক্ষেত্রৰ বাবে অধিগৃহীত ভূমি
- পশু প্রজনন কেন্দ্র দুগ্ধ পাম বা ঊণ উৎপাদন কেন্দ্র
- **ভূদান আৰু গ্রামদান ঃ** ভূদান আন্দোলনৰ আৰম্ভণি হৈছিল ১৯৫১ চনত । আকৌ ১৯৭৫ চনত তেলেংগানাৰ কৃষক বিদ্রোহৰ পিছতেই তাৎক্ষণিক প্রতিক্রিয়া হিচাপে গ্রামদান আন্দোলনৰ আৰম্ভণি ঘটিছিল। দুয়োটা আন্দোলনৰেই মূল উদ্দেশ্য আছিল প্রতি গাঁৱৰেই ভূস্বামী তথা ৰায়তধিকাৰী(Lease holder)সকলৰ তেওঁলোকৰ ভূমিৰ অধিকাৰ ত্যাগ কৰিবলৈ সন্মত কৰোৱা। ইয়াৰ ফলত গাঁৱৰ ভূমিসমূহ সাম্যবাদী (egalitarian) উদ্দেশ্যত পুর্নবিতৰণ কৰাৰ সুযোগ পোৱা যায়। ফলত যৌথ কৃষি ব্যৱস্থাৰ বাট মুকলি হয়।

অৱশ্যে দুয়োটা আন্দোলনেই নিজৰ উদ্দেশ্যত উপনীত হোৱাত অসফল হৈছিল আৰু ভূমি অধিগ্রহণ আৰু পুনবিতৰণৰ বাট ৰুদ্ধ হৈছিল। ভূদান আন্দোলনৰ জৰিয়তে উপলব্ধ ৪২.৬ লাখ একৰ ভূমিৰ ১৭.৩ লাখ একৰ ভূমিয়ে খেতিৰ অনুপযোগী আছিল বুলি প্রত্যাখ্যান কৰা হৈছিল। বহু ক্ষেত্রত ভূস্বামী সকলে কৃষি অনুপযোগী, বিবাদ জড়িত (মাটিৰ ৰায়ত আৰু চৰকাৰৰ মাজত) ভূমিহে দান কৰিছিল। ভূ-স্বামীসকলে এনে বিবাদমান ভূমিৰ স্বত্ব ত্যাগৰ ক্ষেত্রত আইনৰ সাহায্য লাভ (ভূদানৰ জৰিয়তে) কৰাটো পচন্দ কৰিছিল। ভূদানৰ বিনিময়ত তেওঁলোকে অনুদান (subsidies) লাভ কৰিছিল আৰু ই ভূমিৰ উৎপাদনৰ পৰা লাভ কৰা আয়তকৈ তুলনামূলকভাৱে বেছি আছিল।

- **কৃষিক্ষেত্রৰ একত্রীকৰণ ঃ** কৃষিক্ষেত্রৰ একত্রীকৰণৰ অর্থ হ'ল- বিচ্ছিন্ন কৃষিক্ষেত্রসমূহৰ মিশ্রিতকৰণ আৰু পুর্নবিতৰণ। ইয়াৰ দ্বাৰা এজন কৃষকৰ কষিভূমিৰ সকলোখণ্ডৰে একত্রীকৰণ কৰা হয় বা এক নির্দিষ্ট অঞ্চললৈ তেওঁৰ খণ্ডিত কৃষিভূমিৰ একত্রীকৰণ কৰা হয়। অনাকৃষি খণ্ডত কর্মসংস্থানৰ অভাৱ আৰু বর্ধিত জনসংখ্যাৰ কৃষিভূমিৰ পৰা হেঁচাৰ কাৰণে কৃষি ভূমিসমূহ ক্ষুদ্র ক্ষুদ্র খণ্ডলৈ দ্রুত গতিত বিভাজিত হৈ আহিছে। ইয়াৰ ফলত কৃষি ক্ষেত্রত জলসিঞ্চন, ভূমিমান উন্নয়ন আৰু কৃষি খণ্ডসমূহৰ নিৰীক্ষণ যথেষ্ট কষ্টসাধ্য হৈ আহিছে।

স্বাধীনতাৰ পিছত তামিলনাড়ু, কেৰেলা, মণিপুৰ, নগালেণ্ড, ত্রিপুৰা আৰু অন্ধ্র প্রদেশৰ কিছু অংশত থাকে ভাৰতৰ আন ৰাজ্যমূহত কৃষিভূমিৰ একত্রীকৰণৰ বাবে আইন প্রৱর্তন কৰা হয়। পঞ্জাৱ আৰু হাৰিয়ানাত এই আইন বাধ্যতামূলক আৰু অন্য ৰাজ্যসমূহত এই ভূমি একত্রীকৰণ ইচ্ছামূলক আছিল। একত্রীকৰণ (consolidation) নীতিৰ ফলত সম্ভৱ হৈছিল।

- এক নির্দিষ্ট পৰিমাণৰ তলত ভূমিৰ খণ্ডিতকৰণ প্রতিৰোধ
- হস্তান্তৰকৰণৰ কাৰণে ভূমিৰ নিম্নতম আকাৰ নির্ধাৰণ
- ৰাজহুৱা ব্যৱহাৰৰ কাৰণে ভূমি সংৰক্ষণ
- ভূমি একত্রীকৰণ আঁচনি ৰূপায়ণৰ কাৰণে প্রশাসনীয় গোট গঠন।
- আপত্তি, বিচাৰৰ আবেদন আৰু দণ্ড সম্পর্কে তথ্য দাখিল

অৱশ্যে, পর্যাপ্ত ৰাজনৈতিক আৰু প্ৰশাসনীয় সমর্থনৰ অভাৱত এই একত্রীকৰণ ব্যৱস্থা বিশেষ কৃতকার্য হোৱা নাছিল। পঞ্জাৱ, হাৰিয়ানা আৰু পশ্চিম উত্তৰ প্ৰদেশত এই আঁচনিৰ অৱশ্যে বহুখিনি সফল ৰূপায়ণ হৈছিল।

- **অনুসূচীত জনজাতিৰ ভূমি সংৰক্ষণ ঃ** ভাৰতৰ ৰাজ্যসমূহে আইন প্ৰণয়নৰ জৰিয়তে জনজাতি অঞ্চলসমূহক দেশৰ মূল ভু-খণ্ডৰ পৰা বিচ্ছিন্ন হোৱাটো ৰোধ কৰিবলৈ বিশেষ সচেতন হোৱা দেখা যায়। আইনৰ জৰিয়তে অনুসূচীত অঞ্চলসমূহত জনজাতীয় লোকসকলৰ ভূমি অজনজাতীয় লোকৰদ্বাৰা ক্রয় কৰাৰ ক্ষেত্রত বাধা আৰোপ কৰা হয়। কিন্তু, কিছুমান প্ৰশাসনীয় দুর্বলতা, আইনগত সুৰুঙাৰ সুযোগ লৈ জনজাতীয় লোকসকলক তেওঁলোকৰ ভূমিস্বত্বৰ পৰা বিতাড়িত কৰা হয়। ঋণ গ্রস্ততা আৰু দৰিদ্রতাৰ কাৰণে এই অঞ্চলৰ লোকসকলে ঋণদাতাৰ ওপৰত নিজৰ ভূমি সম্পত্তি বন্ধকত ৰাখিব লগা হয়। ইয়াৰ উপৰিও জলসিঞ্চন, নদীবান্ধ আৰু অন্য কিছুমান ৰাজহুৱা উদ্দেশ্যত অনুসূচীত অঞ্চলৰ কৃষিভূমি চৰকাৰে অধিগ্রহণ কৰে। এই কার্যসমূহে অনুসূচীত জনজাতিৰ লোকসকলক দেশৰ অন্যভাগৰ পৰা বিচ্ছিন্ন কৰে। সমাজ কল্যাণকামী সংগঠন আৰু চৰকাৰী সংস্থাসমূহে পৰিৱর্তিত আইন ব্যৱস্থাৰ প্ৰণয়নৰ দ্বাৰা অনুসূচীত জনজাতিৰ লোকসকলৰ ভূমি অধিকাৰৰ সংৰক্ষণৰ বাবে অহৰহ প্রচেষ্টা চলাই আছে।

৪.৫ সেউজ বিপ্লৱ আৰু ইয়াৰ প্রভাৱ

সেউজ বিপ্লৱ (Green Revolution) যে উচ্চউৎপাদনক্ষম প্রজাতি (High Yielding Variety-HYV) ৰ বীজ আৰু সাৰ তথা জলসিঞ্চনৰ সুবিধাৰে কৃষিখণ্ডলৈ নতুন সংযোগ স্থাপন কৰিছিল। এই সেউজ বিপ্লৱৰ মূল উদ্দেশ্য হ'ল- শস্যৰ উৎপাদনৰ ক্ষেত্রত নিৰাপত্তা লাভ আৰু ভাৰতক শস্য উৎপাদনৰ ক্ষেত্রত স্ব-নির্ভৰশীল কৰি তোলা। কীটনাশক দ্রব্যৰ ব্যৱহাৰ, নাইট্রজেন জাতীয় সাৰ, উন্নত শস্যৰ প্রজাতি আদি উন্নত আধুনিক প্রযুক্তিৰ সমাবেশেৰে সেউজ বিপ্লৱৰ আৰম্ভণি হৈছিল। ১৯৬৭-১৯৭৮ চনলৈ এই কালছোৱা সেউজ বিপ্লৱৰ কাল বুলি ক'ব পাৰি।

সেউজ বিপ্লৱৰ আৰম্ভণি হৈছিল আমেৰিকাৰ Rockefeller Foundation ৰ সাহায্যত। মেক্সিকো আৰু ফিলিপাইনৰ উচ্চউৎপাদনক্ষম প্রজাতিৰ গোমধান, চাউল আৰু অন্য শস্য কিছুমান এই কৃষি বিপ্লৱৰ আৰম্ভণি শস্য হিচাপে ব্যৱহাৰ কৰা হৈছিল। ভাৰতীয় জীন বিশেষজ্ঞ এম এছ স্বামীনাথনে ভাৰতীয় সেউজ বিপ্লৱত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল।

৪.৫.১ সেউজ বিপ্লৱৰ মূল উদ্দেশ্য

- কৃষি উৎপাদন বৃদ্ধি কৰা
- ক্ষুদ্র আৰু প্রান্তীয় কৃষকসকলক সাহায্য দান
- কৃষিখণ্ডত আধুনিক প্রযুক্তি আৰু কৌশলৰ ব্যৱহাৰ
- খাদ্য শস্য উৎপাদনৰ ক্ষেত্রত আত্ম-নির্ভৰশীলতা সৃষ্টি
- উচ্চউৎপাদনক্ষম প্রজাতিৰ বীজ, সাৰ আৰু জলসিঞ্চন যোজনাৰ আৰম্ভণি
- কৃষিক্ষেত্রৰ গোলকীকৰণ বা আন্তর্জাতিক পৰিচয়।

৪.৫.২ সেউজ বিপ্লৱৰ প্ৰভাৱ

এইখিনিতে ভাৰতবৰ্ষত সেউজ বিপ্লৱৰ প্ৰভাৱ সম্বন্ধে আলোচনা কৰো আহক।

- **উচ্চউৎপাদনক্ষম বীজৰ প্ৰজাতি** (HYV Seeds) ঃ ১৯৬০ চনৰ উচ্চউৎপাদনক্ষম বীজৰ প্ৰজাতিৰ উদ্ভাৱন আৰু বিকাশে ভাৰতবৰ্ষত সেউজ বিপ্লৱৰ মূল ভেটি স্থাপন কৰিছিল। HYV অৰ্থাৎ উচ্চউৎপাদনক্ষম বীজৰ প্ৰজাতিৰ ব্যৱহাৰে ভাৰতবৰ্ষৰ কৃষিক আধুনিক ৰূপে গঢ় দিছিল। এজন পৰম্পৰাগত কৃষকক কৃষিৰ ব্যৱসায়িক উৎপাদক স্বৰূপে পৰিৱৰ্তন ঘটাইছিল। HYV শস্য বীজৰ বহুল ব্যৱহাৰৰ ফলত শস্য উৎপাদন বৃদ্ধি হৈছিল, ফলত কৃষিখণ্ডত বিনিয়োগ, উন্নত মানৰ প্ৰযুক্তিযুক্ত যান্ত্ৰিক পদ্ধতিৰ প্ৰচলন আদিৰ প্ৰচলন বৃদ্ধি হৈছিল।

১৯৬৩ চনত ৰাষ্ট্ৰীয় বীজ নিগম (National Seeds Corporation NSC) প্ৰতিষ্ঠা হৈছিল। এই নিগমৰ অধীনত শস্যৰ বীজৰ অংকুৰণ (০)ৰ দ্বাৰা উন্নত মানৰ শস্যৰ পুলিৰ উৎপাদন কৰা হৈছিল NSC ৰ দ্বাৰা প্ৰমাণিত আৰু পৰীক্ষাৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত উন্নত মানদণ্ডৰ বীজৰ বাবে চুক্তিবদ্ধ, উৎপাদক, কৃষি বিশ্ববিদ্যালয়, ৰাজ্যিক বীজ নিগম আৰু ৰাজ্যিক কৃষি নিগমৰ লগত সম্বন্ধ স্থাপন কৰা হৈছিল।

১৯৭৭ চনত ৰাষ্ট্ৰীয় বীজ কাৰ্যসূচীৰ আৰম্ভণি হৈছিল। পঞ্জাৱ, হাৰিয়ানা, উত্তৰ প্ৰদেশ, বিহাৰ, উৰিষ্যা, মহাৰাষ্ট্ৰ, কৰ্ণাটক, অন্ধ্ৰ প্ৰদেশ আৰু ৰাজস্থান এই নখন ৰাজ্যত বিশ্ব বেংকৰ সহযোগত এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছিল। সেউজ বিপ্লৱৰ আৰম্ভণিৰ উন্নতমানৰ বীজৰ উৎপাদন, বিতৰণ আৰু ব্যৱহাৰৰ প্ৰসাৰ ঘটিছিল।

- **জলসিঞ্চন ঃ** সেউজ বিপ্লৱৰ প্ৰযুক্তিৰ ক্ষেত্ৰত HYV বীজৰ পিছত জলসিঞ্চন হ'ল দ্বিতীয় সৰ্বাধিক গুৰুত্বপূৰ্ণ অংশ। ভাৰতবৰ্ষৰ বৰষুণ বহু পৰিমাণে অনিশ্চিত প্ৰকৃতিৰ, অনিয়মীয়া আৰু ঋতুকালীন। সেয়েহে সেউজ বিপ্লৱ কাৰ্যসূচীৰ সফল ৰূপায়ন কৰি HYV প্ৰযুক্তিৰ সঠিক ব্যৱহাৰৰ বাবে জলসিঞ্চনৰ অতি আৱশ্যক। বিশেষকৈ বৰষুণৰ অভাৱ থকা খৰাং অঞ্চলসমূহত এই জলসিঞ্চন পদ্ধতি অপৰিহাৰ্য্য। HYV বীজৰ সফল ব্যৱহাৰৰ বাবে শস্যক্ষেত্ৰত পানীৰ সঠিক পৰিমাণ, সঠিক সময়ত অত্যন্ত মহত্বপূৰ্ণ।
- **সাৰৰ ব্যৱহাৰ ঃ** সেউজ বিপ্লৱ কাৰ্যসূচীত ৰসায়নিক সাৰৰ ব্যৱহাৰ তৃতীয় গুৰুত্বপূৰ্ণ সংযোজন। শস্য উৎপাদনৰ বাবে ব্যৱহৃত মাটিৰ পৰিমাণ সীমিত। তদুপৰি শস্যক্ষেত্ৰৰ প্ৰসাৰৰ বাবেও নতুন কৃষিভূমি ব্যৱহাৰৰ সুযোগ নাই। ক্ৰমবৰ্ধমান জনসংখ্যাৰ চাহিদা পূৰণ আৰু সীমিত কৃষিভূমিৰ বাবে সেউজ বিপ্লৱৰ কালছোৱাত বহু প্ৰকাৰৰ শস্য (Multiple cropping) উৎপাদন প্ৰণালীৰ আৰম্ভণি ঘটোৱা হৈছিল। এই বহু প্ৰকাৰ শস্য উৎপাদন প্ৰণালী HYV বীজ, জলসিঞ্চন আৰু ৰাসায়নিক সাৰৰ ওপৰত বহুলাংশে নিৰ্ভৰশীল। সন্তুলিত সাৰৰ ব্যৱহাৰৰ প্ৰতি কৃষকসকলক উৎসাহিত কৰিবলৈ আৰু এনে ৰাসায়নিক সাৰৰ সহজ উপলব্ধকৰণ, সুলভ মূল্যৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিশেষ ভাৱৰে সতৰ্ক। এই ৰসায়নিক সাৰ চৰকাৰে অনুদানমূলকভাৱে ৰাজসাহায্য (Subsidy) দৰত বিক্ৰী কৰে।

সেউজ বিপ্লৱৰ পিছৰ কালছোৱাত ৰাসায়নিক সাৰৰ ব্যৱহাৰ যথেষ্ট পৰিমাণে বৃদ্ধি পায়। ১৯৭০ চনত দক্ষিণ ভাৰত ৰাসায়নিক সাৰৰ ব্যৱহাৰৰ ক্ষেত্ৰত অগ্ৰণী আছিল। পিছত পঞ্জাৱ, হাৰিয়ানা আৰু উত্তৰ প্ৰদেশত ৰাসায়নিক সাৰৰ প্ৰধান উপভোক্তা পৰিগণিত হয়। এইখিনিতে বিশেষ উল্লেখযোগ্য যে পঞ্জাৱ আৰু হাৰিয়ানাত দেশৰ মুঠ কৃষিভূমিৰ ৬% অধিকাৰ কৰি আছে আৰু এই ৰাজ্য দুখনে ভাৰতৰ ব্যৱহৃত মুঠ ৰাসায়নিক সাৰৰ ১৮% ক্ৰয় কৰে।

- **কৃষিক্ষেত্ৰৰ একত্ৰীকৰণ** (Consolidation of holdings) ঃ ক্ষুদ্ৰ ক্ষুদ্ৰ আৰু খণ্ডিত কৃষিক্ষেত্ৰ ভাৰতৰ কৃষিৰ উন্নতিৰ এক প্ৰধান অন্তৰায়। কৃষিক্ষেত্ৰৰ একত্ৰীকৰণৰ দ্বাৰা কৃষিভূমিক এক বহল খণ্ডলৈ সংযুক্ত কৰাৰ ক্ষেত্ৰত নীতি প্ৰণয়ন কৰা হৈছে।

- **কৃষি ঋণৰ সৰবৰাহ** (Supply of Agricultursl Credit) ঃ সকলো কৃষি উন্নয়নমূলক কার্যসূচীৰে এক মুখ্য অংশ হ'ল ঋণৰ যোগান। উন্নত পদ্ধতিৰ কৃষি বীজ, ৰসায়নিক সাৰ, কীটনাশক, জলসিঞ্চন পদ্ধতি, উন্নত প্রযুক্তিৰ যন্ত্র এইসকলোবোৰ ঋণৰ সৰবৰাহৰ ওপৰত নির্ভৰ কৰে।

আগৰ কালছোৱাত খেতিয়কে উচ্চহাৰৰ সুত্রৰ বিনিময়ত ঋণ দিওঁতা ধনী ব্যক্তিৰ ঋণ লৈছিল। কাৰণ এক বৃহৎ সংখ্যক ক্ষুদ্র আৰু প্রান্তীয় (marginal fareness) কৃষকৰ কৃষিখণ্ডত বিনিয়োগৰ বাবে নিজস্ব সম্পদ বা অর্থৰ অভাৱ। সেয়েহে, কৃষি কার্যৰ বিভিন্ন প্রয়োজন পূৰণৰ বাবে তেওঁলোকে কৃষি ঋণৰ ওপৰত নির্ভৰ কৰিবলগীয়া হয়।

পঞ্চবার্ষিক পৰিকল্পনা আয়োগে সহকাৰী কমিটী (Cooperatives) বাণিজ্যিক বেংক আৰু ৰাজ্যিক গ্রাম্য বেংকক কৃষকসকলৰ বাবে সহজ আৰু সাধ্য অনুকূল কৃষি ঋণ দিয়াৰ বাবে নিযুক্তি প্রদান কৰে।

- **গ্রাম্য বৈদ্যুতিকৰণ** ঃ দমকল (Tube well) পাম্পচেট, কৃষি উৎপাদনৰ বিকাশ (Processing) আৰু সংৰক্ষণ, কৃষি পামত জলসিঞ্চনৰ প্রয়োগ আদিৰ বাবে বিদ্যুৎ শক্তি হল এক সুলভ শক্তিৰ আধাৰ। স্বাধীনতাৰ পিছত কৃষিৰ বিকাশৰ প্রয়োজনীয়তালৈ লক্ষ্য কৰি আৰু তাৰবাবে বিদ্যুৎ শক্তিৰ গুৰুত্বপূর্ণ ভূমিকা অনুভৰ কৰি চৰকাৰে গ্রাম্য বৈদ্যুতিকৰণৰ বাবে বিস্তৃত কার্যসূচী হাতত লৈছে। ১৯৭০ চনত হাৰিয়ানা ৰাজ্যই ইয়াৰ সমূহ গাঁৱতেই বৈদ্যুতিকৰণৰ সুবিধা সংযোগৰ ক্ষেত্রত প্রথম স্থান অধিকাৰ কৰিছে। ১৯৮০-দশকৰ মাজভাগত কেৰেলা, অন্ধ্রপ্রদেশ, কর্ণাটক, গুজৰাট, হিমাচল প্রদেশ, তামিলনাড়ু আৰু মহাৰাষ্ট্রৰ ৯৭% গাঁৱতহে বৈদ্যুতিক সংযোগ ঘটে।
- **গ্রাম্য ৰাস্তা-ঘাট আৰু বিপণন কেন্দ্র** ঃ পথ সংযোগীকৰণ আৰু বুনিয়াদী আধাৰ (Infrastructure) সমূহৰ উন্নয়ন কৃষিখণ্ডৰ উৎপাদন বৃদ্ধিৰ কাৰক হিচাপে গণ্য কৰা হয়। সেয়ে সেউজ বিপ্লৱৰ কার্যসূচীসমূহৰ ভিতৰত এইবোৰত অন্তর্ভুক্ত কৰা হয়। গাঁওসমূহক ওচৰৰ বিপণন কেন্দ্র (markets)ৰ লগত আৰু ওচৰ চুবুৰীয়া গাঁৱৰ লগত সংযোজিত কৰাৰ ফলত, কৃষিজাত সামগ্রীৰ উৎপাদনৰ সুবিধা বৃদ্ধি পায়।

কৃষিখণ্ডৰ প্রগতিৰ কাৰণে বাণিজ্যিক কেন্দ্রসমূহৰ প্রয়োজন অতি আৱশ্যকীয়।

সুনিয়ন্ত্রিত আৰু ব্যৱস্থাপিত বাণিজ্যিক কেন্দ্রসমূহত কৃষকে তেওঁলোকৰ উৎপাদিত সামগ্রীৰ বিক্রীৰ লগতে কৃষি খণ্ডত ব্যৱহৃত সামগ্রী যেনে— সাৰ, কীটনাশক দ্রব্য, অন্য সজুলি যেনে— কোৰ, খন্তি আদি আৰু অন্য কৃষিখণ্ডত ব্যৱহৃত সজুলি ক্রয় কৰিব পাৰে।

Leo E. Holman ৰ মতে, 'আধুনিক উৎপাদন ব্যৱস্থাত বিপণন হ'ল এনে এক অংশ যিটোৱে পূর্বৱর্তী সকলো ক্রিয়াৰে মূল উদ্দেশ্য আৰু কৃতকার্যতা বহন কৰে।'

- **কৃষি বিশ্ববিদ্যালয়সমূহ** ঃ কৃষি বিশ্ববিদ্যালয়সমূহ আৰু অন্যান্য কৃষি ভিত্তিক অনুষ্ঠানসমূহ প্রধানকৈ কৃষি গৱেষণাৰ লগত জড়িত হৈ থাকে। গৱেষণালব্ধ অভিজ্ঞতা কৃষকৰ সাহায্যার্থে তেওঁলোকক জনোৱা হয়। সেউজ বিপ্লৱৰ সফলতা বহুলাংশে এই বিশ্ববিদ্যালয়সমূহৰ গৱেষণাৰ ওপৰতো নির্ভৰ কৰে।

৪.৬ বন্ধিত (Bonded) আৰু প্রব্রজনকাৰী শ্রমিক

বন্ধিত শ্রমিক (Bonded labour) এই পৰিভাষা ৰ অর্থ ৰাষ্ট্রীয় শ্রম পৰিষদ (National Commission on Labour)ৰ মতে, 'ঋণ গ্রহণৰ দায়িত্ব হিচাপে এক নির্দিষ্ট সময়ৰ বাবে শ্রমক বন্ধনত ৰখা। সাধাৰণ অর্থত,

'বন্ধিত শ্রমিক বা 'বন্ধিত শ্রমিক প্রথাই 'এজন ঋণদাতা আৰু এজন ঋণীৰ পাৰস্পৰিক সম্বন্ধকে সূচায়।' ঋণী ব্যক্তিগৰাকীয়ে নিজৰ দৈনন্দিন আৱশ্যকতাৰ কাৰণে অর্থনৈতিকভাৱে অসমর্থ হৈ ঋণগ্রহণ কৰে আৰু ঋণদাতাৰ চর্তসমূহ পালন কৰিবলৈ বাধ্য হয়। ঋণদাতা আৰু ঋণীৰ মাজৰ চুক্তি হিচাপে ঋণী ব্যক্তিগৰাকীয়ে নিজৰ পৰিয়ালৰ সদস্যসকলৰ শ্রম বা সেৱা নির্দিষ্ট সময়ৰ বাবে বন্ধকত থ'বলৈ মান্তি হয়। বন্ধকী শ্রমিক প্রথাৰ প্রচলন আৰু চর্চাৰ মূল কাৰণসমূহ অর্থনৈতিক, সামাজিক আৰু ধর্মীয়। অভাৱগ্রস্ততা, জীৱিকা নির্বাহৰ উপায়ৰ অভাৱ, পৰিয়ালৰ ভৰণ-পোষণৰ বাবে প্রয়োজনীয় কৃষিভূমিৰ অভাৱ, গাঁও আৰু চহৰৰ দুখীয়াসকলৰ বাবে বিকল্প ক্ষুদ্র পৰিসৰৰ ঋণৰ অভাৱ, বানপানী, খৰাং আদিৰ দৰে প্রাকৃতিক সমস্যা আদি অর্থনৈতিক কাৰণৰ অন্তর্ভুক্ত। সামাজিক সমস্যাসমূহৰ ভিতৰত হ'ল-বিবাহ, মৃত্যু, ভোক, সন্তানৰ জন্ম আদিৰ দৰে অনুষ্ঠানসমূহ পালনত অত্যন্ত বেছি খৰছ, ঋণৰ বোজা, জাতিভিত্তিক ভেদবাভ, দুর্ভিক্ষ আৰু ৰোগ আদিৰ পৰা সুৰক্ষা লাভৰ বাবে সুশৃংখল সামাজিক কল্যাণমূলক আঁচনিৰ অভাৱ। সমতাহীন শিক্ষা পদ্ধতি আদি। সেয়েহে ক'ব পাৰি যে বন্ধকী প্রথা প্রধানকৈ অর্থনৈতিক আৰু সামাজিক কুনীতিৰে পৰণিতি।

'প্রব্রজনকাৰী শ্রমিক (Migrant worker or labour) হ'ল এনে এক ব্যক্তি যিয়ে কামৰ সন্ধানত নিজ জন্ম ঠাইৰা নিজ দেশৰ বাহিৰলৈ প্রব্রজন কৰে। প্রব্রজনকাৰী শ্রমিকে সাধাৰণতে নিজে কাম কৰি থকা দেশখনত বা অঞ্চলটোত দীর্ঘদিনৰ বাবে স্থায়ীভাৱে থাকিব নিবিচাৰে। প্রব্রজনকাৰী শ্রমিকসকল সাধাৰণতে সাময়িকভাৱে সংস্থাপিত হয় আৰু তেওঁলোকে দক্ষতাহীন থাকে আৰু এখন ঠাইৰ পৰা অন্য এখন ঠাইলৈ অস্থায়ীভাৱে নিজৰ শ্রম বিক্রীৰ বিনিময়ত অহা যোৱা কৰে। ভাৰতবর্ষত প্রায় ১২ কোটি লোক গাঁও অঞ্চলৰ পৰা চহৰ অঞ্চললৈ, ইয়াৰ কাৰখানা আৰু উদ্যোগলৈ প্রব্রজন কৰে। ধাৰাবাহিক অনাবৃষ্টি, বানপানী বা ভূমি অনুপাতে উচ্চহাৰৰ জনসংখ্যাৰ হেঁচা আদিৰ পৰা হাত সাৰিবলৈ মানুহে প্রব্রজন কৰাটো জৰুৰী হৈ পৰে। সমাধানহীন সামাজিক আৰু ৰাজনৈতিক সংঘর্ষইও উচ্চহাৰৰ প্রব্রজন সংঘটিত কৰা দৰিদ্রতা, স্থানীয় বিকল্প সুবিধাৰ অভাৱ আদিয়ে গাঁৱৰ পৰা চহৰলৈ প্রব্রজনৰ বাবে উৎসাহিত কৰে।

ভাৰতবর্ষত প্রধানকৈ বিহাৰ, উত্তৰ প্রদেশ, উৰিষ্যা, মধ্যপ্রদেশ, ৰাজস্থান আৰু শেহতীয়াকৈ উত্তৰ-পূর্বাঞ্চলৰ লোকসকল ভাৰতৰ অন্য অঞ্চললৈ প্রব্রজনকাৰী শ্রমিক হিচাপে প্রব্রজন কৰিছে। এই প্রব্রজনকাৰীসকলে নির্মাণ খণ্ড, ঘৰুৱা কার্য, কাপোৰ কাৰখানা, ইটাৰ ভাটা, পৰিবহন, খনি আৰু শিলৰ কুৰাৰী, কৃষি আদিত আত্মনিয়োগ কৰিছে। এই প্রব্রজনকাৰী শ্রমিকসকলেই ভাৰতৰ অ-সংগঠিত (Unoriginal) শ্রমিক শ্রেণীৰ ডাঙৰ অংশ এটা গঠন কৰিছে। এই অসংগঠিত আৰু অ-প্রশিক্ষীত শ্রমিকসকলৰ আটাইতকৈ ডাঙৰ অসুবিধা হ'ল যে এওঁলোক প্রায়েই প্রশিক্ষণৰ পৰা বঞ্চিত হৈ থাকে। প্রয়োজনীয় খবৰ বা জ্ঞানৰ উপৰিও এওঁলোকৰ নিজৰ শ্রমৰ ওপৰত কোনো বিপণন শক্তি (bargaining) নাথাকে। যাৰ ফলত এই শ্রমিকসকলে নিম্নমানৰ অস্বাস্থ্যকৰ, হুলস্থুলীয়া আৰু নিৰাপত্তাহীন পৰিৱেশত কাম কৰিবলৈ বাধ্য হয়। ৰাষ্ট্রীয় অর্থনীতিলৈ প্রব্রজনকাৰী শ্রমিকসকলৰ অৱদান বিশেষ গুৰুত্ব দিয়া নহয় যদিও ই আচলতে দেশৰ অর্থনীতিত গুৰুত্বপূর্ণ বৰঙণি যোগায়। সেয়েহে এই শ্রমিক শ্রেণীৰ সামাজিক নিৰাপত্তাৰ অতীৱ প্রয়োজন আৰু তাৰ বাবে বিশেষ আইন প্রণয়নৰও প্রয়োজন আছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ এখন দেশৰ ৰাজনৈতিক সীমাৰ ভিতৰত থকা ভূখণ্ডৰ ওপৰত কাৰ অধিকাৰ থাকে?

প্রশ্ন নং ২ ঃ জমিদাৰসকল কোন আছিল?

প্রশ্ন নং ৩ ঃ ভাৰতবর্ষত বৃটিছ শাসকসকলে জমিদাৰী প্রথাৰ আৰম্ভণি কৰাৰ মূল উদ্দেশ্য কি আছিল ?

প্রশ্ন নং ৪ ঃ কৃষি উন্নয়ন কমিটি (Agraraian Reforms Committee) প্রধানকৈ কি কি পৰামর্শ আগবঢ়াইছিল।

প্রশ্ন নং ৫ ঃ ভূমি স্বত্ব ব্যৱস্থাত চিলিং বা উচ্চতম সীমা আইন মানে কি বুজা যায় ?

প্রশ্ন নং ৬ ঃ ভূমি অধিকাৰৰ একত্রীকৰণ (consolidation) মানে কি বুজা যায় ?

প্রশ্ন নং ৭ ঃবন্ধকী শ্রমিক আৰু প্রব্রজনকাৰী শ্রমিকৰ সংজ্ঞা দিয়ক।

৪.৭ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

- ৭০% বেছি গ্রাম্যলোক প্রত্যক্ষভাবে কৃষিৰ ওপৰত নির্ভৰশীল আৰু দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ কৃষিয়ে ১/৩ ভাগ অধিকাৰ কৰি আছে।
- মোগল শাসনৰ সময়ৰ পৰাই মোগল শাসকসকলৰ কাৰণে ভূমি ৰাজহ আয়ৰ এক প্রধান অংশ আছিল আৰু ই কেইবা শতিকা ধৰি অপৰিৱর্তিত আছিল।
- ভূমিৰ পট্টা (tenure) ই চৰকাৰ আৰু ব্যক্তিৰ মাজত থকা ভূমি সম্বন্ধকে বুজায় ।
- ১৭৯৩ চনত লর্ড কর্ণৱালিছে বেংগলত জমিদাৰী প্রথাৰ আ�ৰম্ভণি কৰিছিল।
- মহলবাৰী পদ্ধতিত গাঁৱৰ কৃষিভূমি গাঁওবাসীয়ে সমূহীয়াভাৱে অধিকাৰ কৰে।
- ৰায়তৰী পদ্ধতিত চৰকাৰ আৰু ৰায়ত বা পট্টাদাৰী (tenant)ৰ মাজত প্রত্যক্ষ সম্বন্ধ থাকে। ৰায়তে ভূমি ৰাজহ চৰকাৰৰ ওচৰত প্রত্যক্ষভাৱে প্রদান কৰে আৰু এই ব্যৱস্থাত কোনো মধ্যৱর্তী সংস্থা বা ব্যক্তি নাথাকে।
- স্বাধীনতাৰ পিছত জে চি কমাৰাপ্পাৰ অধ্যক্ষতাত কৃষি সংস্কাৰ (reform) কমিটি গঠন কৰা হয় ।
- মধ্যৱর্তী সংস্থা বিলোপকৰণৰ ফলত প্রায় ২০ লাখ কৃষকক চৰকাৰৰ সৈতে প্রত্যক্ষভাৱে সম্বন্ধিত কৰিব পৰা যায়। ইয়াৰ ফলত গাঁও অঞ্চলত কৰ বা ৰাজহ আয়ৰ পৰিমাণ বৃদ্ধি পায়।
- পৰিকল্পনা আয়োগৰ পৰামর্শৰ ওপৰত ভিত্তি কৰি ৰাজ্য চৰকাৰসমূহে কৰ সম্পর্কীয় আইন, পট্টাদাৰীৰ নিৰাপত্তামূলক আইন, ভূমি স্বত্ব সম্বন্ধীয় আইন আদি গ্রহণ কৰে।
- ক্ষুদ্র উদ্যোগসমূহে সম্পদৰ ব্যৱহাৰৰ ক্ষেত্রত অর্থনৈতিক দক্ষতা বৃদ্ধিৰ বাবে চেষ্টা কৰে আৰু কর্মসংস্থান সৃষ্টি আৰু আয়ৰ অধিক সমতাপূর্ণ বিতৰণৰ দ্বাৰা সামাজিক সমতাৰ উন্নয়নৰ বাবে ব্যৱস্থা লয়।
- ১৯৫২ চনত ভূদান আন্দোলন আৰম্ভ কৰা হয় আৰু ১৯৫৭ চনত গ্রামদান আন্দোলন আৰম্ভ কৰা হৈছিল।
- ভূদান আন্দোলনৰ জৰিয়তে লাভ কৰা ৪২.৬ লাখ একৰ ভূমিৰ ১৭.৩ লাখতকৈ বেছি ভূমিয়ে খেতিৰ খেতিৰ বাবে অনুপযোগী।
- ১৯৬৭ পৰা ১৯৭৮ চনলৈ এই কালছোৱা ভাৰতীয় কৃষিজগতত 'সেউজ বিপ্লৱ'ৰ কাল
- ভাৰতৰ সেউজ বিপ্লৱ কার্যসূচীত জীন বিশেষজ্ঞ এম, গ্রন্থ, স্বামীনাথনৰ বিশেষ অৰিহণা আছে।
- ভাৰতীয় সংবিধানৰ ২৩ দশকত 'শ্রমিক জোৰপূর্বক সৰবাৰহ', আদি জোৰপূর্বক শ্রমদানৰ প্রচলনৰ সুযোগ বন্ধ কৰা হৈছে।
- বিহাৰ, উৰিষা, মধ্যপ্রদেশ, ৰাজস্থান আৰু শেহতীয়াভাৱে উত্তৰ পূর্বাঞ্চলৰ ভাৰতৰ প্রব্রজনকাৰী শ্রমিকৰ সোত দেশৰ অন্য অঞ্চল বা ৰাজ্যলৈ বয় আৰু দেশৰ উদ্যোগীক খণ্ডত এই প্রব্রজনকাৰী লোকসকল ঘাইকৈ সংস্থাপিত হয়।

৪.৮ অধিক জানিবলৈ

১) Haque. T & Sirohi. A.S, (1985) "Agrarian Reforms and Institutional Changes in India", Concept Publishing Company, New Delhi.

2) Datt, G & Mahajan, A (2013) "Indian Economy", S. Chand & Company Pvt. Ltd, New Delhi.

৪.৯ অগ্রগতিৰ খতিয়ান

প্রশ্ন ১ ৰ উত্তৰ ঃ এখন দেশৰ ৰাজনৈতিক সীমাৰ ভিতৰৰ ভূ-খণ্ডৰ স্বত্তাধিকাৰী হ'ল দেশৰ চৰকাৰ। চৰকাৰে ব্যক্তি আৰু সম্প্রদায়ক ভূ-স্বত্তাধিতাৰীৰ অধিকাৰ প্রদান কৰে।

প্রশ্ন ২ ৰ উত্তৰ ঃ ৰাজ্য আৰু কৃষকৰ মাজত জমিদাৰসকল হ'ল মধ্যৱর্তী ব্যক্তি। বৃটিছ সাম্রাজ্যৰ কালছোৱাত জমিদাৰসকলে অপৰিসীম অধিকাৰ ভোগ কৰিছিল আৰু কৃষকসকলক শোষণৰ দ্বাৰা জর্জৰিত কৰি তুলিছিল। ইয়াৰ দ্বাৰা বৃটিছ শাসকসকলৰ লগতে জমিদাৰও অধিক ৰাজহৰ দ্বাৰা লাভান্বিত হৈছিল।

প্রশ্ন ৩ ৰ উত্তৰ ঃ বৃটিছসকলে জমিদাৰী গ্রহণৰ জৰিয়তে দুই ধৰণে লাভান্বিত হৈছিল। প্রথমতে, জমিদাৰসকলৰ জৰিয়তে কৃষকসকলৰ পৰা সহজতে ভুমি ৰাজহ আদায় কৰিছিল। দ্বিতীয়তে, এই প্রথাৰ জৰিয়তে বৃটিছ শাসনৰ অনুগত এচাম লোকৰ সৃষ্টি হৈছিল।

প্রশ্ন ৪ ৰ উত্তৰ ঃ কৃষি উন্নয়ন কমিটিয়ে ৰাজ্য আৰু কৃষকৰ মাজত থকা সকলোধৰণৰ মধ্যৱর্তী সংস্থাৰে বিলোপসাধন কৰিবলৈ পৰামর্শ দিয়ে। এক নির্দিষ্ট নিয়ম বা চুক্তিৰ অধীনত ভুমিস্বত্ব কৃষকে লাভ কৰাৰ ওপৰত কমিটিয়ে জোৰ দিয়ে। ৰাজ্যিক বিধানমণ্ডলে জমিদাৰী প্রথাৰ বিলোপকৰণৰ বাবে বিধি বলবৎ কৰে। ভূমিস্বত্ব আইনক শোষণমুক্ত কৰাৰ বাবেও বিধি প্রণয়ন কৰা হয়।

প্রশ্ন ৫ ৰ উত্তৰ ঃ চিলিং বা ভূমিস্বত্বৰ উচ্চতম সীমা নির্ধাৰণ বুলিলে এজন ব্যক্তি বা এটা পৰিয়ালে অধিগ্রহণ কৰিব পৰা সর্বোচ্চ ভূমিৰ সীমাকে বুজায়।

প্রশ্ন ৬ ৰ উত্তৰ ঃ অধিগৃহীত ভূমিৰ একত্রীকৰণ বুলিলে বিচ্ছিন্ন ভূমি খণ্ডসমূহৰ একত্রীকৰণ আৰু পুর্নবিতৰণকে বুজা যায়। এই ব্যৱস্থাৰ দ্বাৰা এজন কৃষকৰ সকলোখিনি খণ্ডিত ভুমিকে এক নির্দিষ্ট খণ্ডৰ বিতৰত চামিল কৰিব পাৰে।

প্রশ্ন ৭ ৰ উত্তৰ ঃ ৰাষ্ট্রীয় শ্রমিক আয়োগৰ মতে 'বন্ধিত শ্রমিকৰ সংজ্ঞা হ'ল— 'এক নির্দিষ্ট সময়ৰ বাবে ঋণদাতাৰ ওচৰত নিজৰ শ্রম বন্ধকত ৰখা সকলেই হ'ল বন্ধিত শ্রমিক। এজন প্রব্রজনকাৰী শ্রমিক বা কর্ম হ'ল এজন ব্যক্তি যিয়ে কামৰ সন্ধানত নিজ দেশৰ ভিতৰত বা অন্যদেশলৈ প্রব্রজন কৰে যদিও সেই দেশ বা অঞ্চলত স্থায়ীভাৱে বসবাস কৰাৰ অভিপ্রায় নাথাকে।

৪.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ভূমি সংস্কাৰৰ সংজ্ঞা কি? ভাতৰ ভূমি সংস্কাৰৰ মুখ্য উদ্দেশ্যসমূহ বর্ণনা কৰক।

প্রশ্ন ২ ঃ ভূদান আৰু শ্রমদান আন্দোলনৰ ওপৰত চমুটোকা লিখক।

প্রশ্ন ৩ ঃ সেউজ বিপ্লৱ মানে কি বুজা যায় আৰু এই আন্দোলনৰ মুখ্য উদ্দেশ্যসমূহ বর্ণনা কৰক।

প্রশ্ন ৪ ঃবন্ধিত শ্রমিক মানে কি বুজা যায় আৰু বন্ধিত শ্রমিক কেনেকুৱা পৰিস্থিতিত সৃষ্টি হয়?

প্রশ্ন ৫ ঃ ভূমি স্বত্ব পদ্ধতি কি? ভাৰতবর্ষত ভূমি স্বত্ব পদ্ধতিৰ বিভিন্ন প্রকাৰসমূহৰ আলোচনা কৰক।

প্রশ্ন ৬ ঃ কৃষি সংস্কাৰ কমিটিৰ পৰামর্শৰ ওপৰত ভিত্তি কৰি ভাৰতবর্ষৰ চৰকাৰে কেনেকুৱা ভূমি সংস্কাৰ ব্যৱস্থা হাতত লৈছে? ব্যাখ্যা কৰক।

প্রশ্ন ৭ ঃ সেউজ বিপ্লৱ আন্দোলনৰ মুখ্য প্রভাৱসমূহ কি কি? ইয়াৰ যোগাত্মক দিশসমূহৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ গ্রাম্য অর্থনীতিৰ পৰিৱৰ্তনৰ ধাৰা

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ স্বাধীনতাৰ পিছত ভাৰতীয় গ্ৰাম্য অর্থনীতিৰ পৰিৱৰ্তন

- ৫.৩.১ কৃষিক্ষেত্ৰৰ পৰিৱৰ্তন
- ৫.৩.২ গাঁথনিমূলক পৰিৱৰ্তন
- ৫.৩.৩ জীৱিকাৰ্জনৰ পৰা বজাৰ অর্থনীতিলৈ পৰিৱৰ্তন
- ৫.৩.৪ অন্যান্য পৰিৱৰ্তন

৫.৪ পৰিৱৰ্তনৰ কাৰণ

- ৫.৪.১ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱ
- ৫.৪.২ উদ্যোগীকৰণৰ প্ৰভাৱ
- ৫.৪.৩ নগৰীকৰণৰ আৰু গ্ৰাম্য প্ৰব্ৰজনৰ প্ৰভাৱ
- ৫.৪.৪ মুক্তকৰণ আৰু গোলকীকৰণৰ প্ৰভাৱ
- ৫.৪.৫ গৌণ আৰু সেৱা খণ্ডৰ বিকাশ
- ৫.৪.৬ গ্ৰামাঞ্চলৰ দৰিদ্ৰতা নিবাৰণ

৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৬ অধিক জানিবলৈ

৫.৭ অগ্ৰগতিৰ খতিয়ান

৫.৮ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- স্বাধীনতাৰ পিছৰ ভাৰতীয় গ্ৰাম্য অর্থনীতিৰ পৰিৱৰ্তনসমূহ চিনাক্ত কৰিব পাৰিব,
- ভাৰতীয় অর্থনৈতিক পৰিৱৰ্তনৰ ক্ষেত্ৰত বিজ্ঞাপন, প্ৰযুক্তিবিদ্যা আৰু উদ্যোগীকৰণৰ প্ৰভাৱ বুজিব পাৰিব,
- গ্ৰাম্য অর্থনীতিত নগৰীকৰণ আৰু গ্ৰাম্য প্ৰব্ৰজনৰ প্ৰভাৱ বুজিব পাৰিব,
- গ্ৰাম্য অর্থনীতিত মুক্তকৰণ আৰু গোলকীকৰণৰ প্ৰভাৱ ব্যাখ্যা কৰিব পাৰিব,
- গ্ৰাম্য অর্থনীতিৰ ওপৰত গৌণ আৰু সেৱা খণ্ডৰ বিকাশৰ প্ৰভাৱ আলোচনা কৰিব পাৰিব।

৫.২ পৰিচয়

ভাৰতবৰ্ষৰ গ্ৰাম্য অর্থনীতিৰ লগতে সমগ্ৰ দেশৰ অর্থনীতিৰ বাবে কৃষি মেৰুদণ্ড স্বৰূপ। আজি কিছু বছৰৰ পৰা উদ্যোগীকৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা সত্ত্বেও কৃষিয়ে দেশৰ অর্থনীতিত এতিয়াও প্ৰশংসাৰ স্থান

দখল কৰি আছে। স্বাধীনতাৰ পিছত, ভাৰতবৰ্ষই কৃষিৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিবলৈ লয়। ফলস্বৰূপে, এই কৃষি ক্ষেত্ৰ আজি কিছুবছৰৰ পৰা বৃদ্ধি পাবলৈ ধৰিছে। ভাৰতবৰ্ষৰ স্বাধীনতাৰ ঠিক পিচতেই আমাৰ আঁচনি প্ৰস্তুতকৰ্তাসকলে কৃষি ক্ষেত্ৰৰ পুনৰ্জীৱিত কৰাৰ কাৰণে দুই ধৰণৰ পদ্ধতি গ্ৰহণ কৰে। এই পদ্ধতিৰ প্ৰথম উপাদানটো হ'ল ভূমিৰ সংস্কাৰ/সংশোধনকৰণ। ইয়াৰ দ্বাৰা ভূমি ক্ষেত্ৰৰ আনুষ্ঠানিক সমস্যা দূৰীকৰণৰ কাৰণে চেষ্টা কৰা হৈছিল (যিবোৰ সমস্যা বৃটিছ শাসনৰ সময়ৰ ভূমি ব্যৱস্থাৰ দ্বাৰা ভাৰতবৰ্ষৰ লোকে সম্মুখীন হ'বলগীয়া হৈছিল)। দ্বিতীয়তে, ভাৰতবৰ্ষৰ কৃষিগত প্ৰযুক্তিবিদ্যাসমূহ আধুনিক যুগৰ লগত খাপ খোৱাব পৰাকৈ উন্নতকৰণৰ কাৰণে জলসিঞ্চন আৰু আন আন্তঃগাঁথনিসমূহৰ ওপৰত বৃহৎ পৰিমাণে বিনিয়োগ কৰা। এই ভূমি সংশোধনৰ প্ৰভাৱ আৰু আন আন উপাদানসমূহ পৰিৱৰ্তনৰ কাৰকৰ লগত আলোচনা কৰিম। বৰ্তমান আমি কৃষিৰ বৃদ্ধি সম্পৰ্কে আলোচনা কৰিবলৈ লৈছো।

৫.৩ স্বাধীনতাৰ পিছত ভাৰতবৰ্ষৰ গ্ৰাম্য অৰ্থনীতিৰ পৰিৱৰ্তন

বৰ্তমান ভাৰতবৰ্ষ কেৱল শস্য উৎপাদনতে আত্মনিৰ্ভৰশীল নহয়, ইয়াৰ কিছু পৰিমাণে সংৰক্ষণ কৰিবলৈও সক্ষম হৈছে। যোৱা চাৰিটা দশকৰ ভাৰতবৰ্ষৰ কৃষি ক্ষেত্ৰৰ উন্নতি সাধন স্বাধীন ভাৰতৰ বাবে এক ডাঙৰ সাফল্য। ভাৰতবৰ্ষৰ মুঠ দেশীয় উৎপাদনৰ (Gross Domestic Product) এক বৃহৎ অংশ, প্ৰায় ৩০ শতাংশ কৃষি আৰু ইয়াৰ সংলগ্ন কাৰ্যাৱলীৰ পৰা আহৰণ কৰা হয়। দেশৰ দুই-তৃতীয়াংশ কৰ্মত নিয়োজিত ব্যক্তিৰ বাবে কৃষিয়েই জীৱিকাৰ মূল উপাদান।

৫.৩.১ কৃষিক্ষেত্ৰৰ পৰিৱৰ্তন (Changes in Agriculture)

ভাৰতবৰ্ষৰ কৃষি সমাজখনক যিমান দূৰলৈ জনা যায়, তেওঁলোকে পৰম্পৰাগত কৃষি পদ্ধতিৰ ওপৰতেই নিৰ্ভৰশীল আছিল। আমাৰ দেশৰ খেতিয়কে হাল বাবলৈ গৰুৰ ব্যৱহাৰ কৰিছিল, কেতিয়াও ৰাসায়নিক দ্ৰব্য, উন্নতমানৰ সাৰ তথা কীটনাশক দ্ৰব্য আদি ব্যৱহাৰ কৰা নাছিল। সেয়েহে বজাৰত উলিয়াই দিব পৰাকৈ তেওঁলোকৰ কৃষিভূমিৰ পৰা অধিক উৎপাদন হোৱা নাছিল। কিন্তু, আধুনিক প্ৰযুক্তিবিদ্যাৰ আৰম্ভণিয়ে কৃষি প্ৰক্ৰিয়াৰ ক্ষেত্ৰত বহুত পৰিবৰ্তন আনিবলৈ সক্ষম হৈছে।

গ্ৰামাঞ্চলৰ খেতিয়কসকলৰ মাজত আধুনিক প্ৰযুক্তিবিদ্যাৰ পৰিচয়ে তেওঁলোকক উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হোৱাত বহুতো সহায় আগবঢ়াই। উন্নত ধৰণৰ মাটি চহোৱা সঁজুলি, অধিক উৎপাদনক্ষম বীজ, ৰাসায়নিক দ্ৰব্য, ৰাসায়নিক

সাৰ, ট্ৰেক্টৰ, টিলাৰ সাৰ চতিওবা যন্ত্ৰ আৰু আন বহুতো সা-সঁজুলি উন্নত প্ৰযুক্তিবিদ্যাৰ অবদান স্বৰূপে খেতিয়ক সমাজৰ মাজত পৰিচয় কৰা হয়।

- **শস্য ঃ** ১৯৭০ চনত ঘেঁহুৰ ক্ষেত্ৰত হোৱা বহুগুণ সম্পন্ন উৎপাদনে সেউজ বিপ্লৱৰ আৰম্ভণি সূচায়। ইয়াৰ পিছৰ বছৰত ধান উৎপাদনৰ পৰিমাণ উল্লেখনীয় আছিল; ১৯৯৫-৯৬ চনত ধান উৎপাদনৰ পৰিমাণ ৭৯.৬ টন আছিল। ১৯৯৪-৯৫ চনত মুঠ শস্য উৎপাদনৰ পৰিমাণে ১৯৫০-৫১ চনৰ ৫১ মিলিয়ন টনৰ পৰা বৃদ্ধি হৈ ১৯১ মিলিয়ন টনলৈ বৃদ্ধি পায়। ৭ৰ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময় হোৱাত মুঠ শস্য উৎপাদনৰ পৰিমাণ ১৫৫ মিলিয়ন টন হয়গৈ।

খেতিয়কসকললৈ উন্নত প্রযুক্তিবিদ্যা সৰবৰাহ ৰ কাৰণে ১৯৮৬ চনত ১৩ খন ৰাজ্য সামৰি এখন ৰাষ্ট্রীয় মাহ উন্নয়ন আঁচনি (National Pulse Development Programme) ৰূপায়ণ কৰা হয়। ১৯৯৫-৯৬ চনত মাহজাতীয় শস্যৰ উৎপাদন আছিল ১৩২ মিলিয়ন টন। কুঁহিয়াৰ খেতিৰ উৎপাদনো ঊর্ধ্বতম পর্যায় পায়গৈ। ১৯৯৫-৯৬ চনত ইয়াৰ পৰিমাণ ২৮৩.০ মিলিয়ন টনলৈ বৃদ্ধি হয়।

- **জলসিঞ্চন ঃ** দেশৰ জলসিঞ্চন ব্যৱস্থাৰ ক্ষমতা বৃদ্ধিৰ কাৰণে বহুতো প্রচেষ্টা হাতত লৈ অহা হৈছে। খোৱা ৪০টা বছৰত দেখা গৈছে যে মুঠ জলসিঞ্চন ব্যৱস্থাই ৮ মিলিয়ন হেক্টৰ কৃষি ভূমিক সামৰি লৈছে। বানপানীৰ পূর্ব অনুমান কৰিব পৰাটো এই নিশত এক আবশ্যকীয় কার্য। ৫০০ হাইড্র'লজিকেল ষ্টেচনে সমল সংগ্রহ কৰি ৪০০ ৰাইৰলেচৰ জৰিয়তে ১৫৭ খন স্থানলৈ পঠিয়াই। বছৰত প্রায় ৫০০০ পূর্বানুমান কৰি ৯৪ শতাংশ পর্যায়লৈ শুদ্ধতা পোৱা যায়। আমাৰ দেশে জল সম্পদৰ উন্নয়নৰ কাৰণে বিশ্ববেংকৰ পৰা আন্তর্জাতিক সহায়ও লাভ কৰে। পানী আৰু শক্তিৰ ৰাষ্ট্রীয় কেন্দ্র (National Center for Information on Water and Power) স্থাপনৰ কাৰণে সহযোগীতাও লাভ কৰে।
- **সাৰ উৎপাদন ঃ** যোৱা ৩০ বছৰত ভাৰতবর্ষত সাৰ উদ্যোগ অতি প্রথৰতাৰে গঢ় লৈ উঠে। এই সাৰসমূহ অতি ভিতৰুৱা আৰু পাহাৰাঞ্চলৰ কৃষকসকলেও যাতে লাভ কৰে তাৰ ওপৰত চৰকাৰে গুৰুত্ব প্রদান কৰে। ফচফেটিক আৰু পটাচিক সাৰসমূহৰ মূল্য হ্রাসকৰণ আৰু বিতৰণৰ ওপৰতো গুৰুত্ব দিয়া হয়। অ-ৰাসায়নিক সাৰসমূহ যাতে এক নির্ধাৰিত মূল্যত লাভ কৰিব পাৰে তাৰ ওপৰতও গুৰুত্ব প্রদান কৰে। দেশত প্রায় ৫৩টা সাৰৰ গুণাগুণ নির্ধাৰণ কৰা পৰীক্ষাগাৰ আছে। জৈব-সাৰক বেছি ফলপ্রসূ, সস্তা তথা ৰাসায়নিক সাৰলৈ ওপৰঞ্চি উপাদান বুলি গ্রহণ কৰি অহা হৈছে। সেয়ে চৰকাৰে জৈৱ-সাৰৰ ব্যৱহাৰ তথা উন্নয়নৰ কাৰণে ৰাষ্ট্রীয় প্রকল্পৰ প্রয়োগ কৰিছে। এই আঁচনিৰ অধীনত জৈৱ সাৰৰ গুণাগুণ পৰীক্ষা, প্রশিক্ষণ তথা প্রদর্শন কৰিবলৈ ১টা ৰাষ্ট্রীয় আৰু ৬টা আঞ্চলিক কেন্দ্র স্থাপন কৰিছে।
- **মীনক্ষেত্র ঃ** ১৯৯৫-৯৬ চনৰ শেষলৈ মীন উৎপাদন ৪.৯ নিযুত চনলৈ বৃদ্ধি হয়। ৰাষ্ট্রীয় মাছৰ বীজ উন্নয়ন কার্যসূচী (National Programme of Developing Fish Seed), মৎস্য খেতিয়ক বিকাশ এজেন্সি (Fish Farmers Development Agency) আদি কার্যসূচীয়ে মীন উৎপাদনৰ শীর্ষলৈ নিয়াত সহায় কৰে। The Central Institute of Fisheries Nautical and Engineering Training কেন্দ্রয়ে প্রয়োজনীয় ব্যক্তিক এই দিশত প্রশিক্ষণ দিয়ে। মীন উৎপাদন পদ্ধতিৰ বিভিন্নতা আৰু ইয়াৰ তৈয়াৰী মীন উৎপাদনৰ অর্ধ-বাণিজ্যিক কেন্দ্র আৰম্ভ কৰিবলৈ এটা সংযুক্ত মীন প্রকল্প আৰম্ভ কৰিছিল। ৰাষ্ট্রীয় মীনক্ষেত্র পৰামর্শ ব'র্ড (National Fisheries Advisory Board) এখনো স্থাপন কৰা হয়।

৫.৩.২ গাঁথনিমূলক পৰিৱর্তন (Structural Changes)

ভাৰতৰ কৃষিক্ষেত্রত বিভিন্ন সময়ত গাঁথনিমূলক পৰিৱর্তন হোৱা দেখা গৈছে। প্রাক্ ঔপনিৱেশিক কালৰ পৰা ঔপনিৱেশিক আৰু স্বাধীনতাৰ পিছতো বহুতো গাঁথনিমূলক পৰিৱর্তন হৈছে। প্রাক্ ঔপনিৱেশিক কালছোৱাত কৃষিভিত্তিক জাতি বা প্রকৃত কৃষকসকল পোনপটীয়াভাৱে ভূমিৰ মালিক হোৱা নাছিল। এওঁলোকক বাদ দি শাসক শ্রেণী বা জমিদাৰসকলে ভূমিৰ ওপৰত শাসন কৰিছিল। যিবোৰ কৃষক বা খেতিয়কে সেই ভূমিত খেতি কৰিছিল, তেওঁলোকে উৎপাদনৰ এক নির্দিষ্ট অংশ সেই ভূমিৰ জমিদাৰসকলক দিব লাগিছিল। যেতিয়া ব্রিটিছসকলে ভাৰতবর্ষত

উপনিবেশ স্থাপন কৰিলে; তেতিয়া এই জমিদাৰসকলৰ দ্বাৰাই দেশৰ বহুতো স্থানত শাসন চলাইছিল। ইয়াৰ বাবে শাসক শ্রেণীয়ে জমিদাৰসকলক সম্পত্তিৰ অধিকাৰো প্রদান কৰিছিল। ব্রিটিছ শাসনৰ সময়ত এই জমিদাৰসকলে আগৰ তুলনাত অধিক ৰূপত ভূমি নিয়ন্ত্রণ কৰিছিল। যিহেতু এই ঔপনিবেশিকসকলে কৃষিৰ ওপৰত বহুত বেছি ভূমি খাজনা প্রদান কৰিছিল আৰু ইয়াৰ ফলস্বৰূপে জমিদাৰসকলে যিমান পাৰে সিমান উৎপাদন বা টকা কৃষকসকলৰ পৰা অধিগ্রহণ কৰিছিল। ফলত কৃষি উৎপাদন অৱনমিত হ'বলৈ ধৰে ব্রিটিছ শাসনত।

ব্রিটিছ প্রশাসনে জমিদাৰী পদ্ধতিৰ দৰে আন কেইটামান মাটিৰ খাজনা পদ্ধতিৰ সূচনা কৰিছিল। সেই কেইটা হ'ল মহলৱাৰী পদ্ধতি আৰু ৰায়তৱাৰী পদ্ধতি। এই পদ্ধতি দুটাত কিছুমান সালসলনি কৰা হৈছিল। কিন্তু সালসলনি কৰিলেও প্রকৃত উদ্দেশ্য আগৰ দৰেই আছিল অর্থাৎ বেছি উৎপাদনতকৈ অধিক খাজনা সংগ্রহৰ ওপৰত অধিক গুৰুত্ব প্রদান কৰা হৈছিল। আওপকীয়াকৈ এই পদ্ধতিৰ দ্বাৰা ব্রিটিছসকলে খেতিয়ক শ্রেণীক শোষণ কৰিছিল। স্বাধীনতাৰ ঠিক পিছতেই, ভাৰত চৰকাৰে কৃষিৰ ক্ষেৱাত বিভিন্ন আঁচনি ৰূপায়ন কৰিছিল। ভাৰত চৰকাৰ আৰু বিভিন্ন ৰাজ্য চৰকাৰসমূহে পঞ্চবার্ষিক পৰিকল্পনাৰ ভিতৰত ভূমি সংশোধনৰ ক্ষেত্রত বহুতো প্রচেষ্টা হাতত লৈছিল। এই ভূমি সংশোধনে সমগ্র কৃষিক্ষেত্রতেই পৰিৱর্তন আনি দিয়ে। এই পৰিৱর্তনসমূহ তলত উল্লেখ কৰা হ'ল–

- স্বাধীনতাৰ পিছত, ভালেসংখ্যক খাজনাধাৰী অর্থাৎ কৃষকসকলে তেওঁলোকৰ খেতি মাটিৰ মালিকিস্বত্ব লাভ কৰে।
- বর্তমান তেওঁলোকৰ অধিকাৰ আগৰ তুলনাত বেছি।
- ব্রিটিছ শাসনকালত প্রৱর্তিত জমিদাৰী, ৰায়ত্রী আৰু মহলৱাৰী— এই তিনি প্রকাৰৰ শোষণ পদ্ধতি এতিয়া অপসাৰিত কৰা হয়। এইদৰে আমাৰ কৃষি পদ্ধতিত মধ্যস্থতাকাৰীৰ কোনোধৰণৰ স্থান নাই।
- বেছিভাগ ৰাজ্যই খেতিয়কসকলৰ মাজত ভূমিৰ ঊর্ধতম সীমা নির্ধাৰণ কৰি দিছে। যাতে ইয়াৰ দ্বাৰা সমাজত সামাজিক ন্যায় স্থাপন কৰিব পৰা যায়।
- ভূমি সংশোধন নীতিৰ দ্বাৰা কৃষকসকলৰ ভূমিৰ বাবে দিবলগীয়া খাজনাৰ নিয়মিতকৰণ কৰা হৈছে।
- ভাৰতবর্ষৰ কৃষিৰ সৈতে জড়িত অনুপস্থিত ভূমি মালিকীস্বত্বক প্রায় ওফৰাই দিয়া হৈছে।

জানি থোৱা ভাল

ভূমি সংস্কাৰ হ'ল চৰকাৰে সূচনা কৰা কেতবোৰ নীতিগত বা আইনগত উপায় অথবা সংস্কাৰ যাৰ সহায়ত ভূমি অধিকাৰ ব্যৱস্থাত পৰিৱর্তন আনিবলৈ ব্যৱহাৰ কৰিছিল। ইয়াৰ দ্বাৰা পূর্বৰ খাজনাগত সমস্যাসমূহ, ভূমি অধিগ্রহণৰ পৰিমাণ বৃদ্ধি কৰা, আৰু কৃষি ক্ষেত্রৰ উন্নতি সাধনৰ চেষ্টা কৰিছিল।

৫.৩.৩ জীৱিকার্জনৰ পৰা বজাৰ অর্থনীতিলৈ পৰিৱর্তন (Transformation from Subsistance to Market Economy)

এ, আৰ, দেশাইৰ মতে জীৱিকার্জনৰ পৰা বজাৰ অর্থনীতিলৈ পৰিৱর্তন বা ৰূপান্তৰ ভাৰতবর্ষৰ গ্রাম্য সমাজৰ এটা গুৰুত্বপূর্ণ পৰিৱর্তন। ইতিহাসে কয়, গ্রাম্য অর্থনীতিয়ে জীৱিকা উপার্জনৰ অর্থনীতি ৰূপে পৰিগণিত হৈ আহিছে। বর্তমান নগৰীকৰণ আৰু আধুনিকীকৰণৰ ফলস্বৰূপে এই গ্রাম্য অর্থনীতি বজাৰ সদৃশ অর্থনীতিলৈ ৰূপান্তৰিত হ'বলৈ ধৰিছে। ইয়াৰ অর্থ এয়া নহয় যে অতীজত অর্থাৎ জীৱিকা উপার্জনৰ অর্থনীতিত কোনোধৰণৰ

বজাৰ ব্যৱস্থা নাছিল। কিন্তু এই বজাৰসমূহ অনুন্নত হোৱাৰ লগতে কেৱল মাত্ৰ প্ৰাথমিক কাৰ্যাৱলীহে সম্পাদন কৰিছিল। যেনে— গাঁৱৰ সকলো লোকলৈ বা কেতিয়াবা চুবুৰীয়া গাঁওলৈ বস্তুৰ যোগান ধৰা। এই ব্যৱস্থাই গাঁৱৰ লোকৰ মাজত বজাৰত বিক্ৰীৰ উদ্দেশ্যে বস্তু উৎপাদনত কেতিয়াও উৎসাহ যোগোৱা নাছিল। কিন্তু, বৰ্তমান আধুনিকীকৰণৰ প্ৰভাৱত গ্ৰামাঞ্চলৰ লোকে কেৱল তেওঁলোকৰ ভৰণ পোষণৰ বাবেই নহয় বজাৰত বিক্ৰীৰ উদ্দেশ্যেও উৎপাদন কৰে। এতিয়া বজাৰ ব্যৱস্থা অৰ্থনীতিৰ কেন্দ্ৰ স্বৰূপ হৈ পৰিছে। এই ভাবে ইয়াৰ প্ৰসাৰতাও বৃদ্ধি পাবলৈ ধৰিছে আৰু ই গ্ৰামাঞ্চলৰ লোকৰ মাজতো বিয়পি পৰিছে। গতিকে, আজি বহুত ভিতৰুৱা গাঁৱত বাস কৰা লোকৰ মাজতো বিভিন্ন ধৰণৰ জাতীয় আৰু আন্তৰ্জাতিক কোম্পানীৰ দ্বাৰা প্ৰস্তুত কৰা সামগ্ৰী যেনে— দাঁত চাফা কৰা মলম, পাউদাৰ, বিস্কুট, ঠাণ্ডা পানীয় ইত্যাদি সহজ লভ্য হৈ পৰিছে। তদুপৰি এই অঞ্চলসমূহত উৎপাদিত কেতবোৰ সামগ্ৰী যেনে— গাখীৰ, কণী, ফল-মূল, শাক-পাচলি ইত্যাদিসমূহ চহৰাঞ্চলৰ বজাৰ পাইছে।

৫.৩.৪ অন্যান্য পৰিৱর্তন (Other Changes)

- **গ্ৰাম্য নিয়োগ ব্যৱস্থা** (Rural Employment) ঃ স্বাধীনোত্তৰ কালত বিশেষকৈ ৯০ দশকৰ সময়ত (অথবা অৰ্থনীতিৰ মুক্তকৰণৰ পিছৰ সময়ত) সাধাৰণতে কৃষিৰ সৈতে জড়িত গ্ৰাম্য নিয়োগ ব্যৱস্থা প্ৰায় স্তব্ধ হৈ গৈছিল। ঔপনিৱেশিক সাম্ৰাজ্যৰ সময়ত ভাৰতীয় কৃষি ক্ষেত্ৰ ওপৰঞ্চি উৎপাদন আৰু টকা বিনিয়োগৰ ক্ষেত্ৰত প্ৰধান সমল আছিল। দেশৰ বাণিজ্য ব্যৱস্থাই দেশৰ সম্পদ ৰপ্তানিৰ ক্ষেত্ৰত 'শোষণ যন্ত্ৰ' হিচাপে সহায় কৰিছিল যদিও এই 'বাণিজ্য' শব্দটো গ্ৰাম্য লোকসকলৰ বাবে অসুবিধাজনক আছিল। ইয়াৰ ফলস্বৰূপে কৃষি আৰু অ-কৃষি খণ্ডৰ মাজত বৈষম্যতাই দেখা দিয়ে।

১৯৯০ চনত ভাৰতবৰ্ষৰ অৰ্থনীতিত মুক্তকৰণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। এই সময়ত ভাৰতৰ অৰ্থনীতিত অসামাঞ্জস্যতা দ্ৰুতভাৱে বৃদ্ধি পাবলৈ লয়। অৰ্থনীতিত গোলকীকৰণ আৰু গাঁথনিমূলক সংস্কাৰৰ উদ্ভাৱনৰ ফলত দেশত উদ্যোগ স্থাপনৰ প্ৰসাৰতা বৃদ্ধি পাবলৈ ধৰিলে। ভাৰতবৰ্ষৰ অৰ্থনীতিৰ উৎপাদনৰ স্তব্ধ কালছোৱাত ইয়াৰ উৎপাদন বৃদ্ধিৰ পৰিমাণ তেনেই মন্থৰ গতিৰ আছিল। তদুপৰি সেই সময়ত কৃষি ক্ষেত্ৰত আঞ্চলিক বিভিন্নতা অতি উচ্চ পৰিমাণৰ আছিল আৰু নিবনুৱা সমস্যাৰ বৃদ্ধিত সহায় কৰিছিল। ফলস্বৰূপে কৃষি তথা অ-কৃষি খণ্ডৰ ওপৰত প্ৰৱল হেঁচা পৰিবলৈ ধৰে যাৰ বাবে ভালেসংখ্যক শ্ৰমিকে সীমিত পৰিমাণৰ আয়ক ভগাই ল'বলগীয়া হৈছিল। গোলকীকৰণৰ প্ৰভাৱত বৃদ্ধি পোৱা অৰ্থনৈতিক অসামঞ্জস্যতাই গাঁৱৰ পৰা চহৰমুখী প্ৰব্ৰজন বৃদ্ধি কৰিবলৈ সক্ষম হৈছে আৰু এই প্ৰব্ৰজনে নিবনুৱা গাঁথনিৰ ওপৰতও প্ৰভাৱ বিস্তাৰ কৰিছে। অৰ্থনৈতিক ক্ষেত্ৰৰ কৃষি, উদ্যোগ আৰু সেৱা এই তিনিটা মূল খণ্ডৰ ভিতৰত মুঠ নিয়োগৰ পৰিমাণ কৃষি ক্ষেত্ৰত হ্ৰাস পাবলৈ ধৰিলে। আনহাতে উদ্যোগ আৰু সেৱা খণ্ডত ইয়াৰ পৰিমাণ বৃদ্ধি পাবলৈ লয়। ১৯৭৩ৰ পৰা ২০০০ চনলৈ কৃষিখণ্ডত এই পৰিমাণ ৭৪ৰ পৰা ৫৬ শতাংশলৈ হ্ৰাস পায়। আনহাতে ঔদ্যোগিক খণ্ডত এই পৰিমাণ ১১ৰ পৰা ১৭ তথা সেৱা খণ্ডত ১৪ৰ পৰা ২৫ শতাংশলৈ বৃদ্ধি পায়।

এইদৰে গ্ৰাম্য নিয়োগ ব্যৱস্থাৰ পৰিৱর্তন হয়। বৰ্তমান গ্ৰাম্য সমাজৰ লোকসকল কেৱল মাত্ৰ কৃষি খণ্ডতেই নহয় অৰ্থনীতিৰ আন খণ্ডসমূহতো নিয়োগ হৈ আছে। ভাৰত চৰকাৰে দৰিদ্ৰতা নিবাৰণৰ ক্ষেত্ৰত বিভিন্ন আঁচনি ৰূপায়ণ কৰিছে আৰু এইবোৰেও এই দিশত বহুত সহায় আগবঢ়াই।

- **গ্ৰাম্য দৰিদ্ৰতা** (Rural Poverty) ঃ জৱাহৰলাল নেহেৰুৰ মতে ভাৰতবৰ্ষৰ যিবোৰ ঠাই বহুদিনলৈ ব্ৰীটিছৰ অধীনত আছিল সেইবোৰ আজি আটাইতকৈ দুখীয়া ঠাই। সেই সময়ত ভাৰতীয় লোকসকল বিভিন্ন

ধৰণৰ কষ্টৰ সন্মুখীন হ'বলগীয়া হৈছিল। ভাৰতীয় লোকসকল তেতিয়া অধিক দুখীয়া আছিল। স্বাধীনতা লাভ কৰাৰ পিছত দেশৰ লোকসকলৰ বিভিন্ন ধৰণে উন্নতি হ'বলৈ ধৰিলে। বৰ্তমানও আমাৰ দেশৰ ভালেসংখ্যকলোক দৰিদ্রতাৰ সীমাৰেখাৰ তলত বসবাস কৰি আছে যদিও আজি কিছু বছৰৰ পৰা ইয়াৰ হাৰ ক্রমান্বয়ে হ্রাস পাবলৈ ধৰিছে। বিশ্ব বেংকে তৈয়াৰ কৰা ২০০৫ চনৰ পৰিসংখ্যা অনুযায়ী ভাৰতবর্ষৰ ৪৫৬ নিযুত লোকৰ ভিতৰত ৪১.৬ শতাংশ জনসংখ্যা নতুন আন্তর্জাতিক দৰিদ্রতা ৰেখাৰ তলত অর্থাৎ প্রতিদিনে ১.২৫ ডলাৰৰ তলত কাম কৰে। বিশ্ব বেংকে পুনৰ প্রকাশ কৰিছে যে বিশ্বৰ দৰিদ্র লোকৰ ৩৩ শতাংশ লোক ভাৰততে বাস কৰে।

আনহাতে, ভাৰতৰ পৰিকল্পনা আয়োগে নিজস্ব মানৰ ভিত্তিত তৈয়াৰ কৰা হিচাপ অনুযায়ী ২০০৪-২০০৫ বর্ষত ভাৰতৰ ২৭.৫ শতাংশ লোক দৰিদ্রতাৰ সীমা ৰেখাৰ তলত বাস কৰে। এই পৰিমাণ ১৯৭৭-৭৮ চনত ৫১.৩ শতাংশ আৰু ১৯৯৩-৯৪ চনত ৩৬ শতাংশলৈ হ্রাস পায়। NSS (National Sample Survey)ৰ পৰিসংখ্যা অনুযায়ী ২০০৪-০৫ বর্ষত ২৮.৩% গ্রাম্য লোক, ২৫.৭% চহৰীয়া আৰু ২৭.৫% ভাৰতবর্ষৰ মুঠ জনসংখ্যা দৰিদ্রতাৰ সীমাৰেখাৰ তলত বাস কৰে। গ্রাম্য দৰিদ্রতা ১৯৭৭-৭৮ চনৰ ৫১%ৰ পৰা ১৯৮৯-৯০ত ৩৪% আৰু ১৯৯৩-৯৪ চনত ৩২% লৈ হ্রাস পায়। এইদৰে গ্রাম্য দৰিদ্রতাৰ পৰিমাণ হ্রাস পায় কিন্তু বর্তমানেও ভাৰতৰ ৭৫ শতাংশ দৰিদ্র লোক গ্রামাঞ্চলত বাস কৰে আৰু তেওঁলোকৰ সৰহ সংখ্যকেই দিন হাজিৰা কৰা, স্ব-নিয়োজিত আৰু ভূমিহীন শ্রমিক।

৫.৪ পৰিৱর্তনৰ কাৰণ (CAUSES OR FACTORS OF CHANGE)

৫.৪.১ বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ প্রভাৱ (Impact of Science and Technology)

বিজ্ঞান আৰু প্রযুক্তিবিদ্যাই গ্রাম্য অর্থনীতিৰ পৰিৱর্তনত বিস্তৃতভাৱে প্রভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হয়। ওপৰত উল্লেখ কৰি অহাৰ দৰে কৃষক সমাজে কৃষিভূমিত মাটি চহাবলৈ উন্নত সা-সঁজুলি, অধিক উৎপাদনশীল বীজ, ৰাসায়নিক সাৰ আৰু আন আধুনিক সা-সঁজুলিৰ ব্যৱহাৰ কৰিবলৈ লয়। ফলস্বৰূপে আমাৰ কৃষিভূমিৰ উৎপাদন বৃদ্ধি পাবলৈ ধৰে। জলসিঞ্চনৰ ক্ষেত্রত বৃহৎ তথা ক্ষুদ্র নদীবান্ধ, পানী টেঙ্কৰ সুবিধা আদিয়ে সুফল কঢ়িয়াই আনে। বিভিন্ন সাৰৰ প্রয়োগে শস্যৰ উৎপাদন বৃদ্ধি কৰাৰ বিপৰীতে কীটনাশক দ্রব্যৰ প্রয়োগে শস্যক কীট-পতংগ তথা গছ-গছনিক বেমাৰ হোৱাৰ পৰা ৰক্ষা কৰে।

যদিও ভাৰতবর্ষ কৃষি প্রধান দেশ, ই গাখীৰৰ অভাৱত পৰিব লগীয়া হৈছিল। বর্তমান জন্তুৰ উচিত লালন-পালনৰ ফলত গাখীৰ উৎপাদন বৃদ্ধি পাইছে আৰু ফলস্বৰূপে ভাৰতে গাখীৰৰ উৎপাদিত সামগ্রী ৰপ্তানি কৰিবলৈ সক্ষম হৈছে।

৫.৪.২ উদ্যোগীকৰণৰ প্রভাৱ

আমি জানো যে উদ্যোগ বিপ্লৱে উৎপাদনৰ ক্ষেত্রত কল্পনাৰো অতীত পৰিৱর্তন সাধন কৰিছে। যন্ত্রৰ প্রচলনে উৎপাদনৰ ব্যৱস্থাত বিশিষ্টতা, শ্রমিক বিভাজন আদিৰ প্রচলন ঘটাইছে। সময় আৰু ব্যয় সাপেক্ষে উৎপাদন ব্যৱস্থাই অর্থনৈতিক সংৰচনালৈ পৰিৱর্তন আনিছে। উদ্যোগীকৰণে সেয়েহে অধিক উৎপাদনৰ অধিক সৃষ্টি কৰিছে। ভাৰতীয় অর্থনৈতিক ব্যৱস্থাতো উদ্যোগীকৰণৰ প্রসাৰে প্রভূত পৰিৱর্তন সাধন কৰিছে। অনা-কৃষি বৃত্তি, উদ্যোগিক

খণ্ডৰ শ্রমিকৰ সংখ্যা বৃদ্ধি, চহৰমুখী প্রব্রজন, কৃষিখণ্ডৰ বৈজ্ঞানিকীকৰণ আদিৰ প্রসাৰণ সম্ভৱ হৈছে উদ্যোগীকৰণৰ ফলত। এই পৰিৱর্তনসমূহে ভাৰতীয় অর্থনীতিলৈ এক নতুন পৰিৱেশ আনিছে। উদ্যোগীক প্রতিষ্ঠানসমূহ 'আধুনিক ভাৰতৰ মন্দিৰ' জ্ঞান কৰা হৈছিল আৰু বিত্তবার্ষিক পৰিকল্পনাৰ জৰিয়তে উদ্যোগসমূহৰ বিশাল হাৰৰ মূলধনৰ নিৰেশ কৰা হৈছিল। স্বাধীনতাৰ পশ্চাৎ কালছোৱাত, উদ্যোগীকৰণৰ বৃদ্ধিয়ে দেশৰ মুঠ ঘৰুৱা উৎপাদনলৈ বৰঙণি আগবঢ়োৱাৰ লগতে ব্যক্তিৰ বা নাগৰিকৰ বৃত্তিৰ সুবিধাৰো সুবিধাৰো সৃষ্টি কৰিছে। এই সকলোখিনিয়ে ভাৰতীয় গ্রাম্য অর্থনীতিত সুদূৰ প্রসাৰী পৰিৱর্তন সাধন কৰিছে।

৫.৪.৩ নগৰীকৰণ আৰু গ্রাম্য প্রব্রজনৰ প্রভাৱ

উদ্যোগীকৰণৰ বৃদ্ধিয়ে নগৰীকৰণ ব্যৱস্থাৰও প্রসাৰ ঘটাইছে। নগৰসমূহ উদ্যোগীকৰণৰ বাবে কেন্দ্রীয় স্থল হিচাপে পৰিগণিত হৈ আহিছে আৰু সেয়েহে এইবোৰত জীৱিকা-নির্বাহৰ বৃত্তি গ্রহণৰ বাবে গ্রাম্য অঞ্চলৰ ব্যক্তিসমূহক আকর্ষিত কৰি আহিছে। কৃষিখণ্ডৰ অনিশ্চিত আয়ৰ বাবে গাঁও অঞ্চলৰ কৃষিজীৱি লোকসকল বিকল্প আয় উপার্জনৰ বাবে চহৰ অঞ্চললৈ প্রব্রজিত হয়। উদ্যোগ বা কাৰখানাসমূহলৈ এনে লোকসকল গাঁও অঞ্চলৰপৰা বৃহৎ হাৰত প্রব্রজিত হয়। তদুপৰি শিক্ষা আৰু স্বাস্থ্যসেৱাৰ সুবিধাও গাঁওৰপৰা চহৰলৈ প্রব্রজনৰ এক মূল কাৰণ। গাঁওসমূহৰ সূক্ষ্ম পর্য্যৱেক্ষণৰ দ্বাৰা আমি গম পাওঁ কেনেৰে চহৰমুখী প্রব্রজনে গাঁওসমূহলৈ প্রভূত পৰিৱর্তন আনিছে। প্রতিখন গাঁৱতেই এই চহৰমুখী প্রব্রজন ঘটিছে। উদাহৰণস্বৰূপে, অসমৰ প্রতি গাঁওতেই এনেদৰে প্রব্রজিত ব্যক্তিয়ে চহৰত গৈ জীৱন নির্বাহৰ বাবে বাস কৰিব লৈছে। গ্রাম্য জীৱন নির্বাহৰ বাবে বাস কৰিব লৈছে। গ্রাম্য যুৱকসকেল ক্রমান্বয়ে কৃষিবৃত্তিৰ বাবে আগ্রহ হেৰুৱাই আহিছে আৰু ৰাজ্যৰ বাহিৰৰ উদ্যোগ বা কল-কাৰখানাত চাকৰি কৰাটো অধিক পচন্দ কৰিব লৈছে। শিক্ষিত যুৱকসকলৰ উপৰিও অর্ধ-শিক্ষিত বা অশিক্ষিত ব্যক্তিসকলেও জীৱিকা আর্জনৰ বাবে প্রব্রজিত হৈ আহিছে আৰু পহৰাদাৰৰ নিচিনা বৃত্তিত নিজকে নিয়োজিত কৰিছে। হায়দাবাদ, বেংগালুৰু আদিৰ দৰে ঠাইসমূহত অসমৰ এনে যুৱকসকলক বহুল হাৰত নিয়োজিত হোৱা দেখা যায়।

গ্রাম্য অর্থনীতিত ইয়ে বহুল পৰিৱর্তন সাধন কৰিছে। গ্রাম্য পৰিয়ালসমূহ এনেদৰে প্রব্রজিত যুৱকসকলৰ আয়ৰ দ্বাৰা শোষিত হৈ আহিছে। কৃষিৰ পৰা পোৱা আয়ৰ উপৰিও এনে বহিঃ আয়সমূহে পৰিয়ালৰ আয়লৈ বৰঙণি যোগাইছে। কৃষি খণ্ড ত্যাগ কৰি অন্য ঠাইত জীৱিকা নির্বাহৰ বাবে যুৱকসকলে নিজ অঞ্চল ত্যাগ কৰি আহিছে আৰু অনা কৃষিখণ্ডত বৃত্তিমুখী কার্যত নিয়োজিত হৈছে। ভাৰতীয় কৃষিখণ্ডত ইয়ে সুদূৰ প্রসাৰী পৰিৱর্তনৰ সূচনা কৰিছে আৰু কৃষিখণ্ডলৈ বৃহৎ প্রত্যাহ্বান আনিছে। ভাৰতীয় ঘৰুৱা উৎপাদনৰ অংশত সেয়েহে মধ্যম আৰু উদ্যোগ খণ্ডৰ বৰঙণি ক্রমাৎ বৃদ্ধি পাই আহিছে আৰু কৃষিখণ্ডৰ বৰঙণি ক্রমাৎ হ্রাস পাই আহিছে।

৫.৪.৪ মুক্তকৰণ আৰু গোলকীকৰণৰ প্রভাৱ (Impact of Liberalisation and Globalisation)

ভাৰতবর্ষৰ অর্থনীতিৰ মুক্তকৰণে ইয়াৰ কৃষি আৰু গ্রাম্য সমাজত বাৰুকৈ প্রভাৱ বিস্তাৰ কৰে। এই আঁচনিয়ে অর্থনীতিত বিশ্ব বাণিজ্যিক সংস্থা (World Trade Organization)ৰ অংশগ্রহণ নিশ্চিত কৰি তোলে। ইয়াৰ মূল লক্ষ্য আছিল আন্তর্জাতিক বাণিজ্যক অধিক মুক্ত কৰি তোলা আৰু ভাৰতীয় বজাৰক আমদানিৰ বাবে মুকলি কৰি দিয়া। কিছু বছৰৰ পিছত দেশে বজাৰ ব্যৱস্থাক সমর্থন তথা ৰক্ষণাবেক্ষণ দিয়ে আৰু ভাৰতীয় কৃষকসকলে বিশ্বৰ বজাৰত প্রতিযোগিতাত নিজকে প্রকাশ কৰিবলৈ সুবিধা পায়।

বর্তমান অর্থনীতিত কেতবোৰ বিশেষ দ্রব্য উৎপাদনৰ ক্ষেত্রত যেনে— ফুল উৎপাদন, কিছুমান ফল, যেনে আঙুৰ, ডিমৰু জাতীয় ফল, ডালিম, কপাহ আৰু তৈলবীজ আদি উৎপাদনত চুক্তিবদ্ধ কৃষিৰ (Contact farming) প্রচলন দেখা যায়। কেতিয়াবা ইয়াৰ বাবে কৃষক শ্রেণী আন কোম্পানীৰ ওপৰত অত্যাধিক নির্ভৰ কৰিবলগীয়া হোৱাৰ

ফলত তেওঁলোকৰ জীৱন ধাৰণত অনিশ্চয়তাই দেখা দিয়ে। ৰপ্তানিকেন্দ্রিক এই চুক্তিবদ্ধ কৃষিয়ে যেনে, ফুল, তিয়ঁহ জাতীয় ফল, আদি উৎপাদনত অধিক গুৰুত্ব প্রদান কৰা মানে কৃষি ভূমি মূল শস্য উৎপাদনৰ পৰা অপসাৰিত হৈ অহা বুজায়।

কৃষি ক্ষেত্রৰ গোলকীকৰণ প্রক্রিয়াই কৃষিত প্রয়োজনীয় দ্রব্য সামগ্রী যেনে-বীজ, কীটনাশক দ্রব্য, সাৰ ইত্যাদিৰ বিক্রেতা হিচাপে বহুজাতিক কোম্পানীসমূহৰ প্রৱেশৰ পথ সুগম কৰি তোলে। যোৱা কেইটামান দশকত চৰকাৰে কৃষি উন্নয়নৰ কার্যসূচীৰ মাত্রা হ্রাস কৰিছে আৰু 'কৃষি বিস্তৃত' কৰা এজেণ্টসমূহৰ স্থান বীজ, সাৰ আৰু কীটনাশক দ্রব্য উৎপাদন কৰা এজেণ্টে দখল কৰিছে। এইসকল লোক নতুন বীজ আৰু কৃষিৰ নতুন প্রয়োগৰ খবৰৰ উৎস আৰু তেওঁলোকেই নিজৰ দ্রব্য বিক্রীৰ ওপৰত বেছি গুৰুত্ব প্রদান কৰে। ইয়াৰ ফলস্বৰূপে কৃষকসকলে অত্যাধিক মূল্যৰ সাৰ আৰু কীটনাশকৰ ওপৰত নির্ভৰশীল হ'বলগীয়া হয় আৰু ই তেওঁলোকৰ লাভালাভৰ পৰিমাণ হ্রাস কৰি তোলে। ফলস্বৰূপে কৃষকসকল ঋণত পোট খাবলগীয়া হয় আৰু ই গ্রামাঞ্চলৰ পাৰিপার্শ্বিক অৱস্থাত সংকটৰ সৃষ্টি কৰে।

কৃষি ক্ষেত্রত গোলকীকৰণৰ প্রভাৱ লাহে লাহে বেছি হ'বলৈ ধৰিছে। উন্নয়নমূলক ৰাষ্ট্রসমূহৰ ওপৰত আৰোপ কৰা কৃষি ক্ষেত্রৰ ঔদ্যোগীকৰণে ইয়াৰ পৰম্পৰাগত পদ্ধতিৰে খেতি কৰা কৃষকসকল সাংঘাতিক আশংকাৰ সন্মুখীন হ'বলগীয়া হৈছে।

৫.৪.৫ গৌণ আৰু সেৱা খণ্ডৰ বিকাশ

স্বাধীনতাৰ পিছৰ কালছোৱাত ভাৰতীয় মুঠ ঘৰুৱা উৎপাদন তথা অর্থনীতিলৈ গৌণ আৰু সেৱা খণ্ডৰ বৰঙণি বিশেষ উল্লেখযোগ্য আৰু ক্রমাগত হাৰত বৃদ্ধি পাই আহিছে।

উৎপাদনৰ গৌণ খণ্ডই নির্মিত সামগ্রীসমূহৰ প্রস্তুতি খণ্ডক বুজায়। এই খণ্ডত কেচামালসমূহে সামগ্রী পর্যায় লাভ কৰে। সেয়েহে এই খণ্ডটিক প্রস্তুত খণ্ড বুলি উল্লেখ কৰা হয়। উদ্যোগীকৰণ আৰু যন্ত্র ব্যৱস্থাৰে এই খণ্ডটিত বৃহৎ প্রসাৰতা আনিছে যাৰ ফলত উৎপাদন বৃহৎ হাৰত বৃদ্ধি পাইছে। আকৌ তৃতীয় খণ্ড বা সেবা খণ্ড যেনে, বেংক, বীমা আদিৰ অন্তর্গত।

আমি জানো যে, ভাৰতীয় গ্রাম্যসমজ প্রধানকৈ কৃষিভিত্তিক। কিন্তু, উদ্যোগীকৰণ আৰু নগৰীকৰণৰ ফলত ভাৰতীয় গ্রাম্য যুৱকসকলৰ মাজত অন্য কৃষিভিত্তিক জীৱিকা-নির্বাহৰ বাবে আগ্রহ বৃদ্ধি পাইছে। কৃষি প্রধানকৈ জলবায়ু তথা বতৰ নির্ভৰশীল আৰু সেয়ে ইয়াৰ উৎপাদন হাৰত অনিশ্চিত। বানপানী খৰাং আদিৰ দৰে প্রাকৃতিক দুর্যোগ আদিয়ে কৃষি খণ্ডলৈ বিপর্যয় আনি কৃষিজীৱি বৃহৎ সংখ্যক লোকৰ জীৱিকা তথা আয়ৰ হাৰ স্তিমিত কৰি তোলে। সেয়েহে গ্রাম্য যুৱকসকলে বিশেষকৈ, অনা-কৃষি খণ্ডৰ প্রতি আকর্ষিত হোৱাটো স্বাভাৱিক, যিহেতু এই ক্ষেত্রত আয়ৰ নিৰাপত্তা অধিক। তদুপৰি মধ্যম আৰু সেৱাখণ্ডৰ ক্রমাগত বিকাশেও এই খণ্ড দুটিলৈ অধিক হাৰত লোকক আকর্ষিত কৰি ইয়াত কর্মত নিয়োজিত কৰিছে। সেয়েহে, বর্তমান ভাৰতীয় সমাজত এই গৌণ আৰু সেৱা খণ্ডই অর্থনৈতিক অগ্রৱতাৰ প্রধান ভূমিকা বহন কৰিছে। উদ্যোগ ব্যৱস্থাৰ প্রসাৰণ, প্রধানকৈ ১৯৯১ চনৰ মুক্ত

অর্থনৈতিক নীতিয়ে ভাৰতীয় ঘৰুৱা উৎপাদনত এই খণ্ড দুটিৰ বৰঙণি ক্রমাগত হাৰত বৃদ্ধি পাই আহিছে। বর্তমান, ভাৰতীয় GDPলৈ এই খণ্ড দুটিৰ বৰঙণি পূর্বৰ কৃষিখণ্ডৰ বৰঙণিৰ তুলনাত অধিক। এই পৰিৱর্তনে ভাৰতীয় গ্রাম্য সমাজ ব্যৱস্থা তথা গ্রাম্য অর্থনীতিত দ্রুত পৰিৱর্তন আনিছে। যদিও কৃষিখণ্ডত বর্তমান সময়তো জাৰিকা নির্বাহৰ বাবে বৃহৎ সংখ্যক লোক নিয়োজিত হৈ আহিছে যদিও, এই খণ্ডই বর্তমান সময়ত নিজস্ব প্রাধান্য হেৰুৱাইছে।

৫.৪.৪ গ্রামাঞ্চলৰ দৰিদ্রতা নিবাৰণ (Poverty Alleviation in Rural Areas)

যোৱা কেইটামান বছৰত দৰিদ্রতাৰ হাৰ হ্রাস পাইছে। দৰিদ্রতা নিবাৰণৰ বিভিন্ন আঁচনিসমূহ ইয়াৰ এক অন্যতম কাৰণ। স্বাধীনতাৰ পিছত ভাৰত চৰকাৰে ভাৰত দৰিদ্রতাৰ সমস্যাৰ ওপৰত অধিক গুৰুত্ব প্রদান কৰিছিল আৰু ইয়াক দূৰীকৰণৰ কাৰণে চৰকাৰে ভালেসংখ্যক উপায়, আঁচনি তথা কার্যসূচী হাতত লৈছিল। পঞ্চ-বার্ষিক পৰিকল্পনাৰ অধীনতো বহুতো উন্নয়নমূলক আঁচনি ৰূপায়ণ কৰা হৈছে। ১৯৭৫-৭৮ চনত চৰকাৰে '২০ দফীয়া কার্যসূচীৰ সূচনা কৰিছিল। ইয়াৰ ভিতৰত ভূমিৰ ওপৰঞ্চি অংশ দুর্বল শ্রেণীৰ মাজত বিতৰণ কৰা, ভূমিহীন শ্রমিকক নিম্নতম পৰিমাণৰ হ'লেও হাজিৰা প্রদান কৰা, গ্রামাঞ্চললৈ জলসিঞ্চন ব্যৱস্থাৰ সুবিধা প্রদান কৰা ইত্যাদি। ইয়াৰ উপৰি কেতবোৰ দৰিদ্রতা নাশক কার্যসূচী যেনে-JRY (Jawahar Rojgar Yojana), SGSY (Swarnjayanti Gram Swarozgar Yojana), নিয়োগ সুনিশ্চিতকৰণ আঁচনি, গ্রাম্য গৃহ নির্মাণ আঁচনি— ইন্দিৰা আবাস যোজনা, সমগ্র আবাস যোজনা, ইত্যাদি। যদিও এই আঁচনিবোৰে দৰিদ্রতাক সম্পূর্ণ ৰূপে দূৰ কৰিব পৰা নাই, কিন্তু ইয়াৰ সহায়ত দৰিদ্রতাৰ হাৰ কিছু হ'লেও হ্রাস পোৱা বুলি ক'ব পাৰো।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভাৰতবর্ষৰ যিকোনো দুটা দৰিদ্রতা নিবাৰণৰ কার্যসূচী লিখক।

প্রশ্ন নং ২ ঃ কোনটো বছৰত ভাৰতবর্ষৰ কৃষি ভূমিত সেউজ বিপ্লৱৰ আৰম্ভণি হৈছিল?

৫.৫ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ভাৰতবর্ষত ব্রিটিছ শাসনৰ সময়ছোৱাত তেওঁলোকে আমাৰ থলুৱা শিক্ষা ব্যৱস্থাক সম্পূর্ণৰূপে ধ্বংস কৰি দিছিল আৰু ইউৰোপীয় শিক্ষা ব্যৱস্থাৰ সূচনা কৰিছিল। স্বাধীনতাৰ সময়ত ভাৰতবর্ষৰ মাত্র ১৪ শতাংশ লোকহে শিক্ষিত আছিল। স্বাধীনতাৰ পিছত আমাৰ জাতীয় নেতাসকলে যেনে মহাত্মা গান্ধী আৰু অন্যান্যসকলে ভাৰতবর্ষৰ শিক্ষা ব্যৱস্থাৰ উন্নয়নৰ কাৰণে বহুতো পদক্ষেপ লৈছিল। স্বাধীনতাৰ ঠিক পিছতে প্রাথমিক শিক্ষাৰ ক্ষেত্রত মহাত্মা গান্ধীৰ 'বুনিয়াদী শিক্ষা'ৰ ওপৰত গুৰুত্ব প্রদান কৰা হয়। আমাৰ সংবিধানেও ১৪ বছৰ বয়সলৈ সকলো ল'ৰা-ছোৱালীক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্রদান কৰে। সময়ৰ লগে লগে আমাৰ দেশৰ চৰকাৰে শিক্ষা ব্যৱস্থাৰ উন্নয়নৰ কাৰণে বিভিন্ন ধৰণৰ আঁচনিক অন্তর্গত কৰি বহুতো প্রচেষ্টা হাতত লৈ আহিছে।
- শিক্ষাৰ দিশত প্রাথমিক শিক্ষাৰ সার্বজনীনকৰণৰ ওপৰত অত্যাধিক গুৰুত্ব প্রদান কৰা হয়। আমাৰ সংবিধান অনুযায়ী ৬ৰ পৰা ১৪ বছৰ বয়সলৈ সকলো ল'ৰা-ছোৱালীৰ ক্ষেত্রত শিক্ষাক মৌলিক অধিকাৰ প্রদান কৰা

হয়। এইদৰে কেৱল মাত্র প্রাথমিক শিক্ষাতেই নহয় আন আন শিক্ষা ব্যৱস্থাৰ ক্ষেত্রতো বহুতো পৰিৱর্তন সাধন হয়। যেনে ১৯৬১ চনত NCERT এখন আয়োগ স্থাপিত হয় আৰু ই স্কুল শিক্ষাৰ ক্ষেত্রত কেন্দ্রীয় তথা ৰাজ্যিক চৰকাৰক সহায়-সহযোগিতা আগবঢ়ায়। উচ্চ শিক্ষাৰ ক্ষেত্রত শিক্ষণ প্রক্রিয়া, পৰীক্ষা পদ্ধতি আৰু বিশ্ববিদ্যালয়ৰ গৱেষণা প্রক্রিয়াৰ মানদণ্ড উন্নয়নৰ কাৰণে ১৯৫৬ চনত UGC স্থাপন কৰা হয়। পোন প্রথমবাৰ IGNOU ৰ দ্বাৰা মুক্ত শিক্ষাৰ পথ মুকলি কৰা হয় আৰু ইয়াৰ পিছত অসমকে ধৰি বিভিন্ন ঠাইলৈ মুক্ত বিশ্ববিদ্যালয় স্থাপন কৰা হয়। বিভিন্ন ধৰণৰ নতুন শিক্ষানুষ্ঠান স্থাপন তথা নতুন নতুন পাঠ্যক্রমৰ সূচনাৰ দ্বাৰা কাৰিকৰী আৰু মেনেজমেণ্ট শিক্ষাৰ ক্ষেত্রতো পৰিৱর্তন অনা হয়। শিক্ষাৰ ব্যক্তিগতকৰণ আৰু গোলকীকৰণ এই দুই প্রক্রিয়া ভাৰতীয় শিক্ষা পদ্ধতিৰ এক গুৰুত্বপূর্ণ পৰিৱর্তন।

- ভাৰতবর্ষৰ অর্থনৈতিক গাঁথনিৰ ক্ষেত্রত বহুতো পৰিৱর্তন সাধন হোৱা দেখা যায়। কৃষি ক্ষেত্রত উন্নত বিধৰ কৃষি পদ্ধতিৰ সূচনাৰ দ্বাৰা বিভিন্ন পৰিৱর্তন সাধন কৰা হয় । স্বাধীনতাৰ পিছত বিভিন্ন ভূমি সংশোধন পদ্ধতিৰ দ্বাৰা পূর্বৰ ভূমি খাজনা পদ্ধতি আঁতৰাই পেলোৱাৰ লগতে গ্রাম্য কৃষি গাঁথনিত বহুতো পৰিৱর্তন হয়। ইয়ে কৃষকসকলৰ জীৱন ধাৰণৰ ক্ষেত্রতো বহুতো সহায় আগবঢ়ায়। কেৱল মাত্র কৃষি ক্ষেত্রই নহয় গ্রাম্য অর্থনীতিৰ অন্যান্য ক্ষেত্রতো বিভিন্ন ধৰণে পৰিৱর্তন আহে। গ্রাম্য অর্থনীতি জীৱিকা উপার্জনৰ পৰা বজাৰ অর্থনীতিলৈ পৰিৱর্তন হয়।
- গ্রাম্য অর্থনীতিৰ এই পৰিৱর্তনৰ ক্ষেত্রত বিভিন্ন ধৰণৰ উপাদানে প্রভাৱ বিস্তাৰ কৰে যেনে— ভূমি সংশোধন ব্যৱস্থা, সেউজ বিপ্লৱ, বিজ্ঞান আৰু প্রযুক্তিবিদ্যা, গোলকীকৰণ ইত্যাদি।

এইদৰে স্বাধীনতাৰ পিছত ভাৰতবর্ষৰ শিক্ষা ব্যৱস্থা আৰু গ্রাম্য অর্থনীতিৰ ক্ষেত্রত বহুতো পৰিৱর্তন সাধন হয়।

৫.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

১) A. S. Thakur and Sandeep Berwal, *Development of Educational System in India*, Shipra Publications, Delhi - 110092.

২) C. N. Shankar Rao, *Sociology of Indian Society*, S. Chand & Company Limited, Ram Nagar, New Delhi.

৩) K. Gopal Krishna Rao, *Changing Rural Society in India*, Authors Press, Lazmi Nagar, Delhi.

৪) Pankaj Kumar Desai, *History of Education in India*, Akhand Publishing House, Delhi - 110094.

৫) Ruddar Dutta and K. P. M. Sundaram, *Indian Economy*, S. Chand and Company Limited, New Delhi.

৬) Tura Chand, *Development of Education System in India*, Anmol Publishing Pvt. Limited, New Delhi.

৫.৭ অগ্রগতিৰ খতিয়ান

প্রশ্ন ১ ৰ উত্তৰ ঃ ২০০২

প্রশ্ন ২ ৰ উত্তৰ ঃ National council of Educational Research and Training.

প্রশ্ন ৩ ৰ উত্তৰ ঃ ১৯৫৬

প্রশ্ন ৪ ৰ উত্তৰ ঃ জৱাহৰ ৰোজগাৰ যোজনা আৰু স্বর্ণজয়ন্তী গ্রাম স্বৰোজগাৰ যোজনা।

প্রশ্ন ৫ ৰ উত্তৰ ঃ ১৯৬০ চনৰ মধ্যৱর্তী কালছোৱাত সেউজ বিপ্লৱৰ কার্যসূচী আৰম্ভ হয়।

৫.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ প্রাথমিক শিক্ষাৰ সার্বজনীনকৰণ মানে কি বুজে? ইয়াৰ কৌশলসমূহ লিখক।

প্রশ্ন ২ ঃ বিশ্ববিদ্যালয় অনুদান আয়োগৰ বিষয়ে লিখক।

প্রশ্ন ৩ ঃ ভাৰতবর্ষত স্বাধীনতাৰ পিছত ভূমি সংশোধন ব্যৱস্থাৰ বিষয়ে লিখক।

প্রশ্ন ৪ ঃ ভাৰতবর্ষৰ দৰিদ্রতা দূৰীকৰণ ব্যৱস্থাসমূহ কি কি? চমুকৈ লিখক।

প্রশ্ন ৫ ঃ স্বাধীনতাৰ পিছত ভাৰতবর্ষৰ শিক্ষা ব্যৱস্থাৰ পৰিৱর্তনসমূহ আলোচনা কৰক।

প্রশ্ন ৬ ঃ স্বাধীনতাৰ পিছত ভাৰতৰ কৃষি ক্ষেত্রৰ মূল পৰিৱর্তনসমূহ কি কি? এই পৰিৱর্তনৰ ওপৰত প্রভাৱ বিস্তাৰ কৰা উপাদানসমূহ ব্যাখ্যা কৰক।

প্রশ্ন ৭ ঃ ভাৰতৰ স্বাধীনতাৰ পিছত ইয়াৰ গ্রাম্য অর্থনীতিৰ পৰিৱর্তন সম্বন্ধে এখন ৰচনা লিখক।

(ক) মাধ্যমিক শিক্ষা

(খ) উচ্চ শিক্ষা

(গ) মুক্ত শিক্ষা

(ঘ) কাৰিকৰী আৰু মেনেজমেণ্ট শিক্ষা

(ঙ) ভাৰতবর্ষৰ শিক্ষাৰ ব্যক্তিগতকৰণ আৰু গোলকীকৰণ।

*** ***** ***

অধ্যায় ৬ ঃ গ্রাম্য ৰাজনৈতিক সংৰচনা

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ ভাৰতৰ পৰম্পৰাগত জাতি ব্যৱস্থা
৬.৩.১ জাতি ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ
৬.৩.২ জাতি পদ্ধতিৰ বিকাশ
৬.৩.৩ গ্রাম্য ৰাজনৈতিক ব্যৱস্থাত জাতি
৬.৪ গাঁও পঞ্চায়ত
৬.৫ ভাৰতবৰ্ষৰ পঞ্চায়তৰাজ ব্যৱস্থা
৬.৫.১ পঞ্চায়তৰাজ ব্যৱস্থাৰ মূখ্য বৈশিষ্ট্যসমূহ
৬.৫.২ পঞ্চায়তৰাজ ব্যৱস্থাৰ গঠন আৰু ইয়াৰ কার্য
৬.৬ পঞ্চায়তৰাজ ব্যৱস্থাত নাৰী সৱলীকৰণ
৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৮ অধিক জানিবলৈ
৬.৯ অগ্রগতিৰ খতিয়ান
৬.১০ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ভাৰতবৰ্ষৰ জাতি ব্যৱস্থাৰ বিকাশ আৰু ইতিহাসৰ বিষয়ে বুজিব পাৰিব
- ক্ষমতাৰ বিকেন্দ্রীকৰণৰ ধাৰণাটো ব্যাখ্যা কৰিব পাৰিব
- মহিলাৰ সৱলীকৰণ কেনেদৰে পঞ্চায়ত ৰাজ ব্যৱস্থাত এক মুখ্য বিষয় হিচাপে স্থান পাইছিল তাক আলোচনা কৰিব পাৰিব।

৬.২ পৰিচয়

বৃটিছ ৰাজত্বৰ সময়ছোৱাত ভাৰতীয়সকলৰ কাৰণে সামাজিক আৰু অর্থনৈতিক বিকাশৰ কোনো গুৰুত্ব নাছিল। সেই কাৰণে ক্ষমতাৰ বিকেন্দ্রীকৰণ (Decentralization) বৃটিছ শাসনাৱলীৰ অন্তর্গত কোনো বিষয় হিচাপে স্বীকৃতি পোৱা নাছিল। স্বাধীনতাৰ পিছত ভাৰতবর্ষই গণতান্ত্রিক প্রতিনিধিৰ ব্যৱস্থা গ্রহণ কৰে যদিও মহাত্মা গান্ধীয়ে বিশ্বাস কৰিছিল গাঁও-ভিত্তিক অংশীদাৰী গণতন্ত্র অর্থাৎ পঞ্চায়তীৰাজৰ ওপৰত। গান্ধীয়ে বিশ্বাস কৰিছিল যে ভাৰতবর্ষৰ প্রকৃত বিকাশ কেৱল গ্রাম স্বৰাজ (Gram swaraj) আঁচনিৰ যোগেদিহে সম্ভব। সেয়েহে, স্বাধীনতাৰ পিছত ভাৰত চৰকাৰে প্রথম পঞ্চ বার্ষিক পৰিকল্পনাৰ আৰম্ভণি কৰিছিল। ইয়াৰ সমান্তৰালকৈ গ্রাম্য

অংশীদাৰী অনুষ্ঠানসমূহৰ স্থাপনৰ অধ্যয়নৰ বাবে কমিটী স্থাপন কৰিছিল। মেহতা কমিটীৰ পৰামর্শ অনুসৰি ৰাজনীতি আৰু বিকেন্দ্রীকৰণ প্রক্রিয়াৰ আৰম্ভণি হৈছিল। ভাৰতবর্ষই পঞ্চায়তীৰাজ আইনৰ প্রক্রিয়াৰ মাজত নিজকে আগবঢ়াই নিলেও ইয়াৰ প্রতিবন্ধক হিচাপে আছিল জাতি বিভেদৰ সুদৃঢ় বান্ধোন। স্থানীয় কিছুমান বিশিষ্ট জাতিৰ জাতিভেদ ধাৰণাই ইয়াক অধিক প্রকট কৰি তুলিছিল। বর্ণ আৰু জাতি বিন্যাস সম্বন্ধে ধাৰণা লাভ কৰিবলৈ আমি জাতি পদ্ধতিৰ বিকাশ সম্বন্ধে তথা উদঘাটন কৰাটো আৱশ্যক।

পঞ্চায়তীৰাজ ব্যৱস্থাৰ এক গুৰুত্বপূর্ণ পদক্ষেপ হ'ল নাৰীক সমাজৰ মূলসুতিৰ লগত সংযোগকৰণ আৰু শাসন নীতিৰ লগত অন্তর্ভুক্তিকৰণ। ১৯৯৩ চনত ৩৩% আৰক্ষণৰে পঞ্চায়তীৰাজ ব্যৱস্থাত নাৰী সৱলীকৰণৰ ক্ষেত্রত গুৰুত্বপূর্ণ পদক্ষেপ লোৱা হৈছিল। ২০০৯ চনত এই আৰক্ষণ ৫০% লৈ বৃদ্ধি পায়। এই পাঠটিৰ মাজত আপোনালোকে পঞ্চায়তীৰাজ ব্যৱস্থাত নাৰী সৱলীকৰণৰ ক্ষেত্রত মুখামুখি হোৱা প্রত্যাহবান আৰু ইয়াৰ উপায়সমূহৰ বিষয়ে জানিব পাৰিব। শাসন ব্যৱস্থাত নাৰীসকলৰ অংশগ্রহণৰ ক্ষেত্রত নাৰী সৱলীকৰণৰ ভূমিকাও উল্লেখ কৰা হৈছে।

৬.৩ ভাৰতৰ পৰম্পৰাগত জাতি ব্যৱস্থা

প্রায় ২০০ বছৰ আগতে ভাৰতবর্ষ আৰু নেপালত জাতি ব্যৱস্থাৰ আৰম্ভণি হৈছিল। জাতি ব্যৱস্থা প্রথমতেই হিন্দু ধর্মৰ সৈতে সাঙোৰ খাই আছিল আৰু ব্যক্তিক তেওঁলোকৰ জীৱিকা অনুযায়ী শ্রেণীবিভাগ কৰা হৈছিল। পিছলৈ জাতি ব্যৱস্থা বংশ বা জন্মৰ ওপৰত আধাৰিত হৈছিল। প্রত্যেক বক্তিয়ে এক অপৰিৱর্তনীয় জাতি বিন্যাসৰ দ্বাৰা জন্মৰ পৰাই বিভাজিত হৈছিল।

F. Blunt ৰ মতে জাতি হ'ল এক সগোত্রীয় উমৈহতীয়া নামবিশিষ্ট গোট, যাৰ সদস্যভুক্তি বংশগত, সামাজিক সংসর্গত কিছুমান নির্দিষ্ট প্রতিবন্ধকৰ দ্বাৰা প্রভাৰিত হয়, যিয়ে এক উমৈহতীয়া পৰম্পৰাগত বৃত্তি গ্রহণ কৰে আৰু সেই বৃত্তি সাধাৰণতে পুৰুষানুক্রমিক হয়।

Ketkar-এ তেওঁৰ 'History & Caste in India' গ্রন্থত উল্লেখ কৰিছে, 'জাতি হ'ল এক সামাজিত নোট যাৰ দুটা বৈশিষ্ট্য আছে, (ক) সদস্যভুক্তিৰ বাবে জন্মগতভাৱে একে জাতিৰ হোৱাটো জৰুৰী আৰু বর্হিজাতিত জন্মগ্রহণ কৰাসকল একে গোটৰ সদস্য হিচাপে গণ্য কৰা নহয়। (খ) সদস্যসকল কঠোৰ সামাজিক নিয়মৰ দ্বাৰা গোটৰ বাহিৰত বিবাহৰ বাবে নিষেধ কৰা হয়।

স্পেনিছ শব্দ 'Bred' বা 'Lineage'ৰ পৰা 'Caste' বা জাতি শব্দৰ উদ্ভৱ হৈছে। 'Caste' শব্দৰ সংস্কৃত পৰিভাষা হৈছে- 'Varna' বা বর্ণ, অর্থাৎ, প্রকাৰ, ৰং, গঠন আৰু শ্রেণী। প্রাথমিক চাৰিটা প্রধান জাতি হ'ল— ক) ব্রাহ্মণ, খ) ক্ষত্রিয়, গ) বৈশ্য আৰু ঘ) শূদ্র। ব্রাহ্মণসকল হ'ল শিক্ষিত আৰু পুৰোহিত শ্রেণীৰ। ক্ষত্রিয়সকল হ'ল শাসকশ্রেণীৰ আৰু যোদ্ধা। বৈশ্যসকল হ'ল শিল্পী, ব্যবসায়ী, বাণিজ্য আৰু কৃষিৰ লগত জড়িত ব্যক্তি। শূদ্রসকল হৈছে শ্রমিক শ্রেণীৰ। এই চাৰিজাতিৰ উপৰিও জাতি পদ্ধতিৰ তলত বা বাহিৰত জন্মা কিছুমান লোক অস্পৃশ্য বুলি গণ্য কৰা হয়। Sndre Beteille য়ে সিদ্ধান্ত আগবঢ়ায় জাতৰ হ'ল এক নির্দিষ্ট গোটৰ সমগোত্রীয় বিবাহ, বংশ আৰু নির্দিষ্ট শৈলী বিশিষ্ট আৰু নির্দিষ্ট বৃত্তিৰে জড়িত সৰুগোট যিটো সাধাৰণতে কম-বেছি পৰিমাণে শুদ্ধতা আৰু পবিত্রতাৰ ওপৰত ভিত্তি কৰি বর্গীকৰণ কৰা হয়।

বহল অর্থত, জাতি হ'ল এক বংশানুক্রমিকভাৱে সমগোত্রীয় বিবাহেৰে আৱদ্ধ, উমৈহতীয়া নামবিশিষ্ট, পৰম্পৰাগত বৃত্তি। উমৈহতীয়া সংস্কৃতি আৰু নির্দিষ্ট সামাজিক প্রস্থিতি (Status) বিশিষ্ট মৌলিক সজাতীয় গোট। জাতি ব্যৱস্থাৰ কিছুমান বৈশিষ্ট তলত উল্লেখ কৰা হ'ল।

৬.৩.১ জাতি ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ

- **বংশগত প্রকৃতি ঃ** জাতি ব্যৱস্থা বংশানুক্রমিক। আর্জিত গুণ বা দক্ষতাতকৈ জাতি নির্ধাৰণৰ বাবে প্রাচীন হিন্দু শাস্ত্রসমূহে নির্দেশ কৰা গুণকহে ভিত্তি কৰা হয়। জাতি পদ্ধতিৰ বাবে জন্ম হ'ল নির্ণীত কাৰক। কোনো এক জাতিত জন্ম গ্রহণ কৰাৰ পিছত ই সদায় অপৰিবর্তিত হৈ থাকে। সামাজিক প্রস্থিতি, স্থান, সন্মান জাতি অনুসৰি নির্ধাৰণ কৰা হয়।
- **পৃথকীকৰণ ঃ** ভাৰতীয় সমাজ জাতি ব্যৱস্থাৰ ভিত্তি কৰি বিভাজিত বা পৃথক। প্রতিটো জাতিয়েই আন এটা জাতিৰ পৰা পৃথক আৰু স্বতন্ত্র। সেয়েহে এটা জাতিৰ পৰা আন এটা জাতিলৈ প্রস্থিতি পৰিৱর্তন কৰিব নোৱাৰে। প্রতিটো জাতিৰে নিজস্ব ধাৰণা বা জীৱন ধাৰণৰ আৰ্হি থাকে। নিজস্ব নীতি নিয়ম, আচাৰ-বিচাৰ, ৰীতি-নীতি, সংস্কৃতি, আচাৰ-ব্যৱহাৰ আৰু ধর্মীয় বিশ্বাস থাকে।
- **সংস্কৰণ ঃ** জাতিবিলাকৰ মাজত উচ্চ আৰু নিম্ন স্থান আছে। এই স্থান কর্মসংস্থানৰ পবিত্র অপৰিত্র বুলি বিশ্বাস কৰা মানৰ ভিত্তিত গঢ় লয়। এয়া এক জখলাৰ দৰে য'ত পবিত্র বুলি গণ্য কৰা জাতিক তলৰ স্থানত ঠাই দিয়া হয়। D. C. Bhattacharya উল্লেখ কৰিছে যে, 'অকল বিভিন্ন জাতিয়েই সংস্কৰণ সৃষ্টি' নকৰে, বৰং তেওঁলোকে গ্রহণ কৰা জীৱিকা নির্বাহৰ বৃত্তি, বিভিন্ন প্রকাৰৰ খাদ্য আৰু তেওঁলোকে পালন কৰা ৰীতি-নীতি আদিয়েও সংস্তৰণৰ সৃষ্টি কৰে।
- **অন্তর্বির্বাহী গোষ্ঠী ঃ** জাতি হ'ল এক অন্তর্বির্বাহী গোষ্ঠী, অর্থাৎ প্রতিটো জাতিৰে বিবাহ নিজ জাতিৰ মাজত সম্পন্ন হয়। জাতিৰ বাহিৰত বিবাহ বর্হিভূত বুলি গণ্য কৰা হয়। এই নীতি অমান্য কৰি বর্হিবিবাহ কৰাসকল জাতিৰ পৰা নিষ্কাষিত কৰা হয় আৰু তেওঁলোকক সংশ্লিষ্ট জাতিৰ বুলি গণ্য কৰা নহয়। অৱশ্যে চহৰৰ শিক্ষিত লোকসকলৰ মাজত বর্হিবিবাহ (exogamy)ৰ প্রচলন ক্রমাগত বৃদ্ধি পাই আহিছে।
- **পৰিত্রতা আৰু কলুষতা ঃ** জাতিৰ মাজত শুদ্ধতা বা পবিত্রতা আৰু অশুদ্ধতা বা কলুষতা কর্ম, বৃত্তি, ভাষা, পোছাক পৰিচ্ছদ, খাদ্য অভ্যাস আদিৰ দ্বাৰা নির্ণীত হয়। উদাহৰণ স্বৰূপে মাদক দ্রব্য পান, মাছ-মাংস আদি আমিষ খাদ্যভ্যাস, চামৰা, মৃত জন্তু আৰু মল-মূত্র পৰিস্কাৰ কৰা, জাবৰ-জোথৰ কঢ়িয়াই নি ঠাই পৰিস্কাৰ কৰা আদি অপৰিত্র বা কলুষতাপূর্ণ আৰু এইবোৰ বিষয়ত জড়িত ব্যক্তিসকলক অপবিত্র বুলি গণ্য কৰা হয়।
- **বৃত্তিগত সম্পর্ক ঃ** প্রাচীন কালৰে পৰাই প্রত্যেক জাতিৰে নিজস্ব বংশানুক্রমিক বৃত্তি আছে। তেওঁলোকে সাধাৰণতে জাতিগত এই বৃত্তিসমূহ ত্যাগ নকৰে। উদাহৰণস্বৰূপে ব্রাহ্মণসকলে যাগ-যজ্ঞ-পূজা-অর্চনা তথা শিক্ষকতা বৃত্তিৰ লগত জড়িত। তেনেদৰে কায়স্থসকলে ৰাজহ সংগ্রহ, ৰাজহৰ তথ্য সংৰক্ষণ আৰু লিখা-পঢ়াৰ লগত জড়িত। ব্যৱসায়-বাণিজ্যত লগত জড়িত ব্যক্তিসকল হ'ল বৈশ্য জাতিৰ। মুচীসকল হ'ল চামৰা বৃত্তিৰ লগত জড়িত লোক। অৱশ্যে উদ্যোগীকৰণ আৰু নগৰীকৰণৰ ফলত লোকসকলে তেওঁলোকৰ পৰম্পৰাগত বৃত্তি ত্যাগ কৰি অন্য বৃত্তিও গ্রহণ কৰিব ধৰিছে। গাঁও অঞ্চলত কিন্তু পৰম্পৰাগত বৃত্তিকে বর্তমানেও গ্রহণ কৰা পৰিলক্ষিত হৈ আহিছে।
- **সামাজিক আৰু ধর্মীয় অযোগ্যতা ঃ** নিম্ন জাতিৰ লোকসকলক কিছুমান কাম কৰাৰ ক্ষেত্রত বাধা নিষেধ আৰোপ কৰা হয়। মন্দিৰত পূজাৰ বাবে প্রৱেশ কৰা, যিবোৰ উচ্চজাতিৰ লোকসকলে ব্যৱহাৰ কৰা, ৰাজহুৱা পুখুৰী বা কুঁৱাৰ পৰা পানী সংগ্রহ কৰা, ছাতি আৰু সোণৰ বা অন্য মূল্যবান গহণা পৰিধান

আদিত নিম্ন জাতিৰ লোকসকলক নিষেধ কৰ। হয়। অৱশ্যে সময়ৰ পৰিৱৰ্তনত ঠাই বিশেষে এনে বাধা নিষেধৰও অন্ত পৰিছে।

- **সাংস্কৃতিক পার্থক্য ঃ** প্রতিটো জাতিয়েই ক্ষুদ্র আৰু স্বয়ং সম্পূর্ণ সামাজিক গোট আৰু প্রতিটোৱে আনটোৰ পৰা পৃথক। প্রত্যেক জাতিৰেই পৃথক সংস্কৃতি, ৰীতি-নীতি আৰু পৰম্পৰা আছে আৰু সিয়েই এটা জাতিৰ পৰা আনটোক স্বতন্ত্র কৰে। খাদ্যাভ্যাস, বৃত্তিগত বৈশিষ্ট্যতা, আচাৰ-ব্যৱহাৰৰ নীতি আদি জাতি এটাৰ পুৰুষানুক্রমে চলি আহে আৰু সমাজীকৰণ ব্যৱস্থাই এই প্রক্রিয়াক অধিক বাস্তৱিক কৰে।
- **সামাজিক আৰু ধর্মীয় যোগ্যতাৰ ভিত্তিত বিভিন্ন স্তৰৰ বিশেষাধিকাৰ ঃ** নিম্নজাতিৰ লোকসকলৰ তুলনাত উচ্চজাতিৰ লোকসকলে সামাজিক সুবিধা, অধিকাৰ আদি অধিকভাৱে ভোগ কৰে। আনহাতে নিম্নজাতিৰ লোকসকলে সামাজিক, ধর্মীয় বাধা-নিষেধ সম্মুখীন হ'ব লগা হয়। তেওঁলোকক মঠ-মন্দিৰ, ৰাজহুৱা সৎকাৰ গৃহ, বিদ্যালয়, ৰাজহুৱা স্থান, ভোজনালয় আদিত প্রৱেশত বাধা নিষেধ আৰোপ কৰা হয়।
- **স্বর্গীয় ধাৰণা ঃ** জাতি পদ্ধতি এক স্বর্গীয় বা ঈশ্বৰ নির্দেশিত নিয়ম বুলি গণ্য কৰা হয়। এই জাতি পদ্ধতি হিন্দু ধর্মৰ ব্রহ্মবাদী ধাৰণা 'কর্ম'ৰ ওপৰত ভিত্তি কৰি ৰাতি বুলি বিশ্বাস কৰা হয়। পুর্নজন্ম ধাৰণাও জাতি পদ্ধতিৰ লগত জড়িত।

৬.৩.২ জাতি পদ্ধতিত বিৱর্তন (Evolution of the Caste System)

যোৱা শতিকাৰ পৰা ভাৰতবর্ষৰ জাতি পদ্ধতিৰ লক্ষণীয় পৰিৱর্তন আহিছে আৰু স্বাধীনতাৰ পিছৰে পৰা এই পৰিৱর্তন অধিকভাৱে দেখা গৈছে। সংস্কৃতকৰণ, পাশ্চাত্যকৰণ, উদ্যোগীকৰণ আদি বিভিন্ন কাৰকে জাতি পদ্ধতিৰ প্রভুত পৰিৱর্তনত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে।

- **সংস্কৃতায়ন/সংস্কৃতকৰণ ঃ** সংস্কৃতকৰণ হ'ল এনে এক প্রক্রিয়া য'ত নিম্নজাতি বা আদিবাসী বা অন্য গোটে নিজৰ ৰীতি-নীতি, ভাৱ-আদর্শ, ধার্মিক সংস্কাৰ আদিৰ পৰিৱর্তন কৰি উচ্চ জাতিৰ আচাৰ-ব্যৱহাৰ, জীৱনশৈলী, সংস্কৃতি আদি গ্রহণ কৰে। সংস্কৃতায়নৰ কাৰণে এটা জাতিয়ে নিশ্চয়কৈ উচ্চ সামাজিক প্রস্থিতি, তুলনামূলকভাৱে উন্নত অর্থনৈতিক অৱস্থা আৰু এটা উচ্চজাতিৰ সদস্য হোৱাটো প্রয়োজন। সংস্কৃতকৰণ এক সমুহীয়া প্রক্রিয়া আৰু ই ব্যক্তিগত প্রক্রিয়াৰ লগত জড়িত নহয়। সংস্কৃতকৰণ এক দীর্ঘদিনীয়া প্রচেষ্টাৰ ফল। সংস্কৃতকৰণৰ ফলত জাতিসমূহৰ গঠনগত (Structural) পৰিৱর্তন নহয়, মাথো স্থানগত প্রস্থিতি লাভহে হয়। এই প্রক্রিয়াৰ দ্বাৰা ভাৰতীয় সমাজত নিম্ন বুলি পৰিগণিত হোৱা জাতি উপজাতিৰ কিছু সংখ্যকে নিজৰ সামাজিক প্রস্থিত উচ্চ জাতিৰ লোকৰ অনুৰূপত লাভ কৰিবলৈ সক্ষম হৈছে। লিঙ্গায়ৎ, ৰাজপুত্রসকল এনে কিছুমান জাতিৰ উদাহৰণ। এইখিনিতে মন কৰিবলগীয়া যে অস্পৃশ্য বুলি গণ্য কৰা সকলে সংস্কৃতকৰণৰ দ্বাৰা নিজৰ সামাজিক প্রস্থিতি উন্নত কৰিবলৈ সুযোগ নাপায়।
- **পশ্চিমীয়াকৰণ** (Westernization) ঃ ভাৰতবর্ষ, বৃটিছ উপনিৱেশিক শাসকসকলেই পশ্চিমীয়া শৈলীত জীৱন ধাৰণ, সাজ সজ্জা আৰু আচাৰ-নীতিৰ প্রধান প্রভাৱক (Influencer)। পশ্চিমীয়াকৰণৰ প্রধান বৈশিষ্ট্যসমূহ হ'ল— ক) যুক্তিবাদী দৃষ্টিভংগী (বৈজ্ঞানিক আৰু লক্ষ্য নির্ণায়ক দৃষ্টিভংগী), খ) বস্তুবাদী আৰু বাহ্যিক গ) আধুনিক জনসংযোগ ব্যৱস্থা, ঘ) ইংৰাজী মাধ্যমৰ শিক্ষা, ঙ) সামাজিক গতিশীলতা আদি। উচ্চ জাতিৰ লোকসকল প্রথমেই পশ্চিমীয়াকৰণৰ দ্বাৰা প্রভাৱিত হয়। ব্যৱসায়িক লেনদেন, শিক্ষা

আৰু সামাজিকৰণ আদিৰ কাৰকসমূহে পশ্চিমীয়াকৰণৰ বাবে যোগসূত্ৰৰ ভূমিকা গ্ৰহণ কৰে। সামাজিক গতিশীলতাৰ বাবে পিছলৈ নিম্নজাতিৰ লোকসকলেও পশ্চিমীয়াকৰণৰ দ্বাৰা প্ৰভাৱিত হয়।

- **আধুনিকীকৰণ** (Modernization) ঃ ই প্ৰাথমিকভাৱে বৈজ্ঞানিক দৃষ্টিভংগী, যুক্তিবাদী ধাৰণা, উচ্চ সামাজিক সচলতা, উৎকৃষ্টতা লাভৰ বাবে উচ্চ আকাংক্ষা, সহানুভূতি, স্বতন্ত্ৰতাৰ প্ৰতি আগ্ৰহ, বন্ধুত্বপূৰ্ণ মনোভাৱ আৰু জটিল পৰিৱেশ বা সংস্থাৰ লগত কাৰ্য সম্পাদন আদিৰ দ্বাৰা পৰিচালিত এক প্ৰক্ৰিয়া। ইয়াৰ ফলত সংস্থাগত, গাঁথনিগত, মনোবৃত্তি আৰু আনুষ্ঠানিক মানসিক গভীৰভাৱে প্ৰভাৱিত আৰু পৰৱৰ্তিত হয় আৰু জাতি পদ্ধতিতও পৰিৱৰ্তন আহে। এই সকলোবোৰৰ প্ৰতিক্ৰিয়াস্বৰূপে জাতি গাঁথনিৰ মাজতও গতিশীলতা আহি পৰে। চহৰ অঞ্চলত জাতি বিভাগ ক্ৰমান্বয়ে শ্ৰেণীলৈ পৰ্যবসিত হয়। অৱশ্যে ভাৰতবৰ্ষই আধুনিকীকৰণ ব্যৱস্থাক গ্ৰহণ কৰিলেও, পৰম্পৰাৰ পৰা সম্পূৰ্ণ আঁতৰি অহা নাই। ভাৰতীয় জাতি ব্যৱস্থাই আধুনিক কিছুমান ব্যৱস্থা যেনে— জনসাধাৰণক শিক্ষাদান, সুব্যৱস্থিত অনুষ্ঠান সৃষ্টি আৰু জনসাধাৰণক সজাগ কৰি তোলা আদি আধুনিকীকৰণৰ প্ৰণালী ভাৰতীয় জাতি ব্যৱস্থাই গ্ৰহণ কৰিছে।
- **উদ্যোগীকৰণ আৰু নগৰীকৰণ ঃ** যোৱা শতিকাৰ পৰা উদ্যোগীক চহৰ আৰু নগৰসমূহৰ উন্নয়নৰ ফলত গাঁও অঞ্চলৰ পৰা নগৰ অঞ্চললৈ আৰু উদ্যোগীক খণ্ডলৈ প্ৰব্ৰজন আৰম্ভ হোৱাৰ লগে লগে জাতি ব্যৱস্থাও প্ৰভাৱিত হৈছে। এই ঠাইসমূহত কঠোৰ জাতি ব্যৱস্থাও শিথিল হৈ পৰিছে।
- **গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণ ঃ** পঞ্চায়তীৰাজ ব্যৱস্থাৰ প্ৰৱৰ্তনৰ ফলত গাঁওসমূহত স্থানীয় স্থায়ত্ব শাসিত শাসন ব্যৱস্থাৰ সুবিধা হৈছে। সেয়ে পঞ্চায়তীৰাজ ব্যৱস্থাৰ যোগেদি সকলো জাতিকে সমভাৱে প্ৰতিনিধিত্ব কৰাৰ সুযোগ ঘটিছে। নীচজাতিৰ লোকসকলক সমঅধিকাৰৰ সুযোগৰ দ্বাৰা তেওঁলোকক উন্নতিৰ পথত আগুৱাই নিবলৈ চেষ্টা কৰা হৈছে, এই লোকসকলৰ নিজস্ব বিষয় বস্তুসমূহত সেয়েহে নিম্ন জাতিৰ লোকসকলেও অংশ গ্ৰহণ কৰিব পাৰে।

৬.৩.৩ গ্ৰাম্য ৰাজনৈতিক ব্যৱস্থাত জাতি

জাতি এক সামাজিক অনুষ্ঠান আৰু সামাজিক স্তৰীকৰণৰ পদ্ধতি হিচাপে অতীজৰেপৰাই বৰ্তমানলৈ প্ৰথাগত সামাজিক-ৰাজনৈতিক সংৰচনাৰ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। জাতি প্ৰথাৰ জৰিয়তে ভাৰতীয় গ্ৰাম্য সমাজত বহু পৰিমাণে ক্ষমতাৰ কেন্দ্ৰীয়কৰণ হৈ আহিছে। জাতি ব্যৱস্থাৰ জৰিয়তে এজন ব্যক্তিৰ আৰ্থ সামাজিক প্ৰস্থিতি বা স্থিতি প্ৰথাগতভাৱে নিৰ্ণিত হৈ আহিছে। আৰু এই স্থিতিয়ে গ্ৰাম্য সমাজত ব্যক্তিগৰাকীৰ ৰাজনৈতিক স্থিতিকো প্ৰভাৱিত কৰে। তেনেদৰে ক্ষমতা আৰু অধিকাৰ ব্যক্তি বা গোটৰ জাতিগত স্থিতিৰ দ্বাৰা নিৰ্ণীত হয়। জাতি আৰু ৰাজনীতিৰ পাৰস্পৰিক সম্বন্ধৰ বিষয়ে স্পষ্টকৈ জ্ঞান লাভ কৰিবলৈ আমি (অধিক প্ৰভাৱশালী) জাতি ধাৰণাৰ বিষয়ে জানিব লাগিব।

প্ৰভাৱশালী জাতি বুলিলে সাধাৰণতে জাতি শৃংখলাত শীৰ্ষ অৱস্থিত উচ্চ শ্ৰেণীসমূহকে বুজায়। এই শ্ৰেণীটোৱে সংখ্যাগতভাৱে অধিক শক্তিশালী অৰ্থনৈতিকভাৱে স্বচ্ছল হয়। এই জাতিটোৱে নিজৰ সংখ্যাগত আৰু অৰ্থনৈতিক প্ৰাধান্যতাৰে গ্ৰাম্য ৰাজনৈতিক ক্ষেত্ৰখনত এক ক্ষমতাশালী আসনত উপনীত হয়। সেয়েহে ক'ব পাৰি ভাৰতীয় গ্ৰাম্য সমাজ পৰিপ্ৰেক্ষিতত বেছিভাগ ক্ষেত্ৰতেই উচ্চ জাতিৰ ব্যক্তিসকলে উচ্চ শ্ৰেণীভুক্ত হয় আৰু প্ৰভাৱশালী আৰ্থ সামাজিক স্থিতিৰ বাবে ৰাজনৈতিকভাৱেও উচ্চ স্থান লাভ কৰে। আকৌ জাতি পঞ্চায়তেও গ্ৰাম্য

ৰাজনৈতিক সংৰচনাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। জাতি পঞ্চায়ত বা সংঘই অন্তঃজাতি আৰু আন্তঃজাতিসমূহৰ মাজত থকা মতবিৰোধ বা কন্দলৰ সমাধানৰ বাবে দায়বদ্ধ হোৱাৰ উপৰিও নিজৰ জাতিৰ আৰ্থ সামাজিক উন্নয়নৰ বাবে স্বাৰ্থগোট বা কল্যাণকামী গোট হিচাপেও ভূমিকা গ্ৰহণ কৰে।

বৰ্তমান সময়তো জাতি ব্যৱস্থাই আমাক গ্ৰাম্য সমাজ ব্যৱস্থাক বহুলভাৱে প্ৰভাৱিত কৰে। ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাত জাতি এক প্ৰধান নিৰ্ধাৰণকাৰী কাৰক। ৰাজনৈতিক নিৰ্বাচনী প্ৰক্ৰিয়াত ইয়াৰ প্ৰভাৱ বিশেষভাৱে পৰিলক্ষিত হয়। নৃত্বত্ববিজ্ঞানী Owen M. Lynch আৰু অন্যান্য বিজ্ঞানীসকলে বৰ্ণনা কৰে যে ৰাজনৈতিক প্ৰসাৰত জাতি গোটসমূহেও ৰাজনৈতিকভাৱে অধিক সক্ৰিয়তা লাভ কৰিছে আৰু অন্য কল্যাণকামী বা স্বাৰ্থগোটসমূহৰ লগত প্ৰতিযোগিতাৰ সন্মুখীন হ'ব লগা হৈছে। আৰ্থ ৰাজনৈতিক মুনাফা লাভ এওঁলোকৰ প্ৰতিযোগিতাৰ মূল উদ্দেশ্য। জাতিসংঘসমূহে নিজৰ আঞ্চলিক পৰিসীমা অতিক্ৰম কৰি ৰাজ্যিক আৰু দেশীয় ৰাজনৈতিক ক্ষেত্ৰখনত অধিকাৰ সাব্যস্ত কৰিবলৈ ৰাজনৈতিক সক্ৰিয়তা বৃদ্ধি কৰি আহিছে। ভাৰতবৰ্ষত গণতান্ত্ৰিক ব্যৱস্থাত নিজৰ সংখ্যাগত ক্ষমতা বৃদ্ধিৰ উদ্দেশ্যে জাতিগোটসমূহে অন্য সমবৰ্ণীয়, উপজাতিগোট সমূহৰ লগত সম্বন্ধ স্থাপন কৰি ৰাজনৈতিক প্ৰসাৰতাৰ চেষ্টা কৰা হৈছে। আনুভূমিক একতা বৃদ্ধিৰ উদ্দেশ্যে প্ৰথাগত বংশানুক্ৰমিকতা ধাৰণাক সূক্ষ্মতাৰে গ্ৰহণ কৰা হৈছে। সেয়েহে, জাতিগত অস্পৃশ্যতা বা অপৰিত্ৰতাৰ ধাৰণা অৱনমিত হৈছে যদিও জাতি ব্যৱস্থা অটুট আছে। এই ক্ষেত্ৰত আমি দলিতসকলৰ উদাহৰণ গ্ৰহণ কৰিব পাৰোঁ। এই দলিতসকলে বৰ্তমানৰ ভাৰতীয় ৰাজনৈতিক ক্ষেত্ৰখনত এক শক্তিশালী গোট হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিছে। পৰম্পৰাগত আৰ্থ সামাজিক শোষণৰ বিৰুদ্ধে তেওঁলোকে প্ৰত্যাহ্বান জনাইছিল আৰু নিজৰ সামাজিক স্থিতি বা অৱস্থান উন্নীতকৰণৰ বাবে সংগ্ৰাম কৰিছিল। দলিতসকলৰ ক্ষোভ প্ৰকাশ ঘটিছিল তেওঁলোকৰ লিখনি প্ৰতিবাদ কাৰ্যসূচী, হৰতাল আৰু দলিত পেন্থাৰচৰ দৰে সামাজিক সংগঠনসমূহৰ বিভিন্ন প্ৰতিবাদী কাৰ্যসূচী। এক বৈপ্লৱিক পৰিৱৰ্তনৰ দাবী এই কাৰ্যসূচীসমূহৰ উদ্দেশ্য আছিল। যদিও বৰ্তমান সময়ত জাতি ব্যৱস্থাত কিছু পৰম্পৰাগত প্ৰথা হ্ৰাস পাইছে তথাপিও ৰাজনৈতিক ক্ষেত্ৰখন ই অধিক শক্তিশালী ৰূপত প্ৰকাশ পাইছে।

৬.৪ গাঁও পঞ্চায়ত

ভাৰত উপমহাদেশত স্থানীয় প্ৰশাসনৰ পদ্ধতি হিচাপে গাঁও পঞ্চায়ত আটাইতকৈ পুৰণি পদ্ধতি। 'পঞ্চায়ত' শব্দৰ অৰ্থ হ'ল 'সদন'। পাঁচগৰাকী জ্ঞানী আৰু সন্মানীয় বয়স্ক ব্যক্তিক স্থানীয় সম্প্ৰদায় বা সমাজে এই সদনৰ বাবে নিৰ্বাচিত কৰে। পৰম্পৰাগতভাৱে ব্যক্তিগত আৰু গাঁওসমূহৰ মাজত সংঘটিত অশান্তি বা মতভেদ মীমাংসাৰ বাবে গাঁও পঞ্চায়ত স্থাপিত হৈছিল। ১৮৬৯ চনত বৃটিছ চৰকাৰে বম্বেত প্ৰথমবাৰৰ বাবে স্থানীয় প্ৰশাসন মনোনীত কৰে। পিছত ১৮৮২ চনত লৰ্ড ৰিপণে আনুষ্ঠানিকভাৱে স্থানীয় স্বায়ত্ত শাসন ব্যৱস্থাৰ প্ৰতিষ্ঠা কৰিছিল। মহাৰাষ্ট্ৰৰ Marathwada আৰু বিদৰ্ভত জিলা পৰিষদ ইয়াৰ বাবে স্থাপিত কৰিছিল।

বম্বে জিলা পঞ্চায়ত আইন ১৯২০ হ'ল পঞ্চায়ত ব্যৱস্থাৰ প্ৰথম বিধি নিৰ্মাণ আইন। এই আইনৰ অধীনত এক নিৰ্বাচিত নিকায়ৰ দ্বাৰা পঞ্চায়ত গঠন কৰা হয়। পঞ্চায়তৰ সদস্যসকলক গাঁৱৰ প্ৰাপ্তবয়স্ক পুৰুষসকলৰ দ্বাৰা নিৰ্বাচন কৰা হৈছিল। পৌৰ সম্পৰ্কীয় স্থানীয় কাৰ্য সম্পাদনৰ ভাৰ পঞ্চায়তৰ ওপৰত ন্যস্ত কৰা হয়। উদাহৰণ স্বৰূপে বাধ্যতামূলক গৃহ কৰ সংগ্ৰহ। ১৯২০ আইনমতে আকৌ গাঁও পঞ্চায়তে বিভিন্ন আৰ্য সামাজিক অনুষ্ঠানৰ বিভিন্ন কাৰ্যাৱলীত অংশগ্ৰহণ কৰিব পাৰে।

ভাৰত স্বাধীন ৰাষ্ট্ৰ হিচাপে পৰিগণিত হোৱাৰ পিছত, প্ৰদেশসমূহ গঠন হয় আৰু পঞ্চায়ত আইন ব্যৱস্থাৰ সৃষ্টি কৰা হয়। ১৯৫৮ৰ লোক আদালত আইনৰ ৪০ অধ্যায় মতে প্ৰতিটো বিত্তীয় বৰ্ষৰ প্ৰথম দুমাহত পঞ্চায়তে গাঁৱৰ প্ৰাপ্তবয়স্ক সদস্যসকলৰ সৈতে মিলিত বৈঠক আহ্বান কৰাটো বাধ্যতামূলক। শেষত গ্ৰামসভাত আৰ্থিক বাৰ্ষিক বিৱৰণী প্ৰস্তুত কৰিব লাগে।

পঞ্চায়তৰ মুখ্য পৌৰ কৰ্তব্য হ'ল— স্বচ্ছতা সম্বন্ধীয় ব্যৱস্থা। ৰাস্তা-ঘাটৰ পোহৰৰ ব্যৱস্থা, আৰু খোৱা পানীৰ ব্যৱস্থা আদি। কৃষিক্ষেত্ৰ, সমবায়, পশু পালন, স্ব-ৰক্ষা আৰু অন্যান্য প্ৰশাসনীয় আৰু উন্নয়নমূলক কাম আদিও পঞ্চায়তৰ ভিতৰুৱা দায়িত্ব। জিলা প্ৰশাসনৰ জৰিয়তে ৰাজ্য চৰকাৰে পঞ্চায়তৰ ওপৰত প্ৰত্যক্ষ নিয়ন্ত্ৰণ ৰাখে।

এইটো প্ৰায়ে দেখা যায় যে এই অনুষ্ঠানসমূহৰ ওপৰত প্ৰায়েই চৰকাৰৰ কোনো নিয়ন্ত্ৰণ নাথাকে আৰু পঞ্চায়ত ব্যৱস্থাৰ দ্বাৰা বুনিয়াদী স্তৰৰ সদস্যসকল বিশেষ উপকৃত নহয়। এই সমস্যাসমূহ নিবাৰণৰ কাৰণে বলৱন্ত ৰায় মেহতা কমিটী (১৯৫৭) আৰু অশোক মেহতা কমিটী (১৯৭৭) নিযুক্ত কৰা হৈছিল। এই কমিটী দুখনৰ পৰামৰ্শৰ ভিত্তিত সংবিধানৰ (৭৩ নং অনুচ্ছেদত) ১৯৯২ চনৰ ২৪ এপ্ৰিলত পঞ্চায়তৰাজ ব্যৱস্থাক সাংবিধানিক মৰ্যদা প্ৰদান কৰে।

৬.৫ ভাৰতবৰ্ষৰ পঞ্চায়তৰাজ ব্যৱস্থা

মহাত্মা গান্ধীয়ে পঞ্চায়তীৰাজ ব্যৱস্থাক ভাৰতৰ ৰাজনৈতিক ক্ষেত্ৰখনৰ মূল বুনিয়াদ বুলি অভিহিত কৰিছে। পঞ্চায়তীৰাজ ব্যৱস্থাত চৰকাৰ শাসন ক্ষমতাৰ বিকেন্দ্ৰীকৰণ ঘটে আৰু প্ৰত্যেক হাঁৱতেই ইয়াৰ অন্তৱৰ্তী বিষয়সমূহৰ পৰিচালনাৰ বাবে দায়বদ্ধ হয়। এই ব্যৱস্থাক সেয়েহে গ্ৰাম স্বৰাজ (গ্ৰাম স্বায়ত্ত শাসন) বুলি কোৱা হৈছে। পঞ্চায়তীৰাজ ব্যৱস্থাৰ আনুষ্ঠানিকভাৱে স্বীকৃত হয় ১৯৯২ চনত। ভাৰতীয় কমিটি কেইখনৰদ্বাৰা অধ্যয়ন কৰাৰ পিছত কেন্দ্ৰ বা ৰাজ্য চৰকাৰৰ সলনি স্থানীয় স্বায়ত্ব শাসন ব্যৱস্থাৰ প্ৰৱৰ্তন কৰা হয়।

১৯৯২ চনত সাংবিধানৰ ৭৩ সংখ্যক সংশোধনী বিধেয়কত এক নতুন অধ্যায় (নৱম) 'পঞ্চায়ত' সন্নিৱিষ্ট কৰা হয় আৰু এই নৱম অধ্যায়ত ২৯ টা বিষয়ও অন্তৰ্ভুক্ত কৰা হয়। পঞ্চায়তৰ স্থাপনা, ইয়াৰ কাৰ্যকৰণ আৰু সাফল্যকৰণৰ বাবে সংবিধানিক নিয়ম প্ৰণয়ন কৰা হয়।

৬.৫.১ পঞ্চায়তৰাজ ব্যৱস্থাৰ মুখ্য বৈশিষ্ট্যসমূহ

- **গ্ৰাম সভা ঃ** গ্ৰাম সভা হ'ল এখন গাঁৱৰ পঞ্চায়ত এলেকাৰ ভিতৰুৱা অঞ্চলৰ, নিৰ্বাচনী সূচীৰ দ্বাৰা পঞ্জীকৃত ব্যক্তিৰে গঠিত স্থানীয় পৰিষদ (Board) গাঁৱৰ গণতান্ত্ৰিক ব্যৱস্থাৰ বুনিয়াদী আধাৰ হ'ল এই গ্ৰাম সভা। স্থানীয় প্ৰয়োজন অনুসৰি কোনোধৰণৰ উন্নয়নমূলক কামৰ আৰম্ভণি গ্ৰামসভাৰ জৰিয়তে সম্পাদন কৰাৰ লক্ষ্যৰে ইয়াক প্ৰতিষ্ঠা কৰা হয়।
- **তিনি খলপীয়া পঞ্চায়তীৰাজ ব্যৱস্থা ঃ** প্ৰত্যেক ৰাজ্যৰে পঞ্চায়তীৰাজ ব্যৱস্থাত এই তিনিখলপীয়া পঞ্চায়তীৰাজ ব্যৱস্থা আছে। এই ব্যৱস্থাত তৃণমূল পৰ্যায়ত আছে গাঁও পঞ্চায়ত, মাজত আছে আঞ্চলিক পঞ্চায়ত আৰু ওপৰত জিলা পৰিষদ। অৱশ্যে ২০ লাখৰ তলৰ জনসংখ্যাৰ ৰাজ্যৰ ক্ষেত্ৰত মধ্যম স্তৰ (আঞ্চলিক পঞ্চায়ত) বাধতামূলক নহয়। এই তিনিওটা স্তৰ বা খলপৰে সদস্যসকলক প্ৰত্যক্ষভাৱে নিৰ্বাচন

কৰা হয়। আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ সভাপতিসকলক পঞ্চায়তৰ নিৰ্বাচিত সদস্যসকলে পৰোক্ষভাৱে নিৰ্বাচন কৰে।

- **পঞ্চায়ত ব্যৱস্থা সংৰক্ষণ ঃ** পঞ্চায়ত ব্যৱস্থাৰ গোটেইকেইটা স্তৰতেই অনুসূচিত জাতি আৰু অনুসূচীত জনজাতিৰ কাৰণে আসন সংৰক্ষণৰ সুবিধা আছে। এই আসনৰ সংখ্যা উক্ত জাতি জনজাতিৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি নিৰ্ধাৰণ কৰা হয়। তেনেদৰে পঞ্চায়তৰ সকলো পৰ্যায়তে এক তৃতীয়াংশ আসন মহিলাৰ বাবে সংৰক্ষণৰ ব্যৱস্থা আছে। মহিলাৰ সংৰক্ষিত মুঠ আসনৰ ভিতৰত কিছু আসন অনুসূচিত জাতি-জনজাতিৰ মহিলাৰ বাবে সংৰক্ষিত।
- **পঞ্চায়তৰ কার্যকাল ঃ** সাধাৰণতে সকলো পঞ্চায়তৰে কার্যকাল পাঁচ বছৰীয়া হয়। কিবা কাৰণত পাঁচবছৰ পূৰ্ণ হোৱাৰ আগতে পঞ্চায়ত ভংগ হ'লে ছয় মাহৰ ভিতৰত পুনৰ নিৰ্বাচন অনুষ্ঠিত কৰিব লাগিব।
- **পঞ্চায়তৰ গঠন প্রক্রিয়া ঃ** পঞ্চায়তৰ সকলো কেইখন আসন প্রত্যক্ষ নিৰ্বাচনী ব্যৱস্থাৰ দ্বাৰা পূৰ্ণ কৰা হয় আৰু ইয়াৰ দ্বাৰা জনপ্রতিনিধি নিৰ্বাচিত হয়। গাঁও পঞ্চায়তৰ সভাপতিগৰাকীক প্রত্যক্ষ নিৰ্বাচনৰ দ্বাৰা আৰু আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ সভাপতিক নিৰ্বাচিত তিনিও পৰ্যায়ৰ সদস্যৰ দ্বাৰা নিৰ্বাচন কৰা হয়।
- **নিৰ্বাচন পৰিচালন ঃ** ৰাজ্যিক নিৰ্বাচন আয়োগে পঞ্চায়তসমূহৰ নিৰ্বাচনী প্রক্রিয়াৰ পৰিচালনা আৰু প্রস্তুতি বিষয়ক সকলো কার্যসূচীৰ দায়িত্ব বহন কৰে। নিৰ্বাচনী প্রক্রিয়া সৎ আৰু নিকাভাৱে পৰিচালনা কৰাৰ বাবে নিৰ্বাচনী আয়োগ দায়বদ্ধ।
- **বিত্ত আয়োগ ঃ** ৭২তম সংবিধান সংশোধনৰ ব্যৱস্থাৱলীৰ নিয়মৰ অধীনত ৰাজ্যসমূহত এক ৰাজ্যিক বিত্ত আয়োগ গঠন কৰিবলৈ নিৰ্দেশ দিয়া হয়। পঞ্চায়তসমূহৰ প্রয়োজনী বিত্তৰ যোগানৰ ক্ষেত্রত এই আয়োগ দায়বদ্ধ। সংশ্লিষ্ট ৰাজ্যৰ ৰাজ্যপালক পঞ্চায়তৰ বিত্তীয় বিষয়সমূহৰ পর্যালোচনা আৰু পৰামর্শ দিয়াই এই আয়োগৰ দায়িত্ব।
- **উন্নয়নমূলক কার্যসূচী ঃ** আইনী ব্যৱস্থাই পঞ্চায়তক উন্নয়নমূলক কার্যসূচীৰ পৰিকল্পনা আৰু পঞ্চায়তৰ বাবে ক্ষমতা আৰু দায়িত্বভাৰ অর্পন কৰিছে। এই দায়িত্বসমূহৰ ভিতৰত অর্থনৈতিক উন্নয়ন। সামাজিক ন্যায় আৰু আচনিৰ কার্যৰূপায়ণ সংবিধানৰ একাদশ সূচীত অন্তর্ভুক্ত কৰা হৈছে। পঞ্চায়ত ব্যৱস্থাৰ উন্নয়নমূলক কার্যসমূহক তলৰ গোট (group) বা ভাগত বিভক্ত কৰিব পাৰি।
  - **অর্থনৈতিক উন্নয়ন ঃ** অর্থনৈতিক উন্নয়নমূলক কার্যসূচীৰ ভিতৰত দৰিদ্র নিবাৰণী কার্যসূচী, কৃষি, ভূমি উন্নয়ন, ক্ষউদ্র জলসিঞ্চন, পশু পালন, মৎস্য পালন, ৰাজহুৱা বনানীকৰণ, বৃক্ষৰোপণ, ক্ষুদ্র আৰ কুটীৰ উদ্যোগ, ইন্ধন আৰু পশু খাদ্য আঁচনি আদি অন্তর্ভুক্ত।
  - **শিক্ষা ঃ** বুনিয়াদী আৰু উচ্চতৰ মাধ্যমিক শিক্ষা, অনানুষ্ঠানিক শিক্ষা, পুথিভঁৰাল, কাৰিকৰী প্রশিক্ষণ, সাংস্কৃতিক কার্যসূচী আদিত গুৰুত্ব প্রদান।
  - **স্বাস্থ্য ঃ** স্বাস্থ্য আৰু স্বচ্ছতাৰ ওপৰত বিশেষ গুৰুত্ব প্রদান কৰা হৈছে।
  - **কল্যাণমূলক কার্যসূচী ঃ** এই কার্যসূচীৰ ভিতৰত সামাজিক কল্যাণ, সমাজৰ দুর্বল শ্রেণীৰ বাবে উন্নয়ন, ৰাজহুৱা বিতৰণ ব্যৱস্থা আৰু মহিলা আৰু ল'ৰা-ছোৱালীৰ কল্যাণ আদি অন্তর্ভুক্ত কৰা হৈছে।

- **আন্তঃগাঁথনিৰ উন্নতকৰণ ঃ** ৰাস্তাঘাট গৃহ, খোৱাপানী, বজাৰ, বৈদ্যুতিকৰণ আৰু ৰাজহুৱা সম্পত্তিৰ ৰক্ষণাবেক্ষণৰ লগতে ভূমি ব্যৱস্থাৰ সংশোধনৰ ক্ষেত্ৰত মনোযোগ দিয়ে।

৬.৫.২ পঞ্চায়তৰাজ ব্যৱস্থাৰ গাঁথনি আৰু কার্য

এইখিনিতে আমি পঞ্চায়তীৰাজ ব্যৱস্থাৰ প্ৰশাসনীয় গাঁথনি সম্বন্ধে আলোচনা কৰিম--

- **গ্ৰাম পঞ্চায়ত ঃ** স্থানীয় স্বায়ত্ত শাসন ব্যৱস্থাৰ বুনিয়াদী শাখা আৰু গ্ৰাম্য পৰ্যায়ৰ প্ৰথম আনুষ্ঠানিক গণতান্ত্ৰিক অনুষ্ঠান হ'ল গ্ৰাম পঞ্চায়তৰ সদস্য তথা সভাপতি সাধাৰণতে গাঁৱৰ বয়স্ক ব্যক্তিৰে গঠিত আৰু বয়স্ক গাঁওবাসীৰ দ্বাৰা প্ৰত্যক্ষভাৱে নিৰ্বাচিত।

গাঁও পঞ্চায়ত এখন জনসাধাৰণৰ দ্বাৰা গঠিত গাঁও সভাৰ ওচৰত নিজৰ কার্যৰ বাবে জবাবদিহি হ'ব লাগিব আৰু গাঁওসভা বছৰত কমেও দুবাৰ অনুষ্ঠিত কৰি নিজৰ কার্যাৱলী সম্বন্ধে জাননী দিব লাগিব। গাঁও পঞ্চায়তে নিজৰ বাজেট বা আয়-ব্যয়ৰ হিচাপ, আগৰ বছৰৰ সঞ্চয় আৰু বার্ষিক প্ৰশাসনীয় বিৱৰণ গাঁও সভা প্ৰকাশ কৰিব লাগে। উন্নয়নমূলক কার্যসূচী আৰু ৰাজহ সম্পৰ্কীয় সিদ্ধান্তসমূহ কার্যকৰীকৰণৰ আগতে গাঁওসভাৰ দ্বাৰা অনুমোদিত হোৱা বাধ্যতামূলক।

- **গঠন ঃ** গাঁও পঞ্চায়তসমূহক কিছুমান গোট (ward)ত ভাগ কৰা হয় । প্ৰতিটো গোট (ward) এজন গোট পৰিচালকে প্ৰতিনিধিত্ব কৰে। গাঁও পঞ্চায়তৰ সদস্যসকলৰ কার্যকাল পাঁচবছৰ। অনুসূচীত জাতি (SC) আৰু অনুসূচীত জনজাতিৰ (ST) কাৰণে আৰু মহিলাৰ কাৰণে আসন সংৰক্ষণৰ ব্যৱস্থা আছে।

প্ৰতি পঞ্চায়ততে এজন সভাপতি আৰু এজন উপ সভাপতি নিৰ্বাচন কৰা হয়। এই সভাপতিগৰাকীয়ে গাঁও পঞ্চায়তত মুখ্য ভূমিকা গ্ৰহণ কৰে। পঞ্চায়তৰ বিভিন্ন কার্যসূচীৰ পর্যবেক্ষণ আৰু সমন্বয় সাধন তেওঁৰ কর্তব্য। পঞ্চায়ত সম্পাদক আৰু গাঁও পর্যায়ৰ কর্মী হ'ল পঞ্চায়ত পর্যায়ৰ দুগৰাকী বিষয়া আৰু তেওঁলোকে পঞ্চায়ত সভাপতিৰ প্ৰশাসনীয় কার্যৰ সহায়ক।

- **গাঁও পঞ্চায়তৰ কার্যাৱলী ঃ** পঞ্চায়ত আইনৰ নির্দেশমতে গাঁও পঞ্চায়ত এখনে বিভিন্ন কার্যাৱলী সম্পাদন কৰিব লাগে। এই কার্যসমূহ দুই ধৰণে বিভক্ত কৰিব পাৰি। যেনে— বাধ্যতামূলক কার্যাৱলী আৰু ঐচ্ছিক (Optional) বা ইচ্ছানুসাৰ কার্যাৱলী।

➢ **বাধ্যতামূলক কার্যাৱলী ঃ**

- গাঁৱৰ ৰাস্তা-ঘাটসমূহৰ নির্মাণ, মেৰামতি, সংৰক্ষণ, সংশোধন, আৰু প্ৰসাৰণ, ৰাস্তা-ঘাটত বৈদ্যুতিক সংযোগকৰণ, নিয়মবহির্ভূত দখল উচ্ছেদ আৰু ৰাজহুৱা ঠাই তথা ৰাস্তা-ঘাট আদিৰ বাধা আতৰকৰণ।
- গাঁৱৰ নলা-নর্দমাসমূহৰ নির্মাণ, মেৰামতি আৰু পৰিস্কাৰকৰণ আৰু আৱর্জনা পৰিস্কৰণ আদিৰ দ্বাৰা গাঁৱৰ স্বচ্ছতাৰ প্ৰৱন্ধন আৰু লেতেৰা ঠাইৰ পৰিস্কৰণ।
- গাঁওবাসীক পৰিস্কাৰ খোৱা-পানীৰ যোগান।
- মহামাৰী আৰু অন্য ঘাতক বীজাণুঘটিত ৰোগসমূহৰ পৰা গাঁওবাসীক প্ৰতিষেধমূলক ব্যৱস্থাৰ সুবিধা দিয়া, জন্ম আৰু মৃত্যুৰ পঞ্জীয়ন আৰু এইবোৰ পৰিসংখ্যা প্ৰস্তুত আৰু আপত্তিজনক আৰু বিপদসমকুল ব্যৱসায় প্ৰতিৰোধ।
- ৰাজহুৱা পশু-চৰণীয়া পথাৰত ৰক্ষণাবেক্ষণ আৰু অন্য ৰাজহুৱা অনুষ্ঠানৰ প্ৰতিপালন বা ৰক্ষণাবেক্ষণ।

- গাঁওবাসী আৰু গাঁৱৰ জীৱ-জন্তুসমূহৰ পৰিসংখ্যা বা গণনা প্ৰস্তুত, অন্য পৰিসংখ্যা লিপিবদ্ধকৰণ।
- পঞ্চায়তৰ অধীনৰ সম্পত্তিসমূহৰ ৰক্ষণাবেক্ষণ।
- বুনিয়াদী শিক্ষাৰ প্ৰসাৰ আৰু পৰিচালনা।
- ভূমি উন্নয়নৰ ব্যৱস্থা লগতে সংৰক্ষণৰ ব্যৱস্থা।
- বজাৰ, জাহাজ, আমোদ-প্ৰমোদৰ স্থান, জাহাজ ঘাট আৰু অন্য ৰাজহুৱা স্থানৰ ওপৰত নিয়ন্ত্ৰণ বজাই ৰখা।

➢ **ঐচ্ছিক ক্ৰিয়াসমূহ ঃ**

- প্ৰাপ্তবয়স্ক শিক্ষাৰ ব্যৱস্থা, পঞ্চায়ত সমিতিৰ অনুমোদনক্ৰমে প্ৰাথমিক বিদ্যালয় স্থাপন।
- প্ৰয়োজন অনুপাতে কৰ্ম সংস্থাপনৰ বাবে কৰ্মৰ সুবিধা। অভাৱৰ সময়ত ব্যৱহাৰৰ বাবে খাদ্য ভৰাল প্ৰস্তুতকৰণ।
- গাঁৱৰ নিবনুৱা ব্যক্তিৰ পৰিসংখ্যা সংগ্ৰহ।
- দুৰ্ভিক্ষ নিবাৰণৰ ব্যৱস্থা গ্ৰহণ।
- অতিথি গৃহ আৰু ধৰ্মশালাৰ নিৰ্মাণ আৰু ৰক্ষণাবেক্ষণ।

- **ন্যায়িক ক্ষমতা** (Judicial Power) ঃ ন্যায়িক ক্ষমতাৰ ক্ষেত্ৰত গাঁও পঞ্চায়তৰ ক্ষমতা সীমিত। সৰু সুৰা অপৰাধসমূহৰ বিচাৰৰ বাবে গাঁও পঞ্চায়তে ক্ষমতা প্ৰয়োগ কৰিব পাৰে। অপৰাধমূলক ঘটনাসমূহৰ ভিতৰত হানি, সম্পত্তি চুৰি, অপমান আদিৰ বাবে পঞ্চায়তে সভা আহ্বান কৰিব পাৰে আৰু নিৰ্ধাৰিত মাচুল বা দণ্ডৰ বিধান দিব পাৰে। এইখিনিতে উল্লেখযোগ্য যে পঞ্চায়তে ব্যক্তি এগৰাকীক কোনো কামৰ শাস্তি হিচাপে মাচুল বা অৰ্থদণ্ড আৰোপ কৰিব পাৰে কিন্তু জেললৈ পঠিয়াব নোৱাৰে। পঞ্চায়তৰ সন্মুখত কোনো উকীলৰ দ্বাৰা মোকদমাৰ বাবে সহায় ল'ব নোৱাৰে। আচামী আৰু ফৰিয়াদী দুয়ো পক্ষই নিজৰ সমৰ্থনত পঞ্চায়তৰ সন্মুখত হাজিৰ হ'ব। সাধাৰণতে পঞ্চায়তৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত। কিন্তু ইচ্ছা কৰিলে জিলা অধিকাৰীৰ আদালতত আত্মপক্ষ সমৰ্থনত দৰ্খাস্ত জনাব পাৰে।
- **ব্লক পঞ্চায়ত ঃ** ব্লক পঞ্চায়তক পঞ্চায়ত সমিতি বুলিও জনা যায়। পঞ্চায়তীৰাজ ব্যৱস্থাৰ ই দ্বিতীয় স্তৰ। ব্লক পঞ্চায়তে এটা তালুকা (Tehsil)ৰ কাৰণে কাম কৰে। এখন পঞ্চায়ত সমিতিত ২০-৬০ গাঁও একত্ৰিত হয় আৰু জনসংখ্যা অনুসৰি আৰু গাঁও পৰিসীমা অনুসৰি গাঁৱৰ সংখ্যা নিৰ্ধাৰণ হয়। এই পঞ্চায়ত সমিতিবোৰে কল্যাণমূলক উদ্দেশ্যৰে গঠিত হয় আৰু ব্লক উন্নয়ন বিষয়াৰ (Block Development Officer) অধীনত পৰিচালিত হয়।

➢ **গঠন ঃ** তলত উল্লেখ কৰা মানদণ্ডসমূহ ব্লক পঞ্চায়তৰ বাবে সদস্য মনোনীত কৰণত আৱশ্যক হয়।

- ব্লকৰ অধীনৰ সকলো পঞ্চায়তৰ পৰা বিশজন সদস্য নিৰ্বাচন কৰা হয়।
- দুগৰাকী মহিলা সদস্যা আৰু অনুসূচীত জাতি আৰু জনজাতিৰ একোজনকৈ সদস্য থাকিব।
- ৰাজহুৱা কাম-কাজ আৰু প্ৰশাসনৰ লগত সম্বন্ধ আৰু অভিজ্ঞতা থকা দুগৰাকী ব্যক্তিক গ্ৰাম্য বিকাশৰ সহায়ক হোৱাকৈ নিৰ্বাচন কৰা হয়।
- কো-অপাৰেটিভ (co-operative) বা সহায়কাৰী কমিটীৰ পৰা প্ৰতিনিধি নিৰ্বাচন কৰা হয়, যিয়ে ব্লকৰ পৰিচালনাত কাম কৰে।

- আঞ্চলিক পঞ্চায়ত এলেকাক প্রতিনিধি কৰা বিধানসভাৰ সদস্য আৰু লোকসভাৰ সদস্যও আঞ্চলিক সমিতিৰ বা Blockৰ সদস্য হ'ব।
- পঞ্চায়ত সমিতিৰ সভাপতিগৰাকীক পঞ্চায়ত সমিতিৰ সকলো সদস্য আৰু সকলো গাঁও পঞ্চায়তৰ সভাপতিৰে গঠিত নির্বাচকমণ্ডলীয়ে নির্বাচন কৰে।

ব্লক পঞ্চায়তৰ কার্যাৱলী ঃ

- ব্লক পঞ্চায়তে ইয়াৰ অন্তর্ভুক্ত পঞ্চায়তসমূহৰ মাজত সমন্বয় সাধন কৰে।
- ব্লক পঞ্চায়তে পঞ্চায়তৰ কাম-কাজসমূহৰ নিৰীক্ষণ আৰু পঞ্চায়তৰ বাজেটৰ পৰিকল্পনা পৰীক্ষণ কৰে। পঞ্চায়তৰ কাম-কাজসমূহৰ উন্নীতকৰণৰ কাৰণে ব্লক পঞ্চায়তে পৰামর্শ দিয়ে।
- ব্লক পঞ্চায়তে কৃষি, পশু-পালন, মীন পালন, ক্ষুদ্র আৰু কুটীৰ উদ্যোগ, গ্রাম্য স্বাস্থ্যৰ পৰিকল্পনা প্রস্তুত আৰু ইয়াৰ কার্যান্বিত কৰাৰ দায়িত্ব বহন কৰে।
- প্রাথমিক স্বাস্থ্যকেন্দ্র আৰু প্রাথমিক বিদ্যালয়ৰ স্থাপন।
- খোৱা পানীৰ যোগান, নলা-নর্দমাৰ ব্যৱস্থা আৰু ৰাস্তা-ঘাটৰ নির্মাণ মেৰামতি আদি।
- কুটীৰ আৰু ক্ষুদ্র উদ্যোগৰ উন্নতিকৰণ আৰু ক'অপাৰেটিভ কমিটীৰ বা সমবায়ৰ স্থাপনা।

➢ **জিলা পৰিষদ ঃ** পঞ্চায়তৰ তিনি খলপীয়া গঠন ব্যৱস্থাৰ শীর্ষত হ'ল জিলা পৰিষদ। জিলা পৰিষদৰ সদস্য বা সেই জিলাৰ অন্তর্গত সমষ্টিসমূহৰ বাসিন্দাই প্রতিনিধি হিচাপে প্রত্যক্ষভাৱে নির্বাচন কৰিব। এই ক্ষেত্রত প্রাপ্তবয়স্ক ভোটাধিকাৰসম্পন্ন নাগৰিকেহে নির্বাচনত অংশগ্রহণ কৰিব পাৰে। জিলা পৰিষদৰ কার্যালয় পাঁচ বছৰৰ। অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্রেণী, মহিলা প্রতিনিধিৰ কৰণে আসন সংৰক্ষণৰ ব্যৱস্থা আছে। জিলা অধিকাৰীও জিলা পৰিষদৰ সদস্য।

➢ **গঠন ঃ** জিলা পৰিষদৰ সভাপতি গৰাকীক সদস্যসমূহৰ মাজৰ পৰা নির্বাচন কৰা হয়। ব্লক পঞ্চায়ত বা পঞ্চায়ত সমিতিৰ সদস্য, ৰাজ্যিক বিধানসভাৰ সদস্য, লোকসভাৰ সদ্যস্য লগতে স্বাস্থ্য, ৰাজহুৱা নির্মাণ, কৃষি পশু চিকিৎসা, শিক্ষা আৰু অন্যান্য উন্নয়নমূলক অনুষ্ঠানসমূহৰ জিলা পর্যায়ৰ বিষয়াৰে জিলা পৰিষদ গঠন হয়।

জিলা পৰিষদৰ কার্যাৱলী ঃ

- জিলাৰ অন্তর্গত পঞ্চায়ত সমিতিসমূহৰ সৈতে জিলা পৰিষদে সমন্বয় সাধন কৰে।
- পঞ্চায়ত সমিতিসমূহৰ কার্যাৱলীৰ মাজত সমন্বয় আৰু কার্যসমূহৰ পর্যবেক্ষণ কৰে।
- ই জিলা পর্যায়ৰ পৰিকল্পনাসমূহ প্রস্তুত কৰে আৰু জিলা সমিতিৰ পৰিকল্পনাসমূহৰ লগত ইয়াৰ সমন্বয় সাধন কৰে আৰু ৰাজ্য চৰকাৰৰ ওচৰত এই পৰিকল্পনা দাখিল কৰে।
- জিলা পৰিষদে গোটেই জিলাখনৰে উন্নয়নমূলক কামসমূহৰ তদাৰক কৰে। জিলা পৰিষদে কৃষি উৎপাদন বৃদ্ধি, ভূ গর্ভস্থ পানীৰ উচিত ব্যৱহাৰ, গ্রাম্য বৈদ্যুতিকৰণ আৰু বিতৰণ, সংস্থাপনৰ সুবিধা থকা কার্য উৎপন্ন কৰা, ৰাস্তা-ঘাট নির্মাণ আৰু অন্য ৰাজহুৱা কার্যৰ বাবে আঁচনি গ্রহণ কৰে।
- প্রাকৃতিক দুর্যোগ আৰু দুর্ভিক্ষ, অনাথালয় স্থাপন, দুখীয়াৰ কাৰণে আশ্রয়স্থল নির্মাণ, ৰাতিৰ আশ্রয়ৰ কাৰণে নিৰাস, মহিলা আৰু শিশুৰ কল্যাণ আদি জনকল্যাণমূলক আঁচনিও গ্রহণ কৰে।
- কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা আর্থিকভাৱে সাহায্যপ্রাপ্ত কার্যসূচীসমূহৰ জিলা পৰিষদে কার্যত ৰূপায়িত কৰে।

৬.৬ ভাৰতবৰ্ষত পঞ্চায়তীৰাজ ব্যৱস্থাত নাৰী সৱলীকৰণ

পৃথিৱীৰ মুঠ জনসংখ্যাৰ অধাসংখ্যকেই মহিলা যদিও তেওঁলোক সদায় উপেক্ষিত হৈ আহিছে। পুৰুষসকলৰ বিপৰীতে মহিলাসকলে পৃথিৱীৰ মুঠ আয়ৰ মাত্ৰ ১/১০ ভাগ মাত্ৰ উৎপাদনৰ আহিলা ভোগ কৰে আৰু প্ৰায় ৭০% ই দৰিদ্ৰ সমীৰেখাৰ তলত বাস কৰে। চৰকাৰী কাৰ্যালয়ত সংস্থান লাভৰ ক্ষেত্ৰতও মহিলাসকল মনোনীত নহয়। সংবিধান মতে যদিও মহিলাসকলে পুৰুষৰ সমপৰ্যায়ৰ মৰ্যাদা লাভ কৰিছে তথাপিও মহিলাকল এতিয়াও বিশেষভাৱে সবল হৈ উঠিব পৰা নাই। সেয়েহে সমাজ এখনৰ উন্নতিৰ কাৰণে নাৰী সৱলীকৰণ বিশেষভাৱে আৱশ্যকীয়।

ভাৰতৰ উন্নয়নৰ পথত নাৰীসকলৰ অন্তৰ্ভুক্তি এক দীঘল প্ৰক্ৰিয়া। ভাৰত চৰকাৰে নিজৰ আচনি সমূহৰ প্ৰণয়নৰ সময়ত সেয়েহে এক পৰিৱৰ্তিত ধাৰণা গ্ৰহণ কৰে যেনে- ১৯৭০ চনত 'নাৰীসকলৰ কলাণ' (Wenfare of women), ১৯৮০ চনত 'নাৰীসকলৰ উন্নতি (Development of women) আৰু ১৯৯০ চনত নাৰী সৱলীকৰণ' (Empoerment of women) ১৯৯৩ চনত ভাৰতীয় সংবিধানত পঞ্চায়তীৰাজ ব্যৱস্থাৰ অন্তৰ্ভুক্তিৰে শাসন ব্যৱস্থাত মহিলাৰ প্ৰতিনিধিত্বৰ ক্ষেত্ৰত পৰিৱৰ্তন আহে। পঞ্চায়তীৰাজ ব্যৱস্থাৰ অধীনত ৩৩% আসন মহিলাৰ বাবে সংৰক্ষণ কৰা হয় আৰু তৃণমূল পৰ্যায়লৈকে মহিলাৰ বিচাৰ কৰাৰ ক্ষেত্ৰত অধিকাৰৰ স্বাধীনতা দিয়া হয়। ২০০৯ চনত পঞ্চায়তী ৰাজ ব্যৱস্থাৰ অধীনত মহিলাৰ বাবে ৫০% আসন সংৰক্ষণৰ বাবে ভাৰত চৰকাৰে অনুমোদন জনায়।

মহিলাৰ প্ৰতিনিধিত্বৰ ক্ষেত্ৰত যোৱা দুটা দশকত বিভিন্ন পৰিৱৰ্তন দেখা যায় । সেইবোৰৰ কিছুমান হ'ল—

- মহিলাসকলে প্ৰত্যাহ্বানৰ সন্মুখীন হৈ নিজকে এগৰাকী প্ৰকৃত নাগৰিক হিচাপে প্ৰতিষ্ঠা কৰি ৰাজনৈতিকভাৱে নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ শিকে।
- ভাৰতীয় পঞ্চায়তীৰাজ ব্যৱস্থাৰ মাজেৰে লাভ কৰা অভিজ্ঞতাৰ সহায়ত ১০ লাখতকৈ বেছি মহিলাই প্ৰত্যক্ষভাৱে ভাৰতীয় ৰাজনৈতিক জীৱনত প্ৰৱেশ কৰে।
- স্থানীয়ভাৱেও নাৰীসমস্যাসমূহে অগ্ৰাধিকাৰ পায় আৰু ফলত ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়তও ই যথাযোগ্য গুৰুত্ব পায়।

পঞ্চায়তীৰাজ ব্যৱস্থাৰ অধীনত মহিলাসকলে আত্মসহায়ক গোট (Self Help Groups), সমবায় সমিতি, সূক্ষ্ম, লঘু আৰু মধ্যম উদ্যোগৰ সৃষ্টি, উন্নয়ন আৰু সমৃদ্ধিৰ কাৰণে কাম কৰে।

- পঞ্চায়তীৰাজ ব্যৱস্থাত মহিলাসকলে পথ প্ৰদৰ্শকৰ ভুমিকা গ্ৰহণ কৰে আৰু স্থানীয় প্ৰশাসনক দৰিদ্ৰতা, অসমানতা আৰু লিঙ্গ বিভেদ আদিৰ দৰে সমস্যাবোৰৰ প্ৰতি সজাগ কৰি ৰাষ্ট্ৰকও সজাগ কৰে।
- পঞ্চায়তীৰাজ ব্যৱস্থাত মহিলাসকলে পানীৰ সমস্যা দুৰীকৰণ মাদকদ্ৰব্য নিবাৰণ, ঘৰুৱা হিংসা, শিক্ষা, নাৰীৰ শ্লীলতা হানি আদি বিষয়বোৰৰ ওপৰত আইনসন্মত পদক্ষেপ লোৱাত নিৰ্ণায়ক ভুমিকা গ্ৰহণ কৰে।
- শিশু বিবাহ, ঘৰুৱা কাম-কাজত শিশু শ্ৰমিক নিযুক্তি আৰু কন্যা শিশুৰ শিক্ষাৰ অধিকাৰ আদি বিষয়ত নাৰীসকলেও আগভাগ লয়।

পঞ্চায়তীৰাজ ব্যৱস্থাৰ সহায়ত মহিলাৰ সৱলীকৰণৰ ক্ষেত্ৰত উল্লেখযোগ্য পৰিৱৰ্তন আহিলেও বহু ক্ষেত্ৰত মহিলাসকলে পুৰুষৰ তুলনাত পিছপৰি আছে। এই ক্ষেত্ৰত মূল সমস্যাসমূহ হ'ল—

- **গঠনগত সমস্যা ঃ** মহিলা প্ৰতিনিধিসকলে সামাজিক উন্নয়নমূলক ক্ৰিয়া যেনে— স্বাস্থ্য, স্বচ্ছতা, বৃদ্ধবয়সৰ ভাট্টা আৰু কল্যাণমূলক কাম আদিৰ প্ৰাধান্য দিলেও পঞ্চায়ত মিটিং সমূহত মূল বিষয় হিচাপে উত্থাপন

কৰাত প্রত্যাহ্বানৰ সন্মুখীন হৈ আহিছে। ইয়াৰ বিপৰীতে আন্তঃগাঁথনি (Infrustructure) সম্বন্ধীয় সমস্যাইহে মূল বিষয় হিচাপে প্রাধান্য পায়। সামাজিক কল্যাণমূলক বিষয় যেনে স্বাস্থ্য আৰু শিক্ষাই অগ্রাধিকাৰ নাপায়।

- **সামাজিক আৰু সাংস্কৃতিক বাধা ঃ** পুৰুষৰ তুলনাত মহিলাসকলে নানান সমস্যাৰ সন্মুখীন হয় যাৰ কাৰণে তেওঁলোকে নির্বাচনত ইচ্ছানুসৰি নিজৰ অধিকাৰ সাব্যস্ত কৰিব নোৱাৰে। এই সমস্যাসমূহ হ'ল লিঙ্গ সম্বন্ধে অসমান মনোভাৱ, ৰাজনৈতিক সমাজীকৰণ, ৰাজনৈতিক সচেতনতাৰ অভাৱ আদি।
- **লিঙ্গজনিত বৈষম্য ঃ** ৰাজনৈতিক ক্ষেত্রখনৰ তুমুল প্রতিযোগিতামূলক প্রকৃতি আৰু ইয়াৰ আক্রমণশীল প্রকৃতিৰ কাৰণে ৰাজনৈতিকভাৱে সক্ষম হ'বলৈ পুৰুষসুলভ শক্তি থকাটো প্রয়োজনীয় বুলি ধাৰণা কৰা হয়। সেয়েহে নাৰীসকলক প্রকৃতিগতভাৱে শাৰীৰিক আৰু মানসিকভাৱে দুর্বল বুলি বিবেচনা কৰি তেওঁলোকক ৰাজনৈতিকভাৱে দুর্বল নেতৃত্বৰ হ'ব বুলি ধাৰণা কৰা হয় ।
- **ৰাজনৈতিক সমাজিকৰণ ঃ** লিঙ্গ সচেতনতা জন্মৰ সময়ৰ পৰাই আৰম্ভ হয়। সাধাৰণতে দেখা যায় যে ৰাজনীতি পুৰুষশাসিত ক্ষেত্র। সামাজিকৰণ শাখাসমূহ যেনে— পৰিয়াল, বিদ্যালয়, উচ্চশিক্ষা, জন সংযোগ আৰু ধর্মই এই ধাৰণাক বেছিহে প্রকট কৰে।
- **কাম আৰু পৰিয়ালৰ মাজত সমাঞ্জস্য ঃ** কাম আৰু জীৱনৰ মাজত সামঞ্জস্য সাধাৰণতে মহিলাসকলৰ কাৰণে কষ্টকৰ। সমাজে তেওঁলোকক পৰিয়ালৰ, সন্তানৰ মূল শুশ্রূষাকাৰিণী বুলি গণ্য কৰে। সেয়েহে প্রায়ে দেখা যায় যে কাম আৰু পৰিয়ালৰ মাজত সামঞ্জস্য ৰক্ষাৰ কাৰণে মহিলাসকলে তেওঁলোকৰ ৰাজনৈতিক অংশগ্রহণৰ কামনাক বর্জন কৰে বা দেৰিকৈ আৰম্ভ কৰে।

  ওপৰোক্ত সমস্যাসমূহ সমাধান কৰি ৰাজনীতিত মহিলাৰ সৱল আৰু সক্রিয় অংশগ্রহণ সম্ভৱ কৰি তুলিবলৈ কেইটামান পদক্ষেপ লোৱা জৰুৰী।
- গ্রাম্য মহিলাসকলক মূলসুতিলৈ ওভতাই আনিবলৈ হ'লে প্রথমেই পুৰুষ আৰু মহিলাসকলৰ ভাৱধাৰাৰ পৰিৱর্তন আনিব লাগিব। নাৰীসকলক অকল গৃহকার্যতে সীমাবদ্ধ কৰি নাৰাখি আৰু সন্তান প্রতিপালনৰ কাৰণ উপযোগী বুলি নাভাবি পুৰুষৰ সমান অধিকাৰ আৰু মর্যাদা প্রদান কৰা উচিত ।
- মহিলাসকলে স্বাধীনভাৱে ৰাজনীতিত অংশগ্রহণৰ সুবিধা পোৱা উচিত। ৰাষ্ট্র গঠনত তেওঁলোকে নিজৰ মতামত প্রদর্শন কৰাৰ বাবে পুৰুষৰ সমানেই অধিকাৰ ভোগ কৰা উচিত আৰু সেয়েহে মহিলাৰ সৱলীকৰণৰ বাবে অৰিহণা যোগাব।
- পঞ্চায়তৰ মিটিংসমূহৰ সকলো স্তৰতেই মহিলাৰ অংশগ্রহণৰ বাবে অধিক প্রচেষ্টাৰ আৱশ্যক। সামাজিক বা ৰাজনৈতিক কার্যসমূহত অংশগ্রহণে নাৰীসকলৰ মনত আত্মবিশ্বাস জগাই তোলে আৰু তেওঁলোকৰ ব্যক্তিগত গুণসমূহৰো বিকাশ সাথে। নাৰীয়ে অধিক সাহসেৰে ৰাজনীতিত অংশ গ্রহণ কৰি নিজৰ অধিকাৰ সাব্যস্ত কৰিব পাৰে। ইয়াৰ ফলত নাৰী সৱলীকৰণৰ পথও প্রশস্ত হয়।
- গাঁও পঞ্চায়ত, জিলা পঞ্চায়তত সকলো মহিলা সদস্যৰ উপস্থিতি বাধ্যতামূলক কৰা উচিত।
- চৰকাৰেও মহিলা অনুষ্ঠানসমূহৰ আন্তঃগাঁথনি যোগান তথা বেচৰকাৰী সংস্থা (NGO) সমূহক আর্থিক সাহায্যৰ ব্যৱস্থা কৰি নির্ধাৰিত ৰাজনৈতিক প্রতিনিধি মহিলাসকলৰ সাহস বৃদ্ধি কৰা উচিত। মহিলাসকলৰ ৰাজনৈতিক, সামাজিক আৰু অর্থনৈতিক অভিজ্ঞতা বৃদ্ধিৰ বাবে শিক্ষামূলক অনুষ্ঠানৰ ব্যৱস্থা কৰা উচিত।

- বিভিন্ন চৰকাৰী নীতি যেনে— ৰাষ্ট্ৰীয় সাক্ষৰতা অভিযান আৰু সৰ্বশিক্ষা অভিযান আদিৰ উচিত ব্যৱহাৰৰ দ্বাৰা গ্ৰামা পুৰুষ-মহিলাসকলৰ শিক্ষাদান আৰু মহিলাৰ সৱলীকৰণত গুৰুত্ব দিয়া উচিত।
- জনসংযোগী মাধ্যমসমূহেও এই ক্ষেত্ৰত যোগাত্মক ভূমিকা গ্ৰহণ কৰা উচিত। ই ৰাজনৈতিক সামাজীকৰণৰ এক অংশ হিচাপে ভূমিকা গ্ৰহণ কৰি সমাজত লিঙ্গ সমানতা আৰু লিঙ্গজনিত অন্যায় ৰোধ কৰাত সহায় কৰিব পাৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভাৰতবৰ্ষৰ জাতিৰ প্ৰধান বিভাগসমূহ কি কি? প্ৰতিটো বিভাগেই চমুকৈ বৰ্ণনা কৰক।

প্ৰশ্ন নং ২ ঃ পঞ্চায়তীৰাজ ব্যৱস্থা প্ৰণয়নৰ বাবে আইনৰ কোনটো ধাৰা ব্যৱহৃত কৰা হৈছিল।

প্ৰশ্ন নং ৩ ঃ পঞ্চায়তীৰাজ ব্যৱস্থাৰ অধীনত প্ৰধান প্ৰশাসনীয় গাঁথনিসমূহ কি কি?

৬.৭ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

- ভাৰতৰ জাতি ব্যৱস্থাৰ আৰম্ভণি ২০০০ বছৰ আগৰপৰাই আৰম্ভ হৈছিল ।
- জাতি ব্যৱস্থা প্ৰথমেই হিন্দুত্ববাদক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছিল, য'ত বৃত্তিক কেন্দ্ৰ কৰি মানুহক জাতিত শ্ৰেণীবিভাগ কৰা হৈছিল।
- জাতিৰ ইংৰাজী প্ৰতিশব্দ স্পেনিছ শব্দ 'Caste' Breed বা 'Lineage'ৰ পৰা আহিছে।
- জাতিৰ সংস্কৃত প্ৰতিশব্দ হ'ল 'বৰ্ণ' যাৰ অৰ্থ ৰং, ভাগ, শ্ৰেণী, প্ৰকাৰ বা প্ৰণালী (order)
- জাতি প্ৰধানকৈ চাৰিটা– ক) ব্ৰাহ্মণ, খ) ক্ষত্ৰিয়, গ) বৈশ্য আৰু ঘ) শূদ্ৰ।
- এই চাৰিজাতিৰ বাহিৰত জন্মা লোকসকলক 'অস্পৃশ্য' বুলি কোৱা হৈছিল।
- জাতি পদ্ধতিৰ প্ৰধান বৈশিষ্ট্য হ'ল— বংশানুক্ৰম, পৃথকীকৰণ, পৱিত্ৰতা-অপৱিত্ৰতা, বৃত্তিগত সংস্থা, সামাজিক আৰু ধৰ্মীয় নিষেধ, সাংস্কৃতিক পাৰ্থক্য আদি।
- সংস্কৃতকৰণ, পশ্চিমীয়াকৰণ আধুনিকীকৰণ, উদ্যোগীকৰণ আৰু নগৰীকৰণ, বিকেন্দ্ৰীকৰণ আদিয়ে জাতি ব্যৱস্থাৰ পৰিৱৰ্তন আৰু বিকাশৰ মূল কাৰণ।
- শ্ৰেণী হ'ল কিছুমান ব্যক্তি বা ব্যক্তিৰ গোট, যি গোটে একে প্ৰকৃতিৰ আৰ্থ সামাজিক প্ৰস্থিতি লাভ কৰে আৰু সমাজৰ অন্য গোটৰ পৰা ই পৃথক হয়।
- ভাৰত উপমহাদেশত গাঁও পঞ্চায়ত হ'ল প্ৰাচীন স্থানীয় চৰকাৰ পদ্ধতি। 'পঞ্চায়ত' শব্দৰ অৰ্থ হ'ল 'সদন' বা 'মেল' যত পাঁচগৰাকী সন্মানীয় বয়স্ক ব্যক্তিৰ স্থানীয় ব্যক্তিসকলৰ দ্বাৰা নিৰ্বাচন কৰা হয়।
- পঞ্চায়তৰ মুখ্য নাগৰিকসম্বন্ধীয় কৰ্তব্য হ'ল— স্বচ্ছতা সম্পৰ্কীয় ব্যৱস্থা গ্ৰহণ, ৰাস্তা- ঘাটত পোহৰৰ ব্যৱস্থা, খোৱা পানীৰ যোগান আদি।
- ১৯৯৩, ২৪ এপ্ৰিলত পঞ্চায়তীৰাজ ব্যৱস্থাই সাংবিধানিক মৰ্যাদা লাভ কৰে।
- মহাত্মা গান্ধীয়ে পঞ্চায়তীৰাজ ব্যৱস্থাক ভাৰতৰ ৰাজনৈতিক ব্যৱস্থাৰ বুনিয়াদী আধাৰ বুলি কৈছিল।
- ১৯৯৩ চনত, পঞ্চায়তীৰাজ ব্যৱস্থাৰ অধীনত ৩৩% আসন মহিলাৰ বাবে সংৰক্ষণ কৰা হয় আৰু তৃণমূল পৰ্যায়ত তেওঁলোকক নিজৰ মতামত ব্যক্ত কৰাৰ অধিকাৰ প্ৰদান কৰা হয়। ২০০৯ চনত ভাৰত চৰকাৰে

আসন সংৰক্ষণৰ হাৰ ৫০% লৈ বৃদ্ধি কৰে।

৬.৮ অধিক জানিবলৈ

১) Laxmikanth. M, (২০১৩) ''Indian Polity'', McGraw Hill Education, New Delhi.

৬.৯ অগ্রগতিৰ খতিয়ান

প্রশ্ন ১ ৰ উত্তৰ ঃ প্রাথমিকভাৱে প্রধান জাতি চাৰিটা হ'ল — (১) ব্রাহ্মণ (২) ক্ষত্রিয় (৩) বৈশ্য (৪) শূদ্র। ব্রহ্মণসকল হ'ল পুৰোহিত শ্রেণীৰ, শিক্ষিত লোক; ক্ষত্রিয়সকল হ'ল শাসনকর্তা, যোদ্ধা; বৈশ্যসকল হ'ল শিল্পী, ব্যৱসায়ী আৰু কৃষক শ্রেণীৰ; তেনেদৰে শূদ্রসকল হ'ল শ্রমিক শ্রেণীৰ। এই চাৰিজাতিৰ বাহিৰত জন্ম গ্রহণ কৰা লোকসকলক 'অস্পৃশ্য' বুলি জ্ঞান কৰা হৈছিল।

প্রশ্ন ২ ৰ উত্তৰ ঃ ১৯৯২ চনৰ ৭৩ নং অনুচ্ছেদ।

প্রশ্ন ৩ ৰ উত্তৰ ঃ পঞ্চায়তীৰাজ ব্যৱস্থা প্রধানকৈ তিনিটা স্তৰযুক্ত। সেইকেইটা হ'ল— (১) গাঁও পঞ্চায়ত (২) ব্লক পঞ্চায়ত আৰু (৩) জিলা পৰিষদ ।

৬.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ভাৰতবর্ষৰ জাতি পদ্ধতিৰ বিষয়ে উদাহৰণসহ ব্যাখ্যা কৰা ।

প্রশ্ন ২ ঃ শ্রেণী আৰু জাতিক পৰস্পৰৰ পৰা কেনেকৈ পৃথক কৰিব পাৰি

প্রশ্ন ৩ ঃ পঞ্চায়তীৰাজ ব্যৱস্থা কি?

প্রশ্ন ৪ ঃ ভাৰতবর্ষত জতি ব্যৱস্থাৰ পৰিৱর্তনৰ মূল কাৰণসমূহ চমুকৈ লিখক।

প্রশ্ন ৪ ঃ ভাৰতৰ জাতিব্যৱস্থাৰ বৈশিষ্ট্যসমূহ বহলাই ব্যাখ্যা কৰক।

প্রশ্ন ৫ ঃ ভাৰতৰ পঞ্চায়তীৰাজ ব্যৱস্থাৰ মূল বৈশিষ্ট্যসমূহ বহলাই ব্যাখ্যা কৰক।

প্রশ্ন ৬ ঃ পঞ্চায়তীৰাজ ব্যৱস্থাৰ গঠন আৰু কার্যসম্বন্ধে ব্যাখ্যা কৰক।

প্রশ্ন ৭ ঃ পঞ্চায়তীৰাজ ব্যৱস্থাত নাৰীসকলে ভোগ কৰা প্রধান অন্তৰায়সমূহ লিখক। এই অন্তৰায়সমূহ আঁতৰ কৰিবলৈ ল'ব লগা ব্যৱস্থাসমূহৰ বিষয়ে ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৭ ঃ গ্রাম্য অঞ্চলত মহিলা আৰু শিশুৰ বিকাশ

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ ভাৰতীয় অর্থনীতিত মহিলা
৭.৩.১ মহিলা আৰু শিশু বিকাশ মন্ত্রালয়
৭.৩.১ মহিলাৰ বাবে সামাজিক আৰু অর্থনৈতিক বিকাশমূলক আঁচনি
৭.৪ সুসংবদ্ধ শিশু সুৰক্ষামূলক আঁচনি
৭.৫ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ
৭.৬ অধিক জানিবলৈ
৭.৭ অগ্রগতিৰ খতিয়ান
৭.৮ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- মহিলা আৰু শিশু বিকাশ মন্ত্রালয়ৰ আৰম্ভণি কেনেদৰে হৈছিল জানিব পাৰিব
- মহিলা সবলীকৰণ আৰু শিশুৰ বিকাশৰ বাবে ভাৰত চৰকাৰে গ্রহণ কৰা বিভিন্ন উন্নয়নমূলক আঁচনিৰ বিষয়ে বুজিব পাৰিব
- সমগ্র ভাৰতবর্ষতে এই আঁচনিসমূহৰ প্রভাৱ আৰু কার্যকাৰিতাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

৭.২ পৰিচয়

অতীজৰে পৰা ভাৰতীয় মহিলা বিভিন্ন ধৰণৰ বৈষম্যতা, শোষণ আৰু বিবিধ পীড়াৰ মুখামুখি হৈ আহিছে। ভাৰতবর্ষৰ মুঠ জনসংখ্যাৰ ৪৮.৫২% মহিলাৰদ্বাৰা গঠিত আৰু সেয়ে যিকোনো মুখ্য আঁচনিৰ পৰিকল্পনা মহিলা-কেন্দ্রীক কৰাটো দেশৰ বিকাশৰ বাবে নির্ণায়ক হৈ পৰিছে। এনে কৰাটো জৰুৰী হৈ পৰিছে কিয়নো মহিলা সবলীকৰণ আৰু স্বশাসনে তেওঁলোকৰ ৰাজনৈতিক, সামাজিক, অর্থনৈতিক আৰু স্বাস্থ্যজনিত মর্যাদালৈ বিকাশ কঢ়িয়াই আনিব। স্বাধীনতাৰ পাছত আঁচনি পৰিকল্পনাকাৰীসকলে মহিলাৰ স্বার্থ সুৰক্ষাৰ বাবে বিভিন্ন সাংবিধানিক ব্যৱস্থাৰ কথা ভাবিছিল আৰু তেওঁলোকৰ উৎকর্ষ সাধনার্থে বিবিধ আর্থ-সামাজিক বিকাশমূলক ব্যৱস্থাও হাতত লৈছিল। অতীতৰ বছৰবোৰৰ অভিজ্ঞতাই দেখুৱাইছে যে এই বিকাশমূলক আঁচনিসমুহ সর্বাধিক সফল তেতিয়াহে হয়, যেতিয়া সমাজত মহিলাৰ মর্যাদা উন্নত কৰিবলৈ সময়োপযোগী পদক্ষেপ লোৱা হয়। এই অধ্যায়টোত স্বাধীনতাৰ পাছত কার্যকৰী হোৱা আঁচনিসমূহৰ বিষয়ে আলোচনা কৰা হৈছে যিবোৰে সময়ত গৈ 'মহিলা আৰু শিশু বিকাশ মন্ত্রালয়'ৰ সূচনা কৰিছিল।

৭.৩ ভাৰতীয় অর্থনীতিত মহিলা

ভাৰত চৰকাৰে মহিলাৰ বিকাশৰ প্রতি মনোযোগ দিবলৈ আৰম্ভ কৰিছিল প্রথম পঞ্চবার্ষিক পৰিকল্পনাৰ সময়ৰ পৰা (১৯৫১-৫৬)। পৰিকল্পনাৰ প্রথম পর্যায়ত মহিলা সম্পর্কীয় বিষয়বোৰ সমাজৰ অৱহেলিত শ্রেণী যেনে— প্রতিবন্ধী, নিৰাশ্রয় আৰু বৃদ্ধ লোকৰ বাবে গ্রহণ কৰা কল্যাণমূলক আঁচনিসমূহৰ লগত সংযুক্ত কৰা হৈছিল। প্রথমৰ পৰা পঞ্চম পঞ্চবার্ষিক পৰিকল্পনাৰ সময়ছোৱাত (১৯৫১-৭৯) একে ধাৰা অব্যাহত ৰখাৰ লগতে নাৰী-শিক্ষা, মাতৃ আৰু শিশুৰ স্বাস্থ্য-বিকাশজনিত ব্যৱস্থাক অগ্রাধিকাৰ দিয়া হৈছিল। ষষ্ঠ পঞ্চবার্ষিক পৰিকল্পনাৰ সময়ছোৱাত (১৯৮০-৮৫) এই বিষয়টোৱে মহিলাৰ কল্যাণমূলক আঁচনিৰ পৰা 'বিকাশ' লৈ দিশ সলনি কৰিছিল। স্বাস্থ্য, শিক্ষা আৰু কর্মনিযুক্তিৰ ওপৰত এক গভীৰ বিশ্লেষণৰ পাছত ওপৰোক্ত পৰিকল্পনাটোৱে এক বহুমুখী আঁচনি গ্রহণ কৰিছিল।

সপ্তম পঞ্চবার্ষিক পৰিকল্পনাই (১৯৮৫-৯০) মহিলাৰ জনসংখ্যা মূলসুঁতিৰ ৰাষ্ট্রীয় বিকাশলৈ কঢ়িয়াবলৈ যত্ন কৰিছিল আৰু তাৰবাবে তেওঁলোকৰ সামাজিক তথা অর্থনৈতিক মর্যাদা বৃদ্ধিত গুৰুত্ব আৰোপ কৰিছিল। বিকাশৰ এই প্রক্রিয়াত যাতে মহিলাও সম-অংশীদাৰ আৰু ভাগীদাৰ হ'ব পাৰে, তাৰ বাবেই অষ্টম পঞ্চবার্ষিক পৰিকল্পনাই (১৯৯২-৯৭) মহিলাৰ বিকাশৰ সুবিধাসমূহ অন্য উন্নয়নমূলক খণ্ডৰ পৰা প্রৱাহিত হোৱাৰ পথ সুনিশ্চিত কৰিছিল।

নৱম পঞ্চবার্ষিক পৰিকল্পনাই (১৯৯৭-২০০২) মহিলাৰ বিকাশ-নীতিত দুটা গুৰুত্বপূর্ণ পৰিৱর্তনৰ সূচনা কৰিছিল। প্রথম - 'মহিলা সবলীকৰণ', যাৰ লক্ষ্য আছিল এনে এটা অনুকুল পৰিৱেশৰ সৃষ্টি কৰা, য'ত মহিলাই পুৰুষৰ সম-অংশীদাৰ হৈ ঘৰৰ বাহিৰে-ভিতৰে মুকলিকৈ তেওঁলোকৰ অধিকাৰ সাব্যস্ত কৰিব পাৰে। দ্বিতীয়টো হৈছে, মহিলাৰ বাবে নির্দ্দিষ্ট আৰু মহিলা- সম্বন্ধীয় বিভাগসমূহত উপলব্ধ সেৱাসমূহৰ কেন্দ্রীভূতকৰণ। দশম পঞ্চবার্ষিক পৰিকল্পনাৰ (২০০২-০৭) উদ্দেশ্য আছিল মহিলাৰ বাবে কিছু পর্যবেক্ষণীয় লক্ষ্য নির্ধাৰণ কৰা। এই নির্দ্দিষ্ট পৰিকল্পনাটোৱে ধন উপার্জনৰ লক্ষ্য সন্মুখত ৰাখি মহিলা আত্মসহায়ক গোটৰ সংগঠনত গুৰুত্ব আৰোপ কৰিছিল আৰু বিবিধ সেৱা-সুবিধা প্রদান কৰিছিল, যেনে - সাক্ষৰতা, স্বাস্থ্য, অনানুষ্ঠানিক শিক্ষা, পানী যোগান ইত্যাদি। 'মহিলাৰ উপাংশ আঁচনি'ৰ জৰিয়তে সুনিশ্চিত কৰা হৈছিল যাতে বিভিন্ন মন্ত্রালয়ৰ আঁচনিসমূহৰ পৰা ৩০% নিধি মহিলাৰ বাবে আছুতীয়াকৈ ৰখা হয়। পূর্বৰ পৰিকল্পনাসমূহত লিঙ্গ বৈষম্য ৰোধ তথা মহিলাক অর্থনৈতিক, ৰাজনৈতিক আৰু সামাজিকভাৱে মুক্ত আৰু সবল কৰিবলৈ এক সক্ষম পৰিৱেশ গঠনৰ বাবে নিৰন্তৰ প্রয়াস কৰা হৈছিল। একাদশ পঞ্চবার্ষিক পৰিকল্পনাৰ (২০০৭-১২) এক অনন্য প্রস্তাৱ অনুসৰি ৰাজহুৱা সম্পদৰ লিংগ সংবেদনশীল আবণ্টন সুনিশ্চিত কৰিবৰ বাবে নাৰীবাদী অর্থনীতিজ্ঞৰ এখন কমিটি গঠন কৰা হৈছিল। সেই কমিটিৰ অন্যতম উদ্দেশ্য আছিল অর্থনীতিত মহিলাৰ বাবে গুৰুত্বপূর্ণ প্রৱনতা চিনাক্তকৰণ তথা বিকাশৰ কার্যসূচীত মহিলাৰ সুসংবদ্ধতাৰ বাবে কিছু ব্যৱস্থাৰ অন্তর্ভুক্তি। দ্বাদশ পঞ্চবার্ষিক পৰিকল্পনাত (২০১২-১৭) পৰিকল্পনা আয়োগে অকলশৰীয়া মহিলাৰ বাবে বিশেষ বিতৰণৰ ব্যৱস্থা কৰিছিল আৰু সকলো মহিলাকে কৃষি আৰু পশুপালনৰ উপৰি স্বাস্থ্য, শিক্ষা, নগৰীকৰণ আৰু শাসনত সক্রিয় অংশগ্রহণৰ বাবে অনুপ্রাণিত কৰিছিল।

৭.৩.১ মহিলা আৰু শিশু বিকাশ মন্ত্রালয়

২০০৬ চনৰ ৩০ জানুৱাৰীত এক পৃথক মন্ত্রালয় হিচাপে 'মহিলা আৰু শিশু বিকাশ মন্ত্রালয়'ৰ সূচনা হৈছিল। পূর্বে এই মন্ত্রালয়ক ভাৰত চৰকাৰৰ মানৱ সম্পদ বিকাশ মন্ত্রালয়ৰ অন্তর্গত 'মহিলা আৰু শিশু বিকাশ বিভাগ' ৰূপে জনা

গৈছিল। এই মন্ত্রালয় গঠনৰ মুখ্য উদ্দেশ্য আছিল মহিলা আৰু শিশুৰ বিকাশৰ বাবে ৰাষ্ট্রীয় আৰু ৰাজ্যিক পর্যায়ত গৃহীত উদ্যোগমূলক আঁচনিৰ ব্যৱধানসমূহ উল্লেখ কৰা তথা লিংগ সাম্যতা আৰু শিশু কেন্দ্রীভূত আইন প্রণয়ন, আঁচনি আৰু কর্মসূচী তৈয়াৰ কৰিবলৈ আন্তঃমন্ত্রালয় আৰু আন্তঃবিভাগীয় কেন্দ্রীভূতকৰণৰ পৃষ্ঠপোষকতা কৰা।

এই মন্ত্রালয়ৰ ভৱিষ্য-দর্শন (vision) হৈছে মহিলাৰ সবলীকৰণ যাতে তেওঁলোক হিংসা আৰু বৈষম্যমুক্ত এক সুস্থ পৰিৱেশত সন্মান সহকাৰে বসবাস কৰিব পাৰে আৰু দেশৰ বিকাশলৈ সম-অংশীদাৰ হিচাপে বৰঙনি যোগাব পাৰে আৰু লগতে শিশুৰ সুস্বাস্থ্য, বিকাশ আৰু উন্নতিৰ বাবে সকলো সা-সুবিধা থকা এক অনুকুল আৰু সুৰক্ষিত পৰিৱেশ সৃষ্টিকৰণ।

এই মন্ত্রালয়ৰ আকাংক্ষিত লক্ষ্য (mission) হৈছে সামাজিক আৰু অর্থনৈতিকভাৱে মহিলা সবলীকৰণৰ পৃষ্ঠপোষকতা কৰা, লিংগ বিবেচনাক মূলসুঁতিলৈ অনা, মহিলাৰ অধিকাৰৰ বিষয়ে সজাগতা সৃষ্টি কৰা আৰু তেওঁলোকলৈ সকলো ধৰণৰ আনুষ্ঠানিক আৰু সাংবিধানিক সহযোগিতা আগবঢ়োৱা। দ্বিতীয়তে, শিশুৰ বিকাশজনিত তত্ত্বাৱধান, আৰু সুৰক্ষা সুনিশ্চিত কৰা, শিশুৰ অধিকাৰৰ বিষয়ে সজাগতা সৃষ্টি কৰা আৰু তেওঁলোকৰ সম্পূর্ণ বিকাশৰ সম্ভাৱনীয়তা সুনিশ্চিত কৰাৰ বাবে শিক্ষা, পৰিপুষ্টি, আনুষ্ঠানিক আৰু বিধানিক সহযোগিতাকে আদি কৰি সকলো ধৰণৰ সা-সুবিধা প্রদান কৰা।

৭.৩.২ মহিলাৰ বাবে সামাজিক আৰু অর্থনৈতিক বিকাশমূলক আঁচনি

নিম্নলিখিত আঁচনিসমূহ 'মহিলাৰ সামাজিক আৰু অর্থনৈতিক বিকাশ মন্ত্রালয়'ৰ দ্বাৰা কার্যকৰী কৰা হৈছে-

- **বেটি বাঁচাও বেটি পাঢ়াও ঃ** প্রধানমন্ত্রী নৰেন্দ্র মোডীয়ে ২০১৫ চনৰ ২২ জানুৱাৰীত আন্তঃৰাষ্ট্রীয় শিশু কন্যা দিৱস উপলক্ষে হাৰিয়ানাৰ পানিপথ অঞ্চলত এই প্রচাৰ অভিযানৰ সূত্রপাত কৰিছিল। ইয়াৰ লক্ষ্য হৈছে অৱনমিত শিশু লিংগ অনুপাতৰ সমস্যাটোৰ প্রতিকাৰৰ ব্যৱস্থা কৰা। এয়া হৈছে এক ৰাষ্টীয় কার্যতৎপৰতা, যাক 'মহিলা আৰু শিশু বিকাশ মন্ত্রালয়', 'স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রালয়' আৰু 'মানৱ সম্পদ বিকাশ মন্ত্রালয়ে' সম্মিলিতভাৱে পৰিচালিত কৰে।

  এই প্রচাৰ অভিযানৰ মুখ্য উদ্দেশ্যসমূহ হৈছে—

  - লিংগ পক্ষপাতমূলক ভ্রূণ হত্যা ৰোধ কৰা
  - কন্যা শিশুৰ অস্তিত্ব আৰু সুৰক্ষা সুনিশ্চিত কৰা
  - কন্যা শিশুৰ শিক্ষা সুনিশ্চিত কৰা

এই অভিযান আৰম্ভণিৰ মুখ্য কাৰণ আছিল ভাৰতবর্ষত পুৰুষৰ বিপৰীতে মহিলাৰ ক্রমে নিম্নমুখী অনুপাত। ২০০১ চনৰ লোকপিয়ল অনুসৰি প্রতি ১০০০ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যাৰ অনুপাত হাৰিয়ানা (৮৬১), পঞ্জাৱ (৮৭১), জম্মু আৰু কাশ্মীৰ (৮৯২), উত্তৰ প্রদেশ (৮৯৮), বিহাৰ (৯১৯) আদি ৰাজ্যত নিম্নতম দেখা গৈছিল। লিংগ নির্বাচক গর্ভপাত বা কন্যাশিশুৰ ভ্রূণহত্যাৰ বাবেই এনে ঘটিছিল।

কন্যা শিশুক সমান গুৰুত্ব দিবলৈ আৰু শিক্ষাৰ ব্যৱস্থা কৰিবৰ বাবে ভাৰতীয় জনতাৰ মাজত সজাগতা আনিবলৈ বৃহৎ পৰিসৰত প্রচাৰ, প্রসাৰ আৰু যোগাযোগৰ ব্যৱস্থা লোৱা হৈছিল।

- **ৱান ষ্টপ চেণ্টাৰ (মহিলা সুৰক্ষা কেন্দ্র) ঃ** এই কেন্দ্রবোৰৰ লক্ষ্য হৈছে ঘৰৰ বাহিৰে-ভিতৰে, পৰিয়ালৰ মাজত, সম্প্রদায়ৰ মাজত অথবা কর্মস্থলত হিংসাৰ সন্মুখীন হোৱা মহিলালৈ সহায়ৰ হাত আগবঢ়োৱা।

যৌন নিগ্রহৰ প্রচেষ্টা, বলাৎকাৰ, ঘৰুৱা হিংসা, নাৰীদেহৰ ব্যৱসায়, মর্যাদা হানিজনিত অপৰাধ, এচিড আক্রমণ, অথবা ডাইনী হত্যা আদি যিকোনো ধৰণৰ হিংস্রতাৰ সন্মুখীন হোৱা পীড়িত মহিলাসকলক এই কেন্দ্রসমূহত বিশেষধৰণৰ সেৱা আগবঢ়োৱা হয়।

২০১৫ চনৰ পহিলা এপ্রিলৰ পৰা মহিলা আৰু শিশু বিকাশ মন্ত্রালয়ে এই আঁচনি ৰূপায়নৰ আৰম্ভণি কৰে। এই আঁচনিৰ অধীনত পর্যায়ক্রমে (২০১৭-১৮, ২০১৮-১৯ আৰু ২০১৯-২০ বর্ষত) সমগ্র দেশতে এনে মহিলা সুৰক্ষা কেন্দ্রসমূহ স্থাপন কৰিবলৈ মনস্থ কৰা হয়। বর্ধিত নাৰী সুৰক্ষা আৰু নিৰাপত্তাৰ ব্যৱস্থাৰে এনে কেন্দ্রসমূহ স্থাপন কৰিবলৈ ভাৰত চৰকাৰে 'নির্ভয়া পুঁজি' শীর্ষক এটা উৎসর্গীকৃত নিধিৰ ব্যৱস্থা কৰিছে। এই আঁচনিৰ মূল উদ্দেশ্যসমূহ হ'ল—

- ঘৰুৱা বা ৰাজহুৱা যিকোনো ঠাইতে হিংসাৰ দ্বাৰা পীড়িত মহিলাসকললৈ একেখন ছাদৰ তলতে সুসংবদ্ধ সহায় আৰু সমর্থন আগবঢ়োৱা।
- মহিলাৰ প্রতি হ'ব পৰা যিকোনো ধৰণৰ হিংস্রতাৰ বিপক্ষে যুঁজিবলৈ এখন ছাদৰ তলতে তাৎক্ষণিক, জৰুৰী আৰু সাধাৰণ, এই সকলোধৰণৰ সেৱা, যেনে, চিকিৎসাজনিত, ন্যায়িক, মনস্তাত্বিক বা পৰামর্শমূলক সেৱাৰ ব্যৱস্থা কৰা।

- **ৰমেন হেল্পলাইন স্কিম (মহিলা সাহার্য আঁচনি)** ঃ সমগ্র দেশতে এটা ফোন নম্বৰৰ জৰিয়তে হিংস্রতাৰ মুখামুখি হোৱা মহিলাসকলক ২৪ ঘণ্টাই তাৎক্ষণিক আৰু জৰুৰী সেৱা আগবঢ়াবলৈ আৰু মহিলা সম্বন্ধীয় চৰকাৰী আঁচনিসমূহৰ বার্তাপ্রদান কৰিবলৈ এই আঁচনি গ্রহণ কৰা হয়। দেশৰ প্রতিখন ৰাজ্যতে 'মহিলা সাহার্য আঁচনিক' মহিলা সুৰক্ষা কেন্দ্র'ৰ সৈতে সংযোজিত কৰা হৈছে। ২০১৫ চনৰ পহিলা এপ্রিলৰ পৰা 'মহিলা সুৰক্ষা কেন্দ্র'ৰ লগতে এইবিধ আঁচনিৰো সূত্রপাত কৰা হৈছিল। দূৰসংযোগ বিভাগে ১৮১ নম্বৰটো দেশৰ প্রতিখন ৰাজ্য আৰু কেন্দ্রীয়শাসিত অঞ্চলত মহিলা সাহার্য নম্বৰ হিচাপে চিহ্নিত কৰিছে।

  এই আঁচনিৰ মুখ্য উদ্দেশ্যসমূহ এনেধৰণৰ—
  - হিংস্রতাৰ মুখামুখি হৈ সহায় বিচৰা আৰু প্রয়োজনীয় বার্তা বিচৰা মহিলাসকলক ২৪ ঘণ্টাই বিনামূলীয়া দূৰভাষ সেৱা আগবঢ়োৱা।
  - আৰক্ষী/চিকিৎসালয়/ৰোগী পৰিবহন সেৱা/জিলাভিত্তিক ন্যায়িক সেৱা কর্তৃপক্ষ/সুৰক্ষা বিষয়া আদিৰ উল্লেখেৰে সংকটজনক পৰিস্থিতিত মধ্যস্থতা কৰা।
  - উপযুক্ত সহায়-সহযোগিতামূলক সেৱা, হিংসাৰ মুখামুখি হোৱা মহিলাৰ বাবে উপলব্ধ চৰকাৰী আঁচনি আদিৰ বিষয়ে বার্তা প্রদান কৰা। ইয়াৰোপৰি, কোনো নির্দ্দিষ্ট স্থানত কর্মৰত বা বসবাস কৰা মহিলাক অৱস্থিতিমূলক বার্তা প্রদান কৰা।

- **স্বধাৰ গৃহ** ঃ 'মহিলা আৰু শিশু বিকাশ মন্ত্রালয়ে' ২০০২ চনত কঠিন পৰিস্থিতিৰ মুখামুখি হোৱা মহিলাসকলৰ পুনঃপ্রতিষ্ঠাৰ বাবে এইবিধ আঁচনিৰ সূত্রপাত কৰিছিল। এই আঁচনিয়ে, পুনঃপ্রতিষ্ঠাৰ যোগেৰে নিজৰ জীৱন সন্মানজনকভাৱে অতিবাহিত কৰিবলৈ আনুষ্ঠানিক সহযোগিতা বিচৰা মহিলাসকললৈ খাদ্য, বস্ত্র, আশ্রয় আৰু স্বাস্থ্যজনিত সা-সুবিধাৰ লগতে অর্থনৈতিক আৰু সামাজিক সুৰক্ষাও আগবঢ়ায়।

এই আঁচনি অনুসৰি, দেশৰ প্রত্যেকখন জিলাতে কমেও ৩০ গৰাকী মহিলা থাকিব পৰা একো একোটা স্বধাৰ গৃহ প্রতিষ্ঠা হ'ব। এই আঁচনিৰ মুখ্য উদ্দেশ্যসমূহ এনে ধৰণৰ-

- খাদ্য, বস্ত্র, আশ্রয়, চিকিৎসা ব্যৱস্থা আদিকে ধৰি প্ৰাথমিক প্রয়োজনীয়তাসমূহ পূৰণ কৰা আৰু কোনো ধৰণৰ সামাজিক আৰু অর্থনৈতিক সহায়-সহযোগিতাৰ পৰা বঞ্চিত দুখ-যাতনাগ্রস্ত মহিলাসকলৰ যত্ন লোৱা।
- দুর্ভাগ্যজনক পৰিস্থিতিৰ সৈতে সংগ্রাম কৰি কৰি ভাৰাক্রান্ত হৈ পৰা মহিলাসকলক তেওঁলোকৰ আৱেগিক শক্তি পুনৰ অর্জন কৰিবলৈ সক্ষম কৰি তোলা ।
- পৰিয়াল তথা সমাজৰ মাজলৈ পুনৰ ঘূৰি যাবলৈ প্রয়োজনীয় সকলো আইনী সহায় আৰু দিহা-পৰামর্শৰে তেওঁলোকক সক্ষম কৰি তোলা আৰু অর্থনৈতিক তথা আৱেগিকভাৱে তেওঁলোকৰ পুনঃপ্রতিষ্ঠা কৰা।

- **কর্মৰত মহিলাৰ বাবে আবাস ঃ** জীৱিকাৰ সন্ধানত বিভিন্ন মহানগৰী তথা গ্রাম্য আৰু নগৰীয়া ঔদ্যোগিক অঞ্চললৈ বুলি ঘৰ এৰি ওলাই অহা মহিলাৰ সংখ্যা যিমানেই বৃদ্ধি হৈছে সিমানেই তেওঁলোকৰ বাবে সুৰক্ষিত আৰু সুচল অৱস্থানত বাসগৃহ বিচাৰি পোৱাটো কঠিন হৈ পৰিছে। ওপৰোক্ত আঁচনিৰ উদ্দেশ্য হৈছে - জীৱিকাৰ সুবিধা থকা নগৰ, চহৰ অথবা গ্রাম্যাঞ্চলত শিশুৰ চোৱা-চিতাৰ সুবিধাৰে সৈতে মহিলাৰ বাবে সুৰক্ষিত তথা সুচলজনকভাৱে অৱস্থিত বাসগৃহৰ ব্যৱস্থা কৰা। এই কর্মৰত মহিলা হোষ্টেলৰ প্রকল্পটি জাতি, ধর্ম, বিবাহিতা, অবিবাহিতা নির্বিশেষে সকলো কর্মৰত মহিলাৰ বাবেই উপলব্ধ হ'ব। এই আঁচনিয়ে কর্মৰত মাতৃৰ সৈতে ১৮ বছৰ বয়সলৈকে কন্যা সন্তানৰ আৰু ৫ বছৰ বয়সলৈকে পুত্র সন্তানৰ থকা-মেলাৰ ব্যৱস্থা কৰিছে।
- মহিলাৰ বাবে প্রশিক্ষণ আৰু নিযুক্তি সাহার্য আঁচনি (STEP) ঃ ১৯৮৬-৮৭ চনতে ৰাষ্ট্রীয় খণ্ডৰ আঁচনি হিচাপে 'মহিলাৰ প্রশিক্ষণ আৰু জীৱিকা আঁচনি'ৰ সূত্রপাত হৈছিল। এই আঁচনিৰ মুখ্য উদ্দেশ্য আছিল - নিজৰ বাবে তথা জীৱিকা উপার্জনৰ বাবে মহিলাসকলৰ দক্ষতা বৃদ্ধি কৰি তেওঁলোকৰ ওপৰত এক গুৰুত্বপূর্ণ প্রভাৱ বিস্তাৰ কৰা। এই আঁচনিৰ জৰিয়তে তেওঁলোকে বিভিন্ন কর্মসূচী হাতত লৈছিল, যেনে— মহিলাৰ কর্মক্ষম দল সঞ্চালন, তেওঁলোকৰ দক্ষতা বৃদ্ধি, জীৱিকাৰ বাবে বিশেষ উৎপাদনকাৰী কৌশলৰ প্রশিক্ষণ, অগ্রসৰ আৰু অনগ্রসৰ সংযোজনৰ সৃষ্টি, বিভিন্ন উন্নত সা-সুবিধাৰ ব্যৱস্থা, সজাগতা সৃষ্টি, লিংগ সংবেদনশীলতা, শিক্ষা, পৰিপুষ্টি, প্রকল্প কর্মচাৰী সংবেদনশীলতা ইত্যাদি। এই আঁচনিৰ চূড়ান্ত উদ্দেশ্য আছিল মহিলাসকলক এনেদৰে সক্ষম কৰি তোলা যাতে প্রকল্পৰ সময়ছোৱা শেষ হোৱাৰ পাছত তেওঁলোকে অন্যতম চৰকাৰী সাহার্য আৰু মধ্যস্থতাৰে নিজ নিজ কর্মথলীত অবিৰতভাৱে আগবাঢ়ি যাব পাৰে। এই আঁচনিৰ মূল উদ্দেশ্যসমূহ এনেধৰণৰ—
  - মহিলাসকলক সৰু সৰু কর্মক্ষম দলত সঞ্চালিত কৰা আৰু তেওঁলোকক প্রশিক্ষণৰ জৰিয়তে ঋণ তথা অন্যান্য নিবেশৰ সা-সুবিধা প্রদান কৰা।
  - মহিলাসকলক তেওঁলোকৰ নিজস্ব জীৱিকা তথা ধন উপার্জনৰ আঁচনি গ্রহণ কৰিবলৈ সক্ষম কৰি তোলা।
  - মহিলাসকলৰ অতিৰিক্ত বিকাশ আৰু জীৱিকা পৰিস্থিতিৰ উন্নয়নৰ বাবে বিশেষ সেৱা আগবঢ়োৱা আৰু লগতে স্বাস্থ্য সেৱা, সাক্ষৰতা, আইনগত সাক্ষৰতা আৰু অন্যান্য লাগতিয়াল বা-বাতৰি প্রদান কৰা।

- **মহিলা ই-হাট ঃ** এই অনন্য আঁচনিখন হৈছে এক পোনপটীয়া ইলেকট্রনিক্ বজাৰকৰণ মঞ্চ, যিয়ে মহিলা শিল্পোদ্যোগীসকলক অথবা আত্মসহায়ক গোট অথবা বেচৰকাৰী সংগঠনসমূহক তেওঁলোকে উৎপাদন কৰা সামগ্রী আৰু সেৱাসমূহ প্রদর্শন কৰিবলৈ সহযোগিতা আগবঢ়ায়। ২০১৬ চনৰ ৭ মার্চ তাৰিখে 'মহিলা আৰু শিশু বিকাশ মন্ত্রালয়ে' 'মহিলা ই-হাট' নামৰ এই দ্বিভাষিক ইলেকট্রনিক্ দ্বাৰৰ সূত্রপাত কৰে। এই ব্যৱস্থাই ব্যৱসায়িক দক্ষতাৰ ক্ষেত্রত এক বিশেষ বৰঙণি যোগায় আৰু সৰহসংখ্যক মহিলা শিল্পোদ্যোগী, আত্মসহায়ক গোট, বেচৰকাৰী সংগঠনৰ পথ সুগম কৰি তোলে। এই ইলেকট্রনিক্ বজাৰকৰণ মঞ্চৰ উদ্দেশ্যসমূহ এনেধৰণৰ -
  - ক্রেতা আৰু বিক্রেতাৰ মাজত পোনপটীয়া সংযোগ স্থাপন কৰা
  - মহিলা শিল্পোদ্যোগী, আত্মসহায়ক গোট, বেচৰকাৰী সংগঠনসমূহৰ সেৱা আৰু প্রসাৰ অধিক শক্তিশালী কৰিবলৈ তেওঁলোকক নিজৰ সামগ্রীসমূহ পোনপটীয়াভাৱে প্রদর্শন কৰিবলৈ সুবিধা দিয়া।
  - এই ইলেকট্রনিক্ বজাৰকৰণ মঞ্চৰ জৰিয়তে 'মহিলা ই-হাট' আঁচনিয়ে পোনপটীয়াকৈ "Make in India" প্রচাৰ অভিযানলৈ সহযোগিতা আগবঢ়াবলৈ সক্ষম হৈছে।
- **মহিলা আৰক্ষী স্বেচ্ছাসেৱক ঃ** ঘৰুৱা আৰু ৰাজহুৱা যিকোনো স্থানতে মহিলাসকলে সন্মুখীন হোৱা লিংগ-ভিত্তিক হিংস্রতা, যেনে— ঘৰুৱা হিংসা, যৌন নিগ্রহ, বলাৎকাৰ, গোপন অনুসৰণ, ইত্যাদিবোৰ মহিলাৰ সমতা আৰু সবলীকৰণৰ ওপৰত এক ডাঙৰ ভাবুকিস্বৰূপ। কেন্দ্রীভূত সাম্প্রদায়িক প্রসাৰতাক বৃদ্ধি তথা সুৰক্ষা প্রদান কৰিবলৈ ভাৰত চৰকাৰে প্রত্যেকখন ৰাজ্য আৰু কেন্দ্রীয় শাসিত অঞ্চলতে মহিলা আৰক্ষী স্বেচ্ছাসেৱকৰ ব্যৱস্থা কৰিছে, যাতে ই আৰক্ষী আৰু সম্প্রদায়ৰ মাজত এক যোগসূত্র হিচাপে কাম কৰিব পাৰে। আৰু লগতে দুখ-যাতনাগ্রস্থ মহিলাৰ প্রতি সহায় আগবঢ়াব পাৰে। মহিলা আৰক্ষী স্বেচ্ছাসেৱকৰ মুখ্য উদ্দেশ্যসমূহ এনেধৰণৰ—
  - মহিলা সম্বন্ধীয় অপৰাধৰ বিৰুদ্ধে যুঁজ দিবলৈ এগৰাকী স্বেচ্ছাসেৱকে ৰাজহুৱা যোগাযোগ কেন্দ্র হিচাপে সেৱা আগবঢ়াব।
  - এগৰাকী স্বেচ্ছাসেৱকে মহিলাৰ বিৰুদ্ধে সংঘটিত যিকোনো হিংসাজনক ঘটনা যেনে— ঘৰুৱা হিংসা, বাল্য বিবাহ, যৌতুকৰ বাবে নির্যাতন ইত্যাদিবোৰ কর্তৃপক্ষৰ দৃষ্টিগোচৰ কৰিব।
  - মহিলা আৰক্ষী স্বেচ্ছাসেৱক এক অবৈতনিক পদ।
- **মহিলা শক্তি কেন্দ্র ঃ** মহিলা শক্তি কেন্দ্র হৈছে দক্ষতা বৃদ্ধি, নিযুক্তি, ইলেকট্রনিক্ সাক্ষৰতা, স্বাস্থ্য, পৰিপুষ্টি আদিৰ সুবিধা প্রদানেৰে গ্রাম্য মহিলা সবলীকৰণৰ বাবে সৃষ্টি কৰা 'একক বিৰাম সমকেন্দ্রিক সহযোগিতা সেৱা'। এই আঁচনিয়ে গ্রামাঞ্চলৰ মহিলাৰ বাবে এক যোগাযোগ কেন্দ্রৰূপে কাম কৰিব যাতে তেওঁলোকে নিজৰ আইনগত অধিকাৰ প্রাপ্তিৰ বাবে চৰকাৰৰ ওচৰ চাপিব পাৰে। তদুপৰি এই কেন্দ্রই মহিলাসকলৰ সবলীকৰণৰ বাবে সজাগতা সৃষ্টি, প্রশিক্ষণ তথা দক্ষতা বৃদ্ধিৰ কর্ম আঁচনিৰো ব্যৱস্থা কৰিব পাৰে। ২০১৭-১৮ বিত্তীয় বর্ষত এই আঁচনিখনৰ কার্যকৰীকৰণৰ বাবে অনুমোদন দিয়া হৈছিল। লিংগ সাম্যতা আৰু স্বেচ্ছামূলক সমাজ সেৱাক উদগণি যোগাবলৈ এনে কেন্দ্রত ছাত্র স্বেচ্ছাসেৱকো উপস্থিত থকাৰ ব্যৱস্থা আছে।

ইয়াৰ মুখ্য উদ্দেশ্যসমূহ এনেধৰণৰ—

- এনে কেন্দ্রই বিভিন্ন পর্যায়ত সেৱা আগবঢ়াব। ৰাষ্ট্রীয় পর্যায়ত শৈক্ষিক সেৱা আগবঢ়াব আৰু ৰাজ্যিক পর্যায়ত মহিলা সম্বন্ধীয় বিষয়বোৰত চৰকাৰক কাৰিকৰী সেৱা আগবঢ়াব। জিলা আৰু উন্নয়ন খণ্ড পর্যায়ত মহিলা সবলীকৰণ আঁচনিবোৰৰ ৰূপায়ণৰ বাবে সহায় আগবঢ়াব।
- বিভিন্ন সম্প্রদায়ৰ অংশগ্রহণেৰে ছাত্র স্বেচ্ছাসেৱকসকলক প্রেৰণা যোগোৱা হ'ব আৰু মহিলাসকলৰ জীৱনত প্রভাৱ পেলোৱা বিভিন্ন চৰকাৰী কর্মসূচী তথা আঁচনি আৰু সামাজিক বিষয়বোৰৰ বিষয়ে সজাগতা অনাৰ ক্ষেত্রত এক নির্ণায়ক ভূমিকা ল'ব।

- **নাৰী শক্তি পুৰস্কাৰ ঃ** ভাৰতবর্ষত মহিলাৰ বাবে সর্বোচ্চ অসামৰিক বঁটাটো হৈছে নাৰী শক্তি পুৰস্কাৰ। প্রতি বছৰে আন্তঃৰাষ্ট্রীয় নাৰী দিৱসত এই পুৰস্কাৰ প্রদান কৰা হয়। নাৰী সবলীকৰণৰ বাবে অবিৰতভাৱে কাম কৰি যোৱা ব্যতিক্রমী মহিলা আৰু সংগঠনসমূহলৈ এই সন্মানীয় বঁটা আগবঢ়োৱা হয়।

৭.৪ সুসংবদ্ধ শিশু সুৰক্ষামূলক আঁচনি

ভাৰত চৰকাৰে ৰূপায়ন কৰা এইখন এখন চৰকাৰী আঁচনি যাৰ দ্বাৰা শিশুৰ সুৰক্ষা নিশ্চিত কৰা হয়, বিশেষকৈ যত্ন আৰু নিৰাপত্তাৰ প্রয়োজন থকা শিশুসকল, আইনগত ব্যৱস্থাৰ মুখামুখি হোৱা কিশোৰ অপৰাধীসকল আৰু অন্যান্য বিপদগ্রস্ত শিশুসকলৰ বাবে। এই আঁচনিখনৰ মুখ্য উদ্দেশ্য হৈছে ভাৰতবর্ষত ইতিমধ্যে উপলব্ধ আৰু বিকাশৰত শিশু সুৰক্ষা আঁচনিসমূহৰ সূক্ষ্ম বিবেচনা আৰু মানবিশিষ্টকৰণৰ বাবে এক কেন্দ্রীয় গাঁথনি তৈয়াৰ কৰা।

২০০৯ চনত এই আঁচনিখন ৰূপায়ন কৰা হৈছিল। ৰাজ্যিক পর্যায়ত ৰাজ্যিক শিশু সুৰক্ষা সমিতি আৰু অন্যান্য অনুষ্ঠানে এই আঁচনি পৰিচালনা কৰে।

সংহত শিশু সুৰক্ষা সেৱাৰ অধীনৰ প্রধান যোজনাসমূহ তলত বাখ্যা কৰা হ'ল—

- **সংহত শিশু বিকাশ সেৱা ঃ** ভাৰত চৰকাৰৰ অন্যতম গুৰুত্বপূর্ণ এই আঁচনিখনৰ সূচনা কৰা হৈছিল ১৯৭৫ চনৰ ২ অক্টোবৰত আৰু ই শিশুৰ প্রাথমিক যত্ন আৰু বিকাশৰ ক্ষেত্রত সমগ্র পৃথিৱীৰ ভিতৰতে অন্যতম বৃহৎ আৰু অদ্বিতীয় যোজনা হিচাপে পৰিগণিত হৈছে। এই আঁচনিখন শিশু আৰু শিশু প্রতিপাল কৰা মাতৃৰ প্রতি দায়বদ্ধ আৰু অনানুষ্ঠানিক শিক্ষা প্রদানৰ লগতে পুষ্টিহীনতা-ৰোগাৰস্থা-অধোগামী শিক্ষা গ্রহণ ক্ষমতা আৰু বর্ধিত মৃত্যুহাৰৰ দুষ্ট পাক- চক্রটোৰ অন্ত পেলোৱাটো ইয়াৰ অন্যতম লক্ষ্য।

এই আঁচনিৰ মূল হিতাধিকাৰীসকল হৈছে ছয় বছৰৰ তলৰ শিশু, গর্ভৱতী মহিলা আৰু স্তনপান কৰোৱা মাতৃসকল। এই আঁচনিখনৰ উদ্দেশ্যসমূহ হৈছে—

- ছয় বছৰৰ তলৰ শিশুসকলৰ পৰিপুষ্টি আৰু স্বাস্থ্যৰ অৱস্থাৰ উন্নতি ঘটোৱা।
- শিশুৰ শাৰীৰিক, মানসিক আৰু সামাজিক বিকাশৰ বাবে আধাৰ স্থাপন কৰা।
- শিশুৰ মৃত্যুহাৰ, ৰোগাৰস্থা, অপুষ্টি আৰু অসমাপ্তকৈ বিদ্যালয় ত্যাগ কৰাৰ দৰে ঘটনাসমূহ হ্রাস কৰা।
- শিশুৰ বিকাশৰ উন্নতিৰ বাবে বিভিন্ন বিভাগসমূহে কৰা আঁচনিসমূহ আৰু সেইবোৰৰ ৰূপায়নৰ বাবে কার্যকৰী সমন্বয় সাধন।
- শিশুৰ সাধাৰণ স্বাস্থ্য আৰু পৰিপুষ্টিজনিত প্রয়োজনীয়তাৰ দিশত চকু দিবলৈ মাতৃসকলক পৰিপুষ্টি আৰু স্বাস্থ্য-শিক্ষা প্রদানেৰে অধিক সক্ষম কৰি তোলা।

- **ৰাষ্ট্ৰীয় শিশু ভৱন আঁচনি ঃ** নিয়োগৰ সুবিধা বাঢ়ি যোৱাৰ লগে লগে ঘৰত থাকি বা অন্য ঠাইত থাকি কাম কৰা মহিলাৰ সংখ্যা ক্ৰমান্বয়ে বাঢ়ি আহিছে। একে সময়তে তেওঁলোকৰ শিশুসকলৰ উপযুক্ত যত্ন লোৱা আৰু সুৰক্ষাৰ ব্যৱস্থা কৰাটো তেওঁলোকৰ বাবে প্ৰত্যাহ্বানজনক হৈ উঠিছে কাৰণ দ্ৰুত গতিত একক পৰিয়ালৰ সংখ্যা বাঢ়ি আহিছে আৰু যৌথ পৰিয়ালৰ অন্য সদস্যসকলৰ অন্য ঠাইলৈ স্থানান্তৰ ঘটিছে। মাকে কাম কৰি থকা সময়ছোৱাত তেওঁলোকৰ শিশুসকলৰ উপযুক্ত তত্ত্বাৱধান আৰু সুৰক্ষাৰ ব্যৱস্থা কৰা নিতান্তই জৰুৰী হৈ পৰিছে।

ৰাষ্ট্ৰীয় শিশু ভৱন আঁচনিয়ে এক সুৰক্ষিত স্থানৰ ব্যৱস্থা কৰিছে য'ত কৰ্মৰত মাতৃসকলে তেওঁলোকৰ শিশুসকলক থৈ যাব পাৰে। এই শিশু-ভৱনসমূহত কণমানিবোৰক এক আকৰ্ষণীয় আৰু সজীৱ পৰিৱেশত চোৱা-চিতা কৰা হয় যিয়ে সিহঁতৰ সামগ্ৰিক বিকাশত অৱিহণা যোগায়।

ৰাষ্ট্ৰীয় শিশু-ভৱন আঁচনিৰ মুখ্য উদ্দেশ্যসমূহ এনেধৰণৰ—

- কৰ্মৰত মাতৃৰ ছয় মাহৰ পৰা ছয় বছৰীয়া সন্তানসকলক দিনৰ সময়ছোৱাত চোৱা-চিতা কৰা।
- কণমানিবোৰৰ স্বাস্থ্য আৰু পৰিপুষ্টি বজায় ৰখা।
- কণমানিবোৰৰ দৈহিক শক্তি, বোধশক্তি, সামাজিক আৰু আৱেগিক বিকাশৰ ব্যৱস্থা কৰা।
- শিশুসকলৰ উত্তম তত্ত্বাৱধানৰ বাবে পিতৃ-মাতৃ আৰু অভিভাৱকসকলৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা আৰু সক্ষম কৰি তোলা।

- **কিশোৰীসকলৰ বাবে আঁচনি ঃ** কিশোৰীসকলে প্ৰজন্মজুৰি ভুগি অহা লিংগ বৈষম্যতা আৰু পৰিপুষ্টিজনিত অসুবিধাবোৰ দূৰ কৰাৰ লক্ষ্যৰে আৰু তেওঁলোকৰ আত্ম-বিকাশৰ বাবে এক অনুকুল পৰিৱেশ সৃষ্টিৰ উদ্দেশ্যে শিশু বিকাশ সেৱা আঁচনিৰ আন্তঃগাঁথনিৰে ২০১০ চনত এই নতুন আঁচনিখনৰ পৰিকল্পনা কৰা হয়। এই আঁচনিখন প্ৰধানকৈ বিদ্যালয়লৈ নোযোৱা ১১- ১৪ বছৰীয়া কিশোৰীসকলক লক্ষ্য কৰি প্ৰস্তুত কৰা হৈছে। শিশু বিকাশ সেৱা আঁচনিৰ অন্তৰ্ভুক্ত অংগনবাদী সেৱা কেন্দ্ৰসমূহৰ সহায়েৰে এই আঁচনিখন ৰূপায়ন কৰা হৈছিল।

এই আঁচনিখনৰ মূল উদ্দেশ্যসমূহ -

- কিশোৰীসকলক আত্ম-বিকাশ আৰু সবলীকৰণৰ বাবে সক্ষম কৰি তোলা ।
- তেওঁলোকৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ বাবে যত্ন লোৱা।
- বিদ্যালয়লৈ নোযোৱা কিশোৰীসকলক পুনৰ আনুষ্ঠানিক শিক্ষা গ্ৰহণৰ বাবে সহায় আগবঢ়োৱা বা কাৰিকৰী প্ৰশিক্ষণ লোৱাৰ ব্যৱস্থা কৰা।
- তেওঁলোকৰ ঘৰুৱা তথা জীৱন-শৈলীৰ মান উন্নত কৰা।
- উপলব্ধ ৰাজহুৱা সেৱাসমূহ, যেনে— প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, গ্ৰাম্য চিকিৎসালয়, ডাকঘৰ, বেঙ্ক, আৰক্ষী থানা ইত্যাদিৰ বিষয়ে তেওঁলোকক অৱগত কৰা তথা দিহা দিয়া।(৯৭)

- **সংহত শিশু সুৰক্ষা আঁচনি ঃ** চৰকাৰী আৰু বেচৰকাৰী সংস্থাৰ সহযোগিতাৰে জটিল পৰিস্থিতিৰ সন্মুখীন হোৱা আৰু অসুৰক্ষিত শিশুসকলৰ বাবে এক সুৰক্ষিত বাতাৱৰণ সৃষ্টি কৰাই হৈছে কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰে আৰম্ভ কৰা এই আঁচনিখনৰ লক্ষ্য। এই আঁচনিখনৰ প্ৰস্তাৱ ২০০৬ চনত উত্থাপিত হয় আৰু ২০০৯ চনত ৰূপায়ন কৰা হয়। ৰাজ্যিক পৰ্যায়ত ৰাজ্যিক শিশু সুৰক্ষা সমিতি আৰু জিলা পৰ্যায়ত অন্য অনুষ্ঠানৰ লগতে শিশু সুৰক্ষা সমিতিয়ে এই আঁচনিখনৰ পৰিচালনা কৰে।

ইয়াৰ মুখ্য উদ্দেশ্যসমূহ এনেধৰণৰ—

- শিশু সুৰক্ষাৰ বাবে কার্যকৰী হৈ থকা কেইবাখনো আঁচনি আৰু শিশুৰ সুৰক্ষা আৰু হ'ব পৰা ক্ষতি ৰোধ কৰিবলৈ লোৱা অতিৰিক্ত কার্য-ব্যৱস্থাবোৰৰ মাজত সমন্বয় আনি এখন সর্বাত্মক আঁচনিৰ অধীনলৈ অনা।
- ই আঁচনিখনে শিশু সুৰক্ষাৰ লগত জড়িত জৰুৰী সেৱাসমূহক আনুষ্ঠানিক ৰূপ দিছে, আন্তঃগাঁথনি সবল কৰিছে, প্ৰত্যেক পর্যায়তে দক্ষতা বৃদ্ধি কৰিছে, শিশু সুৰক্ষামূলক সেৱাসমূহৰ বাবে তথ্য-পাতিৰ যোগান ধৰিছে আৰু পৰিয়াল তথা সমাজত শিশু সুৰক্ষা শক্তিশালী কৰিছে।
- এই আঁচনিৰ এক লক্ষ্য হৈছে শিশু সুৰক্ষাৰ বাবে এক তথ্য ভাণ্ডাৰ স্থাপন কৰি তাৰ পৰিচালনাৰ ব্যৱস্থা কৰা যাতে ফলপ্ৰদ কৌশল ৰচনা কৰিব পৰা যায় আৰু ফলাফল পর্যবেক্ষণ কৰিব পৰা যায়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয় গঠন কৰাৰ প্ৰধান উদ্দেশ্য কি আছিল?

প্ৰশ্ন নং ২ ঃ 'মহিলা সুৰক্ষা কেন্দ্ৰ' প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যে চৰকাৰে গঠন কৰা পুঁজিটোৰ নাম কি আছিল?

প্ৰশ্ন নং ৩ ঃ STEP কেতিয়া সংগঠিত হৈছিল আৰু ইয়াৰ মুখ্য উদ্দেশ্য কি আছিল?

প্ৰশ্ন নং ৪ ঃ মহিলা আৰক্ষী স্বেচ্ছাসেৱক আঁচনি কি উদ্দেশ্যে গৃহীত হৈছিল?

৭.৫ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

- ভাৰত চৰকাৰে মহিলাৰ বিকাশৰ প্ৰতি মনোযোগ দিবলৈ আৰম্ভ কৰিছিল প্ৰথম পঞ্চবার্ষিক পৰিকল্পনাৰ সময়ৰ পৰা (১৯৫১-৫৬)
- ষষ্ঠ পঞ্চবার্ষিক পৰিকল্পনাৰ (১৯৮০-৮৫) সময়ছোৱাত মহিলাৰ 'কল্যাণমূলক আঁচনি'ৰ পৰা মহিলাৰ 'বিকাশ'লৈ দিশ সলনি হৈছিল।
- নৱম পঞ্চবার্ষিক পৰিকল্পনাই (১৯৯৭-২০০২) মহিলাৰ বিকাশ-নীতিত দুটা গুৰুত্বপূর্ণ পৰিৱর্তনৰ সূচনা কৰিছিল। প্ৰথম - 'মহিলা সবলীকৰণ', যাৰ লক্ষ্য আছিল এনে এটা অনুকূল পৰিৱেশৰ সৃষ্টি কৰা, য'ত মহিলাই পুৰুষৰ সম-অংশীদাৰ হৈ ঘৰৰ বাহিৰে-ভিতৰে মুকলিকৈ তেওঁলোকৰ অধিকাৰ সাব্যস্ত কৰিব পাৰে। দ্বিতীয়টো হৈছে, মহিলাৰ বাবে নিৰ্দিষ্ট আৰু মহিলা-সম্বন্ধীয় বিভাগসমূহত উপলব্ধ সেৱাসমূহৰ কেন্দ্ৰীভূতকৰণ।
- দশম পঞ্চবার্ষিক পৰিকল্পনাই ২০০২-২০০৭ মহিলাসকলক আত্মসহায়ক গোট সংগঠনৰ জৰিয়তে ধন উপার্জন কৰিবলৈ অনুপ্ৰাণিত কৰিছিল।
- দ্বাদশ পঞ্চবার্ষিক পৰিকল্পনাত (২০১২-১৭) পৰিকল্পনা আয়োগে অকলশৰীয়া মহিলাৰ বাবে বিশেষ বিতৰণৰ ব্যৱস্থা কৰিছিল আৰু সকলো মহিলাকে কৃষি আৰু পশু পালনৰ উপৰি স্বাস্থ্য, শিক্ষা, নগৰীকৰণ আৰু শাসনত সক্ৰিয় অংশগ্ৰহণৰ বাবে অনুপ্ৰাণিত কৰিছিল।
- ২০০৬ চনৰ ৩০ জানুৱাৰীত এক পৃথক মন্ত্ৰালয় হিচাপে মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ৰ সূচনা হৈছিল।

- **বেটি বাচাও বেটি পাঢ়াও ঃ** প্রধানমন্ত্রী নৰেন্দ্র মোডীয়ে ২০১৫ চনৰ ২২ জানুৱাৰীত আন্তঃৰাষ্ট্রীয় শিশু কন্যা দিৱস উপলক্ষে হাৰিয়ানাৰ পানিপথ অঞ্চলত এই প্রচাৰ অভিযানৰ সূত্রপাত কৰিছিল।
- মহিলা আৰু শিশু বিকাশ মন্ত্রালয়ে ২০১৫ চনৰ ১ এপ্রিলৰ পৰা নাৰী সুৰক্ষা কেন্দ্রসমূহৰ কার্যকৰীকৰণৰ আৰম্ভণি কৰিছিল।
- ২০১৫ চনৰ পহিলা এপ্রিলৰ পৰা মহিলা সুৰক্ষা কেন্দ্র'ৰ লগতে মহিলা সাহার্য আঁচনিৰো সূত্রপাত কৰা হৈছিল।
- ২০১৬ চনৰ ৭ মার্চ তাৰিখে 'মহিলা আৰু শিশু বিকাশ মন্ত্রালয়ে' 'মহিলা ই-হাট' নামৰ এক দ্বিভাষিক ইলেকট্রনিক্ দ্বাৰৰ সূত্রপাত কৰে। মহিলা শিল্পোদ্যোগীসকলৰ পথ সুগম কৰাৰ ক্ষেত্রত এই মঞ্চই বিশেষ ভূমিকা পালন কৰিছে।
- মহিলা শক্তি কেন্দ্র হৈছে দক্ষতা বৃদ্ধি, নিযুক্তি, ইলেকট্রনিক্ সাক্ষৰতা, স্বাস্থ্য, পৰিপুষ্টি আদিৰ সুবিধা প্রদানেৰে গ্রাম্য মহিলা সবলীকৰণৰ বাবে সৃষ্টি কৰা 'একক বিৰাম সমকেন্দ্রিক সহযোগিতা সেৱা'।
- ভাৰতবর্ষত মহিলাৰ বাবে সর্বোচ্চ অসামৰিক বঁটাটো হৈছে নাৰী শক্তি পুৰস্কাৰ। প্রতি বছৰে আন্তঃৰাষ্ট্রীয় নাৰী দিৱসত এই পুৰস্কাৰ প্রদান কৰা হয়।
- ভাৰত চৰকাৰৰ অন্যতম গুৰুত্বপূর্ণ এই আঁচনিখনৰ সূচনা কৰা হৈছিল ১৯৭৫ চনৰ চ অক্টোবৰত আৰু ই শিশুৰ প্রাথমিক যত্ন আৰু বিকাশৰ ক্ষেত্রত সমগ্র পৃথিৰীৰ ভিতৰতে অন্যতম বৃহৎ আৰু অদ্বিতীয় যোজনা হিচাপে পৰিগণিত হৈছে।
- চৰকাৰী আৰু বেচৰকাৰী সংস্থাৰ সহযোগিতাৰে জটিল পৰিস্থিতিৰ সন্মুখীন হোৱা আৰু অসুৰক্ষিত শিশুসকলৰ বাবে এক সুৰক্ষিত বাতাৰৰণ সৃষ্টি কৰাই হৈছে কেন্দ্রীয় পৃষ্ঠপোষকতাৰে আৰম্ভ কৰা এই আঁচনিখনৰ লক্ষ্য। এই আঁচনিখনৰ প্রস্তাৱ ২০০৬ চনত উত্থাপিত হয় আৰু ২০০৯ চনত ৰূপায়ন কৰা হয়।

৭.৬ অধিক জানিবলৈ

১) Rao. M. Koteswara, (2005) ''Empowerment of Women in India'', Discovery Publishing House, New Delhi.

২) Chopra. G, (2015) "Child Rights in India, Challenges and Social action", Springer, New Delhi.

৭.৭ অগ্রগতিৰ খতিয়ান

প্রশ্ন ১ ৰ উত্তৰ ঃ এই মন্ত্রালয় গঠনৰ মুখ্য উদ্দেশ্য আছিল মহিলা আৰু শিশুৰ বিকাশৰ বাবে ৰাষ্ট্রীয় আৰু ৰাজ্যিক পর্যায়ত গৃহীত উদ্যোগমূলক আঁচনিৰ ব্যৱধানসমূহ উল্লেখ কৰা তথা লিংগ সাম্যতা আৰু শিশু কেন্দ্রীভূত আইন প্রণয়ন, আঁচনি আৰু কর্মসূচী তৈয়াৰ কৰিবলৈ আন্তঃমন্ত্রালয় আৰু আন্তঃবিভাগীয় কেন্দ্রীভূতকৰণৰ পৃষ্ঠপোষকতা কৰা।

প্রশ্ন ২ ৰ উত্তৰ ঃ নাৰী সুৰক্ষা কেন্দ্র স্থাপন কৰিবলৈ ভাৰত চৰকাৰে গঠন কৰা নিধিটোৰ নাম আছিল 'নির্ভয়া পুঁজি'।

প্রশ্ন ৩ ৰ উত্তৰ ঃ STEP ১৯৮৬-৮৭ চনত সংগঠিত হৈছিল। ইয়াৰ মুখ্য উদ্দেশ্যসমূহ আছিল-

- মহিলাসকলক সৰু সৰু কর্মক্ষম দলত সঞ্চালিত কৰা আৰু তেওঁলোকক প্রশিক্ষণৰ জৰিয়তে ঋণ তথা অন্যান্য নিবেশৰ সা-সুবিদা প্রদান কৰা।
- মহিলাসকলক তেওঁলোকৰ নিজস্ব জীৱিকা তথা আয় উপার্জনৰ আঁচনি গ্রহণ কৰিবলৈ সক্ষম কৰি তোলা।
- মহিলাসকলৰ অতিৰিক্ত বিকাশ আৰু জীৱিকা পৰিস্থিতিৰ উন্নয়নৰ বাবে বিশেষ সেৱা আগবঢ়োৱা আৰু লগতে স্বাস্থ্য সেৱা, সাক্ষৰতা, আইনগত সাক্ষৰতা আৰু অন্যান্য লাগতিয়াল বা-বাতৰি প্রদান কৰা।

প্রশ্ন ৪ ৰ উত্তৰ ঃ আৰক্ষী আৰু সম্প্রদায়ৰ মাজত এক যোগসূত্র হিচাপে কাম কৰিবলৈ মহিলা আৰক্ষী স্বেচ্ছাসেৱক আঁচনি গ্রহণ কৰা হৈছিল।

৭.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ মহিলা আৰু শিশু বিকাশ মন্ত্রালয়ৰ আৰম্ভণি কেতিয়া হৈছিল? এই মন্ত্রালয়ৰ ভৱিষ্য-দর্শন (Vision) আৰু সাধন লক্ষ্য (Mission) উল্লেখ কৰক।

প্রশ্ন ২ ঃ নাৰী সুৰক্ষাৰ বাবে চৰকাৰে গ্রহণ কৰা আঁচনিসমূহৰ নাম লিখক। প্রত্যেকখন আঁচনিৰ বিষয়ে একোটা চমুটোকা লিখক।

প্রশ্ন ৩ ঃ মহিলা শিল্পোদ্যোগীসকলৰ বিকাশৰ বাবে চৰকাৰে গ্রহণ কৰা আঁচনিসমূহৰ নাম লিখক। (প্রত্যেকখন আঁচনিৰ বিষয়ে একোটা চমুটোকা লিখক।

প্রশ্ন ৪ ঃ ভাৰত চৰকাৰে গ্রহণ কৰা সংহত শিশু সুৰক্ষা আঁচনিখনৰ মুখ্য উদ্দেশ্য কি আছিল? এই আঁচনিৰ অন্তর্ভুক্ত বিভিন্ন কর্মসূচীসমূহৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ গ্রাম্য ধর্ম

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ ধর্ম ঃ সংজ্ঞা আৰু অর্থ
৮.৪ সমাজতাত্ত্বিক দৃষ্টিভংগীৰে ধর্মৰ আলোচনা
৮.৫ ধর্মৰ সামাজিক কার্যাৱলী
৮.৬ ভাৰতৰ গ্রাম্যাঞ্চলৰ ধর্ম ঃ এক সংক্ষিপ্ত বিৱৰণ
৮.৭ গ্রাম্য ধর্মৰ অধ্যয়নৰ তাৎপর্য
৮.৮ ভাৰতৰ গ্রাম্য ধর্মৰ বৈশিষ্ট্য
৮.৯ পৰিৱর্তিত দৃশ্যপট
৮.১০ গ্রাম্য ধর্মীয় ব্যৱস্থাৰ প্রধান কার্যসমূহ
৮.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.১২ অধিক জানিবলৈ
৮.১৩ অগ্রগতিৰ খতিয়ান
৮.১৪ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ধর্মৰ বিভিন্ন সংজ্ঞা সম্পর্কে আলোচনা কৰিব পাৰিব
- ধর্মৰ অর্থ, ধাৰণা আৰু প্রকাৰসমূহ আলোচনা কৰিব পাৰিব
- মানৱ সমাজত ধর্মৰ বিভিন্ন কার্যাৱলী বিশ্লেষণ কৰিব পাৰিব
- গ্রাম্য সমাজৰ উৎপত্তি সম্পর্কে জ্ঞাত হ'ব
- ভাৰতীয় গ্রাম্য সমাজৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব
- গ্রাম্য সমাজত ধর্মৰ ভূমিকা আৰু কার্যৰ লগতে ইয়াৰ মানদণ্ড সম্পর্কে বুজিব পাৰিব।

৮.২ পৰিচয়

আমি জানো যে পৃথিৱীৰ সকলো সম্প্রদায়ৰ সংস্কৃতিৰ এটা প্রধান উপাদান হৈছে ধর্ম। ধর্মই মানুহক কেৱল এই পৃথিৱীতে নহয় মৃত্যুৰ পিছতো সুৰক্ষা প্রদান কৰে। ধর্মই মানুহক কেৱল দৈহিক আৰু সামাজিক পৰিৱেশৰ সম্পর্কতেই নহয় কিছুমান অপৰিচিত শক্তি আৰু প্রাণীৰ পৰা সুৰক্ষা প্রদান কৰে। মানুহে এই অচিনাকী শক্তি আৰু প্রাণীৰ জগতখনক অলৌকিক শক্তিৰ পৃথিৱী আখ্যা দিয়ে।

জানি থোৱা ভাল

ধর্মৰ ইংৰাজী শব্দটো মধ্যযুগীয় ইংৰাজী শব্দ 'Religioun' ৰ পৰা উদ্ভৱ হোৱা - যিটো পুৰণি ফৰাছী শব্দ 'religion'ৰ পৰা আহিছে। এই শব্দটো লেটিন 'religo' ৰ পৰা উদ্ভৱ হোৱা, যাৰ অর্থ হৈছে শুভ বিশ্বাস (Good Faith), ধর্মীয় নীতি-নিয়ম বা আন তেনে ধৰণৰ অর্থ। কিছুমানে আকৌ এই শব্দটো লেটিন শব্দ religare ৰ পৰা অহা বুলি মতপোষণ কৰে, যাৰ অর্থ হৈছে 'জোৰকৈ বান্ধি ৰখা'।

সাধাৰণ অর্থত ধর্ম হৈছে কোনো এক অলৌকিক আৰু উত্তম শক্তিৰ প্রতি ৰখা বিশ্বাস। এই বিশ্বাস সকলো সমাজতে বিভিন্ন ৰূপত দেখা পোৱা যায়। এই অলৌকিক (supernatural) শক্তিবিধৰ সমাজত এক বিশেষ প্রভাৱ আৰু নিয়ন্ত্রণ থাকে বুলি বিশ্বাস কৰে। আজিৰ পৰা যাঠি হাজাৰ বছৰ আগৰে পৰা সমাজত অলৌকিক শক্তি আৰু ইয়াৰ প্রভাৱ সম্পর্কে বিশ্বাস থকা বুলি প্রমাণ পোৱা যায় প্রত্নতত্ত্ববিদে পোৱা তথ্য মতে নিয়েনডাৰথেল (Neanderthal) সকলে তেওঁলোকৰ মৃতকৰ সৈতে বহুতো শিলৰ সামগ্রী আৰু অলংকাৰ কবৰ দিছিল । ধর্ম হৈছে কোনো এক অলৌকিকতাৰ (supernatural) প্রতি থকা মানুহৰ সুসংগঠিত সঁহাৰি; যদিও এই অলৌকিক শক্তিৰ প্রতি থকা বিশ্বাসক বিভিন্ন ধর্মমত, ধর্মীয় অভ্যুত্থানে সময়ে সময়ে অস্বীকাৰ কৰি আহিছে। সি যি কি নহওক ধর্মৰ এই সংজ্ঞাটো বা ধর্মৰ উৎপত্তি সম্পর্কে এই মতবাদটো বিভিন্ন তর্ক-বিতর্কৰে ভৰা। অলৌকিক শক্তিৰ প্রতি থকা বিশ্বাস, কিম্বদন্তি (Myth), ধর্মীয় নীতি-নিয়ম তথা অনুশীলন ইত্যাদিৰে ধর্মৰ ধাৰণাটো ভৰি আছে।

যদিও ধর্ম সর্বসাধাৰণে বুজি পোৱা এক পৰিঘটনা, তথাপি ইয়াক মানুহে বিভিন্ন সময়ত বিভিন্ন প্রকাৰে সজ্ঞাবদ্ধ কৰি আহিছে। ধর্মত সাধাৰণতে এজন মহাপুৰুষৰ বাণী আৰু সর্বসাধাৰণে গ্রহণ কৰা ধাৰণা বিভিন্ন ৰূপত পোৱা যায়। গতিকে ধর্মৰ প্রকৃতি সম্পর্কে এটা সর্বসন্মত ধাৰণা পোৱা নাযায়। সমাজতত্ত্ববিদসকলেও সেইকাৰণে ধর্মৰ এটা প্রকৃত ব্যাখ্যা উলিয়াব পৰা নাই।

আকৌ, এই কথাটোও মন কৰিবলগীয়া যে ধর্মীয় বিশ্বাস আৰু অনুশীলনীবিলাকৰ এখন সমাজৰ সৈতে অন্য এখন সমাজৰ, এটা সম্প্রদায়ৰ সৈতে আন এটা সম্প্রদায়ৰ বা এখন ঠাইৰ সৈতে অন্য এখন ঠাইৰ মাজত ভিন্নতা দেখা যায়। এই পার্থক্য আনকি একেটা ধর্মমতৰ মাজতো পৰিলক্ষিত হয়। উদাহৰণ স্বৰূপে গাঁৱলীয়া পৰিৱেশতকৈ নগৰ অঞ্চলত ধর্মীয় নীতিবিলাকৰ এক শিথিলতা আছে। এই পার্থক্যসমূহৰ বিষয়ে বিতংকৈ আলোচনা কৰাৰ আগতে ধর্মৰ অর্থ, সংজ্ঞা আৰু ইয়াৰ সামাজিক দিশত থকা প্রধান কর্তব্য সম্পর্কে আলোচনা কৰো আহক।

৮.৩ ধর্ম ঃ সংজ্ঞা আৰু অর্থ

দার্শনিকসকলে সকলো ধর্মৰ মাজতে সাদৃশ্য থকা ধর্মৰ এটা বৈশিষ্ট্য উদ্ভাৱন কৰিবলৈ চেষ্টা কৰি আহিছে। নৃতত্ত্ববিজ্ঞানৰ জনক হিচাপে খ্যাত ই. বি. টাইলৰৰ মতে ধর্ম হৈছে পৰমাত্মাৰ প্রতি থকা অগাধ বিশ্বাস। টাইলৰৰ এই সংজ্ঞাটোৰ বর্তমানৰ সমাজতো যথার্থতা থকা বুলি বহুতো বিজ্ঞানীয়ে মত পোষণ কৰে। দার্শনিক জেমছ ফ্রেজাৰৰ মতে ধর্মই এক বিশেষ শক্তিক সন্তুষ্ট কৰাকে বুজায়।

বিখ্যাত সামাজিক দার্শনিক এমিল ডুৰখেইমে তেখেতৰ বিখ্যাত গ্রন্থ 'Elementary Forms of the Religious Life'ত ধর্মৰ সংজ্ঞা সম্পর্কে এনেদৰে কৈছিল যে, "ধর্ম হৈছে কোনো এক পৰিত্র বস্তুৰ প্রতি থকা বিশ্বাস আৰু অনুশীলন পদ্ধতি। এই পদ্ধতিত সেই পৰিত্র বস্তু বিধক বিশ্বাস আৰু কর্মৰ জৰিয়তে সর্বসাধাৰণৰ পৰা পৃথক কৰা হয় আৰু এনেকুৱা এক উচ্চ আৰু পৰিত্র স্থানত স্থাপন কৰা হয় য'ৰ পৰা মানুহে এক বিশেষ সম্প্রদায়

হিচাপে এটা বিশেষ ধর্মীয় নীতিৰ প্রতি দায়বদ্ধ হয়। সাধাৰণতে এই পৱিত্র স্থানটোক বা সম্প্রদায়টোক গীর্জা বা ধর্মীয় গোট আখ্যা দিয়া হয়।"

জেমছ জি. ফ্রেজাৰে, তেখেতৰ বিখ্যাত গ্রন্থ "The Golden Bough"ত কৈছিল যে "ধর্ম হৈছে কোনো অলৌকিক শক্তিত থকা বিশ্বাস; মানুহে এই বিশ্বাসৰ জৰিয়তে প্রকৃতি আৰু মানৱ জাতিৰ সুৰক্ষা তথা নিয়ন্ত্রণ নিশ্চিত কৰে।"

মেকভাৰ আৰু পেজে ধর্ম সম্পর্কত কৈছিল যে ধর্ম শব্দটোৱে অকল এজন মানুহৰ অন্য এজন মানুহৰ সৈতে থকা সম্পর্ককে নুবুজায়, ই এজন মানুহৰ অন্য এক উচ্চ শক্তিসম্পন্ন ক্ষমতাৰ সৈতে থকা সম্পর্ককো বুজায়।

অগবার্ণে আকৌ ধর্মক কোনো এক অলৌকিক শক্তিৰ অধিকাৰী মানুহৰ প্রতি থকা বিশ্বাস বুলি কৈছে।

মেক্স মুলাৰৰ মতে ধর্ম হৈছে মানুহৰ এক মানসিক ক্ষমতা যাৰ জৰিয়তে মানুহে নিজৰ অসম্পূর্ণতাক পূর্ণ কৰিব পাৰে।

স্পাইৰোৱে (Spiro), ১৯৬৬ চনত, এই কথাটো স্পষ্ট কৰি কৈছিল 'অলৌকিক প্রাণীৰ প্রতি বিশ্বাস' ধর্মৰ সকলো সংজ্ঞাৰেই প্রধান উপাদান। এন্থনী ৱালেছে আকৌ এই বুলি মতপোষণ কৰে যে ধর্ম হৈছে এনে এক মানৱীয় আচৰণ যাক অলৌকিক শক্তি আৰু ক্ষমতাৰ প্রতি ৰখা বিশ্বাস আৰু নীতি-নিয়মৰ ওপৰত ভিত্তি কৰি বিভিন্ন ভাগত বিভক্ত কৰিব পাৰি। সুৰজিৎ সিন্হাৰ মতে ধর্ম হৈছে এনে এক ব্যৱস্থাপনা য'ত কোনো এক পৱিত্র বস্তুৰ প্রতি থকা বিশ্বাস, অনুশীলন আৰু মূল্যবোধ জড়িত হৈ থাকে। ধর্মৰ কোনো এক অলৌকিক শক্তিৰ সৈতে সম্পর্ক থাকে; যি শক্তিক মানৱ জাতিৰ সকলো ঐচ্ছিক তথা সাংসাৰিক সৃষ্টিৰ আদি বুলি ভবা হয়।

ধর্ম সম্পর্কে থকা বিভিন্ন পৰম্পৰাগত সংজ্ঞাসমূহৰ পৰা আমি ধর্মক তলত উল্লেখ কৰা দিশসমূহৰ সৈতে জড়িত বুলি সিদ্ধান্ত ল'ব পাৰোঁ—

- এখন অলৌকিক জগতত অলৌকিক শক্তি বা আচৰণৰ ওপৰত কৰা বিশ্বাস।
- অলৌকিক শক্তিৰ ওপৰত সহায়, উৎসাহ আৰু শক্তিৰ বাবে নির্ভৰ কৰা।
- ধর্মীয় নীতি-নিয়ম আৰু আচৰণৰ আর্হিসমূহত এই নির্ভৰশীলতা প্রকাশ পায়।
- ধর্মই মানুহক একত্রিত কৰে।

পৃথিৱীত এনে কিছুমান ধর্ম আছে যিবিলাক ধর্মৰ পৰম্পৰাগত সংজ্ঞাৰ অন্তর্ভূক্ত নহয়। যদিও ধর্মই কোনো এক অলৌকিক শক্তিৰ ওপৰত কৰা বিশ্বাস আৰু অনুশীলন পদ্ধতিক বুজায়, তথাপিও মূল বৌদ্ধ ধর্মত কিন্তু তেনে কোনো অতি প্রাকৃতিক সত্ত্বাৰ বহন নাই। কিন্তু আন ধর্মসমূহৰ নিচিনা এই ধর্ময়েও এটা বিশ্ববীক্ষা আগবঢ়ায়। আমাৰ চাৰিওফালৰ পৰিঘটনাসমূহ ব্যাখ্যা কৰে, আমাক জটিল সময়ত কামত লগাব পৰাকৈ উপায় আগবঢ়ায়। সি যি কি নহওঁক ধর্মৰ মূল বৈশিষ্ট্য হৈছে ইয়াৰ পৱিত্রতা।

জানি থোৱা ভাল

এন্থনী এফ. চি. ওৱালেছে (Anthony F. C. Wallace) ধর্মক চাৰিটা ভাগত বিভক্ত কৰিছে। এই ভাগসমূহ যদিও সকলো ধর্মৰ সৈতে খাপ নাখায়, তথাপি ইয়াৰ যথার্থতা নুই কৰিব নোৱাৰি।

- **ব্যক্তিবাদী** (Individualistic) ঃ ই আটাইতকৈ সৰল আৰু মৌলিক ধর্মমত।

- **স্বামানবাদী যাদু বিদ্যা ঃ** স্বামানসকল সময়-ভিত্তিক (Part-time) ধর্ম চর্চা কৰোঁতা। তেওঁলোকে ধর্মৰ অনুভূতি বা অলৌকিকতাক তেওঁলোকৰ অনুগত সকলৰ বাবেহে ব্যৱহাৰ কৰে। উদাহৰণস্বৰূপে শ্বামান বা তান্ত্রিক সকল আধ্যাত্মিক, ঐশ্বৰিকবাদী, হস্তৰেখাবিদ ইত্যাদি। এই ক্ষেত্রত সেই সকলহে পাকৈত হ'ব সিয়ে ধর্মৰ সর্বোচ্চ ক্ষমতাত আৰোহণ কৰিব পাৰে ।
- **সাম্প্রদায়িক ঃ** সাম্প্রদায়িকতা কিছুমান বিশ্বাস আৰু অনুশীলনীৰ সমষ্টি। সম্প্রদায়সমূহ সাধাৰণতে বংশগতিৰ ভিত্তিত, জন্মগতভাৱে, বয়স বা ধর্মীয় অনুভূতিৰ জৰিয়তে গঠিত হয়। মানুহে এই সম্প্রদায়বোৰত নিজৰ জ্ঞান আৰু পূর্বপুৰুষ পূজাৰ জৰিয়তে নিজৰ ভূমিকা পালন কৰে।
- **ধর্মযাজক কেন্দ্রিক ধর্মী** (Ecclesiastical) ঃ এই বিধেই আটাইতকৈ জটিল। ইয়াত ধর্মগ্রন্থসমূহৰ অন্তর্ভুক্ত বিভিন্ন ধর্মীয় নীতি নিয়মক প্রধান উপাদান হিচাপে গ্রহণ কৰা হয়। ধর্মযাজক সকলেই হ'ল গুৰি ধৰোতা।

৮.৪ সমাজতাত্ত্বিক দৃষ্টিভংগীৰে ধর্মৰ আলোচনা

ভাৰতবর্ষত পৃথিৰীৰ সকলোবিলাক ধর্মৰে মানুহ পোৱা যায়। ভাৰতবর্ষৰ ধর্মৰ মূল বিষয়বস্তু সম্পর্কে আমি নৱম অধ্যায়টিত বিশদভাৱে আলোচনা কৰিম। এই অধ্যায়টিত আমি ভাৰতৰ গ্রাম্য ধর্ম আৰু (Rural religion) আৰু ইয়াৰ গুৰুত্ব তথা কার্যাৱলীসমূহ আলোচনা কৰিম। এই অধ্যায়ত ধর্মসমূহৰ মাজত চলা প্রতিযোগিতা বা অৰিয়া অৰিৰ কথা আলোচনাৰ বাহিৰত ৰখা হব। কাৰণ সমাজ শাস্ত্রত প্রধানকৈ ধর্মৰ সামাজিক উপযোগিতা তথা ইয়াৰ বিশ্বাস অনুশীলনীসমূহৰ ওপৰতহে গুৰুত্ব দিয়া হয়। এতিয়া আমি সমাজতাত্ত্বিক বিজ্ঞানীসকলে সততে উত্থাপন কৰা ধর্ম সম্পর্কীয় কেইটামান প্রশ্নৰ বিষয়ে আলোচনা কৰো আহক।

- ধর্মই কেনেকৈ বিশ্বাস আৰু পূজা অর্চনাৰ যোগেদি কোনো এটা সংগঠনক একত্রিতভাৱে পুনৰুজ্জীৱিত কৰে? (ডুৰখিম্)
- ধর্মই কেনেকৈ ব্যক্তিৰ আবেগিক আৰু বৌদ্ধিক বিকাশত অন্তৰায়ৰ সৃষ্টি কৰে? (মার্ক্সৰ মত)
- ধর্মই কেনেকৈ পুঁজিবাদৰ দৰে এটা নির্দিষ্ট অর্থনৈতিক ব্যৱস্থাৰ সৃষ্টি কৰে? (মেক্সৱেবাৰৰ মত)

৮.৫ ধর্মৰ সমাজিক কার্যাৱলী

ধর্মই ব্যক্তিৰ ব্যক্তিগত আৰু সামাজিক জীৱন উভয়তে এক উল্লেখযোগ্য ভূমিকা পালন কৰে। এই ভূমিকা সমাজভেদে বিভিন্ন ধৰণৰ হ'ব পাৰে।

- ব্যক্তিগতভাৱে ধর্মই মানুহক আবেগিক ক্ষেত্রত সুৰক্ষা দিয়ে। ধর্মই মানুহক নিজৰ বিপদক বা পীড়াক যুক্তিযুক্তভাৱে বিচাৰ কৰি সহ্য কৰিবলৈ শিকায়।
- ধর্মই ব্যক্তিৰ জীৱনত দিক্ নির্ণয় কৰে।
- ধর্মই ব্যক্তিৰ চাৰিওফালে ঘটি থকা বিভিন্ন ঘটনাৱলীৰ যথার্থতা আৰু সঠিক ব্যাখ্যা দাঙি ধৰে।
- সামাজিকভাৱে ধর্মই সমাজ নিয়ন্ত্রণৰ এক শক্তিশালী আহিলা হিচাপে কাম কৰে। অলৌকিক শক্তিৰ কোপদৃষ্টিৰ ভয়েৰে মানুহৰ আচৰণ আৰু ব্যৱহাৰ নিয়ন্ত্রণ কৰিব পাৰে। ধর্মৰ এই প্রভাৱ বা অনুভৱ মানুহে সৰুৰে পৰা সামাজিক জীৱনৰ পৰা শিকে বা আয়ত্ত কৰে।
- ইয়াৰ উপৰিও ধর্মই মানুহক এটা গোট হিচাপে একত্রিত কৰি ৰাখে।

একোটা ধর্মীয় অনুভূতি অনুসৰণ কৰা মানুহৰ মাজত ধর্মই যদিও একতাৰ মনোভাৱ সৃষ্টি কৰে তথাপিও কেতিয়াবা ই ভিন্ন ধর্মৰ মাজত মতানৈক্যৰ সৃষ্টি কৰিব পাৰে। এই অনৈক্যতাৰ প্রধান কাৰণ হৈছে ধর্মীয় অনুভূতি সম্পর্কে হোৱা ভুল ধাৰণা।

অগ্রগতি নিৰীক্ষণ

খালী ঠাই পূৰণ কৰক ঃ

প্রশ্ন নং ১ ঃ (ক) কোনো এক পৱিত্র বস্তুৰ প্রতি দেখুওৱা বিশ্বাস আৰু অনুশীলনীসমূহক একত্রিতভাৱে .....বোলা হয়।

(খ) টাইলৰৰ মতে, "ধর্ম হৈছে — প্রতি ৰখা বিশ্বাস"।

প্রশ্ন নং ২ ঃ শুদ্ধ নে অশুদ্ধ নির্ধাৰণ কৰক ঃ

(ক) ডুৰখেইমৰ ধর্মৰ আলোচনাবিলাক ধর্মই সমাজত পালন কৰা ভূমিকাতে কেন্দ্রীভূত আছিল।

(খ) বৌদ্ধ ধর্ম অলৌকিক শক্তিৰ পৰা মুক্ত আছিল।

(গ) বৌদ্ধ ধর্মই আমাক বিপদৰ পৰা পৰিত্রাণ পাবলৈ আমাৰ চাৰিওফালে ঘটা ঘটনাৱলীৰ এক সঠিক ব্যাখ্যা দাঙি ধৰে।

৮.৬ ভাৰতৰ গ্রাম্যাঞ্চলৰ ধর্ম ঃ এক সংক্ষিপ্ত বিৱৰণ

গ্রাম্য সমাজত ধর্মৰ প্রভাৱ অপৰিসীম। পৃথিৱীৰ সকলো বিলাক গ্রাম্য সমাজ ব্যৱস্থাতে জন্ম, মৃত্যু, বিবাহ, মহামাৰী, প্রাকৃতিক দুর্যোগ, আকাল, বানপানী ইত্যাদি সামাজিক পৰিঘটনাসমূহৰ এটা ধর্মীয় ব্যাখ্যা থকা দেখা যায়। আনকি ল'ৰা-ছোৱালীয়ে প্রাপ্তবয়স্ক বা যৌৱন প্রাপ্ত হ'লেও বহুতো ধর্মীয় ৰীতি-নীতি তথা পূজা পাতল কৰা হয় যাতে তেওঁলোকৰ এই সামাজিক স্তৰৰ পদোন্নতিৰ (অবিবাহিত স্তৰৰ পৰা বিবাহৰ যোগ্যতা পোৱা স্তৰ) ক্ষণ অশুভ শক্তিৰ প্রভাৱৰ পৰা মুক্ত হয়। তেওঁলোকৰ মতে অকল মহামাৰী বা প্রাকৃতিক দুর্যোগেই নহয় জন্ম, মৃত্যু, বিবাহ, বেমাৰ-আজাৰ ইত্যাদিও এক ডাঙৰ সামাজিক ঘটনা। এইবিলাক বিষয়ত পালন কৰা ধর্মীয় ৰীতি-নীতিৰ পৰিমাণ সমাজ অনুসৰি কম বেছি হ'ব পাৰে। এই পার্থক্য আমি গ্রাম্য আৰু নগৰ অঞ্চলৰ সমাজ ব্যৱস্থাসমূহক তুলনা কৰি চালে ওলাই পৰে। সাধাৰণতে গ্রাম্য অঞ্চলত ধর্মীয় নীতিসমূহ কঠোৰভাৱে পালন কৰা হয় কিন্তু চহৰ অঞ্চলত এই ৰীতিসমূহক প্রতীকী ভাবেহে পালন কৰে। ইয়াৰ প্রধান কাৰণ হৈছে চহৰাঞ্চলৰ লোকসকল বেছি আধুনিক আৰু লগতে তেওঁলোকৰ এই ৰীতিসমূহ পালনৰ সময় আৰু সুবিধা দুয়োটা কম থাকে। তলৰ আলোচনাত আমি প্রধানকৈ গ্রাম্য অঞ্চলত ধর্মৰ লগত জড়িত বিভিন্ন দিশৰ লগতে ভাৰতীয় গ্রাম্য সমাজখনৰ এক সম্যক ধাৰণাৰে ধর্মৰ বিভিন্ন দিশসমূহ উল্লেখ কৰা হ'ব।

৮.৭ গ্রাম্য ধর্মৰ অধ্যয়নৰ তাৎপর্য

ভাৰতবর্ষ হৈছে গ্রাম্য প্রধান ৰাষ্ট্র। যদিও ভাৰতবর্ষত সিন্ধু সভ্যতাৰ সময়ৰে পৰা চহৰৰ অৱস্থিতি থকাৰ প্রমাণ আছে তথাপি গাঁও অঞ্চলৰ অনুপাতে চহৰ অঞ্চলৰ পৰিমাণ তেনেই নগন্য। ২০০১ চনৰ লোকপিয়ল অনুসৰি ভাৰতবর্ষত ৪৩৭৮ খন নগৰ থকাৰ কথা উল্লেখ আছে।

ভাৰতীয় সভ্যতাক গ্রাম্য আৰু নগৰীয়া এই দুয়োটা দিশতে অধ্যয়ন কৰা হয়। গ্রাম্য সমাজ ব্যৱস্থা যদিও সমাজৰ সাধাৰণ ধাৰণাৰ অন্তর্ভুক্ত তথাপি এই সমাজ ব্যৱস্থাৰ এনে কিছুমান মৌলিক উপাদান আছে যিবিলাকৰ বাবে ইয়াক নগৰ আৰু সাধাৰণ সমাজৰ ধাৰণাৰ পৰা পৃথককৈ বুজা যায়। যোৱা শতিকাজুৰি ভাৰতবৰ্ষৰ নগৰীয়া আৰু গ্রাম্য সমাজ ব্যৱস্থাত প্রচলিত ধর্মসমূহৰ এক বিস্তৃত পর্যালোচনা চলোৱা হৈছিল। যোৱা শতিকাত ভাৰতবৰ্ষত উদ্ভৱ হোৱা বিভিন্ন ধর্মীয় বিশ্বাস তথা ধর্মীয় অনুষ্ঠানৰ উপস্থিতিয়ে এই বক্তব্যৰ যথার্থতা নিৰূপণ কৰে।

গ্রাম্য সমাজ ব্যৱস্থা সাধাৰণতে সু-সংগঠিত আৰু এক শক্তিশালী এনাজৰীৰে সাঙোৰ খাই থাকে। ভাৰতীয় গ্রাম্য জীৱক সাধাৰণতে ভূমি, পৰিয়ালৰ গাঁথনি, জাতিগত বৈষম্য আৰু বিভিন্ন ধর্মই প্রভাৱিত কৰি আহিছে। ধর্মই আনকি সমাজৰ এক বৃহৎ অংশৰ মানুহৰ কার্য আৰু চিন্তাধাৰাক প্রভাৱিত কৰে। মানুহৰ এই ধর্মীয় অনুভূতিয়ে ভাৰতৰ আর্থ-সামাজিক দিশকো যথেষ্ট প্রভাৱিত কৰিছে। সমাজত প্রচলিত বহুতো ধর্মীয় নিষেধাজ্ঞা আৰু অনুশাসনে মানুহৰ কেৱল জীৱন দর্শনক নিয়ন্ত্রিত কৰাই নহয়, তেওঁলোকৰ অর্থনৈতিক কার্যকলাপতো কিছুমান বাধ্যবাধকতা আৰোপ কৰে। উদাহৰণ স্বৰূপে, বুদ্ধ ধর্মত প্রচলিত অহিংসা নীতিৰ বাবে বৌদ্ধ ধর্মী লোকসকলৰ মাজত মাংস আৰু উলৰ ব্যৱহাৰ কম হয়। গতিকে দক্ষিণ পূব এছিয়াৰ সৰহ সংখ্যক দেশত প্রধানকৈ শ্রীলংকা, চীন, ভুটান, জাপান, ম্যানমাৰ ইত্যাদি বৌদ্ধ ধর্মী লোকৰ প্রাদুর্ভাৱ থকা দেশসমূহত উলৰ ব্যৱহাৰ কম হোৱা দেখা যায়। আকৌ মুছলমান প্রধান ৰাষ্ট্রসমূহত বেংক ব্যৱসায় কম হোৱা দেখা যায়। কাৰণ ইছলাম ধর্মমতত সূত লোৱাটো পাপ হিচাপে গণ্য কৰা হয়। তেওঁলোকৰ সমাজত গাহৰি মাংস নিষেধ কৰা বাবে মুছলমান বসতি প্রধান সমাজত গাহৰি পোহা নিয়ম নাথাকে। আকৌ হিন্দু সমাজ ব্যৱস্থা বিভিন্ন জাতি আৰু জাতিগত আচাৰ-ব্যৱহাৰেৰে ভৰপূৰ। এ. আৰ. দেশায়ে (A. R. Desai) ভাৰতৰ গ্রাম্য ধর্মীয় ব্যৱস্থা সম্পর্কে কৰা অধ্যয়ন সেই বাবে তলৰ কাৰণসমূহৰ বাবে বিশেষ তাৎপর্যপূর্ণ—

- এইটো কথা স্পষ্ট যে গ্রাম্য অঞ্চলৰ মানুহে ধর্মৰ বিষয়ত নগৰ অঞ্চলৰ মানুহতকৈ অধিক জড়িত হৈ থাকে। পৃথিৱীত গ্রাম্য অঞ্চলৰ ধর্মীয় পৰম্পৰা তেওঁলোকৰ বৌদ্ধিক, আবেগিক আৰু দৈনন্দিন জীৱনে নির্ধাৰণ কৰে। সাধাৰণতে চহা (গ্রাম্য) জীৱনত এনেকুৱা কোনো বিষয় নাই যিটো ধর্মীয় পৰম্পৰাৰ অন্তর্গত নহয়। তেওঁলোকৰ জাতি প্রথা (Caste System), সামাজিক জীৱন, অর্থনৈতিক আৰু সাংস্কৃতিক ইত্যাদি প্রতিটো দিশ কম-বেছি পৰিমাণে ধর্মীয় আদর্শৰে পৰিচালিত হয়।
- ভাৰতবৰ্ষৰ গ্রাম্য সমাজ ব্যৱস্থা সাধাৰণতে জীৱিকা বা অর্থনৈতিক ব্যৱস্থাৰ ওপৰত নির্ভৰশীল আৰু গ্রাম্য অর্থনৈতিক ব্যৱস্থা এতিয়াও প্রকৃতিৰ ওপৰতে নির্ভৰশীল। কেতিয়াবা বৈজ্ঞানিক আৰু প্রযুক্তিবিদ্যাৰ প্রয়োগে উপযুক্ত সফলতা লাভ কৰিব পৰা নাই। মানুহে বিভিন্ন প্রাকৃতিক দুর্যোগ যেনে, ভূমিস্খলন, বানপানী, খৰাং ইত্যাদি ধর্মীয় বিশ্বাসৰ জৰিয়তে সমাধান কৰিবলৈ চেষ্টা কৰে। চহা ৰাইজে প্রায়ে তেওঁলোকৰ কৃষি কার্যৰ বাবে বিভিন্ন ধর্মীয় উৎসৱ তথা পূজা-পাতল অনুষ্ঠিত কৰা দেখা যায়।
- **গ্রাম্য সমাজত পুৰোহিত শ্রেণীৰ নেতৃত্ব ঃ** গ্রাম্য সমাজত পুৰোহিতৰ প্রাধান্যতা অন্য এটা প্রধান বৈশিষ্ট্য বুলি ধৰিব পাৰি। সাধাৰণতে অশিক্ষিত চহা তথা গ্রাম্য সমাজত মানুহক পুৰোহিত বা ব্রাহ্মণ সম্প্রদায়ে ধর্মীয় অনুভূতিৰ জৰিয়তে পৰিচালিত কৰে। তেওঁলোকে ধর্মৰ জৰিয়তে পৰম্পৰাগত গ্রাম্য শাসন ব্যৱস্থা বা পঞ্চায়তকো নিয়ন্ত্রণ কৰে। গ্রাম্য জীৱনৰ ধর্মীয় অনুভূতি আৰু পৰম্পৰাক তথাকথিত এই ধর্মীয় নেতাসকলে পৰিচালনা আৰু নিয়ন্ত্রণ কৰে। গতিকে আমি এই কথা স্পষ্টভাৱে ক'ব পাৰো যে ভাৰতীয় গ্রাম্য জীৱন ধর্মীয় অনুভূতিৰ দ্বাৰাই পৰিচালিত হৈ থাকে।

- **পৰিৱৰ্ত্তনশীল গ্রাম্য ধর্ম ঃ** গ্রাম্য জীৱনৰ ধর্মীয় দর্শন বিভিন্ন সময়ত পৰিৱর্তন হৈ থাকে। গ্রাম্য ধর্মীয় সমাজ ব্যৱস্থা বিভিন্ন সময়ত কিছুমান ধর্মনিৰপেক্ষ জাতীয়তাবাদী চিন্তাধাৰা আৰু নতুন ৰাজনৈতিক পৰিৱেশৰ প্রভাৱত সলনি হয়; যদিও এই কাৰকসমূহ ধর্মনিৰপেক্ষ বা ধর্মমূলক নহ'বও পাৰে। সাধাৰণতে গণতান্ত্রিক অভ্যুত্থানে ধর্মৰ এই পুৰণি মতবাদক সমালোচনা তথা সলনি কৰিব বিচাৰে।

দেশাইৰ মতে বর্তমানৰ ভাৰতীয় গ্রাম্য সমাজৰ ধর্ম হৈছে পুৰণিকলীয়া ধর্মীয় বিশ্বাস আৰু আধুনিক সমাজৰ প্রভুত্বৰ যুদ্ধক্ষেত্র স্বৰূপ। এই প্রতিযোগিতাই ভাৰতীয় সমাজৰ প্রচলিত ধর্মীয় ব্যৱস্থাৰ অধ্যয়নত এক বিশেষ মাত্রা প্রদান কৰে।

৮.৮ ভাৰতৰ গ্রাম্য ধর্মৰ বৈশিষ্ট্য

ভাৰতৰ ধর্মীয় পৰিৱেশ বৰ জটিল। কাৰণ ভাৰততে একেলগে বহুকেইটা ধর্ম আৰু ধর্মীয় মতবাদ পোৱা যায়। যিহেতু ভাৰতবর্ষ এখন ধর্মনিৰপেক্ষ ৰাষ্ট্র গতিকে ভাৰতৰ সংবিধানত কোনো ৰাষ্ট্রীয় ধর্মৰ কথা উল্লেখ কৰা নাই আৰু ভাৰততে বাস কৰা সকলো মানুহেই স্বাধীনভাৱে নিজৰ ধর্মৰ চর্চা কৰিব পাৰে। গতিকে ভাৰতীয় জনসাধাৰণ বিভিন্ন ধর্মীয় বিশ্বাস আৰু মততে বিভক্ত হৈ আছে। আনহাতে বিভিন্ন ধর্মমততে বিভক্ত এই লোকসকলৰ সামাজিক গাঁথনিতো পার্থক্য দেখা যায় আৰু তেওঁলোকেও বিভিন্ন পৰম্পৰা আৰু ৰীতি-নীতি অৱলম্বন কৰে। সেইদৰে বিভিন্ন ধর্মাৱলম্বী সম্প্রদায়ৰ মাজতো বিভিন্ন প্রকাৰৰ সামাজিক সংগঠন থাকে।

ভাৰতীয় গ্রাম্য ব্যৱস্থাৰ ক্ষেত্রতো একেটা কথাই প্রযোজ্য হোৱা দেখা যায়। ভাৰতীয় গাঁওসমূহৰ বৈশিষ্ট্য, ঠাই, অঞ্চল আৰু সম্প্রদায় অনুসৰি ভিন্নতা দেখা যায়। কাৰণ ভাৰতীয় গাঁওসমূহৰ বৈশিষ্ট্য সাধাৰণতে সমাজ, সংস্কৃতি, অর্থনীতি, ভৌগলিক আৰু পৰিৱেশৰ বিভিন্ন কাৰকে নির্ধাৰণ কৰে। প্রত্যেকখন গাঁৱৰে এটা মৌলিক জীৱন ধাৰণৰ প্রণালী থাকে আৰু সেইবাবে মানুহৰ মাজত ধর্মীয় ক্ষেত্রতো ভিন্নতা দেখা যায়।

তথাপি ভাৰতৰ গ্রাম্য সমাজত থকা এই বৈচিত্রতাৰ মাজতো কিছুমান উমৈহতীয়া বৈশিষ্ট্য দেখা পোৱা যায়, যিবিলাকে ভাৰতীয় সমাজখনক একতাৰ দোলেৰে বান্ধি ৰাখিছে। বহুতো সমাজতত্ত্ববিদ আৰু নৃতত্ত্ববিদে ভাৰতীয় গ্রাম্য সমাজ দর্শন গভীৰভাৱে অধ্যয়ন কৰি তলৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰিছে ঃ

- **ভাৰতীয় ধর্ম বিশেষভাৱে বাস্তৱমুখী** (Practical) ঃ ভাৰতীয় সমাজত প্রচলিত ধর্ম, বিশেষকৈ, হিন্দু বা হিন্দু ধর্ম যদিও আটাইতকৈ প্রাচীন ধর্মমত, তথাপি ভাৰতৰ গ্রাম্য সমাজত পোৱা হিন্দু ধর্মৰ আচাৰসমূহ প্রাচীন নহয়। বিখ্যাত সমাজবিজ্ঞানী এছ. চি. ডুবেই কৈছিল ভাৰতৰ গ্রাম্য সমাজত প্রচলিত হিন্দু ধর্মটোৰ প্রাচীন ভাৰতীয় হিন্দুত্বৰ দর্শনৰ সৈতে অমিল দেখা যায়। হিন্দু ধর্ম হ'ল এটা উপবাস আৰু উৎসৱৰ ওপৰত আধাৰিত ধর্ম যিয়ে মানৰ জীৱনৰ সকলোবিলাক সংঘাতকৈ ধর্মীয় ৰীতি-নীতিৰে ঢাকি ৰাখিব বিচাৰে। কিন্তু মানুহৰ অতীতে এই কথাই কৈছিল যে আধ্যাত্মিকতাবাদ কোনো এটা সম্প্রদায়ৰ ধর্মৰ চাবিকাঠি বুলি ক'ব নোৱাৰি। ইয়াৰ বিপৰীতে অধ্যাত্মিকতাৰ বাহিৰেও ধর্মত বেছিভাগেই বাস্তৱৰ কথা বিলাকেহে প্রাধান্য পায়।
- ভাৰতীয় গ্রাম্য জীৱনৰ সকলোবিলাক দিশকে ধর্মই প্রভাৱিত কৰিছে। এই দিশসমূহৰ ভিতৰত অর্থনৈতিক, সামাজিক, ৰাজনৈতিক, ব্যক্তিগত, ক'লা, সংস্কৃতি ইত্যাদিয়েই প্রধান আৰু এই দিশসমূহৰ মাজত এটা পাৰস্পৰিক সম্পর্ক আছে।

- **চুবুৰীয়া** (Neighbourhood) **জীৱনৰ আৰ্হি ঃ** ভাৰতৰ গ্রাম্যাঞ্চলৰ চুবুৰীয়া জীৱনৰ আৰ্হি গাঁও অনুসৰি বেলেগ বেলেগ হোৱা দেখা যায়। সাধাৰণতে গাঁওসমূহত লোকসকল এটা ধর্মীয় গোট বা বহু-ধর্মীয় গোট হিচাপে বাস কৰা দেখা যায়। জাতিগত বৈসাদৃশ্যও ভাৰতীয় গ্রাম্যাঞ্চলৰ প্রধান বৈশিষ্ট্য। গ্রাম্যাঞ্চলত একেলগে বিভিন্ন জাতিৰ মানুহে বাস কৰে আৰু প্রত্যেকটো জাতিৰ মানুহে আকৌ কিছুমান পৃথক ৰীতি-নীতি আৰু আদর্শ অনুসৰণ কৰা দেখা যায়।
- বিভিন্ন ধর্মৰ আৰু জাতিৰ সহাৱস্থান ভাৰতীয় গ্রাম্য ধর্মীয় জীৱনৰ এটা প্রধান বৈশিষ্ট্য।
- **ধর্মীয় বা পৱিত্র স্থানৰ অৱস্থিতি ঃ** গ্রাম্য ধর্মত এক উমৈহতীয়া উপাসনাস্থলী বা মন্দিৰ, মছজিদ ইত্যাদি পৱিত্র অনুষ্ঠানৰ অৱস্থিতি আন এটা প্রধান বৈশিষ্ট্য। যিকোনো ধর্মৰ মানুহেই নাথাকক কিয় গ্রাম্যাঞ্চলত প্রত্যেকৰে এটা সমুহীয়া উপাসনাস্থলী বা পৱিত্রস্থান থাকে আৰু উপাসনাস্থলীবোৰ সাধাৰণতে গাঁৱৰ ওখ গছৰ তলত বা নৈৰ পাৰত স্থাপন কৰা হয়। এই অনুষ্ঠানসমূহক গাঁওখনৰ ঐতিহ্য আৰু পৰম্পৰা অনুসৰি নিজ সম্প্রদায়ৰ ধর্মীয় ৰীতি- নীতি আৰু উৎসৱ পার্বন ইত্যাদি সুৰক্ষিত কৰিবলৈ ব্যৱহাৰ কৰা হয়। এই অনুষ্ঠানসমূহৰ সৈতে কিছুমান জনশ্রুতি আৰু সাধুকথাও জড়িত হৈ থাকে আৰু এইবোৰ গাঁৱৰ মানুহৰ মুখে মুখে প্রচলিত আৰু প্রসাৰিত হৈ থাকে। সাধাৰণতে এই অনুষ্ঠানৰ সৈতে কিছুমান ৰাজহুৱা সম্পত্তি বা ৰাজহুৱা টকা জমা থাকে। কোনো কোনো ক্ষেত্রত এই অনুষ্ঠানসমূহক ব্যক্তিগতভাৱেও নির্মাণ কৰা হয়।
- ভাৰতৰ গ্রাম্য জীৱনধাৰা অলৌকিক পৃথিৱী এখনৰ দ্বাৰা প্রভাৱিত হৈ থাকে। এই অলৌকিক পৃথিৱীখন বহুতো দেৱ-দেৱী তথা শক্তিৰে পৰিপূর্ণ। এই দেৱতাসকলৰ ভিতৰত প্রধান হৈছে যক্ষ, ভূত-প্রেত, স্থানীয় তথা ব্যক্তিগতভাৱে আৰাধ্য দেৱ-দেৱীসকল। এই দেৱ- দেৱীসকলকো আকৌ মহিমা আৰু শক্তিৰ ওপৰত ভিত্তি কৰি বিভিন্ন শ্রেণীবিভাজন কৰা হয়। ৰাজহুৱাভাৱে আৰাধনা কৰা ধর্মীয় অনুষ্ঠানৰ উপৰিও হিন্দু ধর্মাৱলম্বী লোকসকলৰ ঘৰে ঘৰে মন্দিৰ থকা দেখা যায়। এই ধৰণৰ ধর্মীয় চর্চা আৰু বিশ্বাস পৌৰাণিক কালৰ পৰা বর্তমানলৈকে একে ধৰণে প্রচলিত হৈ আহিছে। গ্রাম্য সমাজত প্রচলিত স্থানীয় দেৱ-দেবী (Local Gods) সমূহে গ্রাম্য সমাজ আৰু গ্রাম্য জীৱন ধাৰাত এক উল্লেখযোগ্য ভূমিকা পালন কৰে। সাধাৰণতে মন্দিৰসমূহ চাপৰ বেৰাৰে তিনিটা দিশ আগুৰি কৰা কিছুমান ঘৰ মাথোন। পকী ঘৰৰ মন্দিৰ অতি কম দেখা পোৱা যায়। এই অতি সাধাৰণ গাঁথনিৰ মন্দিৰসমূহৰ ভিতৰত সাধাৰণতে কিছুমান ভিন্নাকৃতিৰ শিল বা গছৰ মূঢ়া থাকে আৰু মন্দিৰসমূহ নৈৰ পাৰত বেছিকৈ থকা দেখা যায়। একোখন এনেধৰণৰ বিভিন্ন মন্দিৰ বেলেগ বেলেগ দেৱ-দেৱীক পুজা কৰাৰ বাবেও স্থাপন কৰা হয়।
- **পৰিয়ালৰ উপাসনা স্থান ঃ** গাঁওসমূহৰ ৰাজহুৱা মন্দিৰৰ উপৰিও প্রতিটো পৰিয়ালতে একোটা ব্যক্তিগত মন্দিৰো থাকে। এই মন্দিৰসমূহত পৰিয়ালৰ সদস্যসকলে পৰিয়ালৰ আৰাধ্য দেৱতাজনক পূজা কৰে।
- গ্রাম্য সমাজত পালন কৰা ধর্মীয় উৎসৱ আৰু ৰীতি-নীতিসমূহ হৈছে গ্রাম্য জীৱনৰ প্রধান চালিকা শক্তি। এই উৎসৱ সমূহৰ জৰিয়তে সমাজত একতা বৃদ্ধি পায়। গ্রাম্য ধর্ম সমূহ সাধাৰণতে সমাজত প্রচলিত পৰাম্পৰাগত জীৱন ভিত্তিক ৰীতি-নীতি (জন্ম, মৃত্যু আৰু বিবাহ), আর্থ-সামাজিক ক্ষেত্রত জড়িত বিভিন্ন উৎসৱ তথা পূর্বপুৰুষক কৰা পূজা-অর্চনাসমূহৰ মাজত বিচাৰি পোৱা যায়। সমাজতত্ত্ববিদ্ আৰু নৃতত্ত্ববিদসকলে এই ধর্মীয় কার্যাৱলী সমূহক বিভিন্ন ভাগত বিভক্ত কৰিছে। এই বিভাগসমূহৰ ভিতৰত প্রধান হৈছে প্রার্থনা, উচর্গা, ৰীতি-নীতি, উপবাস, উৎসৱ ইত্যাদি।

- **পৱিত্র কার্যাৱলীসমূহ ঃ** ভাৰতৰ গাওঁ সমূহত পুৰোহিতালি, পণ্ডিত, মৌলবী, যাজক ইত্যাদি বিভিন্ন কার্যত নিয়োজিত ব্যক্তি থকা দেখা যায়। এই কার্য বা বৃত্তিসমূহৰ ভিতৰত কিছুমান আংশিক বা আন কিছুমান সম্পূর্ণভাৱে নিয়োজিত থাকে। যিবিলাকে এই বৃত্তিসমূহত সম্পূর্ণভাৱে নিয়োজিত হৈ থাকে, তেওঁলোকে সমাজৰ অন্য কামসমূহৰ পৰা আঁতৰি থাকে। গ্রাম্য সমাজৰ সহজ জনজীৱন ব্যৱস্থাত আংশিক বৃত্তিধাৰী, জ্যোতিষ, হস্তৰেখাবিদ্, কবিৰাজ ইত্যাদিয়ে এক উল্লেখযোগ্য ভূমিকা পালন কৰিছিল।

জানি থোৱা ভাল

শ্বামান আৰু ধর্মীয় নেতা (Shaman and Religious Leader)

শ্বামান হৈছে এনেকুৱা এজন ব্যক্তি যিজন কোনো এক নির্দ্দিষ্ট ধর্মৰ সৈতে জড়িত নহয়, কিন্তু তেখেতৰ কোনো এক ঐশ্বৰিক শক্তিৰ সৈতে প্রত্যক্ষ সম্পর্ক থকা বুলি বিশ্বাস কৰা হয়। শ্বামনসকলে সাধাৰণতে কোনো এক ঐশ্বৰিক বা অলৌকিক শক্তিৰ সহায়ত মানুহক ভূত-প্রেত, দেৱ-দেৱী তথা বেমাৰ-আজাৰৰ পৰা ৰক্ষা কৰে। এই শক্তি তেওঁলোকে ব্যক্তিগতভাৱে আহৰণ কৰে আৰু এই শক্তিৰ সাধনা তেওঁলোকে নির্জন ঠাইত কৰে। শ্বামানসকলক এগৰাকী ধর্মীয় সংগঠক বুলিব পাৰি যিজনে মানুহৰ কল্যাণৰ হকে কাম কৰে। তেওঁলোকে কোনো এক অলৌকিক শক্তিৰ সহায়ত মানুহৰ বেমাৰ আজাৰ আৰু অপমৃত্যুৰ প্রকৃত কাৰণ উদ্‌ঘাটন কৰি তাৰ প্রতিকাৰৰ ব্যৱস্থা কৰে। এই ক্ষেত্রত শ্বামনসকলে মানুহ আৰু অলৌকিক শক্তিৰ মাজত যোগসূত্র হিচাপে কাম কৰে। পুৰোহিত বা যাজকসকলে সাধাৰণতে মানুহৰ কর্তব্য সম্পর্কে সোঁৱৰায়, আনহাতে শ্বামানে কিন্তু সেই অলৌকিক শক্তিটোকহে আদেশ দিয়ে। সি যি কি নহওঁক শ্বামান আৰু যাজক দুয়োগৰাকীয়ে মানুহৰ পৰা এই কামৰ বাবে পইচা বা পুৰস্কাৰ গ্রহণ কৰে।

শ্বামানসকলক যদিও সহজ-সৰল আৰু সাধাৰণ সমাজত পোৱা যায় তথাপি তেওঁলোকক জটিল আৰু ডাঙৰ সমাজতো কেতিয়াবা দেখা পোৱা যায় ।

ধর্মীয় নেতাসকল হৈছে এটা সু-সংগঠিত ধর্মৰ প্রধান অংগ আৰু তেওঁলোকক পুৰোহিত বা যাজক আখ্যা দিয়া হয়। ধর্মীয় নেতা সকলক ধর্ম অনুযায়ী বিভিন্ন নাম আৰু ৰূপত পোৱা যায় যদিও তেওঁলোকৰ মূল কামবিলাক সকলোৰে ক্ষেত্রত একে দেখা যায়। তেওঁলোকে ধর্মৰ নীতি-নিয়ম আৰু পৰম্পৰা সমূহ ৰক্ষা কৰে। তেওঁলোক সাধাৰণতে জটিল আৰু ডাঙৰ সমাজিক ব্যৱস্থাত দেখা পোৱা যায়। যাজক বা পুৰোহিত সকলৰ ব্যক্তিগতভাৱে কোনো ঐশ্বৰিক শক্তি নাথাকে আৰু তেওঁলোকে নিজৰ নিজৰ সম্প্রদায়ত পালন কৰা ধর্মীয় উৎসৱ পার্বন ইত্যাদিৰ শুভাৰম্ভ কৰে। তেওঁলোকৰ ক্ষমতা আৰু মহত্ব অনুযায়ী তেওঁলোকৰ কার্য আৰু পদাংক নির্ধাৰণ কৰা হয় আৰু এই কাম কৰিবলৈ এটা সর্বোচ্চ সংস্থা থাকে।

৮.৯ পৰিৱর্তিত দৃশ্যপট

স্বাধীনতাৰ পিছত ভাৰতীয় সমাজ ব্যৱস্থাত বিভিন্ন নতুন ধাৰাৰ উপস্থিতি দেখা গৈছে। এই নব্য ধাৰাসমূহে ভাৰতীয় সমাজৰ বিভিন্ন দিশত এক পৰিৱর্তন আনিছে। তলত ধর্মৰ দিশত হোৱা বিভিন্ন পৰিৱর্তনসমূহ আলোচনা কৰা হ'ল—

- **সাম্প্রদায়িকতাবাদৰ উত্থান ঃ** স্বাধীনতাৰ পিছত ভাৰতত বিশেষকৈ গ্রাম্যাঞ্চলত বিভিন্ন ধর্মীয় সম্প্রদায়ৰ মাজত গোষ্ঠীগত সংঘর্ষৰ সূত্রপাত হৈছে। বিশেষকৈ ধর্মীয় সংখ্যালঘু সকলৰ মাজত সুৰক্ষাৰ অভাৱ অনুভৱ কৰিয়েই এনেবোৰ ঘটা দেখা গৈছে। আমি জানো যে ভাৰতবর্ষ এখন বহু ধর্মীয় ৰাষ্ট্র। আনকি একোটা ধর্মগোষ্ঠীতে সৰু সৰু বিভিন্ন ধর্মীয় মতবাদ প্রচলিত আছে। ইতিহাসত এনে বহু উদাহৰণ আছে য'ত দুটা ভিন্ন মতবাদৰ ধর্মীয় সম্প্রদায়ৰ মাজত সংঘাত হৈছে। এই ধর্মীয় সংঘাত চহৰ অঞ্চলত খুব কম হোৱা দেখা যায়। সাম্প্রদায়িকতাবাদ বর্তমান সমাজত সুসংগঠিত ৰূপত দেখা গৈছে আৰু ই ৰাজনৈতিক পৃষ্ঠপোষকতা লাভ কৰিছে।
- ভাৰতীয় গ্রাম্য সমাজক বিশ্বায়ন, পুঁজিবাদ, আৰু ভোগবাদৰ দৰে বহুতো নব্য ধাৰাই আৱৰি ধৰিছে। এইবিলাকৰ উপৰিও জনসংযোগৰ মাধ্যমৰ প্রভূত উত্থানে ভাৰতীয় সমাজখনত ম'বাইল ফোন, আৰু বিভিন্ন ইলেক্ট্রনিক্ মাধ্যমৰ বহুল প্রচাৰ হৈছে আৰু ইয়াৰ প্রভাৱ গ্রাম্য সমাজ ব্যৱস্থাত বেয়াকৈ পৰিছে। ওপৰোক্ত ধাৰা আৰু শক্তিসমূহৰ সমাজত মৌলিক আদর্শ ধর্মৰ ওপৰত কুপ্রভাৱ পৰিছে।
- **ৰাজনীতিৰ প্রভাৱ ঃ** সমগ্র ভাৰতবর্ষত ধর্মক ৰাজনৈতিক লাভালাভৰ এক প্রধান অস্ত্র হিচাপে লোৱা দেখা গৈছে। স্থানীয় ৰাজনীতিৰ পৰা ৰাষ্ট্রীয় পর্যায়লৈকে ধর্মৰ জৰিয়তে মানুহৰ মাজত বিভিন্নভাৱে বিভেদ সৃষ্টি হৈছে। ৰাজনীতিৰ এই নব্য ধাৰাটোৱে অদূৰ ভৱিষ্যতে ধর্মক গ্রাম্য সমাজৰ প্রধান বিভেদকামী শক্তি হিচাপে প্রক্ষেপ কৰিব।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ (ক) গ্রাম্য ভাৰতত ধর্মৰ দুটা সামাজিক কার্য্যৱলী উল্লেখ কৰক।

প্রশ্ন নং ৪ ঃ (খ) গ্রাম্য সমাজত ধর্মৰ দিশত হোৱা দুটা আধুনিক পৰিৱর্তন উল্লেখ কৰক।

৮.১০ গ্রাম্য ধর্মীয় ব্যৱস্থাৰ প্রধান কার্যসমূহ

- **দলীয় পৰিচয় প্রদান** (Identity) ঃ গ্রাম্য ধর্মীয় ব্যৱস্থাৰ এটা প্রধান বৈশিষ্ট্য হৈছে দলীয় পৰিচয় বা দলীয় আনুগত্যতা। ব্যক্তিগত ভাৱে পালন কৰা ধর্মীয় ৰীতি-নীতি আৰু পূজা- পাতলৰ উপৰিও আন বহুতো উৎসৱ আৰু ৰীতি-নীতিয়ে সমাজত প্রচলিত প্রমূল্য আৰু বিশ্বাসসমূহক পুনর্জীৱিত কৰি তোলে। সাধাৰণতে ধর্মৰ এই কার্যক ৰাজনৈতিক উদ্দেশ্যৰ বাবে ব্যৱহাৰ কৰা দেখা যায়, যাৰ বাবে ইয়াৰ প্রকৃত কার্যটো অৱদমিত হৈ থাকে। উৎসৱ পার্বণ আৰু ৰীতি-নীতিসমূহে দলীয় পৰিচয়ৰ প্রতি মানুহৰ মাজত এক শক্তিশালী অনুভূতিৰ সৃষ্টি কৰে। মানুহে ধর্মীয় অনুভূতি তথা ৰীতি-নীতিসমূহক সামাজিক বান্ধোন আৰু পাৰস্পৰিক সম্পর্ক শক্তিশালী কৰিবলৈ ব্যৱহাৰ কৰে।
- **সমাজ নিয়ন্ত্রণৰ আহিলা** (Means of Social Control) ঃ ধর্ম হৈছে সমাজ নিয়ন্ত্রণৰ এক শক্তিশালী আহিলা। প্রত্যেক ধর্মই অনুৰাগীসকলক কিছুমান নীতি আৰু আদর্শ পালন কৰিবলৈ শিকায়। এই নীতিসমূহ মানুহে ঐশ্বৰিক শক্তিৰ ভয়ত ভংগ নকৰে। এইদৰে গ্রাম্যাঞ্চলত ধর্মৰ নীতি সমূহৰ জৰিয়তে সমাজখন সুশৃংখলিতভাৱে পৰিচালিত হৈ থাকে।

- **খাদ্যাভাসৰ প্ৰতি নিয়ন্ত্ৰণ ঃ** গ্রাম্যাঞ্চলৰ ধর্মীয় ৰীতি-নীতিসমূহ খাদ্যৰ সৈতে জড়িত হৈ থাকে। সাধাৰণতে কিছুমান ধর্মত কোনো এক প্রকাৰৰ খাদ্য খাবলৈ উৎসাহ দিয়ে আনহাতে সেই একেবিধ খাদ্যকে অন্য এটা ধর্মত খোৱা নিষেধ। এনেধৰণে মানুহৰ খাদ্যাভাসতো ধর্মই বিভিন্নতা আনে।
- **উচ্চনীচ ভেদভাৱৰ সংৰক্ষণ আৰু গঠন ঃ** ভাৰতীয় গ্রাম্য সমাজ হৈছে শ্রেণীভুক্ত সমাজ। ই প্রধানতঃ জাতিৰ ওপৰত আধাৰিত হয়। জাতি প্রথা কেৱল যে হিন্দুসকলৰ মাজতেই প্রচলিত এনে নহয়। সমাজ বিজ্ঞানীসকলৰ মতে খ্রীষ্টান, মুছলিম, বুদ্ধধর্মী আৰু ভাৰতৰ অন্যান্য ধর্মৰ লোকসকলৰ মাজতো জাতিপ্রথা আছে।

ধর্মই প্রচলন কৰা নীতি-নিয়ম, আচাৰ-অনুষ্ঠানসমূহৰ দ্বাৰাও গ্রাম্য সমাজত শ্রেণীবিভাগ বর্তাই ৰখা হৈছিল। মেক্ কিম্ মেৰিঅ'টৰ মতে গ্রাম্য সমাজ ব্যৱস্থাত প্রচলিত বংশগত সম্পর্কৰ ধর্মীয় আৰু ৰীতি-নীতি সম্বন্ধীয় দিশসমূহ পাপ-পূণ্যৰ ধাৰণাৰ দ্বাৰা প্রভাৱিত। আনকি গাঁৱত আয়োজিত ভোজ-ভাতৰ ক্ষেত্রতো এই প্রভাৱ দেখিবলৈ পোৱা যায়।

- **আন্তঃজাতিগত** (Inter-caste) **সম্পর্ক ঃ** হিন্দু ধর্মত প্রচলিত জাতি প্রথা যজমানি প্রথাৰ ওপৰত প্রতিষ্ঠিত। প্রত্যেকটো জাতিৰে এটা নির্দিষ্ট জন্মগত বৃত্তি থাকে আৰু এই বৃত্তিৰে তেওঁলোকে প্রতিবেশী আৰু অন্যান্য জাতিৰ লোকক সেৱা আগবঢ়ায় আৰু বিনিময়ত অন্যান্য সেৱা গ্রহণ কৰে। গ্রাম্যাঞ্চলৰ জাতি গঠনৰ প্রক্রিয়াটো যজমানী প্রথাৰ দ্বাৰা পৰিচালিত। যোগেন্দ্র সিঙৰ মতে, যজমানি প্রথা গাঁও অঞ্চলৰ বিভিন্ন জাতিৰ মাজত পাৰস্পৰিক আদান- প্রদানৰ ওপৰত প্রতিষ্ঠিত এটা সামাজিক প্রথা। লীছৰ মতে যজমানী প্রথাই শ্রম আৰু গ্রাম্য অর্থনীতিক নিয়ন্ত্রণ তথা পৰিচালনা কৰে।
- ধর্মীয় ৰীতি-নীতিয়ে অৱসৰ আৰু আমোদৰ আহিলা হিচাপে কাম কৰে। ধর্মীয় উৎসৱ পার্বণসমূহে মানুহক জীৱনত প্রভূত আনন্দ আৰু উৎসাহ যোগায়। গ্রাম্যাঞ্চলত পালন কৰা সকলোধৰণৰ মেলাৰেই এক ধর্মীয় ভিত্তি থাকে। এইদৰে তেওঁলোকে ধর্মৰ বাবে উদ্যাপন কৰা এই উৎসৱসমূহৰ জৰিয়তে অৱসৰৰ লগতে আনন্দ প্রকাশৰো সুবিধা পায়। এই উৎসৱসমূহলৈ বিভিন্ন প্রান্তৰৰ পৰা মানুহৰ সমাগম হয়, যাৰ জৰিয়তে দূৰ-দূৰণিৰ মানুহৰ সৈতে সম্পর্ক স্থাপন হয়।

চিন্তা চর্চা কৰক

- আপুনি জনা গ্রাম্যাঞ্চলৰ বিভিন্ন উৎসৱৰ এখন তালিকা প্রস্তুত কৰক।
- কৃষি চক্র অনুসৰি পদ্ধতিগতভাৱে বিহু উৎসৱসমূহক সজাওক।

✓৮.১১ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

এই অধ্যয়টি অধ্যয়নৰ পৰা আমি এই কথাটো জানিলোঁ যে ধর্মই গ্রাম্য সমাজত তথা গ্রাম্য জন-জীৱনত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। তেওঁলোকৰ জীৱন দর্শন ধর্মই পৰিচালিত কৰি ৰাখে। জীৱনৰ প্রতিটো দিশ প্রধানতঃ অর্থনীতি, বিশ্বাস, আচৰণ, স্বাস্থ্য, জন্ম, মৃত্যু, গ্রাম্য আৰু বিবাহ ইত্যাদি সকলোবিলাক ধর্মৰ দ্বাৰা প্রভাৱিত। ধর্ম প্রচাৰক বা চর্চাকাৰীসকলে সমাজত এক উচ্চস্থান লাভ কৰে। তেওঁলোকক সমাজত বা সম্প্রদায়ৰ প্রেৰণা শক্তি হিচাপে ভবা হয়। ধর্মই আকৌ সমাজত প্রতিজন সদস্যকে একেডাল জৰীৰে বান্ধি ৰাখে। আধুনিক যুগৰ বিভিন্ন নব্য ধাৰা বিশেষকৈ সাম্প্রাদায়িকতাবাদ, ভোগবাদ, পুঁজিবাদ, ৰাজনীতি ইত্যাদিয়ে গাওঁ আৰু নগৰৰ দুয়োখন সমাজৰে ধর্মীয় ব্যৱস্থাত এক আমূল পৰিৱর্তন আনিছে।

৮.১২ অধিক জানিবলৈ

১) Sankar Rao, C. N. Society in India, S. Chand & Co. New Delhi.
২) Madan, T. N. Religion in India, O. U. P, New Delhi.
৩) Madan, T. N. India's Religion, O. U. P, New Delhi.
৪) Robinson, Rowena Sociology of Religion in India, Sage Publications.

৮.১৩ অগ্রগতিৰ খতিয়ান

প্রশ্ন ১ ৰ উত্তৰ ঃ (ক) ধর্ম (খ) আত্মাৰ (Spiritual)

প্রশ্ন ২ ৰ উত্তৰ ঃ (ক) সত্য (খ) সত্য

প্রশ্ন ৩ ৰ উত্তৰ ঃ ধর্মই দলীয় পৰিচয় প্রদান কৰে আৰু সমাজৰ নিয়ন্ত্রক হিচাপে কাম কৰে।

প্রশ্ন ৪ ৰ উত্তৰ ঃ সামাজিক জীৱনত ধর্মত প্রভুত্ব হ্রাস আৰু ধর্মক ৰাজনীতিকৰণ।

৮.১৪ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ভাৰতৰ গ্রাম্য ধর্ম বৈশিষ্ট্যসমূহ কি কি?

প্রশ্ন ২ ঃ ধর্মৰ সামাজিক কার্যসমূহ ব্যাখ্যা কৰক। গ্রাম্য ধর্ম অধ্যয়নৰ তাৎপর্য আলোচনা কৰক।

প্রশ্ন ৩ ঃ ভাৰতত গ্রাম্য ধর্মৰ পৰিৱর্তনসমূহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৯ ঃ গ্রাম্য উন্নয়ন

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ সমাজ উন্নয়ন প্রকল্প

৯.৩.১ সমাজ উন্নয়ন প্রকল্পৰ কিছু উল্লেখযোগ্য বৈশিষ্ট্য

৯.৩.২ সমাজ উন্নয়ন প্রকল্পৰ সমালোচনা

৯.৪ জনজাতীয় এলেকাত উন্নয়ন

৯.৪.১ সংবিধানৰ অর্ন্তভুক্ত বিধান

৯.৫ স্বৰাজোত্তৰ ভাৰতত ভূমি সংস্কাৰৰ আঁচনি

৯.৫.১ ভূমি সংস্কাৰৰ পদক্ষেপ

৯.৬ সংহত গ্রাম্য উন্নয়ন আঁচনি

৯.৬.১ সংহত গ্রাম্য উন্নয়ন আঁচনিৰ বিশেষ দিশ

৯.৭ ন্যূনতম প্রয়োজনীয়তাৰ আঁচনি

৯.৭.১ ৰাষ্ট্রীয় সাধাৰণ ন্যূনতম আঁচনি

৯.৮ গ্রাম্য সমাজত মহিলা আৰু শিশুৰ উন্নয়ন

৯.৮.১ অঞ্চলভিত্তিক সংপৃক্তকৰণ সেৱা

৯.৮.২ শিশুৰ যতন কার্যসূচী

৯.৮.৩ ৰাষ্ট্রীয় গ্রামীণ স্বাস্থ্য অভিযান

৯.৯ গ্রাম্য উন্নয়নত স্বেচ্ছাসেৱী সংগঠন আৰু ৰাইজৰ অংশগ্রহণ

৩.৯.১ গ্রাম্য এলেকাত স্বেচ্ছাসেৱী সংগঠন

৩.৯.২ গ্রাম্য উন্নয়নত ৰাইজৰ অংশগ্রহণ

৯.১০ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

৯.১১ অধিক জানিবলৈ

৯.১২ অগ্রগতিৰ নিৰীক্ষণ

৯.১৩ আৰ্হি প্রশ্ন

৯.৩ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- বিভিন্ন উন্নয়নমূলক এলেকা চিনাক্ত কৰিব পাৰিব
- সময়ে সময়ে ভাৰতত প্রৱর্তন কৰা বিভিন্ন গ্রাম্য উন্নয়নমূলক আঁচনিৰ আৰম্ভণি ব্যাখ্যা কৰিব পাৰিব
- স্বৰাজোত্তৰ কালত চৰকাৰে গ্রাম্য উন্নয়নৰ বাবে গ্রহণ কৰা বিভিন্ন আঁচনি আৰু কৌশল আলোচনা কৰিব পাৰিব

- দৰিদ্রতা নির্মূলকৰণৰ বাবে ভাৰতত বিভিন্ন সময়ত গ্রহণ কৰা গুৰুত্বপূর্ণ আঁচনিসমূহৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব।

৯.২ পৰিচয়

পঞ্চম অধ্যায়ত আমি গ্রাম্য সমাজৰ বৃত্তিমূলক আৰু কৃষিভিত্তিক সংৰচনাক ঐতিহাসিক আৰু সাম্প্রতিক দৃষ্টিভংগীৰে বিস্তাৰিতভাৱে ব্যাখ্যা কৰিছিলো। সাম্প্রতিক সময়ত গ্রাম্য সমাজত বৃত্তিমূলক সংৰচনাৰ পৰিৱর্তন ঘটোৱা বিভিন্ন কাৰক সন্দর্ভতো আমি আলোচনা কৰিছিলো। এইক্ষেত্রত ৪ নম্বৰ আৰু ৫ নম্বৰ অধ্যায়ৰ কৃষিভিত্তিক সংৰচনাৰ ওপৰত কৰা বিস্তৃত আলোচনা গ্রাম্য সমাজৰ বর্তমান প্রয়োজনীয়তা বুজি উঠাৰ ক্ষেত্রত সহায়ক হ'ব। যিহেতুকে গ্রাম্য এলেকাত কৃষিভূমিয়েই হৈছে উৎপাদনৰ আটাইতকৈ গুৰুত্বপূর্ণ সম্পদ, সেইবাবে গ্রাম্য কৃষিভিত্তিক সংৰচনা বা ভূমিৰ গৰাকীস্বত্তৰ বিতৰণ সন্দর্ভত জ্ঞাত হোৱাটো অতি প্রয়োজনীয়। ভূমিৰ মালিকীস্বত্তই গ্রাম্য শ্রেণী বিভাজন নির্ধাৰণ কৰে।

সেইবাবে এই অধ্যায়ত আমি স্বৰাজোত্তৰ ভাৰতত গ্রাম্য উন্নয়নৰ বাবে গ্রহণ কৰা বিভিন্ন আঁচনিসমূহৰ সংক্ষিপ্ত আলোচনা কৰিম। স্বাধীনতা সংগ্রামৰ সময়ত জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল এখন দেশৰ উন্নয়ন ইয়াৰ গাঁওসমূহৰ উন্নতিৰ ওপৰত নির্ভৰশীল। তেওঁৰ মতে তৃণমূল পর্যায়ৰ পৰা উন্নতি হ'লেহে সমাজৰ সর্বাংগীন উন্নতি সম্ভৱ। নির্ধাৰিত দিশত পৰিৱর্তনৰ বাবেই দেশে উন্নয়নমূলক আঁচনিসমূহ প্রৱর্তন কৰে। গ্রাম্য উন্নয়নৰ বাবে গ্রহণ কৰা আঁচনি আৰু পৰিকল্পনাসমূহৰ লক্ষ্য গাঁওবাসীৰ জীৱনৰ মান উন্নত কৰা। এইখিনিতে উল্লেখ কৰিব লাগিব যে গ্রাম্য উন্নয়নৰ আওতাত কেৱল কৃষিয়ে নহয় ইয়াৰ লগতে সমাজ কল্যাণ যেনে, শিক্ষা, স্বাস্থ্য, দৰিদ্রতা নির্মূলকৰণ, বিশুদ্ধ খোৱাপানী যোগান, অনাময় ব্যৱস্থা, বৈদ্যুতিক যোগান, যুৱপ্রজন্মৰ নিযুক্তি, গ্রাম্য উদ্যোগ স্থাপন, যোগাযোগ আৰু পৰিবহণ ব্যৱস্থাৰ উন্নতি, বজাৰৰ সৈতে সংযোগৰ লগতে আন আন বিভিন্ন দিশক সামৰি লোৱা হৈছে।

ঔপনিৱেশিক সাম্রাজ্যবাদৰ ফলত ভাৰতে লাভ কৰা অনগ্রসৰ আৰু স্থবিৰ অর্থনীতিৰ কুফল স্বাধীনতাৰ সময়ত এক সন্ধিক্ষণ ৰূপে বিবেচিত হয়। এই প্রত্যাহ্বানৰ সৈতে মুখামুখি হোৱাৰ লগতে ভৱিষ্যতৰ বিকাশৰ লক্ষ্যৰে উন্নয়নৰ আঁচনি প্রস্তুত কৰা হৈছিল। সামগ্রিক দৃষ্টিভংগীৰে উন্নয়নৰ আঁচনি প্রস্তুত কৰি বিকাশ, সমৃদ্ধি আৰু জনতাৰ উন্নত জীৱনশৈলীৰ বাবে ইয়াক সকলো দিশৰ পৰা বলৱৎ কৰি আর্থ-সামাজিক দিশত বৃহৎ ৰূপান্তৰ ঘটোৱাতো সময়ৰ আহ্বান আছিল। গ্রাম্য উন্নয়নৰ ক্ষেত্রত দৰিদ্রতা, বৈষম্য আৰু নিবনুৱা সমস্যা নির্মূলকৰণক বিশেষ গুৰত্ব দিয়াটো অনিবার্য। ভাৰত চৰকাৰে গ্রাম্য উন্নয়নৰ বাবে গ্রহণ কৰা বিভিন্ন পদক্ষেপত চকু ফুৰাও আহক—

জানি থোৱা ভাল

গ্রাম্য উন্নয়নৰ প্রধান বিষয়সমূহ-

জীৱনৰ মৌলিক প্রয়োজন ঃ মানুহৰ কিছুমান মৌলিক প্রয়োজন থাকে যাৰ অবিহনে জীৱন ধাৰণ অসম্ভৱ। এই মৌলিক প্রয়োজনসমূহ হৈছে খাদ্য, বস্ত্র, বাসস্থান, প্রাথমিক সাক্ষৰতা, প্রাথমিক স্বাস্থ্যসেৱাৰ লগতে জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা।

আত্ম-সন্মানঃ প্রতিজন ব্যক্তি আৰু প্রতিখন ৰাষ্ট্রৰ সুকীয়া আত্ম-সন্মানবোধ বা সন্মান থাকে। এই আত্ম সন্মানবোধৰ অভাৱ বা নস্যাৎকৰণে উন্নয়নৰ অভাৱকে সূচায়।

স্বাধীনতাঃ স্বাধীনতা মানে এই প্রসংগতসামাজিক দাসত্বৰ পৰা ৰাজনৈতিক, ভাৱাদর্শীয় আৰু অর্থনৈতিক স্বাধীনতাক বুজোৱা হৈছে। এখন সমাজত যেতিয়ালৈকে প্রকৃতি, অন্য ব্যক্তি অথবা সংস্থাৰ ওচৰত মানুহে বশ্যতা স্বীকাৰ কৰি থকাৰ লগতে অজ্ঞতা আৰু আওপুৰণি ভাৱধাৰাৰে পৰিচালিত হ'ব তেতিয়ালৈকে সেইখন সমাজে উন্নয়নৰ জখলা বগাইছে বুলি দাবী কৰিব নোৱাৰে। যিকোনো ধৰণৰ দাসত্ব অনুন্নতিৰ পৰিচায়ক।

৯.৩ সমাজ উন্নয়ন প্রকল্প (COMMUNITY DEVELOPMENT PROGRAMME)

পৰিকল্পনা আয়োগে প্রথম পঞ্চবার্ষিক পৰিকল্পনাত সমাজ উন্নয়নৰ আঁচনিসমূহক এনে এক প্রক্রিয়া আখ্যা দিছিল যাৰ জড়িয়তে পঞ্চবার্ষিক পৰিকল্পনাই গ্রামাঞ্চলত সামাজিক আৰু অর্থনৈতিক পৰিৱর্তনৰ ধাৰাৰ সূচনা কৰিব পাৰে। ১৯৫২ চনৰ ২ অক্টোবৰৰ গান্ধী জয়ন্তীৰ দিনা সমাজ উন্নয়ন প্রকল্প (Community Development Project) দেশত প্রৱর্তন কৰা হৈছিল। প্রথম পঞ্চবার্ষিক পৰিকল্পনাত আৰম্ভ কৰা সমাজ উন্নয়নৰ প্রকল্পৰ জড়িয়তে আমি গ্রাম্য উন্নয়নৰ আৰম্ভনি হোৱা বুলি ক'ব পাৰো। এই আঁচনিৰ জড়িয়তে প্রধানকৈ গাঁওসমূহৰ উন্নতি সাধন কৰিব বিচৰা হৈছিল। ইয়াৰ দ্বাৰা কৃষি আৰু সম্পর্কিত দিশৰ উন্নতিক বুজোৱা হৈছিল, যেনে—

- জলসিঞ্চন,
- যোগাযোগ,
- শিক্ষা,
- স্বাস্থ্য,
- অনুপূৰক নিযুক্তি,
- বাসস্থান,
- সমাজ কল্যাণ আৰু
- প্রশিক্ষণ।

সমাজ উন্নয়ন প্রকল্প আছিল সমতাৰ ওপৰত ভিত্তি কৰি কৃষি আৰু গ্রাম্য উন্নয়নৰ বাবে গ্রহণ কৰা দেশৰ সর্ববৃহৎ পৰিসৰৰ, সু-পৰিকল্পিত আৰু সংগঠিত পদক্ষেপ। সমাজ উন্নয়ন প্রকল্প হৈছে গ্রামাঞ্চলবাসীৰ সর্বাংগীন উন্নয়নৰ বাবে গ্রহণ কৰা এক বহুমুখী প্রকল্পৰ আঁচনি। এই আঁচনিৰ অধীনত কৃষি, পশুপালন, জলসিঞ্চন, সমবায়, জনস্বাস্থ্য, শিক্ষা, সামাজিক শিক্ষা, যোগাযোগ, গ্রাম্য উদ্যোগ আদি বিষয়ক অন্তর্ভুক্ত কৰা হৈছিল। ইয়াৰ লগতে কৃষি, জলসিঞ্চন, শিক্ষা আৰু পশুচিকিৎসা ক্ষেত্রত বিশেষজ্ঞৰ সেৱাও আগবঢ়াইছিল এই আঁচনিয়ে। বিনামূলীয়াকৈ এই সেৱা ৰাইজে লাভ কৰিব পাৰিছিল। ইয়াৰ বাহিৰেও সমাজ উন্নয়নৰ প্রকল্পই গাওঁবাসীক কম সুতত ঋণ প্রদানৰো ব্যৱস্থা কৰিছিল। সমাজ উন্নয়ন প্রকল্পৰ মূল লক্ষ্য আছিল গাওঁবাসীক আত্ম-নির্ভৰশীল কৰি তোলা। গাঁওবাসীয়ে নিজা প্রচেষ্টাত বিকাশ সাধন কৰিব আৰু তাৰ বাবে চৰকাৰে প্রয়োজনীয় বিশেষজ্ঞ সেৱা আৰু আর্থিক সাহার্য প্রদান কৰিব।

৯.৩.১ সমাজ উন্নয়ন প্রকল্পৰ কিছু উল্লেখযোগ্য বৈশিষ্ট্য (Salient Features of Community Development Programme)

সমাজ উন্নয়ন প্রকল্পৰ মূল উদ্দেশ্য আছিল গ্রাম্য সমাজৰ বস্তুগত সম্পদ আৰু মানৱ সম্পদৰ সামগ্রিক উন্নয়ন সাধন কৰি স্থানীয় নেতৃত্ব আৰু স্বশাসনমূলক সংস্থাৰ বিকাশ ঘটোৱা যাতে গ্রামাঞ্চলবাসীৰ জীৱনৰ মান উন্নত হয়। ক্ষুদ্র জলসিঞ্চন আৰু ভূমি সংৰক্ষণ আদি প্রাকৃতিক সম্পদ উন্নয়নৰ আঁচনিসমূহ শক্তিশালী কৰি খাদ্য আৰু কৃষি উৎপাদন দ্রুতগতিত বৃদ্ধি ঘটোৱা, কৃষকসকলক কৃষি সম্প্রসাৰণ সেৱা আগবঢ়াই কৃষি সামগ্রীৰ উপযোগীতা বৃদ্ধি কৰা আদি কার্যৰে এই লক্ষ্যত উপনীত হ'বলৈ প্রয়াস কৰা হৈছিল। প্রথম পঞ্চবার্ষিক পৰিকল্পনাত মূল আঁচনিৰূপে পৰিগণিত হয় এই সমাজ উন্নয়নৰ প্রকল্প। এই কার্যই ৰাষ্ট্র নির্মাণ আৰু সমতা স্থাপনৰ ক্ষেত্রত দেশৰ উদ্বিগ্নতাকে প্রতিফলিত কৰিছিল। গতিকে সমাজ উন্নয়নৰ প্রকল্পৰ অন্তর্নিহিত উদ্দেশ্য সামগ্রিক দিশ আৰু সমতাৰ ওপৰত প্রতিষ্ঠিত বুলি ক'ব পৰা যায়।

প্রথম অৱস্থাত সমাজ উন্নয়নৰ প্রকল্প তিনিবছৰৰ বাবে গ্রহণ কৰা হৈছিল। এইটো ধাৰণা কৰা হৈছিল যে এই সময়ছোৱাৰ ভিতৰত গ্রামাঞ্চলবাসী আত্ম-নির্ভৰশীল হৈ উঠিব, তেওঁলোকৰ নিজা জলসিঞ্চন ব্যৱস্থা, নিজা বিদ্যালয় আৰু সমবায় ব্যৱস্থা থাকিব। ১৯৫৯ চনত এই আঁচনি বিলোপ কৰা হয় এই আশাৰে যে ইয়াৰ পিছত আর্থিক সহযোগিতা অবিহনেও গাঁওবাসীয়ে বিকাশৰ পথত আগবাঢ়িব পাৰিব। কিন্তু দুর্ভাগ্যবশত এয়া হৈ নুঠিল। এটা সময়ত সমাজ উন্নয়নৰ প্রকল্প ব্যর্থৰূপে বিবেচিত হয়। ইয়াৰ পৰৱর্তী সময়ত ১৯৫৯ চনত বলৱন্ত ৰায় মেহতা কমিটিৰ পৰামর্শমতে সমাজ উন্নয়নৰ নতুন ধাৰণাই গঢ় লৈ উঠে। সমাজ উন্নয়নৰ এই নতুন ৰূপ আঁচনি কৰাৰ পূর্বে এই প্রকল্পৰ ব্যর্থ দিশসমূহ ফঁহিয়াই চাও আহক-

৯.৩.২ সমাজ উন্নয়ন প্রকল্পৰ সমালোচনা (A Critique of Community Development Programme)

আঁচনি মূল্যায়ন সংস্থা (Programme Evaluation Organisation) আৰু যথেষ্টসংখ্যক সমাজশাস্ত্রবিদ, নৃতত্ববিদ, অর্থনীতিবিদ সহ গৰিষ্ঠসংখ্যক সমাজ বিজ্ঞানীয়ে সমাজ উন্নয়ন প্রকল্পক সমালোচনা কৰিছে। ইয়াৰে কিছু গুৰুত্বপূর্ণ সমালোচনা হৈছে-

- প্রকল্পৰ বিষয়া বা পৰিকল্পনাৰ সৈতে জড়িত ব্যক্তিসকলে সমাজ উন্নয়নৰ প্রয়োজনীয়তা সন্দর্ভত এক ধাৰণা কৰিছিল। কিন্তু আঁচনি বাস্তৱায়িত কৰাৰ সমগ্র সময়ছোৱাত ৰাইজৰ প্রকৃত প্রয়োজনীয়তা চৰকাৰে চিনাক্ত কৰাত ব্যর্থ হয়।
- প্রকল্পটো অত্যন্ত আমোলাতান্ত্রিক হৈ পৰিছিল। ই গাঁৱৰ উচ্চ পর্যায়ৰ ৰাইজৰ বাবেহে উ ন্নয়নৰ আঁচনি, নিম্ন পর্যায়ৰ গাঁওবাসী কেৱল নীৱৰ গ্রহণকর্তা আছিল।
- সমাজ উন্নয়ন আঁচনি প্রৱর্তনত দুর্নীতিৰ পয়োভৰ ঘটিছিল।
- কৃষি উন্নয়নৰ বাবে বৃহৎ পৰিমাণৰ ধন ব্যয় কৰাৰ স্বত্তেও খাদ্য উৎপাদন বৃদ্ধি হোৱা নাছিল।
- ক্ষুদ্র আৰু মধ্যমীয়া কৃষকৰ পৰিৱর্তে সমাজ উন্নয়ন আঁচনিৰ দ্বাৰা চহকী আৰু বৃহৎ কৃষকসকলহে উপকৃত হৈছিল।

- বিভিন্ন উন্নয়নমূলক বিভাগৰ মাজত সু-সম্বনয়ৰ অভাৱ আছিল। সেইবাবে আঁচনি প্ৰৱৰ্তনত আসোঁৱাঁহে দেখা দিছিল।
- কেন্দ্ৰত গ্ৰহণ কৰা অনুসৰিয়েই আঁচনিসমূহ সকলো ঠাইত সমভাৱেৰে প্ৰৱৰ্তন কৰা হৈছিল। কিন্তু স্থানীয় পৰ্যায়ত ভিন্নমুখী পৰিস্থিতিত এই আঁচনিসমূহ গ্ৰহণযোগ্য হ'ব পৰা নাছিল।
- ব্যক্তিৰ মনোভাৱ বা দৃষ্টিভঙ্গী পৰিৱৰ্তন কৰিবলৈ শুদ্ধ পথ আৰু প্ৰক্ৰিয়া গ্ৰহণ কৰাতকৈ আঁচনিৰ ফলাফলৰ ওপৰত অত্যাধিক গুৰুত্ব প্ৰদান কৰা হৈছিল।
- আঁচনি মূল্যায়ণ সংস্থাই দাখিল কৰা প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে কিছুসংখ্যক আঁচনি কেৱল কাগজে-পত্ৰইহে প্ৰৱৰ্তন কৰা হ'ল। বাস্তৱত দেখা গৈছিল যে কোনো কুঁৱা নিৰ্মাণ কৰা হোৱা নাছিল, কোনো সম্প্ৰদায় গৃহ নিৰ্মাণ কৰা হোৱা নাছিল, কোনো উদ্যান নিৰ্মাণ কৰা নাছিল কিন্তু এইসকলোবোৰ কাৰ্য সম্পাদন হোৱা বুলি চৰকাৰী নথিত অন্তৰ্ভুক্ত কৰা হৈছিল। সম্প্ৰদায় উন্নয়নৰ আঁচনিসমূহ ভুৱা আৰু কেলেংকাৰীযুক্ত হৈ পৰিছিল।

অৱশেষত ১৯৫৯ চনত গাঁৱৰ পৰা সমাজ উন্নয়ন প্ৰকল্প উঠাই লোৱা হয়। ইয়াৰ পিছতে বলৱন্ত ৰায় মেহতা কমিটিৰ পৰামৰ্শমতে সমাজ উন্নয়নৰ বাবে পঞ্চায়তীৰাজ ব্যৱস্থাৰ প্ৰৱৰ্তনৰ পৰামৰ্শই ব্যাপক পৰিৱৰ্তনৰ সূচনা কৰে। পঞ্চায়তীৰাজ ব্যৱস্থাৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰা হৈছিল যে ৰাইজে গাঁৱত শাসনব্যৱস্থা চলাবলৈ ক্ষমতা লাভ কৰিব লাগে। গাঁওবাসীয়ে নিৰ্বাচন কৰি দিয়া গাঁওবুঢ়াই আঁচনিসমূহ প্ৰৱৰ্তন কৰিব। ইয়াৰ দ্বাৰা গাঁৱৰ উন্নয়নত ৰাইজৰ অংশগ্ৰহণ সুনিশ্চিত হ'ব। এনেধৰণে এই ব্যৱস্থাৰ দ্বাৰা উন্নয়নৰ বাবে তৃণমূল পৰ্যায়ৰ পৰা ৰাইজৰ অংশগ্ৰহণ সুনিশ্চিত কৰা হৈছিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ সমাজ উন্নয়ন প্ৰকল্পৰ ব্যৰ্থতাৰ প্ৰধান কাৰণসমূহ কি আছিল? কিছু গুৰুত্বপূৰ্ণ দিশ তুলি ধৰক।

প্ৰশ্ন নং ২ঃ সমাজ উন্নয়ন প্ৰকল্পৰ প্ৰধান লক্ষ্য কোন শ্ৰেণীৰ লোক আছিল?

প্ৰশ্ন নং ৩ঃ খালী ঠাই পূৰণ কৰক ঃ

ক) সমাজ উন্নয়ন প্ৰকল্প প্ৰৱৰ্তন কৰা হৈছিল ..... চনত।

খ) সমাজ উন্নয়ন প্ৰকল্পই গুৰুত্ব প্ৰদান কৰা বিষয়সমূহ আছিল .....।

৯.৪ জনজাতীয় এলেকাত উন্নয়ন (DEVELOPMENT IN TRIBAL AREAS)

ভাৰতত বৃহৎ সংখ্যক জনজাতীয় লোকে বসবাস কৰে। দেশৰ ইমুৰৱৰ পৰা সিমুৰলৈ ভিন্ন জনজাতিৰ লোকৰ বসতি আছে। জনজাতি অধ্যুষিত অঞ্চলসমূহে দেশৰ অনুন্নত এলেকাৰ এক বৃহৎ অংশ আগুৰি আছে। ভাৰতীয় সংবিধানৰ ৩৪২ নম্বৰ অনুচ্ছেদৰ অন্তৰ্গত অধিসূচীত উল্লেখ কৰা অনুসৰি ভাৰতৰ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত এলেকাত মুঠ ৫৩৩ ভিন্ন জনজাতিৰ লোক আছে (একোখন ৰাজ্যত বহুসংখ্যক উপজাতিও থকা দেখা যায়)। ইয়াৰ ভিতৰত সৰ্বোচ্ছ ৬২ টা জনজাতি আছে উৰিষ্যাত। ২০০১ চনৰ লোকপিয়ল অনুসৰি দেশৰ অনুসূচিত জনজাতিৰ লোকৰ সংখ্যা ৮.৪৩ কোটি যিটো দেশৰ মুঠ জনসংখ্যাৰ ৮.২ শতাংশ। ১৯৬১ চনৰ পৰা

দেশত অনুসূচিত জনজাতিৰ লোকৰ সংখ্যা বৃদ্ধি পোৱা দেখা যায়। ২০০১ চনৰ লোকপিয়ল অনুসৰি মুঠ জনসংখ্যাৰ লিংগভিত্তিক অনুপাতৰ(প্রতি এহাজাৰ জন পুৰুষৰ বিপৰীতে ৯৩৩ গৰাকী মহিলা) বিপৰীতে অনুসূচিত জনজাতিৰ জনসংখ্যাৰ লিংগভিত্তিক অনুপাত কিছু উন্নত, এয়া হৈছে প্রতি এহাজাৰ পুৰুষৰ বিপৰীতে ৯৭৭গৰাকী মহিলা। অন্ধ্রপ্রদেশ, তামিলনাড়ু আৰু উত্তৰাঞ্চলৰ বাহিৰে সকলো ৰাজ্যতে অনুসূচিত জনজাতিৰ লিংগভিত্তিক অনুপাত মহিলাৰ সপক্ষে থকা দেখা যায়।

দেশৰ ইমূৰৰ পৰা সিমূৰলৈ বসবাস কৰা জনজাতীয় লোকসকলৰ সামগ্রিক উন্নয়নক চৰকাৰে প্রাধান্য দি আহিছে। জনজাতীয় লোকসকলৰ কল্যাণ আৰু সর্বাংগীন বিকাশৰ বাবে যথেষ্টসংখ্যক চৰকাৰী আঁচনি গ্রহণ কৰা হৈছে। কেন্দ্র আৰু ৰাজ্য চৰকাৰসমূহে এই সম্প্রদায়সমূহৰ দৰিদ্রতা নির্মূল, স্বাস্থ্যজনিত সমস্যা সমাধান, তেওঁলোকৰ বসতিস্থললৈ যোগাযোগ ব্যৱস্থা উন্নত কৰি অর্থনৈতিক উন্নয়ন সাধন কৰিব পৰাকৈ সকলো সুযোগ-সুবিধা প্রদানৰ বাবে যুটীয়া প্রচেষ্টা গ্রহণ কৰা দেখা যায়। ভাৰতীয় সংবিধানে দেশৰ সকলো নাগৰিকক অন্যান্য সুবিধাৰ লগতে সামাজিক আৰু অর্থনৈতিক ন্যায়, প্রস্থিতি আৰু সুবিধাৰ সমতাৰ লগতে ব্যক্তিবিশেষৰ গৰিমা ৰক্ষা কৰাৰ প্রতিশ্রুতি প্রদান কৰিছে। ইয়াৰ লগতে সংবিধানে সমাজৰ অনুন্নত লোকসকলক সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক সুবিধা প্রদানৰো প্রতিশ্রুতি প্রদান কৰিছে।

জানি থোৱা ভাল

ডি এন মজুমদাৰৰ মতে জনজাতি হৈছে কেইবাটাও পৰিয়ালৰ এক থুপ বা পৰিয়ালসমূহৰ গোট যাৰ এটা উমৈহতীয়া নাম থাকে, যাৰ সদস্যসকলে এক নির্দিষ্ট ভৌগলিক এলেকা দখল কৰি থাকে, একে ভাষা কয় আৰু বিবাহ, বৃত্তি বা জীৰিকাৰ ক্ষেত্রত কেতবোৰ বাধা-নিষেধ মানি চলে লগতে এক পাৰস্পৰিক দায়িত্ববোধৰ ভাৰ গঢ়ি তোলে। আন্তঃৰাষ্ট্রীয় শ্রম সংগঠনৰ (ILO) ১৯৫৩ চনৰ প্রতিবেদনত উল্লেখ কৰা অনুসৰি, 'সমগ্র বিশ্বৰ সকলো থলুৱা অথবা আদিবাসী গোটৰ ক্ষেত্রত প্রযোজ্য কোনো নির্দিষ্ট মান নাই'। অৱশ্যে সামূহিক সিদ্ধান্তত নিম্নোলিখিত বৈশিষ্ট্যসমূহৰ দ্বাৰা এটা গোটক জনজাতিৰূপে চিনাক্ত আৰু ব্যাখ্যা কৰিব পৰা যায় ঃ

- এটা নির্দিষ্ট ভৌগলিক বসতিস্থল আৰু এলেকা,
- প্রধানকৈ তেজৰ সম্বন্ধৰ (সগোত্রতা) ওপৰত ভিত্তি কৰা এক সংযুক্ত সামাজিক সংস্থা,
- সাংস্কৃতিক একমুখীতা,
- উমৈহতীয়া উপাস্য দেৱতা আৰু উমৈহতীয়া পূর্বপুৰুষ, আৰু
- উমৈহতীয়া উপভাষা আৰু উমৈহতীয়া লোকসংস্কৃতি।

৯.৪.১ সংবিধানৰ অর্ন্তভুক্ত বিধান (Provisions in the Constitution)

১৯৫০ চনৰ ভাৰতীয় সংবিধানৰ ৩৪৩ নম্বৰ অনুচ্ছেদত কেতবোৰ বিশেষ জনজাতি আৰু জনজাতীয় গোটক অনুসূচিত জনজাতি বুলি অন্তর্ভুক্ত কৰা আছে। সময়ে সময়ে এই তালিকাৰ সংশোধন কৰা হৈছে কিন্তু পোণ প্রথমে ব্রিটিশসকলে আঙুলীয়াই দিয়া কেতবোৰ গুৰুত্বপূর্ণ দিশ আজিও কার্যকৰী হে উঠা নাই। সাধাৰণভাৱে

ক'বলৈ গ'লে ভাৰতৰ জনজাতিসকলক উন্নয়নৰ মূল সুঁতিলৈ আনিব লাগে। একে সময়তে জনজাতীয় এলেকাসমূহক শোষণৰ পৰা ৰক্ষা কৰিব লাগে। সংৰক্ষণৰ জড়িয়তে জনজাতিসকলক চৰকাৰী সেৱাত নিয়োগ কৰাৰ ব্যৱস্থাৰো প্ৰচলন হ'ল। ১৯৫৮ চনত তদানীন্তন দেশৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে জনজাতি উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰি পৰামৰ্শ দিয়ে যে-

- ভূমি আৰু অৰণ্যৰ ক্ষেত্ৰত জনজাতিসকলৰ অধিকাৰ সংৰক্ষণ কৰিব লাগে।
- বহিৰাগত সংস্কৃতি জনজাতিসকলৰ ওপৰত জাপি দিয়াতকৈ তেওঁলোকক নিজৰ সাংস্কৃতিক বৈশিষ্ট্যৰ বিকাশ সাধন কৰিবলৈ উৎসাহ জনাব লাগে।
- বাহিৰৰ বিষয়া বা সংস্থাক দায়িত্ব দিয়াৰ পৰিৱৰ্তে এটা অঞ্চলৰ প্ৰশাসনৰ দায়িত্ব পালন কৰিব পৰাকৈ স্থানীয় লোকক প্ৰস্তুত কৰি প্ৰশিক্ষণ প্ৰদান কৰিব লাগে।

ভাৰতীয় সংবিধানত জনজাতীয় সমাজ আৰু সংস্কৃতিৰ সুৰক্ষা আৰু কল্যাণৰ বাবে বহুদিশ সন্নিবিষ্ট কৰা হৈছে। ইয়াৰ জড়িয়তে সমাজৰ পিছপৰা শ্ৰেণীৰ লোকসকলক কেন্দ্ৰই সহযোগিতা আগবঢ়াব বিচাৰিছিল। জনজাতীয় লোকসকলৰ উন্নয়নৰ বাবে সংবিধানত অন্তৰ্ভুক্ত কৰা বিধানসমূহক প্ৰধানকৈ দুটা ভাগত বিভক্ত কৰিব পাৰি ঃ

- সুৰক্ষামূলক আৰু
- উন্নয়নমূলক।

অসম, মেঘালয়, ত্ৰিপুৰা আৰু মিজোৰামৰ জনজাতীয় লোকসকলৰ উন্নয়নৰ বাবে সংবিধানৰ ষষ্ঠ অনুসূচীত বিধান সন্নিবিষ্ট কৰা হৈছে। আনহাতে এই ৰাজ্যকেইখনৰ বাহিৰে দেশৰ অন্য ৰাজ্যৰ অনুসূচিত জনজাতিৰ সন্দৰ্ভত সংবিধানৰ পঞ্চম অনুসূচীত বিধান সন্নিবিষ্ট কৰা হৈছে। সংবিধানৰ ২৪৪(১)নম্বৰ অনুচ্ছেদৰ অন্তৰ্গত পঞ্চম অনুসূচীত সংবিধানে 'অনুসূচীত এলেকা'ৰ ব্যাখ্যা আগবঢ়াইছে। ইয়াত কোৱা হৈছে এখন ৰাজ্যপালৰ সৈতে আলোচনামৰ্মে ৰাষ্ট্ৰপতিয়ে বিশেষ নিৰ্দেশনামাযোগে ৰাজ্যখনৰ নিদিষ্ট এলেকাক অনুসূচীত এলেকা ঘোষণা কৰিব পাৰে। সংবিধানৰ ২৪৪(২)নম্বৰ অনুচ্ছেদৰ অন্তৰ্গত ষষ্ঠ অনুসূচীত উত্তৰ-পূৰ্বাঞ্চলৰ জনজাতীয় এলেকা বুলি পৰিগণিত এলেকাৰ কথা সন্নিবিষ্ট কৰা হৈছে আৰু এই এলেকাসমূহত জিলা অথবা আঞ্চলিক স্বায়ত্বশাসিত পৰিষদ গঠন কৰাৰ ব্যৱস্থাকো অন্তৰ্ভুক্ত কৰা হৈছে। এই পৰিষদসমূহৰ বিস্তৃত বিধায়িনী, ন্যায়িক আৰু কাৰ্যপালনৰ ক্ষমতা থাকে। পঞ্চম অনুসূচী অনুসৰি এটা এলেকাক 'অনুসূচীত এলেকা' বুলি ঘোষণা কৰাৰ বাবে তলৰ দিশসমূহত গুৰুত্ব দিয়া হয়-

- জনজাতিৰ জনসংখ্যাক গুৰুত্ব।
- এলেকাৰ উচিত আৰু সুসংহতিপূৰ্ণ আকাৰ।
- ব্যৱহাৰযোগ্য প্ৰশাসনিক সত্তা যেনে জিলা, ব্লক অথবা তালুক।
- প্ৰতিবেশী অঞ্চলৰ তুলনাত অঞ্চলটোৰ অৰ্থনৈতিক অনগ্ৰসৰতা।

পঞ্চম অনুসূচীত অন্তৰ্ভুক্ত কৰা বিধানসমূহ হৈছে ঃ—

- 'জনজাতি উপদেষ্টা পৰিষদ' (Tribal Advisory Council) গঠন কৰি ৰাজ্যপালৰ পৰামৰ্শ অনুসৰি এই পৰিষদে ৰাজ্যখনৰ অনুসূচীত এলেকাৰ কল্যাণ আৰু বিকাশৰ বাবে পৰামৰ্শ আগবঢ়াব।' (পঞ্চম অনুসূচী, ৪ নম্বৰ অনুচ্ছেদ)।
- 'অনুসূচীত এলেকাৰ সদস্যসকলৰ দ্বাৰা বা তেওঁলোকৰ মাজত ভূমি হস্তান্তৰকৰণৰ ক্ষেত্ৰত, ভূমি আৱণ্টনত ৰাজ্যপালে নিষেধাজ্ঞা জাৰী কৰাৰ লগতে ঋণ আদান-প্ৰদানৰ ক্ষেত্ৰত বাধ্য বাধকতা আৰোপ কৰিব পাৰে ।'(পঞ্চম অনুসূচী, পঞ্চম অনুচ্ছেদ)।

ষষ্ঠ অনুসূচীত উল্লেখ কৰা হৈছে 'জনজাতীয় এলেকাসমূহক (অসম, মেঘালয়, ত্রিপুৰা আৰু মিজোৰাম) শাসনৰ বাবে স্বায়ত্বশাসিত জিলা গঠন কৰিব লাগে.....।' কেতবোৰ বিধায়িনী আৰু ন্যায়পালিকাৰ কার্য পালন কৰিব পৰাকৈ এনেধৰণৰ জিলা পৰিষদ আৰু আঞ্চলিক পৰিষদ গঠন কৰাৰ বিধান অন্তর্ভুক্ত কৰা হৈছে। এই পৰিষদসমূহ হৈছে প্রধানকৈ প্রতিনিধিত্বমূলক অংগ আৰু কেতবোৰ নির্দিষ্ট ক্ষেত্রত আইন প্রণয়ন কৰিব পৰাকৈ তেওঁলোকৰ ক্ষমতা থাকে। (ষষ্ঠ অনুসূচী)।

অনুচ্ছেদ ১৫ (৪) ঃ সামাজিক, অর্থনৈতিক আৰু শিক্ষাৰ প্রসাৰ ঃ এই অনুচ্ছেদৰ দ্বাৰা অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ লোকসকল অথবা সামাজিক, শিক্ষামূলকভাৱে অনগ্রসৰ নাগৰিকৰ উন্নয়নৰ বাবে বিশেষ ব্যৱস্থা গ্রহণ কৰিব পৰাকৈ ৰাজ্যক বিশেষ ক্ষমতা প্রদান কৰা হৈছে।

অনুচ্ছেদ ১৬(৪)ঃ পদ আৰু সেৱাৰ সংৰক্ষণঃ ইয়াৰ দ্বাৰা যিকোনো পদ অথবা নিযুক্তিৰ ক্ষেত্রত অনগ্রসৰ শ্রেণীৰ নাগৰিকৰ বাবে বিশেষ সংৰক্ষণৰ ব্যৱস্থা কৰিবলৈ ৰাজ্যক ক্ষমতা প্রদান কৰা হৈছে যিসমূহক কেন্দ্রই নিজৰ সেৱাত পর্যাপ্ত পৰিমাণে নিযুক্তি দিয়া নাই বুলি বিবেচনা কৰে। ৰাজ্যই অনগ্রসৰ নাগৰিকসকলৰ বাবে পর্যাপ্ত পৰিমাণৰ সংৰক্ষণ কৰিব বুলি আশা কৰা হৈছে।

অনুচ্ছেদ ১৯ (৫)ঃ জনজাতিসকলৰ স্বার্থসুৰক্ষা ঃ ভাৰতৰ যিকোনো ঠাইতে মুক্তভাৱে চলা-ফিৰা কৰা, বসতি অথবা সম্পত্তি ক্রয়-বিক্রয়ৰ বাবে প্রতিজন নাগৰিকক অধিকাৰ প্রদান কৰা হৈছে যদিও অনুসূচিত জনজাতি অধ্যুষিত এলেকাৰ স্বার্থ সুৰক্ষাৰ বাবে ৰাজ্যই বিশেষ বাধা-নিষেধ আৰোপ কৰিব পাৰে।

অনুচ্ছেদ ২৩ঃ মানৱ সৰবৰাহ, ভিক্ষাবৃত্তি অথবা যিকোনো শ্রমত জোৰ-জুলুমকৈ নিয়োগ নিষেধ। অনুসূচিত এলেকাৰ বাবে এই অনুচ্ছেদ যথেষ্ট তাৎপর্যপূর্ণ।

*অনুচ্ছেদ ২৯ঃ শিক্ষা আৰু সংস্কৃতিৰ অধিকাৰ ঃ*এই অনুচ্ছেদ অনুসৰি সাংস্কৃতিক অথবা নৃগোষ্ঠীয় সংখ্যালঘু গোটে নিজৰ সংস্কৃতি আৰু ভাষা জীয়াই ৰাখিব লাগে।

অনুচ্ছেদ ১৬৪ঃ এই অনুচ্ছেদৰ দ্বাৰা বিহাৰ, উৰিষ্যা আৰু মধ্যপ্রদেশত জনজাতি কল্যাণৰ বাবে এজন ভাৰপ্রাপ্ত মন্ত্রী নিয়োগ কৰাৰ বিধান আছে। এই ৰাজ্যকেইখনত যথেষ্টসংখ্যক জনজাতীয় লোকৰ সংখ্যা আছে আৰু সেইবাবে জনজাতি কল্যাণৰ দিশটো বিশেষভাৱে চোৱা-চিতাৰ বাবে মন্ত্রী নিয়োগৰ এই বিধানক সংবিধানৰ প্রণয়নকর্তাসকলে গুৰুত্ব প্রদান কৰে। ইয়াৰ জড়িয়তে জনজাতি কল্যাণ প্রচেষ্টাক সুৰক্ষা প্রদানৰ ব্যৱস্থা কৰা হৈছে।

অনুচ্ছেদ ৩৩০, ৩৩২ আৰু ৩৩৪ ঃ এইসমূহ অনুচ্ছেদৰ দ্বাৰা বিধানপালিকাসমূহত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ বাবে পদ সংৰক্ষণ কৰাৰ বিধান আছে।

অনুচ্ছেদ ৩৩৮ঃ ইয়াত কোৱা হৈছে যে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ বাবে ৰাষ্ট্রপতিয়ে এজন বিশেষ বিষয়া নিয়োগ কৰিব। সেই বিশেষ বিষয়াজনৰ দায়িত্ব হ'ব সংবিধানৰ বিধান অনুসৰি জনজাতীয় লোকসকলৰ সুৰক্ষাৰ বাবে গ্রহণ কৰা ব্যৱস্থাৰ সকলো দিশ অনুসন্ধান কৰা। লগতে সময়ে সময়ে এই সুৰক্ষামূলক ব্যৱস্থাৰ সন্দর্ভত ৰাষ্ট্রপতিক প্রতিবেদন দাখিল কৰা যাতে ৰাষ্ট্রপতিয়ে এইক্ষেত্রত বিশেষ নির্দেশনা জাৰী কৰিব পাৰে। তদুপৰি ৰাষ্ট্রপতিয়ে এই সকলোবোৰ সংসদৰ দুইখন সদনত প্রস্তুত কৰিব।

অনুচ্ছেদ ৩৭১ (ক, খ, গ)ঃ এই অনুচ্ছেদসমূহত মহাৰাষ্ট্র আৰু গুজৰাট (৩৭১), নাগালেণ্ড (৩৭১ ক), অসম (৩৭১ খ) আৰু মণিপুৰ (৩৭১গ)ৰ বাবে বিশেষ ব্যৱস্থা আৰু বিধানৰ উল্লেখ আছে। ইয়াৰ লগতে পঞ্চম আৰু ষষ্ঠ অনুসূচীত (ইতিমধ্যে কৰি অহা আলোচনা অনুসৰি) জনজাতিসকলৰ বাবে বিশেষ ব্যৱস্থাক অন্তর্ভুক্ত কৰা হৈছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ খালী ঠাই পূৰণ কৰক ঃ

ক) ..... য়ে জনজাতি উন্নয়নত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে।

খ) .....ত জনজাতীয় লোকসকলৰ সাংস্কৃতিক আৰু শিক্ষামূলক অধিকাৰসমূহ উল্লেখ আছে।

প্রশ্ন নং ৫ঃ জনজাতীয় উপ-পৰিকল্পনাৰ তাৎক্ষণিক লক্ষ্যসমূহ কি আছিল ?

প্রশ্ন নং ৬ঃ ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচী বুলিলে আপুনি কি বুজে ?

৯.৫ স্বৰাজোত্তৰ ভাৰতত ভূমি সংস্কাৰৰ আঁচনি (LAND REFORM PROGRAMMES IN INDEPENDENT INDIA)

এখন দেশ য'ত এতিয়াও জনসংখ্যাৰ বৃহৎ সংখ্যক লোক কৃষিৰ ওপৰত নির্ভৰশীল, য'ত মুঠ কর্মীসকলৰ শতকৰা ৫৬ শতাংশ আৰু গ্রাম্য কর্মত নিয়োজিত লোকসকলৰ শতকৰা ৭২.৫ শতাংশ লোকেই কৃষিকার্যৰ লগত জড়িত (বিত্ত মন্ত্রালয়, ২০০৭), তেনেস্থানত ভূমি হৈছে অর্থনীতি, সমাজ আৰু ৰাজনীতিৰ কেন্দ্রবিন্দু। ভূমি কেৱল উৎপাদনৰ প্রধান উৎসয়েই নহয় ইয়ে গৰাকীক প্রদান কৰে অর্থনৈতিক নিৰাপত্তা, সামাজিক স্থান, ক্ষমতা আৰু পৰিচয় পর্যন্ত। ভূমিৰ ইমান বিস্তৃত প্রভাৱৰ বাবে ইয়াৰ পৰিচালনা, গৰাকীস্বত্ত, অধিকাৰ আৰু গুৰুত্বৰ সংৰচনা, উৎপাদনৰ ব্যৱস্থা আৰু সামাজিক সম্পর্ক এই সকলোবোৰ দিশৰ লগত জড়িত সমস্যাক অধ্যয়ন কৰিলেহে দেশৰ 'উন্নয়ন'ৰ ক্ষেত্রত দেখা দিয়া জটিলতা আৰু গুঢ়ার্থ বুজিব পৰা যাব। ভূমি সংস্কাৰৰ জড়িয়তে সম্পত্তিৰ সম্পর্কক গঢ়ি তোলা এইসমূহ দিশৰ পৰিৱর্তন সাধন কৰাকে বুজা হয়। ইয়াৰ দ্বাৰা দক্ষতা আৰু সমতাৰ আধাৰত উৎপাদনৰ সম্ভাব্য লাভ আৰু উৎপাদনৰ সম্পদৰ বৈষম্যমূলক বিতৰণ ব্যৱস্থা নির্মূল কৰাৰ লক্ষ্যত উপনীত হ'ব বিচৰা হয়।

ঔপনিৱেশিক ধৰণৰ ভূমিবিতৰণ আৰু কৰ সংগ্রহ ব্যৱস্থা য'ত আমি দ্বিতীয় অধ্যায়ত আলোচনা কৰাৰ ধৰণে তিনিটা প্রকাৰ আছিল তাৰবাবেই এই পৰিৱর্তনৰ প্রয়োজন অনুভৱ কৰা হ'ল। এই তিনিটা ব্যৱস্থা আছিল-

- প্রথম প্রকাৰ আছিল 'স্থায়ী ব্যৱস্থা' য'ত সম্পত্তিৰ ব্যক্তিগত অধিকাৰ জমিদাৰসকলৰ ওপৰত অর্পণ কৰা হৈছিল। ইয়াৰ বাবদ এইসকলে চৰকাৰক এক নির্ধাৰিত ৰাজহ প্রদান কৰিব লাগিছিল। এই জমিদাৰী ব্যৱস্থাই বহু উপ শাখাৰ সৃষ্টি কৰাৰ ফলত জমিদাৰ আৰু কৃষকৰ মাজত কৰসংগ্রহকাৰী বহুতৰপীয়া মধ্যস্থতাকাৰীৰ ব্যৱস্থা গঢ় লৈ উঠিল। যাৰ ফলত ৰায়তসকলতকৈ জমিদাৰসকলৰ স্থান উন্নত হয় আৰু কৃষকসকল চৰম শোষণৰ বলি হয়।
- দ্বিতীয় প্রকাৰ আছিল ৰায়তৰাৰী প্রথা। এই প্রথাৰ অধীনত ভূমি সেইসকল কৃষকক প্রদান কৰা হৈছিল যিয়ে এক নির্দিষ্ট সময়ভিত্তিক মূল্যায়নৰ আধাৰত কৰ প্রদান কৰিছিল। এই প্রথাতো সময়ৰ লগে লগে মধ্যস্থতাকাৰীৰ বহু উপ শাখা আৰু স্বার্থজড়িত গোটৰ সৃষ্টি হয়। ভূমি বন্ধকী আৰু বিক্রীৰ ক্ষেত্রত স্বাধীনতা থকাৰ বাবে ভূমিৰ নিয়ন্ত্রণৰ অধিকাৰ অকৃষিজীৱি লোকে (বণিয়া, ৰায়ত আৰু ঋণদাতা) দখল কৰাৰ লগতে ইয়াৰ পৰৱর্তী পর্যায়ত ভিন্ন ধৰণৰ আধিয়াৰ ব্যৱস্থা, আধি দিয়াৰ প্রতিকূল চর্তাৱলীয়ে প্রসাৰতা লাভ কৰে।
- তৃতীয় প্রকাৰক কোৱা হয় 'মহলৱাৰী' প্রথা। এই প্রথাত ভূমিচুক্তি ব্যক্তি বিশেষৰ পৰিৱর্তে গাঁওবাসীৰ সৈতে কৰা হয় আৰু এই ব্যৱস্থাত ৰাজহ আদায় দিয়াৰ দায়িত্বভাৰ গাঁওখনক প্রতিনিধিত্ব কৰা গোটৰ

ওপৰত ন্যস্ত থাকে। এই প্ৰথাত ভূমি ঋণৰ বৃহৎ বোজাই কৃষকসকলক নিজৰ ভূমি বিক্ৰী অথবা বন্ধকত থ'বলৈ বাধ্য কৰায় অথবা বৃহৎ ভূ-স্বামীৰ অধীনস্থ কৃষি শ্ৰমিকলৈ পৰিণত কৰে।

এই তিনিধৰণৰ ভূমি ৰাজহ ব্যৱস্থাই বহু কৃষকৰ বিকৃত অৱস্থা সৃষ্টি কৰি বৃহৎ ক্ষতিসাধন কৰে। ভূমি নিয়ন্ত্ৰণ আৰু কৰ সংগ্ৰহৰ অধিকাৰ ক্ষমতাশালী ব্যক্তিৰ হাতলৈ যোৱাৰ ফলত কৃষিক্ষেত্ৰত বৃহৎ হাৰত বিতাৰণ, ৰায়তৰ পৰিৱৰ্তন, শাৰিৰীক শক্তিৰ প্ৰয়োগ কৰি কৰ বৃদ্ধি, ৰায়তৰসকলৰ নিৰাপত্তাহীনতা আৰু ঋণগ্ৰস্ততাৰ ব্যাপক প্ৰভাৱে এক তীব্ৰ শোষণমূলক ব্যৱস্থাৰ উদ্ভৱ কৰে। দেশৰ ভিন্ন প্ৰান্তত হোৱা কৃষক বিদ্ৰোহে চৰকাৰক ৰায়তৰ ব্যৱস্থাৰ কেইবাখনো আইন প্ৰণয়ন কৰিবলৈ বাধ্য কৰে। কিন্তু দুৰ্ভাগ্যবশঃত এই আইনসমূহে বৃহৎ কৃষকসকলক সুৰক্ষা প্ৰদান কৰিবলৈ সক্ষম হ'লেও নিম্নশ্ৰেণীৰ ৰায়তসকলক ভূ-স্বামীৰ শোষণৰ পৰা ৰক্ষা কৰাত ব্যৰ্থ হ'ল। কৃষিক্ষেত্ৰৰ সংৰচনাৰ এই পৰিৱৰ্তনৰ ফলত এক শ্ৰেণীৰ ভূ-স্বামী আৰু উচ্চ পৰ্যায়ৰ কৃষক শ্ৰেণীৰ সৃষ্টি হ'ল যিসকলে ভূমি, পট্টা, উৎপাদন, ঋণ আৰু বজাৰ ব্যৱস্থা আদিৰে গঠিত গ্ৰাম্য অৰ্থনীতিক দমন কৰিবলৈ ধৰে। লগতে গ্ৰাম্য সমাজৰ ওপৰত এওঁলোকৰ প্ৰচুৰ ক্ষমতা বিস্তাৰিত হ'বলৈ ধৰে। সেইবাবে স্বৰাজোত্তৰ ভাৰতত ভূমি সংস্কাৰৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰ জড়িয়তে এই বৈষম্য দূৰ কৰিবলৈ প্ৰয়াস কৰা হয়।

৯.৫.১ ভূমি সংস্কাৰৰ পদক্ষেপ (Land Reforms Measures)

কৃষিকাৰ্যৰ উৎপাদনশীলতা বৃদ্ধি আৰু সমহাৰত ভূমি বিতৰণ এই দুটা লক্ষ্যৰে গ্ৰহণ কৰা ভূমি সংস্কাৰৰ চৰকাৰী আঁচনিত অন্তৰ্ভুক্ত কৰা হৈছিল পাঁচটা প্ৰধান দিশ-

- মধ্যস্থতাকাৰী ব্যৱস্থাৰ বিলোপ সাধন কৰি আধিয়াৰসকলক চৰকাৰৰ প্ৰত্যক্ষ সম্পৰ্কলৈ অনা।
- ৰায়ত ব্যৱস্থাৰ সংস্কাৰ কৰি প্ৰকৃত কৃষকক সুৰক্ষা প্ৰদান কৰা, আধি ব্যৱস্থাৰ দৰ নিৰ্ধাৰণ কৰা আৰু গৰাকীস্বত্তৰ অধিকাৰ আধিয়াৰসকলক প্ৰদান কৰা।
- ভূমি দখলৰ সৰ্বোচ্ছ সীমা নিৰ্ধাৰণ কৰি অতিৰিক্ত ভূমি চৰকাৰৰ নিৰ্দেশনা অনুসৰি ভূমিহীনৰ মাজত বিতৰণ কৰা।
- ভূমি সম্পত্তি আহৰণৰ একীকৰণ।
- ভূমি সন্দৰ্ভত তথ্য সংগ্ৰহ আৰু সময়ে সময়ে সংশোধন কৰা।

এইসকলোবোৰ ভূমি সংস্কাৰৰ পদক্ষেপৰ বাহিৰেও কিছু অন্য সংস্কাৰো সাধন কৰা হৈছিল। এইসমূহ হৈছে-

- জনজাতীয় এলেকাত অবাধ দখলৰ বিৰুদ্ধে সুৰক্ষা।
- সামূহিক বিশেষ সম্পদত (common property resources) প্ৰৱেশৰ অধিকাৰ।
- অৰণ্য সুৰক্ষাৰ অধিকাৰ।

৯.৬ সংহত গ্ৰাম্য উন্নয়ন আঁচনি (INTEGRATED RURAL DEVELOPMENT PROGRAMMES)

ভাৰতত প্ৰধানকৈ সামাজিক ন্যায়ৰ ভিত্তিত বিকাশৰ লক্ষ্য গ্ৰহণ কৰা হয়। দৰিদ্ৰতাক ক্ষীপ্ৰগতিত কমাবলৈ আৰু ইয়াক সম্পূৰ্ণৰূপে নিৰ্মূলকৰাটোৱেই ৰাষ্ট্ৰীয় লক্ষ্য। সংহত গ্ৰাম্য উন্নয়ন আঁচনিখন প্ৰথমবাৰ প্ৰৱৰ্তন কৰা

হৈছিল ১৯৭৮-১৯৭৯ চনত। সমগ্র দেশৰ ২,৩০০ টা নিৰ্বাচিত ব্লকত প্ৰথমবাৰ এই আঁচনি প্ৰৱৰ্তন কৰা হৈছিল আৰু পৰৱৰ্তী সময়ত দুই অক্টোবৰ, ১৯৮০ চনত এই আঁচনিৰ সমগ্ৰ দেশতে প্ৰসাৰ ঘটোৱা হৈছিল। সংহত গ্ৰাম্য উন্নয়ন আঁচনি হৈছে আত্ম নিয়োজনৰ ক্ষেত্ৰত গ্ৰহণ কৰা আটাইতকৈ গুৰুত্বপূৰ্ণ পদক্ষেপ। বৰ্তমান সময়ত সমগ্ৰ দেশতে প্ৰচলিত এই আঁচনিয়ে হৈছে একমাত্ৰ বৃহৎ দৰিদ্ৰতা দূৰীকৰণৰ আঁচনি।

এই আঁচনিৰ লক্ষ্য গ্ৰামাঞ্চলৰ দৰিদ্ৰ ৰাইজক আত্ম নিয়োজনৰ সুযোগ আৰু সুবিধা প্ৰদান কৰি তেওঁলোকক দৰিদ্ৰ সীমাৰেখাৰ ওপৰলৈ অনাৰ ব্যৱস্থা কৰা। সংহত গ্ৰাম্য উন্নয়নৰ দ্বাৰা গ্ৰামাঞ্চলৰ দৰিদ্ৰ ৰাইজৰ হকে সম্পদৰ সমবিতৰণ আৰু নিয়োগৰ সুবিধা প্ৰদান কৰি আয়ৰ ক্ষেত্ৰত থকা বৈষম্য দূৰ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছিল। এয়া হৈছে এক সাহাযপ্ৰাপ্ত আঁচনি আৰু এইক্ষেত্ৰত কেন্দ্ৰ আৰু ৰাজ্যই ৫০ঃ৫০ হাৰত পুঁজিৰ যোগান ধৰে। উন্নয়নৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ক্ষেত্ৰ যেনে-কৃষি, ক্ষুদ্ৰ জলসিঞ্চন, মীন পালন, পশুপালন আৰু পশুচিকিৎসা, উদ্যোগ আৰু সেৱাৰ লগতে আন আঞ্চলিক ক্ষেত্ৰত সামগ্ৰিক আৰু সংহত আঁচনি গ্ৰহণ কৰি গ্ৰামাঞ্চলৰ দৰিদ্ৰতা দূৰ কৰাৰ প্ৰয়াস কৰা হয় এই আঁচনিত। নিৰ্দিষ্ট একোটা গোটৰ পৰিয়ালসমূহৰ উপাৰ্জন বৃদ্ধিৰ ক্ষেত্ৰত পূৰ্বৱৰ্তী আঁচনিসমূহে যেতিয়া যোগাত্মক প্ৰভাৱ পেলোৱাত ব্যৰ্থ হ'ল তেতিয়াই এনেধৰণৰ সামগ্ৰিক আঁচনিৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হৈছিল। সংহত গ্ৰাম্য উন্নয়ন আঁচনিক চৰকাৰীভাবে দৰিদ্ৰতা নিৰ্মূলকৰণৰ আটাইতকৈ বৃহৎ প্ৰক্ৰিয়া আখ্যা দিয়া হৈছে।

সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ বাবে যিসমুহত গোটক লক্ষ্যৰূপে নিৰ্ধাৰণ কৰা হয় সেইসমুহ হৈছে অষ্টম পৰিকল্পনা অনুসৰি দৰিদ্ৰ সীমাৰেখাৰ তলৰ অৰ্থাৎ বাৰ্ষিক এঘাৰ হাজাৰ টকাতকৈ কম ধন উপাৰ্জন কৰা ক্ষুদ্ৰ কৃষক, কৃষি শ্ৰমিক আৰু গ্ৰাম্য কাৰিকৰসকল। এই আঁচনিৰ অধীনত প্ৰকৃততে যাতে সমাজৰ অৱহেলিত শ্ৰেণীয়ে লাভান্বিত হয় সেই কথা নিশ্চিত কৰিবলৈ উল্লেখ কৰা হৈছিল যে আঁচনিৰ সহায় লাভ কৰা শতকৰা পঞ্চাশ শতাংশ পৰিয়াল যাতে অনুসূচিত জাতি অথবা অনুসূচিত জনজাতিৰ হয়। ইয়াৰ লগতে কোৱা হৈছিল যে আঁচনিৰ হিতাধিকাৰীসকলৰ শতকৰা চল্লিশ শতাংশ মহিলা হ'ব লাগিব আৰু শতকাৰ তিনি শতাংশ হিতাধিকাৰী শাৰিৰীকভাৱে বাধাগ্ৰস্ত লোকক প্ৰতিনিধিত্ব কৰা হ'ব লাগিব। এনেধৰণে দেশৰ গ্ৰাম্যক্ষেত্ৰত আকাংক্ষিত আৰ্থ-সামাজিক পৰিৱৰ্তনৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল।

আঁচনি সংশোধনৰ বাবে কেইবাটাও পদক্ষেপ গ্ৰহণ কৰা হৈছিল। যেনে—

- কৃষি আৰু ইয়াৰ সম্পৰ্কিত অন্যান্য কাৰ্যাৱলীৰ বাবে সু�ৰক্ষা বিহীন ঋণৰ উৰ্ধসীমা পাঁচহাজাৰ টকাৰ পৰা দহহাজাৰ টকালৈ বৃদ্ধি কৰা হৈছিল।
- ফলমূল সংশোধন, মীন পালন আদি নতুন আৰু উদ্ভাৱনামূলক কাৰ্যাৱলীকো আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছিল।
- জিলা গ্ৰাম্য উন্নয়ন সংস্থা (DRDA) আৰু কৰ্মসংস্থান কেন্দ্ৰৰ সৈতে নিয়োগৰ সুবিধাৰ বাবে ওচৰ সম্পৰ্ক ৰক্ষা কৰি কাৰ্যাৱলী অব্যাহত ৰখাৰ লগতে আত্ম নিয়োজনৰ বাবে গ্ৰাম্য যুৱক-যুৱতীৰ প্ৰশিক্ষণৰ (TRYSEM, Training of Rural Youth for Self Employment) অধীনত প্ৰশিক্ষণ প্ৰদান কৰা। আত্ম নিয়োজনৰ বাবে গ্ৰাম্য যুৱক-যুৱতীৰ প্ৰশিক্ষণ (TRYSEM) হৈছে সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ (IRDP) এক আভ্যন্তৰীণ অংগ আৰু ইয়াৰ লক্ষ্য হৈছে আত্ম-নিৰ্ভৰশীল হ'ব পৰাকৈ গাঁৱৰ যুৱচামক কৌশলগত জ্ঞান প্ৰদান।

৯.৬.১ সংহত গ্রাম্য উন্নয়ন আঁচনিৰ বিশেষ দিশ (Special Features of IRDP)

সংহত গ্রাম্য উন্নয়ন আঁচনিৰ বহুকেইটা বিশেষ দিশ আছে। সেইসমূহ হৈছেঃ

- গ্রামাঞ্চলৰ দৰিদ্র আৰু অৱহেলিত পৰিয়ালসমূহক সহায় কৰাই এই আঁচনিৰ লক্ষ্য আৰু ইয়াৰ দ্বাৰা দৰিদ্রতা আৰু বঞ্চিতকৰণ মূল কাৰণক নির্মূল কৰিব বিচৰা হয়।
- সংহত গ্রাম্য উন্নয়ন আঁচনি হৈছে মুলতঃ এক দৰিদ্রতাবিৰোধী আঁচনি। এই আঁচনিৰ জড়িয়তে দৰিদ্র পৰিয়ালসমূহক সহায় আগবঢ়োৱা হয় যাতে তেওঁলোকে উৎপাদনশীল সম্পদ, প্রযুক্তি আৰু কৌশল আহৰণ কৰি অর্থনৈতিক দিশত টনকীয়াল হ'ব পাৰে।
- সংহত গ্রাম্য উন্নয়ন আঁচনিৰ দ্বাৰা পৰিয়ালসমূহৰ কেৱল আর্থিক দিশতেই নহয় ইয়াৰ লগতে সামাজিক, শিক্ষামূলক আৰু পৰিপুষ্টিজনিত আদি দিশতো উন্নয়ন সাধন কৰিব বিচৰা হয়। এই আঁচনিৰ অধীনত হিতাধিকাৰীসকলে যাতে বিভিন্ন ধৰণৰ সেৱা যেনে পৰিপুষ্টি, বাধ্যতামূলক শিক্ষা, প্রাপ্তবয়স্কৰ শিক্ষা, পৰিয়াল কল্যাণ, শিশু আৰু মহিলা কল্যাণ আদিৰ সুফল লাভ কৰে সেইক্ষেত্রত গুৰুত্ব আৰোপ কৰা হয়। নিদিষ্ট বিভাগসমূহে এই সেৱা আগবঢ়াব লাগে।
- সংহত গ্রাম্য উন্নয়ন আঁচনিয়ে হিতাধিকাৰীসকলৰ বাবে বহুকেইখন ব্যক্তিগত গুৰুত্বপূর্ণ পদক্ষেপ গ্রহণ কৰে। ভূমি উন্নয়নমূলক বিভিন্ন ব্যৱস্থা, কৃষি সামগ্রী যোগান, ক্ষুদ্র জলসিঞ্চন, মীনপালন, দুগ্ধ উৎপাদন, ছাগলী-গাহৰি পালন, কাপোৰ চিলাই, বয়ন, উল গুঁঠা, ৰিক্সাচালক, মাছৰ জাল গুঁঠা, কমাৰ আদি এনেধৰণৰ পদক্ষেপৰ অন্তর্গত।
- আত্ম নিয়োজনৰ বাবে গ্রাম্য যুৱক-যুৱতীৰ প্রশিক্ষণ (TRYSEM) হৈছে সংহত গ্রাম্য উন্নয়ন আঁচনিৰ গুৰুত্বপূর্ণ দিশ। ইয়াৰ জড়িয়তে নির্বাচিত গ্রাম্য যুৱক-যুৱতীক বিভিন্ন নতুন আঁচনি, বৃত্তি, কৃষি আৰু ইয়াৰ সৈতে জড়িত কার্যাৱলীৰ আধুনিক প্রযুক্তি, উদ্যোগমূলক আঁচনি যেনে চিলাই, উল গুঁঠা, দুগ্ধপালন, কমাৰ, বয়নশিল্প আদি ক্ষেত্রত ছমাহৰ বাধ্যতামূলক প্রশিক্ষণ প্রদান কৰা হয়। এই প্রশিক্ষণৰ জড়িয়তে হিতাধিকাৰীসকলৰ কৌশল উন্নত হোৱাৰ লগতে বিশেষজ্ঞ দক্ষতা আৰু উৎপাদনক্ষমতাৰ বৃদ্ধি হ'ব বুলি আশা কৰা হয়।

  সংহত গ্রাম্য উন্নয়ন আঁচনিৰ লক্ষ্যপূৰণৰ বাবে ইয়াৰ বিভিন্ন পর্যায়ত গ্রামাঞ্চলবাসীৰ সক্রিয় অংশগ্রহণ অতি প্রয়োজনীয়। কেৱল ইয়াৰ মাধ্যমতহে এই গ্রাম্য উন্নয়নৰ আঁচনিৰ উদ্দেশ্য সফল হ'ব পাৰে। এইক্ষেত্রত উন্নত জীৱনশৈলী আহৰণৰ বাবে গ্রাম্য যুৱক-যুৱতীসকলক অনুপ্রাণিত কৰি তুলিবলৈ চৰকাৰৰ ভূমিকা অতি গুৰুত্বপূর্ণ। যিকোনো আঁচনিৰ সফলতা আৰু বিফলতাৰ মাপকাঠী নির্ভৰ কৰে ইয়াক কিমান ভালদৰে পৰিচালনা আৰু সংগঠিত কৰা হৈছে সেই দিশৰ ওপৰত। সর্বোপৰি জনতাৰ সচেতনতা হৈছে যিকোনো আঁচনি সফল কৰাৰ আন এক গুৰুত্বপূণ কাৰক।

  সংহত গ্রাম্য উন্নয়ন আচনিক প্রৱর্তন কৰে জিলা গ্রাম্য উন্নয়ন সংস্থা (District Rural Development Agency) নামৰ স্বায়ত্বশাসিত সংস্থাই। কেন্দ্রীয় পর্যায়ত সংহত গ্রাম্য উন্নয়ন আঁচনিৰ পুঁজি মোকলাই দিয়া, নীতি প্রস্তুতকৰণ, সামগ্রিক নির্দেশনা, পৰিচালনা, পর্যবেক্ষণ আৰু মূল্যায়নৰ দায়িত্ব গ্রাম্য উন্নয়ন মন্ত্রালয়ৰ (Ministry of Rural Development)। আঁচনি সুচাৰুৰূপে কার্যকৰী কৰিবলৈ গ্রাম্য উন্নয়ন মন্ত্রালয়ে সমৱর্তী মূল্যায়ন আৰু প্রভাৱৰ অধ্যয়নৰ পোষকতা কৰে। ৰাজ্য চৰকাৰসমূহক সময়ে সময়ে

আঁচনিৰ মূল্যায়ন কৰিবলৈ পৰামৰ্শ দিয়া হয় যাতে আঁচনিৰ প্ৰভাৱ নিশ্চিতকৰণৰ লগতে আঁচনিত বিনিয়োগ কৰা পুঁজিৰ পৰা হিতাধিকাৰীসকলে প্ৰত্যক্ষভাৱে অতিৰিক্ত উপাৰ্জন বা নিয়োগৰ সুবিধা কিমানদূৰলৈকে লাভ কৰিছে সেয়া জানিব পৰা হয়। যিমানদূৰ সম্ভৱ ৰাজ্য চৰকাৰসমূহে আঁচনিৰ সমৱৰ্তী মূল্যায়ন আৰু প্ৰভাৱ অধ্যয়নৰ বাবে নিজাববীয়া ব্যৱস্থা গ্ৰহণ কৰে অথবা ইয়াৰ দায়িত্ব এইক্ষেত্ৰত দক্ষতাসম্পন্ন নিৰ্বাচিত শিক্ষা অথবা গৱেষণা প্ৰতিষ্ঠানকো ৰাজ্য চৰকাৰে অৰ্পণ কৰিব পাৰে।

ৰাষ্ট্ৰীয় পৰ্যায়ত সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ মূল্যায়নৰ অধ্যয়ন বহুসময়ত সম্পন্ন কৰি আহিছে কৃষি আৰু গ্ৰাম্য উন্নয়নৰ ৰাষ্ট্ৰীয় বেংক (NABARD), ৰিজাৰ্ভ বেংক অব ইণ্ডিয়া (RBI), পৰিকল্পনা আয়োগৰ আঁচনি মূল্যায়ন সংস্থা (PEO) আৰু শিক্ষামূলক সংস্থাসমূহে। সংসদৰ ৰাজহুৱা হিচাপ পৰীক্ষণ কমিটিয়ে (PAC) সংহত গ্ৰাম্য উন্নয়ন আঁচনিক নতুন ৰূপ দিবৰ বাবে কিছু পৰামৰ্শ আগবঢ়াইছে ঃ

- হিতাধিকাৰীসকলক দৰিদ্ৰ সীমাৰেখাৰ ওপৰলৈ উন্নীত কৰিবৰ বাবে তেওঁলোকৰ উপাৰ্জন বৃদ্ধিৰ লক্ষ্যৰে জনমূৰি বিনিয়োগ (ৰাজসাহায্য আৰু ঋণ) যথেষ্ট কম হোৱা পৰিলক্ষিত হৈছে।
- বিভিন্ন উপাৰ্জনমুখী কাৰ্যসূচীক সমৰ্থন জনাব পৰা আন্তঃগাঠনি অনুপযুক্ত।
- জিলা গ্ৰাম্য উন্নয়ন সংস্থাৰ প্ৰশাসনীয় গোটত সংশ্লিষ্ট সংস্থাসমূহৰ অনুপযুক্ত প্ৰতিনিধিত্ব।
- আঁচনিসমূহত ৰাইজৰ অংশগ্ৰহণৰ অনুপস্থিতি।
- নিম্ন পৰ্যায়ৰ বিষয়াৰ দুৰ্নীতিৰ ব্যাপক প্ৰভাৱ ।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ঃ শুদ্ধ নে অশুদ্ধ লিখক।

ক) গ্ৰাম্য সমাজত দৰিদ্ৰতা নিৰ্মূলকৰণেই সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ লক্ষ্য।

খ) সংহত গ্ৰাম্য উন্নয়ন সফল ৰূপায়নৰ বাবে ৰাইজৰ অংশগ্ৰহণ আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰক।

প্ৰশ্ন নং ৮ঃ সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ লক্ষ্যসমূহ কি কি?

প্ৰশ্ন নং ৯ঃ সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ গুৰুত্বপূৰ্ণ বিষয়সমূহ উল্লেখ কৰক।

প্ৰশ্ন নং ১০ঃ খালী ঠাই পূৰণ কৰক ঃ

ক) সংহত গ্ৰাম্য উন্নয়ন আঁচনি প্ৰৱৰ্তন কৰা হৈছিল ..... চনত।

খ) ..... হৈছে সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ এক গুৰুত্বপূৰ্ণ বিষয় যাৰ লক্ষ্য হৈছে গ্ৰাম্য যুৱক-যুৱতীক আত্ম নিৰ্ভৰশীলতাৰ প্ৰশিক্ষণ প্ৰদান কৰা।

৯.৭ ন্যূনতম প্ৰয়োজনীয়তাৰ আঁচনি (MINIMUM NEEDS PROGRAMME)

পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ খচৰাত প্ৰথমবাৰলৈ ন্যূনতম প্ৰয়োজনীয়তাৰ আঁচনিৰ অধীনত সামাজিক সেৱা যেনে প্ৰাথমিক শিক্ষা, গ্ৰাম্য স্বাস্থ্য, পৰিপুষ্টি, খোৱাপানী, গাঁৱৰ ভূমিহীনসকলক আবাসগৃহ প্ৰদান, নগৰীয় বস্তি এলেকাৰ উন্নয়ন, গ্ৰাম্য পথ, গ্ৰাম্য বৈদ্যুতিকীকৰণক প্ৰাধান্য দি অন্তৰ্ভুক্ত কৰা হৈছিল। পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনাত প্ৰথমবাৰলৈ ন্যূনতম প্ৰয়োজনীয়তাৰ আঁচনি প্ৰৱৰ্তন কৰা হৈছিল। ইয়াৰ লক্ষ্য আছিল দেশৰ গ্ৰাম্য অঞ্চলত বসবাস কৰা সকলো শ্ৰেণীৰ লোকৰ বাবে এক প্ৰাথমিক মানবিশিষ্ট জীৱনশৈলী নিশ্চিত কৰা। এই

পদক্ষেপৰ জড়িয়তে এক নির্ধাৰিত সময়সীমাৰ ভিতৰত ভিন্নমুখী সুযোগ-সুবিধা উপলব্ধ কৰাই কেতবোৰ বিশেষ সামাজিক সেৱাৰ গ্রহণযোগ্যতা নির্দিষ্ট পর্যায়লৈ উন্নীত কৰিবলৈ বিচৰা হৈছিল।

কেতবোৰ বিশেষ ৰাজহুৱা সেৱা, সুযোগ আৰু সুবিধাই জীৱনধাৰণৰ মান নির্ধাৰণ কৰে। গ্রাম্য জনসাধাৰণ বিশেষকৈ ৰাজহুৱা সুযোগ-সুবিধাৰ পৰা নগৰীয়া জনসাধাৰণতকৈ পিচ পৰি থাকে। এই সকলোবোৰ সুবিধা গঁঞা ৰাইজক দিবলৈ ভাৰত চৰকাৰে পঞ্চম পঞ্চবার্ষিক পৰিকল্পনাত নূন্যতম প্রয়োজনীয় আঁচনি আৰম্ভ কৰে। প্রথম অৱস্থাত ন্যূনতম প্রয়োজনীয়তাৰ আঁচনিত আঠটা বিষয়ক অন্তর্ভুক্ত কৰা হৈছিল। পৰৱর্তী ষষ্ঠ পৰিকল্পনাত প্রাপ্তবয়স্কৰ শিক্ষা নামৰ আন এটা বিষয় অন্তর্ভুক্ত কৰে। সপ্তম পঞ্চবার্ষিক পৰিকল্পনাত গ্রাম্য ৰন্ধন শক্তি, গ্রাম্য অনাময় আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থা অন্তর্ভুক্তিৰে নূন্যতম প্রয়োজনীয় আঁচনিক আৰু বহলাই পেলাই। নূন্যতম প্রয়োজনীয়তাৰ আঁচনিৰ বিষয়সমূহ হ'ল—

- প্রাথমিক শিক্ষা
- প্রাপ্তবয়স্কৰ শিক্ষা
- গ্রাম্য স্বাস্থ্য
- গ্রাম্য পানী যোগান
- গ্রাম্য পথ
- গ্রাম্য আবাস
- গ্রাম্য বৈদ্যুতিকীকৰণ
- নগৰীয় বস্তি এলেকাৰ পৰিৱেশ উন্নীতকৰণ
- পৰিপুষ্টি
- গ্রাম্য ৰন্ধন শক্তি
- গ্রাম্য অনাময়
- ৰাজহুৱা বিতৰণ ব্যৱস্থা।

পূর্বৱর্তী আঁচনিসমূহৰ অভিজ্ঞতাৰ ভিত্তিত ন্যূনতম প্রয়োজনীয়তাৰ আঁচনিৰ ধাৰণাই গঢ় লৈ উঠে। এই অভিজ্ঞতাই প্রমাণ কৰি দেখুৱাইছিল যে পাৰস্পৰিক বুজাবুজিৰ অবিহনে বিকাশ অথবা সামাজিক গ্রহণযোগ্যতাৰ ধাৰণা গঢ়ি উঠিব নোৱাৰে অথবা বর্তি থাকিবও নোৱাৰে। ন্যূনতম প্রয়োজনীয়তাৰ আঁচনিৰ প্রধান উদ্দেশ্য আছিল গ্রাম্য জনসাধাৰণক বিশেষকৈ গ্রাম্য দৰিদ্রসকলক মৌলিক প্রয়োজনৰ অন্তর্গত কেতবোৰ বিশেষ সামাজিক সেৱা প্রদান কৰা। ইয়াৰ দ্বাৰা পৰিকল্পনা গ্রহণ কৰা হৈছিল যে আঁচনিৰ প্রতিটো বিষয়ক এক ৰাষ্ট্রীয় এক মানৰ আধাৰত দেশৰ প্রতিখন ঠাইত নির্ধাৰিত সময়সীমাৰ ভিতৰত প্রৱর্তন কৰিলে ৰাষ্ট্রীয় লক্ষ্য পূৰণ হ'ব। এই আঁচনিত নির্দিষ্ট সময়সীমাৰ ভিতৰত ৰাষ্ট্রীয় মানৰ আধাৰত নির্ধাৰণ কৰা সামাজিক সেৱা প্রদানৰ কৰাৰ ক্ষেত্রত গুৰুত্ব দিয়া হৈছিল। আঁচনিখনক অধিক সাফল্যমণ্ডিত কৰি তুলিবলৈ ন্যূনতম প্রয়োজনীয়তাৰ বাৰটা বিষয়ৰ সেৱাক নির্ধাৰিত এলেকা অথবা হিতাধিকাৰীৰ মাজত সামগ্রিক ৰূপত প্রৱর্তন কৰা হৈছিল। এই আঁচনিখন প্রকৃততে মানৱ সম্পদ উন্নয়নৰ এক পদক্ষেপ বুলিও ক'ব পৰা যায়। আঁচনিখনৰ প্রৱর্তনৰ দ্বাৰা ৰাজহুৱা সংস্থাসমূহৰ মাধ্যমত বিনামূলীয়া অথবা ৰাজসাহার্যযুক্ত সেৱা আগবঢ়াই দৰিদ্র সীমাৰেখাৰ তলত বসবাস কৰা ৰাইজৰ মাজত সেৱাসমূহৰ গ্রহণযোগ্যতা বৃদ্ধি কৰাত গুৰুত্ব দিয়া হৈছিল। এই পদক্ষেপৰ জড়িয়তে গ্রাম্য আৰু নগৰীয় উভয় ঠাইৰ কর্মীৰ উৎপাদনশীলতাৰ দক্ষতা বৃদ্ধি হোৱাৰ আশা কৰা হৈছিল।

৯.৭.১ ৰাষ্ট্রীয় সাধাৰণ ন্যূনতম আঁচনি (National Common Minimum Programme)

২০০৪ চনৰ মে' মাহত সংযুক্ত প্রগতিশীল মর্চা চৰকাৰে গ্রাম্য এলেকাত জীৱনশৈলীৰ মান উন্নত কৰিবলৈ ৰাষ্ট্রীয় সাধাৰণ ন্যূনতম আঁচনি প্রৱর্তন কৰে। ৰাষ্ট্রীয় সাধাৰণ ন্যূনতম আঁচনিৰ অন্তর্গত তথা গ্রাম্যক্ষেত্রত প্রাসংগিক কেতবোৰ বিশেষ বিষয় হৈছে—

- *গ্রাম্য আন্তঃগাঠনি ঃ* গ্রাম্য আন্তঃগাঠনিৰ জলসিঞ্চন, খোৱাপানী, আবাস, পথ, টেলিফোন সেৱা আৰু বৈদ্যুতিকীকৰণ এই ছটা নির্বাচিত এলেকাৰ লক্ষ্যত উপনীত হ'বলৈ গ্রহণ কৰা ভাৰত নির্মাণ হৈছে এক চাৰি বছৰীয়া কার্যসূচী (২০০৫-০৯)।
- *ইন্দিৰা আৱাস যোজনা ঃ* গ্রাম্য এলেকাত দৰিদ্রতা আৰু আৱাসগৃহৰ এক প্রত্যক্ষ সম্পর্ক আছে। বসবাসৰ বাবে সাধাৰণতে দৰিদ্র লোকৰ আবাসগৃহ হয় নাথাকে অথবা সেয়া বসবাসৰ উপযোগী নহয়। সমাজ উন্নয়ন কার্যসূচীৰ অধীনত গ্রাম্য আৱাসগৃহৰ আঁচনি ১৯৫৭ চনত প্রৱর্তন কৰা হৈছিল। ১৯৮৫ চনৰ জুন মাহত কেন্দ্রীয় বিত্ত মন্ত্রীয়ে এক বৈশিষ্ট্যপূর্ণ সিদ্ধান্তৰে কেন্দ্রৰ আৰ এল ই জি পি পুঁজিৰ এক নির্দিষ্ট অংশ অনুসূচিত জাতি অথবা অনুসূচিত জনজাতিৰ লোক আৰু বন্ধোৱা শ্রমিকৰ (Bonder Labour) আবাসগৃহ নির্মাণৰ বাবে আৱণ্টন কৰা ঘোষণা কৰে। ইন্দিৰা আৱাস যোজনা আঁচনি সেই ঘোষণাৰে ফল। ১৯৮৯ চনৰ এপ্রিল মাহত এই আঁচনি জে আৰ আই আঁচনিৰ অন্তর্গত হয়। এইক্ষেত্রত সমস্যা অনুধাৱন কৰি কেন্দ্র চৰকাৰে 'সকলোৰে বাবে বাসগৃহ' এই লক্ষ্যৰে ১৯৯৮ চনত এক ৰাষ্ট্রীয় আবাস আৰু বসতি আঁচনি (NHHP) ঘোষণা কৰে। দশম পঞ্চবার্ষিক পৰিকল্পনাৰ সমাপ্তিলৈকে চৰকাৰে আশ্রয়হীনতাৰ সকলো সমস্যা সমাধান কৰাৰ লক্ষ্য নির্ধাৰণ কৰিছিল।
- *প্রধানমন্ত্রী গ্রাম চৰক যোজনাঃ* এই আঁচনিৰ প্রধান উদ্দেশ্য আছিল সকলো বতৰত উপযোগী পথ নির্মাণৰ লগতে বছৰৰ প্রতিটো সময়ত ব্যৱহাৰযোগ্য প্রয়োজনীয় কালভার্ট আৰু নলা-নর্দমাৰ নির্মাণ। এই আঁচনিৰ জড়িয়তে এহাজাৰ বা ততোধিক লোকৰ বসতি থকা সকলো অসংযোজিত এলেকাক তিনি বছৰৰ ভিতৰত (২০০০-২০০৩), পাঁচশ বা ততোধিক লোকৰ বসতি থকা সকলো অংসযোজিত এলেকাক দশম পৰিকল্পনাৰ অন্তিম সময়সীমাৰ ভিতৰত (২০০৭) সামৰি লোৱাৰ পৰিকল্পনা গ্রহণ কৰা হৈছিল। আনহাতে সকলো পাহাৰীয়া ৰাজ্য (উত্তৰ-পূৱ, ছিক্কিম, হিমাচল প্রদেশ, জম্মু-কাশ্মীৰ আৰু উত্তৰাখণ্ড), মৰুভূমি এলেকাৰ লগতে পঞ্চম অনুসূচীৰ অন্তর্গত এলেকাসমূহত ২৫০ জন বা ততোধিক লোকৰ বসতি থকা এলেকাক পথ যোগাযোগেৰে সংযোজিত কৰাৰ লক্ষ্য নির্ধাৰণ কৰা হৈছিল।

গ্রাম্য পথ যোগাযোগ ব্যৱস্থাৰ পৰিসৰ গ্রাম্য উন্নয়নৰ গুৰুত্বপূর্ণ দিশৰূপে কেৱল সামাজিক-আর্থিক সেৱাসমূহ উপলব্ধ কৰোৱাই কৃষি কার্যৰ আয় বৃদ্ধি আৰু দেশত উৎপাদনক্ষম নিয়োগ সুবিধা সৃষ্টিতে সীমাৱদ্ধ নহয়, একেসময়তে এই ব্যৱস্থা হৈছে দৰিদ্রতা নির্মূলকৰণৰ এক গুৰুত্বপূর্ণ পদক্ষেপ।

এনেধৰণে চৰকাৰে দৰিদ্রতা দূৰীকৰণগ লগতে এখন 'সমতাপূর্ণ সমাজ' গঢ়িবৰ বাবে বহু আঁচনি প্রৱর্তন কৰি আহিছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১১ঃ ন্যূনতম প্রয়োজনীয়তাৰ আঁচনি বুলি ক'লে আপুনিকি বুজে?

প্রশ্ন নং ১২ঃ কি কি দিশক এই আঁচনিয়ে সামৰি লৈছে?

প্রশ্ন নং ১৩ঃ খালী ঠাই পূৰণ কৰক—

ক) ..... ক .....অংশৰূপে প্ৰৱৰ্তন কৰা হৈছিল।

খ) ৰাষ্ট্ৰীয় সাধাৰণ ন্যূনতম আঁচনিক গ্ৰহণ কৰা হৈছিল ..... ৰ বাবে।

গ) ..... ক ..... ৰ এক গুৰুত্বপূৰ্ণ বিষয়ৰূপে প্ৰৱৰ্তন কৰা হৈছিল ..... পৰিকল্পনাত।

৯.৮ গ্রাম্য সমাজত মহিলা আৰু শিশুৰ উন্নয়ন (DEVELOPMENT OF WOMEN AND CHILDREN IN RURAL AREAS)

ভাৰতত মহিলা আৰু শিশুৰ উন্নয়নৰ ধাৰণা নতুন নহয়। দেশৰ সামগ্ৰিক উন্নয়নৰ বাবে মহিলা আৰু শিশুৰ উন্নয়নৰ দিশক পঞ্চবাৰ্ষিক পৰিকল্পনাসমূহ, চৰকাৰী আঁচনিসমূহৰ লগতে ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি আৰু ৰাষ্ট্ৰীয় জনসংখ্যা নীতিত অগ্ৰাধিকাৰ প্ৰদান কৰা হয়। সমাজৰ সৰ্বাংগীন উন্নতিৰ বাবে মহিলা আৰু শিশুৰ স্বাস্থ্যৰ উন্নতিক যথেষ্ট প্ৰাধান্য দিয়া হয়। ১৯৪৩ চনত গঠন কৰা প্ৰথম স্বাস্থ্য জৰীপ আৰু উন্নয়ন কমিটিয়ে পৰামৰ্শ আগবঢ়াইছিল যে স্বাস্থ্য উন্নয়নৰ যিকোনো আঁচনিত মহিলা আৰু শিশুৰ ৰোগ নিৰ্মূলকৰণ আৰু মৃত্যুহাৰ হ্ৰাস কৰাক অন্যতম গুৰুত্বপূৰ্ণ বিষয়ৰূপে গ্ৰহণ কৰিব লাগে। ১৯৬১ চনত গঠন কৰা স্বাস্থ্য জৰীপ আৰু পৰিকল্পনা কমিটিয়েও একে মতকে পোষণ কৰে। মহিলা আৰু শিশুৰ উন্নয়নৰ বাবে বিশেষকৈ গ্ৰাম এলেকাত চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহৰ ভূমিকা আলোচনা কৰো আহক-

সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ অংশৰূপে গ্ৰাম্য সমাজত মহিলা আৰু শিশুৰ উন্নয়নৰ (DWCRA) আঁচনিক গ্ৰহণ কৰা হৈছিল ১৯৮২ চনত। ইয়াৰ লক্ষ্য আছিল গ্ৰামাঞ্চলৰ দৰিদ্ৰ সীমাৰেখাৰ তলৰ মহিলাসকলে আত্ম নিয়োজনৰ মাধ্যমেৰে উপাৰ্জনমুখী বৃত্তি গ্ৰহণ কৰিব পৰাকৈ তেওঁলোকৰ সৱলীকৰণ কৰা। লগতে তেওঁলোকৰ মাজত আত্ম নিয়োজনৰ মাধ্যমত বহনক্ষম উপাৰ্জনমুখী কাৰ্যব্যৱস্থাৰ সৃষ্টি কৰা। গ্ৰামাঞ্চলৰ মহিলাৰ জীৱনশৈলী উন্নত কৰিবৰ বাবে গ্ৰহণ কৰা এনেধৰণৰ এইখনেই প্ৰথম আঁচনি। সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ অন্য দিশতকৈ ব্যতিক্ৰম এই আঁচনিত উপাৰ্জন বৃদ্ধি কৰাৰ লগতে স্বাস্থ্য, শিক্ষা, বিশুদ্ধ খোৱাপানী, অনাময়, পৰিপুষ্টি আৰু বহুকেইটা দিশত গুৰুত্ব দিয়া হৈছিল। গতিকে কেৱল আৰ্থিক উন্নয়নৰ লক্ষ্যই নহয় এই আঁচনিৰ জড়িয়তে সামাজিক উন্নয়নো সাধন কৰিব বিচৰা হৈছিল। এই আঁচনিৰ আন এক বৈশিষ্ট হ'ল ইয়াৰ দ্বাৰা সামূহিক কাম কাজত গুৰুত্ব প্ৰদান কৰা হৈছিল। ধাৰণা কৰা হৈছিল যে অনাগত সময়ত সজাগতা আৰু আত্ম নিৰ্ভৰশীলতাৰ মাধ্যমত গঢ়ি উঠা এক জাগৰণৰ ওপৰতহে আনি মহিলা সৱলীকৰণ নিৰ্ভৰ কৰিব।

এই আঁচনিৰ কিছু গুৰুত্বপূৰ্ণ দিশ হ'ল-

- গ্ৰাম্য সমাজত মহিলা আৰু শিশু উন্নয়ন আঁচনিৰ লক্ষ্য আছিল গ্ৰামাঞ্চলৰ দৰিদ্ৰ মহিলাসকলৰ আৰ্থ-সামাজিক স্থান উন্নীত কৰিবলৈ আত্মনিৰ্ভৰশীলতাৰ ওপৰত ভিত্তি কৰি উপাৰ্জনমুখী বৃত্তি গ্ৰহণ কৰিব পৰাকৈ মহিলাৰ গোট গঠন কৰা।

- এই আঁচনিৰ জড়িয়তে দৰিদ্ৰ মহিলাসকলক নিয়োগৰ সুবিধা, কৌশলৰ উন্নতি, প্ৰশিক্ষণৰ বাবে ঋণ আৰু অন্যান্য সহযোগিতাৰ সেৱা আগবঢ়াই আঁচনিৰ অধীনস্থ মহিলাসকলে যাতে গোট হিচাপে উপাৰ্জনমুখী বৃত্তি গ্ৰহণ কৰি উপাৰ্জন বৃদ্ধি কৰিব পাৰে তাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল।
- ব্যক্তিগত প্ৰচেষ্টাতকৈ সমূহীয়া কাৰ্যপন্থা অধিক ফলপ্ৰসূ হোৱাৰ বাবে সামূহিক কাৰ্যকলাপক উৎসাহ যোগোৱা। গ্ৰামাঞ্চলৰ মহিলাসকলৰ মাজত মোনাফা আৰু ঋণ ব্যৱস্থাক উৎসাহ যোগাই তেওঁলোকক আত্ম নিৰ্ভৰশীল কৰি তুলিব বিচৰা হৈছিল।
- ইয়াৰ দ্বাৰা গ্ৰামাঞ্চলৰ মহিলাসকলৰ মাজত স্বাস্থ্য, শিক্ষা, বিশুদ্ধ খোৱাপানী, অনাময়, পৰিয়াল কল্যাণ, স্বাস্থ্যৰ যতন, শিশুৰ যতন আদি সেৱা উপলব্ধ কৰোৱাই মহিলা আৰু শিশুৰ জীৱনধাৰণৰ সকলো দিশক উন্নত কৰি তুলিব বিচৰা হৈছিল।

উন্নয়নৰ ক্ষেত্ৰত মহিলাক অতি গুৰুত্বপূৰ্ণ বিবেচনা কৰি অৰ্থনৈতিক সৱলীকৰণক বিশেষ গুৰুত্ব দি গ্ৰহণ কৰা গ্ৰাম্য মহিলা আৰু শিশু উন্নয়ন আঁচনিয়ে এই সকলোবোৰ দিশত সেৱা আগবঢ়ায়। কেৱল গ্ৰামাঞ্চলৰ দৰিদ্ৰ মহিলাসকলৰ উপাৰ্জন বৃদ্ধি কৰাই নহয় ইয়াৰ দ্বাৰা শৃংখলাৱদ্ধ সংগঠিত সামূহিক গোটৰূপে মহিলাসকলৰ আত্ম নিৰ্ভৰশীলতা বৃদ্ধি কৰিবলৈ ঋণ, কৌশল উন্নীতকৰণ আৰু আন্তঃগাঠনিৰ সহযোগিতাও প্ৰদান কৰা হৈছিল। সংহত গ্ৰামৰ উন্নয়ন আঁচনিৰ সুফল যাতে প্ৰত্যক্ষভাৱে মহিলাসকলে লাভ কৰিব পাৰে তাৰবাবে গ্ৰাম্য মহিলা আৰু শিশু উন্নয়ন আঁচনি (DWCRA) প্ৰৱৰ্তন কৰা হৈছিল। ১৯৯৯ চনৰ এপ্ৰিল মাহৰ পৰা এই আঁচনিক স্বৰ্ণজ্যোতি গ্ৰাম স্বৰোজগাৰ যোজনাৰূপে (SGSY) সংহত গ্ৰাম্য উন্নয়ন আঁচনি (IRDP), আত্ম নিৰ্ভৰশীলতাৰ বাবে গ্ৰামাঞ্চলৰ যুৱক-যুৱতীৰ বিশেষ প্ৰশিক্ষণ (TRYSEM) আদি আঁচনিৰ সৈতে প্ৰৱৰ্তন কৰা হয়।

৯.৮.১ অঞ্চলভিত্তিক সংপৃক্তকৰণ সেৱা (Community Based Convergent Services)

সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ অধীনত ১৯৯১ চনত অঞ্চলভিত্তিক সংপৃক্তকৰণ সেৱা আৰম্ভ কৰা হৈছিল। ইয়াৰ উদ্দেশ্য আছিল গ্ৰাম সম্প্ৰদায়সমূহৰ মাজত সজাগতাৰ সৃষ্টি কৰি ৰাষ্ট্ৰই তেওঁলোকক প্ৰদান কৰা সামাজিক সেৱাসমূহ দাবী কৰিব পৰাকৈ সক্ষম কৰি তোলা আৰু লগতে সৰ্বাংগীন উন্নয়নৰ বাবে এই সেৱাসমূহৰ প্ৰৱৰ্তন আৰু পৰিচালনাৰ ক্ষেত্ৰত দায়িত্ব গ্ৰহণতো সক্ষম কৰি তোলা। পৰম্পৰাগত পদ্ধতি যেনে দৃশ্যাৱলী, নাটক, লোক সংস্কৃতি, পুতলা নাচ আদিৰ সহায়ত সম্প্ৰদায়সমূহৰ মাজত সজাগতাৰ সৃষ্টি কৰিব বিচৰা হয়। এই আঁচনিৰ জড়িয়তে গ্ৰামাঞ্চলৰ দৰিদ্ৰ মহিলাৰ সংগঠনক শক্তিশালী কৰি তোলাৰ লগতে মহিলাৰ অৰ্থনৈতিক সামাজিক মান উন্নত কৰি তোলাৰ লক্ষ্য গ্ৰহণ কৰা হৈছিল। শতকৰা এশ শতাংশ চৰকাৰী অনুদান অৰ্থাৎ প্ৰতিখন জিলাত ৫ লাখ টকাৰে ৰাজীৱ গান্ধী ৰাষ্ট্ৰীয় খোৱাপানী অভিযান, ৰাষ্ট্ৰীয় সাক্ষৰতা অভিযান, ICDS আঁচনি আদিক তৃণমূল পৰ্যায়ত ২৯৮খন জিলাৰ অঞ্চলভিত্তিক সংপৃক্তকৰণ সেৱাত সংপৃক্ত কৰিব বিচৰা হৈছিল।

৯.৮.২ শিশুৰ যতন কাৰ্যসূচী (Child Care Activities)

১৯৯৫-৯৬ চনত গ্ৰাম্য মহিলা আৰু শিশু উন্নয়ন আঁচনিৰ (DWCRA) অন্তৰ্গত কৰা শিশুৰ যতন কাৰ্যসূচীৰ প্ৰধান উদ্দেশ্যসমূহ আছিল-

- গ্রাম্য মহিলা আৰু শিশু উন্নয়ন আঁচনিত (DWCRA) কর্মৰত মহিলাৰ শিশুৰ বাবে শিশু গৃহৰ (creche) ব্যৱস্থা কৰা।
- গ্রাম্য মহিলা আৰু শিশু উন্নয়ন আঁচনিৰ (DWCRA) নিৰক্ষৰ সদস্য আৰু শিক্ষা জীৱন আধৰুৱাকৈ বিদ্যালয় ত্যাগ কৰা কন্যা শিশুক গুৰুত্ব দি আঁচনিৰ অধীনত সাক্ষৰতা কেন্দ্ৰ স্থাপন কৰা ।
- কন্যা শিশুৰ সৈতে সংঘটিত শৈশৱৰ লিংগভিত্তিক বৈষম্য হ্ৰাস কৰাত বিশেষ গুৰুত্ব প্ৰদান কৰি গ্রাম্য মহিলা আৰু শিশু উন্নয়ন আঁচনিৰ (DWCRA) অধীনস্থ শিশুসকলৰ বিশেষকৈ কন্যা শিশুসকলৰ মাজত প্ৰতিষেধক প্ৰদান, পৰিপুষ্টি আদি ব্যৱস্থাৰ আঁসোৱাহ দূৰ কৰা।
- গ্রাম্য মহিলা আৰু শিশু উন্নয়ন আঁচনিৰ সদস্যসকলৰ শাৰীৰিকভাৱে বাধাগ্রস্ত সন্তানৰ বাবে বিশেষ ব্যৱস্থা গ্রহণ কৰা। কন্যা শিশুৰ সৈতে শাৰীৰিক নিৰ্যাতনৰ ঘটনা সংঘটিত হ'লে তাৎক্ষণিকভাৱে আইনী ব্যৱস্থা গ্রহণ কৰাৰ লগতে উপযুক্ত ক্ষতিপূৰণ প্ৰদান কৰা।
- শিশুৰ যতন কাৰ্যসূচীয়ে ছবছৰ অথবা তাতোকৈ কম বয়সৰ শিশুক সামৰি লৈছে। প্ৰতিটো জিলা গ্রাম্য উন্নয়ন সংস্থাই (DRDA) শিশুৰ যতন কাৰ্যসূচী প্ৰৱৰ্তনৰ বাবে মুঠ ডেৰ লাখ টকা (কেন্দ্ৰীয় পূঁজিৰ পৰা একলাখ আৰু ৰাজ্যপূঁজিৰ পৰা পঞ্চাশ হাজাৰ টকা) লাভ কৰিব।

৯.৮.৩ ৰাষ্ট্ৰীয় গ্রামীণ স্বাস্থ্য অভিযান, ২০০৫-২০১২ (National Rural Health Mission)

অৰ্থনৈতিক আৰু সামাজিক উন্নয়ন প্ৰক্ৰিয়াৰ লগতে জীৱনশৈলীৰ মান উন্নত কৰাৰ ক্ষেত্ৰত প্ৰধানকৈ গ্রাম্য এলেকাত স্বাস্থ্যৰ গুৰুত্ব উপলব্ধি কৰি ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় গ্রামীণ স্বাস্থ্য অভিযান প্ৰৱৰ্তন কৰাৰ সিদ্ধান্ত গ্রহণ কৰে। এই আঁচনিৰ উদ্দেশ্য আছিল স্বাস্থ্য সেৱা প্ৰদানৰ ক্ষেত্ৰত উপযুক্ত কাৰ্যকৰী পদক্ষেপ গ্রহণ কৰা। নিৰ্ধাৰিত সাতবছৰৰ সময়সীমাৰ (২০০৫-২০১২) ভিতৰত গ্রাম্য এলেকাত দ্রুত স্বাস্থ্য সেৱা প্ৰদান কৰাৰ লগতে ব্যক্তিসকলৰ স্বাস্থ্যৰ অৱস্থা উন্নত কৰিবৰ বাবে এই আঁচনি প্ৰৱৰ্তন কৰা হৈছিল।

এই অভিযানে এক সামগ্রিক দৃষ্টিভংগীৰে স্বাস্থ্যৰ সৈতে উন্নত স্বাস্থ্যসেৱাৰ বিভিন্ন কাৰক যেনে পৰিপুষ্টি, অনাময়, পৰিচ্ছন্নতা আৰু বিশুদ্ধ খোৱাপানী আদিৰ সম্পৰ্ক স্থাপন কৰিছিল। ইয়াৰ লগতে স্বাস্থ্যৰ যতনৰ বাবে ভাৰতীয় ঔষধ ব্যৱস্থাক মূল সুঁতিলৈ অনাৰ লক্ষ্য গ্রহণ কৰিছিল। এই আঁচনিৰ কৰ্মপৰিকল্পনাৰ অন্তৰ্গত বিষয়সমূহ হৈছে, স্বাস্থ্যক্ষেত্ৰত ৰাজহুৱা ব্যয় বৃদ্ধি কৰা, স্বাস্থ্যৰ আন্তঃগাঠনিৰ ক্ষেত্ৰত আঞ্চলিক বৈষম্য দূৰ কৰা, সাহার্য বৃদ্ধি কৰা, সাংগঠনিক সংৰচনাৰ সংহতিকৰণ, স্বাস্থ্যসেৱাৰ কৰ্মীৰ সংখ্যা বৃদ্ধি, স্বাস্থ্য কাৰ্যসূচীৰ বিকেন্দ্রিকৰণ আৰু জিলাভিত্তিত ইয়াক গ্রহণ কৰা, সম্প্রদায়সমূহৰ অংশগ্রহণ, জিলা স্বাস্থ্যসেৱালৈ পৰিচালনা আৰু বিত্তীয় সদস্য প্ৰেৰণ আৰু দেশৰ প্ৰতিটো ব্লকত ভাৰতীয় ৰাজহুৱা স্বাস্থ্য মান অনুসৰি সম্প্রদায়ভিত্তিক স্বাস্থ্যকেন্দ্রক পূৰ্ণাংগ চিকিৎসালয়লৈ উন্নীত কৰা। ৰাষ্ট্ৰীয় গ্রামীণ স্বাস্থ্য অভিযানত সৰ্বাধিক গুৰুত্ব দিয়া ওঠৰখন ৰাজ্য হৈছেঃ বিহাৰ, মধ্যপ্রদেশ, ৰাজস্থান, উত্তৰ প্রদেশ, ঝাৰখণ্ড, ছত্তিশগঢ়, উত্তৰাখণ্ড, উৰিষ্যা, হিমাচল প্রদেশ, ৰাজস্থান, জম্মু আৰু কাশ্মীৰ, মণিপুৰ, মেঘালয়, নাগালেণ্ড, অসম, অৰুণাচল প্রদেশ, ছিক্কিম আৰু মিজোৰাম।

- **প্রধান লক্ষ্যঃ**
  - ৰাষ্ট্ৰীয় গ্রামীণ স্বাস্থ্য অভিযানৰ মূল লক্ষ্য হৈছে বিশেষকৈ গ্রামাঞ্চলত বসবাস কৰা লোক, দৰিদ্র, মহিলা আৰু শিশুক প্রাধান্য দি জনসাধাৰণৰ বাবে মানবিশিষ্ট স্বাস্থ্যসেৱা উপলব্ধ কৰোৱা। নৱজাতকৰ মৃত্যুহাৰ আৰু প্রসৱকালীন মৃত্যুহাৰ হ্ৰাস কৰাও এই আঁচনিৰ অন্যতম লক্ষ্য।

- মহিলাৰ স্বাস্থ্য, শিশুৰ স্বাস্থ্য, পানী, পৰিষ্কাৰ-পৰিচ্ছন্নতা, প্ৰতিষেধক আৰু পৰিপুষ্টি আদি স্বাস্থ্যক্ষেত্ৰৰ বিভিন্ন সেৱাক সাৰ্বজনীন ৰূপত উপলব্ধ কৰোৱা।
- সংক্ৰামক আৰু অসংক্ৰামক দুয়োধৰণৰ ৰোগৰ লগতে স্থানীয়ভাৱে সোঁচৰা ৰোগ নিয়ন্ত্ৰণ আৰু নিৰ্মূল কৰা।
- সংহত প্ৰাথমিক স্বাস্থ্যসেৱাৰ ব্যাপকহাৰত প্ৰসাৰ ঘটোৱা।
- জনসংখ্যা নিয়ন্ত্ৰণ, লিংগ আৰু জনসংখ্যাৰ ভাৰসাম্য ৰক্ষা কৰা।
- গ্ৰাম্য জনসাধাৰণক স্বাস্থ্যসন্মত জীৱনশৈলীৰ প্ৰতি উৎসাহী কৰি তোলা।
- ৰাষ্ট্ৰীয়, ৰাজ্যিক, ব্লক আৰু জিলা পৰ্যায়ত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আঁচনিসমূহৰ সংহতিকৰণ।
- প্ৰতিখন গাঁও অথবা বৃহৎ বসতিস্থানত সমূহীয়া আৰু ৰাজহুৱা স্বাস্থ্যক্ষেত্ৰৰ মাজত সংযোগকাৰীৰূপে পঞ্চায়তৰ দ্বাৰা নিযুক্তিপ্ৰাপ্ত আৰু পঞ্চায়তৰ ওচৰত দায়বদ্ধ এগৰাকী মহিলা সামাজিক স্বীকৃত স্বাস্থ্যকৰ্মী (ASHA) থাকিব। এই 'আশা' কৰ্মীগৰাকীয়ে স্বেচ্ছাসেৱীৰূপে স্বাস্থ্যক্ষেত্ৰত দায়িত্ব পালন কৰে। সাৰ্বজনীন প্ৰতিষেধক ব্যৱস্থা, প্ৰজনন আৰু শিশুস্বাস্থ্য ক্ষেত্ৰত পৰামৰ্শকাৰী তথা সহকাৰী সেৱা, ঘৰে ঘৰে শৌচাগাৰ নিৰ্মাণ আৰু অন্যান্য স্বাস্থ্যসেৱাৰ কাৰ্যসূচীৰ প্ৰসাৰৰ ক্ষেত্ৰত নিজৰ প্ৰদৰ্শনৰ ভিত্তিত অনুদান লাভ কৰে। পঞ্চায়তৰ গ্ৰাম্য স্বাস্থ্য কমিটিৰ নেতৃত্বত 'আশা' কৰ্মীগৰাকীয়ে অংগনবাদী কৰ্মী, এ এন এম আৰু অন্য বিভাগৰ কাৰ্যকৰ্তা, আত্মসহায়ক গোটৰ সদস্যৰ সহযোগিতাত গ্ৰাম্য স্বাস্থ্য আঁচনিৰ প্ৰস্তুতকৰণ আৰু প্ৰৱৰ্তনৰ ব্যৱস্থা গ্ৰহণ কৰে।
- সাধাৰণ ৰোগসমূহৰ বাবে ঔষধৰ টোপোলাসহ গাঁও পৰ্যায়ত প্ৰশিক্ষণপ্ৰাপ্ত অঞ্চলভিত্তিক কৰ্মীৰ উপস্থিতি। ৰাজহুৱা স্বাস্থকেন্দ্ৰ আৰু সমূহীয়া স্বাস্থ্যকেন্দ্ৰত চিকিৎসকৰ উপস্থিতিৰ নিশ্চয়তা, ঔষধ মজুতকৰণ সহ উন্নত চিকিৎসালয় সেৱা উপলব্ধ কৰা। উন্নত চিকিৎসাসেৱাৰ বাবে অন্য চিকিৎসাকেন্দ্ৰলৈ স্থানান্তৰৰ সুব্যৱস্থা আৰু দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকৰ বাবে 'জননী সু�ৰক্ষা যোজনা'ৰ অধীনত উন্নত চিকিৎসাৰ বাবে সাহায্য প্ৰদান কৰা।
- অংগনবাদী পৰ্যায়ত এটা নিৰ্দিষ্ট দিনত স্বাস্থ্যদিৱস উদযাপন কৰা। এই দিৱসত প্ৰতিষেধক, জন্মৰ পূৰ্বৰ আৰু পৰৱৰ্তী সময়ৰ স্বাস্থ্যপৰীক্ষাৰ লগতে মাতৃ তথা শিশুৰ পৰিপুষ্টি সম্পৰ্কীয় আৰু অন্যান্য স্বাস্থ্যসেৱা প্ৰদান কৰা।

পৰিকল্পিত উন্নয়নৰ ষাঠী বছৰৰ পিছতো স্বাস্থ্যসেৱা ক্ষেত্ৰত ভাৰত এতিয়াও বহু পিছ পৰি আছে। বিশ্বৰ শতকৰা ষোল্ল শতাংশ লোকৰ জনসংখ্যাৰ দেশ ভাৰতত প্ৰসূতি আৰু নৱজাতকৰ মৃত্যুৰ হাৰ বিশ্বৰ শতকৰা ত্ৰিশ শতাংশ। ভাৰতত প্ৰসূতিৰ মৃত্যুৰ হাৰ যথেষ্ট অধিক। উন্নত দেশসমূহত জন্মৰ সময়ত প্ৰতিজন ব্যক্তিৰ সম্ভাৱিত গড় আয়ুস ৭৯ বছৰ ইয়াৰ বিপৰীতে ভাৰতত জন্মৰ সময়ত এজন ব্যক্তিৰ সম্ভাৱিত গড় আয়ুস মাত্ৰ ৬৪ বছৰ। ভাৰতত অৰ্ধেকসংখ্যকতকৈও অধিক মহিলা ৰক্তহীনতাৰ সমস্যাত ভোগে যাৰ বাবে তেওঁলোক উচ্চহাৰত ৰোগত আক্ৰান্ত হয়। ভাৰতত তিনি বছৰৰ অধীন শিশুসকলৰ প্ৰায় অৰ্ধেকসংখ্যকেই ভিন্ন পৰ্যায়ৰ অপুষ্টিত আক্ৰান্ত হয়। এই অৱস্থা উপ-চাহাৰীয় দেশসমূহতকৈও নিকৃষ্ট। অৰ্থাৎ বুজা যায় যে প্ৰায় অৰ্ধেকসংখ্যক ভাৰতীয় শিশু বৃদ্ধিহীনতা, মানসিক প্ৰতিবন্ধকতা আৰু সংক্ৰামক ৰোগ আদি স্বাস্থ্যজনিত সমস্যাত আক্ৰান্ত হোৱাৰ আশংকা থাকে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৪ঃ চমুকৈ উত্তৰ দিয়ক।

ক) কোন চনত গ্রাম্য সমাজত মহিলা আৰু শিশুৰ উন্নয়ন (DWCRA) আঁচনি প্রৱর্তন কৰা হৈছিল?

খ) গ্রাম্য সমাজত মহিলা আৰু শিশুৰ উন্নয়ন (DWCRA) আঁচনিৰ প্রধান লক্ষ্য কি আছিল?

গ) ৰাষ্ট্রীয় গ্রামীণ স্বাস্থ্য অভিযান প্রৱর্তন কৰাৰ উদ্দেশ্য কি?

প্রশ্ন নং ১৫ঃ গ্রাম্য সমাজত মহিলা আৰু শিশুৰ উন্নয়ন (DWCRA) আঁচনিৰ প্রধান বিষয়সমূহ কি কি আছিল?

প্রশ্ন নং ১৬ঃ ৰাষ্ট্রীয় গ্রামীণ স্বাস্থ্য অভিযানে সামৰি লোৱা ৰাজ্যকেইখনৰ নাম তালিকাভুক্ত কৰক।

প্রশ্ন নং ১৭ঃ অর্থ বহলাই লিখক —

ক) NRHM খ) NHS

গ) CBCS ঘ) JSY

ঙ) DWRCA চ) PPP

ছ) ASHA

৯.৯ গ্রাম্য উন্নয়নত স্বেচ্ছাসেৱী সংগঠন আৰু ৰাইজৰ অংশগ্রহণ (VOLUNTARY ORGANISATIONS AND PEOPLE'S PARTICIPATION IN RURAL DEVELOPMENT)

এখন সমাজৰ সামগ্রিকভাৱে অর্থনৈতিক, সামাজিক, ৰাজনৈতিক আৰু প্রশাসনীয় সকলো দিশ সামৰি ঊর্ধগামী উন্নয়নক সূচোৱা গ্রাম্য উন্নয়ন হৈছে এক গতিশীল প্রক্রিয়া। ইয়াৰ মূল লক্ষ্য হৈছে উন্নয়নৰ সুফলৰ গ্রাম্য সমাজৰ অতি দৰিদ্র পৰিয়ালসমূহৰ মাজলৈ প্রসাৰ ঘটোৱা। উল্লেখযোগ্য যে কোনো এখন গ্রাম্য উন্নয়ন আঁচনিৰ সফলতা-বিফলতা আনকি এই আঁচনি বর্তি থকা-নথকা নির্ভৰ কৰে ইয়াৰ পৰিচালনাৰ ওপৰত। এনেধৰণৰ আঁচনিক উপযুক্তভাৱে পৰিচালনা নকৰিলে উন্নয়নৰ পথ ৰুদ্ধ হৈ পৰিব। তাৎপর্যপূর্ণ যে এইক্ষেত্রত ৰাইজৰ অংশগ্রহণ আৰু উপযুক্ত সজাগতাইহে তৃণমূল পর্যায়ত উন্নয়ন সাধন কৰিব পাৰে।

৯.৯.১ গ্রাম্য এলেকাত স্বেচ্ছাসেৱী সংগঠন (Voluntary Organisation in Rural Areas)

স্বেচ্ছাসেৱী সংগঠন অথবা বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনসমূহে গ্রাম্য উন্নয়নত অতি গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। এই সংগঠনসমূহে গ্রাম্য জনসাধাৰণক উন্নয়নমূলক আঁচনিৰ পৰিকল্পনা অথবা প্রৱর্তনৰ ক্ষেত্রত উৎসাহ যোগাব পাৰে। গাঁৱৰ অধিকসংখ্যক লোক অশিক্ষিত হোৱাৰ বাবে তেওঁলোকে গাঁও পর্যায়ত প্রৱর্তন কৰা বিভিন্ন চৰকাৰী আঁচনিৰ সুফল উপলব্ধি কৰিব নোৱাৰে। এইক্ষেত্রত স্বেচ্ছাসেৱী অথবা বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনসমূহে তেওঁলোকক সজাগতামূলক শিবিৰ আৰু উপযুক্ত প্রশিক্ষণ ব্যৱস্থাৰে চৰকাৰী আঁচনিত অংশ ল'বলৈ অনুপ্রাণিত কৰি তুলিব পাৰে।

বর্তমান দেশত গ্রাম্য উন্নয়ন প্রকল্প সফলভাৱে প্রৱর্তন আৰু পৰিচালনা কৰিব পৰাকৈ প্রয়োজনীয় আন্তঃগাঠনি সম্পন্ন যথেষ্টসংখ্যক স্বেচ্ছাসেৱী সংগঠন আছে। ৰাষ্ট্রীয় স্তৰত গ্রাম্য উন্নয়নৰ বাবে স্বেচ্ছাসেৱী

সংগঠনৰ প্ৰসাৰ ঘটাবলৈ দায়িত্বত থকা মূল সংস্থাটোৰ নাম হৈছে 'ৰাইজৰ কৰ্ম আৰু গ্ৰাম্য উন্নয়ন প্ৰযুক্তিৰ অগ্ৰগতি পৰিষদ' (CAPART, The Council for Advancement of People's Action And Rural Development Technology)। চছাইটিৰ সামাজিক পঞ্জীকৰণ আইনৰ (Societies Registration Act) অধীনত ১৯৮৬ চনৰ এক ছেপ্টেম্বৰত এই আঁচনিৰ পঞ্জীকৰণ কৰা হৈছিল। ইয়াৰ মুখ্য কাৰ্যালয় অৱস্থিত নতুন দিল্লীত। গ্ৰাম্য উন্নয়নৰ বাবে স্বেচ্ছাসেৱী কাৰ্যক উৎসাহ, প্ৰসাৰতা প্ৰদান আৰু সহযোগিতা আগবঢ়োৱাই পৰিষদৰ মূল লক্ষ্য।

উন্নয়নৰ বাবে বৰ্তমান অধিক উদ্যমেৰে বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনসমূহ আগবাঢি অহা দেখা যায়। পূঁজি যোগান ধৰা সংস্থাসমূহৰ সহযোগিতাৰ বাবে ডাঙৰ-সৰু সকলোধৰণৰ বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনে কাম কৰি যোৱাৰ অনুপ্ৰেৰণা লাভ কৰিছে। ইয়াৰ দ্বাৰা পূঁজি যোগান ধৰা সংস্থাসমূহেও পূৰ্বৰ তুলনাত অধিক সক্ৰিয় ভূমিকা গ্ৰহণ কৰাটো প্ৰয়োজনীয় হৈ পৰিছে। এনেধৰণৰ গৰিষ্ঠসংখ্যক সংস্থাই এতিয়া 'সম্পদৰ কেন্দ্ৰ'ৰ ভূমিকা গ্ৰহণ কৰি আঁচনিসমূহ পৰিকল্পনা আৰু প্ৰৱৰ্তনৰ লগতে বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনৰ সক্ৰিয়তা বৃদ্ধিত অৰিহণা যোগায়। উচ্চ স্তৰত উন্নয়ন অনাৰ ক্ষেত্ৰত বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনৰ যোগ্যতাই ইতিমধ্যে স্বীকৃতি লাভ কৰিছে।

৯.৯.২ গ্ৰাম্য উন্নয়নত ৰাইজৰ অংশগ্ৰহণ (People's Participation in Rural Development)

গ্ৰাম্য উন্নয়নৰ যিকোনো ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটোৱে হৈছে 'ৰাইজ', যাৰ বাবে আঁচনিসমূহ প্ৰৱৰ্তন কৰা হয়। সেইবাবে গ্ৰাম্য জনসাধাৰণৰ সক্ৰিয় আৰু সৰ্বব্যাপী অংশগ্ৰহণ অবিহনে ৰাষ্ট্ৰীয় পৰিসৰত যিকোনো গ্ৰাম্য উন্নয়ন আঁচনিক প্ৰৱৰ্তন কৰাটো সম্ভৱ নহয়। গ্ৰাম্য উন্নয়নৰ আঁচনিক এনেধৰণে প্ৰণয়ন কৰিব লাগে যাতে এই পদক্ষেপে অধিকসংখ্যক লোকক আঁচনিত অংশগ্ৰহণৰ বাবে উৎসাহ যোগোৱাৰ লগতে আঁচনিৰ সফল প্ৰৱৰ্তনত তেওঁলোকক জড়িত কৰি তোলে।

গ্ৰাম্য উন্নয়ন আঁচনিত অংশগ্ৰহণৰ বাবে ৰাইজক উৎসাহী আৰু নিৰুৎসাহী কৰি তুলিব পৰা কেইবাটাও কাৰক আছে। সেইবাবে আঁচনি প্ৰস্তুতৰ দায়িত্বত থকা সকলে জনসাধাৰণে পৰিকল্পনাত অংশগ্ৰহণ কৰিবৰ বাবে আগ্ৰহী কাৰকসমূহ উলিয়াই বিশেষ কিছুমান কৌশল উদ্ভাৱন কৰিব লাগে। বিগত সময়ত পৰিকল্পনা প্ৰস্তুতকৰণ আৰু প্ৰৱৰ্তনত ৰাইজক অংশগ্ৰহণ কৰোৱাৰ বাবে ভাৰতে গ্ৰহণ কৰা প্ৰচেষ্টাক পৰ্যালোচনা কৰিলে দেখা পোৱা যায় যে পৰিকল্পনাৰ বিকেন্দ্ৰীকৰণ আৰু প্ৰশাসনীয় পদক্ষেপৰ ক্ষেত্ৰত জনসম্পৰ্কৰক্ষী সংস্থাসমূহে আশা কৰা মতে ফলাফল প্ৰদৰ্শন কৰিব পৰা নাই। ১৯৯২ চনত সংবিধানৰ ৭৩ সংখ্যক সংশোধনীৰ পিছত গ্ৰাম্য উন্নয়ন কাৰ্যসূচীৰ পৰিকল্পনা আৰু প্ৰৱৰ্তনৰ ক্ষেত্ৰত ৰাইজৰ অংশগ্ৰহণ পূৰ্বতকৈ বৃদ্ধি হোৱাৰ আশা কৰা হৈছিল। কিন্তু বৰ্তমান সময়লৈকে দেখা যায় যে এই দৃশ্যপটৰ চকুত লগাকৈ পৰিৱৰ্তন হোৱা নাই। এতিয়া উন্নয়নৰ আঁচনিসমূহত বহুসংখ্যক লোক অংশগ্ৰহণৰ পৰা বিৰত আছে, ইয়াৰ কাৰণ এনেদৰে তুলি ধৰিব পাৰি-

- গ্ৰাম্য এলেকাত বসবাস কৰা লোকসকল সাধাৰণতে অশিক্ষিত অথবা অৰ্ধশিক্ষিত হয় বাবে তেওঁলোকে নিজৰ অংশগ্ৰহণৰ গুৰুত্ব উপলব্ধি নকৰে।
- প্ৰেৰণাৰ অভাৱো তেওঁলোকৰ সক্ৰিয় অংশগ্ৰহণৰ ক্ষেত্ৰত প্ৰতিবন্ধক হৈ দেখা দিয়ে।
- ৰাইজৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনি সন্দৰ্ভত অজ্ঞতাৰ বাবেও তেওঁলোকে আঁচনিসমূহত সক্ৰিয় অংশগ্ৰহণ কৰিবলৈ সক্ষম নহয়।

- সজাগতাৰ অভাৱৰ মাজতে এই কার্যসূচীসমূহ প্ৰৱর্তন কৰা হয়। অর্থাৎ নির্দিষ্ট কর্তৃপক্ষৰ পৰা ৰাইজৰ মাজলৈ তথ্য অতি কম পৰিমাণে সৰবৰাহ হয়।
- সাধাৰণতে সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত মহিলাসকলক আঁতৰাই ৰখা হয় বাবে তেওঁলোকৰ অংশগ্ৰহণৰ হাৰ নিম্নমানৰ হোৱা দেখা যায়।

অর্থাৎ 'গ্রাম্য উন্নয়ন' সংজ্ঞাৰ দ্বাৰা গ্রাম্য লোকসকলৰ জীৱনশৈলী উন্নত কৰাৰ লক্ষ্যৰে গ্রহণ কৰা সামগ্রিক উন্নয়নৰ ধাৰণাক বুজোৱা হয়। এই প্রসংগত ইয়াক এক সামগ্রিক আৰু বহুমাত্রিক ধাৰণা বুলি ক'ব পৰা যায় আৰু এই ব্যৱস্থাৰ দ্বাৰা গ্রাম্য এলেকাত কৃষিক্ষেত্র আৰু ইয়াৰ সৈতে সম্পর্কিত কার্যাৱলী, গ্রাম্য আৰু কুটিৰ উদ্যোগ, হস্তশিল্প, আর্থ-সামাজিক আন্তঃগাঠনি, সমূহীয়া সেৱা আৰু সুবিধাৰ লগতে সর্বোপৰি মানৱ সম্পদ উন্নয়নত গুৰুত্ব দিয়া হয়। গ্রাম্য উন্নয়নক এটা প্রক্রিয়া, এটা পৰিঘটনা, এটা কৌশল আৰু এক বিষয় ৰূপে ব্যাখ্যা কৰিব পৰা যায়। *প্রক্রিয়াৰূপে* ইয়ে নির্ধাৰিত লক্ষ্যত উপনীত হ'বলৈ ব্যক্তি, সম্প্রদায় আৰু ৰাষ্ট্রৰ কর্মব্যস্ততাক বুজায়। *পৰিঘটনাৰূপে* গ্রাম্য উন্নয়ন হৈছে বিভিন্ন অর্থনৈতিক, আর্থ-সামাজিক, সংস্থাগত, প্রযুক্তিগত আদি কাৰণৰ সহঅৱস্থানৰ অন্তিম ফলাফল। *কৌশলৰূপে* গ্রামাঞ্চলৰ দৰিদ্র ৰাইজৰ অর্থনৈতিক, সামাজিক উন্নতি সাধন কৰাৰ উদ্দেশ্যে গ্রাম্য উন্নয়নক গ্রহণ কৰা হয়। *বিষয় ৰূপে* গ্রাম্য উন্নয়নৰ প্রকৃতি আন্তঃবিষয়মূলক আৰু ইয়াত কৃষি, সামজিক, ব্যৱহাৰিক, অভিযান্ত্রিক আৰু পৰিচালনা বিজ্ঞান আদি সকলো বিষয় জড়িত হৈ আছে। গ্রাম্য উন্নয়নৰ সৈতে সম্পর্কিত কেতবোৰ লক্ষ্য হৈছে-

- জনমূৰি আয় বৃদ্ধি কৰা (অর্থনৈতিক বিকাশ)।
- আয় ব্যৱস্থাৰ বিতৰণৰ ক্ষেত্রত উন্নতি (সমতা)।
- সম্পদ, শিক্ষা, স্বাস্থ্যসেৱা, নিয়োগৰ সুবিধা আৰু ন্যায়ৰ ক্ষেত্রত সমান অধিকাৰ।

গতিকে ইয়াৰ পৰা ক'ব পৰা যায় যে তৃণমূল পর্যায়ৰ পৰা উন্নয়নৰ নির্ধাৰিত লক্ষ্য হৈছে ৰাষ্ট্রীয় সমৃদ্ধি। সেইবাবে উন্নয়নৰ ক্ষেত্রত এক সংহত দৃষ্টিভংগী গ্রহণ কৰাটো বিশেষকৈ গ্রাম্য জনসাধাৰণৰ ক্ষেত্রত অতি প্রয়োজনীয়। ইয়াৰ বাবে গ্রাম্য উন্নয়নৰ বাবে গ্রহণ কৰা যিকোনো চৰকাৰী আঁচনিৰ সফলতাৰ বাবে স্থানীয় ৰাইজৰ সক্রিয় অংশগ্রহণ অতি জৰুৰী। উন্নয়নমূলক আঁচনিত সাধাৰণ ৰাইজৰ অংশগ্রহণ বৃদ্ধি কৰ্ব্বিলৈ চৰকাৰে গ্রাম্য জনসাধাৰাণৰ মাজত সজাগতা আনিব পৰা বিশেষ ব্যৱস্থা গ্রহণ কৰিবই লাগিব। পর্যাপ্ত সজাগতা আৰু সামাজিক সচেতনতাৰ অবিহনে ৰাইজে তেওঁলোকৰ বাবে গ্রহণ কৰা বিভিন্ন আঁচনিৰ গুৰুত্ব সম্পূর্ণৰূপে উপলব্ধি কৰাত ব্যর্থ হ'ব। এনেদৰে উন্নয়নৰ এক উর্ধগামী দৃষ্টিভংগী থকাটো প্রয়োজনীয় যাৰ জড়িয়তে ৰাইজে উন্নয়নৰ প্রক্রিয়াত সক্রিয় অংশগ্রহণ কৰিব পাৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৮ঃ শুদ্ধ নে অশুদ্ধ লিখক।

ক) কৌশলৰূপে গ্রাম্য উন্নয়নে গ্রাম্য জনসাধাৰণৰ জীৱনশৈলীৰ মান আৰু স্থানৰ উন্নতি সাধন কৰাকে বুজায়।

খ) জনসাধাৰণৰ অংশগ্রহণ অবিহনে গ্রাম্য উন্নয়নৰ আঁচনি সফলভাৱে প্রৱর্তন কৰিব পৰা যায়।

প্রশ্ন নং ১৯ঃ খালী ঠাই পূৰণ কৰাঃ

ক) যিকোনো .....ৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হৈছে ..... যাৰ বাবে আঁচনি গ্ৰহণ কৰা হৈছে।

খ) ..... প্ৰসাৰৰ বাবে দায়িত্ব গ্ৰহণ কৰা মূল সংস্থা হৈছে .....।

গ) ..... য়ে গ্ৰাম্য উন্নয়নত অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

চিন্তা চৰ্চা কৰক

১) চৰকাৰে অসমত প্ৰৱৰ্তন কৰা গুৰুত্বপূৰ্ণ গ্ৰাম্য উন্নয়ন আঁচনিসমূহৰ ওপৰত এটা টোকা লিখক।

২) অসমত ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য অভিযানৰ সফলতা-বিফলতা মূল্যায়ন কৰক।

৩) দৰিদ্ৰতা আৰু নিবনুৱা সমস্যা উভয়ে উভয়ৰ কাৰণ আৰু ফলাফল উদাহৰণসহ ব্যাখ্যা কৰক।

৯.১০ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয় সমূহ আলোচনা কৰিলো ঃ

- 'গ্ৰাম্য উন্নয়ন' সংজ্ঞাৰ দ্বাৰা দৰিদ্ৰ গাওঁবাসীৰ জীৱনৰ মানৰ সামগ্ৰিক উন্নয়নকে বুজোৱা হয়।
- গ্ৰাম্য উন্নয়নৰ ক্ষেত্ৰত দৰিদ্ৰতা নিৰ্মূলকৰণকে সৰ্বাধিক গুৰুত্ব প্ৰদান কৰা হয়। অতীতৰে পৰা দৰিদ্ৰতা আৰু নিবনুৱা সমস্যাই দেশক ভাৰাক্ৰান্ত কৰি ৰাখিছে। উন্নয়নমূলক পৰিকল্পনাৰ আৰম্ভনিৰ পৰা এই দুই সমস্যাক নিৰ্মূল কৰাটোৱে হৈছে দেশৰ অন্যতম প্ৰধান লক্ষ্য। সেই অনুসৰি সময়ে সময়ে ভাৰত চৰকাৰে দৰিদ্ৰতা আৰু নিবনুৱা সমস্যা দূৰীকৰণৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে।
- গ্ৰাম্য উন্নয়নৰ আঁচনিসমূহৰ দ্বাৰা ৰাইজৰ কৰ্মস্থান আৰু বসতিস্থানৰ অৱস্থা উন্নত কৰাত গুৰুত্ব প্ৰদান কৰা হয়। ৰাইজে কি বিচাৰে তাৰ আধাৰত নিৰ্ভৰ কৰি আঁচনিসমূহৰ লক্ষ্য নিৰ্ধাৰণ কৰা হয়। আনহাতে আকাংক্ষিত পৰিৱৰ্তন অনাৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিব পাৰে বুলি ৰাইজে ধাৰণা কৰে তাৰ ভিত্তিত এইক্ষেত্ৰত উন্নয়নৰ ব্যৱস্থা গ্ৰহণ কৰা হয়।
- আন্তঃগাঠনি উন্নয়নৰ বাবে গ্ৰহণ কৰা এক অন্যতম আঁচনি হৈছে ন্যূনতম প্ৰয়োজনীয়তাৰ আঁচনি।
- সমাজ উন্নয়ন আঁচনি আছিল সমতাৰ ওপৰত ভিত্তি কৰি কৃষি আৰু গ্ৰাম্য উন্নয়নৰ বাবে গ্ৰহণ কৰা দেশৰ সৰ্ববৃহৎ পৰিসৰৰ, সু-পৰিকল্পিত আৰু সংগঠিত পদক্ষেপ। সমাজ উন্নয়ন আঁচনিৰ মূল উদ্দেশ্য আছিল গ্ৰাম্য সমাজৰ বস্তুগত সম্পদ আৰু মানৱ সম্পদৰ সামগ্ৰিক উন্নয়ন সাধন কৰি স্থানীয় নেতৃত্ব আৰু স্বশাসনমূলক সংস্থাৰ বিকাশ ঘটোৱা যাতে গ্ৰামাঞ্চলবাসীৰ জীৱনৰ মান উন্নত হয়। ইয়ে কৃষি আৰু গ্ৰাম্য উন্নয়নমূলক আঁচনিৰ বাবে ভেঁটি স্থাপন কৰে।
- সংহত গ্ৰাম্য উন্নয়ন আঁচনি হৈছে আত্ম নিয়োজনৰ ক্ষেত্ৰত গ্ৰহণ কৰা আটাইতকৈ গুৰুত্বপূৰ্ণ পদক্ষেপ। বৰ্তমান সময়ত সমগ্ৰ দেশতে প্ৰচলিত এই আঁচনিয়ে হৈছে একমাত্ৰ বৃহৎ দৰিদ্ৰতা দূৰীকৰণৰ আঁচনি। এই আঁচনি হৈছে দেশত দৰিদ্ৰতা নিৰ্মূলকৰণৰ বাবে অঞ্চলভিত্তিক উন্নয়নমূলক ব্লকত বৰ্তমানেও প্ৰচলিত একমাত্ৰ বৃহৎ আঁচনি।
- ভাৰত চৰকাৰে জনজাতীয় এলেকাৰ উন্নয়ন সাধন কৰি বৃহৎ সমাজৰ সৈতে জনজাতীয় লোকসকলৰ সংস্পৰ্শলৈ আনিবলৈ বহুকেইখন আঁচনি গ্ৰহণ কৰিছে।

৯.১১ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ-

১) Ahlawat, S.R.(ed.).(2008). *Economic Reforms and Social Transformation*. Jaipur : Rawat Publications.

২) Deogaonkar, S.G. (1994).*Tribal Administration and Development (With Ethnographic Profiles of Selected Tribes)*. New Delhi:Concept Publishing Company.

৩) Mohanty, Manoranjan (ed.) (2010). *India:Social Development Report 2010:The Land Question and the Marginalized*.Council for Social Development.New Delhi:Oxford Publishing House.

৪) Samanta, R.K(ed.), (1991). *Rural Development in North-East India: Perspectives, Issues and Experiences*.New Delhi: Uppal Publishing House.

৯.১২ অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন ১ ৰ উত্তৰ ঃ আঁচনিখনৰ ব্যৰ্থতাৰ কেতবোৰ কাৰণ আছিল-

১) ৰাইজৰ প্ৰয়োজনীয়তা সন্দৰ্ভত ধাৰণা কৰিছিল প্ৰকল্পৰ বিষয়া বা পৰিকল্পনাৰ সৈতে জড়িত ব্যক্তিসকলে। আঁচনি বাস্তৱায়িত কৰাৰ সমগ্ৰ সময়ছোৱাত ৰাইজৰ প্ৰকৃত প্ৰয়োজনীয়তা চৰকাৰে চিনাক্ত কৰাত ব্যৰ্থ হয়।

২) প্ৰকল্পটো অত্যন্ত আমোলাতান্ত্ৰিক হৈ পৰিছিল। গাঁও পৰ্যায়ৰ উচ্চ পৰ্যায়ৰ পৰা গ্ৰহণ কৰা এই উন্নয়নৰ আঁচনিত তলৰ পৰ্যায় (গাওঁবাসী) কেৱল নীৰৱ গ্ৰহণকৰ্তা আছিল।

৩) সম্প্ৰদায় উন্নয়ন আঁচনি প্ৰৱৰ্তনত দুৰ্নীতিৰ পয়োভৰ ঘটিছিল।

৪) কৃষি উন্নয়নৰ বাবে বৃহৎ পৰিমাণৰ ধন ব্যয় কৰাৰ স্বত্তেও খাদ্য উৎপাদন বৃদ্ধি হোৱা নাছিল।

৫) ক্ষুদ্ৰ আৰু মধ্যমীয়া কৃষকৰ পৰিৱৰ্তে সমাজ উন্নয়ন আঁচনিৰ দ্বাৰা চহকী আৰু বৃহৎ কৃষকসকলহে উপকৃত হৈছিল।

৬) বিভিন্ন উন্নয়নমূলক বিভাগৰ মাজত সু-সম্বনয়ৰ অভাৰ আছিল। সেইবাবে আঁচনি প্ৰৱৰ্তনত আসোঁৱাঁহে দেখা দিছিল।

৭) কেন্দ্ৰত গ্ৰহণ কৰা অনুসৰিয়েই আঁচনিসমূহ সকলো ঠাইত সমভাৱেৰে প্ৰৱৰ্তন কৰা হৈছিল। কিন্তু স্থানীয় পৰ্যায়ত ভিন্নমুখী পৰিস্থিতিত এই আঁচনিসমূহ গ্ৰহণযোগ্য হ'ব পৰা নাছিল।

৯) ব্যক্তিৰ জীৱনশৈলী পৰিৱৰ্তন কৰিবলৈ শুদ্ধ পথ আৰু প্ৰক্ৰিয়া গ্ৰহণ কৰাতকৈ আঁচনিৰ ফলাফলৰ ওপৰত অত্যাধিক গুৰুত্ব প্ৰদান কৰা হৈছিল।

প্ৰশ্ন ২ ৰ উত্তৰ ঃ সমাজ উন্নয়ন আঁচনিৰ প্ৰধান লক্ষ্য আছিল গ্ৰামাঞ্চলৰ দৰিদ্ৰসকল।

প্ৰশ্ন ৩ ৰ উত্তৰ ঃ ক) ১৯৫২ চনৰ অক্টোবৰ।

খ) সমাজ উন্নয়ন আঁচনিৰ মূল বিষয়সমূহ আছিল ঃ কৃষি আৰু ইয়াৰ সম্পৰ্কিত বিষয়সমূহ, জলসিঞ্চন, যোগাযোগ, শিক্ষা, স্বাস্থ্য, অতিৰিক্ত নিযুক্তি, বাসগৃহ, সমাজ কল্যাণ আৰু প্ৰশিক্ষণ।

প্ৰশ্ন ৪ ৰ উত্তৰ ঃ ক) পঞ্চবাৰ্ষিক পৰিকল্পনাসমূহ।

খ) ভাৰতীয় সংবিধানৰ ২৯ নম্বৰ অনুচ্ছেদ।

প্ৰশ্ন ৫ ৰ উত্তৰ ঃ জনজাতীয় উপ-পৰিকল্পনাৰ তাৎক্ষণিক লক্ষ্যসমূহ আছিল-

ক) সকলোধৰণৰ শোষণ ব্যৱস্থাক নিৰ্মূল কৰা।

খ) সামাজিক আৰু অৰ্থনৈতিক উন্নয়নৰ প্ৰক্ৰিয়া খৰটকীয়া কৰি তোলা।

গ) ৰাইজৰ আভ্যন্তৰীণ শক্তিৰ বিকাশ ঘটোৱা।

ঘ) সাংগঠনিক দক্ষতা বৃদ্ধি কৰা।

প্ৰশ্ন ৬ ৰ উত্তৰ ঃ অসম, মেঘালয়, ত্ৰিপুৰা আৰু মিজোৰামৰ জনজাতীয় লোকসকলৰ উন্নয়নৰ বাবে সংবিধানৰ ষষ্ঠ অনুসূচীত বিধান সন্নিবিষ্ট কৰা হৈছে। আনহাতে এই ৰাজ্যকেইখনৰ বাহিৰে দেশৰ অন্য ৰাজ্যৰ অনুসূচিত জনজাতিৰ সন্দৰ্ভত সংবিধানৰ পঞ্চম অনুসূচীত বিধান সন্নিবিষ্ট কৰা হৈছে। সংবিধানৰ ২৪৪ (১) নম্বৰ অনুচ্ছেদৰ অন্তৰ্গত পঞ্চম অনুসূচীত সংবিধানে 'অনুসূচীত এলেকা'ৰ ব্যাখ্যা আগবঢ়াইছে। ইয়াত কোৱা হৈছে এখন ৰাজ্যপালৰ সৈতে আলোচনামৰ্মে ৰাষ্ট্ৰপতিয়ে বিশেষ নিৰ্দেশনামাযোগে ৰাজ্যখনৰ নিদিষ্ট এলেকাক অনুসূচীত এলেকা ঘোষণা কৰিব পাৰে। সংবিধানৰ ২৪৪ (২) নম্বৰ অনুচ্ছেদৰ অন্তৰ্গত ষষ্ঠ অনুসূচীত উত্তৰ-পূৰ্বাঞ্চলৰ জনজাতীয় এলেকা বুলি পৰিগণিত এলেকাৰ কথা সন্নিবিষ্ট কৰা হৈছে আৰু এই এলেকাসমূহত জিলা অথবা আঞ্চলিক স্বায়ত্বশাসিত পৰিষদ গঠন কৰাৰ ব্যৱস্থাকো অন্তৰ্ভুক্ত কৰা হৈছে। এই পৰিষদসমূহৰ বিস্তৃত বিধায়িনী, ন্যায়িক আৰু কাৰ্যপালনৰ ক্ষমতা থাকে।

প্ৰশ্ন ৭ ৰ উত্তৰ ঃ ক) শুদ্ধ। খ) অশুদ্ধ।

প্ৰশ্ন ৮ ৰ উত্তৰ ঃ সংহত গ্ৰাম্য উন্নয়ন আঁচনি হৈছে আত্ম নিয়োজনৰ ক্ষেত্ৰত গ্ৰহণ কৰা আটাইতকৈ গুৰুত্বপূৰ্ণ পদক্ষেপ। বৰ্তমান সময়ত সমগ্ৰ দেশতে প্ৰচলিত এই আঁচনিয়ে হৈছে একমাত্ৰ বৃহৎ দৰিদ্ৰতা দূৰীকৰণৰ আঁচনি। এই আঁচনিৰ লক্ষ্য গ্ৰামাঞ্চলৰ দৰিদ্ৰ ৰাইজক আত্ম নিয়োজনৰ সুযোগ আৰু সুবিধা প্ৰদান কৰি তেওঁলোকক দৰিদ্ৰ সীমাৰেখাৰ ওপৰলৈ অনাৰ ব্যৱস্থা কৰা। সংহত গ্ৰাম্য উন্নয়নৰ দ্বাৰা গ্ৰামাঞ্চলৰ দৰিদ্ৰ ৰাইজৰ হকে সম্পদৰ সমবিতৰণ আৰু নিয়োগৰ সুবিধা প্ৰদান কৰি আয়ৰ ক্ষেত্ৰত থকা বৈষম্য দূৰ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছিল।

প্ৰশ্ন ৯ ৰ উত্তৰ ঃ সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ জড়িয়তে দৰিদ্ৰতা নিৰ্মূলকৰণৰ বাবে উন্নয়নৰ গুৰুত্বপূৰ্ণ দিশসমূহ যেনে কৃষি, ক্ষুদ্ৰ জলসিঞ্চন, মীন পালন, পশুপালন আৰু পশুচিকিৎসা, উদ্যোগ আৰু সেৱা আৰু অন্যান্য আঞ্চলিক সেৱাসমূহক সাঙুৰি এক সামগ্ৰিক আৰু সংহত আঁচনি গ্ৰহণ কৰা হয়।

প্ৰশ্ন ১০ ৰ উত্তৰ ঃ ক) ১৯৭৮-৭৯।

খ) আত্ম নিয়োজনৰ বাবে গ্ৰাম্য যুৱক-যুৱতীৰ প্ৰশিক্ষণ (TRYSEM)।

প্ৰশ্ন ১১ ৰ উত্তৰ ঃ ন্যূনতম প্ৰয়োজনীয়তাৰ আঁচনি হৈছে চৰকাৰে দৰিদ্ৰতা নিৰ্মূলকৰণৰ বাবে গ্ৰহণ কৰা অন্যতম গুৰুত্বপূৰ্ণ আঁচনি। গ্ৰামাঞ্চলত বসবাস কৰা সকলো শ্ৰেণীৰ লোকৰ বাবে এক মৌলিক মানবিশিষ্ট জীৱনশৈলী নিশ্চিতকৰাই আছিল ইয়াৰ লক্ষ্য। এক নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত এক গ্ৰহণযোগ্য সামাজিক

মান লাভ কৰিব পৰাকৈ কেতবোৰ নিৰ্ধাৰিত সেৱাক সামুহিকৰূপত উপলব্ধ কৰাটোৱে ইয়াৰ প্ৰধান দিশ।

প্ৰশ্ন ১২ ৰ উত্তৰ ঃ ন্যূনতম প্ৰয়োজনীয়তাৰ অধীনস্থ বিষয়সমূহ হৈছে—

১) প্ৰাথমিক শিক্ষা।
২) প্ৰাপ্তবয়স্কৰ শিক্ষা।
৩) গ্ৰাম্য স্বাস্থ্য।
৪) গ্ৰাম্য পানী যোগান।
৫) গ্ৰাম্য পথ।
৬) গ্ৰাম্য আবাস।
৭) গ্ৰাম্য বৈদ্যুতিকীকৰণ।
৮) নগৰীয় বস্তি এলেকাৰ পৰিৱেশ উন্নীতকৰণ।
৯) পৰিপুষ্টি।
১০) গ্ৰাম্য বন্ধন শক্তি।
১১) গ্ৰাম্য অনাময়।
১২) ৰাজহুৱা বিতৰণ ব্যৱস্থা।

প্ৰশ্ন ১৩ ৰ উত্তৰ ঃ ক) সম্প্ৰদায় উন্নয়ন আঁচনিৰ অংশৰূপে গ্ৰাম্য আবাসগৃহৰ আঁচনিক ১৯৫৭ চনত প্ৰৱৰ্তন কৰা হৈছিল।

খ) ৰাষ্ট্ৰীয় সাধাৰণ ন্যূনতম আঁচনিক (NCMP) গ্ৰাম্য এলেকাৰ জীৱনশৈলীৰ মান উন্নত কৰিবলৈ গ্ৰহণ কৰা হৈছিল।

প্ৰশ্ন ১৪ ৰ উত্তৰ ঃ ক) গ্ৰাম্য সমাজৰ মহিলা আৰু শিশু উন্নয়ন আঁচনিক ১৯৫৭ চনত প্ৰৱৰ্তন কৰা হৈছিল।

খ) গ্ৰাম্য সমাজত মহিলা আৰু শিশুৰ উন্নয়ন (DWCRA) আঁচনিৰ প্ৰধান লক্ষ্য আছিল গ্ৰামাঞ্চলৰ দৰিদ্ৰ সীমাৰেখাৰ তলৰ মহিলাসকলে আত্ম নিয়োজনৰ মাধ্যমেৰে উপাৰ্জনমুখী বৃত্তি গ্ৰহণ কৰিব পৰাকৈ তেওঁলোকৰ সৱলীকৰণ কৰা। তেওঁলোকৰ মাজত আত্ম নিয়োজনৰ মাধ্যমত বহনক্ষম উপাৰ্জনমুখী কাৰ্যব্যৱস্থাৰ সৃষ্টি কৰা।

গ) ২০০৫ চনত গ্ৰামাঞ্চলৰ ৰাইজৰ স্বাস্থ্য সেৱা উন্নত কৰিবলৈ ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য অভিযান আৰম্ভ কৰা হৈছিল।

প্ৰশ্ন ১৫ ৰ উত্তৰ ঃ সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ অন্য দিশতকৈব্যতিক্ৰম এই আঁচনিত (DWCRA) উপাৰ্জন বৃদ্ধি কৰাৰ লগতে স্বাস্থ্য, শিক্ষা, বিশুদ্ধ খোৱাপানী, অনাময়, পৰিপুষ্টি আৰু বহুকেইটা দিশত গুৰুত্ব দিয়া হৈছিল। গতিকে কেৱল আৰ্থিক উন্নয়নৰ লক্ষ্যই নহয় এই আঁচনিৰ জড়িয়তে সামাজিক উন্নয়নো সাধন কৰিব বিচৰা হৈছিল। এই আঁচনিৰ আন এক বৈশিষ্ট হ'ল ইয়াৰ দ্বাৰা সামুহিক কাম কাজত গুৰুত্ব প্ৰদান কৰা হৈছিল। ধাৰণা কৰা হৈছিল যে অনাগত সময়ত সজাগতা আৰু আত্ম নিৰ্ভৰশীলতাৰ মাধ্যমত গঢ়ি উঠা এক জাগৰণৰ ওপৰতহে আনি মহিলা সৱলীকৰণ নিৰ্ভৰ কৰিব।

প্ৰশ্ন ১৬ ৰ উত্তৰ ঃ ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য অভিযানত সৰ্বাধিক গুৰুত্ব দিয়া ওঠৰখন ৰাজ্য হৈছেঃ বিহাৰ, মধ্যপ্ৰদেশ, ৰাজস্থান, উত্তৰ প্ৰদেশ, ঝাৰখণ্ড, ছট্টিশগঢ়, উত্তৰাখণ্ড, উৰিষ্যা, হিমাচল প্ৰদেশ, ৰাজস্থান, জম্মু আৰু কাশ্মীৰ, মণিপুৰ, মেঘালয়, নাগালেণ্ড, অসম, অৰুণাচল প্ৰদেশ, ছিক্কিম আৰু মিজোৰাম।

প্রশ্ন ১৭ ৰ উত্তৰ ঃ ক) NRHM-National Rural Health Mission

খ) NHS-National Health Survey

গ) CBCS-Community Based Convergent Services

ঘ) JSY-Jawahar Rojgar Yojna

ঙ) DWRCA-Development of Women And Children in Rural Area

চ) PPP-Public Private Partnership

ছ) ASHA-Accredited Social Health Activist

প্রশ্ন ১৮ ৰ উত্তৰ ঃ ক) শুদ্ধ। (খ) অশুদ্ধ।

প্রশ্ন ১৯ ৰ উত্তৰ ঃ ক) যিকোনো গ্রাম্য উন্নয়ন আঁচনিৰ আটাইতকৈ গুৰুত্বপূর্ণ হৈছে জনসাধাৰণ যাৰ বাবে আঁচনি গ্রহণ কৰা হৈছে।

খ) গ্রাম্য উন্নয়নৰ বাবে স্বেচ্ছাসেৱী সংগঠনৰ প্রসাৰ ঘটাবলৈ দায়িত্বত থকা মূল সংস্থাটোৰ নাম হৈছে 'ৰাইজৰ কর্ম আৰু গ্রাম্য উন্নয়ন প্রযুক্তিৰ অগ্রগতি পৰিষদ।'

গ) স্বেচ্ছাসেৱী সংগঠনসমূহে গ্রাম্য উন্নয়নত অতি গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে।

৯.১৩ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃচমুটোকা লিখক—

ক) বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠন/স্বেচ্ছাসেৱী সংস্থা আৰু গ্রাম্য উন্নয়নত ইয়াৰ ভূমিকা।

খ) ভাৰতত ভূমি সংস্কাৰৰ আঁচনি।

গ) দৰিদ্রতা।

প্রশ্ন ২ঃ সমাজ উন্নয়ন আঁচনিৰ মূল বৈশিষ্ট্যসমূহ তুলি ধৰক।

প্রশ্ন ৩ঃ 'এখন সাম্য সমাজ গঢ়িবৰ বাবে জনজাতীয় এলেকাৰ উন্নয়ন গুৰুত্বপূর্ণ'-ব্যাখ্যা কৰা।

প্রশ্ন ৪ঃ বিগত ষাঠী বছৰত ভাৰত চৰকাৰে বিভিন্ন উন্নয়নমূলক আঁচনি আৰু ব্যৱস্থা গ্রহণ কৰা স্বত্তেও ভাৰতৰ গ্রাম্য সমাজ তুলনামূলকভাৱে কিয় পিছপৰা আৰু অনুন্নত? এখন ৰচনা লিখক।

প্রশ্ন ৫ঃ গ্রাম্য উন্নয়নত ৰাইজক জড়িত কৰোৱাৰ সুবিধাসমূহ কি কি?

প্রশ্ন ৬ঃ জনজাতীয় এলেকাৰ উন্নয়নৰ বাবে সংবিধানত কি কি ব্যৱস্থা অন্তর্ভুক্ত কৰা হৈছে?

প্রশ্ন ৭ঃ অসমত ৰাষ্ট্রীয় গ্রামীন স্বাস্থ্য অভিযানৰ প্রভাৱ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ ঃজনজাতীয় বিকাশ

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ ভাৰতবৰ্ষৰ জনজাতীয় লোকসমষ্টি
১০.৩.১অনুসূচিত জনজাতি আৰু অনুসূচিত জাতি
১০.৪ জনজাতীয় পৰিক্রমা মন্ত্র্যালয়
১০.৫ অনুসূচিত জনজাতিৰ বিকাশ
১০.৬ জনজাতীয় পৰিক্রমা মন্ত্র্যালয়ৰ অধীনস্থ বিকাশমূলক আঁচনিসমূহ
১০.৬.১শৈক্ষিক বিকাশ
১০.৬.২অর্থনৈতিক সবলীকৰণ
১০.৬.৩সামাজিক সবলীকৰণ
১০.৬.৪জনজাতীয় বিকাশত প্রতিবন্ধকসমূহ
১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৮ অধিক জানিবলৈ
১০.৯ অগ্রগতিৰ খতিয়ান
১০.১০ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- জনজাতীয় পৰিক্রমা মন্ত্র্যালয় আৰু ইয়াৰ কার্যক্ষমতাৰ বিষয়ে জানিব পাৰিব
- জনজাতীয় লোকসকলৰ শৈক্ষিক বিকাশৰ আঁৰৰ কাৰণসমূহ জানিব পাৰিব
- জনজাতীয় পৰিক্রমা মন্ত্র্যালয়ে জনজাতিসকলৰ অর্থনৈতিক সবলীকৰণৰ বাবে গ্রহণ কৰা নীতিসমূহ ব্যাখ্যা কৰিব পাৰিব
- জনজাতিসকলৰ সুৰক্ষা আৰু বিকাশৰ লগত জড়িত সাংবিধানিক অধিকাৰ, নীতি আৰু আঁচনিসমূহ আলোচনা কৰিব পাৰিব।

১০.২ পৰিচয়

বৈজ্ঞানিক আনুবংশিক (ডি.এন.এ.) সাক্ষ্য-প্রমাণে দেখুৱায় যে প্রায় ৭০০০০ বছৰ পূৰ্বে এচাম আফ্রিকাবাসী লোকৰ ভাৰত, দক্ষিণ-পূব এছিয়া আৰু ইণ্ডোনেছিয়ালৈ প্রব্রজন ঘটিছিল। আন্দামান দ্বীপত বাস কৰা অংগে জনজাতিৰ লোকসকল আফ্রিকাৰ বাহিৰলৈ নিয়া নিগ্রো ডি.এন.এ. ৰ বাহক বুলি জনা গৈছে। ভিল জনজাতিকেই ভাৰতৰ আদিবাসীসকলৰ ভিতৰত আটাইতকৈ পুৰণি বুলি কোৱা হয়। ভাৰতবৰ্ষৰ জনজাতীয় লোকসকলৰ বহুতেই

বাহিৰা মানুহৰ সংস্পর্শৰ পৰা দূৰত থাকি বলৈ অন্য ভিতৰুৱা অঞ্চললৈ গুচি গৈছিল আৰু ভাৰতবর্ষৰ ক্ষমতাত থকা ব্রিটিছ, মোগল বা ৰজা-মহাৰজাসকলৰ দৃষ্টিগোচৰ হোৱা নাছিল। পৰিবহন আৰু সংযোগ ব্যৱস্থাৰ উন্নয়নৰ লগে লগে জনজাতীয় ভূমিলৈ অজনজাতীয় লোকৰ অনাহূত প্রৱেশ ঘটিল।

জনজাতীয় লোকসকলক বিভিন্ন নামেৰে জনা যায়, যেনে, আদিম অধিবাসী, জনজাতি, থলুৱা, আদিবাসী, খিলঞ্জীয়া ইত্যাদি। ভাৰতবর্ষত বর্ণবাদ আৰম্ভ হোৱাৰ পূর্বে মানুহবোৰ বিভিন্ন জনগোষ্ঠীত বিভক্ত আছিল। সেই সময়ত প্রতিটো জনগোষ্ঠীয়েই স্বয়ং-সম্পূর্ণ, সমগোত্রীয় আৰু উচ্চ-নীচৰ প্রভেদ নথকা একোটা গোট আছিল। প্রতিটো জনগোষ্ঠীৰে নিজৰ সুৰক্ষাৰ বাবে একোজন শীর্ষ নেতা বা মুৰব্বী আছিল। ক্রমান্বয়ে এই জনগোষ্ঠীয় শীর্ষ নেতাবোৰে ৰাজনৈতিক আৰু সামৰিক ক্ষমতা লাভ কৰিলে আৰু শাসক বুলি স্বীকৃত হ'ল। ক্ষমতা বৃদ্ধিৰ এই ক্রমাগত পৰিৱর্তনে এসময়ত ৰাজতন্ত্রৰ উত্থান ঘটালে আৰু ইয়াৰ পাছত গণতন্ত্রৰ জন্ম হ'ল।

১০.৩ ভাৰতবর্ষৰ জনজাতীয় লোকসমষ্টি

ভাৰতবর্ষৰ প্রথম প্রধানমন্ত্রী পণ্ডিত জৱাহৰলাল নেহেৰুৱে এসময়ত লিখিছিল- "তেওঁলোকক (জনজাতীয় লোক) আমাৰ দ্বিতীয় সংস্কৰণ হিচাপে গঢ় দিবলৈ চেষ্টা কৰাটো যুক্তিযুক্ত নহয়। তেওঁলোক এনে ধৰণৰ মানুহ, যি নাচ-গান কৰে আৰু জীৱনটো উপভোগ কৰিবলৈ চেষ্টা কৰে; (আমাৰ দৰে) ষ্টক একচেঞ্জত বহি থকা, ইজনে সিজনলৈ বাক্যবান নিক্ষেপ কৰা আৰু নিজকে তথাকথিত সভ্য বুলি ভবা ধৰণৰ মানুহ তেওঁলোক নহয়।" [১]

২০১১ চনৰ লোক পিয়লৰ তথ্য অনুসৰি ভাৰতবর্ষৰ মুঠ জনসংখ্যাৰ ৮.৬ শতাংশ লোক জনজাতীয়, যাৰ সংখ্যা প্রায় ১০৪ নিযুত। ইয়েই বিশ্বৰ আটাইতকৈ বৃহৎ জনজাতীয় লোক সমষ্টি। ভাৰতবর্ষৰ জনজাতীয় লোকসকল প্রধানকৈ হিমালয় পার্বত্য অঞ্চলৰ পশ্চিমৰ জম্মু-কাশ্মীৰ, হিমাচল প্রদেশ, উত্তৰ প্রদেশৰ পৰা আৰম্ভ কৰি উত্তৰ-পূবৰ অসম, মেঘালয়, ত্রিপুৰা, অৰুণাচল প্রদেশ, মিজোৰাম, মণিপুৰ আৰু নাগালেণ্ডৰলৈকে বিস্তৃতহৈ আছে। ভাৰতবর্ষৰ জনজাতীয় লোকসমষ্টিৰ প্রায় ৯০ শতাংশ লোকে অৰুণাচল, মেঘালয়, মিজোৰাম আৰু নাগালেণ্ডত বাস কৰে।

মধ্য ভাৰতৰ পাহাৰীয়া অঞ্চলত (মধ্যপ্রদেশ, উৰিষ্যা আৰু অন্ধ্রপ্রদেশৰ কিছু অংশ সামৰি) উত্তৰে নর্মদা নৈ আৰু দক্ষিণ পূবে গোদাবৰী নৈয়ে আৱৰি থকা ভূখণ্ডত এক বৃহৎ সংখ্যক জনজাতীয় লোকে বাস কৰে। কর্ণাটক, তামিলনাড়ু আৰু কেৰেলাত, পশ্চিম ভাৰতৰ গুজৰাট আৰু ৰাজস্থানত, কেন্দ্রীয় শাসিত অঞ্চল লাক্ষাদ্বীপ আৰু আন্দামান-নিকোবৰ দ্বীপপুঞ্জত কিছু সংখ্যক জনজাতীয় লোকে বাস কৰে।

৫৭৩ টা সম্প্রদায় অনুসূচিত জনজাতি বুলি চৰকাৰৰ দ্বাৰা স্বীকৃত হৈছে। ১৯৫০ ৰ দশকত ভাৰতবর্ষৰ সকলো জনজাতীয় লোকৰ সুৰক্ষাৰ অর্থে নির্দ্ধাৰিত এক নীতি গ্রহণ কৰা হয়।

১০.৩.১ অনুসূচিত জনজাতি আৰু অনুসূচিত জাতি

অনুসূচিত জনজাতি আৰু অনুসূচিত জাতি হৈছে ভাৰত চৰকাৰে ঐতিহাসিকভাৱে অৱহেলিত বিভিন্ন জনগোষ্ঠীৰ লোকক দিয়া চৰকাৰী আখ্যা। এই সংজ্ঞা দুটা ভাৰতবর্ষৰ সংবিধানৰ দ্বাৰা স্বীকৃত। প্রাক-স্বাধীনতা কালত এই লোকসকল সামগ্রিকভাৱে অনুন্নত শ্রেণী বুলি জনা গৈছিল। অনুসূচিত জনজাতি আৰু অনুসূচিত জাতি সংজ্ঞা দুটাৰ অর্থ বুজাত হ'ব পৰা যি কোনো বিসংগতি দূৰ কৰিবলৈ আমি ইয়াৰ পার্থক্যসমূহ জনা উচিত।

অনুসূচিত জনজাতি (STs)	অনুসূচিত জাতি (SCs)
● অনুসূচিত জনজাতিৰ লোকসমষ্টি মুঠ জনসংখ্যাৰ ৮.৬% লোকেৰে গঠিত। (২০১১ চনৰ লোকপিয়ল)	● অনুসূচিত জাতিৰ লোকসমষ্টি মুঠ জনসংখ্যাৰ ১৬.৬% লোকেৰে গঠিত। (২০১১ চনৰ লোকপিয়ল)
● অনুসূচিত জনজাতিৰ লোকসকল কেতিয়াও অস্পৃশ্য হিচাপে জাতি বৈষম্যতাৰ সন্মুখীন হোৱা নাছিল।	● অনুসূচিত জাতিৰ লোকসকল পূৰ্বে অস্পৃশ্য আছিল। পৰৱৰ্তী সময়ত তেওঁলোকে নিজকে দলিত বা হৰিজন (ঈশ্বৰৰ সন্তান) হিচাপে পৰিচয় দিছিল।

১০.৪ জনজাতীয় পৰিক্ৰমা মন্ত্ৰ্যালয

সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰ্যালয়ক দুটা ভাগত বিভক্ত কৰাৰ পাছত ১৯৯৯ চনত এই মন্ত্ৰ্যালয় স্থাপিত হয়। ইয়াৰ উদ্দেশ্য আছিল সুপৰিকল্পিতভাৱে অনুসূচিত জনজাতিৰ লোকসকলৰ সংহত আৰ্থ-সামাজিক বিকাশৰ অৰ্থে এক কেন্দ্ৰীভূত প্ৰচেষ্টা আগবঢ়োৱা। জনজাতীয় পৰিক্ৰমা মন্ত্ৰ্যালয়ে অনুসূচিত জনজাতিৰ লোকসকলৰ বিকাশৰ বাবে প্ৰস্তুত কৰা সামগ্ৰিক নীতি, আঁচনি আৰু কৰ্মসূচীৰ সমন্বয়ৰ তদাৰক কৰে। জনজাতীয় পৰিক্ৰমা মন্ত্ৰ্যালয়ক আবণ্টন কৰা বিষয়সমূহ হৈছে—

- অনুসূচিত জনজাতিৰ লোকসকলৰ সামাজিক নিৰাপত্তা আৰু সামাজিক বীমা
- জনজাতীয় কল্যাণঃ পৰিকল্পনা, প্ৰকল্প প্ৰস্তুতকৰণ, গৱেষণা, মূল্যায়ন, পৰিসংখ্যা আৰু প্ৰশিক্ষণ
- জনজাতীয় কল্যাণৰ বাবে স্বেচ্ছাকৃত প্ৰয়াসৰ প্ৰসাৰ আৰু বিকাশ
- অনুসূচিত জনজাতিৰ লোকসকলৰ বিকাশ
- অনুসূচিত অঞ্চলবোৰৰ তত্ত্বাৱধান
- নিটি (NITI) আয়োগৰ দ্বাৰা পৰিকল্পিত আঁচনি আৰু পদ্ধতিৰ ভিত্তিত অনুসূচিত জনজাতিৰ লোকসকলৰ কল্যাণৰ বাবে দিয়া অনুদানৰ নিৰীক্ষণ
- অনুসূচিত জনজাতিৰ বাবে গঠিত ৰাষ্ট্ৰীয় আয়োগ। এই ৰাষ্ট্ৰীয় আয়োগে অনুসূচিত অঞ্চলৰ প্ৰশাসন আৰু অনুসূচিত জনজাতিৰ কল্যাণৰ বিষয়ে প্ৰতিবেদন প্ৰস্তুত কৰে আৰু ভাৰতবৰ্ষৰ অনুসূচিত জনজাতিৰ লোকসকলৰ কল্যাণৰ বাবে প্ৰয়োজনীয় আঁচনি আৰু কৰ্মসূচী ৰূপায়নৰ বাবে নিৰ্দ্দেশনা জাৰি কৰে।
- সামাজিক অধিকাৰ সুৰক্ষা আইন, ১৯৫৫ ৰ আৰু অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি (অত্যাচাৰ প্ৰতিৰোধ) আইন, ১৯৮৯ ৰ কাৰ্যকৰীকৰণ তথা অনুসূচিত জনজাতিৰ লগত জড়িত অপৰাধৰ ফৌজাদাৰী ন্যায়িক প্ৰশাসন।

এই মন্ত্ৰ্যালয়ৰ মুখ্য দায়িত্ব হৈছে সকলো কেন্দ্ৰীয় মন্ত্ৰ্যালয়তে অনুসূচিত জনজাতিৰ লোকসকলৰ স্বাৰ্থজড়িত বিষয়সমূহত পৃষ্ঠপোষকতা কৰা।

১০.৫ অনুসূচিত জনজাতিৰ উন্নয়ন

অনুসূচিত জনজাতিৰ লোকসকলৰ অধিকাংশৰে বাসস্থান আওহতীয়া ঠাইত হোৱাৰ বাবে সাধাৰণ উন্নয়নমূলক আঁচনিসমূহৰ দ্বাৰা তেওঁলোকৰ বেছিভাগেই পোনপতীয়াকৈ উপকৃত নহয়। অনুসূচিত জনজাতিৰ

লোকসকলক যথোপযুক্ত সা-সুবিধা দিয়াটো নিশ্চিত কৰিবলৈ বিশেষ প্ৰচেষ্টাৰ প্ৰয়োজন। প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ৰে পৰা অনুসূচিত জনজাতিৰ লোকসকলৰ প্ৰয়োজনীয়তাৰ প্ৰতি বিশেষ মনোযোগ দিয়া হৈছিল।

যিহেতু বেছিভাগ জনজাতীয় আৱাসস্থল বনাঞ্চলৰ এঢলীয়া ঠাইত থকা অকলশৰীয়া গাঁও বা চুবুৰীত অৱস্থিত, সেয়েহে জটিল আন্তঃগাঁথনিৰ সা-সুবিধা, যেনে, বাট-পথ, যোগাযোগ, স্বাস্থ্য, শিক্ষা, বিজুলী-যোগান, খোৱাপানী আদিবোৰৰ উপলব্ধতা তাত সীমিত। অসুবিধাৰ এই ব্যৱধান হ্ৰাস কৰিবলৈ আৰু জীৱনৰ গুণগত মান উন্নত কৰিবলৈ জনজাতীয় মন্ত্ৰ্যালয়ৰ যোগেৰে কেন্দ্ৰীয় চৰকাৰে বিভিন্ন উন্নয়নমূলক প্ৰকল্প ৰূপায়ন কৰিছে। জনজাতীয় পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ বিভিন্ন কৰ্ম আঁচনিৰ এক বিতং বিৱৰণ তলত দিয়া হ'ল ঃ

১০.৬ জনজাতীয় পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ অধীনস্থ বিকাশমূলক আঁচনিসমূহ

১০.৬.১ শৈক্ষিক বিকাশ

পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত শিক্ষাই সৰ্বোচ্চ অগ্ৰাধিকাৰ লাভ কৰিছিল, যাতে বিভিন্ন শৈক্ষিক সা-সুবিধা, অনুপ্ৰেৰণা আৰু আৰ্থিক সহায় প্ৰদানেৰে জনজাতীয় লোকসকলৰ, বিশেষকৈ ছোৱালীবোৰৰ শৈক্ষিক বিকাশ ঘটে। কিছু সংখ্যক বৃত্তি আৰু অন্য সা-সুবিধাৰ বিষয়ে তলত আলোচনা কৰা হ'ল ঃ

- **অনুসূচিত জনজাতিৰ ছাত্ৰৰ বাবে একলব্য আদৰ্শ আৱাসিক বিদ্যালয় ঃ** আওহতীয়া ঠাইবোৰত থকা অনুসূচিত জনজাতিৰ ছাত্ৰসকলক মজলীয়া আৰু উচ্চ মাধ্যমিক পৰ্যায়ৰ গুণগত শিক্ষাদানৰ উদ্দেশ্যেৰে জনজাতীয় পৰিক্ৰমা মন্ত্ৰ্যালয়ে একলব্য আদৰ্শ আৱাসিক বিদ্যালয়বোৰৰ সূচনা কৰে।
- **উচ্চ-মাধ্যমিকোত্তৰ ছাত্ৰ বৃত্তি** (Post Matric Scholarship) **ঃ** উচ্চ-মাধ্যমিকোত্তৰ ছাত্ৰ বৃত্তি হৈছে কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰে কৰা এক আঁচনি যাৰ দ্বাৰা উচ্চ মাধ্যমিক শিক্ষা লাভৰ অন্তত উচ্চতৰ মাধ্যমিক শ্ৰেণীত শিক্ষা গ্ৰহণ কৰি থকা অনুসূচিত জনজাতিৰ ছাত্ৰ-ছাত্ৰীক আৰ্থিক সহায় আগবঢ়োৱা হয়। এই বৃত্তি ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰৰ যোগেৰে দিয়া হয়, য'ত ছাত্ৰজন স্থায়ী বাসিন্দা। এই বৃত্তি লাভ কৰিবলৈ ছাত্ৰগৰাকীৰ পিতৃ-মাতৃৰ বাৰ্ষিক আয় অনধিক দুই লাখ টকা হ'ব লাগিব।
- **অনুসূচিত জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ছাত্ৰাৱাস/ছাত্ৰীনিৱাসৰ ব্যৱস্থা ঃ**এই আঁচনিৰ উদ্দেশ্য হৈছে সেইসকল অনুসূচিত জনজাতিৰ ছাত্ৰ-ছাত্ৰীক ঘৰৰ পৰা দূৰৰ ঠাইত হোষ্টেলত থাকি শিক্ষা গ্ৰহণৰ সুবিধা দিয়া, যিসকলে আওহতীয়া ঠাইত অৱস্থিত তেওঁলোকৰ গাঁৱত থাকি শিক্ষা গ্ৰহণ অব্যাহত ৰাখিব নোৱাৰিলেহেঁতেন।
- **অনুসূচিত জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিনামূলীয়া প্ৰশিক্ষণৰ ব্যৱস্থা ঃ** ষষ্ঠ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ৰে পৰা অনুসূচিত জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিনামূলীয়া প্ৰশিক্ষণৰ কাৰ্যসূচী চলি আছে। এই আঁচনিৰ যোগেৰে অনুসূচিত জনজাতিৰ ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ বিনামূলীয়া প্ৰশিক্ষণৰ ব্যৱস্থা কৰি তেওঁলোকৰ প্ৰতিযোগিতামূলক সক্ষমতা বৃদ্ধি কৰা হয়। ৰাজ্য চৰকাৰ/বিশ্ববিদ্যালয়/বেচৰকাৰী অনুষ্ঠান/ব্যক্তিগত খণ্ডৰ প্ৰশিক্ষণ প্ৰতিষ্ঠান আদিৰ যোগেৰে প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ আৰু ব্যক্তিগত খণ্ডত নিযুক্তিৰ সুবিধা পাবলৈ বিভিন্ন দক্ষতা বিকাশৰ প্ৰশিক্ষণ দিয়া হয়। প্ৰশিক্ষণ মাচুলৰ উপৰিও অস্থানীয় ছাত্ৰ-ছাত্ৰীক প্ৰতিমাহে ১৫০০ টকা আৰু স্থানীয় ছাত্ৰ-ছাত্ৰীক ৭৫০ টকা বেতন দিয়া হয়।

- **নিম্ন শৈক্ষিক হাৰৰ জিলাসমূহত থকা অনুসূচিত জনজাতিৰ ছোৱালীবোৰৰ মাজত শিক্ষা সবল কৰা ঃ** এই আঁচনিৰ লক্ষ্য হৈছে সাধাৰণ জাতিৰ মহিলা আৰু জনজাতীয় মহিলাৰ শিক্ষাৰ হাৰৰ মাজত থকা পাৰ্থক্য দূৰ কৰা। ইয়াৰ বাবে চিনাক্ত কৰা জিলাসমূহত বা উন্নয়ন খণ্ডত আৰু আদিম জনজাতীয় লোকে বাস কৰা অঞ্চলৰ ১০০ শতাংশ ছোৱালীৰে বিদ্যালয়ত নামভর্তি নিশ্চিত কৰা হৈছে আৰু প্ৰয়োজনীয় শৈক্ষিক বাতাৰৱণৰ সৃষ্টিৰে প্ৰাথমিক পর্যায়তে শিক্ষা অসমাপ্তকৈ এৰা ছাত্ৰ-ছাত্ৰীৰ হাৰ হ্ৰাস কৰিবলৈ লক্ষ্য স্থিৰ কৰা হৈছে।
- **ৰাজীৱ গান্ধী ৰাষ্ট্ৰীয় গৱেষণা বৃত্তি ঃ** এম. ফিল আৰু ডক্টৰেটৰ দৰে গৱেষণামূলক ডিগ্ৰী যাতে জনজাতীয় ছাত্ৰ-ছাত্ৰীসকলে উচ্চতম পর্যায়ত অধ্যয়ন কৰি লাভ কৰিব পাৰে, সেই উদ্দেশ্যেৰে তেওঁলোকক বিশেষভাৱে উদ্দীপনা যোগাবলৈ ২০০৫-০৬ বর্ষৰ পৰা ৰাজীৱ গান্ধী ৰাষ্ট্ৰীয় গৱেষণা বৃত্তি প্ৰৱর্তন কৰা হয়।
- **জনজাতীয় ছাত্ৰ-ছাত্ৰীৰ বাবে ৰাষ্ট্ৰীয় বৈদেশিক বৃত্তি ঃ** ১৯৫৪-৫৫ বর্ষত বৈদেশিক বৃত্তি প্ৰৱর্তন কৰা হয় আৰু ইয়াক পঞ্চবার্ষিক পৰিকল্পনাৰ গণ্ডীৰ বাহিৰত ৰাখি কার্যকৰী কৰা হয়। ২০০৭-০৮ বর্ষত এই আঁচনিখনক এখন কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনিলৈ পৰিৱর্তন কৰা হয় যাৰ দ্বাৰা মেধাৱী জনজাতীয় ছাত্ৰ-ছাত্ৰীসকলক বিদেশত স্নাতকোত্তৰ আৰু ডক্টৰেট পর্যায়ৰ শিক্ষাগ্ৰহণৰ বাবে আর্থিক অনুদান আগবঢ়োৱা হয়।
- **জনজাতীয় গৱেষণা প্ৰতিষ্ঠান** (TRIs) ঃ বিভিন্ন ৰাজ্য চৰকাৰে জনজাতীয় গৱেষণা প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰিছে। এই আঁচনিৰ মূল উদ্দেশ্যসমূহ হৈছে আন্তঃগাঁথনি শক্তিশালী কৰা, গৱেষণা আৰু নথি আলেখ্যন কার্যাৱলী, প্ৰশিক্ষণ আৰু সক্ষমতা গঢ়া কর্মসূচী ইত্যাদি।

এইটো মনস্থ কৰা হৈছে যে জনজাতীয় গৱেষণা প্ৰতিষ্ঠানবোৰে জ্ঞান আৰু গৱেষণাৰ এক গোট হিচাপে, জনজাতীয় বিকাশৰ চিন্তা-চর্চ্চাৰ কেন্দ্ৰ হিচাপে, জনজাতীয় সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ বাবে, ৰাজ্য চৰকাৰসমূহক সাক্ষ্য-প্ৰমাণভিত্তিক পৰিকল্পনা আৰু যথোপযুক্ত আইন প্ৰণয়ন কৰিব পৰাকৈ উপযুক্ত সমল যোগান ধৰিবলৈ, জনজাতীয় পৰিক্ৰমাৰ লগত জড়িত অনুষ্ঠান-প্ৰতিষ্ঠান তথা জনজাতীয় লোকসকলৰ সক্ষমতা গঢ়িবলৈ লগতে তথ্যপাতিৰ বিস্তাৰণ আৰু সজাগতা সৃষ্টিৰ বাবে কাম কৰি যাব।

১০.৬.২ অর্থনৈতিক সবলীকৰণ

জনজাতীয় লোকসমষ্টিৰ অর্থনৈতিক উন্নয়ন ঘাইকৈ নির্ভৰ কৰে কৃষি আৰু কৃষি সম্বন্ধীয় কাম-কাজৰ ওপৰত। ইয়াৰোপৰি বনজ সম্পদ আৰু কম পৰিমাণৰ বনজাত সামগ্ৰীৰ উৎপাদনেও জনজাতীয় অর্থনীতিলৈ বেছ কিছু অৰিহণা যোগায়। যিহেতু অনুসূচিত জনজাতিৰ এক পঞ্চমাংশতকৈয়ো অধিক লোক কৃষি আৰু অৰণ্যৰ ওপৰতে নির্ভৰশীল, সেয়েহে তেওঁলোকৰ জীৱন নির্বাহৰ আয়-উৎসসমূহৰ বহুমুখীকৰণৰ বাবে সক্ষমতা সৃষ্টি আৱশ্যকীয় হৈ পৰিছে। জনজাতীয় লোকসমষ্টিৰ সবলীকৰণৰ বাবে আৰু তেওঁলোকৰ অর্থনৈতিক কাম-কাজৰ বহুমুখীকৰণৰ বাবে বিভিন্ন ধৰণৰ উপার্জন সৃষ্টিকাৰী আঁচনি কার্যকৰী কৰা হৈছে। তেনে কিছু আঁচনিৰ বিষয়ে তলত আলোচনা কৰা হ'ল ঃ

- **ৰাষ্ট্ৰীয় অনুসূচিত জনজাতি বিত্তীয় আৰু বিকাশ নিগমঃ** (**NSTFDC**) : NSTFDC হৈছে ভাৰত চৰকাৰৰ অধীনৰ এক প্ৰতিষ্ঠান, যাক জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে পৰিচালনা কৰে। এই প্ৰতিষ্ঠানে অনুসূচিত

জনজাতিৰ অর্থনৈতিক বিকাশৰ বাবে থকা উপার্জন সৃষ্টিকাৰী আঁচনিসমূহলৈ বিত্তীয় সহযোগিতা আগবঢ়ায়। NSTFDC মুখ্য উদ্দেশ্যসমূহহৈছে— আত্মনিযুক্তি আৰু উপার্জনৰ স্তৰ উন্নত কৰিব পৰা অর্থনৈতিক কাম-কাজৰ চিনাক্তকৰণ, বিভিন্ন আনুষ্ঠানিক আৰু ব্যৱহাৰিক প্রশিক্ষণ প্রদানৰ ব্যৱস্থাৰে অনুসূচিত জনজাতিৰ লোকসকলৰ কর্মকুশলতা তথা দক্ষতা বৃদ্ধি কৰা।

- **জনজাতীয় সামগ্রীৰ বজাৰ উন্নয়ন ঃ** জনজাতীয় সামগ্রী তথা উৎপন্ন দ্রব্যৰ বজাৰৰ বিকাশ হৈছে এক কেন্দ্রীয় আঁচনি যাৰ অধীনত জনজাতি পৰিক্রমা মন্ত্র্যালয়ে 'ভাৰতীয় জনজাতীয় সমবায় বজাৰ বিকাশ সন্মিলিত সংঘ লিমিটেড' ক (TRIFED) মূলতঃ চাৰিটা কার্যৰ বাবে সহায়ক অনুদান আগবঢ়ায়।
  - খুচুৰা বজাৰ বিকাশ কার্যাৱলী
  - লঘু বনজাত সামগ্রী বজাৰ বিকাশ কার্যাৱলী
  - বৃত্তিমূলক প্রশিক্ষণ আৰু দক্ষতা বৃদ্ধি
  - অনুসূচিত জনজাতিৰ কাৰিকৰসকলৰ সক্ষমতা গঢ়া আৰু লঘু বনজাত সামগ্রী আৰু গৱেষণা আৰু বিকাশ /বুদ্ধিজাত সম্পত্তিৰ অধিকাৰ (IPR) সম্পর্কীয় কার্যাৱলী
- **জনজাতীয় এলেকাত বৃত্তিমূলক প্রশিক্ষণ কেন্দ্র ঃ** জনজাতীয় এলেকাত বৃত্তিমূলক প্রশিক্ষণ কেন্দ্র স্থাপনৰ এই আঁচনিখন ১৯৯২-৯৩ চনতে আৰম্ভ কৰা হৈছিল। এই আঁচনিখনৰ মুখ্য উদ্দেশ্য আছিল অনুসূচিত জনজাতিৰ তৰুণ প্রজন্মৰ দক্ষতা বৃদ্ধি কৰা যাতে তেওঁলোকে নিযুক্তি আৰু স্ব-নিযুক্তিৰ বাবে সুবিধা লাভ কৰিব পাৰে আৰু তেওঁলোকৰ আয় বৃদ্ধিৰে আর্থ-সামাজিক অৱস্থাৰ উন্নতি ঘটাব পাৰে। এই আঁচনিৰ অধীনত বিভিন্ন ধৰণৰ কাৰিকৰী প্রশিক্ষণ 'ঔদ্যোগিক প্রশিক্ষণ প্রতিষ্ঠান', কাৰিকৰী শিক্ষানুষ্ঠান আৰু কম্পিউটাৰ প্রশিক্ষণ কেন্দ্রবোৰৰ যোগেৰে দিয়াৰ ব্যৱস্থা কৰা হয়। বৃত্তিমূলক প্রশিক্ষণ আগবঢ়োৱাৰ উপৰিও এই কেন্দ্রসমূহে 'গুণগত প্রয়োগ-কৌশল' আৰু 'কাৰুশিল্পী প্রশিক্ষণ আঁচনিৰ'ৰ অধীনৰ কিছুমান প্রকল্প ৰূপায়ন কৰে। ২০০৯ চনত কিছুমান বর্ধিত বিত্তীয় নীতি-নিয়ম আৰু সময়-সূচীৰ সংযোজনেৰে এই আঁচনিখনৰ সংশোধন কৰা হয়।
- **স্বেচ্ছাসেৱী অনুষ্ঠানলৈ সহায়ক অনুদান ঃ** এই আঁচনিৰ মূল লক্ষ্য হৈছে স্বেচ্ছাসেৱী সংগঠনবোৰৰ প্রচেষ্টাৰ মাধ্যমেৰে চৰকাৰৰ কল্যাণকামী আঁচনিবোৰে যাতে অধিক পৰিমাণে জনজাতীয় এলেকাবোৰ চুবগৈ পাৰে, তাৰ ব্যৱস্থা কৰা আৰু বিশেষকৈ শিক্ষা, স্বাস্থ্য, খোৱাপানী, সামাজিক নিৰাপত্তা আদি সেৱাবোৰৰ ক্ষেত্রত থকা অভাৱ দূৰ কৰা, লগতে আর্থ-সামাজিক উন্নয়নৰ এক পৰিৱেশ সৃষ্টি কৰা আৰু অনুসূচিত জনজাতীয় লোকসকলৰ সামগ্রিক উন্নয়ন সুনিশ্চিত কৰা। প্রাসংগিক কার্যক্ষেত্রত কমেও তিনি বছৰ কাম কৰাৰ অভিজ্ঞতা থকা পঞ্জীয়নভূক্ত স্বেচ্ছাসেৱী সংগঠন, বেচৰকাৰী সংগঠন, কোনো পৰিনিয়মেৰে চৰকাৰৰ দ্বাৰা প্রতিষ্ঠিত স্বায়ত্ব-শাসিত অনুষ্ঠান-প্রতিষ্ঠান বা সমিতিসমূহৰ পঞ্জীয়ন আইন, ১৮৬০ ৰ অধীনত পঞ্জীভূক্ত সমিতিয়ে এনে সহায়ক অনুদান লাভ কৰিব পাৰে।

১০.৬.৩ সামাজিক সবলীকৰণ

অতীতৰ নিঃসংগ অৱস্থিতিৰ বাবে, জনজাতীয় লোকসকলে বর্তমান তেওঁলোকৰ চাৰিওকাষৰ সদা-পৰিৱর্তিত আৰু জটিল আর্থ-সামাজিক পৰিস্থিতিৰ সৈতে মোকামিলা কৰিব পৰাকৈ প্রস্তুত নহয়। বহু সময়ত

তেওঁলোক শোষণ, নিপীড়ন আৰু অপৰাধৰ দ্বাৰা জর্জৰিত হয়, ভূমিৰ পৰা বিচ্ছিন্ন হয়, অৰণ্যৰ ওপৰত থকা তেওঁলোকৰ অধিকাৰ খর্ব কৰা হয় আৰু প্রত্যক্ষ আৰু পৰোক্ষভাৱে তেওঁলোকৰ অন্যান্য অধিকাৰৰ পৰা সামগ্রিকভাৱে বঞ্চিত কৰা হয়। জনজাতীয় লোকসকলৰ নিৰাপত্তা আৰু সুৰক্ষাৰ বাবে দিয়া কিছুমান অধিকাৰ আৰু প্রৱর্তন কৰা আইন তলত উল্লেখ কৰা হ'ল।

- সংবিধানৰ ১৭ নং ধাৰাই অস্পৃশ্যতা নিষেধ কৰিছে।
- সংবিধানৰ ৪৬ নং ধাৰা অনুসৰি ৰাষ্ট্রই সমাজৰ দুর্বল শ্রেণীৰ লোকসকলৰ, বিশেষকৈ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ লোকসকলৰ শৈক্ষিক আৰু অর্থনৈতিক স্বার্থসমূহৰ উন্নয়নত বিশেষ যত্ন ল'ব লাগিব আৰু সকলো ধৰণৰ শোষণ আৰু সামাজিক অবিচাৰৰ পৰা সুৰক্ষা দিব লাগিব।
- ১৫ (৪) ধাৰাই তেওঁলোকৰ প্রগতিৰ বাবে কিছুমান বিশেষ ব্যৱস্থা কৰিছে।
- ১৬ (৪ক) ধাৰা অনুসৰি অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ লোকসকলৰ বাবে যিকোনো শ্রেণীৰ চৰকাৰী চাকৰিত পদোন্নতিৰ ক্ষেত্রত সংৰক্ষণৰ ব্যৱস্থা আছে।
- ৩৩৮ ধাৰাই অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ বাবে এক ৰাষ্ট্রীয় আয়োগৰ ব্যৱস্থা কৰিছে, যাৰ কর্তব্য হৈছে এই লোকসকলৰ নিৰাপত্তাৰ বাবে লোৱা সকলো ব্যৱস্থাৰ অনুসন্ধান আৰু নিৰীক্ষণ কৰা আৰু বিশেষ অভিযোগ থাকিলে তাৰ তদন্ত কৰা। লগতে তেওঁলোকৰ আর্থ-সামাজিক বিকাশৰ বাবে আঁচনি প্রস্তুত প্রক্রিয়াত ভাগ লোৱা আৰু পৰামর্শ দিয়া।
- সংবিধানৰ ৩৩০ আৰু ৩৩২ ধাৰাই ক্রমে অনুসূচিত জনজাতি আৰু অনুসূচিত জাতিৰ লোকসকলৰ বাবে ভাৰতীয় সংসদ আৰু ৰাজ্যিক বিধান সভাবোৰত আসন সংৰক্ষণৰ ব্যৱস্থা কৰিছে।
- সংবিধানত থকা পঞ্চায়তী ৰাজ ব্যৱস্থা সম্পর্কীয় নৱম অনুচ্ছেদে আৰু পৌৰ নিগম সম্পর্কীয় নৱম (ক) অনুচ্ছেদে অনুসূচিত জনজাতি আৰু অনুসূচিত জাতিৰ বাবে পঞ্চায়ত আৰু স্থানীয় নিকায়বোৰৰ নির্বাচনত আসন সংৰক্ষণৰ ব্যৱস্থা কৰিছে আৰু কার্যকৰী কৰিছে।

১০.৬.৪ জনজাতীয় বিকাশত প্রতিবন্ধকসমূহ

ভাৰতীয় সংবিধানে অনুসূচিত জনজাতিৰ লোকসকলৰ জীৱনৰ মান উন্নত কৰিবলৈ বিভিন্ন অধিকাৰ প্রদান, সুৰক্ষা ব্যৱস্থা আৰু অন্যান্য ব্যৱস্থা কৰিছে। সাংবিধানিক সুৰক্ষা ব্যৱস্থা থকা সত্ত্বেও তেওঁলোক সমাজৰ আটাইতকৈ দুর্বল অংশ যাৰ বাবে তেওঁলোকে বিভেদ, বৈষম্যতা আৰু সাংবিধানিক অধিকাৰ উলংঘন আদিৰ সন্মুখীন হৈছে। অতীজৰে পৰা ভাৰতীয় জনজাতীয় লোকসকলে ভুগি অহা প্রাসঙ্গিক সমস্যাবোৰৰ বিষয়ে তলত আলোচনা কৰা হৈছে।

- **ভৌগোলিক পৃথকীকৰণ ঃ** জনজাতীয় লোকসকল ভাৰতবর্ষৰ বিভিন্ন অংশত সিঁচৰতি হৈ আছে। জনজাতীয় লোকসকলৰ অধিকাংশই গভীৰ অৰণ্য, পর্বত, পাহাৰ, গভীৰ উপত্যকা আদি দুর্গম ঠাইত বসবাস কৰে আৰু তেওঁলোকৰ নিজস্ব পৰম্পৰা আৰু সংস্কৃতি আছে যাৰ বাবে তেওঁলোকে আধুনিক সমাজৰ লগত খাপ খাব নোৱাৰে। এনেধৰণৰ সামাজিক বা কায়িক পৃথকতা বা নিঃসঙ্গতাই জনজাতীয় লোকসকলৰ বিকাশত অৱনতি ঘটাইছে।
- **ভূমি বিচ্ছেদন ঃ** অৰণ্যৰ ওপৰত জনজাতীয় লোকসকলৰ অধিকাৰ ঐতিহাসিক আৰু অবিচ্ছেদনীয়। কিন্তু ব্রিটিছ ঔপনিৰেশিকতা আৰম্ভ হোৱাৰ লগে লগে তেওঁলোক সমস্যাত পৰিল। ব্রিটিছসকলে সমগ্র

ভাৰততে চহকী জনজাতীয় সম্পদবোৰৰ ওপৰত শোষণ চলালে। যিহেতু জনজাতীয় লোকসকলৰ ভূমিৰ ওপৰত কোনো আইনগত অধিকাৰ নাছিল, সেয়েহে প্ৰাক-স্বাধীনতা কালৰ অৰণ্য-নীতিৰ আলমত অজনজাতীয় লোকসকলে জনজাতীয় লোকসকলৰ ভূমি হস্তগত কৰা সহজ হৈ পৰিল। এই নীতি-নিয়মবোৰ বাণিজ্যিক উদ্দেশ্য আগত ৰাখি কৰা হৈছিল আৰু ইয়াৰ বাবে বৃহৎ সংখ্যক জনজাতীয় লোক অৰণ্যৰ পৰা বিতাড়িত হৈছিল।

অপঞ্জীভুক্ত অৰণ্যভূমিসমূহক প্ৰায়েই আইনে ৰাষ্ট্ৰীয় উদ্যান, অভয়াৰণ্য বা সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰে। কিছুমান অৰণ্যত জনজাতীয় লোকসকলক বনজ দ্ৰব্য সংগ্ৰহ কৰিবলৈ অনুমতি নিদিয়ে আৰু পোহনীয়া জীৱ-জন্তু চৰাবলৈ নিয়াটোও চৰকাৰে বেআইনী বুলি ঘোষণা কৰে। নিজ গৃহৰ পৰা বিতাড়িত হোৱাৰ অবিৰত শংকাৰ মাজেৰে এই লোকসকলে জীৱন অতিবাহিত কৰে।

- **সাংস্কৃতিক সমস্যা ঃ** জনজাতীয় সম্প্ৰদায়সমূহৰ সাংস্কৃতিক গাঁথনি ঘাইসুঁতিৰ সমাজৰ সংস্কৃতিতকৈ সম্পূৰ্ণৰূপে পৃথক। তেওঁলোকৰ ৰীতি-নীতি, আচাৰ-আচৰণ আৰু পৰম্পৰাৰ ভুল ব্যাখ্যা কৰা হয় আৰু প্ৰায়েই মূলসুঁতিৰ সমাজে সন্দেহৰ চকুৰে চায়। ব্ৰিটিছৰ উপনিৱেশিকতাৰ সময়ছোৱাত ইংৰাজৰ শাসনকালত খৃষ্টান মিশ্যনেৰীসকলে জনজাতীয় সম্প্ৰদায়সমূহক প্ৰভাৱিত কৰিবলৈ চেষ্টা কৰিছিল আৰু তেওঁলোকৰ নিজস্ব বিশ্বাস আৰু স্থানীয় পৰম্পৰাগত নীতি-নিয়মৰ পৰা ধৰ্মান্তৰিত কৰিবলৈ বিচাৰিছিল।
  ইয়াৰোপৰি, অজনজাতীয় লোকৰ পৰা দূৰত তেওঁলোকৰ অকলশৰীয়া অৱস্থিতি আৰু জনজাতীয় আৰু অজনজাতীয় লোকৰ মাজত সাংস্কৃতিক বুজাবুজিৰ অভাৱে জনজাতীয় লোকসকলক আদিম, বৰ্বৰ আৰু দক্ষতাহীন বুলি এক ঋণাত্মক ভাবমূৰ্তি প্ৰদান কৰিছে। বিভিন্ন অৰ্থনৈতিক সা-সুবিধা আৰু বিশেষ কেতবোৰ সেৱা লাভ কৰাৰ পৰা তেওঁলোক বাদ পৰাৰ বিষয়টোক ন্যাৰ্যতা প্ৰদান কৰিবলৈ এই ঋণাত্মক ভাবমূৰ্তিটোকে ব্যৱহাৰ কৰা হয়।
- **শৈক্ষিক সমস্যা ঃ** চনৰ লোকপিয়লৰ তথ্য অনুসৰি জনজাতীয় লোকসকলৰ মাজত সাক্ষৰতাৰ হাৰ শতাংশ, যি ক্ষেত্ৰত চনত ই আছিল মাত্ৰ শতাংশ। মিজোৰাম, নগালেণ্ড, ছিকিম আদি কেইখনমান উত্তৰ-পূব ভাৰতৰ ৰাজ্য আৰু কেৰেলাত ভাৰতবৰ্ষৰ জনজাতীয় লোকসকলৰ ভিতৰত সাক্ষৰতাৰ হাৰ আটাইতকৈ বেছি। জনজাতীয় লোকসকলক ১০০ শতাংশ শিক্ষিত কৰি তুলিবলৈ এতিয়াও বহু দূৰত্ব অতিক্ৰম কৰিবলগীয়া আছে। চৰকাৰে জনজাতীয় এলেকাত নিযুক্তি দিয়া অধিকাংশ শিক্ষকেই অ-জনজাতীয় লোক হোৱাটেৰেই এক প্ৰধান সমস্যা হিচাপে চিহ্নিত কৰা হৈছে। বেছিভাগ জনজাতীয় লোকেই নিজ মাতৃভাষাৰ বাহিৰে অন্য একো ভাষা নজনাৰ বাবে শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত যোগাযোগৰ ক্ষেত্ৰত এক শূন্যতাৰ সৃষ্টি হয় আৰু তাৰ ফলত শিক্ষা দান-গ্ৰহণ প্ৰক্ৰিয়া গভীৰভাৱে বাধাপ্ৰাপ্ত হয়। অন্য এটা গুৰুতৰ সমস্যা হৈছে যি শৈক্ষিক কাৰ্যক্ৰমেৰে শিক্ষাদান দিয়া হয়, সেয়া জনজাতীয় লোকসকলৰ বাবে উপযুক্ত নহয় আৰু তেওঁলোকৰ বাবে প্ৰত্যক্ষভাৱে সেইবোৰৰ কোনো প্ৰাসঙ্গিকতা নাই। জনজাতীয় লোকসকলক শিক্ষিত কৰি তুলিবলৈ এক সামগ্ৰিক উদ্যোগ লোৱাৰ প্ৰয়োজন আহি পৰিছে।
- **অৰ্থনৈতিক সমস্যা ঃ** দেশখনৰ অনগ্ৰসৰ লোকসকলৰ ভিতৰত জনজাতীয় লোকসকলেই অৰ্থনৈতিকভাৱে আটাইতকৈ পিছপৰা আৰু তেওঁলোকৰ শিক্ষাহীনতা আৰু সৰলতাৰ বাবেই প্ৰায়েই শোষিত হয়। যুগ যুগ ধৰি তেওঁলোক প্ৰধানকৈ কৃষি-কাৰ্যত জড়িত হৈ আছে। জনজাতীয় লোকৰ মাজত শিক্ষিতৰ হাৰ যথেষ্ট কম হোৱা হেতুকে আৰু বৃত্তিমূলক দক্ষতাৰ অভাৱৰ বাবে তেওঁলোক নিবনুৱা বা অধঃ নিয়োজিত হৈ আছে।

কর্মনিযুক্তিৰ সা-সুবিধাৰ অভাৱৰ বাবে জনজাতীয় লোকসকলে অন্য ঠাইলৈ প্ৰব্ৰজন কৰে আৰু কৃষি খণ্ডত, ইটা-ভাতাত, শিলৰ খননত, হস্ত-তাঁত আৰু বয়ন শিল্পত বন্ধা-বনুৱাৰূপে কৰ্মৰত হয়। তেওঁলোকক অনিয়মীয়াকৈ মজুৰী দিয়া হয় আৰু কৰ্মস্থানত স্বাস্থ্যৰক্ষা আৰু সুৰক্ষাৰ কোনো ব্যৱস্থা নাথাকে।

- **স্বাস্থ্য আৰু অনাময় ব্যৱস্থাৰ সমস্যা ঃ** স্বাস্থ্য আৰু অনাময় ব্যৱস্থা জনজাতীয় লোকসকলৰ বাবে অন্যতম প্ৰধান সমস্যা হৈ পৰিছে কিয়নো অজ্ঞতা আৰু শিক্ষাহীনতাৰ বাবে তেওঁলোকে স্বাস্থ্যৰক্ষা আৰু অনাময় ব্যৱস্থাৰ আধুনিক ধাৰণাসমূহ আৰু ৰোগ নিৰ্ণয়ৰ আধুনিক উপায়সমূহ গ্ৰহণ কৰিবলৈ দ্বিধাবোধ কৰে।

জনজাতীয় অঞ্চলত সুৰাসক্তি অন্য এক প্ৰধান সমস্যা। এইবোৰ অঞ্চলত প্ৰতিদিনে সুৰা প্ৰস্তুত কৰা হয় আৰু অতি কম মূল্যত বিক্ৰী কৰা হয়, যাৰ ফলস্বৰূপে কেৱল স্বাস্থ্যহানিয়েই নহয়, অপৰাধমূলক কাৰ্যৰ হাৰো বৃদ্ধি পায়। এনেবোৰ এলেকাত গ্ৰহণী, হাগনি, যৌন-ব্যাধি আদি সংক্ৰামক ৰোগৰ প্ৰাদুৰ্ভাৱ পৰিলক্ষিত হয়। ভাৰতীয় জনজাতীয় লোকসকলৰ মাজত যকৃতৰ ৰোগ, কৰ্কট ৰোগ, উচ্চ ৰক্তচাপ, শ্বাস-প্ৰশ্বাসজনিত ৰোগ, অপুষ্টিজনিত ৰোগ আদি অসংক্ৰামক ৰোগ হোৱাটো প্ৰায়েই দেখা যায়। নিৰক্ষৰতা আৰু নিম্নমানৰ অনাময় ব্যৱস্থাৰ বাবে এই লোকসকলৰ মাজত কেঁচুৱা আৰু শিশুৰ মৃত্যুৰ হাৰ যথেষ্ট বেছি।

খোৱাপানীৰ ভাল সুবিধা নথকাৰ বাবে জনজাতীয় অঞ্চলবোৰত পানীৰ দ্বাৰা সংক্ৰামিত ৰোগৰ প্ৰাদুৰ্ভাৱো যথেষ্ট বেছি। কেতিয়াবা বিশুদ্ধ খোৱাপানীৰ অভাৱত দুৰ্গম জনজাতীয় অঞ্চলবোৰত দূষিত পানী খোৱাৰ ফলত বিভিন্ন ৰোগ হোৱা দেখা যায়। উৰিষ্যা, ছত্তিশগড়, ৰাজস্থানকে ধৰি বিভিন্ন জনজাতীয় অঞ্চলত বহুলোক খোৱাপানীজনিত ৰোগৰ চিকাৰ হৈছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভাৰতবৰ্ষৰ কোনবোৰ এলেকাত সৰ্বাধিক জনজাতীয় লোকে বাস কৰে?

প্ৰশ্ন নং ২ ঃ জনজাতীয় পৰিক্ৰমা মন্ত্ৰ্যালয় কেতিয়া গঠিত হৈছিল আৰু ইয়াৰ বাবে পূৰ্বৰ কোনটো বিভাগ দ্বিখণ্ডিত কৰা হৈছিল?

প্ৰশ্ন নং ৩ ঃ কোনবোৰ খণ্ডই জনজাতীয় অৰ্থনীতিলৈ বুজন পৰিমাণৰ অৰিহণা আগবঢ়ায়?

১০.৭ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

- বৈজ্ঞানিক আনুবংশিক (ডি. এন. এ.) সাক্ষ্য-প্ৰমাণে দেখুৱায় যে প্ৰায় ৭০০০০ বছৰ পূৰ্বে এচাম আফ্ৰিকাবাসী লোকৰ ভাৰত, দক্ষিণ-পূব এছিয়া আৰু ইণ্ডোনেছিয়ালৈ প্ৰব্ৰজন ঘটিছিল।
- ভিল জনজাতিকেই ভাৰতৰ আদিবাসীসকলৰ ভিতৰত আটাইতকৈ পুৰণি বুলি কোৱা হয়।
- ভাৰতবৰ্ষত বৰ্ণবাদ আৰম্ভ হোৱাৰ পূৰ্বে মানুহবোৰ বিভিন্ন জনগোষ্ঠীত বিভক্ত আছিল।
- ২০১১ চনৰ লোক পিয়লৰ তথ্য অনুসৰি ভাৰতবৰ্ষৰ মুঠ জনসংখ্যাৰ ৮.৬ শতাংশ লোক জনজাতীয়, যাৰ সংখ্যা প্ৰায় ১০৪ নিযুত।
- ৫৭৩ টা সম্প্ৰদায় অনুসূচিত জনজাতি বুলি চৰকাৰৰ দ্বাৰা স্বীকৃত হৈছে।
- জনজাতীয় লোকসকলৰ শৈক্ষিক বিকাশৰ বাবে ৰূপায়ন কৰা প্ৰধান প্ৰকল্পসমূহ হৈছে— অনুসূচিত জনজাতিৰ ছাত্ৰৰ বাবে একলব্য আদৰ্শ আৱাসিক বিদ্যালয়, উচ্চ-মাধ্যমিকোত্তৰ ছাত্ৰ বৃত্তি, অনুসূচিত

জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ছাত্ৰাৱাস /ছাত্ৰীনিৱাসৰ ব্যৱস্থা, অনুসূচিত জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিনামূলীয়া প্ৰশিক্ষণৰ ব্যৱস্থা, নিম্ন শৈক্ষিক হাৰৰ জিলাসমূহত থকা অনুসূচিত জনজাতিৰ ছোৱালীবোৰৰ মাজত শিক্ষা সবল কৰা, ৰাজীৱ গান্ধী ৰাষ্ট্ৰীয় গৱেষণা বৃত্তি, জনজাতীয় ছাত্ৰ-ছাত্ৰীৰ বাবে ৰাষ্ট্ৰীয় বৈদেশিক বৃত্তি আৰু জনজাতীয় গৱেষণা প্ৰতিষ্ঠান স্থাপন।

- অৰ্থনৈতিক সবলীকৰণৰ বাবে ৰূপায়ন কৰা প্ৰধান প্ৰকল্পসমূহ হৈছে— ৰাষ্ট্ৰীয় অনুসূচিত জনজাতি বিত্তীয় আৰু বিকাশ নিগম, জনজাতীয় সামগ্ৰীৰ বজাৰ উন্নয়ন, জনজাতীয় এলেকাত বৃত্তিমূলক প্ৰশিক্ষণ কেন্দ্ৰ, স্বেচ্ছাসেৱী অনুষ্ঠানলৈ সহায়ক অনুদান।
- ভাৰতবৰ্ষৰ জনজাতীয় লোকসকলৰ বাবে থকা বিভিন্ন সাংবিধানিক অধিকাৰ আৰু সংবিধানত থকা আইনৰ ধাৰাসমূহ হৈছে - ১৭, ১৫ (৪), ১৬ (৪ ক), ৪৬, ৩৩০, ৩৩২, ৩৩৫ আৰু ৩৩৮।

১০.৮ অধিক জানিবলৈ

১) Verma M. M. (1996) , "*Tribal Development in India*", Mittal Publications, New Delhi.

১০.৯ অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন ১ ৰ উত্তৰ ঃ ভাৰতবৰ্ষৰ জনজাতীয় লোকসকল প্ৰধানকৈ হিমালয় পাৰ্বত্য অঞ্চলৰ পশ্চিমৰ জম্মু-কাশ্মীৰ, হিমাচল প্ৰদেশ, উত্তৰ প্ৰদেশৰ পৰা আৰম্ভ কৰি উত্তৰ-পূবৰ অসম, মেঘালয়, ত্ৰিপুৰা, অৰুণাচল প্ৰদেশ, মিজোৰাম, মণিপুৰ আৰু নাগালেণ্ডলৈকে বিস্তৃতহৈ আছে। ভাৰতবৰ্ষৰ জনজাতীয় লোকসমষ্টিৰ প্ৰায় ৯০ শতাংশ লোক অৰুণাচল, মেঘালয়, মিজোৰাম আৰু নাগালেণ্ডত বাস কৰে।

মধ্য ভাৰতৰ পাহাৰীয়া অঞ্চলত (মধ্যপ্ৰদেশ, উৰিষ্যা আৰু অন্ধ্ৰপ্ৰদেশৰ কিছু অংশ সামৰি) উত্তৰে নৰ্মদা নৈ আৰু দক্ষিণ পূবে গোদাবৰী নৈয়ে আবৰি থকা ভূখণ্ডত এক বৃহৎ সংখ্যক জনজাতীয় লোকে বাস কৰে। কৰ্ণাটক, তামিলনাড়ু আৰু কেৰেলাত, পশ্চিম ভাৰতৰ গুজৰাট আৰু ৰাজস্থানত, কেন্দ্ৰীয় শাসিত অঞ্চল লাক্ষাদ্বীপ আৰু আন্দামান-নিকোবৰ দ্বীপপুঞ্জত কিছু সংখ্যক জনজাতীয় লোকে বাস কৰে।

প্ৰশ্ন ২ ৰ উত্তৰ ঃ 'জনজাতি পৰিক্ৰমা মন্ত্ৰ্যালয়' ১৯৯৯ চনত স্থাপিত হয় আৰু ইয়াৰ বাবে 'সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰ্যালয়'ক দুটা ভাগত বিভক্ত কৰা হয়।

প্ৰশ্ন ৩ ৰ উত্তৰ ঃ জনজাতীয় অৰ্থনীতিলৈ বুজন পৰিমাণৰ অৰিহণা আগবঢ়োৱা খণ্ডসমূহ হৈছে— কৃষি আৰু সংলগ্ন কাৰ্যাৱলী, বনজ সম্পদ, লঘু বনজাত দ্ৰব্য ইত্যাদি।

১০.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ অনুসূচিত জনজাতি আৰু অনুসূচিত জাতিৰ মাজত থকা প্ৰধান প্ৰভেদসমূহ কি কি?

প্ৰশ্ন ২ ঃ এক পৃথক জনজাতি পৰিক্ৰমা মন্ত্ৰ্যালয় গঠনৰ মুখ্য উদ্দেশ্য কি আছিল আৰু ইয়াত কি কি বিষয় বণ্টন কৰা হৈছিল?

প্ৰশ্ন ৩ ঃ জনজাতীয় লোকসমষ্টিৰ বাবে বিশেষ ব্যৱস্থা আৰু আইনৰ প্ৰয়োজনীয়তা কি? জনজাতীয় লোকৰ সুৰক্ষাৰ বাবে থকা মুখ্য আইনসমূহ আৰু সেইবোৰৰ গুৰুত্ব উল্লেখ কৰক।

প্রশ্ন ৪ ঃ জনজাতীয় ছাত্র-ছাত্রীৰ শৈক্ষিক উন্নয়নৰ বাবে জনজাতি পৰিক্রমা মন্ত্রালয়ে কার্যকৰী কৰা বিভিন্ন আঁচনিসমূহৰ নাম উল্লেখ কৰক আৰু প্রতিটোৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্রশ্ন ৫ ঃ জনজাতীয় লোকসমষ্টিৰ অর্থনৈতিক সবলীকৰণৰ বাবে ভাৰত চৰকাৰে মুকলি কৰা মুখ্য আঁচনিসমূহ আৰু সেইবোৰৰ উদ্দেশ্যসমূহ চমুকৈ আলোচনা কৰক।

প্রশ্ন ৬ ঃ এই একবিংশ শতিকাতো জনজাতীয় লোকসকলে সন্মুখীন হোৱা প্রধান সমস্যা আৰু প্রত্যাহ্বানসমূহ কি কি? প্রতিটো সমস্যা চমুকৈ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ বিশ্বায়ন আৰু ভাৰতীয় কৃষক

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ বিশ্বায়ন আৰু ভাৰতীয় কৃষক
১১.৩.১ বিশ্বায়নৰ সংজ্ঞা
১১.৩.২ ভাৰতীয় কৃষি বিদ্রোহৰ সংক্ষিপ্ত ইতিহাস
১১.৩.৩ বিশ্বায়ন আৰু কৃষক সমস্যাত ইয়াৰ প্রভাৱ
১১.৩.৪ কৃষক বিদ্রোহৰ পদ্ধতি বিশ্বায়নৰ প্রভাৱ
১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৫ অধিক জানিবলৈ
১১.৬ অগ্রগতিৰ খতিয়ান
১১.৭ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বিশ্বায়নৰ সংজ্ঞা দিব পাৰিব
- ভাৰতীয় কৃষি বিদ্রোহৰ ইতিহাস বুজিব পাৰিব
- ভাৰতীয় কৃষি ভিত্তিক অর্থনীতিত বিশ্বায়নৰ প্রভাৱ ব্যাখ্যা কৰিব পাৰিব
- কৃষক বিদ্রোহৰ পদ্ধতিত বিশ্বায়নৰ প্রভাব আলোচনা কৰিব পাৰিব।

১১.২ পৰিচয়

ভাৰতৰ ইতিহাসত কৃষক বিদ্রোহৰ অধ্যয়নটোৰ পম খেদিলে দেখো যে, অনতিকালৰ পৰাই কৃষকসকলে ব্যক্তিগতভাৱে হওঁক নাইবা সমুহীয়াভাৱে হওঁক বিদ্রোহ কৰি আহিছে। যি দুই মুখ্য কাৰণৰ বাবে কৃষক বিদ্রোহ সচৰাচৰ সংগঠিত হয়, সেয়া হ'ল ঃ অনুৎপাদন আৰু বর্ধিত কৰ। এই দুই কাৰকক কেন্দ্র কৰি বিভিন্ন সময়ত বিভিন্নটা বিদ্রোহে ভাৰতৰ বিভিন্ন ঠাইত গা কৰি উঠিছিল। সমূহ বিদ্রোহৰ ভিতৰত আটাইতকৈ গুৰুত্বপূর্ণ আৰু সুদূৰ প্রসাৰী বিদ্রোহসমূহ বৃটিছ ঔপনিৰেশিত শাসনৰ সময়ত সংগঠিত হৈছিল। স্বাধীনতাৰ পৰৱর্তী কালতো কৃষকসকল সমস্যাসমূহৰ একো বিশেষ সমাধান পোৱা নগ'ল। নতুন চৰকাৰী ব্যৱস্থা আৰু নতুন অর্থনীতিয়ে লগত লৈ আনিলে অলেখ নতুন বাধা আৰু সমস্যা। আনফালে, ক্রমাগতভাৱে সবল হৈ অহা গোলকীকৰণে কৃষকসকলক নতুন ধৰণেৰে বিক্ষোভ কৰিবলৈ নতুন বাট দেখুৱাবলৈ ধৰিলে। গোলকীকৰণে যদিও নতুন চিন্তাৰ প্রসাৰ কৰে, কিন্তু লগতে ই অর্থনৈতিক দিশত নতুন সমস্যাৰ উন্মেষ ঘটায়। বিশ্বব্যাপী অর্থনৈতিক ব্যৱস্থাই যি

নতুন বজাৰ ব্যৱস্থাক উদ্‌গনি জনায়, তাক এক বিশিষ্ট মজদুৰ শক্তিয়েহে সবল কৰি ৰাখে। গতিকে এই ব্যৱস্থাত মজদুৰ শ্ৰমে এক বিশেষ সংজ্ঞা গ্ৰহণ কৰে। লগে লগে ভাৰতীয় কৃষিজীৱনে নানান নতুন ৰূপ ধাৰণ কৰে। গতিকে উক্ত বিষয়টেইটা আগত ৰাখি এই অধ্যয়ত প্ৰথমে ভাৰতৰ ইতিহাসত কৃষি সংগ্ৰামৰ ভূমিকা আলোচনা কৰা হ'ব। দ্বিতীয়তে কৃষি আৰু কৃষিভিত্তিক জীৱনশৈলীত বিশ্বায়নে কিদৰে প্ৰভাৱ আৰু প্ৰভুত্ব বিস্তাৰ কৰিছে, সেই বিষয়ে আলোচনা কৰা হ'ব। তৃতীয়তে বিশ্বৰ সমূহ দেশৰ মাজত গোৱা সাংস্কৃতিক তথা বৌদ্ধিক আদান-প্ৰদানে ভাৰতীয় কৃষি বিপ্লৱক কি প্ৰকাৰে প্ৰভাৱিত আৰু প্ৰসাৰিত কৰিছে এই আলোচনা এই অধ্যয়ৰ মুখ্য বিশ্লেষিত বিষয়।

১১.৩ বিশ্বায়ন আৰু ভাৰতীয় কৃষক

১১.৩.১ বিশ্বায়নৰ সংজ্ঞা

অতি সহজ ভাষাত ক'বলৈ হ'লে বিশ্বায়ন মানে হ'ল আন্তৰ্জাতিক সহযোগীতা আৰু নিৰ্ভৰশীলতা। দ্বিতীয় বিশ্বযুদ্ধৰ ঠিক পিছৰ পৰাই 'বিশ্ব পৰিয়াল'ৰ ধাৰাটোৰ আৰম্ভণি ঘটে। এই আন্তঃৰাষ্ট্ৰীয় নিৰ্ভৰশীলতাৰ কিছু ধনাত্মক দিশ আগত ৰাখিয়েই উদ্দেশ্য কৰা হয়। আৰম্ভণিতে এই আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ উদ্দেশ্য কৰা হয়। আৰম্ভণিতে এই আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ উদ্দেশ্য আছিল বিশ্বশান্তি আৰু সহযোগীতাৰ মাজেদি আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ এক পৰিকল্পিত সম্প্ৰসাৰণ ঘটোৱা। আৰ অ' ব্ৰায়েন নামেৰে এজন সমাজ বিজ্ঞানীয়ে এই উন্নয়নৰ ধাৰাক আগত ৰাখিয়েই বিশ্বায়নৰ এক সংক্ষিপ্ত সংজ্ঞা আগবঢ়াই কয় যে, ই এক এনে প্ৰক্ৰিয়া যিয়ে সমগ্ৰ বিশ্বক এখন সৰু ঠাইলৈ ৰূপান্তৰিত কৰিব।

এই সন্দৰ্ভত তেওঁ 'End of Scognephy'এই শব্দমালা ব্যৱহাৰ কৰে তেখেতৰ জনপ্ৰিয় কিতাপ 'Global financial Integhation: The end of Giography, New York: Council on foreign relations press, 1992'ত বিশ্বায়ন হ'ল এক সৰ্ববাহৰ ধাৰা। এই ধাৰা পৰিলক্ষিত হয় ভোগৰ সামগ্ৰী, কলা-কৃষ্টি, চিন্তা-বিচাৰধাৰা আৰু জনসাধাৰণৰ পৰিভ্ৰমণৰ দ্বাৰা। যিদৰে আমি মানুহে এঠাইৰ পৰা আন ঠাইলৈ যাত্ৰা কৰো, ঠিক সেইদৰে বিশ্বায়নৰ ক্ৰমাগত প্ৰসাৰৰ পৰিণতিস্বৰূপে মানুহৰ লগত নানান অন্যান্য সামগ্ৰী তথা চিন্তাধাৰা, কলা-সংস্কৃতিৰ ও পৰিভ্ৰমণ সম্ভৱ হৈ উঠিছে। এই ধাৰাই এক স্থায়ী ৰূপ ধাৰণ কৰিছিল ঔপন্যাসিক ৰাজত্বৰ কালছোৱাত, যেতিয়া উপনিৱেশবোৰ ঔপনিৱেশিক ৰাষ্ট্ৰসমূহৰ নৱনিৰ্মিত কাৰখানাৰ উপযোগী কেচা সামগ্ৰীৰ স্থায়ী যোগান ধৰোতাত পৰিণত হৈছিল আৰু লগতে উৎপাদিত সামগ্ৰীৰ এখন সহজলভ্য বজাৰত ও পৰিণত হৈছিল। কিন্তু ওপৰত কোৱাৰ দৰে এই পাৰস্পৰিক নিৰ্ভৰশীলতাই দ্বিতীয় বিশ্বযুদ্ধৰ পাছত এক সুনিশ্চিত ৰূপ ধাৰণ কৰে। এইখিনিতে মন কৰিবলগীয়া কথা এই যে অৰ্থনৈতিক স্বাৰ্থত গঠিত হোৱা পাৰস্পৰিক সম্পৰ্ক আৰু নিৰ্ভৰশীলতাক সুকীয়াকৈ অৰ্থনৈতিক গোলকীকৰণ বুলিও কোৱা হয়। Foreign Direct Investment (FDI), Multi National choporations (MNCs), Capital Flows, আৰু প্ৰযুক্তিবিদ্যাৰ বৈপ্লৱিক সম্প্ৰসাৰণে এই গোলকীকৰণৰ ধাৰাক আগবঢ়াই নি এক নিশ্চিতৰূপ ধাৰণ কৰাত বাৰুকৈয়ে সহায় কৰিছে। বৰ্তমানৰ দেশসমূহৰ অৰ্থনৈতিক ব্যৱস্থাৰ বিশ্লেষণ কৰিলে দেখা যায় যে, বিশ্ববাসীৰ সুদুৰব্যাপী ৰূপটো। ছ'ভিয়েট ৰাছিয়াৰ স্খলনৰ পৰৱৰ্তী কালত আমি সমগ্ৰ বিশ্বতে এই নতুন অৰ্থনৈতিক ধাৰাৰ বিকাশ হোৱাটো দেখা পাওঁ আৰু বৰ্তমান সময়ত এই অৰ্থনৈতিক গোলকীকৰণে দেশসমূহৰ মাজত থকা সমস্ত সম্পৰ্ক নিধাৰণ কৰা দেখা যায়। উৎপাদিত সামগ্ৰীৰ বাবে প্ৰত্যেক দেশে বিশ্বব্যাপী ভোগবাৰ্তাক উদ্দেশ্য কৰি পণ্যদ্ৰব্য উৎপাদন কৰে। এই প্ৰথাই দেশ, জাতি আৰু সংস্কৃতি নিৰ্বিশেষে

এক নতুন সার্বজনীন, বিশ্বব্যাপী বজাৰৰ সৃষ্টি কৰিছে। ইয়াৰ ফলস্বৰূপে আমি ক্রমান্বয়ে ইখন দেশে আনখন দেশৰ ওপৰত নির্ভৰশীল হৈ আহিছো। কৃষি প্রভান অর্থনীতিত ইয়াৰ প্রভাৱ অতি বেছিকৈ বর্তমান। গতিকে এই অধ্যায়ৰ পৰৱর্তী অনুচ্ছেদবোৰত আমি কৃষিমূলক অর্থনীতিত গোলকীকৰণে কি কি প্রভাৱ পেলাইছে আৰু কি দৰে এই প্রভাৱে কৃষকৰ আন্দোলনত ও নতুন বৈশিষ্ট প্রদান কৰিছে, তাৰেই আলোচনা কৰা হ'ব।

১১.৩.২ ভাৰতীয় কৃষি বিদ্রোহৰ সংক্ষিপ্ত ইতিহাস

এই অধ্যয়ৰ আৰম্ভণিতে উল্লেখ কৰাৰ দৰে, ভাৰতৰ ইতিহাসসৰ কৃষি বিদ্রোহৰ প্রমাণ অনতিকালৰ পৰাই পোৱা যায়। তথাপি বৃটিছ শাসনৰ অধীনত থকা সময়ছোৱাত এই সমূহ বিদ্রোহ সঘনাই সংগঠিত হোৱাৰ ফলত, ভাৰতীয় স্বাধীনতা আন্দোলনত এক বিশেষ ভূমিকা ল'বলৈ সক্ষম হয়। উনবিংশ আৰু বিংশ শতাব্দীৰ কালছোৱাত সমগ্র দেশজুৰি কৃষিক বিদ্রোহসমূহ সক্রিয়ভাৱে গা কৰি উঠিছিল। আটাইতকৈ বেছি প্রভাৱশালী কৃষক বিদ্রোহটো হৈছিল (বেংগলত) বংগদেশত ১৮৫৯-১৮৬০ চনত। এই বিদ্রোহক নীলা বিদ্রোহ (Indigo Rebellion) নামেৰে জনা যায়। ইয়াৰ উপৰিও ডেক্কাৰ ৰায়ত (১৮৭৫-৭৬), বিৰছা মুণ্ডাৰ বিদ্রোহ (১৮৯৯), চম্পৰণ নীলা সত্যাগ্রহ (১৯৭১), খেড়া সত্যাগ্রহ (১৯১৮) ইত্যাদি বিদ্রোহসমূহ লেখত লবলগীয়া। যদিও সর্বভাৰতীয় পর্যায়ত বিশেষ চমক দেখুৱাবলৈ সক্ষম নহ'ল, দিয়া হয় কাৰণ তেওঁলোকে লাভৰ বাবে খেতি নকৰে, বৰঞ্চ নিজৰ ভোগৰ কাৰণেহে বেছিভাগ কৃষকক খেতি কৰা দেখা যায়। ঐতিহাসিক পর্যালোচনাত ও দেখা যায় যে কৃষকসকলে সমাজৰ শোষণ আৰু বৈষম্যৰ ভাৰ বহন কৰি আহিছে।

ভাৰতীয় কৃষক বুলি ক'লে আমি সাধাৰণতে কৃষি শ্রমিক, আধিয়াৰ, ক্ষুদ্র আৰু মধ্যমীয়া কৃষক, দৰিদ্র কাৰিকৰ ইত্যাদিকে বুজো যদিও কৃষক গোষ্ঠীসমূহত সকলো জাতি আৰু বর্ণৰে মানুহ থাকে। তথাপি ভাৰতত বৃহতাংশ কৃষক অনুসূচিত জনজাতিৰ অন্তর্গত। বিভিন্ন শব্দৰে কৃষকসকলক নামকৰণ কৰা হয় যেনে— খেতিয়ক, কিষাণ, কৃষক, ৰায়ত, ছাচি, ইত্যাদি। মজদুৰ, ভাগছাটি, আধিয়াৰ, মজুৰ, কুলি আজি নামেৰে কৃষি শ্রমিকসকলক বুজোৱা হয়। স্বাধীনতাৰ পৰৱর্তী কালছোৱাত কৃষকসকলৰ অৱস্থাৰ বৰ বিশেষ উন্নতি হোৱা দেখা নগ'ল। স্বাধীন ভাৰতত ও কৃষকসকলে ঠিক একেই পোষকীয় ব্যৱস্থাৰ বলি হ'বলগীয়া হয়। এনে অৱস্থাসমূহৰ ভিতৰত উল্লেখনীয় হ'ল ঃ শোষণমূলক মধ্যস্ততাকাৰী ভূমিকাৰ, ভূমি আবণ্টনৰ ক্ষেত্রত দেখা পোৱা পূর্বৰ জমিদাৰী ব্যৱস্থাৰ কিছু প্রভাৱ, অসুৰক্ষিত, মালিকীস্বত্ব, কষ্টদায়ক কৰ ব্যৱস্থা, দুখীয়া কৃষকৰ ওপৰত এইসমূহ ব্যৱস্থাৰ অত্যাধিক প্রভাৱ, বর্ধিত মানৰ দৰিদ্র আৰু নিবনুৱা সমস্যা। গতিকে দেখা যায় যে এনে অৱস্থাৰ পৰা পৰিত্রাণ পাবলৈ হ'লে স্বাধীনতাৰ উত্তৰকালতো কৃষকসকলৰ হাতত বিদ্রোহ কৰাৰ বাদে অন্য উপায় নাই।

এতিয়া ভাৰতীয় অর্থনীতিত গোলকীকৰণৰ প্রভাৱ লক্ষ্য কৰিলে আমি দেখা পাওঁ যে আমাৰ জনসংখ্যা অশিক্ষিত লোকৰ সংখ্যা আৰু নিবনুৱাৰ হাৰ বৃদ্ধিৰ বাবে বর্তমান ভাৰতবর্ষত এখন সহজলভ্য বনুৱাৰ দেশত পৰিণত হৈছে। Multi national corporation (MNCs) সমূহৰ দ্রুত বৃদ্ধিয়ে ভাৰতীয় অর্থনীতিক এক নতুন ৰূপ দিছে। যি সমূহ কাৰকে গোলকীকৰণক প্রসাৰিত হোৱাত সহায় কৰে, সেয়া হ'ল— প্রযুক্তিবিদ্যাৰ দ্রুত বিকাশ, মুক্ত বাণিজ্য আৰু অর্থনৈতিক ব্যৱস্থা, World Trade Organisationৰ ভূমিকা। এইসমূহ ব্যৱস্থাৰ দ্বাৰা যদিও আমাৰ দেশৰ অর্থনীতি বহুপ্রকাৰে উপকৃত হৈছে তথাপি ইয়াৰ কুফলসমূহৰ প্রভাৱ কৃষকসমাজে বহন কৰিবলগীয়া হৈছে।

১১.৩.৩ বিশ্বায়ন আৰু কৃষক সমস্যাত ইয়াৰ প্ৰভাৱ

একবিংশ শতিকাৰ অৰ্থাৎ বৰ্তমানৰ ভাৰতত কৃষকসকলৰ সমস্যাৰ আমি যদি বিশ্লেষণ কৰিবালৈ যাওঁ আমি দেখিম যে, দেশত খাদ্যাভাসৰ নাটনি দূৰ কৰিবলৈ চৰকাৰে আমদানিক গুৰুত্ব দি যিসমূহ নীতি অৱলম্বন কৰিছে, সেই নীতিসমূহে ভাৰতীয় কৃষকক পেটত গামোচা বান্ধিবলৈ বাধ্য কৰা দেখা গৈছে। যদিও এই নীতিৰ উদ্দেশ্য ইতিবাচক, ইয়াৰ ফলস্বৰূপে কৃষকসকলে নিজ কৃষিগত পেচাৰ লগত আপোচ কৰিবলগীয়া হৈছে। লগতে অন্য দেশৰ অৰ্থনীতিৰ ওপৰত নিৰ্ভৰ কৰা আৰু আমদানি ব্যৱস্থাক উদগনি জনাই সমস্যাৰ সমাধান সুনিশ্চিত কৰাটো সম্ভৱ হৈছে অকল বিশ্বায়নৰ ফলত। গতিকে এফালে যদি আমি দুৰ্ভিক্ষৰ বাবে সাজু হৈছো, আনফালে আমদানিৰ ওপৰত অত্যাধিক নিৰ্ভৰ কৰি সেই দুৰ্ভিক্ষক এটা স্থায়ী ৰূপ দিয়াৰ পথত অৱতাৰিত হৈছো। স্বাধীন ভাৰতৰ কৃষকে পাঞ্জাৱত হোৱা 'সেউজ বিপ্লৱ'ক যিদৰে সফল ৰূপ দি কৃষক সমাজৰ আগত নস্বপ্ন আৰু নতুন আশাৰ সঞ্চাৰ ঘটাইছিল, আজিৰ এই ব্যৱস্থাই সেইসমূহ আশাত চেচাপানী ঢালিছে। এই বিপ্লৱে ভাৰতীয় অৰ্থনীতিক, যাক 'Ship to month' অৰ্থনীতি বুলি কোৱা হৈছিল, তাৰ পৰা উন্নীত কৰি পৃথিৱীৰ সৰ্ববৃহৎ ধান আৰু ঘেহু ৰপ্তানি কৰা দেশত পৰিণত কৰিছিল (Ship to month)ৰ অৰ্থ হ'ল যে ভাৰতবৰ্ষত উৎপাদন কম হোৱা বাদে আৰু কৃষিক্ষেত্ৰত কোনো বিকল্প নোহোৱা বাবে আমি 'সেউজ বিপ্লৱ'ৰ পৰৱৰ্তী কালছোৱাত বিদেশী পণ্যদব্যৰ ওপৰত

নিৰ্ভৰশীল আছিলো। তথা ঔপনিৱেশিক কালত ও ভাৰত এখন বিখ্যাত বজাৰত পৰিগণিত হৈছিল য'ত জাহাজেৰে অহা দ্ৰব্য পোনেই ভোক্তাৰ মুখলৈ গৈছিল বুলি ধৰা হৈছিল। ১৯৬৪ চনত ভাৰতে অকল ১০ মিলিয়ন টন ঘেহু উৎপাদন কৰিছিল। এই উৎপাদন বাঢ়ি ২০১৩-১৪ চনত ৯৫.৪ মিলিয়ন টন হল। কিন্তু বৰ্তমানৰ এই আমদানিৰ নীতিসমূহে 'সেউজ বিপ্লৱ'ৰ লক্ষ্য আৰু সাফল্যক ধূলিসাৎ কৰাৰ উপক্ৰম কৰিছে। ভাৰতৰ প্ৰধান খাদ্য চাউল, ঘেঁহু আৰু আমদানি ২০১৪-১৫ ৰ পৰা ২০১৬-১৭ চনতৈ ৬৬০০ শতাংশ বৃদ্ধি পাইছে। এই আমদানিৰ ফলত বজাৰ ভৰপুৰ হৈ এই কেইবিধ মুখ্য কৃষকৰ সামগ্ৰীৰ মূল্য হ্ৰাস পাইছে আৰু এই ঘটনাই কৃষকসকলক জুৰুলা কৰিছে। সহজ ভাষাত কবলৈ গ'লে এইসমূহ মুখ্য কৃষি উৎপাদিত সামগ্ৰীৰ বদ্ধিত আমদানিয়ে কৃষকসকলক অৰ্থনৈতিকভাৱে দুৰ্বল কৰি ঋণ লবলৈ বাধ্য কৰিছে। যিসকলে এই ঋণ পৰিশোধ কৰিবলৈ সক্ষম নহয়, তেওঁলোকে অৱশেষত আত্মহত্যাৰ পথ অৱলম্বন কৰাৰ পিছত আজিৰ ভাৰতত কৃষকৰ আত্মহত্যা কৃষিজীৱিৰ মাজত এক ভয়াৱহ সমস্যালৈ ৰূপান্তৰিত হৈছে। এই সমস্যা আটাইতকৈ বেছ ভয়ানক তেতিয়া হয় যেতিয়া গৃহ উৎপাদন (Domestic production) আটাইতকৈ বেছি হোৱাৰ সত্ত্বেও বজাৰত আমদানি দ্ৰব্যৰ প্ৰয়োভৰ নকমে। এই সন্দৰ্ভত ভাৰতীয় কিষাণ ইউনিয়নৰ পঞ্জাৱ শাখাৰ মুখ্য নেতা আজমেৰ সিং লাখোৱালে কয় যে, 'সস্তীয়া ঘেঁহুৰ আমদানিয়ে বজাৰত ইয়াৰ মূল্য হ্ৰাস কৰিব। এনেকুৱা লাগিছে চৰকাৰে কৃষকসকলক খেতি কৰাৰ পৰা অৱসৰ লোৱাটোহে যেন বিচাৰিছে।' আৰ এচ ৰাণা নামেৰে সনেপট, হাৰয়ানাৰ এজন কৃষি বিশেষজ্ঞই কয় চে, 'ঘেহুৰ অত্যাধিক আমদানিয়ে কৃষকসকলক খেতি কৰিবলৈ নিৰোৎসাহী কৰিব আৰু যাৰ বাবে পৰৱৰ্তী বৰ্ষত উৎপাদন ও হ্ৰাস পাব। গতিকে ঘেঁহুৰ আমদানি মানেই হ'ল কৃষিৰ আৰু কৃষিজীৱনৰ পতন। 'কৃষিৰ আমদানিক' এইক্ষেত্ৰত 'নিবনুৱা সমস্যাৰ আমদানি' বুলিও বহুতে কৈছে। কিন্তু এই সমস্যা অকল কৃষকসকলৰ জীৱিকাৰ লগতে জড়িত নহয়, সঁচা অৰ্থত ই ভাৰতবৰ্ষৰ খাদ্যৰ নিৰাপত্তা আৰু দেশৰ সাৰ্বভৌমত্বৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। Pulses

ৰ ক্ষেত্ৰত চৰকাৰী নীতি আৰু এখাপ ওপৰত। ২০১৮ চনত যেতিয়া ভাৰতত Pulses ৰ দাম গগনচুম্বি আছিল, সেই মুহূর্তত ভাৰতে Mozambigni ৰ লগত Memorandum of Understanding (MOU) ত চহী কৰে সেই দেশত উৎপাদিত Pulses ভাৰতলৈ আমদানি কৰাৰ বাবে। অন্যান্য দেশ যেনে Brezil আৰু Myanmar ৰ পৰাও এইসমূহ মাহজাতীয় শস্য (Pulses) আমদানি কৰাৰ যো-যা চলি আছে। যোৱা ৫ বছৰত আমাৰ দেশে প্ৰায় ০.৫ মিলিয়ন টন মাহজাতীয় শস্য Mozambigni ৰ পৰা আমদানি কৰিছে। আন দুবিধ মুখ্য আমদানি দ্ৰব্য হ'ল ছয়াবিনৰ তেল আৰু গ্ৰানোলা তেল। যদিও এই সমস্ত ব্যৱস্থা ভাৰতীয় গ্ৰাহকক অনাটন তথা দুৰ্ভিক্ষৰ পৰা পৰিত্ৰাণ দিবলৈ কৰা হৈছে। কিন্তু ইয়াৰ বিধ্বংসী প্ৰভাৱে কৃষকৰ সমস্যাৰ অপূৰণীয় ক্ষতি সাধন কৰিছে।

১১.৩.৪ কৃষক বিদ্ৰোহৰ পদ্ধতিত বিশ্বায়নৰ প্ৰভাৱ

বিশ্বায়নৰ সৰ্বপ্ৰথম প্ৰভাৱ ভাৰতীয় কৃষি ৰাজনীতিত তেতিয়া পৰে; যেতিয়া ভাৰতত বামপন্থী ৰাজনৈতিক চিন্তাধাৰাৰ উন্মেষ ঘটে। ৰুচিয়াত হোৱা বলছেভিক বিপ্লৱ আৰু ভাৰতত গঢ় লৈ উঠা ভাৰতীয় কমিউনিষ্ট আন্দোলনে (Indian Communism) ভাৰতীয় কৃষকসকলক এক নতুন আশাৰ বাট দেখুৱায়। শ্ৰমিক আৰু কৃষক দলে (Wokers and Presents Penty) ১৯৩০ চন পৰ্যন্ত কিন্তু কৃষকৰ সমস্যাসমূহক আগ্ৰাধিকাৰ দিয়া নাছিল। তথাপি ইয়াৰ পিছৰ দশকবোৰত এই দশক কৃষকসকলৰ মাজত জনপ্ৰিয় হোৱা দেখিবলৈ পোৱা গ'ল। ইয়াৰ মুখ্য কাৰণ হ'ল কৃষকসকলৰ মাজত জাগি উঠা ৰাজনৈতিক আৰু শ্ৰেণীগত সচেতনতা। ইয়াৰ ফলস্বৰূপে দুখীয়া কৃষক, ভূমিহীন মজদুৰ আৰু কৃষি শ্ৰমিক সকল সকলো প্ৰকাৰে সচেতন হৈ কৃষি আন্দোলনক নতুন ৰূপদান কৰে।

সৰ্বভাৰতীয় কিষাণ সভাৰ জন্ম সম্ভৱ হয় বিভিন্ন অনুষ্ঠান আৰু বিভিন্ন বিচাৰধাৰাৰ সন্মিলনৰ ফলস্বৰূপে। ঔপনিৱেশিক শাসনৰ বিৰোধে জনসাধাৰণক সজাগ কৰি গণ আন্দোলনৰ আকাৰ বৃদ্ধি আৰু মানদণ্ড উচ্চ কৰাৰ নিমিত্তে শ্ৰমিক, মধ্যবিত্ত আৰু কৃষক একত্ৰিত হয়। বামপন্থীসকলো (Congress Socialist) সকলৰ কায চাপে আৰু কৃষকসকলৰ সকলোবোৰ সমস্যাৰ সমাধান বিচাৰিবলৈ সংকল্পবদ্ধ হয়। এই সন্মিলিত গোটৰ মুখ্য দাবীসমূহ আছিল ঃ জমিদাৰী প্ৰথাৰ অৱশেষ ঘটোৱা , (Tenert) সকলক ভূমি দখলৰ অধিকাৰ প্ৰদান কৰা , ঋণ -মুক্ত কৰা আৰু কৃষিগত শ্ৰমৰ বাবে হাজিৰা (Agriculturel Wage) সৰ্বভাৰতীয় কিষাণ সভাই ১৯৩৬ চনৰ পৰা ১৯৩৯ চনলৈ ভাৰতবৰ্ষৰ ভিন ভিন প্ৰদেশ যেনে; বঙ্গদেশ, বিহাৰ, উৰিষ্যা, পাঞ্জাৱ, গুজৰাট, মাদ্ৰাজ্য, চেণ্টেল প্ৰভিঞ্চ আৰু নৰ্থ ৱেষ্ট ফ্ৰণ্টিয়াৰ প্ৰভিঞ্চত নানান কৃষক আন্দোলনৰ গুৰি ধৰে। যিসময়ত সঃ ভাঃ কিঃ সঃ খুবেই জনপ্ৰিয় আছিল ঠিক সেই সময়তে ১৯৩৭ চনত বিহাৰত 'খেট -মজদুৰ সভা' বুলি এক নতুন সভা গঢ় লৈ উঠে। এই নৱনিৰ্মিত কৃষক স ভাই সঃজঃকিঃ সঃ ৰ অস্বিত্বক কিছু পৰিমাণে হ'লেও ম্লান নিয়াই। এইখিনিতে আকৌ সোঁৱৰাই দিয়া উচিত যে বিশ্বায়ণৰ প্ৰভাব ভিন্ন ভিন্ন প্ৰকাৰে উপলব্ধ হয়। এহাতে যিদৰে অৰ্থনৈতিক বিশ্বায়ণৰ ফলত কৃষকসকল এফালে জুৰুলা-জুপুৰা হয় আনহাতে আকৌ সাংস্কৃতিক বিশ্বায়ণে সেই একেই কৃষক সমাজক নিজ অধিকাৰ সাব্যস্ত কৰিবলৈ নতুন আৰু প্ৰভাৱশালী প্ৰক্ৰিয়াৰে অৱগত কৰায়। উদাহৰণস্বৰূপে সঃ ভাঃ কি সঃ ৰ নেতা স্থায়ী সহজানন্দই লেনিনৰ আদশেৰে অনুপ্ৰাণিত হৈ কৈছিল যে, 'Land to tillek and power to soviete'') ইয়াৰ অৰ্থ হ'ল মাটিৰ আচল মালিক হ'ল সি যি মাটি চহায়। গতিকে ক্ষমতাৰ আচল ভাগীদাৰ খেতিয়ক আৰু শ্ৰমিকসকলহে হোৱা উচিত সঃ ভাঃ কিঃ সঃ বু পিছত ভাৰতীয় কমিউনিষ্ঠ Party ত যোগ দিয়া হয় আৰু লগে লগে ইয়াত নানান ভাবাদৰ্শমূলক পৰিৱৰ্তন পৰিলক্ষিত হয়। শ্ৰেণী -বৈষম্যৰ প্ৰতি থকা সজাগতাই ইয়াক পাঞ্জাৱ,

অন্ধ্রপ্রদেশ আৰু বঙ্গদেশত অতি দ্রুতগতিৰে জনপ্রিয় এটা দললৈ ৰূপান্তৰিত কাৰ সঃভাঃ কিঃ সঃ আৰু ভাৰতীয় কমিউনিষ্ট পাচিয়ে ভূমিহীন শ্রমিক, দুখীয়া খেতিয়ক, আধিয়াৰ আৰু কৃষি শ্রমিকৰ সহায়ত ভাৰতীয় ইতিহাসৰ দুটা অতিকৈ প্রভাৱশালী বামপন্থী কৃষক বিদ্রোহৰ সূচনা কৰে। ইয়াৰে প্রথমটো হ'ল ভোগা আন্দোলন, ১৯৪৬-৪৭ (Tevhegs Movement in Bengel) আৰু দ্বিতীয়টো হ'ল তেলেংগানা আন্দোলন ১৯৪৬-৫৭ (Telengahg Movement)। ভাৰতীয় কমিউনিষ্ট পার্টিয়ে ভাৰতীয় কৃষকৰ সমস্যাসমূহক চৰকাৰৰ দৃষ্টিগোচৰ কৰাত তেতিয়াৰ পৰা আৰম্ভ কৰি বর্তমান কাললৈ চেষ্টাকৰি আহিছে। আনহাতে এই একেই মতবাদৰ উগ্রৰূপটোৰ নিদর্শন কৃষি আন্দোলনসমূহত নক্সালবাড়ীৰ আন্দোলনৰ মাজেৰে দেখা যায়। এই আন্দোলনৰ ১৯৬৭ চনত বঙ্গদেশত উত্থান ঘটে আৰু ইয়াৰ যোগেদি কৃষকসকলে সশস্ত্র বিপ্রৱীৰ ৰূপ ধাৰণ কৰি নিজ অধিকাৰ সাব্যস্ত কৰাৰ ৰণত নামি পৰে। এই নক্সালবাড়ী আন্দোলনৰ যোগেদি কৃষকসকলে মুখ্যতঃ বলপ্রয়োগ কৰি কৃষিমাটি নিজৰ হাতলৈ আনে, ধান নিজে কাটি মাটিৰ মালিকৰ অনুমতি নোলোৱাকৈ নিজে নিজৰ ঘৰৰ চোতালত মৰণা মাৰে, পুলিচৰ বিপক্ষে বাধা তৈয়াৰ কৰে, মাটিৰ মালিকৰ পিবদে বাধা তৈয়াৰ কৰে। এইসমূহ কার্যতেওঁলোকে সাধাৰণতে পৰম্পৰাগত থলুৱা অস্ত্র-শস্ত্র ব্যৱহাৰ কৰে। তাৰ উপৰিও নক্সলবাড়ী আন্দোলনকাৰী সকল গড়িলা যুদ্ধনীতিত পাৰ্গত থাকে আৰু তেওঁলোকৰ আন্দোলনৰ অন্যতম মুখ্য কার্য হ'ল সহযোদ্ধাসকলক সকলো সময়তে সহায় সহযোগ কৰা।

এই মতাদর্শেৰে যুঁজা সমূহ আন্দোলনেই হিংসাত্মক আৰু সশস্ত্র হোৱা বাবে ধন জনৰ বৃহৎ ক্ষতি সাধন কৰে। গতিকেই চৰকাৰে এইসমূহ আন্দোলনক নিষিদ্ধ ঘোষণা কৰিবলৈ বাধ্য হয়।

যি কি নহওঁক উক্ত আলোচনাৰ পৰা দেখা যায় যে বিপ্লবায়নৰ ফলস্বৰূপে কৃষকসকলে সমুখীন হোৱা নানান সমস্যাই তেওঁলোকক নিজ দুৰৱস্থাৰ প্রতি অৱগত কৰোৱাৰ লগতে সাংস্কৃতি বিপ্লবায়নৰ ফলস্বৰূপে ভাৰতীয় কৃষকে শ্রেণী সংগ্রামৰ আদর্শৰ লগত পৰিচিত হয়। এই সকলো কৃষি আন্দোলনে কৃষকসকলৰ মনত থকা বিক্ষোভক প্রদর্শিত কৰিছে। লগে লগে কৃষকসকলৰ বুদ্ধিমত্তাৰ পৰিচয় তেওঁলোকৰ নেতৃত্ব দিব পৰা গুণ আৰু নিজ বিক্ষোভ সুন্দৰভাৱে উপস্থাপন কৰিব পৰা গুণে দিছে। এতিয়া একেবাৰে বর্তমান অৱস্থাত চলি থকা কৃষকৰ বিক্ষোভ প্রদর্শনৰ আৰু কৃষি জীৱনৰ সমস্যাৰ বিশ্লেষণ কৰিলে দেখো যে কৃষকৰ আত্মহত্যা এতিয়া আটাইতকৈ সংক্রময় বিষয়। ২০১৫ চনত সর্বমুঠ ৮,০০৭ জন কৃষকে আত্মহত্যা কৰে। ২০১৪ চনত এই সংখ্যা আছিল ৫৬৫০ জন। ইয়াত ৪১.৭% বৃদ্ধি পৰিলক্ষিত হৈছে ২০১৫ চনৰ National Crime Records Bureak ৰ তথ্য মতে ৩৯% শতাংশ আত্মহত্যা কৰা কৃষকে ঋণ পৰিশোধ কৰিব নোৱাৰি এই পথ লয়। ২০১৪ চনত আত্মহত্যা কৰা ২০.৬% কৃষকে ঋণ লৈছিল। ২০১৩ চনত ভাৰতবর্ষ প্রত্যেক তিনিজনৰ ভিতৰত এজনকৈ গ্রামীণ ঋণত পোত খাই থকা বুলি তথ্যসমূহে দর্শায়। যদিওবা আমি আত্মহত্যাক বিদ্রোহৰ পথ বুলি ক'ব নোৱাৰো কাৰণ ই এক আইনমতে দণ্ডনীয় অপৰাধ আৰু নৈতিকভাৱেও এই কার্যৰ গৰিহণা দিয়া হয়। তথাপি এই কথা নুই কৰি নোৱাৰি যে যি পৰিস্থিতিত পৰি ভাৰতীয় কৃষকসকলে এই পন্থা অৱলম্বন কৰে; এইয়া তেওঁলোকৰ ক্ষোভ আৰু অসহায়তা প্রকাশৰ অন্তিম উপায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বিপ্লবায়ন মানে কি?

প্রশ্ন নং ২ ঃ অর্থনৈতিক বিপ্লবায়ন মানে কি?

প্ৰশ্ন নং ৩ ঃ কি কি উপাদানে বিশ্বায়নক বিস্তাৰিত কৰিছে?

প্ৰশ্ন নং ৪ ঃ কৃষক শ্ৰেণী বুলিলে কি বুজা?

প্ৰশ্ন নং ৫ ঃ ভাৰতবৰ্ষত সংঘটিত হোৱা কেইটামান কৃষক বিদ্ৰোহ নাম লিখা।

১১.৪ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

- ভাৰতীয় কৃষকসকলে মহাত্মা গান্ধীৰ মাজত তেওঁলোকৰ প্ৰথম ৰাষ্ট্ৰীয় নেতাজন পাইছিল।
- ঔপনিৱেশিক কালছোৱাত বিভিন্নটা কৃষক বিদ্ৰোহ সংগঠিত হয়। তাৰে ভিতৰত বেংগলত ৰোৱা নীল আন্দোলন Indiga Rebillion আটাইতকৈ স্মৰণীয়।
- গান্ধীজীৰ উপৰিও নানান জনে স্থানীয় তথা ৰাষ্ট্ৰীয় পৰ্যায়ত কৃষকসকলক নেতৃত্ব দিবলৈ আগবাঢ়ি আহে।
- আন্দোনসমূহৰ গুৰিত নানান কাৰণ থকা দেখা যায়। তাৰ ভিতৰত অৰ্থনৈতিক গোলকীকৰণে ঔপনিৱেশিক তথা স্বাধীনোত্তৰ কালত কৃষক আন্দোলনসমূহক কাৰক যোগায়।
- বৰ্হিঃদেশৰ লগত হেৰা বাণিজ্যিক সম্পৰ্কৰ প্ৰথম কুফলৰ আলোচনা সন্দৰ্ভত দাদাভাই নৌৰজীয় 'Drain of Wealth ৰ বিষয়ে তেওঁৰ অতিকৈ বিখ্যাত কিতাপ 'Poverty and Unbritish Rule in India' ত উল্লেখ কৰে।
- সৰ্বভাৰতীয় কিষাণ সভাই কৃষক আন্দোলনত বিশেষ ভূমিকা পালন কৰে।
- ভাৰতীয় কমিউনিষ্ট পাৰ্টিয়ে ভাৰতীয় কৃষকৰ বিক্ষোভ প্ৰদৰ্শনক ৰাজনৈতিক পথত আগুৱাই নিয়াত বৰঙণি যোগায়।
- স্বাধীনোত্তৰ কালচোৱাত ও কৃষিজীৱনৰ সমস্যাসমূহৰ বিশেষ সমাধান নোলোৱাৰ বাবে আৰু কিছু নতুন সমস্যাৰ অৱতাৰণা হোৱাৰ বাবে কৃষক বিদ্ৰোহসমূহ সমান তীব্ৰতাৰে চলি থাকিল।
- গোলকীয় অৰ্থনীতিয়ে ভাৰতীয় কৃষকৰ জীৱনত দুই ৰকমে প্ৰভাৱ বিস্তাৰ কৰে।
- বিশ্বায়ন অথবা গোলকীৰণে পৃথিৱীৰ বিভিন্ন দেশসমূহৰ মাজত এক পাৰস্পৰিক নিৰ্ভৰশীলতাক বুজায়। ইয়াৰ ফলস্বৰূপে আমি এক সৰবৰাহৰ ধাৰা দেখিবলৈ পাওঁ। এই সৰবৰাহ হয় আদৰ্শৰ মতবাদৰ, পণ্যদ্ৰব্য আৰু জনসাধাৰণৰ পৰিভ্ৰমণৰ দ্বাৰা।
- এহাতে যিদৰে গোলকীয় অৰ্থনীতিৰ ফলস্বৰূপে সস্তীয় পণ্যদ্ৰব্যৰে বজাৰ ভৰি পৰি কৃষকসকলক জুৰুলা-জুপুৰা কৰিছে আনহাতেদি সাংস্কৃতিক বিশ্বায়নৰ ফলস্বৰূপে কৃষক বিদ্ৰোহসমূহ ন-ৰূপেৰে শক্তিশালী হৈ উঠাও দেখা গৈছে।
- বৰ্তমান সময়ত কৃষি সমাজত আটাইতকৈ জলন্ত সমস্যা হ'ল— ঋণ। শস্যৰ অনুৎপাদন আৰু বজাৰত পোৱা সহজলভ্য উৎপাদিত সামগ্ৰীৰ (আমদানি) পয়োভাৰ ঘৰুৱা উৎপাদনৰ হাৰ কমায় ঘৰুৱা সম্পদ অৰ্থাৎ কৃষিগত উৎপাদিত সামগ্ৰীৰ চাহিদা আৰু মূলক হ্ৰাস কৰি কৃষকসকলক ঋণ ল'বলৈ বাধ্য কৰায়। এই ঋণ পৰিশোধ কৰিবলৈ যাওতে ব্যৰ্থ হোৱাৰ ফলতেই ভাৰতবৰ্ষত যোৱা দুটা দশকত কৃষকৰ আত্মহত্যাৰ সংখ্যা ভয়ংকৰ ৰূপত বৃদ্ধি পাইছে।

১১.৫ অধিক জানিবলৈ

১) Debal K. Singha Roy, Peasant Movments in Contemporary India : Emerging Forms of Domintion and Resistance', Economic and Political Weekly, Vol.40 No.52 (Dec-24-30, 2005) pp 5505-5513.

২) Berch Berberoglu, Social Movements and Transformation in The Age of Globalization: Origins, Dynamics and Mobilization, International Review of Mobern Sociology, Vol. 41. No.1 (Spring 2015), pp. 55-77.

৩) Ed. Tom Brass, New Farmers Movements in India Frank CASS and Co. Ltd (1995), republished by Rutledge, New York (2013).

১১.৬ অগ্রগতিৰ খতিয়ান

প্রশ্ন ১ ৰ উত্তৰ ঃ যি প্রক্রিয়াৰ মাজেদি পৃথিৱীৰ দেশসমূহ পৰস্পৰে পৰস্পৰৰ কায চাপে, ইখনে সিখনক প্রভাৱান্বিত কৰে আৰু ইখন-সিখনৰ ওপৰত নির্ভৰশীল হয় তাকেই সহজ ভাষাত গোলকীকৰণ অথবা বিশ্বায়ন বুলি কোৱা হয়।

প্রশ্ন ২ ৰ উত্তৰ ঃ অর্থনৈতিক গোলকীকৰণ বুলিলে আমি সেই প্রক্রিয়াক বুজো যাৰদ্বাৰা দেশসমূহৰ মাজত বেপাৰ আৰু বাণিজ্য পৰিচালিত হৈ থাকে। MNcs, FDI ইত্যাদিয়ে এই প্রক্রিয়াত সহায় কৰে।

প্রশ্ন ৩ ৰ উত্তৰ ঃ প্রযুক্তিবিদ্যাৰ বৃদ্ধি আৰু প্রসাৰৰ দ্বাৰা বিশ্বায়নে এক নতুন ৰূপত জিলিকি উঠিছে।

প্রশ্ন ৪ ৰ উত্তৰ ঃ কৃষক বুলি ক'লে আমি সাধাৰণতে ভূমিহীন কৃষিশ্রমিক, আধিয়াৰ, মজদুৰ আৰু ক্ষুদ্র আৰু মধ্যমীয়া খেতিয়কসকলক বুজো।

প্রশ্ন ৫ ৰ উত্তৰ ঃ নীল বিদ্রোহ (১৮৫৯-৬০), ডেক্কানা ৰায়ত (১৮৭৫-৭৬), বিৰদা মুণ্ডাৰ বিদ্রোহ (১৮৯৯), স্পেৰণ সত্যাগ্রহ (১৯১৭), খেড়া সত্যাগ্রহ (১৯১৮)।

১১.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ভাৰতীয় কৃষকসকলে বৃটিছ চৰকাৰৰ বিৰুদ্ধে যুদ্ধ কৰাৰ মুখ্য কাৰণসমূহ লিখা।

প্রশ্ন ২ ঃ ঔপনিৱেশিক ভাৰতৰ কেইটামান কৃষক গোষ্ঠীৰ নাম লিখা।

প্রশ্ন ১ ঃ বর্তমানৰ গোলকীয় অর্থনীতিয়ে ভাৰতীয় কৃষকক কিদৰে প্রভাবান্বিত কৰে।

প্রশ্ন ২ ঃ গোলকীয় সংস্কৃতিয়ে কি দৰে ভাৰতীয় কৃষক বিদ্রোহসমূহৰ ওপৰত প্রভাৱ পেলায়?

*** ***** ***

অধ্যায় ১২ ঃ নগৰীয়া সমাজতত্ত্বৰ বিকাশ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ নগৰীয়া সমাজতত্ত্বৰ আৰম্ভণি আৰু পৰিসৰ
১২.৩.১ গ্ৰাম্য আৰু নগৰীয়া পাৰ্থক্য
১২.৩.২ ভাৰতৰ নগৰীয়া সমাজতত্ত্ব
১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৫ অধিক জানিবলৈ
১২.৬ অগ্ৰগতিৰ খতিয়ান
১২.৭ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- নগৰীয়া সমাজতত্ত্বৰ আৰম্ভণি আৰু পৰিসৰ সম্পৰ্কে জানিব পাৰিব
- গ্ৰাম্য আৰু নগৰ অঞ্চলৰ মাজৰ পাৰ্থক্য বৰ্ণনা কৰিব পাৰিব
- নগৰীয়া সমাজতত্ত্বৰ তত্ত্বসমূহ বৰ্ণনা কৰিব পাৰিব
- ভাৰতত নগৰীয়া সমাজতত্ত্বৰ বিকাশ সম্পৰ্কে আলোচনা কৰিব পাৰিব।

১২.২ পৰিচয়

অতি সহজ অৰ্থত নগৰীয়া সমাজতত্ত্ব হৈছে সামাজিক জীৱনৰ সমাজতাত্ত্বিক অধ্যয়ন আৰু মানুহৰ মাজৰ আদান-প্ৰদান যাক আমি নগৰ বুলি কওঁ। আমি আৰু ক'ব পাৰো যে, নগৰীয়া সমাজতত্ত্ব হৈছে চহৰৰ সমাজতাত্ত্বিক অধ্যয়ন। বৰ্তমান পৃথিৱীৰ সৰ্বপ্ৰথম পণ্ডিত কেছেলৰ মতে—, 'নগৰীয়া সমাজতত্ত্ব হৈছে আধুনীক সমাজ বিজ্ঞানৰ এক অৰ্থ যোগানৰ ক্ষেত্ৰ। ইয়াৰ আৰম্ভণি হৈছিল উদ্যোগীকৰণৰ পৰিণতি স্বৰূপে হোৱা দ্ৰুত নগৰীকৰণৰ ফলত, গ্ৰাম্য জীৱনৰ ধৰণ সামৰণি হ'বলৈ ধৰা য'ত কোটি মানুহৰ জীৱনৰ বৈশিষ্টবোৰ পৰিলক্ষিত হয়। ই সামাজিক একত্ৰীকৰণক কেন্দ্ৰ কৰি গঢ়ি তুলিছিল এক নতুন নগৰীয়া সমাজ, যি সাম্প্ৰতিক গ্ৰাস্যত বাসী দ্বাৰা গঠিত হৈছিল আৰু য'ত সামাজিক একত্ৰীকৰণৰ প্ৰচলিত অনুষ্ঠানবোৰ জনসংখ্যা বৃদ্ধি, অৰ্থনৈতিক বিকাশ, সামাজিক গতিশীলতা আৰু সামাজিক সংঘৰ্ষৰ ফলত ভংগ হৈছিল। কাৰণ আমেৰিকাৰ মহানগৰ অঞ্চলবোৰ আছিল বৃদ্ধিৰ প্ৰতীক, অভিবাসন আৰু পৰিৱৰ্তন, তেওঁলোকে সামাজিক প্ৰয়োগশালাৰ সুবিধা কৰিছিল য'ত সমাজ বিজ্ঞানীসকলে জনসাধাৰণৰ একত্ৰীকৰণৰ চৰ্তসমূহ নাইকীয়া কৰি নগৰীয়া সমাজ কৰিব বিচাৰে, ওপৰৰ অভিবাসীসকল, বিদেশী আৰু গাঁও অঞ্চলৰ পৰা নতুন বেবিলানৰ ফালে দলেবলে আগুৱাই যায়।' (Eastills, 2002)

এনেদৰে নগৰৰ গঠন হৈছে এই শাখাটোৰ জন্মৰ কেন্দ্ৰস্বৰূপ। তাৰোপৰি, নগৰৰ অনুষ্ঠানৰ প্ৰকৃত অধ্যয়ন কৰা কাৰ্য হৈছে প্ৰকৃত বিদ্যায়তনিক শাখা যিটো চিকাগোৰ সমাজতত্ত্ৱৰ স্কুল, ১৯১৫ আৰু ১৯৪০ চনৰ ভিতৰত আমেৰিকাৰ চিকাগো বিশ্ববিদ্যালয়ৰ কাৰণে কৰা হৈছিল। এনেদৰে আমি নগৰৰ অধ্যয়নত নগৰীয়া সমাজতত্ত্ৱৰ অৱিহণা চিনাক্ত নকৰাকৈ নগৰীয়া সমাজতত্ত্ৱৰ বিষয়ে আলোচনা কৰিব নোৱাৰো, যিবোৰৰ অধ্যয়নৰ পদ্ধতি উদ্ভাৱনমূলক আৰু নতুন। এইবোৰ সমাজতত্ত্বও ব্যৱহাৰ হোৱা অন্যবোৰৰ দৰে নহয়। প্ৰতিযোগিতাৰ ধাৰণাৰ আৰু সামাজিক নিৰ্বাচনৰ ভিতৰত মানুহৰ স্থাপনৰ আকাৰ আৰু প্ৰক্ৰিয়াৰ অধ্যয়ন, সাংস্কৃতিক সমন্বয়ৰ বিশ্লেষণৰ সামাজিক চৰ্তসমূহ আদিবোৰ হৈছে নগৰীয়া সমাজতত্ত্ৱৰ প্ৰতিষ্ঠাতা বিষয়, যেতিয়া সেইটো আদৰ্শিক পক্ষপাতিতা হয়, উদ্যোগীকৰণে উত্থাপন কৰা ঐতিহাসিক প্ৰতিক্ৰিয়া আৰু বিংশ শতিকাৰ প্ৰথম ভাগৰ নগৰীকৰণ'। (Eastills, 2002)

১২.৩ নগৰীয়া সমাজতত্ত্ৱৰ আৰম্ভণি আৰু পৰিসৰ

নগৰীয়া সমাজতত্ত্ৱৰ এক শাখা হিচাপে চিকাগো চহৰত আৰম্ভণি হৈছিল আৰু ১৯০০ চনৰ প্ৰথমাৰ্দ্ধত এই চহৰৰ প্ৰকৃতিৰ সৈতে ইয়াৰ এক গুৰুত্বপূৰ্ণ সম্পৰ্ক আছিল। সেইটো সময়ত উগ্যোগীকৰণৰ বৃদ্ধি, নগৰীকৰণ, নগৰীয়া সভ্যতাৰ বৃদ্ধি আৰু উপনগৰীকৰণৰ ফলত চিকাগো চহৰখনত যথেষ্ট পৰিমাণে পৰিৱৰ্তন ঘটিছিল। এনেবোৰ পৰিৱৰ্তনে সেই সময়ত চিকাগো বিশ্ববিদ্যালয়ৰ সমাজতত্ত্ববিদসকলক জগাই তুলিছিল, যিসকলে 'নগৰ অধ্যয়ন' বুলি এটা নতুন অধ্যয়ন বিভাগৰ বিষয়ে অনুভৱ কৰিছিল। নগৰীকৰণৰ ফলত ঘটা নতুন আকৃতি আৰু পদাৰ্থৰ ওপৰত তেওঁলোকে প্ৰাধান্য দিছিল আৰু নগৰ অঞ্চলৰ বাসিন্দাসকলৰ মাজত আদান-প্ৰদান আৰু সংহতিত গুৰুত্ব আৰোপ কৰিছিল।

'নগৰ' নামৰ প্ৰশ্নটোৰ সৈতে বহুতো সমাজতত্ত্ববিদ আৰু বিশেষজ্ঞ জৰিত হৈ আছিল। ১৭ শ শতিকাৰ পৰা বিশেষজ্ঞ আৰু তাত্বিকসকলে আধুনিক সমাজৰ এক উদ্যোগিক বিপ্লৱৰ পৰৱৰ্তী সময়ৰ বিষয়ে অধ্যয়ন কৰিবলৈ চেষ্টা চলাই আহিছে। এগৰীয়া সমাজতত্ত্ব এক বৃহৎ পৰিমাণৰ কৰ্মক সূচায়। এনেদৰে ১৯০০ দশকৰ আৰম্ভণিত নগৰীয়া সভ্যতা এক পৃথক বিষয় হিচাপে জন্ম হয়, আগতে বহুতো তাত্বিকে নগৰক এক বিশেষ অধ্যয়নৰ স্থান হিচাপে চিনাক্ত কৰিছিল আৰু নগৰৰ ওপৰত তেওঁলোকৰ তত্ত্ববোৰ দাঙি ধৰিছিল। এনেদৰে এইবোৰ শিক্ষাবিদো নগৰ অধ্যয়নৰ সৈতে জড়িত হৈ পৰিছিল যদিও তেওঁলোকে এইটো বিভাগৰ ভিতৰত কাম কৰা নাছিল, কাৰণ এই বিভাগটো আনুষ্ঠানিকভাৱে স্থাপন হোৱা নাছিল।

চমুকৈ, এই অধ্যয়টোৰ বাবে নগৰীকৰণক আমি বহলভাৱে তিনিটা ভাগত ভাগ কৰিম। (মনত ৰাখিব যে এই বিভাজনটো নগৰ সমাজতত্ত্ৱৰ ভিতৰত নেথাকিবও পাৰে)

- নগৰৰ পৰম্পৰাগত তত্ত্ব, যিয়ে কার্লমাক্স, ফাৰডিনান্দ টনিজ, মেক্স ৱেকাৰ আৰু জর্জ চিমেলৰ তত্ত্ববোৰক অন্তর্ভুক্ত কৰে। এই তত্ত্ববোৰে মৌলিক অৱিহণা আৰু ধাৰণা গঠন কৰে যিবোৰৰ দ্বাৰা পৰৱৰ্তী তত্ত্ববোৰ প্ৰভাৱিত হয়। ইয়াৰ কিছুমান গুৰুত্বপূৰ্ণ অৱিহণা হৈছে অনাচাৰ, উত্থাপন, শ্ৰেণী গঠন আৰু উৎপাদন আৰু সমূহীয়া পৰিচয়ৰ ধ্বংস।
- চিকাগোৰ স্কুল আৰু ইয়াৰ চহৰ য'ৰ কেন্দ্ৰীয় চিন্তাবিদসকল হৈছে ৰবার্ট পার্ক, বাগগেছ, মেককেনজি আৰু লুইচ উইথ। এই স্কুলখনে কেৱল নগৰ অধ্যয়নৰ দিশতে বিপ্লৱ অনা নাছিল, ই মানৱ আদান-প্ৰদানৰ

পদ্ধতিৰ অধ্যয়ন উদ্ভাৱন কৰিছিল। উদাহৰণ স্বৰূপে তেওঁলোকে কিছুমান ধাৰণা উলিয়াইছিল যেনে— মানৱ ভূগোলৰ পৰিমাণগত আৰু গুণগত আৰু মানৱৰ আদান-প্ৰদান তথা স্থানৰ নৃতাত্ত্বিক গৱেষণা।

- আৰু শেষত, নতুন নগৰীয়া সমাজতত্ত্বই অন্তৰ্ভুক্ত কৰা তত্ত্বসমূহ বিখ্যাত নগৰীকৰণৰ পণ্ডিতসকল যেনে হেনৰি লিফেবণ্ডাৰ, ডেভিড হাৱভে আৰু মেনুৱেল কেচেলে দাঙি ধৰিছিল। এইসকল পণ্ডিতে সামাজিক গৱেষণাৰ পৰিসীমাক নতুন দিশলৈ একেৰাহে আগুৱাই নিয়ে। যেতিয়া মানুহৰ জীৱন আৰু মানুহৰ আদান-প্ৰদানৰ দ্ৰুত পৰিৱৰ্তন এক সুবিধা কৰাই দিয়া হয় মানৱ বুৰঞ্জীৰ প্ৰযুক্তিৰ যুগ তথা যোগাযোগৰ ধৰণ আৰু পৰিবহণ আগতকৈ ক্ষীপ্ৰতৰ হয়। মানুহৰ মাজৰ সম্পৰ্ক আগত কল্পনা কৰাতকৈ অধিক তীব্ৰ হৈ উঠে।

গতডাইনাৰ (Gottdiener)ৰ মতে নতুন নগৰীয়া সমাজতত্ত্ৱৰ ধাৰণা হৈছে নগৰীয়া সমাজতত্ত্ৱৰ দৃষ্টান্ত স্বৰূপ যাৰ আৰম্ভণি ১৯৭০ চনত হৈছিল আৰু এক প্ৰভাৱশালী অভিগমন হিচাবে পৰিগণিত হৈছিল। এই অভিগমনে মার্কচিচ আৰু উত্তৰ মার্কচিচ নগৰীয় ৰাজনৈতিক অৰ্থনীতি, শ্ৰেণী, জাতি, লিংগ, কার্যসূচী ওপৰত হেঁচা দিছিল— বাণিজ্যিক ক্ষেত্ৰত প্ৰধান ব্যৱসায় স্থাপন, বেংকিং, ভূ-সম্পত্তি আৰু সকলো ক্ষেত্ৰতে চৰকাৰী বিষয়াৰ অংশগ্ৰহণৰ ফলত হোৱা প্ৰভাৱ, যদি স্থিৰ কৰা নহয় তেতিয়া সামাজিক কার্যবোৰৰ স্পষ্টীকৰণৰ ক্ষেত্ৰত সাংগঠনিক আৰু নির্মত স্থানৰ স্বাধীন ভূমিকা, যিটো প্ৰথমবাৰ হেনৰি লেফেব্ৰই স্পষ্ট কৰিছিল, সংস্কৃতি, প্ৰতীক, চিহ্ন, ঘটনা আৰু স্থাপন প্ৰক্ৰিয়াৰ প্ৰভাৱৰ ভূমিকা।

১২.৩.১ গ্ৰাম্য আৰু নগৰীয়া পার্থক্য

নগৰীয়া সমাজতত্ত্বই নিজে স্পষ্ট কৰে যে গ্ৰাম্য আৰু নগৰৰ সামাজিক জীৱনৰ মাজত পার্থক্য আছে। কিন্তু এই পার্থক্য প্ৰকৃততে যি নেথাকক বিচাৰি উলিওৱাটো কঠিন। এই কঠিনতাৰ বিভিন্ন কাৰক আছে, যেনে—

- নগৰ বুজাবলৈ কোনো এটা সর্বজন গৃহীত সংজ্ঞা নাই।
- যদি আমি নগৰ আৰু গাঁৱৰ পার্থক্য উলিয়াবলৈ জনসংখ্যা আৰু উদ্যোগীকৰণক বিবেচনা কৰো, এই দুয়োটা কাৰককে বিভিন্ন চিন্তা গোষ্ঠী আৰু স্কুলে পৃথক পৃথক ধৰণে ব্যাখ্যা কৰিব। একে ভৌগোলিক স্থানত অৱস্থিত হলেও দুয়োটাৰ পৰিৱেশৰ মাজত পার্থক্য আছে।
- যদি আমি কিছুমান ঠাইক গাঁও হিচাবে বুজো, যেতিয়া গাঁওবোৰৰ যোগাযোগ আৰু পৰিবহনৰ বিকাশৰ ফলত দ্ৰুত পৰিৱৰ্তন আৰু বিৱৰ্তন ঘটে, তেতিয়া গ্ৰাম্য জীৱন স্থিৰ হৈ নেথাকে।

গাঁও আৰু নগৰৰ তাত্ত্বিক পার্থক্য দাঙি ধৰা এখন গুৰুত্বপূৰ্ণ কিতাপ পিটিৰিম চৰকিন আৰু কালে চি জেমাৰ মেন (১৯২৯) দাঙি ধৰিছিল। আমি জানো যে, তেতিয়াৰ পৰাই গাঁও আৰু চহৰ গঠনৰ প্ৰকৃতিৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হয়। তাৰোপৰি চৰকিন আৰু জেমাৰমিনে চহৰ আৰু গাঁৱৰ ক্ষেত্ৰত দাঙি ধৰা দিশবোৰ আজিও প্ৰাসংগিক।

- **বৃত্তি ঃ** গ্ৰাম্য জীৱনৰ বেছিভাগ লোকেই কৃষিৰ সৈতে জড়িত, আনহাতে নগৰৰ বেছিভাগ লোক কৃষিৰ বাহিৰে অন্য কিছুমান কার্য যেনে— উৎপাদন, ব্যৱসায়, নির্মাণ ইত্যাদিও জড়িত।
- **পৰিৱেশ ঃ** গ্ৰাম্য অঞ্চলৰ মানুহে সৃষ্টি কৰা বস্তুকতৈও প্ৰকৃতিয়ে অধিক প্ৰভাৱশালী, আনহাতে এইটো নগৰীয়া পৃথিৱীত সম্পূৰ্ণ ওলোটা। সেইবাবে প্ৰথম বিধত মানুহ আৰু প্ৰকৃতিৰ মাজত প্ৰত্যক্ষ সম্পৰ্ক বিৰাজ কৰে, আনহাতে পিছৰটো এক বৃহৎ শূন্যতাৰ অনুভৰ হয়।

- **সম্প্রদায়ৰ আকাৰ ঃ** নগৰৰ সম্প্রদায়ৰ আকাৰতকৈ গাঁৱৰ সম্প্রদায়ৰ আকাৰ সৰু।
- **জনসংখ্যাৰ ঘনত্ব ঃ** গাঁও আৰু জনসংখ্যাৰ ঘনত্বৰ মাজত এক নেতিবাচক সম্পৰ্ক আছে। এনেদৰে গাঁৱৰ জনসংখ্যাৰ ঘনত্ব সদায় নগৰতকৈ কম, য'ত নগৰত জনসংখ্যাৰ ঘনত্বৰ সৈতে ইতিবাচক সম্পৰ্ক বিৰাজমান। গাঁৱৰ জনসাধাৰণ জাতিগত আৰু মনোবৈজ্ঞানিক সংলক্ষণৰ ক্ষেত্ৰত নগৰৰ তুলনাত অধিক সজাতীয় বা এক ধৰ্মীয়। আনহাতে জাতি বা মনোবৈজ্ঞানিক সংলক্ষণৰ ক্ষেত্ৰত বেছি ভিন্নধৰ্মী হয়।
- **সামাজিক পৃথকীকৰণ আৰু স্তৰীকৰণ ঃ** গাঁৱৰ সৈতে পৃথকীকৰণ আৰু স্তৰীকৰণৰ সম্পৰ্ক নেতিবাচক, আনহাতে নগৰৰ ক্ষেত্ৰত পৃথকীকৰণ আৰু স্তৰীকৰণ দুয়োটাৰে ইতিবাচক সম্পৰ্ক।
- **গতিশীলতা আৰু প্ৰব্ৰজনৰ দিশ ঃ** নগৰৰ তুলনাত গাঁও অঞ্চলৰ গতিশীলতা আৰু সামাজিক অনুক্ৰম কম, নগৰত সকলো প্ৰকাৰৰ গতিশীলতাই হৈছে তীব্ৰ।
- **আদান প্ৰদানৰ ব্যৱস্থা ঃ** গাঁৱৰ পৃথিৱীখনৰ আদান-প্ৰদান ব্যৱস্থা সহজ সৰল আৰু প্ৰত্যেকৰ মাজত মুখামুখি প্ৰত্যক্ষ সম্পৰ্ক বিৰাজমান, এই সম্পৰ্ক দীৰ্ঘদিনীয়া আৰু সামাজিক সম্পৰ্ক থকা। ইয়াৰ তুলনাত নগৰ মানুহৰ সম্পৰ্ক জটিল, বাহ্যিকতাপূৰ্ণ আৰু আনুষ্ঠানিক সম্পৰ্ক, যিটোই ব্যক্তিগত সম্পৰ্ক প্ৰভাৱিত নকৰে।

এনেদৰে, আমি দেখিবলৈ পাওঁ যে, অন্য কিছুমান পণ্ডিতেও নগৰ আৰু গাঁৱৰ পাৰ্থক্য দাঙি ধৰিছে, কিন্তু ইয়াৰ মৌলিক কাৰণবোৰ একেই। গাঁও আৰু নগৰৰ মাজত এক বৃহৎ পাৰ্থক্য আছে আৰু দুয়োটাকৈ নিজ নিজ অধ্যয়ন কৰিব লাগে। এফ টনিজে (F Tonnies) তেওঁৰ Gemeinschaft and Gesellschaft (1887) ত Gemeinschaft আৰু Gesellschaft ব্যৱহাৰ কৰি গাঁও আৰু নগৰৰ পাৰ্থক্য দাঙি ধৰিছিল। ইয়াত Gemeinschaft য়ে গাঁও সমাজৰ "সাম্প্রদায়িক সমাজক" প্ৰতিনিধিত্ব কৰিছিল আৰু Gemeinschaft য়ে নগৰত পোৱা "সহযোগী সমাজক" প্ৰতিনিধিত্ব কৰিছিল। প্ৰথম বিধ আছিল ব্যক্তিগত সম্পৰ্কযুক্ত আৰু ইয়াৰ মানুহৰ আদান প্ৰদান প্ৰচলিত সামাজিক নীতিৰ ওপৰত প্ৰতিষ্ঠিত, পিছৰ প্ৰকাৰটো হৈছে জ্ঞানী আৰু আমোলাতান্ত্ৰিক সামাজিক আদান প্ৰদান যিটো আধুনিক সমাজত দেখা যায়। আকৌ ডাৰ্কহেইমে Division of Labour (1907) ত আমাক তেওঁৰ "যান্ত্ৰিক আৰু জৈৱিক সংহতি" ধাৰণা দিছে, য'ত তেওঁ সহজ সৰল সমাজৰ পৰা অধিক জটিল মৌলিক সমাজলৈ পৰিৱৰ্তনৰ কথা কৈছে। একে বস্তুসমূহৰ আদান-প্ৰদানৰ ফলত মানুহৰ মাজত একাত্মতাৰ অনুভৱ আহে আৰু তাৰ পৰা যান্ত্ৰিক সংহতি সৃষ্টি হয়— যিটো সমাজৰ নিম্নস্তৰৰ শ্ৰম বিভাজনৰ পৰা উৎপন্ন হয়, জৈৱিক সংহতিৰ সৃষ্টি হয় সামাজিক জীৱনৰ বিভিন্ন দিশবোৰৰ আন্তঃসংযোগৰ ফলত, যিটোৰ উৎপত্তি হয় সেই সমাজৰ বাস্তৱ সন্মত শ্ৰম বিভাজন আৰু তীব্ৰতাৰ।

১২.৩.২ ভাৰতৰ নগৰীয়া সমাজতত্ত্ব

পৃথিৱী ব্যাপী থকা 'নগৰীকৰণ' বিষয়ে যেতিয়া কওঁ, তেতিয়া প্ৰত্যেক ঠাইৰে নিজৰ সামাজিক-সাংস্কৃতিক দিশ আৰু লগতে তাৰ ঐতিহাসিক ৰূপান্তৰৰ দিশটো চোৱা প্ৰয়োজন। এই প্ৰচলিত ব্যৱস্থাত, যেতিয়া আধুনিক নগৰীকৰণ হ'ল, তাৰ ফলাফল পশ্চিমীয়া আৰ্হি বা নগৰীকৰণতকৈ পৃথক হ'ব পাৰে। ভাৰতৰ নগৰীয়া সমাজতত্ত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰাও ইট এলে (১৯৯১) তলৰ কথাখিনি কৈছিল—

"পশ্চিমীয়া অভিজ্ঞতা ওপৰত ভিত্তি কৰি যুক্তি দিয়া হৈছিল, নগৰীকৰণৰ অৰ্থ হৈছে, পৰম্পৰাগত সামাজিক অনুষ্ঠানসমূহ আৰু মূল্যবোধৰ অৱসান। ভাৰতীয় পটভূমিত ইয়াৰ অৰ্থ হৈছে অন্য বস্তুবোৰৰ ভিতৰত জাতি ব্যৱস্থা

শ্ৰেণী ব্যৱস্থালৈ পৰিৱৰ্তন হোৱা, যৌথ পৰিয়াল ব্যৱস্থাৰ পৰা একক পৰিয়াল হোৱা আৰু ধৰ্মক্ষেত্ৰত নিৰপেক্ষ হোৱা। এনেধৰণৰ দিশবোৰৰ পৰা অনুমান কৰিব পাৰি যে ভাৰতৰ নগৰীকৰণ পশ্চিমীয়াকৰণৰ সৈতে একে আৰু প্ৰচলিত ব্যৱস্থাক গুৰুত্ব নিদিয়াটো হৈছে নগৰীকৰণৰ প্ৰথম প্ৰভাৱ। সেইবাবে অৱনমিত হোৱা অনুমানে প্ৰশ্ন সোধাৰ ক্ষেত্ৰত এজনক ভুল পথে পৰিচালিত কৰে, সেইবাবে তলত দিয়া ধৰণে প্ৰশ্ন কৰিলে ই অধিক বাস্তৱ সন্মত হ'ব, প্ৰচলিত ব্যৱস্থা আৰু আধুনিক নগৰীকৰণৰ আদান-প্ৰদানৰ ফলত কি পৰিৱৰ্তন সংঘটিত হ'ল? নতুন নগৰৰ পৰিপ্ৰেক্ষিতত জাতি, আত্মীয়তা আৰু ধৰ্মৰ কোনবোৰ দিশৰ পৰিৱৰ্তন ঘটিল? সহযোগিতা, সম্পৰ্ক আৰু আদান-প্ৰদানৰ কি নতুন ধৰণ চহৰত সংঘটিত হ'ল আৰু কোনবোৰ দিশত প্ৰচলিত ব্যৱস্থাৰ নতুন আচৰণৰ সৈতে অমিল হ'ল? নগৰৰ পৰিৱেশত হোৱা তেনে পৰিৱৰ্তনৰ গাঁৱৰ জীৱনত প্ৰভাৱ কি? ভাৰতৰ প্ৰচলিত সামাজিক অনুষ্ঠানবোৰে প্ৰতিনিধিত্ব কৰে বুলি কোৱাৰ পৰিৱৰ্তে এনে প্ৰশ্নসমূহে সঁচাকৈ প্ৰচলিত নগৰৰ পৰিবেশক প্ৰাধান্য দিব। (Rau, Bhat and Kadekar, 1992:2)

পশ্চিমৰ নগৰ অধ্যয়নৰ বিকাশৰ সৈতে মিলাই, ১৯১৫ চনত পেট্ৰিক গডেজে বোম্বাই বিশ্ববিদ্যালয়ত নগৰ অধ্যয়ন বিভাগ প্ৰথমবাৰৰ বাবে মুকলি কৰিছিল। তেতিয়াৰ পৰাই এই ক্ষেত্ৰখনৰ পৰিসৰ বৃদ্ধি হৈ ভাৰতীয় চহৰ অধ্যয়ন আৰু প্ৰকল্পবোৰৰ বিকাশৰ কেন্দ্ৰ হৈ পৰে। প্ৰথম অৱস্থাত, নগৰ অধ্যয়নে ভাৰতৰ গ্ৰাম্য অধ্যয়ন সমাজতত্ত্ববিদ সকলৰ পথ অনুকৰণ কৰিছিল সেইবাবে ইয়াৰ বিষয়বস্তু আছিল সম্প্ৰদায়, সামাজিক অনুক্ৰম, সামাজিক গতিশীলতা। অৰ্থনীতি আৰু নগৰ নীতিৰ অধ্যয়নে ইয়াক অনুকৰণ কৰিছিল আৰু লগতে শিক্ষা সামাজিক অন্বেষণ, ঔষধ আৰু উদ্যোগ আছিল। এইটো গুৰুত্বপূৰ্ণ যে নগৰ সমাজতত্ত্ব অধ্যয়নৰ বিষয়বস্তুৱে সামাজিক পৰিৱৰ্তনৰ আৰু বিকাশৰ ঐক্য বজাই ৰাখিছিল যিবোৰ ৰাষ্ট্ৰীয়, ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশত পৰিলক্ষিত হৈছিল।

এনেদৰে ভাৰতৰ ঔপনিবেশিক অভিজ্ঞতাৰ আৰু নগৰীকৰণত ইয়াৰ প্ৰভাৱৰ ওপৰত বহুতো অধ্যয়ন হৈছিল। স্বাধীনোত্তৰ ভাৰতবৰ্ষৰ পৰিকল্পিত বিকাশে এনেবোৰ বিকাশৰ প্ৰকৃতি আৰু প্ৰভাৱ অনুসন্ধানৰ অধ্যয়নত গুৰুত্ব দিছিল। ইয়াৰ লগত সম্পৰ্ক ৰাখি, নগৰ বাস্তুসংস্থান আৰু নগৰ অংগসংস্থানে ভাৰতৰ নগৰ অধ্যয়নত গুৰুত্বপূৰ্ণ উপাদান হিচাবে স্থান হৈছিল। তাৰোপৰি নগৰ সম্প্ৰদায় আৰু নগৰ সংগঠনৰ বিৱৰ্তনৰ ক্ষেত্ৰতো বহুতো অধ্যয়ন কৰা হৈছিল।

নগৰীকৰণৰ অধ্যয়ন আৰু নগৰৰ বৃদ্ধিৰ অধ্যয়ন দুয়োটাৰে ভাৰতৰ বৰ্তমান আৰু ভৱিষ্যত যথেষ্ট বিশেষত্ব আছে আৰু ই বৰ্ধিত জনসংখ্যা আৰ ইয়াৰ যোগাযোগ তথা পৰিবহন প্ৰযুক্তিৰ তীব্ৰতাৰ ওপৰতো প্ৰভাৱ পেলাইছে। ভাৰতীয় নগৰসমূহ গঢ়ি উঠাৰ লগে লগে নগৰীকৰণ আৰু উদ্যোগীকৰণৰ সমস্যাও বৃদ্ধি পাইছে, পণ্ডিতসকলৰ মাজত ভাৰতৰ নগৰৰ অধ্যয়নৰ প্ৰতি আগ্ৰহ আনি দিছে। এইক্ষেত্ৰত ভাৰতত হোৱা কিছুমান গুৰুত্বপূৰ্ণ অধ্যয়ন তলত দাঙি ধৰা হ'ল —

আৰ আই ক্ৰেনে (১৯৫৫) "ভাৰতৰ নগৰীকৰণ" ওপৰত, জি এচ ঘুৰুৰে (১৯৬২) ভাৰতৰ চহৰৰ জাতি আৰু পেশাৰ সংগঠনৰ ওপৰত অধ্যয়ন কৰিছিল। কেনেথ গিলিন (১৯৬৮) "আহমেদাবাদ ঃ ভাৰতীয় নগৰ ইতিহাসৰ অধ্যয়ন" লিখিছিল, যিখন ভাৰতীয় চহৰৰ আধুনিক ইতিহাসৰ ওপৰত প্ৰথম লিখা আছিল, যিখন আহমেদাবাদৰ ইতিহাসৰ চিহ্ন আছিল আৰু আধুনীকিকৰণ আৰু উদ্যোগীকৰণৰ ক্ষেত্ৰত পৰিৱৰ্তনৰ উৎস আছিল। আৰ পি মিশ্ৰ (১৯৭৮) চনত নগৰৰ সমস্যা আৰু নিয়োগৰ সমস্যা আৰু নগৰৰ অনানুষ্ঠানিক দিশৰ বিষয়ে গুৰুত্বপূৰ্ণ গৱেষণা কৰিছিল। তাৰোপৰি তেওঁ ভাৰতৰ বিকাশ আৰু পৰিকল্পনাৰ বিষয়ে গৱেষণা কৰিছিল। আলফ্ৰেড ডিচুজায়ো

(১৯৭৮) একে দিশৰে কাম কৰিছিল। অন্য কিছুমান উল্লেখযোগ্য কাম হৈছে সুভাষ চন্দ্ৰ (১৯৭৭) ৰ "নগৰৰ চুবুৰীয়াৰ সামাজিক অংশ গ্ৰহণ" আৰু টি কে ওমেন (১৯৮২) নগৰৰ পৰিয়ালৰ ওপৰত কাম কৰিছিল। এইবোৰ হৈছে ভাৰতৰ স্বাধীনতাৰ সময়ছোৱাত নগৰৰ সমাজতত্ত্ৱৰ ওপৰত কৰা কিছুমান কাৰ্য্য, যিবোৰে কেৱল নীতিৰ ক্ষেত্ৰতে উত্থান পতন দেখুওৱা নাই ইয়াৰ অৰ্থনৈতিক আৰু সামাজিক দিশৰ বিৱৰ্তনো দেখুৱাইছে।

এনেদৰে নগৰ অধ্যয়নত আমি দেখো যে ইয়াৰ আৰম্ভণিৰ পৰাই বিদ্যায়তনিক শাখা আৰু চহৰ অধ্যয়ন কেৱল নতুন পদ্ধতি আৰু নতুন পটভূমিত কৰা নাছিল, বহু বিকল্প শাখাৰ জৰিয়তে সবল কৰি তুলিছিল। আজি, নগৰ সমাজতত্ত্ব আৰু বিৱৰ্তন ঘটিছে আৰু মানৱ জাতিৰ সৈতে জড়িত কঠিন দিশবোৰ বুজিবলৈ ইয়াৰ প্ৰয়োজন আছে - কেবল সংস্কৃতি আৰু উদ্যোগৰ ক্ষেত্ৰতে হয় স্থান, বাস্তুসংস্থান আৰু পৰিৱেশৰ ক্ষেত্ৰত।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কেতিয়া নগৰ সমাজতত্ত্ব এক শাখা হ'ল?

প্ৰশ্ন নং ২ ঃ নগৰ সমাজতত্ত্বক এক শাখা হিচাবে কোনে স্থাপন কৰিছিল?

প্ৰশ্ন নং ৩ ঃ Gemeinschaft আৰু Gesellschaft'ৰ মাজত পাৰ্থক্য কি?

প্ৰশ্ন নং ৪ ঃ ডাৰ্ক হেইমে প্ৰাক আধুনিক সমাজ আৰু আধুনিক সমাজৰ মাজত কেনেকৈ পাৰ্থক্য নিৰ্ণয় কৰিছিল?

প্ৰশ্ন নং ৫ ঃ আজি নগৰ সমাজতত্ত্ব প্ৰভাৱশালী হয় নে?

১২.৪ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

- সাধাৰণ নগৰীয়া সমাজতত্ত্ব হৈছে সামাজিক জীৱনৰ সমাজতাত্ত্বিক অধ্যয়ন আৰু মানুহৰ মাজৰ আদান-প্ৰদান যাক আমি নগৰ বুলি কওঁ।
- নগৰৰ অনুষ্ঠানৰ প্ৰকৃত অধ্যয়ন কৰা কাৰ্য্য হৈছে প্ৰকৃত বিদ্যায়তনিক শাখা যিটো চিকাগোৰ সমাজতত্ত্ব স্কুল, ১৯১৫ আৰু ১৯৪০ চনৰ ভিতৰত আমেৰিকাৰ চিকাগো বিশ্ববিদ্যালয়ৰ কাৰণে কৰা হৈছিল।
- ১৭শ শতিকাৰ পৰা পণ্ডিত আৰু তাত্ত্বিকসকলে আধুনিক সমাজৰ উদ্যোগিক বিপ্লৱৰ পৰৱৰ্তী সময়ৰ বিষয়ে অধ্যয়ন কৰিবলৈ চেষ্টা চলাই আহিছে।
- নগৰৰ পৰম্পৰাগত তত্ত্ব, যিয়ে কার্লমাক্স, ফাৰডিনান্দ টনিজ, মেক্সৱেবা আৰু জর্জ চিমেলৰ তত্ত্ববোৰক অন্তভুৰ্ক্ত কৰে।
- চিকাগো স্কুলৰ কিছুমান প্ৰধান চিন্তাবিদ আছিল ৰবাৰ্ট পার্ক, বাৰগেছ, মেককেনজি আৰু লুইচ উইৰ্থ।
- নতুন নগৰীয় সমাজতত্ত্বই অন্তভুৰ্ক্ত কৰা তত্ত্বসমূহ বিখ্যাত নগৰীকৰণৰ পণ্ডিতসকল যেনে হেনৰি লিফেবভাৰ, ডেভিড হাৰভে আৰু মেনুৱেল কেচেলে দাঙি ধৰিছিল।
- যেতিয়া আমি ভাৰতৰ নগৰীকৰণৰ বিষয়ে অধ্যয়ন কৰো, আমি কেতিয়াও প্ৰচলিত নগৰীকৰণক ওলাই কৰিব নোৱাৰো যাৰ প্ৰথম প্ৰভাৱ আধুনিক নগৰীকৰণৰ ওপৰত পৰিছিল।
- নগৰ অধ্যয়নৰ প্ৰথম বিভাগটো পেট্ৰিক গেডেজে ১৯২৫ চনত বোম্বাই বিশ্ববিদ্যালয়ত আৰম্ভ কৰিছিল।

- নগৰীকৰণৰ অধ্যয়ন আৰু নগৰৰ বৃদ্ধিৰ অধ্যয়ন দুয়োটা ভাৰতৰ বৰ্তমান আৰু ভৱিষ্যতত যথেষ্ট বিশেষত্ব আছে আৰু ই বৰ্ধিত জনসংখ্যা আৰু ইয়াৰ যোগাযোগ তথা পৰিবহন প্ৰযুক্তিৰ তীব্ৰতাৰ ওপৰতো প্ৰভাৱ পেলাইছে।

১২.৫ অধিক জানিবলৈ

১) Castells, Manuel. 2002. Urban Sociology in the Twenty First Century in The Castells Reader on Cities and Social Theory by Ida Susser (ed.). 919. Blackwell Publishers.

২) Gottdiener, Mark. 2019. The Wiley Blackwell Encyclopedia of Urban and Regional Studies. John Wiley & Sons Limited. https://doi.org/10.1002/9781118568446.eurs0467.

৩) Patel Sujata & Das Kaushal. 2006. Urban Studies. Ozford University Press.

৪) Pititim A. Sorokin and Carle C. Zimmerman. 1929. Principles of Rural Urban Sociology. New York: Henry Holt.

৫) Rao, M. S. A, Bhat C. and Kadekar, L. N. (Editors). 1991. A reader in Urban Sociology. Stosiuslnc/Advent Books Division 6) Sassen, Saskia. New Challenges Facing Urban Sociology at the Millennium.

১২.৬ অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন ১ ৰ উত্তৰ ঃ ১৯১৫ চনৰ পৰা ১৯৪০ চনৰ ভিতৰত আমেৰিকাৰ চিকাগো বিশ্ববিদ্যালয়ত নগৰ অধ্যয়নে এক শাখা হিচাবে স্বীকৃতি পাইছিল।

প্ৰশ্ন ২ ৰ উত্তৰ ঃ সমাজতত্ত্বৰ চিকাগো স্কুলে নগৰ সমাজতত্ত্বক এক শাখা হিচাবে স্থাপন কৰিছিল।

প্ৰশ্ন ৩ ৰ উত্তৰ ঃ এফ টনিছে(১৮৮৭) ত তেওঁৰ Gemeinschaft and Gesellschaft ও Gemeinschaft আৰু Gesellschaft ব্যৱহাৰ কৰি গাঁও আৰু নগৰৰ পাৰ্থক্য দাঙি ধৰিছিল। ইয়াত Gemeinchaft য়ে গদ্ধাও সমাজৰ "সাম্প্ৰদায়িক সমাজক" প্ৰতিনিধিত্ব কৰিছিল আৰু Gesellschaft য়ে নগৰত পোৱা "সহযোগী সমাজক" প্ৰতিনিধিত্ব কৰিছিল? প্ৰথমবিধ আছিল ব্যক্তিগত সম্পৰ্কযুক্ত আৰু ইয়াত মানুহৰ আদান প্ৰদান প্ৰচলিত সামাজিক নীতিৰ ওপৰত প্ৰতিষ্ঠিত, পিছৰ প্ৰকাৰটো হৈছে জ্ঞানী আৰু আমোলাতান্ত্ৰিক সামাজিক আদান প্ৰদান যিটো আধুনিক সমাজত দেখা যায়।

প্ৰশ্ন ৪ ৰ উত্তৰ ঃ ডাৰ্ক হেইমে Division of labour (১৯০৭) ত আমাক তেওঁৰ যান্ত্ৰিক আৰু জৈৱিক সংহতিৰ ধাৰণা দিছে, য'ত তেওঁ সহজ-সৰল সমাজৰ পৰা অধিক জটিল মৌলিক সমাজলৈ পৰিৱৰ্তনৰ কথা কৈছে। একে বস্তুসমূহৰ আদান-প্ৰদানৰ ফলত মানুহৰ মাজত একাত্মতাৰ অনুভৱ আহে আৰু তাৰ পৰা যান্ত্ৰিক সংহতিৰ সৃষ্টি হয় - যিটো সমাজৰ নিম্নস্তৰৰ শ্ৰম বিভাজৰ পৰা উৎপন্ন হয়, জৈৱিক সংহতিৰ সৃষ্টি হয় সামাজিক জীৱনৰ বিভিন্ন দিশবোৰৰ আন্তঃসংযোগৰ ফলত যিটোৰ উৎপত্তি হয় সেই সমাজৰ বাস্তৱ সন্মত শ্ৰম বিভাজন আৰু তীব্ৰতাৰ পৰা।

প্ৰশ্ন ৫ ৰ উত্তৰ ঃ আজি নগৰ সমাজতত্ত্ব আৰু বিৱৰ্তন ঘটিছে আৰু মানৱ জাতিৰ সৈতে জড়িত কঠিন দিশবোৰ বুজিবলৈ ইয়াৰ প্ৰয়োজন আছে - কেৱল সংস্কৃতি আৰু উদ্যোগৰ ক্ষেত্ৰতে নহয়, স্থান, বস্তুসংস্থান আৰু পৰিৱেশৰ ক্ষেত্ৰত।

১২.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ নগৰ সমাজতত্ত্বৰ সৈতে জড়িত চিন্তাবিদসকল কোন আছিল?

প্ৰশ্ন ২ ঃ চিকাগোৰ সমাজতত্ত্ব স্কুলৰ ওপৰত এটি টোকা লিখক।

প্ৰশ্ন ৩ ঃ নগৰ সমাজতত্ত্বৰ পৰিপ্ৰেক্ষিত নগৰ গাঁৱৰ পাৰ্থক্য আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ ভাৰতৰ নগৰ সমাজতত্ত্বৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৩ ঃ নগৰবাদ আৰু নগৰীকৰণ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ নগৰীয় সমাজতত্ত্বৰ ধাৰণাসমূহ

১৩.৩.১ নগৰ, নগৰবাদ আৰু নগৰীকৰণ

১৩.৩.২ জীৱন পৰিক্রমা হিচাপে নগৰবাদ

১৩.৩.৩ বৃহৎ মহানগৰী, গোলকীয় মহানগৰী, উপনগৰীকৰণ, পার্শ্বৱর্তী চহৰ, নগৰৰ উপকণ্ঠ অঞ্চল

১৩.৩.৪ নগৰীকৰণৰ প্রভাৱ

১৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৫ অধিক জানিবলৈ

১৩.৬ অগ্রগতিৰ খতিয়ান

১৩.৭ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- নগৰীয় সমাজতত্ত্বৰ প্রাথমিক ধাৰণাসমূহৰ বিষয়ে জানিব পাৰিব
- নগৰীয় সমাজতাত্ত্বিক অধ্যয়নৰ মূল বিচার্য বিষয়সমূহ আৰু ধাৰণাসমূহৰ সৈতে পৰিচিত হ'ব
- নগৰীকৰণৰ প্রভাৱৰ বিষয়ে অৱগত হ'ব।

১৩.২ পৰিচয়

বর্তমান ৰাজনীতি, অর্থনীতি তথা সংস্কৃতি আদি সকলো ক্ষেত্রতে নগৰ সভ্যতাৰ আগ্রাসন দেখা যায়। ভাৰতীয় প্রেক্ষাপটত এই কথা লক্ষণীয় যে স্বাধীনতাৰ পূর্বে তথা স্বাধীনতাৰ পাছৰ এক দশক জুৰি মহাত্মা গান্ধীৰ গ্রাম্য স্বৰাজৰ আৰ্হিৰে সকলো ৰাজনৈতিক কার্যকলাপৰ লক্ষ্য নিবদ্ধ আছিল কৃষি আৰু ভূমি সংস্কাৰত । কিন্তু ১৯৬০ ৰ দশকৰ পৰা ক্রমান্বয়ে বাঢ়ি অহা উদ্যোগীকৰণৰ লগে লগে এই কৃষিকেন্দ্রিক ধাৰাৰ আমূল পৰিৱর্তন ঘটিবলৈ আৰম্ভ কৰিছিল আৰু ১৯৯১ চনৰ অর্থনৈতিক সংস্কাৰেৰে ইয়াৰ পূর্ণ-বিকাশ ঘটিছিল, যাৰ দ্বাৰা প্রকৃত অর্থত ভাৰতীয় অর্থনীতি ব্যক্তিগতকৰণ, উদ্যোগীকৰণ তথা নগৰীকৰণ আৰু গোলকীয়কৰণৰ দৰে সুদূৰপ্রসাৰী প্রভাৱ পেলাব পৰা শক্তিসমূহৰ বাবে মুকলি হৈ পৰে। আজিৰ দিনত বিশ্বত দ্রুতগতিৰে বাঢ়ি যোৱা নগৰসমূহৰ ভিতৰত ভাৰতীয় মহানগৰবোৰ অন্যতম আৰু কেৱল উদ্যোগ বৃদ্ধিয়েই নহয়, নগৰীয়া জনসংখ্যাৰ বৃদ্ধি আৰু গ্রাম্যঞ্চলৰ পৰা নগৰলৈ প্রব্রজনৰ লেখেৰে ভাৰতবর্ষৰ নগৰীকৰণৰ ধাৰা লক্ষণীয় হৈ পৰিছে।

যি কি নহওক, নগৰ-সভ্যতা অথবা নগৰীকৰণৰ বিষয়ে সমাজতাত্ত্বিকভাৱে অধ্যয়ন কৰাৰ পূৰ্বে নগৰীকৰণৰ তত্ত্ববোৰৰ নিৰ্দিষ্ট কেতবোৰ মূল শ্ৰেণীগত পাৰ্থক্যৰ বিষয়ে মনত এক সম্যক ধাৰণা গঢ়ি লোৱাটো গুৰুত্বপূৰ্ণ। এই অধ্যায়টোত আমি নগৰীকৰণৰ কেন্দ্ৰীয় ধাৰণাসমূহৰ উপৰি সাম্প্ৰতিক কালত উত্থাপিত নগৰীকৰণৰ কেতবোৰ নতুন শ্ৰেণীৰ বিষয়েও অধ্যয়ন কৰিম।

১৩.৩ নগৰীয় সমাজতত্ত্বৰ ধাৰণাসমূহ

১৩.৩.১ নগৰ, নগৰবাদ আৰু নগৰীকৰণ

নগৰীয় অথবা 'নগৰ-সভ্যতা' ৰ যি কেন্দ্ৰীয় ধাৰণা তাৰে ওপৰত ভিত্তি কৰি নগৰ অধ্যয়নৰ তত্ত্বসমূহ গঢ়ি উঠিছে। 'নগৰ অধ্যয়ন' হৈছে এটা বহু বিষয় সামৰি লোৱা পদ বা সংজ্ঞা, যাৰ অন্তৰ্গত বিষয়বোৰ হৈছে, সমাজতত্ত্ব, অৰ্থনীতি, ভূগোল, স্থপতি-বিদ্যা আদি, যিবোৰে মূলতঃ নগৰ-সম্বন্ধীয় বিষয়বোৰৰ ওপৰত দৃষ্টিপাত কৰে। "নগৰ" পদটোৱে ঘন জনবসতিপূৰ্ণ এনে এক অঞ্চলৰ কথা বুজায়, য'ৰ অধিকাংশ লোক অ-কৃষিমূলক অৰ্থনৈতিক কাৰ্যকলাপ বা জীৱিকাৰ লগত জড়িত। এখন ঠাইক 'নগৰ' আখ্যা দিয়াটো সেই দেশখনৰ আইনগত আৰু বিধি-বিধানগত ব্যৱস্থাসমূহৰ ওপৰতো নিৰ্ভৰ কৰে, কাৰণ ঠাইখন গাঁও নে চহৰ সেয়া নিৰ্ণয় কৰিবলৈ বিভিন্ন যোগ্যতা আৰু পৰিমাণসূচক মান ব্যৱহাৰ কৰা হয়। ভাৰতবৰ্ষত, ২০১১ চনৰ লোকপিয়লে নিৰ্দ্ধাৰণ কৰা সূত্ৰ অনুসৰি নগৰীয়া অঞ্চল হৈছে সেইবোৰ ঠাই, য'ত নিম্নতম ৫০০০ লোকসমষ্টি আছে আৰু জনবসতিৰ ঘনত্ব প্ৰতি বৰ্গ কিলোমিটাৰত ৪০০ জন। ইয়াৰ লগতে প্ৰধান কৰ্মনিযুক্ত জনসমষ্টিৰ ৭৫ শতাংশতকৈ অধিক পুৰুষকৰ্মী অ-কৃষিমূলক কাৰ্যকলাপত নিযুক্ত হ'ব লাগিব। ইয়াৰ লগতে যদি এখন ঠাই পৌৰ নিগম, সেনা-ছাউনী পৰিষদ আদি প্ৰশাসনীয় গোটৰ অধীনত থাকে বা ঘোষিত নগৰ হয়, তেতিয়াহ'লে নিজে নিজেই নগৰীয়া অঞ্চল হিচাপে বিবেচিত হ'ব।

পিটিৰিম ছ'ৰ'কীন্ আৰু কার্ল জিমাৰমেনে (১৯২৯) কিছুমান বৈশিষ্ট্যৰ ভিত্তিত গ্ৰাম্য অঞ্চলৰ পৰা শৃখলাবদ্ধ পৃথকীকৰণেৰে 'নগৰ'ৰ সংজ্ঞা আগবঢ়াইছে। তেওঁলোকে দাঙি ধৰা পাৰ্থক্যসমূহ তলত উল্লেখ কৰা দিশবোৰৰ ওপৰত ভিত্তি কৰিছিল ঃ

- জীৱিকা
- পৰিৱেশ
- সম্প্ৰদায়ৰ আকাৰ
- জনবসতিৰ ঘনত্ব
- জনবসতিৰ বিচিত্ৰতা
- সামাজিক স্তৰ বিন্যাস
- গতিশীলতা
- পাৰস্পৰিক মিলা-মিচা পদ্ধতি (অৰ্থাৎ সম্পৰ্ক ৰখা ব্যক্তিৰ সংখ্যা আৰু প্ৰকাৰ)

এণ্ডাৰছনৰ মত অনুসৰি, "নগৰবাদ বা নগৰীয়া জীৱন যাত্ৰা হৈছে আধুনিক মহানগৰীত দেখিবলৈ পোৱা জীৱন গতিৰ এক বৰ্ণনা আৰু ৱিৰ্থ্ৰৰ মতে এয়া এক নৈৰ্ব্যক্তিক, গৌণ আৰু সংকুচিত জীৱন যাত্ৰা, যাৰ সহযোগী হৈছে গোপনীয়তা আৰু ক্ষণস্থায়ী সম্পৰ্ক। তদুপৰি নগৰীয়া জীৱন যাত্ৰা হৈছে পৰিবৰ্তনমুখী আৰু প্ৰতিযোগিতামূলক,

যি স্থান-কাল অনুসৰি সলনি হয়।"এই অধ্যায়ৰ পাছৰ অংশত আমি ৱিৰ্থৰ জীৱন পৰিক্ৰমা হিচাপে নগৰবাদ তত্ত্বৰ বিষয়ে আৰু অধিক জানিব পাৰিম। সম্প্ৰতি এনেদৰে কোৱাটোৰেই যথেষ্ট হ'ব যে নগৰবাদ হৈছে এক জীৱন যাত্ৰা বা নগৰ অঞ্চলত বসবাসৰ দ্বাৰা সৃষ্ট এক মানসিক অৱস্থা।

'নগৰ'ৰ দৰে 'নগৰীকৰণ'ৰ সংজ্ঞাৰ ক্ষেত্ৰতো বিভিন্ন ভাৱধাৰা উপলব্ধ। 'নগৰীকৰণ'ৰ ক্ষেত্ৰত এণ্ডাৰছনে এনেদৰে যুক্তি আগবঢ়াইছে যে নগৰীকৰণে "কেৱল গ্ৰাম্যাঞ্চলৰ পৰা নগৰ অঞ্চললৈ হোৱা মানুহৰ স্থানান্তৰ আৰু ভূমি নিৰ্ভৰ কাৰ্যকলাপৰ পৰা নগৰভিত্তিক জীৱিকালৈ হোৱা পৰিৱৰ্তনকে নুসূচায়" ইয়াৰ উপৰিও "মানুহৰ ভাৱধাৰা আৰু ব্যৱহাৰত হোৱা মৌলিক পৰিৱৰ্তন আৰু তেওঁলোকৰ সামাজিক প্ৰমূল্যবোধৰ পৰিৱৰ্তনো" নগৰীকৰণ প্ৰক্ৰিয়াৰ লগত জড়িত হৈ আছে। (এণ্ডাৰছন, ১৯৫৯) এইদৰে এণ্ডাৰছনে মানুহৰ আত্মপ্ৰসূত আচৰণ আৰু মূল্যবোধকো নগৰীকৰণৰ সংজ্ঞাত অন্তৰ্ভুক্ত কৰিছে।

আনহাতে নগৰীকৰণৰ সংজ্ঞাত এক অধিক গঠনাত্মক বা জীৱিকাগত দিশো আছে। এই ক্ষেত্ৰত নগৰীকৰণ হৈছে এক প্ৰক্ৰিয়া যাৰ জৰিয়তে নগৰীয় অঞ্চল অথবা চহৰসমূহত মানুহ, উদ্যোগ আৰু সা-সম্পদৰ সমাহাৰ ঘটে। ৰাৱেণ এছ. থম্পছনৰ মতে নগৰীকৰণৰ "বৈশিষ্ট্যতা হৈছে কৃষি-কাৰ্যৰ লগত মূলতঃ জড়িত ক্ষুদ্ৰ সমাজৰ পৰা চৰকাৰী, বাণিজ্যিক, শিল্পোদ্যোগ আৰু সংযুক্ত উদ্যোগত জড়িত বৃহৎ সমাজলৈ হোৱা মানৰ প্ৰব্ৰজন।"

জনসংখ্যা বিজ্ঞানৰ দৃষ্টিভঙ্গীৰ পৰা, পৰিসৰৰ ওপৰত ভিত্তি কৰি, 'নগৰীকৰণ' ধাৰণাৰ এটা তৃতীয় মাৰ্গো আছে। এই ধাৰণাটোৰ মতে - "নগৰীকৰণ হৈছে জনসংখ্যাৰ এক সমাৱেশ প্ৰক্ৰিয়া।" (এলৰিদ্জ্, ১৯৪২)

এইদৰে, আমি দেখিবলৈ পাওঁ যে এই সংজ্ঞাবোৰৰ ধাৰণা বিভিন্ন চিন্তাধাৰাৰ পণ্ডিত আৰু তেওঁলোকৰ অধ্যয়নৰ দৃষ্টিকোণৰ ভিন্নতা অনুসৰি বেলেগ বেলেগ হয় আৰু এই পদবোৰৰ যি ধৰণে ব্যাখ্যা কৰা হৈছে তাৰ পাৰিপাৰ্শ্বিক, প্ৰযুক্তিগত, জৈৱিক, সমাজতাত্ত্বিক বা মনস্তাত্ত্বিক দিশো থাকিব পাৰে।

১৩.৩.২ জীৱন পৰিক্ৰমা হিচাপে নগৰবাদ

"চিকাগো স্কুল অব্ ছছিয়'লজী" ৰ এক সদস্য লুইচ ৱিৰ্থে ১৯৩৮ চনত লিখা 'Urbanism As a Way of Life' শীৰ্ষক গৱেষণা পত্ৰখনত "নগৰবাদ জীৱনযাত্ৰাৰ এক প্ৰণালী" ধাৰণাটো আগবঢ়াইছিল। তেতিয়াৰে পৰা, ই এক সঘনে উল্লেখিত বাক্যাংশ হৈ পৰিল। উদ্যোগীকৰণ আৰু আধুনিক পুঁজিবাদৰ সৈতে নগৰবাদ একে বুলি ভাবি বিভ্ৰান্ত নহ'বলৈ ৱিৰ্থে সঁকীয়াই দিছে। ৱিৰ্থৰ মতে, নগৰ এখনৰ উৎপত্তিৰ বাবে যদিও পুঁজিবাদ আৰু উদ্যোগীকৰণ জৰুৰী, কিন্তু 'নগৰ'ৰ ধাৰণা পুঁজিবাদৰ পূৰ্বেও আছিল। অৱশ্যে তেনেবোৰ নগৰৰ বৈশিষ্ট্য আধুনিক যুগৰ নগৰতকৈ বহুত বেলেগ আছিল।

ৱিৰ্থৰ বৰ্ণনা অনুসৰি, নগৰ হৈছে "সামাজিকভাৱে ভিন্ন ভিন্ন মূলৰ মানুহেৰে গঠিত এক স্থায়ী জনবসতি, যি তুলনামূলকভাৱে বৃহৎ আৰু ঘনত্ববহুল। " (ৱিৰ্থ, ১৯৩৮)। ইয়াৰ ওপৰত ভিত্তি কৰি তেওঁ নগৰবাদ তত্ত্ব আগবঢ়াইছিল আৰু তিনিটা গুৰুত্বপূৰ্ণ উপাদান আঙুলিয়াই দিছিল। বৃহৎ জনসংখ্যা, জনসমষ্টিৰ সামাজিক ভিন্নতা আৰু জনবসতিৰ ঘনত্ব। এই তিনিটা উপাদানৰ মাজৰ সম্পৰ্কই নগৰীয় জীৱন যাত্ৰা প্ৰণালীৰ উন্নয়নত অৰিহণা যোগাইছিল।

নগৰসমূহত জনসংখ্যা বৃদ্ধি তথা পৰস্পৰৰ মাজত যোগাযোগ থকা নাগৰিকৰ সংখ্যা বৃদ্ধিৰ লগে লগে এনে এক পৰ্যায় উপস্থিত হয়, য'ত সমাজত মানুহবোৰৰ মাজত বিভেদে দেখা দিয়ে। ইয়াৰ ফলত মানুহৰ মাজত

স্থানিক পৃথকীকৰণৰ হাৰ বাঢ়ি যায়। স্থানিক পৃথকীকৰণ বিভিন্ন বৈশিষ্ট্যৰ ওপৰত নিৰ্ভৰ কৰে, যেনে - জাতি, বৰ্ণ, সামাজিক আৰু অৰ্থনৈতিক মৰ্যাদা, ৰুচিবোধ ইত্যাদি। নগৰীয় জীৱন মানুহৰ মাজত ঘটা প্ৰাথমিক সম্পৰ্কৰ সলনি ঘাইকৈ হৈ পৰে গৌণ যোগাযোগ।

বৈশিষ্ট্যগতভাৱে, নগৰীয়া লোকসকলে পৰস্পৰক অতি গৌণ ভূমিকাৰে সাক্ষাৎ কৰে। তেওঁলোকে , নিশ্চিতভাৱেই, নিজৰ জীৱনৰ প্ৰয়োজনীয়তাবোৰ পুৰণ কৰিবলৈ, গ্ৰাম্যাঞ্চলৰ মানুহতকৈ অধিক মানুহৰ ওপৰত নিৰ্ভৰশীল আৰু তেনেকৈ অধিক সংখ্যক সংগঠিত লোকৰ লগত জড়িত, কিন্তু তেওঁলোক নিৰ্দিষ্ট ব্যক্তিবিশেষৰ ওপৰত কম নিৰ্ভৰশীল আৰু আনৰ ওপৰত তেওঁলোকৰ নিৰ্ভৰশীলতা সেই লোকসকলৰ কাৰ্যকলাপৰ অংশবিশেষতে সীমাবদ্ধ থাকে। (ৱিৰ্থ, ১৯৩৮)।

এই পৃথকতাৰ লগতে গৌণ পাৰস্পৰিক মিলা-মিচাৰ বাবে নগৰীয়া ঠাইৰ মানুহৰ মাজত উপযোগমূলক সম্পৰ্কই গুৰুত্ব পাইছে।

ডাৰখেইম আৰু ডাৰউইনৰ লেখাৰ উল্লেখেৰে ৱিৰ্থ এই বুজা-পৰালৈ আহিছিল যে নগৰবোৰত জনসংখ্যাৰ ঘনত্ব বাঢ়ি যোৱাৰ বাবে পৃথকীকৰণো বাঢ়ি আহিছে যাৰ বাবে মানুহবোৰৰ মাজত বিশেষীকৰণো বাঢ়ি গৈছে। ইয়াৰ দ্বাৰা এইটোও প্ৰতিপন্ন হয় যে মানুহৰ মাজত প্ৰতিযোগিতামূলক মনোভাৱ বৃদ্ধি পাইছে আৰু ৱিৰ্থে বাস্তৱিকভাৱে এই অৱস্থা স্পষ্টৰূপে দাঙি ধৰিবলৈ ছিমেলৰ বক্তব্যৰ উল্লেখ কৰিছে। ছিমেলে আগবঢ়োৱা ধাৰণা অনুসৰি, জীৱনৰ এই উদ্দেশ্যগত অৱস্থাৰ পৰিৱৰ্তনে নগৰীয়া মানুহৰ সামাজিক পৰিৱেশৰ প্ৰতি আৰু ওচৰে-পাজৰে থকা অন্য মানুহৰ প্ৰতি থকা দৃষ্টিভংগীলৈকো যথেষ্ট পৰিৱৰ্তন আনিছে।

এনেদৰেই নগৰৰ বিভিন্ন অংশই বিভিন্ন বিশেষত্বপূৰ্ণ কাৰ্য সম্পাদন কৰে। পৰিণতিস্বৰূপে নগৰখন এক বাৰেবৰণীয়া সামাজিক ক্ষেত্ৰসদৃশ হোৱাৰ দিশে গতি কৰে, য'ত এঠাইৰ পৰা আন এঠাইলৈ গতি বৰ আকস্মিক হয়। অতি ঘনিষ্ঠভাৱে একে ঠাইতে বসবাস কৰা আৰু একেলগে কৰ্মৰত লোকসকলে, যাৰ পৰস্পৰৰ মাজত কোনো আৱেগিক বা আনুভূতিক বান্ধোন নাই, তেওঁলোকে এক প্ৰতিদ্বন্দ্বিতা, প্ৰসাৰতা আৰু পাৰস্পৰিক শোষণৰ মনোভাৱ পোষণ কৰে। (ৱিৰ্থ, ১৯৩৮)।

নগৰীকৰণক জীৱন যাত্ৰাৰ প্ৰণালী বিচাপে বৰ্ণনা কৰিবলৈ গৈ ৱিৰ্থে আগবঢ়োৱা অন্তিম বৈশিষ্ট্যটি হৈছে 'বৰ্ণাঢ্যতা'। নগৰসমূহত জনসংখ্যা আৰু জনবসতিৰ ঘনত্ব বাঢ়ি যোৱাৰ ফলত মানুহৰ মাজত আৰু মানুহৰ চাৰিত্ৰিক বৈশিষ্ট্যত যি বৃহৎ বিভাজন আহিছে, তাৰ ফলস্বৰূপে কম পৰিমাণে বিভাজিত অন্য সমাজৰ তুলনাত নগৰৰ সামাজিক স্তৰ'ৰ-বিন্যাসৰ আধাৰতো বিভাজন আহিছে। যি কি নহওক, এই বৈচিত্ৰ্যতাই স্বকীয়ত্বৰ প্ৰসাৰ ঘটোৱা নাই। বৰঞ্চ, ব্যক্তিসকলে নগৰখনৰ ভিতৰৰে বিভিন্ন সংগঠন, গোট আৰু সম্প্ৰদায়ৰ অনুগত হ'বলগীয়াত পৰে। ভিন ভিন ধৰণে নিয়োজিত এক বৃহৎ জনসমষ্টি যেতিয়া একত্ৰিত হয়, তেতিয়াই নিৰ্ব্যক্তিকৰণ (ব্যক্তিৰ গুৰুত্বহীনতা) প্ৰক্ৰিয়াৰো প্ৰৱেশ ঘটে। এনে পৰিস্থিতিত ব্যক্তিৰ স্থান নিৰ্দ্দিষ্ট শ্ৰেণী বা বৰ্গই গ্ৰহণ কৰে। (ৱিৰ্থ, ১৯৩৮)।

ৱিৰ্থৰ মত অনুসৰি, জীৱন যাত্ৰাৰ এক প্ৰণালী হিচাপে নগৰবাদক তিনিটা পৰস্পৰ সম্পৰ্কিত ব্যৱহাৰিক দৃষ্টিকোণৰ পৰা চাব পাৰি—

- এটা জনসমষ্টিৰ ভিত্তিত, প্ৰযুক্তি আৰু পাৰিৱেশিক অনুক্ৰমেৰে সংগঠিত এক পার্থিৱ গাঁথনি হিচাপে। ইয়াত তেওঁ নগৰ এখনৰ জৈৱিক বৈশিষ্ট্যবোৰ, যেনে, মৃত্যুৰ অনুপাত, জন্ম-মৃত্যুৰ হাৰ, ভূমিৰ ব্যৱহাৰ, ভূমিৰ মূল্য, ভূমি ৰাজহ আৰু মালিকীস্বত্ব, পার্থিৱ গাঁথনিবোৰৰ প্ৰকৃতি আৰু কাৰ্যকাৰিতা, গৃহ, পৰিবহন

আৰু যোগাযোগৰ সুবিধাসমূহ আৰু ৰাজহুৱা সেৱাসমূহৰ আহি বা নমুনাবোৰ উল্লেখ কৰিছে। এই সকলোবোৰেই সমাজতাত্ত্বিকভাৱে গুৰুত্বপূৰ্ণ, কাৰণ এই সকলোবোৰেই প্ৰভাৱশালী আৰু নগৰীয়া জীৱন যাত্ৰাৰ দ্বাৰা এইবোৰ প্ৰভাৱিত।

- দ্বিতীয়তে, এক বৈশিষ্ট্যপূৰ্ণ সামাজিক গাঁথনি, কিছুমান সামাজিক অনুষ্ঠান আৰু প্ৰতীকস্বৰূপ সামাজিক সম্পৰ্কৰে সৃষ্ট সামাজিক সংগঠনৰ এক প্ৰক্ৰিয়া হিচাপে বৰ্ণনা কৰিছে। ইয়াত তেওঁ কিছুমান উদাহৰণ আগবঢ়াইছে, যেনে, সামাজিক জীৱনৰ এক গোট হিচাপে পৰিয়াল আৰু পৰিয়ালৰ আকাৰৰ পৰিৱৰ্তিত প্ৰকৃতি, উচ্চ নিৰিখৰ ভাৰা, আৰু নগৰীয়া জীৱনে কেনেকৈ স্ব-নিযুক্তিক নিৰুৎসাহ কৰে। এই সকলোবোৰ চৰ্তই ব্যক্তিসকলক নিজৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ কোনো দল বা সংগঠনত যোগ দিবলৈ আগবঢ়াই নিয়ে।
- তৃতীয়তে, নগৰবাদক কিছুমান দৃষ্টিভঙ্গী আৰু ধাৰণাৰ সমষ্টি আৰু প্ৰতীকধৰ্মী সমূহীয়া আচৰণ তথা বৈশিষ্ট্যপূৰ্ণ সামাজিক নিয়ন্ত্ৰণ প্ৰক্ৰিয়াৰ অধীনস্থ এচাম ব্যক্তিৰ সমষ্টি বুলি অভিহিত কৰিছে।

গতিকে দেখা যায় যে 'জীৱন যাত্ৰাৰ এক প্ৰণালী হিচাপে নগৰবাদ'ৰ দৰে এক ধাৰণাৰ অধ্যয়ন কৰোঁতে সন্মুখীন হোৱা কঠিনতা আৰু জটিলতাসমূহৰ ওপৰত আলোকপাত কৰিবলৈ ৰিৰ্থে যথেষ্টখিনি অৰিহণা যোগাইছে আৰু লগতে নগৰীয় জীৱন আৰু সমাজৰ বিষয়ে অধ্যয়ন কৰি থকা অন্য সমাজতাত্ত্বিকসকলৰ বাবে এক ভিত্তিও আগবঢ়াইছে।

১৩.৩.৩ বৃহৎ মহানগৰী, গোলকীয় মহানগৰী, উপনগৰীকৰণ, পাৰ্শ্ববৰ্তী চহৰ, গ্ৰাম্য-নগৰীয় উপকণ্ঠ অঞ্চল

ঔদ্যোগিক সমাজৰ প্ৰগতিৰ লগে লগে উৎপাদন ক্ৰিয়া, শিল্পোদ্যোগ, যোগাযোগ আৰু পৰিবহন ব্যৱস্থা আদি সকলোবোৰ ক্ষেত্ৰৰে কাৰিকৰী দিশত ক্ষিপ্ৰ উন্নয়ন সাধিত হৈছে। মানৱ সমাজ যি ধৰণে আৰু যি গতিত বিকশিত হ'বলৈ আৰম্ভ কৰিছে, সেয়া অভূতপূৰ্ব। নগৰীয় জীৱনৰ গাঁথনি আৰু পৰিস্থিতিৰ ক্ষিপ্ৰ পৰিৱৰ্তনৰ লগে লগে মানৱ সমাজৰ এই দ্ৰুত উন্নয়ন সংঘটিত হৈছে। অধ্যায়টিৰ এই অংশত আমি নগৰীয় প্ৰেক্ষাপটত উদ্ভৱ হোৱা কিছু নতুন ধাৰণাৰ সৈতে পৰিচিত হোৱাৰ মাধ্যমেৰে এই পৰিৱৰ্তনবোৰৰ বিষয়ে জানিবলৈ এক প্ৰচেষ্টা চলাম।

- **বৃহৎ মহানগৰী** (Mega City) ঃ ইতিমধ্যে উল্লেখ কৰা হৈছে যে মহানগৰৰ এক বৈশিষ্ট্য হৈছে বৃহৎ জনসংখ্যা। যি কি নহওক, সমকালীন প্ৰেক্ষাপটত এনে কিছুমান মহানগৰ গঢ়ি উঠিছে যাৰ জনসংখ্যা পূৰ্বে কেতিয়াও নোহোৱা ধৰণে বাঢ়ি গৈছে আৰু আন কিছুমান মহানগৰৰ আয়তন গড় আকাৰৰ মহানগৰতকৈ বহুগুণে বাঢ়ি গৈছে। এনে পৰিস্থিতিত, নগৰীয় অধ্যয়নৰ যোগেৰে জ্ঞাত মহানগৰসমূহ আৰু এইবোৰৰ লগত অতুলনীয়ভাৱে বাঢ়ি যোৱা কিছুমান অতি বৃহৎ মহানগৰৰ মাজত এক সীমাৰেখা অংকনৰ প্ৰয়োজন আহি পৰিছে। এই নতুন বৃহৎ মহানগৰীয় অঞ্চলবোৰক বৃহৎ মহানগৰী (Mega City) আখ্যা দিয়া হয়।

জনসংখ্যাৰ দিশৰ পৰা ৰাষ্ট্ৰসংঘই ১০ নিযুততকৈ অধিক জনবসতি থকা ঠাই এখনক 'বৃহৎ মহানগৰ' আখ্যা দিছে। আৰু এই আখ্যাক 'বৃহৎ মহানগৰ'ৰ সংজ্ঞা হিচাপে স্বীকৃতি দিয়া হৈছে। আন এক ধাৰণা অনুসৰি, প্ৰতি বৰ্গ কিলোমিটাৰত জনবসতিৰ ঘনত্ব ২০০০ জন হোৱাৰ লগতে মুঠ জনসংখ্যা ৮০ লাখতকৈ অধিক হ'ব লাগে। এখন বৃহৎ মহানগৰী এটা মহানগৰীয় অঞ্চল হ'ব পাৰে বা ওচৰা-ওচৰিকৈ থকা দুটা মহানগৰীয় অঞ্চলকো এখন বৃহৎ মহানগৰ বুলি ক'ব পাৰি।

- **গোলকীয় মহানগৰী** (Global City) ঃ ক্ৰমবৰ্ধিত গোলকীয়কৰণৰ বাবে গোলকীয় মহানগৰৰ ধাৰণাটো এক গুৰুত্বপূৰ্ণ ধাৰণা হিচাপে উত্থাপিত হৈছে। ১৯৯১ চনত যেতিয়া ছাছ্কিয়া ছাছেনে লণ্ডন, টকিয়' আৰু নিউইয়ৰ্ক মহানগৰীৰ বিষয়ে উল্লেখ কৰিবলৈ গৈ "গোলকীয় মহানগৰ" (Global City) পদটি ব্যৱহাৰ কৰিছিল, তেতিয়াৰেপৰাই ই জনপ্ৰিয় হৈ পৰিছিল। নিজৰ এই ধাৰণাত ছাছেনে ৰাষ্ট্ৰীয় ক্ষেত্ৰসমূহ মুক্ত কৰাৰ কথা কৈছে কাৰণ গোলকীয় স্ৰোতে অৰাষ্ট্ৰীয়কৃত পথেৰে কৰ্ম সম্পাদনৰ বাবে সক্ষম। ইয়াৰ লগতে কিছুমান অনা-ৰাষ্ট্ৰীয় কৰ্তাৰ উত্থান হৈছে, যি এই পৰিৱৰ্তনসাধ্য পৰিস্থিতিত কাৰ্য সম্পাদন কৰিছে আৰু কিছুমান নতুন কাৰ্য পৰিকল্পনাৰ সূচনা কৰিছে য'ত নতুন ধৰণৰ কাৰ্য তথা শ্ৰম বিভাজন ঘটিছে আৰু যাৰ ইতিমধ্যে মহানগৰীত থকা বৈষম্যতাৰ প্ৰকোপ বৃদ্ধি কৰাৰ সামৰ্থ্য আছে।

  ছাছেনৰ মতে "গোলকীয় মহানগৰী হৈছে এক সীমান্ত অঞ্চল য'ত ৰাষ্ট্ৰীয় পুৰণি স্থানিকতা আৰু পার্থিৱতাৰ লগত গোলকীয় ডিজিটেল যুগৰ নতুনত্বৰ মিলন ঘটিছে। এই দুয়োৰে সান্নিধ্যত এলানি নতুন অর্থনৈতিক আৰু সাংস্কৃতিক প্ৰকল্পৰ সম্ভাৱনীয়তাই দেখা দিছে।" (ছাছেন, ১৯৯১)।

  গতিকে, দেখা যায় যে গোলকীয় মহানগৰী হৈছে সেই স্থান, য'ত "ৰাষ্ট্ৰীয়" পুৰণি ধাৰণা আৰু গাঁথনিবোৰ "গোলকীয়" নতুন ডিজিটেল আৰু আধুনিক গাঁথনিবোৰৰ সংস্পৰ্শলৈ আহে যি এনে এক পৰিৱেশৰ সৃষ্টি কৰে য'ত বহুতো নতুন গাঁথনিৰ সৃষ্টি হয় আৰু বহুতো পুৰণি গণাথনিৰ পৰিৱৰ্তনআৰু ক্ৰমবিকাশ হয়। অৰাষ্ট্ৰীয়কৰণ আৰু গোলকীয়কৰণৰ এই যুগ্ম প্ৰক্ৰিয়া হাত ধৰাধৰিকৈ একে সময়তে ঘটে।

- **উপনগৰীকৰণ ঃ** পশ্চিমীয়া দেশৰ মহানগৰীবোৰত উপনগৰীকৰণ অধিক মাত্ৰাত দৃষ্টিগোচৰ হয়। ই এনে এক পৰিঘটনাৰ ইংগিত দিয়ে য'ত মানুহবোৰে নগৰীয়া অঞ্চলৰ পৰা আঁতৰি যায় আৰু নগৰৰ মধ্যস্থলৰ ক্ৰমে বৃদ্ধিপ্ৰাপ্ত সমকেন্দ্ৰিক স্থানৰ পৰা দূৰত বাস কৰিবলৈ লয়।

  নগৰীকৰণৰ প্ৰভাৱকে ধৰি বৰ্ধিত যানজঁট সমস্যা, বৃদ্ধিপ্ৰাপ্ত প্ৰদূষণৰ মাত্ৰা, ঘৰভাৰা, ভূমিৰ মূল্য, গৃহ নিৰ্মাণ ব্যয়কে ধৰি জীৱন নিৰ্বাহৰ ব্যয় বৃদ্ধিয়ে বহুতো মানুহক নগৰৰ অভিকেন্দ্ৰৰ পৰা নগৰৰ বাহিৰলৈ তেওঁলোকৰ বাবে অধিক খাপ খোৱা বাসভূমিৰ সন্ধানত আঁতৰাই পঠায়। যিবোৰ মহানগৰীৰ পথ আৰু পৰিবহন ব্যৱস্থা বেচ উন্নত, যি ক্ষেত্ৰত নগৰৰ মধ্যস্থলৰ পৰা দূৰত বাস কৰিলেও নগৰৰ লগত সংযোগ বিচ্ছিন্ন নহয়, তেনেবোৰ মহানগৰীত উপনগৰীকৰণ স্পষ্টৰূপে পৰিলক্ষিত হয়।

- **পার্শ্ৱৰতী মহানগৰ ঃ** বৃহৎ মহানগৰীৰ আশে-পাশে কিছুমান সৰু সৰু মহানগৰ গঢ় লৈ উঠে যাক পার্শ্ৱৰতী মহানগৰ (satellite city) বুলি কোৱা হয়। পার্শ্ৱৰতী মহানগৰবোৰ ডাঙৰ মহানগৰখনৰ অংশ নহয় কিন্তু সেই মহানগৰৰ দ্বাৰা প্ৰভাৱিত হ'ব পাৰে। এই পার্শ্ৱৰতী মহানগৰবোৰ অপেক্ষাকৃতভাৱে সৰু আকাৰৰ আৰু ডাঙৰ মহানগৰৰ তুলনাত এইবোৰত জীৱন নিৰ্বাহ ব্যয়, বাসস্থান আৰু জীৱন শৈলী যথেষ্ট সুলভ। মুঠৰ ওপৰত, ডাঙৰ মহানগৰীত থকা সকলো সা-সুবিধাই পার্শ্ৱৰতী মহানগৰত উপলব্ধ, কাৰণ ই নিজেই নগৰীয় সংস্কৃতি আৰু নগৰীকৰণৰ বাবে থকা অভিলাসৰ এক বহিঃপ্ৰকাশ আৰু সেইসকল নাগৰিকৰ বাবে, যি ব্যয়বহুলতাৰ কাৰণে বা নিযুক্তিৰ অভাৱত ডাঙৰ মহানগৰবোৰ তেওঁলোকৰ বাবে বহনক্ষম নহয় বুলি ভাৱে।

- **গ্ৰাম্য-নগৰীয় উপকণ্ঠ অঞ্চল ঃ** গ্ৰাম্য-নগৰীয় উপকণ্ঠ বুলিলে সেইবোৰ অঞ্চলক বুজোৱা হয় যিবোৰ ঠাই সাধাৰণতে নগৰৰ দাঁতিত অৱস্থিত আৰু য'ত ভূমিৰ ব্যৱহাৰ আৰু জীৱন যাপন পদ্ধতিৰ ক্ষেত্ৰত গাঁও

আৰু নগৰৰ এক সংমিশ্রণ দেখিবলৈ পোৱা যায়। ১৯৬৮ চনত ৰবিন জে. প্রায়'ৰ এ "গ্রাম্য-নগৰ উপকণ্ঠ" পদটো প্রচলন কৰে। এক স্পষ্ট পৰিসীমাৰ সলনি এই পদটোৱে নিজেই এক 'অঞ্চল' ক হে বুজায়, গতিকে ইয়াত গাঁও আৰু নগৰৰ মাজত স্পষ্ট সীমাৰেখা দেখা পোৱা নেযায়। এই অৱস্থান্তৰ ঘটা অঞ্চলত, গ্রাম্য আৰু নগৰীয় উভয়ৰে উপাদানসমূহৰ উপস্থিতিয়ে দুয়ো ধৰণৰ জীৱন যাত্রাৰ মাজত ঐক্য তথা সংঘাত দুয়োটাই হ'ব পাৰে।

উপকণ্ঠ অঞ্চলৰ ভূমিৰ ব্যৱহাৰ কিছুমান এনেধৰণৰ হ'ব পাৰে - যান-বাহনৰ পথেৰে সৈতে বিস্তীর্ণ শস্য-ক্ষেত্র আৰু চৰণীয়া পথাৰ, মাটি পোতা আৰু আৱর্জনা পুনঃব্যৱহাৰযোগ্য কৰা, নগৰৰ মধ্যস্থলৰ পৰা দূৰত প্রতিষ্ঠা কৰা বিনোদন উদ্যান তথা আৱাসিক বিকাশ আৰু গৃহ নির্মাণ।

১৩.৩.৪ নগৰীকৰণৰ প্রভাৱ

ইতিপূর্বে আলোচিত ৰিৰ্থৰ নগৰীয় জীৱন পৰিক্রমাৰ ধাৰণাসমূহৰ ওপৰত ভিত্তি কৰি নগৰীকৰণৰ কেতবোৰ প্রভাৱৰ বিষয়ে জানিব পৰা যায়। সেইবোৰ মনত ৰাখি ভাৰতীয় প্রেক্ষাপটত নগৰীকৰণৰ অন্য কিছুমান প্রভাৱৰ বিষয়ে আলোচনা কৰিব পাৰি ঃ

- **গ্রাম্য-নগৰীয় প্রব্রজন ঃ** ভাৰতবর্ষৰ গ্রাম্যাঞ্চলৰ পৰা নগৰ অঞ্চললৈ এক বৃহৎ সংখ্যক লোকৰ আগমন ঘটে। এই প্রব্রজনৰ বহুত কাৰণ আছে, যেনে - গ্রাম্য এলেকাত জীৱিকা আৰু নিযুক্তিৰ অভাৱ, পৰম্পৰাগত বৃহৎ কৃষক পৰিয়াল ব্যৱস্থাত ভাঙোন, ভাৰতৰ কৃষি খণ্ডত বিকাশৰ অভাৱ, য'ত মুঠ জনসংখ্যাৰ এক বৃহৎ অংশ নিযুক্ত হৈ আছে কিন্তু দেশখনৰ বার্ষিক মুঠ ঘৰুৱা উৎপাদনলৈ অৱদান নিম্নগামী হৈছে। প্রব্রজিত লোকৰ এই বৃহৎ আগমনে বহু ধৰণৰ সমস্যাৰ সৃষ্টি কৰিছে, যেনে, কর্ম-নিযুক্ত লোকসকল নগৰলৈ অহাত পৰিয়ালবোৰত বিভাজন আহিছে, বৃহৎ সংখ্যক অদক্ষ লোকসমষ্টিৰ আগমনত নগৰীয় অঞ্চলে সকলোকে নিযুক্তি দিব নোৱৰাৰ বাবে সৰু-সুৰা অপৰাধ আৰু ভিক্ষাবৃত্তি বৃদ্ধি পাইছে তথা অন্যান্য সমস্যাৰ লগতে গৃহহীনতাৰ সমস্যা বাঢ়িছে। মহানগৰবোৰত গঢ়ি লৈ উঠা বস্তি অঞ্চলবোৰে এই সমস্যাটোক অতি বিষম ৰূপে প্রকট কৰিছে।
- **সম্পদ আৰু আন্তঃগাঁথনি ঃ** নগৰীয় অঞ্চলৰ বৃদ্ধিৰ লগত সংগতি ৰাখি উন্নত সম্পদ আবণ্টন আৰু উন্নত সম্পদ ব্যৱহাৰ হোৱা নাই। ইয়াৰ পৰিণতিস্বৰূপে, বিভিন্ন জল সংকটে দেখা দিছে যেনে, পানীৰ নাটনি, সুলভ আৰু বিশুদ্ধ খোৱাপানীৰ অভাৱ ইত্যাদি, যিবোৰ ভাৰতৰ নগৰীয় অঞ্চলৰ দৈনন্দিন বিষয় হৈ পৰিছে। ইয়াৰ লগতে ভাৰতৰ নগৰীয় অঞ্চলবোৰে অনাময় ব্যৱস্থা আৰু নর্দমা সম্বন্ধীয় বিভিন্ন সমস্যাৰ সন্মুখীন হয়। সম্পদৰ এই পার্থক্যসূচক প্রাপ্তিৰ মূল কাৰণ হৈছে নগৰ অঞ্চলত উপার্জনৰ স্তৰত বিশাল অসমতা লগতে উচ্চ জীৱন নির্বাহ ব্যয় আৰু মুদ্রাস্ফীতি যিটো ভাৰতীয় মহানগৰবোৰত অবিৰতভাৱে বাঢ়ি আহিছে।

পৰিবহন আৰু যোগাযোগ ব্যৱস্থাৰ উন্নতিয়েই হৈছে নগৰ অঞ্চলৰ বিকাশৰ অন্যতম মূল কাৰক। কিন্তু নগৰ অঞ্চলবোৰ দক্ষতাৰে সুচল কৰি ৰাখিবলৈ থাকিব লগা যথোপযুক্ত আঁচনিৰ অভাৱত মহানগৰীবোৰৰ ভিতৰতে হেঁচা-ঠেলা বাঢ়ি যোৱাটো পৰিলক্ষিত হয়। সেইবাবে, মহানগৰৰ ভিতৰত যাতায়াতত বাধা আৰোপ বাঢ়ি যোৱাৰ বিপৰীতে জনসাধাৰণৰ বাবে দক্ষ, সুলভ আৰু নিৰাপদ ৰাজহুৱা পৰিবহন সেৱাৰ পর্যাপ্ততা পৰিলক্ষিত হোৱা নাই।

- **পৰিবেশ ঃ** ভাৰতবৰ্ষৰ নগৰ অঞ্চলত প্ৰদূষণৰ মাত্ৰা বাঢ়ি গৈছে। সম্প্ৰতি ভাৰতীয় মহানগৰীবোৰ বিশ্বৰ কিছুমান অতি প্ৰদূষিত স্থানত পৰিণত হৈছে। ভাৰতৰ মহানগৰবোৰত ধোঁৱা মিহলি কুঁৱলী, তথা যান-বাহন আৰু কল-কাৰখানাৰ ধোঁৱা মিহলি বাষ্পৰ সমস্যা গতানুগতিক কথা হৈ পৰিছে। নগৰসমূহত প্ৰদূষণৰ মাত্ৰা নিয়ন্ত্ৰণ কৰিবলৈ আৰু ইয়াৰ বাবে দায়ী ব্যক্তি বা উদ্যোগক দণ্ড বিহিবলৈ উপযুক্ত পৰীক্ষণ ব্যৱস্থা নাই। নগৰসমূহত হৃদজনিত আৰু শ্বাসজনিত ৰোগৰ বৃদ্ধি আৰু কৰ্কট ৰোগৰ আধিক্যৰ মূল কাৰণ প্ৰদূষণ বুলি সন্দেহ কৰা হয়। ইয়াৰ লগতে নগৰীয়া জীৱন শৈলীয়েই হৈছে মানুহৰ মাজত ক্ৰমান্বয়ে বাঢ়ি অহা মানসিক চাপ আৰু উৎকণ্ঠাৰ মূল কাৰণ।

এইবোৰেই হৈছে ভাৰতীয় মহানগৰসমূহত নগৰীকৰণে পেলোৱা কিছু প্ৰভাৱ। অৱশ্যেই এই তালিকাত সকলোবোৰ অন্তৰ্ভুক্ত হোৱা নাই আৰু নগৰখনে তাত বাস কৰা নাগৰিকসকলৰ ওপৰত অনিষ্টকাৰী আৰু উপকাৰী ৰূপত অন্য বহু ধৰণেৰে প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। গতিকে দেখা যায় যে আধুনিক জীৱন শৈলী আৰু ব্যক্তি স্বাধীনতাৰ লগতে উচ্চ উপাৰ্জন আৰু লোভনীয় চাকৰিৰ সুবিধা দিয়াৰ লগতে মহানগৰবোৰ অপৰাধ, মানসিক চাপ আৰু পাৰিপাৰ্শ্বিক অৱনতিৰ স্নায়ুকেন্দ্ৰ হৈ উঠিব পাৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ লুইচ ৱিৰ্থ কোনখন পণ্ডিত সমাজৰ (School of thought) সদস্য আছিল?

প্ৰশ্ন নং ২ ঃ লুইচ ৱিৰ্থে মহানগৰৰ সংজ্ঞা কেনেদৰে দিছে?

প্ৰশ্ন নং ৩ ঃ ৱিৰ্থৰ মতে মহানগৰ এখনৰ সংজ্ঞা দিয়া মুখ্য বৈশিষ্ট্যবোৰ কি কি?

প্ৰশ্ন নং ৪ ঃ বৃহৎ মহানগৰী বুলিলে আপুনি কি বুজে?

প্ৰশ্ন নং ৫ ঃ গ্ৰাম্য-নগৰীয় উপকণ্ঠ অঞ্চল বুলিলে আপুনি কি বুজে?

১৩.৪ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

- 'নগৰ অধ্যয়ন' হৈছে এটা বহু বিষয় সামৰি লোৱা পদ বা সংজ্ঞা, যাৰ অন্তৰ্গত বিষয়বোৰ হৈছে, সমাজতত্ত্ব, অৰ্থনীতি, ভূগোল, স্থপতি-বিদ্যা আদি, যিবোৰে মূলতঃ নগৰ-সম্বন্ধীয় বিষয়বোৰৰ ওপৰত দৃষ্টিপাত কৰে।
- "নগৰ" পদটোৱে ঘন জনবসতিপূৰ্ণ এনে এক অঞ্চলৰ কথা বুজায়, য'ৰ অধিকাংশ লোক অ-কৃষিমূলক অৰ্থনৈতিক কাৰ্যকলাপ বা জীৱিকাৰ লগত জড়িত।
- ভাৰতবৰ্ষত, ২০১১ চনৰ লোকপিয়লে নিৰ্দ্ধাৰণ কৰা সূত্ৰ অনুসৰি নগৰীয়া অঞ্চল হৈছে সেইবোৰ ঠাই, য'ত নিম্নতম ৫০০০ লোকসমষ্টি আছে আৰু জনবসতিৰ ঘনত্ব প্ৰতি বৰ্গ কিলোমিটাৰত ৪০০ জন। ইয়াৰ লগতে প্ৰধান কৰ্মনিযুক্ত জনসমষ্টিৰ ৭৫ শতাংশতকৈ অধিক পুৰুষকৰ্মী অ-কৃষিমূলক কাৰ্যকলাপত নিযুক্ত হ'ব লাগিব।
- নগৰবাদ হৈছে এক জীৱন যাত্ৰা বা নগৰ অঞ্চলত বসবাসৰ দ্বাৰা সৃষ্ট এক মানসিক অৱস্থা।
- "চিকাগো স্কুল অব্ ছছিয়'লজী" ৰ এক সদস্য লুইচ ৱিৰ্থে ১৯৩৮ চনত লিখা 'Urbanism As a Way of Life' শীৰ্ষক গৱেষণা পত্ৰখনত "নগৰবাদ জীৱনযাত্ৰাৰ এক প্ৰণালী" ধাৰণাটো আগবঢ়াইছিল।

- জনসংখ্যাৰ দিশৰ পৰা ৰাষ্ট্রসংঘই ১০ নিযুততকৈ অধিক জনবসতি থকা ঠাই এখনক 'বৃহৎ মহানগৰ' আখ্যা দিছে।
- "গোলকীয় মহানগৰী হৈছে এক সীমান্ত অঞ্চল য'ত ৰাষ্ট্রীয় পুৰণি স্থানিকতা আৰু পার্থিৱতাৰ লগত গোলকীয় ডিজিটেল যুগৰ নতুনত্বৰ মিলন ঘটিছে। এই দুয়োৰে সান্নিধ্যত এলানি নতুন অর্থনৈতিক আৰু সাংস্কৃতিক প্রকল্পৰ সম্ভাৱনীয়তাই দেখা দিছে।" (ছাছেন, ১৯৯১)।
- উপনগৰীকৰণ হৈছে এনে এক পৰিঘটনা য'ত মানুহবোৰে নগৰীয়া অঞ্চলৰ পৰা আঁতৰি যায় আৰু নগৰৰ মধ্যস্থলৰ ক্রমে বৃদ্ধিপ্রাপ্ত সমকেন্দ্রিক স্থানৰ পৰা দূৰত বাস কৰিবলৈ লয়।
- বৃহৎ মহানগৰীৰ আশে-পাশে গঢ় লৈ উঠা কিছুমান সৰু সৰু মহানগৰক পার্শ্বৱর্তী মহানগৰ (satellite city) বুলি কোৱা হয়।পার্শ্বৱর্তী মহানগৰবোৰ ডাঙৰ মহানগৰখনৰ অংশ নহয়, কিন্তু সেই মহানগৰৰ দ্বাৰা প্রভাৱিত হ'ব পাৰে।
- গ্রাম্য-নগৰীয় উপকণ্ঠ বুলিলে সেইবোৰ অঞ্চলক বুজোৱা হয় যিবোৰ ঠাই সাধাৰণতে নগৰৰ দাঁতিত অৱস্থিত আৰু য'ত ভূমিৰ ব্যৱহাৰৰ ওপৰত ভিত্তি কৰি গাঁও আৰু নগৰৰ মাজত এক সংমিশ্রণ গঢ়ি উঠে।

১৩.৫ অধিক জানিবলৈ

১) Anderson, Nels. 1959 Urbanism and Urbanization. American Journal of Sociology, Vol. 65, No. pp 68-73

২) Eldrige, Hope T. 1942. The Process of Urbanization. Social Forces, XX (March, 1942), p. 311.

৩) Sassen, Saskia. 1991. The Global City: De-Nationalisation of Time and Space. Wiley Online Library

৪) Waren S. Thompson, 1931 "Urbanization". Encyclopaedia of the Social Sciences., New York: Macmillan, Vol. 15, p. 1

৫) Writh, Louis, 1938. Urbanism as a Way of Life, American Journal of Sociology, 44,1

১৩.৬ অগ্রগতিৰ খতিয়ান

প্রশ্ন ১ ৰ উত্তৰ ঃ "চিকাগো স্কুল অব্ ছছিয়'লজী"-

প্রশ্ন ২ ৰ উত্তৰ ঃ ৱির্থৰ বর্ণনা অনুসৰি, নগৰ হৈছে "সামাজিকভাৱে ভিন্ন ভিন্ন মূলৰ মানুহেৰে গঠিত এক স্থায়ী জনবসতি, যি তুলনামূলকভাৱে বৃহৎ আৰু ঘনত্ববহুল। " (ৱির্থ, ১৯৩৮)।

প্রশ্ন ৩ ৰ উত্তৰ ঃ তিনিটা মূল বৈশিষ্ট্য হৈছে - বৃহৎ জনসংখ্যা, জনসমষ্টিৰ সামাজিক ভিন্নতা আৰু জনবসতিৰ ঘনত্ব।

প্রশ্ন ৪ ৰ উত্তৰ ঃ জনসংখ্যাৰ দিশৰ পৰা ৰাষ্ট্রসংঘই ১০ নিযুততকৈ অধিক জনবসতি থকা ঠাই এখনক 'বৃহৎ

মহানগৰ' আখ্যা দিছে। আৰু এই আখ্যাক 'বৃহৎ মহানগৰ'ৰ সংজ্ঞা হিচাপে স্বীকৃতি দিয়া হৈছে। আন এক ধাৰণা অনুসৰি, প্ৰতি বৰ্গ কিলোমিটাৰত জনবসতিৰ ঘনত্ব ২০০০ জন হোৱাৰ লগতে মুঠ জনসংখ্যা ৮০ লাখতকৈ অধিক হ'ব লাগে। এখন বৃহৎ মহানগৰী এটা মহানগৰীয়ল অঞ্চল হ'ব পাৰে বা ওচৰা-ওচৰিকৈ থকা দুটা মহানগৰীয় অঞ্চলকো এখন বৃহৎ মহানগৰ বুলি ক'ব পাৰি।

প্ৰশ্ন ৫ ৰ উত্তৰ ঃ গ্ৰাম্য-নগৰীয় উপকণ্ঠ বুলিলে সেইবোৰ অঞ্চলক বুজোৱা হয় যিবোৰ ঠাই সাধাৰণতে নগৰৰ দাঁতিত অৱস্থিত আৰু য'ত ভূমিৰ ব্যৱহাৰ আৰু জীৱন যাপন পদ্ধতিৰ ক্ষেত্ৰত গাঁও আৰু নগৰৰ এক সংমিশ্ৰণ দেখিবলৈ পোৱা যায়। ১৯৬৮ চনত ৰবিন জে. প্ৰায়'ৰ এ "গ্ৰাম্য-নগৰ উপকণ্ঠ" পদটো প্ৰচলন কৰে। এক স্পষ্ট পৰিসীমাৰ সলনি এই পদটোৱে নিজেই এক 'অঞ্চল' ক হে বুজায়, গতিকে ইয়াত গাঁও আৰু নগৰৰ মাজত স্পষ্ট সীমাৰেখা দেখা পোৱা নেযায়। এই অৱস্থান্তৰ ঘটা অঞ্চলত, গ্ৰাম্য আৰু নগৰীয় উভয়ৰে উপাদানসমূহৰ উপস্থিতিয়ে দুয়ো ধৰণৰ জীৱন যাত্ৰাৰ মাজত ঐক্য তথা সংঘাত দুয়োটাই হ'ব পাৰে।

১৩.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ গোলকীয় মহানগৰী আৰু বৃহৎ মহানগৰীৰ মাজত পাৰ্থক্য কি?

প্ৰশ্ন ২ ঃ নগৰীকৰণ আৰু উপনগৰীকৰণৰ মাজত পাৰ্থক্য কি?

প্ৰশ্ন ৩ ঃ লুইচ ৱিৰ্থৰ মতে, কোনবোৰ দৃষ্টিকোণৰ পৰা "জীৱন পৰিক্ৰমা হিচাপে নগৰবাদ" ধাৰণাটোৰ কাষ চাপিব পাৰি?

প্ৰশ্ন ৪ ঃ ভাৰতবৰ্ষত নগৰীকৰণে পেলোৱা কিছু প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা।

প্ৰশ্ন ৫ ঃ নগৰবাদ আৰু নগৰীকৰণৰ মাজত পাৰ্থক্য কি?

*** ***** ***

অধ্যায় ১৪ ঃ নগৰীয়া সমস্যাসমূহ

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ ভাৰতবৰ্ষৰ নগৰীকৰণ সমস্যা
১৪.৩.১ নগৰীয়া পৰিৱেশ আৰু নগৰীকৰণ
১৪.৩.২ নগৰীয়া পৰিবহন আৰু জলযোগান ব্যৱস্থাৰ সমস্যা
১৪.৩.৩ শব্দ আৰু বায়ু প্ৰদূষণ
১৪.৩.৪ বাসস্থান আৰু বস্তী অঞ্চল
১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৫ অধিক জানিবলৈ
১৪.৬ অগ্ৰগতিৰ খতিয়ান
১৪.৭ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ভাৰতবৰ্ষৰ নগৰীকৰণৰ লগত জড়িত সমস্যাসমূহৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব
- পৰিৱেশ পাৰিপাৰ্শ্বিকতা (environment), আত্মঃগাঁথনি (infrastructure), পৰ্যাৱৰণ (ecology) আৰু নগৰীয়া জীৱন-ধাৰণৰ পৰিস্থিতি কিদৰে নগৰীকৰণে প্ৰভাৱিত কৰে তাক এই অধ্যায়টিৰ জৰিয়তে বুজিব পাৰিব।

১৪.২ পৰিচয়

ব্যক্তিগত (private) আৰু ৰাজহুৱা (public) উদ্যোগিক খণ্ডৰে সংগঠিত ভাৰতবৰ্ষৰ মিশ্ৰিত অৰ্থনৈতিক ব্যৱস্থা (mixed economy) গ্ৰহণৰ ফলস্বৰূপে অতি দ্ৰুতগতিত নগৰীকৰণ ব্যৱস্থাই প্ৰসাৰ লাভ কৰে। ইয়াৰ ফলত পূৰ্বৰ ভাৰতীয় সংকুচিত বা বন্ধ (closed) অৰ্থনৈতিক ব্যৱস্থাৰ পতন হৈছিল। ১৯০১ চনৰ ভাৰতীয় লোকপিয়ল অনুসৰি মুঠ জনসংখ্যাৰ ১১.৪% লোক চহৰ অঞ্চলত বাস কৰে। ২০১১ চনৰ লোকপিয়ল মতে এই পৰিসংখ্যা ৩১.১৬% লৈ বৃদ্ধি হয়। United National আৰু World Bank-ৰ নিচিনা আগশাৰীৰ সংস্থাসমূহৰ মতে ভাৰতবৰ্ষৰ নগৰীয়া জনসংখ্যা বৃদ্ধিৰ হাৰ পূৰ্বৰ তুলনাত বৃদ্ধি পোৱাৰ পূৰ্ণ সম্ভাৱনা আছে আৰু পৃথিৱীৰ জনসংখ্যা বসতিৰ ঘনত্ব (density) ৰ ক্ষেত্ৰত ২০৫০ চনৰ ভিতৰত ভাৰতবৰ্ষও এখন আগশাৰীৰ ৰাষ্ট্ৰ হিচাবে চিহ্নিত হ'ব। আনকি, ভাৰতবৰ্ষৰ বাহিৰেও অহা পঞ্চাশ বছৰত পৃথিৱীৰ মুঠ জনসংখ্যাৰ আধাসংখ্যকেই চহৰ অঞ্চলত বাস কৰিব বুলি পূৰ্ব অনুমান কৰা হৈছে। নিঃসন্দেহে এইপৰিৱৰ্তনে দেশসমূহলৈ বৃহৎ প্ৰভাৱ পেলাব। এই অসম উন্নয়ন গোটেই পৃথিৱীৰ বাবেই চিন্তাজনক লগতে উন্নয়নৰ স্তৰীকৰণ (stratified)ও গ্ৰহণযোগ্য নহয়।

এই দ্রুত নগৰীকৰণ ভাৰতবৰ্ষৰ বাবে পৰিণামগতভাৱে ভাল আৰু বেয়া, দুয়োধৰণেৰেই সংমিশ্রিত। এই নগৰীকৰণৰ প্রভাৱ ভাৰতবৰ্ষৰ সমাজ, ৰাজনীতি, জীৱনৰ সাংস্কৃতিক দিশ, ইয়াৰ আধাৰিক সংৰচনাৰ লগতে উন্নয়ন আৰু অটব্যৱস্থাকও গভীৰভাৱে প্রভাৱিত কৰিছে। এই অধ্যায়টিত আমি ভাৰতবৰ্ষৰ নগৰীকৰণৰ লগত জড়িত কিছুমান জটিল আৰু প্রত্যক্ষ সমস্যাৰ বিষয়ে আলোচনা কৰিম। এইটো বিশেষ মন কৰিবলগীয়া যে এই সমস্যাসমূহ পৰস্পৰৰ লগত সমন্ধযুক্ত হয় আৰু ফলস্বৰূপে ই অধিক জটিল সমস্যাৰ সৃষ্টি কৰে। এই সমস্যাসমূহৰ মূল কাৰণ হ'ল নগৰীকৰণ আৰু ইয়াৰ সমাধানৰ বাবে একে সময়তে বিভিন্ন সমস্যাসমূহৰ ওপৰত কার্যব্যৱস্থা হাতত লোৱা উচিত।

১৪.৩ ভাৰতবৰ্ষৰ নগৰীকৰণ সমস্যা

১৪.৩.১ নগৰীয়া পৰিৱেশ আৰু নগৰীকৰণ

নগৰীয়া পৰিৱেশ সম্বন্ধে ক'বলৈ যাওঁতে প্রায়েই আমি ইয়াৰ সমুদায় শ্রেণী বা বর্গ সম্বন্ধে আলোচনা কৰো। এই সমুদায় শ্রেণী পিছে পৰিৱেশ (environment)ৰেই বিভিন্ন ভাগ। এইবোৰৰ ভিতৰত আছে— অর্থনৈতিক পৰিৱেশ, ৰাজনৈতিক আৰু সামাজিক-সাংস্কৃতিক পৰিশে বা অন্য অর্থত নগৰত বাস কৰা লোকসকল আৰু ভৌতিক প্রাকৃতিক বাতাবৰণৰ লগত তেওঁলোকৰ সম্বন্ধও পৰিৱেশৰ অন্তর্ভুক্ত। নগৰীকৰণৰ সমস্যাসমূহৰ বিষয়ে বিভিন্ন আলোচনা তথা অধ্যয়ন কৰা হৈছে। অৱশ্যেই নগৰীকৰণৰ সামাজিক আৰু অর্থনৈতিক দিশসমূহৰ প্রতিও আমিও সজাগ থকা আৱশ্যক। লগতে এই দিশসমূহে নগৰীকৰণৰ পৰিৱেশ কেনেদৰে প্রভাৱিত কৰে তাকও জনাটো আৱশ্যক।

নগৰ বা চহৰৰ ভৌতিক স্বাস্থ্য (physical-health) ৰ উপৰিও চহৰত বাস কৰা লোকসকলৰ মানসিক স্বাস্থ্যৰ ওপৰতো নগৰীকৰণ পৰিৱেশৰ প্রভাৱ পৰে। ঔদ্যোগিক বর্জিত পদার্থ, বায়ু-শব্দ প্রদূষণ, ৰাসায়নিক পদার্থৰ সংমিশ্রণ আদি অনেক কাৰকে আমাৰ পৰিৱেশ-পাৰিপার্শ্বিকতাৰ দ্রুত অৱনমন (degradation) ঘটাইছে। তদুপৰি সামাজিক পৰিৱেশৰ ওপৰতো নগৰীকৰণে বিৰূপ প্রতিক্রিয়াৰ সৃষ্টি কৰিছে। হিংসা-প্রতিহিংসা, অশান্তি, উদ্বেগ লগতে নগৰীয়া জীৱনৰ চাপ (stress) আজিৰ বৃদ্ধিয়ে সামাজিক পৰিৱেশৰ নিম্নগামীতাকেই সূচায়। ইয়াৰ বাবে চহৰ-নগৰৰ ভৌতিক সংযোজন ব্যৱস্থাৰ ৰূপৰ উপৰিও নগৰত বাস কৰা অধিবাসীসকলৰ প্রতিক্রিয়া আৰু ব্যৱহাৰ এই সামাজিক প্রভাৱ নির্দেশ কৰে। নগৰীকৰণ আৰু পৰিৱেশৰ লগত দাৰিদ্র বা দৰিদ্রতা এক সামাজিক অর্থনৈতিক দিশ হিচাবেও সম্বন্ধযুক্ত হৈ আহিছে। নগৰীকৰণ ব্যৱস্থাই সামাজিক অসমতাৰ সৃষ্টি কৰিছে আৰু আনকি এই ক্ষেত্রত ক'ব পাৰি যে পৰিৱেশজনিত সমস্যাসমূহও মধ্য আৰু উচ্চশ্রেণীতকৈ নিম্নশ্রেণীৰ নাগৰিকসকলেই ভোগ কৰিব লগা হয়। চহৰৰ দুখীয়া শ্রেণীটোৱে তেওঁলোকৰ জীৱন-নির্বাহৰ ক্ষেত্রখনত অনিষ্ঠকাৰী ৰাসায়নিক গেছ বা বিক্রিয়াৰ বাবে উচ্চ আৰু মধ্যশ্রেণীতকৈ বেছিকৈ ক্ষতিগ্রস্ত হয়। তেওঁলোকৰ বসতিৰ বাবে সাধাৰণ মানদণ্ডৰ বাসগৃহৰ অভাৱ প্রায়েই থাকে। বিশুদ্ধ খোৱা পানী, স্বাস্থ্যকৰ, বীজাণুমুক্ত পৰিৱেশ আৰু প্রয়োজনীয় স্বাস্থ্যসেৱা তেওঁলোকৰ বাবে উপলব্ধ নহয়। সেয়েহে, এই লোকসকল সহজেই বীজাণু সংঘটিত ৰোগৰ দ্বাৰা আক্রান্ত হয়। খাদ্য বস্তুৰ মান নিম্ন আৰু ক্ষতিকাৰক ৰাসায়নিক মিশ্রণযুক্ত পানী এইলোকসকলৰ ভগ্নস্বাস্থ্য তথা ৰুগীয়া শৰীৰৰ বাবে দায়ী।

Set-et-al (2010) ৰ প্ৰতিবেদন মতে, 'নগৰীকৰণে প্ৰকৃতিক মানুহৰ ইচ্ছাকৃত ৰূপলৈ পৰিৱৰ্তন কৰে, ভূমিৰ প্ৰাকৃতিক আচ্ছাদন, জলসম্পদ তথা জৈৱ-ভূ-ৰসায়নৰ প্ৰভূত পৰিৱৰ্তন সাধন কৰে। বিশ্বজুৰি নগৰীকৰণৰ ব্যাপকতাই উদ্ভিদ আৰু প্ৰাণীজগতৰ বাসস্থান ধ্বংসৰ প্ৰাকৃতিক কাৰণ হিচাপে চিহ্নিত হৈছে।'

সেয়েহে বহনক্ষম ব্যৱস্থা গ্ৰহণ, সবাতোকৈ আৱশ্যকীয় উপায় হিচাপে গণ্য কৰা উচিত। নগৰীকৰণ আৰু উন্নয়ন প্ৰক্ৰিয়া সন্মিলীতভাৱে সঞ্চালিত কৰি বহনক্ষম পৰিৱেশ (environmental sustainability) ব্যৱস্থাক প্ৰাধান্য দিয়া উচিত। Set et al (2010) য়ে পৰামৰ্শ দিয়ে যে, '..... পৰিৱেশজনিত বহনক্ষমতাৰ সুযোগ নাগৰিক, প্ৰাকৃতিক সম্পদ আৰু অৰ্থনৈতিক কাৰ্যৰ কেন্দ্ৰীয়কৰণৰ দ্বাৰা লাব কৰিব পাৰি। জনবসতিৰ ঘনত্ব আৰু সুগঠিত নগৰীয়া যোজনা বা আৰ্হিয়ে আহল-বহল নাগৰিক পৰিৱহন ব্যৱস্থাৰ সুযোগ দিয়ে। ফলস্বৰূপে, যাতায়াতৰ বাবে যান্ত্ৰিক ব্যৱস্থাৰ সলনি খোজ কাঢ়ি অহা-যোৱা সুচল হয়। সুগঠিত নগৰ উন্নয়নৰ ফলত সঘন বাসস্থান ব্যৱস্থা আৰু সঘন নিযুক্তিৰ সুবিধা লাভ কৰিব পাৰি। ইয়াৰ ফলত দূৰভ্ৰমণৰ প্ৰয়োজন হ্ৰাস হয়। ফলত দীৰ্ঘ-দূৰত্বৰ মটৰ পৰিবহনৰ প্ৰয়োজনীয়তা হ্ৰাস হৈ বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইড (O_2) ৰ পৰিমাণ হ্ৰাস কৰে। সঘন জনবসতিৰ সুবিধাই কৃষি, বন্যপ্ৰাণী আৰু বাসস্থানৰ বাবে ভূমি ৰাহি কৰে। নগৰৰ চাৰিসীমাৰ সংবৰ্ধনৰ প্ৰকাৰ, নগৰীয়া জীৱনশৈলী, ক্ৰয়-বিক্ৰয় ব্যৱস্থাৰ স্বৰূপ লগতে চৰকাৰী অনুষ্ঠানসমূহৰ সক্ষমতাৰ ওপৰত পৰিৱেশৰ প্ৰত্যাহ্বান (challange) আৰু সুযোগৰ সামঞ্জস্য (balance) নিৰ্ভৰ কৰে।' ভাৰতবৰ্ষৰ বাবে উন্নয়নৰ জৰিয়তে পৰিৱেশ সম্পৰ্কীয় বহন ক্ষমতা সৃষ্টি আৰু বজাই ৰখা প্ৰক্ৰিয়া হ'ল এক বৃহৎ প্ৰত্যাহ্বান আৰু ইয়াৰ বাবে ল'ব লগা প্ৰয়োজনীয় পদক্ষেপ উন্নয়নৰ পৰিকল্পনাত বিশেষ প্ৰাধান্য পোৱা উচিত। লগতে চহৰ নগৰৰ দুখীয়া শ্ৰেণীটোৱেও জীৱন-ধাৰণৰ প্ৰকৃত মৰ্যাদা লাভ, স্বাস্থ্য সেৱাৰ সুবিধা, আদি লাভ কৰিব লাগে। ইয়াৰ ফলত সম্পদৰ বহন ক্ষমতাও বৃদ্ধি পায়।

বহনক্ষম (sustainability) ক্ষমতাই এনে এক পথ নিৰ্দেশ কৰে য'ত ভৱিষ্যৎ প্ৰজন্মৰ দৈনন্দিন প্ৰয়োজনীয় চাহিদা পূৰণত ব্যাঘাত নোহোৱাকৈ বৰ্তমানৰ প্ৰয়োজনীয় পূৰণ কৰা হয়। অৰ্থাৎ, ভূমি, পানী, বায়ু মণ্ডল আদি প্ৰাকৃতিক সম্পদসমূহৰ সু-ব্যৱহাৰৰ জৰিয়তে বৰ্তমানৰ প্ৰয়োজন পূৰণ কৰাৰ লগতে ভৱিষ্যৎ প্ৰজন্মৰ ব্যৱস্থাৰৰ বাবেও এইবোৰৰ সংৰক্ষণ সুনিশ্চিত কৰাটো বুজায়।

সেয়েহে ক'ব পাৰি যে নগৰীকৰণৰ সমস্যাসমূহ আলোচনা কৰোতে আমি উন্নয়ন আৰু পৰিৱেশ সম্বন্ধিত সমস্যাসমূহৰও আলোচনা কৰাটো আৱশ্যকীয়। ধনী আৰু দুখীয়া শ্ৰেণীৰ নগৰীকৰণৰ লগত জড়িত সমস্যাৰ প্ৰভাৱৰ বৈসাদৃশ্যও আমি বিবেচনা কৰিব পাৰিম। অৰ্থনৈতিক স্তৰীকৰণ (stratification)ৰ ফলত নগৰ অঞ্চলত সম্পদৰ হস্তগতকৰণ আৰু জীৱন-নিৰ্বাহৰ মানদণ্ড তথা জীৱিকাৰ শ্ৰেণী বিভাজন সূচনা হয়। সেয়েহে এই ক্ষেত্ৰত চৰকাৰৰ ভূমিকা বিশেষভাৱে প্ৰণিধানযোগ্য।

United Nations ৰ মতে, 'চৰকাৰ বা প্ৰশাসনে পৌৰ প্ৰশাসনৰ ক্ষমতা তথা যোগ্যতা বৃদ্ধি কৰাটো প্ৰয়োজনীয় যাতে ই পৰিৱেশ ৰক্ষা, নাগৰিকৰ চাহিদা পূৰণ, প্ৰাথমিক আধাৰিক সংৰচনা (unfrastructure) আৰু সেৱাৰ যোগান, সামাজিক আৰু স্বাস্থ্য সম্বন্ধীয় সমস্যাৰ সমাধান নিচাযুক্ত দ্ৰব্য আৰু অপৰাধৰ বন্ধকৰণ আদিৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। দুৰ্যোগ আৰু অত্যাধিক ঘন বসতিজনিত সমস্যাৰ দূৰীকৰণ আৰু প্ৰাকৃতিক তথা মানৱসৃষ্ট দুৰ্যোগৰ সম্ভাৱনা থকা বসতি স্থানৰ সলনি বিকল্প বাসস্থানৰ যোগানও ধৰা উচিত। (United Nations, 1995, 49)'

১৪.৩.২ নগৰীয়া পৰিবহন আৰু জলযোগান ব্যৱস্থাৰ সমস্যা

- **নগৰীয়া পৰিবহন ব্যৱস্থা**

পর্যবেক্ষণৰ পৰা দেখা গৈছে যে ভাৰতীয় পৰিবহন ব্যৱস্থাত ব্যক্তিগত মালিকীস্বত্বাধীন গাড়ীৰ সংখ্যা চহৰত বাস কৰা অধিবাসীৰ তুলনাত বহুগুণে কম। উন্নত ৰাষ্ট্রসমূহত এই পার্থক্য প্রায় নগণ্য। তথাপিও উন্নত ৰাষ্ট্রসমূহৰ তুলনাত ভাৰতবর্ষত পৰিবহন ব্যৱস্থাৰ শৃংখলাহীনতা আৰু পৰিবহনজনিত সমস্যা অধিক। এই সমস্যাসমূহৰ কাৰণও অধিক।

প্রথমতে দেখা যায়, ভাৰতবর্ষৰ চহৰ আৰু মহানগৰীসমূহৰ আকাৰ আৰু ঘনত্বৰ প্রয়োজন অনুসাৰে পৰিবহনৰ সু-পৰিচালনাৰ আৰু পৰিকল্পনাৰ অভাৱ। বেছিভাগ পৰিবহন নীতিয়েই ৰাজনৈতিক উদ্দেশ্য আৰু ৰাজনৈতিকভাৱে ব্যৱহাৰৰ সুবিধা অনুযায়ী ৰচিত। সর্বসাধাৰণৰ উপযোগী, নিষ্ঠাযুক্ত আৰু সর্বকৃষ্ঠ নীতি-নির্ধাৰণৰ গুৰুত্ব দিয়া নহয়। তেনেদৰে পৰিবহন ৰাস্তাসমূহও উপযোগীকৈ নির্মাণ কৰা নহয়। মাথো ৰাজনৈতিক মুনাফা লাভ আৰু প্রশংসা আদায়ৰ উদ্দেশ্যৰে কার্য সম্পাদিত কৰা হয়।

দুর্নীতি আৰু ৰাজহুৱা পুঁজিৰ অপব্যৱহাৰৰ বাবে চৰকাৰে বৃহৎ পৰিমাণৰ সম্পদ ব্যয় কৰিব লগা হয়। অধিক ব্যয় সাপেক্ষ প্রকল্প যেনে— কেইবা খলপীয়া ৰাস্তা যিটো বর্তমানৰ ভাৰতীয় ব্যৱস্থাৰ বাবে প্রযোজ্য নহয়। এইক্ষেত্রত অধিক গ্রহণযোগ্য ক্ষুদ্র লক্ষৰ প্রকল্প (small budget project) যেনে— শ্রম নির্ভৰ পথ-উন্নয়ন আঁচনি, যাতায়তৰ সুচল ব্যৱস্থাৰ বাবে চহৰৰ পথসমূহৰ বিস্তাৰ, বা ৰাজহুৱা বিকল্পমূলক যাতায়ত ব্যৱস্থা যেনে— কম খৰচী বাছ সেৱাৰ প্রৱর্তন আদিৰ বিশেষ আস্থা দেখুওৱা নহয়।

ভাৰতীয় পৰিবহনত নিয়োজিত বেছিভাগ যান-বাহনেই ইন্ধন ৰাহিজনক নহয়। সেয়েহে বর্ধিত হাৰৰ যান-বাহনৰ দ্বাৰা আনুসংগিক উৎপাদন হিচাবে বায়ু, শব্দ প্রদূষণৰ সৃষ্টি হয়। তদুপৰি বাট-পথৰ দু-ব্যৱস্থাৰ বাবেই সঘন যান-বাহন দুর্ঘটনা আৰু পথচাৰীৰ মৃত্যুৰে ইয়াৰ মূল্য ভৰিব লগা হয়। ৰাস্তা ঘাটৰ অনুন্নত অৱস্থাৰ বাবে বছৰি হাজাৰ হাজাৰ লোকৰ গাড়ী দূর্ঘটনাত মৃত্যু হৈ আহিছে।

- **জল-সংকট**

নগৰীকৰণে চহৰ অঞ্চলত সম্পদৰ ব্যৱস্থাৰ আৰু জনসমাগম বৃদ্ধি কৰে। খোৱাৰ উপযোগী বিশুদ্ধ পানীৰ চাহিদা নগৰীকৰণৰ ফলত দ্রুত গতিত বৃদ্ধি পায়। এইটো বিশেষ লক্ষণীয় যে পৃথিৱীৰ বর্ধিত জনসংখ্যাৰ বেছিভাগেই চহৰ অঞ্চলত অৱশোষিত (absorb) হৈ আহিছে। এইটোও সমীক্ষাৰ পৰা দেখা গৈছে যে, অহা দুই-তিনি দশকৰ ভিতৰত পৃথিৱীৰ আধাতকৈ বেছি লোক চহৰ অভিমুখী হ'ব। এইটোৱে অদুৰ ভৱিষ্যতত চহৰ অঞ্চলত পূর্বৰ তুলনাত অধিক পানীৰ চাহিদাকে সূচায়। কিয়নো জনসংখ্যা বৃদ্ধিৰ আনুষংগিক হিচাবে চহৰ অঞ্চলত দৈনন্দিন ব্যৱহৃত পানীৰ চাহিদা বৃদ্ধি পোৱাৰ উপৰিও, দ্রুতগতিত বৃদ্ধি পোৱা উদ্যোগসমূহৰ বাবেও পানীৰ চাহিদা বৃদ্ধি পাব।

পানীৰ এই চাহিদা বৃদ্ধি বিশেষ মনোযোগেৰে গ্রাম্য-চহৰ অঞ্চলতো পানীৰ স্তৰ (water beds) শুকাই গৈছে। জলস্তৰৰ শুষ্কতাৰ কাৰণ ও হ'ল মানুহৰ বিবেচনাহীন কার্য। মানুহে প্রায়েই পাহৰি যায় যে ভূগর্ভত জলভাণ্ডাৰৰ এটা পৰিসীমা আছে আৰুসেয়ে ই এক বিনাশশীল (perishable) সম্পদ। সেয়েহে পানীৰ ব্যৱহাৰ বিবেচনা সহকাৰে কৰা উচিত। তদুপৰি জলসম্পদৰ গুৰুত্ব অনুসৰি চৰকাৰে এই সম্পদৰ সংৰক্ষণৰ বাবে নীতি নির্ধাৰণ কৰা নাই। চহৰ অঞ্চলত বাস কৰা বহু অধিবাসীয়ে প্রয়োজনীয় পানী যোগান ব্যৱস্থাৰ দ্বাৰা সংযোজিত (connected) হোৱা নাই। ৰাজহুৱা সীমিত যোগান ব্যৱস্থাই স্পর্শ কৰা জনসাধাৰণও, যোগান ধৰা পানীৰ শুদ্ধতা আৰু নিৰাপদ যোগানৰ বিষয়ে নিশ্চিত নহয়। প্রয়োজনীয় আৰু কার্যক্ষম পানী যোগান আঁচনি স্থাপন আৰু পানী বিতৰণৰ

ক্ষেত্রত চৰকাৰ ও সম্পূর্ণ সক্ষম হৈ উঠা নাই। ন্যায়সংগত বাস্তৱিক পানী যোগান আঁচনি ৰূপায়ণৰ ক্ষেত্রত চৰকাৰ বিফল হৈ আহিছে। তদুপৰি আন এক বিশেষ গুৰুত্বপূর্ণ কথা হ'ল, ডাঙৰ উদ্যোগ বা নিগমসমূহে চহৰ অঞ্চলৰ সিংহভাগ পাত্মী নিজ ব্যৱহাৰৰ বাবে শোষণ কৰি আহিছে। এই উদ্যোগ, নিগম (corporation) সমূহ কিন্তু শাসনৰ আওতাৰ পৰা বাহিৰ হৈয়ে আছে। দেশৰ জলসম্পদৰ ভাণ্ডাৰ এই কার্যৰ দ্বাৰা নিঃশোষিত হৈ আহিছে।

ব্যক্তি বা উদ্যোগসমূহৰ দ্বাৰা ব্যৱহৃত পানীৰ পুনঃব্যৱহাৰ বা পুনর্চক্র (recycle) পদ্ধতিৰ ও প্রয়োগ বর্তমানেও হৈ উঠা নাই। অন্যহাতে ব্যক্তিগত মালিকীস্বত্বাধীন পানী বটল প্রকল্পসমূহ গাঁও অঞ্চলত স্থাপন হৈ সেই অঞ্চলসমূহৰ জলসম্পদৰ ওপৰত অন্যায়পূর্বক হস্তক্ষেপ কৰি নিজৰ ব্যৱসায়িক উদ্দেশ্যত ব্যৱহৃত কৰি আহিছে। ইয়াৰ ফলত গাঁও অঞ্চলত পানীৰ স্তৰ দ্রুত গতিত নিম্নগামী হৈছে। বিপৰীতভাৱে এইটো লক্ষ্য কৰা হৈছে যে, এনেদৰে বটলীকৃত পানী আকৌ চহৰ অঞ্চলত যোগান ধৰা হৈছে আৰু তুলনামূলকভাৱে উন্নত আর্থিক মানদণ্ডৰ লোকৰ বাবেহে পানী ক্রয় সম্ভৱপৰ হৈছে।

১৪.৩.৩ শব্দ আৰু বায়ু প্রদূষণ

চহৰ অঞ্চলৰ অধিবাসীসকলৰ বাবে 'প্রদূষণ' হ'ল এক চিন্তাযুক্ত সমস্যা যিয়ে স্বাস্থ্য আৰু নিৰাপদ জীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে। উদ্যোগিক খণ্ডত বা কৰা ব্যক্তি বা ঔদ্যোগক খণ্ডৰ কর্মচাৰীৰ উপৰিও সর্বসাধাৰণ ৰাইজৰ বাবেও ই উদ্বেগৰ বিষয়।

বায়ু প্রদূষণ দুই ধৰণৰ হ'ব পাৰে— আভ্যন্তৰিক বায়ু প্রদূষণ (Indoor aile pollution) আৰু বাহ্যিক বায়ু প্রদূষণ। আভ্যন্তৰীণ বায়ু প্রদূষণ প্রধানকৈ গৃহিনী আৰু ল'ৰা-ছোৱালীৰ বাবে ক্ষতিকাৰক হিচাবে দেখা গৈছে। নিয়মীয়া বায়ু চলাচলৰ সুবিধা নথকা বাসগৃহ আৰু ৰন্ধন ঘৰৰ পৰা নির্গমন হোৱা ধোঁৱাই এই আভ্যন্তৰিক বায়ু প্রদূষণৰ মুখ্য কাৰণ। নিম্ন আয়যুক্ত পৰিয়ালৰ মহিলাসকল এনে সমস্যাৰ দ্বাৰা প্রধানকৈ আক্রান্ত হয়, কিয়নো অর্থনৈতিক অনগ্রসৰতাৰ বাবে এওঁলোক স্বাস্থ্যসম্মত। বিশুদ্ধ বায়ু চলাচল কৰিব পৰা ৰন্ধনগৃহ আৰু বাসগৃহৰ পৰা বঞ্চিত হয়। বাহ্যিক (outdoor) বায়ু প্রদূষণৰ ফলত চহৰ অঞ্চলৰ অধিবাসীসকল, বিশেষকৈ শিশু, বৃদ্ধ আৰু গর্ভৱতী মহিলা শ্বাসযন্ত্রৰ সমস্যাত ভোগে।

আমি জানো যে ঔদ্যোগিকীকৰণ আৰু নাগৰিকীকৰণ বাস্তৱিকতেই পৰস্পৰে সম্বন্ধযুক্ত আৰু উদ্যোগৰ প্রাৱল্যৰ নগৰীকৰণৰ হাৰও প্রৱল কৰে। অর্থাৎ, উদ্যোগ প্রতিষ্ঠানসমূহৰ প্রতিষ্ঠা আৰু সংখ্যা বৃদ্ধিয়ে নগৰীকৰণৰ জন্ম দিয়ে আৰু ইয়াৰ প্রসাৰ ঘটায়। সেয়েহে ক'ব পাৰি যে, পৰস্পৰে এক আৱর্তনৰ মাজত গতি কৰে য'ত এটাৰ উন্নয়নে আনটোৰ উন্নয়ন সুনিশ্চিত কৰে। এই উদ্যোগসমূহে উৎপন্ন কৰা বিষাক্ত বর্জনীয় পদার্থসমূহে বৃহৎ প্রদূষণৰ সৃষ্টি কৰে। ঔদ্যোগীক উৎপন্ন বিধি এই বৃহৎ মাত্রাৰ বর্জনীয় দূষিত পদার্থ আৰু প্রদূষণৰ কাৰণ। তদুপৰি উদ্যোগ প্রতিষ্ঠানসমূহৰ সংখ্যা বৃদ্ধি হৈছে যদিও প্রদূষণ ৰোধৰ বাবে ল'ব লগা প্রয়োজনীয় ব্যৱস্থা এইক্ষেত্রত বিশেষ কার্যকৰী হোৱা নাই। আভ্যন্তৰীণ আৰু বাহ্যিক প্রদূষণৰ উপৰিও চহৰ অঞ্চলসমূহত অন্য বিভিন্ন পথেৰেও প্রদূষণৰ সৃষ্টি হৈ আহিছে। এইবোৰৰ কিছুমান হ'ল—

- **ধোঁৱাৰে মিহলি কুঁৱলী ঃ** গাড়ী, উদ্যোগীক প্রতিষ্ঠান আৰু ঘৰৰ পৰা নির্গত ধোঁৱা, বায়ুমণ্ডলৰ কুঁৱলীৰ লগত মিলি ধোঁৱাৰে মিহলি কুঁৱলীৰ সৃষ্টি কৰে। এই কুঁৱলীয়ে বায়ুমণ্ডলত বিষাক্ত গেছৰ সৃষ্টি কৰে আৰু স্বাস্থ্য তথা শ্বাসতন্ত্রৰ নানা ৰোগৰ সৃষ্টি কৰে। এই কুঁৱলীৰ ফলত ৰাস্তা-ঘাটৰ পৰিবহন ব্যৱস্থাত বাধাগ্রস্ত হয় আৰু ৰে'ল-মটৰ আদিৰ দূর্ঘটনাই আৰোহীৰ মৃত্যুৰ কাৰণ হৈ পৰে।

- **এচিড গেছ ঃ** প্ৰদূষণৰ ফলত নাইট্ৰিক এচিড বা হাইড্ৰক্লৰিক এচিডৰ দৰে বিষাক্ত গেচসমূহ বায়ুমণ্ডলত মিশ্ৰিত হৈ থাকে আৰু বতাহত এইবোৰ হাবি-জংঘল, ভূমি অঞ্চল, জল-স্ৰোতসমূহ যেনে— নদী - হ্ৰদ আদিত গৈ জমা হয়। অধিক পৰিমাণত জমা হোৱা এই এচিডসমূহে মানুহ আৰু অন্য জীৱজন্তু আৰু গছ-লতিকা, চৰাই-চিৰিকতি আদিৰ অনিষ্ট সাধন কৰে। যিহেতু এই সকলো জীৱ কুলেই ভূমি আৰু পানীৰ ওপৰত নিৰ্ভৰশীল হৈ জীয়াই থাকে। ইয়াৰ কিছু পৰিমাণৰ এচিড প্ৰাকৃতিকবাৰে সৃষ্ট আৰু বেছিভাগেই কৃত্ৰিম আৰু চহৰ অঞ্চলত বৃহৎ উদ্যোগ আৰু কাৰখানা, পৰিবহনৰ বাবে ব্যৱহৃত যান-বাহন আৰু মানৱ কাৰ্যৰ দ্বাৰা সৃষ্টি।
- **অৰ্জন স্তৰৰ অবক্ষয় ঃ** উদ্যোগ আৰু ৰাসায়নিক পদাৰ্থ যেনে— ক্লৰ'ৰিন, ব্ৰমাইন আদিৰ পৰা নিৰ্গত গ্ৰীন হাউছ গেছৰ বাবে পৃথিৱীৰ অ'জন স্তৰৰ ভূমিকা অতি তাৎপৰ্যপূৰ্ণ, কিয়নো এই স্তৰটিয়ে সূৰ্যৰ অতি বেঙুনীয়া (Ultra Violet) বিষাক্ত ৰশ্মিৰ পৰা পৃথিৱীখনক আচ্ছাদিত কৰি ৰাখে। এই অতি বেঙুনীয়া ৰশ্মি কেঞ্চাৰকে ধৰি বহু ৰোগৰ কাৰণ।
- **গোলকীয় উষ্ণতা ঃ** বিভিন্ন কাৰকৰ প্ৰতিক্ৰিয়া যেনে— গ্ৰীন গেছ, এছিড গেছ, ধূলিযুক্ত কুঁৱলী আদিৰ বাবে পৃথিৱীৰ উপৰিভাগৰ উষ্ণতা দিনে দিনে বাঢ়ি আহিছে। গোলকীয় উষ্ণতা বৃদ্ধি অতি গুৰুত্বপূৰ্ণ আৰু ইয়াৰ প্ৰভাৱও অতি ব্যাপক। ঠাই এখনৰ গড় উষ্ণতাৰ পৰিৱৰ্তনৰ ফলত তাৰ পৰিৱেশ, বৰষুণৰ হাৰ আৰু চৰিত্ৰ, ঋতুৰ চৰিত্ৰ, জলস্তৰ, ইয়াৰ উদ্ভিদ আৰু পশু-পক্ষীৰ সংখ্যা আদিৰ ওপৰত ব্যাপক পৰিণতি দেখা যায়।

নগৰীকৰণৰ ফলত উদ্ভৱ হোৱা শব্দ প্ৰদূষণ আন এক গুৰুতৰ সমস্যা। অতি ঘন জনবসতি আৰু জনসংখ্যাৰ হেঁচা, দ্ৰুত গতিত বৃদ্ধি পোৱা উদ্যোগ আৰু যান-বাহন আদিয়ে প্ৰচণ্ড কোলাহলৰ সৃষ্টি কৰে আৰু শব্দ-প্ৰদূষণৰ হাৰ বৃদ্ধি কৰে। এই শব্দ প্ৰদূষণৰ ফলত মানসিক আৰু শাৰীৰিক অৱসাদ তথা স্বাস্থ্যজনিত সমস্যাই দেখা দিয়ে। শ্ৰৱনেন্দ্ৰিয়ৰ দুৰ্বলতা, মানসিক, অৱসাদ-উৎকণ্ঠা, নিদ্ৰাহীনতা, উদ্বেগ আদি নানান মানসিক আৰু শাৰীৰিক সমস্যা হ'ল শব্দ প্ৰদূষণৰ অনিষ্টকাৰী পৰিণাম।

বৰ্তমানৰ প্ৰয়োজনীয়তা অনুসাৰে প্ৰদূষণজনিত সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰী নীতিসমূহ গ্ৰহণ যোগ্য হৈ উঠা নাই। পুজীবাদৰ প্ৰসাৰণ আৰু চহৰীয়া জীৱনশৈলীৰ বিস্তৃতি ইয়াৰ মূল কাৰণ। যথোচিত প্ৰদূষণ নিবাৰণী আঁচনি গ্ৰহণৰ ক্ষেত্ৰত চৰকাৰ কৃতকাৰ্য হ'ব পৰা নাই। বিশেষকৈ উদ্যোগসমূহৰো এই প্ৰদূষণ নিবাৰণী আইনৰ ধাৰাত যথাবিধি পৰিচালিত কৰিব পৰা নাই। কিয়নো অৰ্থনৈতিকভাৱে চৰকাৰ এই উদ্যোগসমূহৰ লগত অংশীদাৰীত্বও আৱদ্ধ থাকে। ইয়াৰ বাহিৰেও, চহৰীয়া জীৱনৰ উচ্ছাকাংক্ষাৰ বাবে লোকসকলে কিছুমান প্ৰদূষণ সৃষ্টি কৰিব পৰা সজুলি যেনে— বাতানুকুল যন্ত্ৰ, ৰুমৰ তাপবৰ্ধক যন্ত্ৰ, ব্যক্তিগতান-বাহন আদিৰ ব্যৱহাৰ কৰ্তনৰ ক্ষেত্ৰত কোনো ব্যৱস্থা নলয়। সেয়েহে, চৰকাৰী প্ৰদূষণ নিয়ন্ত্ৰণ নীতিৰ পৰিৱৰ্তন আৰু পৰিবৰ্ধনৰ লগতে নগৰত বাস কৰা লোকসকলৰ ভূমিকা আৰু মানসিকতাৰ পৰিৱৰ্তন কৰি চহৰীয়া প্ৰদূষণ ৰোধৰ ব্যৱস্থা কৰা উচিত।

১৪.৩.৪ বাসস্থান আৰু বস্তী অঞ্চল

চহৰ অঞ্চলসমূহত বৃদ্ধি পোৱা জনসংখ্যাৰ প্ৰৱল হেঁচাৰ বাবে গৃহ আৰু স্বচ্ছতাৰ ক্ষেত্ৰত নানান সমস্যাৰ সৃষ্টি হৈ আহিছে। নগৰীকৰণে গাঁও অঞ্চলৰ মানুহক আকৰ্ষণ কৰি নগৰমুৱা কৰিছে। জীৱিকাৰ সুবিধা, শিক্ষানুষ্ঠানৰ সুবিধা চহৰীয়া জীৱনশৈলী, ব্যক্তিগত স্বাধীনতাৰ প্ৰকাশ আদি এই আকৰ্ষণৰ ঘাই কাৰণ। তদুপৰি ব্যৱসায়-বাণিজ্যৰ উত্থান আৰু কেন্দ্ৰীয়কৰণ নগৰসমূহৰ আকৰ্ষণৰ এক প্ৰধান কাৰণ। দেশ এখনৰ বাণিজ্যিক কাৰ্যৰ মূল কেন্দ্ৰস্বৰূপ

এই নগৰসমূহ স্বাভাৱিকতেই জনসমাগমৰ কেন্দ্ৰ। গ্ৰাম্য সমাজৰ সমন্বয়হীনতা বা সংঘাট, কৃষি খণ্ডৰ অনগ্ৰসৰতা, নতুন ভূমিহীন শ্ৰেণীৰ সৃষ্টি আৰু নিবনুৱা গ্ৰাম্য শ্ৰমিক এইসকলৰ শেষ সম্বল হ'ল নতুনকৈ গঢ়ি উঠা চহৰৰ উদ্যোগসমূহত জীৱিকা-নিৰ্বাহৰ বাবে নিজৰ শ্ৰম বিক্ৰী কৰা। কিয়নো এই উদ্যোগসমূহ শ্ৰম নিৰ্ভৰশৈলীৰ হোৱা বাবে এইবোৰত কৰ্ম-সংস্থানৰ সুবিধা থাকে। ফলত সোনকালেই চহৰসমূহ গ্ৰাম্য প্ৰব্ৰজনকাৰীৰে ভৰি পৰে আৰু প্ৰসাৰ লাভ কৰে।

প্ৰব্ৰজনকাৰীৰ আগমনৰ লগে লগে চহৰত বাসস্থানৰ যোগান অধিক খৰছী হৈ পৰে। ফলস্বৰূপে চহৰত কৰ্মসংস্থান লাভ কৰি বসবাস কৰিব বিচৰা লোক আৰু গৃহ যোগানৰ মাজত ডাঙৰ পাৰ্থখ্যই দেখা দিয়ে। এই পাৰ্থক্যই এচাম গৃহহীন আৰুনিম্নস্তৰৰ বাসগৃহৰ জন্ম দিয়ে। এই লোকসকল জীৱন ধাৰণৰ বাকীবোৰ সুবিধা ভোগৰ ক্ষেত্ৰত ও পাৰ্থক্যৰ সন্মুখীন হয়। প্ৰয়োজনয় বাসস্থানৰ অভাৱে চহৰত বস্তী অঞ্চলৰ সৃষ্টি কৰে, যিটো চহৰীয়া পটভূমিত বৰ্তমান এক অনিয়মিত দৃশ্যস্বৰূপ হৈ পৰিছে। মুম্বাই মহানগৰীৰ 'ধাৰাভী' এনে এক বস্তী অঞ্চল আৰু ই বৰ্তমান ইয়াত আকাৰৰ বাবে আন্তৰ্জাতিকভাৱে দৃষ্টিগোচৰ হৈছে। UN Habitat ৰ মতে, 'বস্তী অঞ্চল হ'ল গাঁৱলীয়া পৰিৱেশত এখন ঘৰৰ চালিৰ তলত বাস কৰা এদল লোকৰ সমষ্টি যিসকলে নিম্নোক্ত সুবিধাসমূহৰ পৰা বঞ্চিত হয়—

- স্থায়ী মজবুত বাসগৃহ যিটোৱে কঠোৰ জলবায়ুজনিত যিকোনো সমস্যাৰ পৰা নিৰাপত্তা দিব পাৰে।
- পৰ্যাপ্ত বাসস্থানৰ ঠাই য'ত তিনিজন মানুহে এটা ৰুম বসবাসৰ কাৰণে ব্যৱহাৰ কৰিব লগাৰ নিচিনা অৱস্থাৰ সৃষ্টি নহয়।
- বিশুদ্ধ খোৱা পানীৰ প্ৰয়োজন অনুপাতে কম মূল্যত যোগান লাভ।
- প্ৰয়োজনীয় স্বাস্থ্যসম্মত ৰাজহুৱা আৰু ব্যক্তিগত শৌচাগাৰৰ ব্যৱস্থা।
- জোৰ পূৰ্বক বেদখলৰ পৰা হাত সাৰিবলৈ ভূমিৰ পট্টা লাভ।

চহৰলৈ প্ৰব্ৰজন কৰা লোকসকল ঘাইকৈ গ্ৰাম্য অঞ্চলৰ কৰ্মসংস্থানহীন কিন্তু কৰ্মক্ষম লোক। বহু সময়ত এই লোকসকল চুৰি-ডকাইতিৰ আৰু সৰু-সুৰা অপৰাধজনিত ঘটনাত লিপ্ত হৈ পৰে। সেয়ে চহৰৰ অধিবাসীসকলৰ মনত এনেলোকসকল অৱজ্ঞাৰ পাত্ৰ হয়।

বস্তী অঞ্চলৰ উপৰিও সমাজৰ মধ্যমবৰ্গীয় আৱাসীসকলৰ বাবেও নিৰাপদ বাসস্থান আৰু স্বচ্ছ পৰিৱেশ ভাৰতীয় চহৰসমূহত এতিয়াও সন্তোষজনক হৈ উঠা নাই। ঘৰ ভাড়াৰ হাৰও অতি উচ্চ আৰু নিম্ন বা এজনীয়া আয়ৰে এই উচ্চহাৰৰ ভাড়া বহন কৰা সম্ভৱ নহয়।

ভাৰত চৰকাৰৰ প্ৰকল্প যেনে— সকলোৰে বাবে গৃহ আৰু অত্যাধুনিক চহৰ ধাৰণাৰে ভাৰতীয় চহৰসমূহত থকা বাসস্থানৰ অভাৱৰ সমস্যাৰ লাঘৱ কৰিবলৈ চেষ্টা চলোৱা হৈছে। আশ্ৰয়হীন, দুখীয়াসকলৰ বাবে বাসগৃহৰ যোগান ধৰা হৈছে, যদিও এইবোৰৰ উপযোগিতা এতিয়াও সন্তোষজনক নহয়। বহু লোক এই সুবিধাৰ পৰা বঞ্চিত হৈও আছে। তদুপৰি এই প্ৰকল্প তথা আঁচনিৰ কৃতকাৰ্যতা এতিয়াও স্পষ্ট হোৱা নাই। যথোচিত বাসগৃহৰ সুবিধা নিবাসীসকলৰ নিৰাপত্তা, আত্ম-বিশ্বাস আৰু মানৱীয় গুণসমূহৰ বিকাশৰ বাবে অপৰিহাৰ্য। এজন ব্যক্তিয়ে বাসগৃহ অবিহনে সুস্থ শৰীৰ তথা সুস্থ মানসিকতাৰে নিজৰ তথা সমাজৰ বাবে উৎকৰ্ষ সাধন কৰিব নোৱাৰে। তদুপৰি ই মানৱসমাজৰ বাবে লজ্জাজনক। ভাৰত চৰকাৰৰ গৃহ আঁচনিৰ সংস্কাৰ তথা চহৰ উন্নয়ন আঁচনিৰ উন্নীতকৰণৰ বাবে আমি সকলোৱে দৃঢ় আহ্বান জনোৱা উচিত।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বহনক্ষম বুলিলে কি বুজা যায়?

প্রশ্ন নং ২ ঃ ধোঁৱা মিহলী কুঁৱলী মানে কি বুজা যায়?

প্রশ্ন নং ৩ ঃ অ'জম স্তৰৰ ক্ষয়ীকৰণ মানে কি বুজা যায়?

প্রশ্ন নং ৪ ঃ নগৰ অঞ্চলৰ গৃহ সমস্যা সম্বন্ধে কি বুজা যায়?

১৪.৪ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ১৯০১ চনৰ লোকপিয়ল অনুসৰি ১১.৪% লোক চহৰাঞ্চলত বাস কৰে। ২০১১ চনৰ লোকপিয়লত এই সংখ্যা ৩১.১৬% লৈ পৰিৱর্তিত হয়।
- United Nations আৰু World Bankৰ নিচিনা আগশাৰীৰ অনুষ্ঠানৰ মতে ভাৰতবর্ষৰ নগৰ অঞ্চলৰ জনসংখ্যা অদূৰ ভৱিষ্যতত পূর্বৰ তুলনাত ভালেখিনি বৃদ্ধি পাব আৰু ২০৫০ চনলৈ ই পৃথিৱীৰ আগশাৰীৰ ঘন জনবসতিৰ দেশসমূহৰ শীর্ষত স্থান পাব।
- পৰিৱেশ সম্পর্কীয় কাৰকসমূহে চহৰত বাস কৰা অধিবাসীসকলৰ শাৰীৰিক স্বাস্থ্যৰ উপৰিও মানসিক স্বাস্থ্যত ও প্রভাৱ পেলায়।
- নগৰীকৰণে সামাজিক অসমতা সৃষ্টিত অৰিহণা যোগায়। আনকি নগৰীকৰণৰ ফলত সৃষ্টি হোৱা পৰিৱেশকেন্দ্রিক ঋণাত্মক কাৰকসমূহৰ প্রবাৱ ধনী আৰু মধ্যমবর্গৰ লোকৰ তুলনাত দুখীয়া শ্রেণীটোৱে বেছি গভীৰভাৱে ভোগ কৰিব লগা হয়।
- ২০১০-Set-et-al ৰ মতে, 'নগৰীকৰণে প্রকৃতিক মানুহৰ ইচ্ছাকৃত ৰূপলৈ পৰিৱর্তন কৰে আৰু ভূমিৰ প্রাকৃতিক আচ্ছাদন, জলসম্পদ তথা জৈৱ-ভূ-ৰসায়নৰ প্রভূত পৰিৱর্তন সাধন কৰে। বিশ্বজুৰি নগৰীকৰণৰ ব্যাপকতাই উদ্ভিদ আৰু প্রাণীজগতত বাসস্থান ধ্বংসৰ প্রাকৃতিক কাৰণ হিচাবে চিহ্নিত হৈছে।

১৪.৫ অধিক জানিবলৈ

১) Kundu, A. (2007) 'Migration and Urbanisation in India in the Context of Poverty Alleviation. Paper presented at international conference and workshop on Policy Perspectives on Growth, Economic Structures and Poverty Reduction, Beijing. China, 3-9 June,

২) Patrick, Brandful, Cobbinaha, Michael, Erdiaw-Kwasieb, Odei and Amoatenga, Paul. 2015. Rethinking sustainable development within the framework of poverty and urbanisation in developing countries. Environmental Development. Volume 13, January 2015, Pages 18-32.

৩) Seto, Karen C. Sanchez-Rodr ? guez, Roberto and Fragkias, Michail. 2010. The New Geography of Contemporary Urbanization and the Environment. Annual

Review of Environment and Resources. 35:16794.

৪) Satterthwaite DE. 1992. Environmental health and urban poverty and overcrowding. In: Munn T, ed. Encyclopaedia of global environmental change. Chichester: John Wiley & Sons.

৫) World development report. 1992. Development and the environment. Oxford, Oxford University Press for The World Bank. 35:167-94.

৬) State of the World's Cities Report. 2005. UN HABITAT.

৭) United Nations. 1995. Population and Development Programme of Action Adopted at the International Conference on Population and Development, Cairo, 5-13 September, 1994. New York: United Nations.

১৪.৬ অগ্রগতিৰ খতিয়ান

প্রশ্ন ১ ৰ উত্তৰ ঃ বহনক্ষম ক্ষমতাই এনে এক পথ নির্দেশ কৰে য'ত ভৱিষ্যৎ প্রজন্মৰ দৈনন্দিন প্রয়োজনীয় চাহিদা পূৰণত ব্যাঘাত নোহোৱাকৈ বর্তমানৰ প্রয়োজন পূৰণ কৰা হয়। অর্থাৎ, ভূমি, পানী, বায়ুমণ্ডল আদি প্রাকৃতিক সম্পদসমূহৰ সু-ব্যৱহাৰৰ জৰিয়তে বর্তমানৰ প্রয়োজন পূৰণ কৰাৰ লগতে ভৱিষ্যৎ প্রজন্মৰ ব্যৱহাৰৰ বাবেও এইবোৰৰ সংৰক্ষণ সুনিশ্চিত কৰাটো বুজায়।

প্রশ্ন ২ ৰ উত্তৰ ঃ নগৰীয়া ধোঁৱা মিহলি কুঁৱলী হ'ল উদ্যোগ, যান-বাহন আৰু ঘৰৰ পৰা নির্গত ধোঁৱাৰ লগতে কুঁৱলীৰ সংমিশ্রণ। এই সংমিশ্রণে এক দুষিত পৰিৱেশৰ সৃষ্টি কৰে আৰু ই মানুহৰ শ্বাসতন্ত্র আৰু স্বাস্থ্যৰ বাবে অতি অপৰাকী।

প্রশ্ন ৩ ৰ উত্তৰ ঃ গ্রীণ হাউছ গেছ বা সেউজ গৃহ গেছ কাৰখানা, মানুহে উৎপন্ন কৰা ৰাসায়নিক পদার্থ যেনে ক্লৰিণ বা ব্রমাইনৰ পৰা ওলাই বায়ুমণ্ডলৰ লগত মিহলি হয় আৰু পৃথিৱীৰ অ'জন স্তৰৰ ক্ষয়ীকৰণ প্রক্রিয়া সংঘটিত কৰে।

প্রশ্ন ৪ ৰ উত্তৰ ঃ নগৰসমূহত সংঘটিত প্রচুৰ জনসংখ্যাৰ বৃদ্ধিৰ কাৰণে বাসস্থানৰ অভাৱ আৰু স্বচ্ছতাসম্পর্কীয় সমস্যাৰ সৃষ্টি হৈছে। চমুকৈ ই, চহৰ অঞ্চলত বাসস্থানৰ অভাৱৰ সৃষ্টি কৰিছে।

১৪.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ অর্থনৈতিক পৰিৱেশ নগৰীকৰণৰ দ্বাৰা কি ভাৱে আক্রান্ত হৈছে?

প্রশ্ন ২ ঃ অ'জন স্তৰৰ ক্ষয়ীকৰণ আৰু গোলকীয় উষ্ণতা মানে কি বুজা যায়?

প্রশ্ন ৩ ঃ প্রদূষণ আৰু নগৰীকৰণ সমস্যাৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৪ ঃ নগৰীকৰণৰ লগত বাসগৃহৰ সমস্যা আৰু বস্তী অঞ্চলৰ সৃষ্টি সম্বন্ধে বহলাই ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১৫ ঃ নগৰীয়া সমাজৰ আলোচ্য বিষয়সমূহ

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য
১৫.২ পৰিচয়
১৫.৩ নগৰীয়া সমাজৰ আলোচ্য বিষয়সমূহ
১৫.৩.১ বৈষম্যতা ঃ শ্রেণীগত, জাতিগত, নৃগোষ্ঠীয়, লিংগভিত্তিক বিভাজন
১৫.৩.২ কিশোৰৰ অপৰাধ প্ৰৱণতা আৰু ভিক্ষাবৃত্তি
১৫.৩.৩ সুৰাসক্তি আৰু নিচাসক্তি
১৫.৩.৪ ভোগবাদৰ প্ৰসাৰ
১৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৫.৫ অধিক জানিবলৈ
১৫.৬ অগ্ৰগতিৰ খতিয়ান
১৫.৭ আৰ্হি প্ৰশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- নগৰীয়া সমাজৰ বিচাৰ্য বিষয়সমূহৰ বিষয়ে জানিব পাৰিব
- নগৰীয়া সমাজত আৰ্থ-সামাজিক সমস্যাসমূহ, যেনে- দৰিদ্ৰতা, কিশোৰৰ অপৰাধ প্ৰৱণতা আৰু ভিক্ষাবৃত্তি, সুৰাসক্তি আৰু নিচাসক্তি আৰু দাম্পত্য হিংস্ৰতা আদিৰ ওপৰত নগৰীকৰণৰ প্ৰভাৱ ব্যাখ্যা কৰিব পাৰিব
- নগৰীকৰণ আৰু ভোগবাদৰ প্ৰসাৰৰ মাজৰ আন্তঃক্ৰিয়াৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১৫.২ পৰিচয়

আৰম্ভণিৰে পৰা নগৰীকৰণ প্ৰক্ৰিয়া আৰু নগৰীয়া সমাজৰ ক্ৰিয়াকলাপৰ লগত স্থানিক পৃথকীকৰণ ওতপ্ৰোতভাৱে জড়িত হৈ আছে আৰু ইউৰোপত ১৯২০ ৰ দশকতে প্ৰথম ডাঙৰ মহানগৰ গঢ় লৈ উঠাৰ সময়ৰে পৰা বহুতো তাত্ত্বিকে এই বিষয়ে কৈ আহিছে। নগৰীকৰণ প্ৰক্ৰিয়াৰ লগত প্ৰায়ে সঙ্গী হোৱা বৃহৎ সংখ্যক লোকৰ প্ৰব্ৰজন, বিভিন্ন সংস্কৃতি আৰু উদ্যোগ স্থাপনে কিছুমান জনসমষ্টিৰ সৃষ্টি কৰে, যিসকলে তেওঁলোকৰ পৰিচয় বা সম্প্ৰদায়ৰ সাদৃশ্যতাৰ বাবে আৰু একে অৰ্থনৈতিক কাৰ্যক্ষেত্ৰ ভগাই লোৱাৰ বাবে কিছুমান নিৰ্দিষ্ট স্থানত একেলগে থাকে। এনেধৰণে দলবদ্ধ হোৱাটো যদিও নিজে এটা সমস্যা নহয়, কিন্তু যেতিয়া ই অন্য এদল মানুহক সেই একে স্থানত প্ৰৱেশ বা সম্পদ ভগাই লোৱাত বাধা দিয়ে তেতিয়া এনে ধৰণৰ স্থান পৃথকীকৰণে নগৰীয়া সমাজত প্ৰায়েই সামাজিকভাৱে বৰ্জনৰ সমতুল্য ৰূপ লয়।

ভূমিৰ সীমিত যোগানৰ বাবেই নগৰীয়া স্থানৰ পৃথকীকৰণ ঘটে। পুঁজিবাদী মহানগৰবোৰত ভূমি ব্যক্তিগতভাৱে অধিকৃত আৰু প্ৰতিডোখৰ মাটিৰে মূল্য ইয়াৰ আয়তন, অৱস্থান, বৰ্তমানৰ আৰু সম্ভাব্য ব্যৱহাৰৰ ভিত্তিত বেলেগ বেলেগ হয়। (ছেভেজ, ৰ্বার্দ ঃ ১৯৯৩)। নগৰীয়া সমাজত স্থান বুলিলে কেৱল ভূমিক বুজোৱা হয় আৰু তিনিটা

গঠনত ভগাব পাৰি ঃ পার্থিব, কার্যকৰী আৰু সামাজিক স্থান। এই তিনি ধৰণৰ স্থানে পাৰস্পৰিক ক্রিয়া কৰে আৰু প্রতিটোৱেই নগৰীয়া সমাজৰ মানুহৰ বসবাসৰ অভিজ্ঞতাক গঢ় দিয়ে।

"এক বৃহৎ জনসমষ্টিৰ মাজত থকা বিভিন্ন গোটৰ লোকসকলৰ বাসস্থানৰ পৃথকীকৰণক স্থানিক বিভাজন বুলি ক'ব পাৰি। এটা গোটৰ লোকসকলক স্থানভিত্তিত সম্পূর্ণৰূপে সংমিশ্রিত বুলি তেতিয়াহে ক'ব পাৰি যেতিয়া ইয়াৰ সদস্যসকল সমগ্র জনসমষ্টিতে সমভাৱে সিঁচৰতি হৈ যায়। সম বিতৰণৰ পৰা যিমানেই বিচ্যুতি ঘটিব, পৃথকীকৰণৰ মাত্রা সিমানেই বাঢ়িব (জনষ্টন আৰু অন্যান্যসকল, ১৯৮৬)। স্থানিক বিভাজন তেতিয়াই ঘটে, যেতিয়া কিছুমান অঞ্চলত বিশেষ এটা গোটৰ সদস্যৰ অতিৰিক্ত প্রতিনিধিত্ব ঘটে আৰু অন্য অঞ্চলসমূহত প্রতিনিধিত্ব কম হয়।" (কেম্পেন আৰু অযুক্রেন, ১৯৯৮)।

নগৰীয় অসমতাৰ এটা অতি গুৰুত্বপূর্ণ কাৰণ হৈছে নগৰীয় দৰিদ্রতা। নগৰীকৰণ আৰু দৰিদ্রতা দুয়োটা অন্তর্নিহিতভাৱে সম্পর্কিত আৰু দৰিদ্রতাৰ অর্থ কি ধৰণে লোৱা হৈছে তাৰ ওপৰত ভিত্তি কৰি ইয়াৰ সংজ্ঞা উপার্জন আৰু জীৱিকাৰ দৰে সাধাৰণ মাপকাঠীৰ পৰা বহুদুৰ আঁতৰি যাব পাৰে আৰু নগৰৰ দৰিদ্রসকলৰ নিজৰ স্থিতি সম্পর্কে হোৱা আত্ম-চেতনা আৰু নাগৰিক হিচাপে তেওঁলোকৰ সম্ভাৱনীয়তা বিকশিত কৰাৰ ক্ষেত্রত থকা সামর্থ্যতাৰ সীমাবদ্ধতা সম্পর্কে তেওঁলোকে কি ভাবে, সেয়াও অন্তর্ভুক্ত কৰিব পাৰি।

"নগৰীয় দৰিদ্রতাৰ সংজ্ঞা কি হ'ব সেই বিষয়ে কোনো ঐক্যমত নাই, কিন্তু দুটা বহল পৰিপূৰক দৃষ্টিভঙ্গী প্রচলিত হৈ আছে ঃ অর্থনৈতিক আৰু নৃতাত্ত্বিক ব্যাখ্যা। পৰম্পৰাগত অর্থনৈতিক সংজ্ঞাই উপার্জন আৰু উপভোগৰ লগতে পৰিপূৰক হিচাপে কিছুমান সামাজিক সূচক, যেনে, গড় আয়ুস, কেঁচুৰাৰ মৃত্যুৰ হাৰ, পৰিপুষ্টি, ঘৰুৱা বাজেটত খাদ্য-শিতানত হোৱা ব্যয়ৰ অনুপাত, শিক্ষিতৰ হাৰ, বিদ্যালয়ত নামভর্তিৰ হাৰ ,খোৱা পানী আৰু চিকিৎসা সেৱাৰ উপলব্ধতা আদি অন্তর্ভুক্ত কৰিছে আৰু এক সাধাৰণ বস্তুগত কল্যাণ সূচকৰ বিপৰীতে দৰিদ্রৰ শ্রেণী বিভাজন কৰিছে। এক বিকল্প ব্যাখ্যাত প্রধানকৈ গ্রাম্য নৃতত্ত্ববিদ আৰু তৃতীয় বিশ্বত গ্রাম্য সম্প্রদায়ৰ সৈতে কর্মৰত সামাজিক পৰিকল্পনাকাৰীসকলে দৰিদ্রতাৰ সংজ্ঞা নির্ণয় কৰোঁতে স্থানীয় তাৰতম্যতা মানি লৈছে আৰু সংজ্ঞাটোৰ প্রসাৰ ঘটাই অ-বস্তুগত বঞ্চিতকৰণ আৰু সামাজিক পৃথকীকৰণৰ ধাৰণাকো সন্নিবিষ্ট কৰিছে।" (মেছিকা আৰু অন্যান্যসকল, ১৯৯৭)।

যেতিয়া আমি ইয়াৰ লগত সামাজিক, সাংস্কৃতিক আৰু অর্থনৈতিক স্তৰ বিন্যাসৰ মাত্রা সংযোগ কৰোঁ, তেতিয়া এক জটিল সংমিশ্রণ পোৱা যায়, য'ত এহাতে থাকে মানুহৰ বাবে জীৱনৰ এক মর্যাদাহীন অৱস্থা আৰু আনহাতে থাকে নির্দ্দেশিত কার্য প্রণালী আৰু ব্যৱস্থাপনাৰ অভাৱ। ইয়াৰ লগতে এক নতুন "নগৰীয় জীৱন যাত্রা"ৰ উত্থান ঘটিছে যি নগৰত বাস কৰা বিভাজিত লোকসমষ্টিৰ মাজত থকা বৈষম্যতাত আলোকপাত কৰে য'ত বিভিন্ন বিভাজিত দলে নগৰীকৰণৰ অমৃত আৰু গৰলবোৰৰ ভাগ বিভিন্ন ধৰণে পায়।

১৫.৩ নগৰীয় সমাজৰ সমস্যাসমূহ

১৫.৩.১ বৈষম্যতা ঃ শ্রেণীগত, জাতিগত, নৃগোষ্ঠীয়, লিঙ্গভিত্তিক আৰু বিভাজন

এইখিনিতে আমি সমাজৰ কিছুমান স্তৰীভূত শ্রেণীলৈ দৃষ্টিপাত কৰিম আৰু কেনেকৈ ভাৰতবর্ষত হোৱা নগৰীকৰণে এইবোৰক প্রভাৱিত কৰিছে আৰু এইবোৰে পাৰস্পৰিক ক্রিয়া কৰিছে আৰু নগৰৰ স্থানিক বিভাজনৰ দ্বাৰা প্রভাৱিত হৈছে, সেয়া আলোচনা কৰিম।

- **শ্রেণীগত বৈষম্যতা ঃ** ১৯৯১ চনৰ অর্থনৈতিক সংস্কাৰে ভাৰতবর্ষৰ অর্থনীতিত তথা ভাৰতীয়সকলৰ সামাজিক-সাংস্কৃতিক জীৱনলৈ সদূৰ-প্রসাৰী পৰিৱর্তন আনিলে। ই এহাতে দ্রুত উদ্যোগীকৰণ তথা নগৰীকৰণ আৰু মহানগৰবোৰলৈ আধুনিকীকৰণ আনিলে আৰু আনহাতেৰে গাঁৱৰ পৰা নগৰলৈ প্রব্রজন বহু পৰিমাণে বঢ়াই দিলে আৰু ভাৰতীয় মানুহৰ প্রথাগত উৎপাদন পদ্ধতি আৰু পৰম্পৰাগত জীৱন-যাপন প্রণালীত এক আলোড়নৰ সৃষ্টি কৰিলে। ই সাংস্কৃতিক আৰু সামাজিক শ্রেণীবিভাগৰ এক পুনঃসৃষ্টিৰ সূচনা কৰিলে আৰু লগতে মহানগৰসমূহত থকা শ্রেণীগত বৈষম্যতাৰ পুনৰবিন্যাস ঘটালে। (ফার্নাণ্ডেজ, ২০০৪)

বর্তমান মহানগৰৰ দৰিদ্র লোকসকল এক বৃহৎ শ্রেণী, যাৰ সমস্যাৰাজি আৰু বিচার্য বিষয়সমূহ সততে দৃষ্টিৰ অগোচৰ কৰি ৰখা হয় কাৰণ সেইবোৰে মহানগৰখনে বাস্তৱ ৰূপ দিবলৈ অভিলাস কৰা বিকাশ আৰু প্রগতিৰ চিত্রখনৰ সম্পূর্ণ বৈপৰীত্য প্রদর্শন কৰে; তদুপৰি ক্রয় ক্ষমতা, সাংস্কৃতিক মূলধন বা ৰাজনৈতিক সঞ্চালন হিচাপে সেইবোৰৰ বিশেষ একো অৱদান নাই। ফার্নাণ্ডেজৰ মতে, ভাৰতীয় মধ্যবিত্ত শ্রেণীৰ গঠনেই তেনে পার্থক্যসূচক স্থানিক উপলব্ধতাৰ মূল কাৰণ। "মধ্যবিত্ত শ্রেণীৰ পৰিচিতি স্থানিক বিশুদ্ধিকৰণ ৰাজনীতিৰ লগত জড়িত" (ছিব্‌লে, ১৯৯৫), যি ৰাজহুৱা স্থানবোৰৰ ওপৰত মধ্যবিত্ত শ্রেণীৰ দাবী আৰু লগতে দুখীয়া আৰু শ্রমিক শ্রেণীক তেনে স্থানৰ পৰা বিতাড়িত কৰা কার্যত কেন্দ্রীভূত হৈ আছে। ইয়েই হৈছে বিশুদ্ধিকৰণ ৰাজনীতিৰ সক্রিয় প্রকৃতি যি অধিকাৰহীনভাৱে বসবাসকাৰী আৰু পদপথ ব্যৱসায়ীৰ দৰে সমাজৰ নিম্ন স্থানৰ লোকসকলক 'পাহৰি' যোৱাৰ ৰাজনৈতিক প্রকল্পক প্রতিপন্ন কৰে। (ফার্নাণ্ডেজ, ২০০৪)

আভিজাত্যকৰণ প্রক্রিয়াটোৰেই সম্ভৱতঃ মহানগৰসমূহত থকা শ্রেণীভিত্তিক স্থানিক বিভাজনৰ আটাইতকৈ বোধগম্য সাক্ষ্য আৰু ই মহানগৰৰ পুনঃবিকাশত থকা অসমতাই কেনেদৰে ক্রিয়া কৰে তাৰ শ্রেষ্ঠ আর্হিস্বৰূপ। লোপেজ মৰেলৰ মতে, "মূলতঃ আভিজাত্যতা হৈছে এটা ৰাজনৈতিক সংঘাত। সাম্প্রতিক সময়ত মহানগৰসমূহক প্রভাৱিত কৰা ই এটা অতি গুৰুত্বপূর্ণ আৰু সামাজিকভাৱে অসঙ্গত প্রক্রিয়া।" (লোপেজ মৰেল, ২০১৫)

আভিজাত্যকৰণক সমকালীন চাৰিটা প্রক্রিয়াৰ যোগেৰে চিনাক্ত কৰিব পাৰি ঃ

- সমাজত উচ্চ প্রতিপত্তি থকা এচাম মানুহে আন এচাম মানুহক স্থানান্তৰিত কৰি পুনঃবসতি স্থাপন কৰা আৰু সামাজিক কেন্দ্রীকৰণ ঘটোৱা।
- কিছুমান স্পষ্ট সৌন্দর্যাত্মক বৈশিষ্ট্যৰ প্রদর্শনেৰে স্থিত পৰিৱেশলৈ বিৱর্তন অনা আৰু কিছুমান নতুন স্থানীয় সেৱাৰ আৰম্ভণি ঘটোৱা।
- সর্বজনগৃহীত সংস্কৃতি আৰু জীৱনশৈলীৰ অংশীদাৰ বা অন্ততঃ শ্রেণীগত ভোগৰ অভিৰুচিৰ ভাগীদাৰ এচাম মানুহৰ সমাৱেশ।
- সম্পত্তিৰ মূল্যৰ অর্থনৈতিক পুনঃনির্ধাৰণ, নির্মাণ উদ্যোগলৈ বাণিজ্যিক সুযোগ অহা আৰু প্রায়েই ঘৰুৱা সম্পত্তিৰ ব্যক্তিগত মালিকানা ব্যৱস্থাৰ সম্প্রসাৰণ। (ছেভেজ আৰু ৰার্ড, ১৯৯৩)

বহু বিশেষজ্ঞতাসম্পন্ন অত্যাধুনিক চিকিৎসালয়, বৃহৎ খুচুৰা বিক্রী কেন্দ্র আদি স্থাপনৰ বাবে দুখীয়াৰ বসতিস্থল আৰু বস্তি অঞ্চল নিশ্চিহ্ন কৰি ভাৰতবর্ষতো আভিজাত্যকৰণ মহানগৰৰ এক অংশস্বৰূপ হৈ পৰিছে। ইয়াৰ লগতে বহুতো ঠাইত চৰকাৰী সৌন্দর্যবর্ধন কার্যাৱলী আৰু আৱাসিক উন্নয়নে ঘৰ ভাৰা আকাশলংঘী কৰি তুলিছে, যাৰ বাবে সেইবোৰ ঠাইত পূর্বে বসবাস কৰা লোকসকলৰ বাবে থকাটো অসম্ভৱ হৈ পৰিছে।

- **জাতিগত বৈষম্যতা ঃ** যদিও ভাৰতৰ নগৰীয়া অঞ্চলবোৰ শ্ৰেণীগত বৈষম্যৰে স্থান বিভাজিত হৈ গঢ়ি উঠে, তথাপিতো ইয়াত এতিয়াও জাতিগত বৈষম্য অটুট আছে। বহুতো গৱেষণামূলক অধ্যয়নে দেখুৱাইছে যে ভাৰতৰ মহানগৰবোৰৰ শ্ৰমিক বজাৰসমূহত এতিয়াও জাতি ভিত্তিক শ্ৰমিক নিয়োজন আৰু কাম-কাজ চলি আছে।

"বৈষম্যমূলক আচৰণ এতিয়াও বৰ্তি থকাটো পৰিলক্ষিত হয়, অন্ততঃ আংশিকভাৱে হ'লেও, পৰম্পৰাগত কার্য প্রণালী কিছুমানৰ দ্বাৰা, যেনে, অনুসূচিত জাতিৰ লোকসকলক কম মজুৰিৰ আৰু গত্যন্তৰ নথকা কামবোৰত নিয়োগ কৰা। এই বৈষম্যতাক সহায় কৰে কায়িক জীৱিকাৰ ক্ষেত্রত প্রচলিত সংযোগ ভিত্তিক নিয়োগ পদ্ধতিয়ে, যি অতীতৰ বৈষম্যতাকো বৰ্তমানলৈ কঢ়িয়াই আনে। বৈষম্যতাৰ প্রয়োগে সেইসকল মানুহৰ স্বার্থ পূৰণ কৰে যি বৈষম্যতাক নিজৰ সুবিধাৰ বাবে ব্যৱহাৰ কৰে।" (বেনার্জী আৰু নাইট, ১৯৮৫)

বর্ণবাদেৰে আনৰ প্রাপ্য কাঢ়ি অনা সমস্যাটোৰ সমাধানৰ বাবে ভাৰতবর্ষত বহু ধৰণৰ সামাজিক আৰু ৰাজনৈতিক কার্যপদ্ধতি গ্রহণ কৰা হ'ল, কিন্তু অদূৰ ভৱিষ্যতত ভাৰতীয় জীৱনৰ বাস্তৱিকতাৰ পৰা বর্ণবাদ নিস্তেজ হৈ পৰাৰ কোনো সম্ভাৱনা দেখা নেযায়। নগৰীয় ৰাজনীতিত জনতাক সংগঠিত কৰাৰ ক্ষেত্রত জাতিগত বিষয়বোৰেই আটাইতকৈ প্রভাৱশালী হৈ আছে। শ্ৰেণীগত বৈষম্যতা এটা বিভাগ হিচাপে উদ্ভৱ হোৱাৰ পাছতো ভাৰতীয় উপমহাদেশখনত জাতিগত শ্ৰেণীবিভাগ এতিয়াও এটা প্রকৃত বাস্তৱ হৈ আছে। শ্ৰেণীগত আৰু জাতিগত পৰিচিতি লগ লাগি মানুহৰ মাজত এটা নতুন বর্ণসঙ্কৰ ৰূপী পার্থক্য আনিছে আৰু এক নতুন স্পষ্টভাৱে প্রতীয়মান ৰীতিৰে এই শ্ৰেণীয়ে কার্যনির্বাহ কৰে আৰু মানুহৰ কার্যকলাপ, জীৱন নির্বাহ, আনকি আন্তৰিক দিশবোৰতো, যেনে, ৰক্ত সম্বন্ধ, বিবাহ, বন্ধুত্ব আদিতো প্রভাৱ পেলায়।

ওপৰত উল্লেখ কৰা বিষয়সমূহৰ উপৰিও, নগৰীকৰণে সৃষ্টি কৰা আন দুটা ডাঙৰ সমস্যা হৈছে অনাময় ব্যৱস্থা আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা। পৌৰ নিগমসমূহে পালন কৰা এটা মুখ্য ভুমিকা হৈছে নগৰখনৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা। আজিৰ দিনতো, আনকি নগৰ অঞ্চলতো কায়িকভাৱে ময়লা চফা কৰাটো এটা বাস্তৱ ঘটনা আৰু ই বিশেষভাৱে সমস্যাজনক হৈ পৰে যেতিয়া এই কথাটো বিবেচনালৈ অনা হয় যে কায়িকভাৱে ময়লা চফা কৰা কার্যটো এতিয়াও বহু পৰিমাণে জাতিভিত্তিক বিষয় আৰু জীৱিকা হৈ আছে। নর্দমাৰ বিষাক্ত বাষ্পৰ পৰা ৰক্ষা কৰিব পৰা সুৰক্ষা বর্ম আৰু আন সুৰক্ষা সঁজুলি নোহোৱাকৈ কায়িকভাৱে ময়লা চফা কৰা ব্যক্তিৰ মৃত্যুৰ ঘটনাই ভাৰতবর্ষৰ বিকাশমূলক প্রকল্পসমূহৰ ব্যর্থতাকে সূচাইছে, কাৰণ এই আঁচনিবোৰে সমাজৰ দুর্বল শ্ৰেণীৰ লোকসকলক উপকৃত কৰিব নোৱৰাটো এই ঘটনাই প্রমাণ কৰে।

- **নৃগোষ্ঠীয় বৈষম্যতা ঃ** এই কথাটো লক্ষণীয় যে "পৃথকীকৰণ" ধাৰণাটোৰ দ্বাৰাই আমি বহির্বেশন কৰি এই পৰিঘটনাটোৰ আনটো দিশ পাব পাৰো আৰু সেয়া হৈছে স্থানিক কেন্দ্রীকৰণ। কিছুমান নির্দিষ্ট স্থানত কিছুমান নির্দিষ্ট বর্গৰ লোকক স্থান দিয়া নহয়, যাৰ বাবে কিছুমান নির্দিষ্ট স্থানত সেই একে বর্গৰ লোকসকল থুপ খায়। নগৰীয় অঞ্চলত নৃগোষ্ঠীয় পৃথকীকৰণে কিছুমান নির্দিষ্ট অংশত নৃগোষ্ঠীয় কেন্দ্রীকৰণৰ বৃদ্ধি ঘটায়।

নৃগোষ্ঠীয়তাৰ ভিত্তিত মানুহবোৰ কেন্দ্রীভূত হোৱাৰ কিছু সুবিধা এনেধৰণৰ হ'ব পাৰে যে মানুহবোৰে একে পৰিচিতি আৰু একে সংস্কৃতিগত বিশ্বাস আৰু প্রথা অনুসৰণ কৰা অন্য লোকসকলৰ সান্নিধ্য উপভোগ কৰিব পাৰে। নৃগোষ্ঠীয়ভাৱে কেন্দ্রীভূত ওচৰ-চুবুৰীয়াসকলে আত্মসহায়ক গোট, ন্যাস আদি প্রতিষ্ঠা কৰি নিযুক্তি আৰু উন্নতিৰ সুযোগ-সুবিধা গঢ়ি চুবুৰীটোৰ অন্তর্ভুক্ত সম্প্রদায়সমূহৰ উত্থান ঘটাব পাৰে। কিন্তু প্রায়েই সুবিধাবোৰতকৈ

অসুবিধাবোৰহে অধিক গুৰুত্বপূৰ্ণ হৈ উঠে, কাৰণ নগৰখনৰ অন্যান্য অঞ্চলত এই নৃগোষ্ঠীয় লোকসকল বৈষম্যতাৰ সন্মুখীন হোৱাৰ বাবেহে এঠাইত নৃগোষ্ঠীয় কেন্দ্রীকৰণ হৈছে। এনেধৰণৰ বৈষম্য আচ্ছাদিতভাৱে তথা প্ৰকটভাৱে হ'ব পাৰে, যেনে, ভাৰাঘৰৰ মালিক আৰু আৱাসিক সংস্থাবোৰৰ নৃগোষ্ঠীয় সংখ্যালঘুসকলক বাসগৃহৰ সুবিধা দিয়াত অনিচ্ছুকতা, উচ্চ হাৰৰ ঘৰভাৰা আৰু নৃগোষ্ঠীয় লোকসকলে সেইবোৰ অঞ্চলত সন্মুখীন হ'ব পৰা ককৰ্থনা আৰু শাৰীৰিক নিৰ্যাতনৰ ভীতিজনক পৰিস্থিতি। প্ৰায়েই এই নৃগোষ্ঠীয় পৰিচয়ৰ লগত এটা ঋণাত্মক ভাৱমূৰ্তি জাপি দিয়া হয় যাৰ ফলত এই লোকসকল লাঞ্ছিত হয় আৰু তেওঁলোকে বাস কৰা স্থানবোৰ বস্তি (Ghetto) শ্ৰেণীভুক্ত হয় য'ত বিদ্যালয় বা অন্যান্য উপযুক্ত সা-সুবিধা বা আন্তঃগাঁথনি যেনে, বেঙ্ক, স্বাস্থ্য সেৱা, নাগৰিক সমিতি, অনাময় ব্যৱস্থা আদি নাথাকে। ইয়াৰ লগতে, এই পৃথকীকৰণ আৰু পৰৱৰ্তী কেন্দ্রীকৰণে নগৰখনৰ অন্যান্য অংশৰ পৰা এই সম্প্ৰদায়ৰ লোকসকলক বিচ্ছিন্ন কৰি পেলায় আৰু অন্য নাগৰিকসকলৰ সৈতে সম্পূৰ্ণ মিলি যাব নোৱৰা হৈ পৰে, যিটো পৰিশেষত এটা অতি গুৰুত্বপূৰ্ণ বিষয় হৈ পৰে, যদিহে মানুহে নিজৰ জীৱিকাৰ আৰু জীৱনৰ সুযোগ-সুবিধাবোৰৰ উন্নতি বিচাৰে।

- **লিঙ্গভিত্তিক বৈষম্যতা ঃ** ভাৰতৰ নগৰ অঞ্চলত থকা লিঙ্গভিত্তিক বৈষম্যতাৰ কথাটো প্ৰকৃততেই এটা ভয়াৱহ সমস্যা। এই সমস্যাটো অধিক গম্ভীৰ হৈ পৰে যেতিয়া নগৰৰ দুখীয়া মহিলাসকলৰ অৱস্থাটো বিবেচনালৈ অনা হয়, যিসকলে মহিলা হিচাপে আৰু দৰিদ্ৰ হিচাপে আন্তঃবিভাজিত বৈষম্যতাৰ অভিজ্ঞতা লাভ কৰিছে। পৰিয়ালবোৰত আৰু কৰ্মস্থলীত পুৰুষ প্ৰাধান্যতা আৰু লিঙ্গভিত্তিক বৈষম্যতাৰ বাস্তৱ সমস্যাটোৰ লগতে আইনী প্ৰতিকাৰৰ অভাৱ আৰু মহিলাৰ ওপৰত থকা নিৰ্যাতনৰ ভাবুকিয়ে মহিলাসকলক মহানগৰৰ জীৱন যাত্ৰাত পূৰ্ণ অংশগ্ৰহণৰ পৰা বঞ্চিত কৰিছে যদিও সঙ্গতিবিহীনভাৱে মহানগৰত আধুনিক মূল্যবোধ আৰু আধুনিক আদৰ্শৰ কথা প্ৰচাৰ কৰা হয়। কিন্তু আমি যেতিয়া নগৰৰ দুখীয়া মহিলাসকলৰ কথা উত্থাপন কৰোঁ তেতিয়া দেখা যায় যে যিমানেই মানুহবোৰ গাঁও আৰু চহৰৰ পৰা বৃহৎ মহানগৰীত নিজ ভাগ্য পৰীক্ষা কৰিবলৈ ধাৱমান হৈছে সিমানেই এই সমস্যাবোৰ আৰু তীব্ৰতৰ হৈ উঠিছে, তেওঁলোকৰ জীৱিকা নিৰ্বাহৰ উপায়ৰ অভাৱৰ বাবে, নিৰাপদ কৰ্ম নিযুক্তিৰ অভাৱৰ বাবে আৰু চৰকাৰৰ লগতে আনকি নিজ পৰিয়ালৰ পৰাও প্ৰয়োজনীয় সমৰ্থনৰ অভাৱৰ বাবে।

সাধাৰণতে নগৰীকৰণ আৰু উদ্যোগীকৰণৰ বাবে শ্ৰমিক নিযুক্তিৰ বজাৰত দুটা ধাৰা দেখা যায় যি মহিলাসকলক গভীৰভাৱে প্ৰভাৱিত কৰে; তাৰে এটা হৈছে শ্ৰমৰ মহিলাকৰণ আৰু আনটো হৈছে মহিলাক নিযুক্তি দিয়া বহুতো উদ্যোগ আৰু কামৰ অস্থায়ীকৰণ বা অনিয়ন্ত্ৰিতকৰণ। শ্ৰমৰ মহিলাকৰণ হৈছে বিভিন্ন কৰ্ম আৰু উদ্যোগত মহিলাৰ নিযুক্তি প্ৰক্ৰিয়া, য'ত পূৰ্বে মহিলাৰ নিযুক্তি সাধাৰণতে দেখা নগৈছিল। মহানগৰীৰ বেছিভাগ পৰিয়ালেই সন্মুখীন হোৱা অনিশ্চয়তাৰ ই এক ইংগিত, য'ত বৰ্তমান পৰিয়াল ভৰণ-পোষণৰ গুৰুভাৰ মূলতঃ মহিলাৰ ওপৰতে ন্যস্ত হৈছে। এই অনিশ্চয়তাই এনে এক পৰিস্থিতিৰ সৃষ্টি কৰিছে যে মহিলাসকলক তেওঁলোকে কৰা কামৰ তুলনাত ক্ৰমান্বয়ে কমকৈহে মজুৰি দিয়া হৈছে আৰু প্ৰায়েই মহিলাই নিযুক্তি পোৱা এই চাকৰিবোৰত পদোন্নতিৰ বা উন্নতিৰ কোনো ব্যৱস্থা নাথাকে। গতিকে যদিও বিভিন্ন কৰ্মক্ষেত্ৰত নাৰী কৰ্মীবাহিনীৰ নিযুক্তি হোৱাটো এটা ইতিবাচক কথা, কিন্তু যিবোৰ চৰ্তত এনে নিযুক্তি বাঢ়িছে, সেয়া মহিলাৰ জীৱন নিৰ্বাহৰ বাবে শুভফলদায়ক নহয়। আকৌ এইটো পৰিলক্ষিত হৈছে যে যিবোৰ উদ্যোগত বৃহৎ সংখ্যাৰে নাৰীৰ নিযুক্তি বাঢ়ি আহিছে সেইবোৰ উদ্যোগতে বৈশিষ্ট্যৰূপে দেখা গৈছে বৰ্ধিত অনিয়ন্ত্ৰণ, চাকৰিৰ নিৰাপত্তাহীনতা আৰু মহিলা শ্ৰমিকসকলৰ কৰ্ম পৰিৱেশৰ ক্ষেত্ৰত শোচনীয় নিৰ্লিপ্ততা।

নিম্ন আয়ৰ মহিলাসকলৰ ভূমি স্বত্ব আৰু বাসগৃহৰ প্ৰয়োজনীয়তাৰ বিষয়ে বৰুৱাই উল্লেখ কৰিছে- ".....আয়ৰ ওপৰত ভিত্তি কৰি উন্নয়নশীল দেশৰ লোকসকলৰ বাসগৃহৰ প্ৰয়োজনীয়তাৰ শ্ৰেণীবিভাগ কিয় আৱশ্যকীয় সেই বিষয়ে আৱাসিক নীতিৰ ওপৰত কৰা গৱেষণা আৰু বৃত্তি প্ৰদান কৰা অধ্যয়নে বিতংভাৱে আলোকপাত কৰিছে, কিন্তু লিঙ্গভিত্তিক আশ্ৰয়স্থানৰ প্ৰয়োজনীয়তাৰ বিষয়টোৱে কম গুৰুত্ব পাইছে।"

ইয়াৰোপৰি, শ্ৰীমতী বৰুৱাই অন্যান্য বিষয়ত লিঙ্গভিত্তিক পৃথকীকৰণৰ লগতে মহিলাসকলৰ সম্পত্তিৰ অধিকাৰ লাভৰ ক্ষেত্ৰত থকা দুৰ্লভতাৰ সমস্যাটোও সংযোগ কৰাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰিছে। সম্পত্তিৰ অধিকাৰৰ উপৰিও নগৰৰ মহিলাসকলে তেওঁলোকৰ জীৱিকা নিৰ্বাহৰ বাবে আৰু সন্তান জন্ম দিবৰ বাবে থাকিব লগা সুবিধাসমূহৰ উন্নতিৰ বাবে কৰ্ম নিযুক্তি, পানী আৰু বুনিয়াদী সেৱাসমূহ যেনে, স্বাস্থ্য সেৱা, বিদ্যালয়, কৰ্মৰত মাতৃৰ শিশুৰ বাবে ভৱন (creche) আদিবোৰৰ উপলব্ধতাক অগ্ৰাধিকাৰ দিয়ে। জীৱিকা নিৰ্বাহৰ উপায়, উপাৰ্জন আৰু প্ৰাথমিক সেৱাসমূহৰ উপলব্ধতা অবিহনে কেৱল ভূমি আৰু সম্পত্তিৰ অধিকাৰে মহিলাসকলক প্ৰগতিৰ পথত অধিক দূৰলৈ আগুৱাই নিব নোৱাৰে। গতিকে নগৰীয় বিকাশৰ মূল আধাৰৰ ভিত্তিত মহিলাৰ সপক্ষে ভূমিনীতি থাকিব লাগিব আৰু যাৰ লক্ষ্য হ'ব লাগিব আয় বৃদ্ধি কৰা, জীৱিকা নিৰ্বাহৰ সুযোগ-সুবিধাবোৰ সৰ্বাধিক কাৰ্যকৰী কৰা আৰু পুৰুষ-মহিলা উভয়কে সম্পত্তিৰ মালিকীস্বত্বৰ বাবে থকা অধিকাৰ আৰু সুবিধাবোৰৰ বিষয়ে শিক্ষিত কৰি তোলা আৰু আৱাস গৃহ আৰু আন্তঃগাঁথনিৰ সুবিধা আগবঢ়োৱা। (বৰুৱা, ২০০৭)

ভাৰতৰ মহানগৰবোৰত দাম্পত্য-হিংস্ৰতা বৃদ্ধি পাইছে বুলি বহুতো অধ্যয়নে দেখুৱাইছে। সুৱাসক্তি আৰু নিচাসক্তিয়েই ইয়াৰ মূল কাৰণ; লগতে খাদ্য আৰু বিত্তৰ অভাৱত বৈবাহিক সম্পৰ্কত ফাট মেলাটোও ইয়াৰ অন্যতম কাৰণ বুলি চিহ্নিত হৈছে। নগৰ-অঞ্চলত ব্যক্তিৰ মাজত হোৱা অপৰাধৰ অধিকাংশই নাৰীৰ বিৰুদ্ধে সংঘটিত হয় আৰু ই নাৰীৰ পূৰ্ণ বিকাশৰ পথত হেঙাৰস্বৰূপ হৈ থিয় দিছে।

১৫.৩.২ কিশোৰৰ অপৰাধ প্ৰৱণতা আৰু ভিক্ষাবৃত্তি

- **কিশোৰৰ অপৰাধ প্ৰৱণতা ঃ**

নগৰীকৰণে কেৱল অৰ্থনৈতিক ক্ষেত্ৰতে পৰিৱৰ্তন নানে, ই পৰিয়াললৈ আৰু পৰিয়ালৰ গাঁথনিলৈকো পৰিৱৰ্তন আনে। ইয়াৰ লগতে নগৰীকৰণে পুৰণি সাম্প্ৰদায়িক বান্ধোন ভংগ কৰা পৰিলক্ষিত হৈছে আৰু অধিক ঐক্যবদ্ধ সমাজত থকা ঘনিষ্ঠতাৰ অনুভৱ নোহোৱা কৰিছে। নগৰবোৰত কিশোৰৰ অপৰাধ প্ৰৱণতা বৃদ্ধিৰ ক্ষেত্ৰত এই কাৰকটোৱেই দায়ী বুলি ঠাৱৰ কৰা হৈছে। কিশোৰৰ অপৰাধ প্ৰৱণতাৰ অৰ্থ হৈছে যেতিয়া এজন কিশোৰ বা ১৮ বছৰৰ তলৰ ব্যক্তিয়ে কোনো অপৰাধ সংঘটিত কৰে বা কৰাৰ প্ৰৱণতা দেখুৱায়।

নগৰীকৰণে মানুহৰ মাজত সেইবোৰ সামগ্ৰী বা অভিজ্ঞতা লাভৰ ইচ্ছা জগাই তোলে যিবোৰ বস্তু সেই শ্ৰেণীভুক্ত হোৱা বা শ্ৰেণী বিশিষ্টতা লাভৰ নিদৰ্শনস্বৰূপ হয় ঃ দামী সাজ-পোছাক ক্ৰয়, শেহতীয়া সংস্কৰণৰ অত্যাধুনিক সা-সৰঞ্জাম সংগ্ৰহ বা স্পষ্টভাৱে ক'বলৈ হ'লে ব্যয়সাধ্য উপাৰ্জনৰ ইচ্ছাৰে ই প্ৰতিফলিত হয়। আধুনিক নগৰীয় সমাজত উপলব্ধ বিভিন্ন সামগ্ৰী, আৰু সা-সুবিধাৰ ভাগীদাৰ হ'বলৈ মনত ওপজা আকাংক্ষাৰ বিপৰীতে এক বৃহৎ সংখ্যক লোকে দৰিদ্ৰতা আৰু সম্পদহীনতাত জুৰুলা হোৱাৰ বাবেই হয়তো কিশোৰসকলে অপৰাধৰ পথটোৱেই একমাত্ৰ বিকল্প বুলি ভাবিব পাৰে। তদুপৰি বিভিন্ন শ্ৰেণী আৰু বৰ্গৰ লোকসকলৰ মাজত থকা বৃহৎ শিক্ষাগত পাৰ্থক্য আৰু নিযুক্তিহীনতাই এই সমস্যাটোৰ প্ৰকোপ বহুগুণে বঢ়াইছে। এক বৃহৎসংখ্যক যুৱ জনসমষ্টিৰ

বাবে আশাভংগতা আৰু অস্তিত্বহীন অৱস্থাৰ বৰ্ধিত সজাগতাই তেওঁলোকক অপৰাধৰ পথলৈ লৈ যাব পাৰে, যিহেতু যুৱ সম্প্রদায়ৰ বাবে আৱশ্যকীয় সহায়-সমৰ্থন পৰ্যাপ্ত নহয়।

- **ভিক্ষাবৃত্তি ঃ** মহানগৰবোৰত মুৰ দাঙি উঠা আন এটা সমস্যা হৈছে ভিক্ষাবৃত্তি। মগনীয়াবোৰে মহানগৰখনৰ ওপৰত এটা ঋণাত্মক প্রভাৱ পেলায়, কাৰণ তেওঁলোকে যান-বাহনৰ চলাচলত বাধাৰ সৃষ্টি কৰে, বাটে-পথে মানুহক কেতিয়াবা জুলুম কৰে, সৰু-সুৰা অপৰাধমূলক কামত লিপ্ত হয় আৰু কেতিয়াবা অস্বাভাৱিক আচৰণ কৰে। কিন্তু আমি এই কথাটোও স্বীকাৰ কৰিব লাগিব যে ভিক্ষাবৃত্তিও নগৰীকৰণৰে এটা পৰিণাম আৰু ভিক্ষাৰীবোৰ তেওঁলোকৰ জীৱদ্দশাৰ সমস্যাৰে অতি ঋণাত্মকভাৱে প্রভাৱিত। এনেধৰণেও যুক্তি আগবঢ়োৱা হয় যে ভিক্ষাবৃত্তি পুঁজিবাদী উদ্যোগীকৰণৰ পৰিণাম নহয়, বৰঞ্চ ভিক্ষাবৃত্তি গ্রহণ হৈছে সমাজৰ নৈতিক মূল্যবোধৰ অৱক্ষয়ৰ এক পৰিণাম, য'ত সমাজে তেওঁলোকক উপেক্ষা কৰে আৰু সমাজৰ 'আৱর্জনা' বুলি ভাবে আৰু একেই নাগৰিক বা মানুহ হিচাপে তেওঁলোকৰ কল্যাণৰ বাবে চেষ্টা কৰাটো এক নৈতিক দায়িত্ব বুলি গণ্য নকৰে। মহানগৰী আৰু ইয়াৰ বাসিন্দাসকলে ভিক্ষাৰীবোৰৰ ওপৰত "নৈতিক, সামাজিক আৰু ৰাজনৈতিকভাৱে বর্জন"ৰ এক পূর্ণতা আৰোপ কৰে।

"ইয়াৰ ফলস্বৰূপে দণ্ডিত নোহোৱাকৈ মানুহক নির্যাতন কৰা হয়, সম্পত্তিৰ চূড়ান্ত হস্তগতকৰণ হয় বা 'আত্মা আৰু নিজ সত্তা' ক সম্পূর্ণৰূপে ধ্বংস কৰা হয়। এই লোকসকলক নিযুক্তিৰ পৰা বঞ্চিত কৰা আৰু সামাজিকভাৱে বর্জন কৰাটো (গ্রহণ কৰা আৰু সহ্য কৰাৰ ক্ষেত্রত) বেছিভাগ মানুহেই যুক্তিপূর্ণ আৰু ন্যায়সংগত বুলি ভাবে, বিশেষকৈ যিবোৰ মানুহে তেনে আচৰণ কৰে। কিন্তু এই কথাটো উপেক্ষা কৰা অনুচিত যে এই উপান্ত দুখীয়া লোকসকলক নৈতিক আৰু ৰাজনৈতিক সমাজৰ পৰা বর্জন কৰাটোৱে আৰু চৰকাৰে কর্ম নিযুক্তি আৰু সামাজিক নিৰাপত্তা নিদিয়াটোৱে তেওঁলোকক কাম কৰাৰ মৌলিক অধিকাৰ বা যিকোনো গণতান্ত্রিক ৰাষ্ট্রৰ নাগৰিক হিচাপে তেওঁলোকৰ শ্রমৰ পূর্বচর্ত ৰূপে পাব লগা দৈনন্দিন আর্থিক প্রতিদান লাভৰ অধিকাৰৰ পৰা বঞ্চিত কৰে।" (চৰকাৰ, ২০০৭)

গতিকে এইটো নাগৰিক সমাজ আৰু চৰকাৰৰ কর্তব্য হোৱা উচিত যে দুয়ো পা�ৰস্পৰিক সহযোগিতাৰে কাম কৰি যাব লাগে যাতে ভিক্ষাৰীসকলৰ ক্ষেত্রতো মানৱীয় মর্যাদাৰ পুনঃপ্রতিষ্ঠা কৰিব পাৰি । আৰু যিবোৰ ক্ষেত্রত মানসিক স্বাস্থ্যজনিত সমস্যাত ভুগি ভিক্ষাবৃত্তি অৱলম্বন কৰে (যিটো পৰিঘটনা প্রায়েই পৰিলক্ষিত হয়) বা পৰিয়ালে ত্যাগ কৰাৰ বাবে কোনো ব্যক্তিয়ে ভিক্ষাবৃত্তি অৱলম্বন কৰে, তেনে ক্ষেত্রত উপযুক্ত চিকিৎসা সেৱা তথা সহায়-সহযোগ আগবঢ়াব পাৰি।

১৫.৩.৩ সুৰাসক্তি আৰু নিচাসক্তি

নৈতিক সমর্থনৰ অভাৱ, আৱেগিক নিঃসঙ্গতা তথা মহানগৰীত নিশ্চয়তাহীনভাৱে বসবাস কৰাৰ দুশ্চিন্তা আৰু উদ্বিগ্নতাই হৈছে সুৰাসক্তি আৰু নিচাসক্তি ব্যাপকৰূপে বাঢ়ি অহাৰ মূল কাৰণ। যদিও কোনো শ্রেণীগত প্রভেদ নথকাকৈ সমাজৰ সকলো শাখাৰ লোকেই এই দ্রব্যবোৰ ব্যৱহাৰ কৰে, কিন্তু শ্রেণীগতভাৱে চালে বিষয়টো সমস্যাজনক হৈ উঠে যেতিয়া আমি এই দ্রব্যবোৰৰ ব্যৱহাৰে ক্রিয়া কৰা আর্থিক আৰু স্বাস্থ্যবিষয়ক ক্ষতিৰ সম্ভাৱনাৰ কথাটো বিবেচনালৈ আনো। যি কি নহওক, এইটো কথা স্বীকার্য যে, সদ্যহতে এইটো পৰিলক্ষিত হৈছে যে সুৰাসক্তি আৰু নিচাসক্তি কেৱল ভাৰতৰ নগৰ অঞ্চলৰ সমস্যা হৈ থকা নাই, আনকি অর্ধ-নগৰীয়া আৰু গ্রাম্য অঞ্চলতো এই সমস্যাবোৰ ব্যাপকৰূপে বৃদ্ধি পাইছে।

চৰকাৰে যিমান সোনকালে সম্ভৱ ইয়াক প্ৰতিহত কৰাৰ কাৰ্যসূচী গ্ৰহণ কৰিব লাগে আৰু জনসাধাৰণক এনেবোৰ অভ্যাস গঢ়াত নিৰুৎসাহ কৰিবলৈ সজাগতা অনাৰ প্ৰচেষ্টা চলাব লাগে। কিন্তু যেতিয়া মানুহে ক্ষুধা আৰু দৰিদ্ৰতাৰ পৰা নিষ্কৃতি পাবলৈ এনেবোৰ দ্ৰব্যৰ আশ্ৰয় লয়, তেতিয়াই সম্ভৱ এই দ্ৰব্যবোৰৰ ব্যৱহাৰৰ পৰা বিৰত ৰাখিবলৈ চলোৱা কাৰ্যসূচীলৈ আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান আহে। তেনে পৰিস্থিতিত সজাগতা অনাৰ প্ৰচেষ্টাই বিশেষ সহায় নকৰিব। গতিকে এই বিষয়েবোৰ জনস্বাস্থ্য আৰু বিকাশৰ বহল পৰিৱেষ্টনীৰ মাজত নিয়ন্ত্ৰণ কৰিব লাগিব।

১৫.৩.৪ ভোগবাদৰ বিস্তাৰ

সাম্প্ৰতিক কালত ভোগবাদ সমাজৰ প্ৰধান লক্ষ্য হৈ পৰিছে আৰু গৱেষকসকলৰ মতে, মধ্যবিত্ত শ্ৰেণীৰ উত্থানে এই ভোগবাদী অৰ্থনীতিক অনুপ্ৰাণিত কৰাত কৰ্ণধাৰৰ ভূমিকাত অৱতীৰ্ণ হৈছে। "নগৰবাদ জীৱন যাত্ৰাৰ এক প্ৰণালী" প্ৰবচনটো এতিয়া "ভোগবাদ জীৱন যাত্ৰাৰ এক প্ৰণালী" লৈ ৰূপান্তৰিত হৈছে। আধুনিকীকৰণ, পুঁজিবাদ আৰু মহানগৰবাসীৰ একাংশৰ বৰ্ধিত উপাৰ্জনৰ এক সংমিশ্ৰণে বজাৰত ভাৰতীয় উপভোক্তাৰ আচৰণত আৰু ভাৰতীয়সকলৰ অৰ্থনৈতিক কাৰ্যকলাপত তোলপাৰ লগাই দিছে। ১৯৯১ চনৰ অৰ্থনৈতিক সংস্কাৰেই হৈছে এই পৰিৱৰ্তনৰ কেন্দ্ৰবিন্দু আৰু তেতিয়াৰে পৰা ভাৰতীয় অৰ্থনীতিয়ে উভতি চোৱা নাই। "ৰাষ্ট্ৰ, ব্যক্তিগত খণ্ড, বিশেষকৈ বিদেশী বহুৰাষ্ট্ৰীয় কোম্পানী আৰু সমৰ্থ নাগৰিক উপভোক্তাৰ কিছুমান আন্তঃসংযুক্ত ধাৰণাৰ অনিশ্চিত সংযোজনত ভোগবাদৰ অৱস্থিতি ধৰা পৰে।" (বেদৱান, ২০০৭)

আগতেই উল্লেখ কৰা হৈছে যে ভাৰতীয় মহানগৰবোৰত বৈষম্যতাৰ স্তৰত বৃহৎ ব্যৱধান আছে। গতিকে য'ত দৰিদ্ৰতা বুলিলে জীৱনৰ নিতান্ত প্ৰয়োজনীয় দ্ৰব্যসমূহৰ ক্ৰয় ক্ষমতাও নথকাটো সূচায়, তেনে ক্ষেত্ৰত বৈষম্যতাৰ পৰিসৰটোৰ আনটো দিশত থকাসকলৰ উপাৰ্জনে পূৰ্বৰ সকলো সীমা চেৰাই যোৱাটো সূচায়। ব্যৱস্থাপক শ্ৰেণীৰ লোকসকলৰ ব্যয়সাধ্য উপাৰ্জন ক্ৰমে বাঢ়ি গৈ আছে আৰু এই বৃদ্ধিৰ লগে লগে ভাৰতীয় উপভোক্তাৰ ক্ৰয় কৰা আৰু ব্যয় কৰাৰ সামৰ্থ্য বাঢ়ি আহিছে। ভাৰতীয় বজাৰখনৰ সামগ্ৰিক বৃহৎ আকাৰে ইয়াক সকলো ধৰণৰ সামগ্ৰী বিক্ৰী কৰা বিদেশী কোম্পানীবোৰৰ বাবে আটাইতকৈ আকৰ্ষণীয় গন্তব্য স্থান কৰি তুলিছে। ইয়াৰ লগতে, যিমানেই ভাৰতীয়সকলৰ বিদেশ ভ্ৰমণৰ মাত্ৰা বাঢ়িছে আৰু বিদেশত নিৰ্মিত কিছুমান উৎকৃষ্ট সামগ্ৰীৰ সোৱাদ লাভ কৰিছে, স্বদেশতো তেওঁলোকে তেনে চৌখিনতা বিচাৰিছে আৰু এনে কিছুমান দ্ৰব্যৰ চাহিদা ভাৰতত বাঢ়ি আহিছে যিবোৰ দ্ৰব্য আগতে কেতিয়াও ভাৰতত উপলব্ধ নাছিল। এনেবোৰ সামগ্ৰীৰ প্ৰসাৰ বিদেশী চকলেটৰ পৰা আৰম্ভ কৰি বিদেশী বিলাসী গাড়ীলৈকে ব্যাপ্ত। এক বৃহৎ সংখ্যক ভাৰতীয় উদ্যমশীল ব্যক্তিৰ প্ৰৱেশৰ লগে লগে গ্ৰাহকৰ বাছনিৰ বাবে বিভিন্ন পছন্দ আৰু বিকল্প সামগ্ৰীৰ পয়োভৰ অভূতপূৰ্বভাৱে বাঢ়ি গৈছে।

যি কি নহওক, এনে এটা পৰিস্থিতিয়ে সৃষ্টি কৰা মনস্তাত্ত্বিক আৰু সামাজিক-সাংস্কৃতিক প্ৰভাৱবোৰ সমস্যাপূৰ্ণ আৰু ই মাৰ্ক্সৰ "সামগ্ৰীৰ জড়োপসনা" ধাৰণাটো স্মৰণ কৰায়, য'ত সামগ্ৰীবোৰেই স্বয়ং অভাৰ হৈ পৰে। ভোগবাদে স্থানীয় বিক্ৰেতা, কাৰিকৰ আৰু গ্ৰাম্য অৰ্থনীতিৰ ওপৰত কু প্ৰভাৱ পেলাইছে কাৰণ গ্ৰাহকসকলে বৰ্তমান বৃহৎ খুচুৰা বিক্ৰী কেন্দ্ৰৰ পৰিচ্ছন্ন পৰিৱেশক আৰু তুলনামূলকভাৱে সহজলভ্য কাৰখানাত নিৰ্মিত সামগ্ৰীক অগ্ৰাধিকাৰ দিয়ে। ইয়াৰ লগতে ভোগবাদে এক পাৰিপাৰ্শ্বিক প্ৰভাৱো কঢ়িয়াই আনে, কাৰণ বিভিন্ন সামগ্ৰীৰ বাবে চাহিদাৰ সৃষ্টিয়ে অধিক উৎপাদনমুখী কাৰ্যকলাপ সম্পন্ন কৰায়, যাৰ ফলত অধিক প্ৰদূষণ আৰু উদ্যোগিক আৱৰ্জনাৰ সৃষ্টি হয়।

আকৌ ভোগবাদৰ বাবে সকলোৰে অংশগ্রহণৰ আদর্শৰে এখন মুক্ত বজাৰৰ আৱশ্যক হয়। কিন্তু প্রায়েইদেখা যায়, সকলোৱে ভোগবাদৰ ভাগীদাৰ হ'ব নোৱাৰে। "ভোগৰ লগত সকলোৰে অংশগ্রহণৰ কথাটো অলংকাৰৰূপে সংযোজিত হৈ আছে, কিন্তু বাস্তৱ ক্ষেত্রত মুক্ত বজাৰত প্রৱেশৰ ক্ষেত্রত গুৰুত্বপূর্ণ প্রতিবন্ধক কিছুমান থকা দেখা যায়। নির্বাচনী ৰাজনীতি আৰু উপভোগৰ মাজত থকাৰ দৰে সহজ পার্থক্য এটা এই ক্ষেত্রত গ্রহণ কৰিব নালাগে, য'ত আগৰটোৰ তুলনাত পাছৰটোক আপেক্ষিকভাৱে এক সংকীর্ণ আর্থ-সামাজিক স্তৰ বুলি চিনাক্ত কৰি নগণ্য বিষয় হিচাপে খাৰিজ কৰা হয় -- আর্থিকভাৱে সৱল, শিক্ষিত আৰু প্রধানকৈ নগৰীয়া - উন্নয়নশীল দেশবোৰত এইসকল ব্যক্তিৰে অংশ গ্রহণৰ সামর্থ্য আছে আৰু পৰিমিতভাৱে হ'লেও, তেওঁলোকে নিজৰ সুবিধা হোৱাকৈ বজাৰৰ চর্তসমূহ সলনি কৰি লয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ স্থানিক পৃথকীকৰণ কি?

প্রশ্ন নং ২ ঃ নৃগোষ্ঠীয়তাৰ ভিত্তিত স্থানিক পৃথকীকৰণ হয় নে?

প্রশ্ন নং ৩ ঃ কিশোৰৰ অপৰাধ প্রৱণতাৰ অর্থ কি?

প্রশ্ন নং ৪ ঃ মহানগৰসমূহত ভিক্ষাবৃত্তি কিয় এক সমস্যা হৈ পৰিছে?

প্রশ্ন নং ৫ ঃ ভোগবাদৰ কিছু কু প্রভাৱ কি কি?

১৫.৪ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

- নগৰীয়া সমাজত স্থান বুলিলে কেৱল ভূমিক বুজোৱা হয় আৰু তিনিটা গঠনত ভগাব পাৰি ঃ পার্থিৱ, কার্যকৰী আৰু সামাজিক স্থান। এই তিনি ধৰণৰ স্থানে পাৰস্পৰিক ক্রিয়া কৰে আৰু প্রতিটোৱেই নগৰীয়া সমাজৰ মানুহৰ বসবাসৰ অভিজ্ঞতাক গঢ় দিয়ে।
- নগৰীয় দৰিদ্রতাৰ সংজ্ঞা কি হ'ব সেই বিষয়ে কোনো ঐক্যমত নাই, কিন্তু দুটা বহল পৰিপূৰ্বক দৃষ্টিভঙ্গী প্রচলিত হৈ আছে ঃ অর্থনৈতিক আৰু নৃতাত্ত্বিক ব্যাখ্যা।
- আভিজাত্যকৰণ প্রক্রিয়াটোৱেই সম্ভৱতঃ মহানগৰসমূহত থকা শ্রেণীভিত্তিক স্থানিক বিভাজনৰ আটাইতকৈ বোধগম্য সাক্ষ্য
- যদিও ভাৰতৰ নগৰীয়া অঞ্চলবোৰ শ্রেণীগত বৈষম্যৰে স্থান বিভাজিত হৈ গঢ়ি উঠে, তথাপিতো ইয়াত এতিয়াও জাতিগত বৈষম্য অটুট আছে।
- সাধাৰণতে নগৰীকৰণ আৰু উদ্যোগীকৰণৰ বাবে শ্রমিক নিযুক্তিৰ বজাৰত দুটা ধাৰা দেখা যায় যি মহিলাসকলক গভীৰভাৱে প্রভাৱিত কৰে; তাৰে এটা হৈছে শ্রমৰ মহিলাকৰণ আৰু আনটো হৈছে মহিলাক নিযুক্তি দিয়া বহুতো উদ্যোগ আৰু কামৰ অস্থায়ীকৰণ বা অনিয়ন্ত্রিতকৰণ।
- ভোগৰ লগত সকলোৰে অংশগ্রহণৰ কথাটো অলংকাৰৰূপে সংযোজিত হৈ আছে, কিন্তু বাস্তৱ ক্ষেত্রত মুক্ত বজাৰত প্রৱেশৰ ক্ষেত্রত গুৰুত্বপূর্ণ প্রতিবন্ধক কিছুমান থকা দেখা যায়।

১৫.৫ অধিক জানিবলৈ

১) Banerjee, Biswajit and Knight, J.B. 1985. Caste discrimination in the Indian urban labour market, *Journal of Development Economics*. Vol. 17, Issue 3, April 1985, Pages 277-307.

২) Baruah, Bipasha. 2007. Gendered Realities: Exploring Property Ownership and Tenancy Relationships in Urban India, *World Development*. Vol. 35, No. 12, Pages 2096-2109.

৩) Fernandes. Leela 2004. The Politics of Forgetting: Class Politics, State Power and the Restructuring of Urban Spaces in India, *Urban Studies*. Vol. 41, No. 12, Pages 2415-2430.

৪) Kempen and Ozuekren. 1998. Ethnic Segregation in Cities: New Forms and Explanations in a Dynamic World. *Urban Studies*. Vol. 35, No. 1o, Pages 1631-1656.

৫) Lopez-Morales, Ernesto (2015). Gentrification in the Global South. City. 19:4, 564-573.

৬) Masika, Rachel, de Haan, Arjan and Baden, Sally. 1997. Urbanisation and Urban Poverty: A Gender Analysis. Report prepared for the Gender Equality Unit, Swedish International Development Corporation Agency (Sida).

৭) Swedish International Development Cooperation Agency (Sida).

১৫.৬ অগ্রগতিৰ খতিয়ান

প্রশ্ন ১ ৰ উত্তৰ ঃ এক বৃহৎ জনসমষ্টিৰ মাজত থকা বিভিন্ন গোটৰ লোকসকলৰ বাসস্থানৰ পৃথকীকৰণক স্থানিক বিভাজন বুলি ক'ব পাৰি।

প্রশ্ন ২ ৰ উত্তৰ ঃ হয়; নৃগোষ্ঠীয়তাৰ ভিত্তিত স্থানিক বিভাজন হয়।

প্রশ্ন ৩ ৰ উত্তৰ ঃ কিশোৰৰ অপৰাধ প্ৰৱণতাৰ অর্থ হৈছে যেতিয়া এজন কিশোৰ বা ১৮ বছৰৰ তলৰ ব্যক্তিয়ে কোনো অপৰাধ সংঘটিত কৰে বা কৰাৰ প্ৰৱণতা দেখুৱায়।

প্রশ্ন ৪ ৰ উত্তৰ ঃ মহানগৰসমূহত ভিক্ষাবৃত্তি এটা সমস্যা হৈ পৰিছে কাৰণ ভিক্ষাৰীবোৰে যান-বাহনৰ চলাচলত বাধাৰ সৃষ্টি কৰে, বাটে-পথে মানুহক কেতিয়াবা জুলুম কৰে, সৰু-সুৰা অপৰাধমূলক কামত লিপ্ত হয় আৰু কেতিয়াবা অস্বাভাৰিক আচৰণ কৰে।

প্রশ্ন ৫ ৰ উত্তৰ ঃ ভোগবাদে স্থানীয় বিক্রেতা, কাৰিকৰ আৰু গ্রাম্য অর্থনীতিৰ ওপৰত কু প্রভাৱ পেলাইছে কাৰণ গ্রাহকসকলে বর্তমান বৃহৎ খুচুৰা বিক্রী কেন্দ্রৰ পৰিচ্ছন্ন পৰিৱেশক আৰু তুলনামূলকভাৱে সহজলভ্য কাৰখানাত নির্মিত সামগ্রীক অগ্রাধিকাৰ দিয়ে। ইয়াৰ লগতে ভোগবাদে এক পাৰিপার্শ্বিক প্রভাৱো কঢ়িয়াই আনে, কাৰণ বিভিন্ন সামগ্রীৰ বাবে চাহিদাৰ সৃষ্টিয়ে অধিক উৎপাদনমুখী কার্যকলাপ সম্পন্ন কৰায়, যাৰ ফলত অধিক প্রদূষণ আৰু উদ্যোগিক আৱর্জনাৰ সৃষ্টি হয়।

১৫.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ কিশোৰৰ অপৰাধ প্ৰৱণতা কি?

প্ৰশ্ন ২ ঃ ভোগবাদৰ প্ৰসাৰ আৰু নগৰীকৰণৰ মাজত সম্পৰ্ক কি?

প্ৰশ্ন ৩ ঃ আভিজাত্যকৰণ প্ৰক্ৰিয়াটো আলোচনা কৰা।

প্ৰশ্ন ৪ ঃ নগৰীয়া অঞ্চলত লিঙ্গভিত্তিক স্থানিক বিভাজন কেনেদৰে ঘটে?

*** ***** ***

প্রসংগ গ্রন্থসমূহ

1) Ahlawat, S.R.(ed.). (2008). *Economic Reforms and Social Transformation*. Jaipur Rawat Publications.
2) Berch Berberoglu, Social Movements and Transformation In The Age of Globalization: Origins, Dynamics and Mobilization, *International Review of Modern Sociology*, Vol. 41, No. 1 (Spring 2015), pp. 55-77.
3) Castells, Manuel, 2002. Urban Sociology in the Twenty First Century in *The Castells Reader on Cities and Social Theory* by Ida Susser (ed.). 9-19. Blackwell Publishers.
4) Chitambar, J.B. 1993. *Introductory Rural Sociology*. New Delhi: New Age International (P) Limited.
5) Debal K. Singha Roy. Peasant Movements in Contemporary India: Emerging Forms of Domination and Resistance, *Economic and Political Weekly*, Vol. 40, No. 52 (Dec. 24-30, 2005), pp. 5505-5513.
6) Deogaonkar, S. G. (1994). *Tribal Administration and Development (With Ethnographic Profiles of Selected Tribes)*. New Delhi: Concept Publishing Company.
7) Desai, A. R. 1969. *Rural Sociology in India*. Bombay: Popular Prakashan.
8) Doshi, S.L. and P.C. Jain. 1999. *Rural Sociology*. Jaipur: Rawat Publications.
9) Ed. Tom Brass, New Farmers Movements in India, Frank CASS and Co ltd, (1995), republished by Rutledge, New York (2013).
10) Mohanty, Manoranjan (ed.) (2010), *India: Social Development Report 2010: The Land Question and the Marginalized*. Council for Social Development. New Delhi: Oxford Publishing House.
11) Patel Sujata & Das Kaushal. 2006. *Urban Studies*. Oxford University Press.
12) Patrick, Brandful, Cobbinaha, Michael, Erdiaw-Kwasieb, Odei and Amoatenga, Paul. 2015. Rethinking sustainable development within the framework of poverty and urbanisation in developing countries. *Environmental Development*. Volume 13, January 2015, Pages 18-32.
13) Pitirim A. Sorokin and Carle C. Zimmerman. 1929. *Principles of Urban Sociology*. New York: Henry Holt.
14) Rao, M.S.A, Bhat C. and Kadekar, LN. (Editors). 1991. *A reader in Urban Sociology*, Stosiusinc/Advent Books Division.

15) Sassen, Saskia. New Challenges Facing Urban Sociology at the Millennium
16) Satterthwaite DE. 1992. Environmental health and urban poverty and overcrowding. In: Munn T, ed. *Encyclopaedia of global environmental change*, Chichester: John Wiley & Sons
17) Seto, Karen C., Sanchez-Rodrýguez, Roberto and Fragkias, Michail. 2010. The New Geography of Contemporary Urbanization and the Environment. *Annual Review of Environment and Resources*. 35:167- 94.